## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jotindra Nath Goswami | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Saāhailiya Sabhaā Patarikaā | |
| Translated Title: Magazine of Asam Sahitya ~~Sabha~~ | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1962 (1884 Sak) | Edition: |
| Size: 23 cms - 91+186 pages | Genre: Magazine |
| Volumes: 21 - 3 issues | Condition of the original: good |
| Remarks: 9th . 1st vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

[illegible]
[illegible]

# অসম সাহিত্য সভা পত্ৰিকা

একবিংশ বছৰ। ॥ প্ৰথম সংখ্যা

অসম সাহিত্য সভা

১৮৮৪ শক

সম্পাদক: শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

## সূচীপত্ৰ


| | |
|---|---|
| বড়ো-কছাৰী জাতিৰ দৰ্শন—শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভূষণ ... | ১ |
| স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ ৰাজ্য-শাসন আৰু গুৱাহাটী চফৰ— শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী | ৭ |
| চৌধাৰীদেৱৰ কবিতাত সামাজিক চিত্ৰ— শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা, এম-এ ... | ১২ |
| দাম্ভিক সম্ৰাজ্ঞী নুৰজাহান--শ্ৰীমতী ধান কেচৱানী, এম-এ, বি-টি ... | ১৭ |
| হাইদাং গীত আৰু ইয়াৰ মৌলিক তাৎপৰ্য্য—শ্ৰীগগণচন্দ্ৰ সোণোৱাল ... | ২৪ |
| অসমৰ মধ্যযুগৰ প্ৰতিৰক্ষা নীতি—শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু, এম-এ ... | ২৯ |
| সাহিত্যৰ লক্ষণ—শ্ৰীপ্ৰিয়াংশু প্ৰৱল উপাধ্যায় ... | ৪২ |
| মানৱ-চৰিত্ৰ চিত্ৰণত কালিদাস—শ্ৰীযোগীৰাজ বসু, এম-এ ... | ৪৮ |
| হিন্দী মহাকাব্যৰ ৰূপৰেখা—শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা, এম-এ ... | ৫২ |
| অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ | |
| —ষষ্ঠ অধিৱেশন—প্ৰধান সম্পাদক ... | ৫৬ |
| —সপ্তম অধিৱেশন—প্ৰধান সম্পাদক ... | ৭২ |
| পুথি-পৰিচয় ... | ৭৭ |
| সম্পাদকৰ চুআৰাৰ ... | ৮৯ |


---


**পত্ৰিকা সম্পাদনা উপ-সমিতি ঃ—**

(১) শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা, এম-এ
(২) শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, এম-এ
(৩) শ্ৰীলীলা গগৈ, বি-এ
(৪) শ্ৰীহৰিপ্ৰসাদ নেওগ, এম-এ
(৫) প্ৰধান সম্পাদক
(৬) পত্ৰিকা সম্পাদক


# অসম সাহিত্য সভা পত্ৰিকা

নং....
তাং

# অসম সাহিত্য সভা পত্ৰিকা

একবিংশ বছৰ } ১৮৮৪ শক, বহাগ—শাওণ } প্ৰথম সংখ্যা

## বড়ো-কছাৰী জাতিৰ দৰ্শন

( পূৰ্ব্বানুবৃত্তি )

শ্ৰীৰাজমোহন নাথ

### বড়ো-ছা—ডিমা-ছা

'ছা,' 'ছাও'—শব্দৰ অৰ্থ পুত্ৰ, পোৱালী। বড়োছা শব্দৰ অৰ্থ বড়োৰ পুত্ৰ, আৰু ডিমাছা শব্দৰ অৰ্থ ডিমাৰ পুত্ৰ। আগতে কোৱামতে বড়ো শব্দৰ অৰ্থ ব্ৰহ্ম; বড়োছা শব্দৰ অৰ্থ ব্ৰহ্মৰ পুত্ৰ। 'ডি', 'টি', 'তি'—শব্দৰ অৰ্থ পানী; 'মা' 'লা' শব্দৰ অৰ্থ ডাঙৰ; 'লাও' শব্দৰ অৰ্থ বহল আৰু দীঘল; মা বা মাও শব্দৰ অৰ্থ আকৌ মাতৃ।

অসমৰ বাজহাড়স্বৰূপ ডাঙৰ নৈৰ বৰ্ত্তমান নাম ব্ৰহ্মপুত্ৰ। কালিকাপুৰাণৰ মতে কোনোবা ঋষিৰ পত্নীক ধৰ্ষণ কৰিবলৈ অহা জগৎ-স্ৰষ্টা ব্ৰহ্মাৰ শুক্ৰ মাটিত পৰি এটা কুণ্ডৰ সৃষ্টি হয়, আৰু তাতে জ্যোতিৰ্ম্ময় এটা পদাৰ্থ ( শিশু-মাৰ ) ওপজে; তাৰ পৰা এটা পানীৰ সোঁত ওলাই পৰ্ব্বত ভেদ কৰি প্ৰবাহিত হয়। ব্ৰহ্মাৰ শুক্ৰৰ পৰা ওলোৱা বুলি সেই পানীৰ প্ৰবাহৰ নাম হয় ব্ৰহ্মপুত্ৰ নদ। সকলো নদী স্ত্ৰীলিঙ্গ, কিন্তু ব্ৰহ্মপুত্ৰ-নদ পুংলিঙ্গ।

ভূতত্ত্ববিদ্‌সকলৰ মতে অতি প্ৰাচীন কালত দক্ষিণত গোণ্ডৱানা ভূখণ্ড (Gondwana land) আৰু উত্তৰত অঙ্গাৰা ভূখণ্ডৰ (Angara land) মাজত এক বিশাল আৰু দীঘল জলৰাশি আছিল। সেই জলৰাশিৰ নাম আছিল টি-থিস্ (Ti-thys) অৰ্থাৎ স্বৰ্গীয় পানী ( টি = তি = ডি = পানী,

থিস্ = স্বৰ্গ )●। পিচত এই স্বৰ্গীয় জলৰাশি ক্ৰমাৎ সঙ্কুচিত হোৱাত উত্তৰপিনে হিমালয় আৰু দক্ষিণ-ফালে আন আন পৰ্ব্বত ৰাজিৰ সৃষ্টি হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকা সেই টি-থিসৰ বুকুত ওপজা ভুখণ্ড আৰু ব্ৰহ্মপুত্ৰ নদ টি-থিস্ বা স্বৰ্গীয় পানীৰ অৱশেষ মাথোন।

খ্ৰীষ্ট জন্মৰ প্ৰায় তিনি হেজাৰমান বছৰৰ আগতে চীনদেশৰ পৰা পৰ্ব্বতৰ বাটেদি ব্ৰহ্মপুত্ৰ উপত্যকালৈ অহা খাচিয়া-ছিনটেঙ জাতিৰ পূৰ্ব্বপুৰুষসকলে ব্ৰহ্মপুত্ৰৰ নাম দিছিল লাও-তু ( লাও=বহল আৰু দীঘল, তু=পানী )। এই লাও-তু নামটোৱে সংস্কৃতত 'লোহিত' ৰূপ ললে, আৰু তদনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংস্কৃত নাম হল লৌহিত্য দেশ। মহাভাৰতত অসম দেশৰ নাম লৌহিত্য দেশ বুলি লিখা হৈছে। খ্ৰীষ্টীয় দ্বাদশ শতিকাত দক্ষিণ চীন ( উত্তৰ শান ) দেশৰ পৰা অসমলৈ অহা আহোম-সকলে ব্ৰহ্মপুত্ৰ নৈৰ নাম দিছিল 'ডি-লাও', বা 'টি-লাও'। আহোম ভাষাত লিখা অসম-বুৰঞ্জীত দুয়োটা নামৰ উল্লেখ আছে।

তিব্বতত ব্ৰহ্মপুত্ৰ নৈৰ নাম এক অঞ্চলত 'ৎ-সান্-পো,' আৰু আন এটা অঞ্চলত—'বন্-ৎজা-দ্ৰু-খাৰ'। তিব্বতী ভাষাত 'ৎ-জা' শব্দৰ অৰ্থ পুত্ৰ; 'ৎ-সা' শব্দৰ অৰ্থ বহা, থকা ঠাই, গহ্বৰ। 'ৎ-সান্-প' শব্দৰ অথ শুক্ৰ, শুদ্ধ, পৰিষ্কাৰ, পবিত্ৰ; আন এটা অৰ্থ শ্ৰেষ্ঠ জ্যোতিৰ্ম্ময় দেৱতা—হিন্দু-পুৰাণৰ ব্ৰহ্ম ( হ্লা-চেন্-পো; পো=জ্যোতিৰ্ম্ময়, চেন্=শ্ৰেষ্ঠ, হ্লা=ঈশ্বৰ )। চিৰতুষাৰাবৃত হিমালয়ৰ শুদ্ধ-শুক্ৰ-পবিত্ৰ বৰফৰ কুণ্ডৰ পৰা ওলোৱা বুলি নৈখন তিব্বতী বিশ্বাস আৰু হিন্দু পুৰাণৰ মতে ব্ৰহ্মা, ব্ৰহ্ম বা আদ্য-স্ৰজনকৰ্ত্তাৰ পুত্ৰ বুলি জনাজাত।

জগতৰ সকলো প্ৰাণী ব্ৰহ্মৰ সৃষ্টি, গতিকে সকলোৱেই ব্ৰহ্মৰ পুত্ৰ —এনে ধৰণৰ দৰ্শনবাদীসকল ব্ৰহ্ম-পুত্ৰ, বা বড়ো-ছা। আৰু যি সকলে ব্ৰহ্মপুত্ৰ নৈৰ পাৰত বসবাস কৰাৰ কাৰণে সেই নৈক নিজৰ মাতৃ বা পালন-কৰ্ত্ৰী ৰূপে স্বীকাৰ কৰিছিল, তেওঁলোক ডি-মা ছা—নদীমাতৃকাৰ সন্তান।

বড়ো জাতিৰ আন এটা ফৈদ তি-ফ্ৰা জাতি; তেওঁলোকৰ দৈধ্য দেৱতাৰ মাজত হিমালয় পৰ্ব্বত আৰু গঙ্গানদীৰ প্ৰতীক মূৰ্ত্তি ( তি=পানী, ফ্ৰা=দেৱী ) আছে।

বন্ধুবৰ শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভাই কব খোজে যে কছাৰী ভাষাত 'ভৰম্-বুতুৰ' শব্দৰ অৰ্থ কুলু-কুলু শব্দকৈ পানী বাগৰি যোৱা—যেনে পৰ্ব্বতীয়া নিজৰা; আৰু তেনে অৰ্থৰ পৰাই ( ভৰম্-বুতুৰ শব্দ ) ব্ৰহ্মপুত্ৰ নামৰ উৎপত্তি হৈছে। হিমালয় পৰ্ব্বত শ্ৰেণী এৰি যি ঠাইত ব্ৰহ্মপুত্ৰ নৈ অসমৰ নেফা-অঞ্চলৰ ভূমিত পৰিছে, তাতেই মাথোন এটা জল-প্ৰপাতৰ সৃষ্টি হোৱাত পানীৰ ভীষণ গৰ্জ্জন শুনা যায়; বহল নৈত পৰ্ব্বতীয়া নিজৰাৰ দৰে কুলু-কুলু শব্দ শুনা নাযায়। বিশেষকৈ কোনো ঠাইৰ কছাৰী মানুহে ব্ৰহ্মপুত্ৰক কেতিয়াও ভৰম্-বুতুৰ নোবোলে। সাধাৰণ গাৱঁলীয়ালোকে ইয়াক লুইত বা লুই বোলে।

ডিমাছা সম্পৰ্কে আন এটা সাধাৰণ বিশ্বাস আছে যে নগাপৰ্ব্বতৰ পৰা ওলোৱা ধনশিৰী নৈৰ পাৰত কছাৰী জাতিৰ ৰাজধানী থকাৰ সময়ত তেওঁলোকে ধনশিৰী নৈক বৰ ডাঙৰ হেনো জ্ঞান কৰি তাৰ নাম ৰাখিছিল 'ডি-মা', নগৰৰ নাম ৰাখিছিল—ডিমাপুৰ; আৰু ডিমা নৈৰ পাৰত বসবাস কৰাৰ কাৰণে নিজকে ডিমাৰ সন্তান বা ডিমাছা

• থিস্—Thys, Theis —অৰ্থ স্বৰ্গ, চীনা ভাষাত বৰ্ত্তমানত প্ৰচলিত শব্দ।

চো-থিস্—স্বৰ্গৰ প্ৰধান দেৱতা। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ গ্ৰীক-দেশীয় নাবিকে লিখা পেৰিপ্লাস্ নামৰ গ্ৰন্থত চীন দেশক থিসদেশ বুলি লিখা হৈছে (Para-64)।



বুলিছিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ কছাৰীসকল সাধাৰণতে ডিমাছা আৰু উত্তৰ পাৰৰ কছাৰীসকল বড়োছা বুলি জনাজাত।

অসমত 'ডি' আদ্যক্ষৰ-যুক্ত অসংখ্য নৈৰ নাম প্ৰচলিত আছে—ডিবাং, ডিহাং, দিচাং, দিখৌ, দিক্ৰং ইত্যাদি। ত্ৰিপুৰাৰ প্ৰাচীন ৰাজমালাত ধনশিৰী নৈৰ নাম তু-য়ঙ্গ বুলি লিখা হৈছে। ধনশিৰীৰ ওচৰৰ আন এখন নৈ ডি-য়াঙ্গ বৰ্ত্তমান দৈয়াঙ, বা দিয়ুঙ বুলি জনাজাত। ধনশিৰী নৈৰ নাম 'ডিমা' আছিল বুলি কোনো প্ৰাচীন বুৰঞ্জীত পোৱা নাযায়। বিশেষকৈ ধনশিৰী নৈ বৰ ডাঙৰ নৈ নহয়। ডিমাপুৰৰ নাম আহোম-বুৰঞ্জীত ইটা-নগৰ, কছাৰী বুৰঞ্জীত লক্ষ্মীন্দ্ৰপুৰ। অৱশ্যে লক্ষ্মীন্দ্ৰপুৰ নামটো পিচৰ যুগৰ হিন্দুপ্ৰভাৱৰ ফল। তাতে এটা বিষ্ণুৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰাৰ কাৰণে এই নামকৰণ কৰা হৈছিল।

ডিমাপুৰ নামৰ আন এটা ব্যাখ্যাও হ'ব পাৰে। আগতে কোৱা হৈছে যে ডাঙৰ নৈ বা ডিমাৰ সন্তান ডিমাছা; ডিমাছাসকলৰ নগৰ বা পুৰ ডিমাছাপুৰ বা সংক্ষেপে ডিমাপুৰ হ'ব পাৰে। আকৌ 'ডি-মা-ছা' শব্দৰো আন প্ৰকাৰ এটা অৰ্থও হ'ব পাৰে। আগতে কোৱা হৈছে যে বিশ্বব্ৰহ্মাণ্ডৰ গৰাকিনী আদ্যাশক্তিৰ তিব্বতী নাম য়িডম্-মা, ডমেমা, ইড়্মা,—হিড়্মা—হিড়িম্বা। 'য়িডম্-মা'ৰ সংক্ষেপ প্ৰচলিত ৰূপ—ডিম্-মা বা ডিমা হ'ব পাৰে। এনে ব্যাখ্যাত—আদ্যাশক্তি য়িডম্ মাৰ সন্তান—অৰ্থাৎ শক্তি উপাসক সম্প্ৰদায়ৰ নাম—ডিমাছা। এই ব্যাখ্যাটো বেছি যুক্তিযুক্ত যেন লাগে। কাৰণ ডিমাছাসকল সদাই শক্তি উপাসক, হেড়্মেশ্বৰী চণ্ডী—কা-ছাই খাতী—তেওঁলোকৰ উপাস্য দেৱতা। তেওঁলোকৰ ৰাজবংশৰ নামো—হা-চেঙ্-ছা=মহাকাশৰ ( হা ) শুদ্ধসত্ব ( চেঙ্ ) সন্তান ( ছা )।

তিব্বতী ভাষাত 'হ্লা' শব্দৰ অৰ্থ ঈশ্বৰ, তিব্বতৰ প্ৰধান নগৰৰ নাম 'হ্লা-সা'—ঈশ্বৰৰ চোতাল। হ্লাম্ শব্দৰ অৰ্থ ঈশ্বৰৰ জ্যোতি; হ্লা-মা=ঈশ্বৰী। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা 'বড়' বা ব্ৰহ্ম উপাসক তথা বড়োছাসকলৰ নগৰৰ নাম—বড়্-হ্লাম-পুৰ—বঢ়ম্-পুৰ পিচত বৰমপুৰ—আচল অৰ্থ ব্ৰহ্ম-জ্যোতিঃ বা ব্ৰহ্মতেজপুৰ। আন এখন নগৰৰ নাম—'হ্লামা'—পিচত হেলেম। পিচৰ যুগত বঢ়মপুৰৰ আৰ্হিত বড়-মা, বলমা বা বৰমা নগৰৰ নামকৰণ হৈছে।

মন কৰিবলগীয়া কথা এই যে বৈদিক যুগতো ৰাজবংশী মানুহে সদাই নিজক দেৱপুত্ৰ বুলি পৰিচয় দিছিল; ই আদি মানৱৰ মনোবৃত্তি। কোনো কোনো জাতিয়ে হাতী, বাঘ, সাপ আদি জীৱজন্তু আৰু নাগৰ, নৈ, পৰ্ব্বত আদিক নিজৰ বংশৰ আদি-পুৰুষ বুলি চিনাকি দিছিল। গতিকে বড়ো গোষ্ঠীৰ এটা ফৈদে নিজক বন্-পো বা বড়ো তথা ব্ৰহ্মৰ আৰু আন এটা ফৈদে নিজক আকাশচাৰিণী মহামায়া তথা য়িডম্-মাৰ সন্তান বা 'ছা' বুলি পৰিচয় দিয়া যুক্তিযুক্ত আৰু স্বাভাৱিক কথা।

প্ৰাচীনকালৰ চীনা সম্ৰাটৰ পদবী আছিল তায়েন্-ৎজু—আকাশৰ পুত্ৰ; উত্তৰ ভাৰতৰ কুষাণ নৃপতিসকল আছিল "দেৱপুত্ৰ", ঋগ্বেদৰ আঙ্গিৰ সম্প্ৰদায় আছিল—"দেৱপুত্ৰাঃ"—বিষ্ণুৰ স্বজাতি ( ঋ ১০।৬২।৪, ৮।৮৩।৭ )। আহোম ৰজা—স্বৰ্গদেৱ ( চীনা-তায়েন্-ৎজু ); কোচৰজা—শিৱপুত্ৰ।

## কছাৰী-কাছাৰী

বিশাল বড়োজাতিৰ যি ফৈদ সম্পৰ্কে আলোচনা কৰা হৈছে, তেওঁলোকক অসমত সাধাৰণতে কাছাৰী বা কছাৰী বোলা হয়। শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভাই ভালেমান বছৰৰ আগতে লিখিছিল যে—

গাৰ্হলীয়া তিৰোতাসকলে এতিয়াও নিজৰ জাতিবাচক শব্দটোক খছাৰী বা খাছাৰী বুলি উচ্চাৰণ ( 'নায়ক' আলোচনী ) কৰে।

কছাৰী বা কাছাৰী শব্দৰ ব্যুৎপত্তি সম্পৰ্কে সাধাৰণ ধাৰণা এই যে ই সংস্কৃত কচ্ছ শব্দৰ অপভ্ৰংশ। নৈ বা সাগৰৰ পাৰত থকা ভূমিখণ্ডক নাইবা পৰ্ব্বতৰ দাঁতিকাষৰীয়া অঞ্চলক সংস্কৃতত কচ্ছ, পূৰ্ব্ববঙ্গৰ দেশজ ভাষাত কাছৰ বা কাছাৰ আৰু অসমীয়াত কাষৰ বোলে। মহাভাৰতৰ মতে লোহিত নৈৰ দুয়োপাৰত, হিমালয় পৰ্ব্বতৰ দাঁতিকাষৰীয়া অঞ্চলত আৰু পছিম সাগৰৰ পাৰত কিৰাত সকলৰ বাসভূমি আৰু ৰাজ্য আছিল। গতিকে কাছৰ বা কাছাৰ শব্দৰ পৰা কিৰাত জাতিৰ তথা বড়ো গোষ্ঠীৰ প্ৰধান জাতিটোৰ নাম কছাৰী বা কাছাৰী হৈছে।

বাসভূমি বা ৰাজ্যৰ নামৰ লগত সাধাৰণতে 'ঈয়া' বা 'ঈয়' প্ৰত্যয় যোগ কৰি জাতিৰ নামকৰণ কৰা হয়—যেনে বৰপেটীয়া, কামৰূপীয়া, উজনীয়া, ভাৰতীয় ইত্যাদি। তেনেহলে কাছৰ, কাষৰ বা কাছাৰৰ অধিবাসীসকলৰ জাতিবাচক নামটো কাছৰীয়া, কাছাৰীয়া বা কাষৰীয়া হোৱা উচিত আছিল। 'ঈ' প্ৰত্যয় হলে কাছৰী, কাছাৰী, কাষৰী হয়।* শুক্ল যজুৰ্ব্বেদত—নৈৰ পাৰত থকা মানুহক কৈৱৰ্ত্ত ( অবাৰায়াং কৈৱৰ্ত্ত ), বিলৰ পাৰত থকা মানুহক ধীবৰ ( সৰোভ্যঃ ধীবৰঃ ) আৰু পৰ্ব্বতৰ গুহা-বাসীক কিৰাত ( গুহাভ্যঃ কিৰাত ) বোলা হৈছে। পানীৰ ( ডি ) ওচৰত থকা বুলি কছাৰীসকলক আহোমসকলে ডিজুৱা বুলিছিল। কছাৰীসকলে আহোমসকলক মহঙ্ বুলিছিল।

শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভাৰ মতে কোঁচসকল আছিল কছাৰীসকলৰ ৰাজনৈতিক ক্ষেত্ৰত চিৰকলীয়া পৰম শত্ৰু। সেই কাৰণে তেওঁলোকে নিজকে কোঁচৰ শত্ৰু বা অৰি বুলি চিনাকি দিয়াত গৌৰৱ অনুভব কৰিছিল বুলি ক্ৰমাৎ তেওঁলোকৰ জাতিবাচক নামটো কোচাৰি হৈ পৰি পিচত কচাৰি বা কছাৰী হৈছে। কিন্তু বুৰঞ্জীমতে অসমত আহোমৰ লগতহে কছাৰী জাতিৰ প্ৰধান শত্ৰুতা। শদিয়া, ডিমাপুৰ, মাইবঙ, খাচপুৰ—সকলো ঠাইত আহোম-কছাৰীৰ তয়াময়া ৰণ ; কোচৰ লগত কামৰূপ আৰু নগাৱঁত সামান্য খণ্ড যুদ্ধ হৈছিল। আহোমে সদাই কছাৰী জাতিক তলতীয়া কৰিব খুজিছিল, আৰু কছাৰীয়ে সদাই সেই প্ৰচেষ্টাৰ প্ৰতিৰোধ কৰি ব্ৰহ্মপুত্ৰ— কপিলী উপত্যকাৰ পৰা খেদা খাই শেষত বৰাক উপত্যকালৈ গৈ আহোমৰ অত্যাচাৰৰ বিৰুদ্ধে থিয় হৈ নিজৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিছিল। গতিকে অৰি-জাতিৰ সম্পৰ্কত নিজৰ পৰিচয় দিবলৈ হলে— মহঙ্গাৰি নামটো বেছি যুক্তিযুক্ত আছিল।

আৰবী ভাষাত "কছুৰা" ধাতুৰ অৰ্থ ধন-সম্পত্তি, জনবল, শক্তি-সামৰ্থ্যৰ প্ৰাধান্য প্ৰমাণ কৰাৰ কাৰণে যুঁজবাগৰ বা শক্তি প্ৰয়োগ কৰা। একেই অৰ্থত ন্যায়-আদালতক কাছাৰী বোলে। একেই অৰ্থত—যি সকলে আইনৰ ওচৰত হীনতা স্বীকাৰ নকৰি নিজৰ ধনবল, জনবল আৰু শক্তি সামৰ্থ্যৰ প্ৰতিষ্ঠা স্থাপনৰ কাৰণে মৰণ-পণ কৰি যুঁজবাগৰ কৰি থাকে, তেওঁলোক কছাৰী বা কাছাৰী। ঋগ্বেদৰ যুগত এনে ধৰণৰ অৰ্থযুক্ত আন এটা জাতিৰ নাম পোৱা যায় ;—ই হল দাস-জাতি। দাস শব্দৰ বৰ্ত্তমান সাধাৰণ অৰ্থ গোলাম ; কিন্তু মূলত এই শব্দটো দস্, দস্ৰ ধাতুৰ পৰা উৎপন্ন। দস্ ধাতুৰ অৰ্থ নিজৰ বলৰ দ্বাৰা আনক পৰাভূত কৰা বা তলতীয়া কৰি ৰখা। দস্ৰ ধাতুৰ অৰ্থ নিজৰ জেউতিৰ দ্বাৰা ওচৰৰ এন্ধাৰ দূৰ কৰি সকলোকে

* 'ঈ' প্ৰত্যয় যুক্ত জাতিৰ নাম—তিব্বতী, জাপানী, নেপালী। ই হ'ল দেশৰ অন্তত প্ৰত্যয় যোগ। কিন্তু কাছৰ বা কাষৰ এখন দেশৰ নাম নহয়।



আলোকিত কৰা। ঋগ্বেদত কোৱা হৈছে যে দাস জাতিৰ ধাৰণা আছিল যে তেওঁলোকৰ নিচিনা শক্তিমান্ আন কোনো নাই, তেওঁলোকেই পৃথিবীৰ সকলো জাতিৰ ওপৰত প্ৰভূত্ব কৰিবলৈ সমৰ্থ একমাত্ৰ জাতি।*

অসমৰ পূৰ্ব্বাঞ্চলৰ পাৰ্ব্বত্য অঞ্চলত খাচিন ( কাচিন ) জাতিৰ বাস ; বৰ্ম্মা আৰু অসমৰ মধ্যবৰ্ত্তী পাৰ্ব্বত্য অঞ্চলক খাচিন পৰ্ব্বত বোলে। তিব্বতী ভাষাত খাচিন শব্দৰ অৰ্থ—যাদুমন্ত্ৰৰ দ্বাৰা পাৰ্ব্বত্য হিংস্ৰ পশুক বশ কৰা। 'খাছে' শব্দৰ অৰ্থ বহুতৰ ওপৰত প্ৰভূত্ব কৰা মানুহ ( a person that has to command over much ); মণিপুৰী জাতিৰ আন এটা নাম 'খাছে'। তিব্বতীসকলে কাশ্মীৰক 'খাছে' বোলে। 'খাছে' শব্দৰ আন এটা অৰ্থ জাফৰান। কাশ্মীৰত 'জাফৰান' উৎপন্ন হয়। আগতে কাশ্মীৰত বৌদ্ধধৰ্ম্মৰ প্ৰভাব আছিল, পিচত মুচলমান ধৰ্ম্মীসকলৰ প্ৰাধান্য হয়। সেই কাৰণে তিব্বতীসকলৰ ওচৰত 'খাছে' শব্দ মুচলমান অৰ্থবাচক হৈ পৰিছে ( vide Tibetan-English Dictionary p. 35, 36 )। অসমৰ বুৰঞ্জীত খেন বংশৰ উল্লেখ আছে ; খেনজাতি জনজাতি—বড়ো গোষ্ঠীৰ এটা ফৈদ। তিব্বতী ভাষাত খা-জেন্ ( খা-খেন ) শব্দৰ অৰ্থ বিশ্ব ব্ৰহ্মাণ্ড ( expanse of the heavens ) যিসকলে নিজকে বিশ্বব্ৰহ্মাণ্ডৰ অধীশ্বৰ বুলি ভাবিছিল, তেওঁলোকে নিজক খা-খেন বা খেন বংশী বুলি পৰিচয় দিছিল।

গতিকে অনুমান হয় যে, কছাৰী বা কাছাৰী সংজ্ঞাৰ লগত জনবলা ধনবল আৰু শক্তি সামৰ্থ্যৰ প্ৰাধান্য হেতু আনৰ ওপৰত প্ৰভূত্ব কৰাৰ ভাৱধাৰা জড়িত আছে।

## ৰি—আৰি—আৰিয়া

তিব্বতী ভাষাত—'ৰি' শব্দৰ অৰ্থ পৰ্ব্বত (hill, mountain) ; তাৰপৰা আকৌ পাৰ্ব্বত্য বাসভূমি বা পাৰ্ব্বত্য ৰাজ্য। খশ জাতি মানুহৰ ( মি ) পাৰ্ব্বত্য বাসভূমি ( ৰি )-ৰ নাম খশ-মি-ৰি ; বৰ্ত্তমান নাম কাশ্মীৰ। খাচি জাতিৰ পাৰ্ব্বত্য ৰাজ্য —ৰি-খাচি। গাৰো জাতিও বড়ো গোষ্ঠীৰ এটা ফৈদ। তেওঁলোকৰ আদি বাসস্থান তিব্বতৰ লাডাক অঞ্চল। প্ৰতিজন গাৰো দলপতিৰ অধীনত কেইখনমান পৰ্ব্বতীয়া গাওঁ থাকে, সেই কেইখনমান গাৱঁৰ সমষ্টি তেওঁৰ পাৰ্ব্বত্য ৰাজ্য। তিব্বতী ভাষাত 'গি' এটা সম্বন্ধ-সূচক প্ৰত্যয়— 'কি' ( এওঁৰ ) অৰ্থবাচক। দলপতিৰ নামানুসাৰে তেওঁৰ পাৰ্ব্বত্য ৰাজ্য 'ৰি' ৰ নামকৰণ কৰা হয়। যেনে দমাল আৰু ৰংচু নামৰ দলপতিৰ পাৰ্ব্বত্য ৰাজ্যৰ নাম যথাক্ৰমে দমাল-গিৰি আৰু ৰংচু গিৰি।

বৈদিক পৰিভাষাত 'ঋ' হ'ল অগ্নি বা জুই শক্তিৰ প্ৰাথমিক স্তৰ, যাৰ দ্বাৰা ঋত (rhythm) ক্ৰিয়া আৰম্ভ হয় ; 'ৰ' হল অগ্নিৰ ব্যক্ত ৰূপ। অগ্নি আকৌ প্ৰাণশক্তিৰ প্ৰতীক। 'ঋ'ৰ ব্যঞ্জনা 'অৰ' ; য'ৰ পৰা 'অৰ' প্ৰকটিত হয়, তাৰ নাম অৰ্ক অৰ্থাৎ সূৰ্য্য।

সূৰ্য্যৰ কিৰণ প্ৰকটিত হোৱাৰ আগতে উষাৰ যি প্ৰাথমিক জ্যোতি বিকশিত হয় তাৰ নাম "আৰ", ইংৰাজী নাম "অৰা" (aura)। দেৱতা বা মহাপুৰুষ-সকলৰ মূৰ্ত্তিৰ মুখমণ্ডল আৰু মস্তকৰ চাৰিওপিনে যি বৃত্তাকাৰ জ্যোতিৰ্ম্মণ্ডল থাকে, তাৰ নাম "আৰ"। কৌষিতকী উপনিষদত কোৱা হৈছে যে ব্ৰহ্মাৰ ওচৰ চাপিবলৈ হলে আগতে তেওঁৰ চোতালৰ চাৰিওপিনে থকা আৰ-হ্ৰদ পাৰ হব লাগে ( ১৷৩ ক )। আদি-বৈদিক যুগৰে পৰা ধৰ্ম্মপ্ৰাণ মানুহৰ চিৰকলীয়া লক্ষ্য আছিল সেই আৰ বা অগ্ৰজ্যোতি বা প্ৰাক্‌জ্যোতিৰ

* উপদাসয় শব্দৰ অৰ্থ বধ কৰা— "আদদানমাঙ্গিৰসি ব্ৰহ্মজ্যামুপদাসয়" ( অথৰ্ব্ববেদ—১২৷৫৷৭২ )

উপাসনা। অগ্ৰজ্যোতিৰ উপাসকসকলে নিজক আৰিয়া বা আৰ্য্য বুলি পৰিচয় দিছিল। আধুনিক পাশ্চাত্য পণ্ডিতসকলৰ মতে আৰ্য্য শব্দৰ অৰ্থ খেতিয়ক বা চহা ; কিন্তু ঋগ্বেদৰ বসিষ্ঠ ঋষিৰ মতে— "আৰ্য্যা জ্যোতিৰগ্ৰাঃ" (ঋ ৮।১০১।১)। অগ্ৰজ্যোতি বা প্ৰাক্জ্যোতিৰ দেশ, অৰ্থাৎ যি দেশত উষাৰ প্ৰাথমিক জ্যোতি প্ৰকাশিত হয়, সেই দেশৰ নাম প্ৰাক্-জ্যোতিঃ, প্ৰাগ্জ্যোতিঃ বা প্ৰাগ্জ্যোতিষ। দিবা-পোহৰৰ প্ৰাথমিক ৰূপ হ'ল নক্ষত্ৰ, দ্বিতীয় বিকাশ চন্দ্ৰ আৰু পূৰ্ণবিকাশ সূৰ্য্য। সেই কাৰণে কলিকাপুৰাণকাৰে লিখিছে—যি দেশত ব্ৰহ্মাই প্ৰথমে নক্ষত্ৰ সৃজন কৰিছিল, সেই দেশৰ নাম- প্ৰাগ্জ্যোতিষ।

প্ৰাচীন মিচৰ দেশত অগ্নিৰ গৰাকিণী দেৱীৰ নাম আছিল-"ৰি", ৰিয়াস্"; আফ্ৰিকাছৰ ৰসৰ গৰাকিনী দেৱী সৰ্পৰাজ্ঞীৰ নাম আছিল শাহী ( ছাহী=ৰাণী ), ৰিয়াস্ বা ছেৰেছে। সংস্কৃত ভাষাত গিৰি শব্দৰ অৰ্থ পৰ্ব্বত। প্ৰাচীন চুমেৰীয়সকলৰ বিশ্বাস আছিল যে, পৃথিবীৰ গৰ্ভত থকা 'গী' নামৰ এটা সৰ্প আৰু "ইৰা" নামৰ এজনী সৰ্পিনীৰ সঙ্গমৰ ফলত পৃথিবীৰ উৰ্ব্বৰা শক্তি তথা জীৱনী শক্তি ওপজে। সেই জীৱনী শক্তিৰ হেঁচাত ঠায়ে ঠায়ে সাপৰ ফেটৰ দৰে মাটি ওপঙি উঠে, আৰু তাতেই পৰ্ব্বতাদিৰ সৃষ্টি হয়। গতিকে গিৰি, পৰ্ব্বত প্ৰাণশক্তিৰ উচ্ছ্বাস আৰু প্ৰাধান্যৰ প্ৰতীক।

ৰাজসিংহাসন, ৰাজমুকুট প্ৰৰ্ব্বতৰ টিঙৰ অনুকৰণত সজা। পৰিয়ালৰ প্ৰধানজনক দৰ-গিৰি বোলা হয়। দশনামী সন্ন্যাসীসকলৰ মাজত গিৰি, পৰ্ব্বত, বন, অৰণ্য, সাগৰ আদি কেইটামান সম্প্ৰদায় আছে।

আকৌ তিৰোতাৰ সৃষ্টিক্ষেত্ৰক আৱৰি ৰখা প্ৰাণশক্তিসম্পন্ন কাপোৰৰ নাম ( কছাৰী ভাষাত )— ৰি-গ্ৰু, মেখেলাৰ ওপৰৰ বক্ষ-বেষ্টনীৰ নাম-ৰি-জাম্-ফাই। জুইৰ জিভাৰ দৰে সৰ্ব্বাঙ্গ আৱৰি আকাশত উৰি-ফুৰা কাপোৰৰ নাম ৰিয়া বা ৰিহা, মূৰৰ ঢাকনীৰ নাম ৰি-খাও-ছা।

গতিকে দেখা গ'ল যে,—ৰি, আৰি, গিৰি প্ৰাণ-শক্তিৰ উচ্ছ্বাস আৰু প্ৰাধান্যৰ সূচক। আগতে কোৱা হৈছে যে, ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰৰ বড়ো-গোষ্ঠী আছিল ব্ৰহ্ম আৰু ব্ৰহ্ম-জ্যোতিৰ উপাসক ; সেই কাৰণে বৰ্ত্তমান কালতো গোৱালপাৰা অঞ্চলৰ প্ৰাচীন ৰাজপৰিয়ালৰ মানুহৰ পদবী "আৰি" যুক্ত,— যেনে বসুমতাৰি, নাৰ্জাৰি প্ৰভৃতি।

প্ৰাচীন মিচৰ-দেশীয় দৰ্শন মতে এটা বিশ্বাস আছিল যে, মানুহৰ দেহা-সৃষ্টিৰ মূলত দেহ-ব্যঞ্জনাৰ আদ্যকাৰণ শক্তি "ক" থাকে ( ক—ব্যঞ্জন বৰ্ণৰ আদ্য অক্ষৰ, প্ৰথম ব্যঞ্জনাৰ প্ৰতীক, মিচৰীয় ভাষাতো 'ক' বোলে )। মানুহ মৰিলে দেহৰ ভিতৰৰ জীউটো চৰাইৰ দৰে আকাশলৈ উৰি যায়, কিন্তু দেহটোত "ক" থাকি যোৱাৰ কাৰণে ই ফুলৰ পাহিৰ দৰে ডোখৰ-ডোখৰ হৈ নপৰে, অক্ষত থাকে। গতিকে দৰৱ-জাতিৰ দ্বাৰা 'ক' সমন্বিত দেহটোক ৰক্ষা কৰিব পাৰিলে আকৌ প্ৰাণ-পখীটোৱে দৈৱশক্তিৰে সৈতে সেই দেহত ক্ৰিয়া কৰিব। এই কাৰণে মিচৰ দেশত দৰৱ-জাতিৰ দ্বাৰা 'ক' সমন্বিত দেহাটোক 'মমি' কৰি "ক-বৰ"ত ( ক+বৃ+অনট্— 'ক'ক আৱৰি ৰখা ) ৰখা হৈছিল। মুচলমানৰ কবৰ বা গোৰ আৰু হিন্দুৰ যোগী সন্ন্যাসীৰ সমাধি প্ৰথাৰ মূলত প্ৰাচীন যুগৰ সেই বিশ্বাস অদ্যাপি জীয়াই আছে। হিন্দু-দৰ্শন মতে—'ক' আদ্যদেৱ, প্ৰজাপতি, ব্ৰহ্মা—প্ৰাণো ব্ৰহ্ম, কং ব্ৰহ্ম, খং ব্ৰহ্ম ইতি" ( ছান্দোগ্য উপনিষদ ৪।১০।৪ )। ঋগ্বেদৰ ঋষিয়ে সেই 'ক' দেৱতাৰ উদ্দেশ্যে হবি দান কৰি তেওঁক ধ্যান কৰে—



"ক-স্মৈ দেৱায় হবিষা বিধেম (১)। 'ক'—আদ্যদেৱ, পুৰুষ, 'কা'—আদ্যা প্ৰকৃতি, শক্তি। বৌদ্ধ ধৰ্ম্মী তিব্বতী লামাসকলৰ মতেও 'ক' (bka) আখৰৰ অৰ্থ আদি বুদ্ধ। তিব্বতী গ্ৰন্থ bka-igyur ( উচ্চাৰণ- কাঞ্জুৰ )-ৰ অৰ্থ—আদি বুদ্ধৰ বাণীৰ অনুবাদ। তেনেহলে—

কা-ছা-আৰি = আদ্যদেৱ, পুৰুষ, 'কা'-আদ্যা প্ৰকৃতি, শক্তি। কা-ছা-আৰি = আদ্যাশক্তিৰ সন্তান— অগ্ৰজ্যোতিঃ বা প্ৰাক্জ্যোতিৰ্ম্ময়। আকৌ প্ৰাণ, ব্ৰহ্ম, 'ক' আৰু 'খ' ( আকাশ ) একেই অৰ্থবাচক হোৱাৰ কাৰণে খ-ছাৰি, আৰু খা-ছাৰিও হ'ব পাৰে।*

( আগলৈ )

(১) এই পদফাকিৰ সাধাৰণ অৰ্থ 'কোন দেৱতাক হবিৰ দ্বাৰা আৰাধনা কৰিম' সম্পূৰ্ণ ভুল। 'ক'স্মৈ দেৱায়— আদ্য-দেৱায় ; মূল মন্ত্ৰত এই দেৱতাজনৰ বিশদ বৰ্ণনা আছে।

* বিংশ বছৰৰ তৃতীয় সংখ্যা পত্ৰিকা ওলোৱাৰ পাচত লেখকৰ পৰা 'বড়ো-কছাৰী জাতিৰ দৰ্শন' প্ৰবন্ধৰ এছোৱা পোৱা হ'ল। —পত্ৰিকা সম্পাদক

# স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ ৰাজ্য-শাসন আৰু গুৱাহাটী চফৰ

শ্ৰীৰমেশ চন্দ্ৰ বৰকাকতী

স্বৰ্গদেৱ প্ৰমত্তসিংহ ধুকুৱাৰ পিচত বৰজনা গোহাঁয়ে ( মোহনমালা গোহাঁই ) ৰাজপাটত উঠিব লাগিছিল ; কিন্তু তেওঁৰ বসন্ত ওলোৱাৰ দাগ থকাৰ নিমিত্তে কীৰ্ত্তিচন্দ্ৰ গেন্ধেলা বৰবৰুৱা আদি ৰাজ-বিষয়াসকলৰ চক্ৰান্তত তেওঁ ৰাজ সিংহাসনৰ পৰা বঞ্চিত হ'ল। আৰু তেওঁক নি নামৰূপৰ নিৰ্জ্জন পৰ্ব্বতত নিৰ্ব্বাসন দিলে। আচলতে তেওঁৰহে সিংহাসনৰ দাবি আছিল আৰু প্ৰজাসকলেও তেৱেঁই ৰজা হ'ব বুলি ভাবিছিল। তেওঁ যোগ্যতা হেৰুৱাত তেওঁৰ তৃতীয় ভায়েক ৰাজেশ্বৰসিংহই ৰজা হ'বলৈ ইচ্ছা নকৰা সত্বেও পাত্ৰমন্ত্ৰীসকলে তেওঁক ৰাজপাটত বহুৱায়। ইং ১৭৫১ চনত আহোম প্ৰথামতে তেওঁ শিঙৰি ঘৰত উঠি চুৰেমফা নাম লয়। এওঁৰ দিনত কুঁৱৈগঞা বুঢ়া গোহাঁই, মাছুৱিয়াল বৰ গোহাঁই, লেচেঙ্গিয়াল বৰ পাত্ৰ গোহাঁই, বকতিয়াল গেন্ধেলা বা কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু তুৱৰাৰ বৰফুকন হয়। মোহনমালা কোঁৱৰে সেই বেজাৰতে মৰাণৰ বিদ্ৰোহী দলৰ লগত যোগ দিলেগৈ।

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ ৰাজপাটত উঠাৰ পিচত ৰাজধানী পতা লৈ আহোম আৰু হিন্দু জ্যোতিষী-সকলৰ মতান্তৰ হয়। আহোম জ্যোতিষীয়ে কৈছিল যে "টাইমুঙ্গ"ত ৰাজধানী পাতিব লাগে ; ইফালে হিন্দু জ্যোতিষীয়ে "ৰংপুৰত"হে ৰাজধানী পাতিবলৈ উপযুক্ত স্থান বুলি মত প্ৰকাশ কৰিছিল। স্বৰ্গদেৱে কিন্তু হিন্দু জ্যোতিষীৰ মতেহে ৰংপুৰত ৰাজধানী

পাতি ৰাজকাৰেং তাতে সজালে *। পিচত আহোম জ্যোতিষীসকলৰ মতানুযায়ী টাইমুঙতো পকী কাৰেং এটা সজাই মাজে-সময়ে তাতো থাকিলেগৈ। স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ যদিও উপযুক্ত ৰজা আছিল তথাপি বেচিভাগ কাৰ্য্যৰ ভাৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ওপৰতে দিছিল ; সেই কাৰণেই কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই তেওঁৰ ইচ্ছামতে কাম কৰিব পাৰিছিল। পাত্ৰ-মন্ত্ৰীসকলে সেই কাৰণেই বৰ অসন্তোষ পাইছিল বৰবৰুৱাই অসম দেশৰ বহুত মূল্যবান বুৰঞ্জী নষ্ট কৰিলে।

স্বৰ্গদেৱে ৰাজেশ্বৰসিংহই ৰাজপাটত উঠাৰ অলপ-দিনৰ পিচতে অসমৰ উত্তৰ ফালটোলৈ আৰু গুৱাহাটীৰ ফালে যাবলৈ ইচ্ছা কৰিলে ; তেওঁৰ ইচ্ছামতেই পাত্ৰমন্ত্ৰীসকলে গোহাঁই, ফুকন, ৰাজখোৱা-সকললৈ স্বৰ্গদেৱৰ অভ্যৰ্থনাৰ যো-জা কৰিবলৈ আদেশ পঠিয়ালে।

এনেতে দফলা আৰু মিকিৰ বিলাকে ভৈয়ামৰ প্ৰজাবিলাকক উপদ্ৰৱ কৰিবলৈ ধৰিলে। সিহঁতে (দফলাবিলাকে) ভৈয়ামলৈ আৰু নামি উপদ্ৰৱ কৰিব নোৱাৰাকৈ স্বৰ্গদেৱে সিহঁতৰ দুৱাৰবিলাকত একোটাকৈ কোঠ মৰালে। সিহঁতে ভৈয়ামলৈ নামিব নোৱাৰি বৰ বিপদত পৰিল ; গতিকে বহু উপহাৰৰ সৈতে আহোম ৰজাৰ শৰণাগত হ'লহি। মিকিৰ পাহাৰ আক্ৰমণ কৰি ৰণত ঘটুৱাই মিকিৰহঁতকো আহোম ৰজাক কৰ শোধাবলৈ বাধ্য কৰিলে।

সেই সময়তে মণিপুৰৰ ৰজা কৃষ্ণসুন্দৰে ব্ৰহ্মদেশৰ ৰজাৰ দ্বাৰা পৰাজিত হৈ কছাৰী ৰজাৰ ওচৰত আশ্ৰয় লৈছিল ; তেওঁ এজন কটকীক স্বৰ্গদেৱৰ দৰ্শন লাভ কৰিবৰ কাৰণে পঠিয়ালে। স্বৰ্গদেৱৰ পৰা আদেশ আহে মানে কটকীক ৰহাতে আটক কৰি ৰাখিলে। অনুমতি পাই কটকীয়ে স্বৰ্গদেৱক ভেট কৰাত স্বৰ্গদেৱে বৰবৰুৱাৰ সৈতে আলোচনা কৰি দুজন কটকীক মণিপুৰৰ ৰজাৰ ওচৰলৈ পঠিয়াই নিমন্ত্ৰণ কৰালে। সেইমতে মণিপুৰৰ ৰজাই ১৬ আঘোণত চাৰি হেজাৰ পাৰিষদ লৈ গড়গাঁও পালেগৈ। দণ্ডৱৎ হৈ ৰজাই স্বৰ্গদেৱক ২০টা ঘোঁৰা আৰু ৬ হেজাৰ টকাৰ মূল্যৰ নানা তৰহৰ কাপোৰ-কানি উপহাৰ দিলে। তেওঁ স্বৰ্গদেৱৰ ওচৰলৈ আহি ব্ৰহ্মদেশৰ ৰজাক

*আহোম সম্ৰাটৰ ৰাজকাৰেং বা তলাতলঘৰ এটা সাতমহলীয়া অদ্ভুত কৌশলৰ পকীঘৰ। ইয়াৰ সমতলত এতলা ওপৰে তিনিতলা আৰু তললৈ তিনিতলা। সমতলৰ তলাই সোমাই বাওঁপাকে ঘূৰিলে সোঁহুৱাবেদি ওপৰ তিনিতলালৈ উঠা যায় আৰু সোঁপাকে বাওঁহুৱাবেদি তলৰ তিনিতলালৈ নমা যায়। সোমাই গৈ আৰু নামিবৰ আৰু উঠিবৰো দিহা আছে ; দৈবাৎ দিহা হেৰালে সোমোৱা মানুহে ওলাবলৈ সতকাই দিহা নাপাই পাক ঘূৰণি খাই চক্ৰবেহুত ঘূৰাদি ঘূৰি থাকে। তলৰ তৃতীয় তলাৰ পৰা পূবমূখে এটা পতালী-নলা দিখৌ নৈত ওলাইছেগৈ। ৰজাই কোনো শত্ৰুৰ আক্ৰমণ এৰাবলৈ হ'লে সেই সুৰঙেদি ওলাই গুচি যাব পাৰে। ই পৃথিৱীৰ অষ্টম আচৰিত বস্তুৰ লেখত পৰিবৰ যোগ্য আছিল। কাৰেঙৰ সমথলৰ মজিয়াৰ সমানে পূবলৈ উত্তৰা-দক্ষিণাকৈ দীঘে নকুৰি হাত, পথালিয়ে তিনিকুৰি হাত পৰিমাণৰ এটা সুদীৰ্ঘ প্ৰকাণ্ড ১৮ খোটলীয়া পকীঘৰ ; তাত ৰজাৰ গা-চোৱা লিগিৰা আৰু গা ৰখীয়া সৈন্য ৰখাৰ সুদিহা আছিল। ইমূৰৰ পৰা সিমূৰলৈকে পৰীয়াই পহৰা দিয়া এটা দীঘলি বাটে সম্ মাজে দুফাল কৰি ঘৰটো ৩৬ খোটলীয়া কৰিছে। হঠাৎ আক্ৰমণকাৰী শত্ৰুৱে এই ঘৰৰ উদ্ধাদিহ নাপাই উলটি নিজে ধৰা দিয়েগৈ। এতিয়া পুৰণি ৰংপুৰত সেই বিত্তোপন বাসগৃহৰ ভগ্নাৱশেষ মাথোন ৰৈছেগৈ। ওপৰৰ দুতলা ভাগি খহি পৰিল। তললৈ দুতলা গৈয়ে বাটমৰা ; নিচেই তলৰতলা ঘোপমৰা আন্ধাৰ, বাদুলিৰে ভৰি আছে। তাত সোমোৱা বিপদজনক।— অসম বুৰঞ্জী : পদ্মনাথ গোহাঁঞি বৰুৱা (পৃঃ ১৫২-৫৩)।



খেদি তেওঁৰ ৰাজ্য পুনৰ উদ্ধাৰ কৰিবৰ নিমিত্তে সহায় বিচাৰিলে ; সেই আশাতে তেওঁ তেওঁৰ দুহিতা কুৰঙ্গনয়নীক স্বৰ্গদেৱক অৰ্পণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মণিপুৰৰ ৰজাই দিখৌৰ পাৰৰ বাহৰত ছমাহ থাকি সেই বাহৰতে তেওঁৰ দুহিতা কুৰঙ্গনয়নীক স্বৰ্গদেৱলৈ বিয়া দিয়ে। ডাঙৰীয়াসকলৰ মত লৈ এওঁক "বৰজনা আইকুৱঁৰী" পাতিলে।

স্বৰ্গদেৱে কেবাবছৰলৈকে মণিপুৰ উদ্ধাৰ কৰাৰ কথা ভবা নাছিল ; পিচত মণিপুৰ ৰজাৰ নিবেদন আওহেলা কৰিব নোৱাৰি মণিপুৰলৈ সৈন্য পঠিয়াবলৈ স্বৰ্গদেৱে স্থিৰ কৰিলে। কিন্তু বাট বৰ ভয়লগা, পৰ্ব্বত-পাহাৰ, হাবি-বননি চেৰাই নগা আদি পৰ্ব্বতীয়া জাতিবিলাকৰ মাজেদিহে মণিপুৰ পাবগৈ পাৰি। বাটো বহু দূৰৈ। কছাৰী ৰাজ্যৰ মাজেদি যাবলৈ হলেও বহুত ঘূৰি যাব লাগে। সেইকাৰণে ধনশিৰী আৰু দৈয়াঙৰ মাজেদি বাট কাটি যাব পাৰিলে তিনিমাহৰ ভিতৰতে সেইখিনি পাবগৈ পাৰিব বুলি ভাবি স্বৰ্গদেৱে ১৭৬৭ চনত হৰনাথ ভিতৰুৱাল ফুকনক সেনাপতি পাতি ৫৪ হেজাৰ সৈন্যৰ এটা ফৌজ মণিপুৰ উদ্ধাৰ কৰিবৰ নিমিত্তে পঠিয়ালে।

ইফালে মণিপুৰৰ ৰজাক দেশলৈ পঠিয়াবলৈ স্বৰ্গদেৱে বৰবৰুৱাক ৰহালৈ আগবঢ়াই থবলৈ দিলে। সেইমতে ৩০ হেজাৰ সৈন্য লৈ বৰবৰুৱা ৰহালৈকে আহিল। তাৰপৰা কছাৰী ৰাজ্যৰ মাজেদি মণিপুৰৰ ৰজা আগবাঢ়ি গ'ল।

আহোম সেনাপতিয়ে হাবি-লতা কাটি নগা পৰ্ব্বতেদি পোনাই যাওঁতে বাট ভুল কৰি চৰাইদেউ পৰ্ব্বতৰ পোন পালেগৈ। ইফালে নগাবিলাকৰ আক্ৰমণত আৰু নানান বেমাৰ আজাৰ হৈ সৈন্য নাশ পাবলৈ ধৰিলে। আহাৰৰ নাটনিত পৰি খাবলৈ নাপাই শেষত গৈ ভালেমান সৈন্যৰ মৃত্যু হ'ল। স্বৰ্গদেৱে সেই বাতৰি পাই হৰনাথ ফুকনক উলটি-আহিবলৈ আদেশ দিলে। ৰংপুৰলৈ সৈন্য-বিলাকক ওলোটাই অনা হ'ল ; দেখা গ'ল কেৱল ৩৮ হেজাৰ সৈন্যহে ফিৰি আহিল। সৈন্যবিলাকৰ দুৰ্দ্দশা দেখি স্বৰ্গদেৱে মনত বৰ বেজাৰ পালে আৰু সেই সৈন্য বাহিনীক নিজৰ নিজৰ গাৱঁলৈ গই গা টঙাবলৈ অনুমতি দিলে।

তাৰ পাচৰ বছৰতে ১৭৬৮ চনত বকতিয়ালৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক বৰসেনাপতি পাতি পুনৰ মণিপুৰ-লৈ পঠিয়ালে। মানসেনাপতি মানতৰাই আহোমৰ অসংখ্য সেনা যোৱা গম পাই ভয়তে মণিপুৰ ৰাজ্য এৰি গুচি গ'ল। লতাকাটি বাট উলিয়াই ৰণলৈ গৈছিল দেখি এই ৰণক "লতাকটা ৰণ" বোলে।

মণিপুৰৰ ৰজাক পঠিয়াই স্বৰ্গদেৱে পূব সীমান্ত ৰাজ্য এমাহে ঘূৰিলে ; তাৰ পিচত নিজ ৰাজধানীলৈ ঘূৰি আহিল।

পূব-সীমান্তৰাজ্য ভ্ৰমণ কৰি আহি স্বৰ্গদেৱে সম্পূৰ্ণ পাৰিষদবৰ্গকলৈ গুৱাহাটী ভ্ৰমণলৈ ওলাল। দেৰ-গাৱঁলৈকে স্বৰ্গদেৱে স্থলেদি যান-বাহনলৈ আহিল ; তাৰপৰা অসংখ্য নৌকাৰ যোগেদি পানীৰে যাত্ৰা কৰিলে। কাঁজলীমুখৰপৰা স্বৰ্গদেৱক আগবঢ়াই নিবলৈ গুৱাহাটীৰ বৰফুকনে তেওঁৰ অধীনৰ সকলো ফুকনক লৈ লগতে কৰতলীয়া দৰং, ৰাণী, বেলতলা আদিৰ ৰজাসকলৰ সৈতে কাজলীমুখ পালেগৈ। স্বৰ্গদেৱক নানান বাদ্য আৰু গায়ন বায়নেৰে আগবঢ়াই আনি উত্তৰপাৰৰ মণিকৰ্ণেশ্বৰ পাহাৰৰ টিলা এটিৰ ওপৰত নিৰ্ম্মাণ কৰি থোৱা বাহৰলৈ লৈ আহিল। বাহৰত থিতাপি হোৱাত দৰঙীয়া, বেলতলীয়া, ৰাণীগঞা, পানবৰীয়া, মুৰাপুৰীয়া, ভোলাগঞা, শিলুতামুলী, নন্দুৰীয়া ৰজাসকলে তেওঁলোকৰ লগত লৈ অহা উপহাৰ দণ্ডৱৎ হৈ স্বৰ্গদেৱক সোধালে। বৰফুকন, পানীফুকন, আৰু আন আন ফুকনসকলেও

যথাযোগ্য ভাবে বিষয়ৰ মৰ্য্যদা ৰক্ষা কৰি ভাৰ ভেটী আগবঢ়ালে। স্বৰ্গদেৱৰ পৰাও সেই অনুযায়ী তেওঁলোকে যথেষ্ট পুৰস্কাৰ আৰু সমাদৰ লাভ কৰিলে।

স্বৰ্গদেৱে গুৱাহাটী অঞ্চলৰ মন্দিৰ দেৱালয় আদি দৰ্শন কৰিবলৈ ইচ্ছা কৰি হাজোৰ মাধৱ মন্দিৰ দৰ্শন কৰিবলৈ ওলাল আৰু সেইকাৰণে বৰফুকনক এখন সোণৰ কাঁহী, এটা সোণৰ ডাওৰ পাত্ৰ আৰু এটা সোণৰ ছত্ৰ যোগাৰ কৰিবলৈ আদেশ দিলে। মন্দিৰ দৰ্শন কৰি উঠি ব্ৰাহ্মণ, ঠাকুৰ, নাচনী আৰু বায়নসকলক উপযুক্তভাৱে কাপোৰ ধন-সোণ দান কৰিলে। সেই অঞ্চলৰ প্ৰজা গোটেইবোৰে স্বৰ্গদেৱক চাবলৈ ভাগি আহিল। হাজো ভ্ৰমণত স্বৰ্গদেৱৰ ৬ হেজাৰ টকা, ১০০ ( এশ ) তোলা সোণ, ১০ পেৰা কাপোৰ আৰু আন আন বস্তু বহুত ব্যয় হ'ল।

স্বৰ্গদেৱে তাৰ পিচত কামাখ্যা মন্দিৰ দৰ্শন কৰিলেগৈ। তাতো স্বৰ্গদেৱৰ সেৱা মাননি, দান দক্ষিণা আদিত বহুত ধন-সোণ ব্যয় হ'ল। কামাখ্যা মন্দিৰৰ পিচত স্বৰ্গদেৱে অশ্বক্ৰান্ত, জনাৰ্দ্দন, মণিকৰ্ণেশ্বৰ, উগ্ৰতৰা, নৱগ্ৰহ, বশিষ্ঠ আৰু গোপেশ্বৰ দেৱালয় দৰ্শন কৰিলে। লগতে স্বৰ্গদেৱে সেই সময়ৰ প্ৰসিদ্ধ কোঠ কানাই বৰশী বোৱা পৰিদৰ্শন কৰিলে। মন্দিৰবিলাক দৰ্শন কৰোঁতে স্বৰ্গদেৱৰ ১৪০০০৲ হেজাৰ টকা, ৪০০ তোলা সোণ, ২০ পেৰা কাপোৰ আৰু আন আন ভালেমান বয়বস্তু দান দিয়া পৰিছিল।

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই উত্তৰ গুৱাহাটী ৰজাদুৱাৰ বাহৰত থাকি মন্দিৰ, দেৱালয় আদি দৰ্শন কৰি ফুৰোঁতে আৰু আশে-পাশে থকা কোঠবিলাক পৰিদৰ্শন কৰি ফুৰোঁতেই ফাগুন মাহ পালেগৈ। পাত্ৰ-মন্ত্ৰী, ফুকন আদিয়ে ফাগুন মাহত দৌল উৎসৱ মহা সমাৰোহেৰে এই বাহৰতে পাতি এই অঞ্চলৰ প্ৰজাৰ আনন্দবৰ্দ্ধন কৰিবলৈ স্বৰ্গদেৱক খাটনি ধৰিলে ; স্বৰ্গদেৱেও তেওঁলোকৰ অভিলাষ পূৰণ কৰিবৰ অৰ্থে আৰু লগতে এই বাহৰতে ফাকুৱা উৎসৱটো পতা উচিত হ'ব বুলি ভাবি এটা ১৩ খলপীয়া দৌলঘৰ সজাবলৈ আদেশ দিলে। সেই দৌলঘৰটো ইটাৰে পকী কৰা হৈছিল *। সময়মতে দৌলোৎসৱ মহা সমাৰোহেৰে পতা হ'ল ; সেই উৎসৱত ৰাজ-বিষয়াসকলৰ বাহিৰেও প্ৰজাসকলৰ সমাগমত গোটেই উত্তৰ গুৱাহাটী দল্‌দোপ হেন্দোলদোপ হৈ পৰিছিল। শুনা যায় এই উৎসৱলৈ প্ৰজাবৰ্গই ইমান বয়-বস্তু আনিছিল যে বিষয়াসকলক দি আৰু অভ্যাগত অতিথিসকলক সোধ-পোছ কৰিও বয়-বস্তু অন্ত কৰিব পৰা নাছিল। এই উৎসৱটো সাতদিন একেৰাহে চলিছিল।

সেই সময়ত মণিকৰ্ণেশ্বৰৰ পুৰণি মন্দিৰটো বৰ ভূঁইকপত একেবাৰে ধ্বংস হৈ ইটা শিল আদিহে পৰি আছিল ; মূৰ্ত্তিজনাক কোনোমতেহে ৰাখিছিল।

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই মন্দিৰ দৰ্শন কৰিবলৈ যাওঁতে মন্দিৰৰ অৱস্থা দেখি মনত বৰ বেজাৰ পাইছিল। যেতিয়া তেওঁ গুৱাহাটী চফৰৰ পৰা উলটি গৈ ৰংপুৰ পালেগৈ তেতিয়া তাৰ পৰা গুৱাহাটীৰ বৰফুকনক মণিকৰ্ণেশ্বৰ মন্দিৰটো নতুনকৈ নিৰ্ম্মাণ কৰাবলৈ আদেশ দিলে। আদেশ অনুযায়ী ১৬৭৭ শকত তৰুণদুৱৰা বৰফুকনৰ পুত্ৰ দশৰথ দুৱৰা বৰফুকনে মণিকৰ্ণেশ্বৰ মন্দিৰ নতুনকৈ নিৰ্ম্মাণ কৰায়। মন্দিৰৰ শিলৰ ফলিত লিখা আছে :—

স্বস্তি সমস্ত সংসাৰি সংসাৰ পাৰাবাৰজাত যাতনাবাৰ নিবাৰণ চতুৰতৰ সুৰবৰ শিৰোমণি মণীশ্বৰ

---

* পকী দৌলঘৰটোৰ ভগ্নাৱশেষ এতিয়াও আছে। বাহৰ থকা ঠাইত মানুহে ঘৰ সাজি বাস কৰিছে। বাহৰ পতাস্থান এটা মণিকৰ্ণেশ্বৰৰ পাহাৰৰ টিলা বগৰাই সমান কৰি লোৱা হৈছিল।

—লেখক



মহেশ্বৰ চৰণ-ছায়ানুসৰণ পৰায়ণ প্ৰণমদৱনীশগন মৌলিমালাপ্ৰভাৰাজি বিৰাজিত পাদপীঠতল সকল ভূমণ্ডল পুৰন্দৰকুল, কুমুদ বান্ধৱসম সমৰসীমনিঃ সীমভীমবিক্ৰম প্ৰজ্ঞাৱজ্ঞাতগীস্পতি নীতিক্ৰম—মহামহিম শ্ৰীশ্ৰীমদ্ৰাজেশ্বৰাসংহ নৃপসিংহ প্ৰিয়ত্তম সেনাপতি প্ৰধান ধন্য ব্ৰহ্মণ্য জনাগ্ৰহীণ্ডি পিণ্ড পাণ্ডুৰ-সুন্দৰ কীৰ্ত্তিনিকৰ কৰত্তুৰ্জ্জয় বৈৰীবৰ-বাৰণ বিদাৰণ দাৰুণ পঞ্চানন মহিত মহাশয় স্বৰ্গাৱৰোহৱধি স্বৰ্গেশ-বংশ নৃপেশসেৱী বংশাবতংশ শ্ৰীতৰুণ বৃহৎফুক্কন তনয়ঃ শ্ৰীযুদ্দশৰথ দুৱৰা বৃহৎফুক্কনস্তনৃপসিংহাস্তয়া মনিগিৰিবৰে শ্ৰীশ্ৰীমনীশ্বৰ মহেশ্বৰস্থ ৰুচিৰ মঠামিমৰচয়দ্বয় গিৰিৰস শশীশাকো ১৬৭৭।

ভাঙনি ঃ—সকলো সংসাৰী লোকৰ সংসাৰসমুদ্ৰত হোৱা অবাৰিত যাতনাসমূহ নিবাৰণ কৰোঁতা চতুৰতৰ দেৱতাৰ ভিতৰত শিৰোমণি মনীশ্বৰ মহাদেৱৰ চৰণছায়াৰ আশ্ৰয় লওঁতা অৱনীশ অৰ্থাৎ ৰজাসকলৰ মূৰৰ কিৰীটিসমূহৰ জেউটিৰে যাৰ পাদপৃষ্ঠ বিৰাজিত, সমস্ত ভূমণ্ডকলৰজা ইন্দ্ৰবংশত কুমুদবান্ধৱ অৰ্থাৎ চন্দ্ৰৰ নিচিনা সমৰত অসীম ভয়ঙ্কৰ বিক্ৰমৰ যাৰ সীমা নাই। বিদ্যাত নিপুণ, নীতিত বৃহস্পতিকো অতিক্ৰম কৰিব পৰা মহামহিমাযুক্ত শ্ৰীশ্ৰীযুক্ত ৰাজেশ্বৰসিংহ নৃপসিংহ শ্ৰেষ্ঠৰ অতি প্ৰিয় সেনাপতি, ধন্য, ব্ৰহ্মণ্যগুণ থকাজনৰ অগ্ৰণী, সাগৰত গোটমৰা ফেন পিণ্ডৰদৰে বগা সুন্দৰ কীৰ্ত্তিসমূহৰে অলঙ্কৃত, দুৰ্জ্জয় শত্ৰুৰূপ হাতীকো বিদাৰণ কৰাত দাৰুণ সিংহৰদৰে পৰাক্ৰমী, মহৎ অন্তঃকৰণ, স্বৰ্গৰপৰা নামি অহা দিন ধৰি ইন্দ্ৰবংশীয় ৰজাসকলৰ বংশজাত শ্ৰীতৰুণ দুৱৰা—বৰফুকনৰ পুত্ৰ শ্ৰীযুত দশৰথ বৰফুকনে সেই নৃপসিংহৰ আদেশমতে মণিপৰ্ব্বত শ্ৰীশ্ৰীমনীশ্বৰ মহাদেৱৰ এই সুন্দৰ মন্দিৰ কৰে। গিৰি (৭) ৰস (৬) শশী (১) ১৬৭৭।

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত গুৱাহাটী অঞ্চলৰ দেৱ-দেৱালয়বিলাকৰ বহুত উন্নতি হয়। হিন্দুধৰ্ম্মৰ উন্নতিৰ নিমিত্তে এওঁ যথেষ্ঠ ধন ভগন কৰে।

উত্তৰ গুৱাহাটী বাহৰত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই ৮ মাহ থাকে ; তাৰ পিচত তেওঁৰ ৰাজধানী ৰংপুৰলৈ ঘূৰি যায়। উত্তৰ গুৱাহাটীৰ পৰা ঘূৰি যাওঁতে স্বৰ্গদেৱে বিশ্বনাথত আৰু তাৰ ওচৰ কাষৰীয়া ১৮ খন ঠাইত ২০০০৲ হেজাৰ টকা, ১০০ তোলা সোণ আৰু ৬ পেৰা কাপোৰ দান কৰে। তেওঁৰ গা অসুখ হোৱাৰ নিমিত্তে মুমলীগড়ত ১৫ দিন থাকিবলগীয়া হয়। দেৰগাওঁ পোৱাত স্বৰ্গদেৱে তাৰ মন্দিৰত ১০০০৲ হেজাৰ টকা, ১০০ তোলা সোণ, ১টা সোণৰ বাচন আৰু ২ পেৰা কাপোৰ দান কৰে। ঘূৰি যাওঁতেই সোনাই নৈৰ পাৰত তাৰ প্ৰজাবিলাকে ধৰি থোৱা ২০০ বনৰীয়া মহ'ৰ লগত হাতীৰ যুঁজ চাই স্বৰ্গদেৱে বৰ আমোদ পাইছিল।

বহাগৰ পাঁচদিন যোৱাত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ ৰংপুৰ পায়গৈ। বহুদিনৰ মূৰত ৰংপুৰত থকা বিষয়াবিলাকক পাই স্বৰ্গদেৱে আনন্দ প্ৰকাশ কৰিছিল। বিষয়াসকলে স্বৰ্গদেৱৰ মুখে গুৱাহাটী চফৰৰ বৃত্তান্ত শুনি পুলকিত হৈছিল আৰু দণ্ডৱৎ হৈ সেৱা জনাইছিল।

এইজনা মহাৰজা বৰ বিদ্যোৎসাহী আছিল। এওঁ নিজে বহুত কবিতা ৰচনা কৰিছিল। সেই কাৰণে পণ্ডিতসমাজে এওঁক "কবি-চূড়ামণি" উপাধিৰে বিভূষিত কৰিছিল।

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত বহুত আলি, দৌল পকীঘৰ বন্ধোৱা হয়। তাৰ ভিতৰত গড়গাৱঁৰ কাৰেংঘৰ; বশিষ্ঠাশ্ৰমৰ মন্দিৰ, নৱগ্ৰহ মন্দিৰ, মণিকৰ্ণেশ্বৰ মন্দিৰ, চিত্ৰাচল মন্দিৰ, নেঘেৰিটিঙৰ দৌল, হৰগৌৰী দেৱালয়, ৰংপুৰৰ তলাতলঘৰ এইবিলাকেই প্ৰধান।

মিৰজুমলাৰ লগত অহা লিখক ইবন্ মহম্মদ ওৱালিয়ে গড়গাওঁৰ কাৰেংঘৰৰ বিষয়ে তেওঁৰ "ফঠীয়া-ই-ইব্ৰীয়াহ"-ত তলত দিয়া বিৱৰণটো লিখি থৈ গৈছে :—

'গড়গাওঁ নগৰৰ ৪খন পকীদুৱাৰ। প্ৰত্যেকখন দুৱাৰ ৰাজকাৰেঙৰ পৰা তিনি ক্ৰোশৰ অন্তৰত।··· এই দুৰ্গ-আলিৰ ভিতৰত ৰজাৰ কাৰেঙৰ চৌপাশে মেৰাই আৰু এটা ধুনীয়া পকীআলি। তাৰ বাহিৰ ফালে কাষে কাষে এটা পানীৰে চপ্‌চপীয়া হৈ থকা দ গড়খাৱৈ। এই আলিবেৰৰ পৰিধি একক্ৰোশ চৈধ্য জৰীপ।···ৰজাৰ ঢোলং (দেৱানখানা) দীৰ্ঘে ১২০ হাত, পথালিয়ে ৩০ হাত। এই পকীঘৰৰ ৬৬টা স্তম্ভ; প্ৰত্যেকটো বিতোপন স্তম্ভৰ বেৰ বা পৰিধি ৪ হাতকৈ। ঘৰটোৰ ছালবোৰ আচৰিত কৌশল খটাই কাঠৰ কাৰুকাৰ্যোৰে সুশোভিত কৰা হৈছে। ভিতৰ বাৰত পিতলৰ বাওলগোৰা ডাঙৰ ডাঙৰ দাপোণৰ শাৰী শাৰী; তাত সূৰ্য্যৰ ৰশ্মি পৰি তাৰ অপূৰ্ব্ব জেউতি চৰায়। ৰজাবহা খোটালীত সমুখা-সমুখী চাৰিটা চক্‌চকীয়া স্তম্ভ। প্ৰত্যেকটোত ৯ টাকৈ সোণৰ উজ্জল আঙঠি মেৰোৱা। এই খোটালীত বিতোপন চক্‌চকীয়া পাথৰীয়া সাত খলপীয়া ভেটিৰ ওপৰত ৰাজসিংহাসন পতা হয়। তাৰ ওপৰত সোণৰূপৰ আঙঠিৰে ৯ খলপীয়া চাঙটি-চন্দোৱাৰ। এই পৃথিবীত এনেকুৱা ধুনীয়া অলঙ্কাৰপূৰ্ণ ঘৰ দ্বিতীয় বুলিবলৈ আন এটি বিচাৰি নাপাবা! বাৰ হেজাৰ বাঢ়েয়ে এবছৰে এই অট্টালিকাটি বহু প্ৰৱন্ধৰে নিৰ্ম্মাণ কৰি উলিয়াইছিল। ইয়াকে চাই ৰজাৰ শয়ন মন্দিৰ। ইয়াৰ সৌন্দৰ্য্যত মানুহ আপোন পাহৰা হয়। ইয়াত বাজেও ভালেমান আহলবহল সুশৃঙ্খলিত আৰু সুসজ্জিত মজবুট অট্টালিকাৰে সৈতে ৰজাৰ টোলটি জিলিকি আছে। হাঁয়! এনেখন বিতোপণ নগৰ আমাৰ সম্ৰাটৰ সম্ৰাজ্যৰ ভিতৰ নহ'ল' (পদ্মনাথ গোহাঞি বৰুৱাৰ 'অসম বুৰঞ্জী')। *

* এই প্ৰবন্ধটি গেইট চাহাবৰ অসমবুৰঞ্জী, শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ তুঙ্গখুঙ্গীয়া বুৰঞ্জী, ডাঃ ৰেভ্‌চাহাবৰ বুৰঞ্জী আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ অসম বুৰঞ্জীৰ পৰা যুগুত কৰা হৈছে।
—লেখক

# চৌধাৰীদেৱৰ কবিতাত সামাজিক চিত্ৰ

শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা

পৃথিবীৰ সকলো শ্ৰেষ্ঠ সাহিত্যিকৰ ৰচনাত অন্যান্য বিষয়ৰ লগতে সেই সাহিত্যিকৰ দেশ বা জাতীয় জীৱনৰ চিত্ৰ ফুটি উঠা দেখা যায়। এইটো প্ৰত্যেক সাহিত্যিকৰে জাতীয় বৈশিষ্ট্য। গল্প, কবিতা, নাটক, উপন্যাস সকলো প্ৰকাৰৰ সাহিত্যতে এই বৈশিষ্ট্য দেখা যায়। যেনেকৈ শ্বেকছ্‌পীয়েৰ, মিল্টন, ৱৰ্ডচৱাৰ্থ আদি বিশ্ববিখ্যাত ইংৰাজ কৱি-নাট্যকাৰ-সকলৰ ৰচনাত ইংলণ্ডৰ সকলো প্ৰকাৰ সামাজিক চিত্ৰ বিদ্যমান, তেনেকৈ টলষ্টয়, গগল, ডষ্টয়ভস্কি আদিৰ ৰচনাত ৰুচিয়াৰ আৰু মোপাচাঁ, চমৰচেট মম, বালজাক আদিৰ লিখনীত ফ্ৰান্সৰ সামাজিক জীৱনৰ চিত্ৰ সফল ভাবে পৰিস্ফুট হৈছে। ভাৰতৰ শ্ৰেষ্ঠ কবি কালিদাসৰ নাটক আৰু কাব্যসমূহটো প্ৰায় দুহেজাৰ বছৰৰ আগৰ ভাৰতবৰ্ষৰ প্ৰাকৃতিক, সামাজিক আদি চিত্ৰ নিখুঁত ভাবে প্ৰকাশ পাইছে। 'অভিজ্ঞান শকুন্তলম্'ৰ নায়িকা শকুন্তলাক সখীয়েকসকলে



সজোৱা অলঙ্কাৰ আৰু আন প্ৰসাধন দ্ৰব্যবোৰে এফালে যেনেকৈ ভাৰতীয় নাৰীৰ সৌন্দৰ্য্যবোধৰ পৰিচয় দিয়ে, আনফালে তেনেকৈ কণ্বমুনিয়ে শকুন্তলাক দিয়া উপদেশবোৰে ভাৰতীয় গাৰ্হস্থ্য জীৱনৰ মধুৰ আদৰ্শকো দাঙি ধৰে। নাইবা, মেঘদূতৰ উত্তৰ মেঘৰ "তন্বী শ্যামা শিখৰী দশনা" বুলি আৰম্ভ কৰা বিখ্যাত শ্লোকটোতো যেনেকৈ ভাৰতীয় নাৰীৰ ৰূপ-সৌন্দৰ্য্যৰ কথাকে পোৱা যায়, তেনেকৈ পূৰ্ব্ব মেঘত ৰামগিৰিৰ পৰা অলকালৈ দিয়া বাটৰ বৰ্ণনাটোত ভাৰতৰ ভৌগলিক তথা প্ৰাকৃতিক চিত্ৰও মনোৰম ভাবে দেখা যায়। এইটোৱেই হ'ল সাহিত্যৰ জাতীয়তা।

অসমীয়া কবি-সাহিত্যিকসকলৰ ৰচনালৈ দৃষ্টি কৰিলেও দেখা যায় যে সিসকলৰ ৰচনাতো অসমৰ প্ৰাকৃতিক, সামাজিক আদি জীৱনৰ চিত্ৰ সুন্দৰভাবে পৰিস্ফুট হৈ ওলাইছে। পুৰণি যুগৰ অসমীয়া কবিৰ ৰচনাতো সেই একে কথা। মাধৱ কন্দলীৰ ৰামায়ণত লঙ্কাৰ গছ গছনিৰ বৰ্ণনাত অসমৰ গছ-গছনিৰ চিত্ৰ কেনেদৰে ফটি ওলাইছে—

"গুঞ্জুৰিত শৰদে ভ্ৰমৰা মধুপান।
পদ্মিনী দীঘী জলাশয় ৰম্য থান॥
* * * *
ষড় ঋতু নছাড়য় খৈহকিলৰ ৰাৱ॥" ইত্যাদি।

এইদৰে পশু পক্ষী ঘৰদুৱাৰ, ৰাক্ষসৰ খেলা-ধূলা সকলোতে মাধৱ কন্দলীয়ে অসমীয়া জীৱনৰ চিত্ৰ ফুটাই তুলিছে। শঙ্কৰদেৱ, মাধৱদেৱ আদি প্ৰখ্যাত বৈষ্ণৱ কবিসকলৰ ৰচনাতো এই কথা প্ৰযোজ্য।

কুৰিশতিকাৰ অন্যতম অসমীয়া কবি ৰঘুনাথ চৌধাৰীদেৱৰ কবিতাতো অসমৰ প্ৰাকৃতিক আৰু সামাজিক জীৱনৰ চিত্ৰ সুন্দৰভাবে ফুটি উঠিছে। অসম নৈসৰ্গিক সৌন্দৰ্য্যৰ লীলাভূমি। পৰ্বত-পাহাৰ, ধাননি পথাৰ, নৈৰ চাপৰি, গছ-গছনি, ফুল-ফুলনি, পশু-পক্ষী আদিৰ সমন্বয়ত অতি প্ৰাচীন কালৰে পৰা "মুনি মনমোহিনী" অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য চিৰ সেউজীয়া, চিৰ মনোৰমা হৈ আছে। এনে স্থলত ইবোৰ দৃশ্যই যে যি কোনো কবিৰে মন মুহি নেপেলাব তাত কোনো বৈচিত্ৰ্য নাই। সেইহে অসমৰ বহুত কবিৰ ৰচনাতে প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা পোৱা যায়। বিহগী কবি চৌধাৰী ডাঙৰীয়া প্ৰকৃতিৰ কবি। তেওঁ প্ৰকৃতিৰ ৰূপ লেখে, প্ৰকৃতিৰ বুকুত নিজক নিমজ্জিত কৰিবলৈ বিচাৰে। তেওঁ প্ৰকৃতিৰ প্ৰেমিক। পৰ্বত, নৈ, ফুল, চৰাই সকলোবোৰৰ কাৰণে যেন তেওঁ উদ্বাউল। সেইহে কবিৰ হাতত এই বিষয়বোৰ একাধিক ঠাইত নানা ভাৱ-ভঙ্গিমাৰে বৰ্ণিত হৈছে। কিন্তু তেওঁৰ বৈশিষ্ট্য এই টোৱেই যে, বৰ্ণনাবোৰ উকা বা গতানুগতিক নহৈ সৰল-অনুভূতি প্ৰৱণ আৰু নিজ মহিমাৰে মহিমান্বিত হৈ উঠিছে। ডঃ কাকতি দেৱে ঠিকেই মত দিছে—"চৌধাৰী ডাঙৰীয়া প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনাত সিদ্ধ হস্ত। চৌধাৰী ডাঙৰীয়াৰ বৰ্ণনাই তেওঁৰ বৰ্ণনাৰ বিষয়ক 'অজ্ঞাত কুলশীল' আচহুৱা আলহী নকৰি পূৰ্ব্বস্মৃতি বিজড়িত বহুদিনৰ চিনাকী বন্ধুৰ দৰে উপস্থিত কৰে।" অন্যান্য কবিৰ দৰে চৌধাৰী ডাঙৰীয়াৰ কবিতাতো দহিকতৰা, কেতেকী, মৌপিয়া, টুনী, বুলবুল, খঞ্জনী কপৌ, সখিয়তী চকোৱা, গঙ্গাচিলনী আদি অসমৰ চৰাই আৰু শেৱালি, গিৰিমল্লিকা, পদুম, গুলঞ্চি, সোণাৰু, কছুৱা, শোভাঞ্জন, সেউতি, জৰা, চম্পা, যুতি, জাতি, মালতি, কৰবীৰ, টগৰ, ডালিম, গুটিমালী, ভেটফুল, কুটজ, মাধবী, গোলাপ আদি অসংখ্য গছ আৰু ফুলৰ উল্লেখ পোৱা যায়। তাৰ ভিতৰত কেতেকী, দহিকতৰা আদি নামৰ কেইবাটাও চৰাইৰ কবিতা আৰু গিৰিমল্লিকা, ভেটফুল আদি ফুলক লৈ লিখা কেইবাটিও ফুলবিষয়ক মনোৰম কবিতা আছে। এই

কবিতাবোৰৰ বৈশিষ্ট্য হল এফালে ইবোৰ যেনেকৈ নানা ভাবেৰে সমৃদ্ধিশালী আনফালে তেনেকৈ ইয়াত অসমীয়া জীৱনৰ সামাজিক চিত্ৰও প্ৰতিবিম্বিত হৈ উঠিছে।

এতিয়া চোৱা যাওক চৌধাৰী ডাঙৰীয়াৰ কবিতাত কেনেদৰে অসমীয়া জীৱনৰ চিত্ৰ ফুটি ওলাইছে। চৌধাৰী ডাঙৰীয়াই অসমৰ সামাজিক চিত্ৰ দাঙি ধৰাৰ উদ্দেশ্যে কোনো কবিতা পোন-পটিয়া ভাৱে লেখা নাই; এওঁৰ প্ৰকৃতি-বিষয়ক কবিতাই সৰহ। তথাপি তাৰ মাজেদিয়েই সামাজিক চিত্ৰৰ আভাস পোৱা যায়। প্ৰথমে 'দহিকতৰা' কাব্যলৈ চোৱা যাওঁক। এই কাব্যৰ প্ৰথম কবিতা 'দহিক-তৰা'ত দহিকতৰা চৰাইটোৰ গুণৰ কথা আৰু কবিৰ তন্ময় ভাবৰ লগতে নৈসৰ্গিক বৰ্ণনা আছে। দহিকতৰাৰ আগমনত প্ৰকৃতিৰ বুকুত যেন বিৰাট আলোড়ন উঠিছে। কিন্তু তাকে কবিয়ে কৈছে—দহিকতৰাক আদৰিবলৈ যেন বনমালাসকলে কাষত মঙ্গল ঘট লৈ আগবাঢ়ি আহিছে, যেন—অসমৰ ন কইনা এজনীকে আদৰিছে—

কাষত মঙ্গল ঘট ফুলৰ কৰ্বাণ
মিলি যত বনমালা
পিন্ধাইছে বনমালা
বুকুত পিন্ধাই দিছে হুগ্‌হুগি থনি"।

দৰাক সুৱাগুৰি তুলি অনাটো অসমীয়া সমাজৰ প্ৰধান নিয়ম। কবিয়ে দহিকতৰাৰ যোগেদি বসন্ত দৰাক সুৱাগুৰি তুলি অনা দেখুৱাইছে—

"আহিল বসন্ত দৰা লাহবাহ কৰি
আদৰি আনিলি তয়ে তুলি সুৱাগুৰি।"

'বহাগীৰ বিয়া' কবিতাত বসন্তক দৰা আৰু বহাগীক কইনা হিচাবে কল্পনা কৰি কবিয়ে এফালে যেনেকৈ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনা কৰিছে, আনফালে তেনেকৈ অসমীয়াৰ বিয়াৰ চিত্ৰ এখনি নিখুঁতভাবে অঙ্কন কৰিছে। এনে চিত্ৰন অইন কবিৰ ৰচনাত বিৰল। বহাগী আইদেও যেন এগৰাকী অসমীয়া গাভৰু জীয়াৰী। তেওঁৰ বিয়াৰ বাতৰি প্ৰেমিক ভ্ৰমৰৰ মুখত শুনি যেন শিমলু, পলাশ, কামিনী, কাঞ্চন আদিয়ে পুৰণি কাপোৰ সলাই ন ন ৰূপত সাজি কাচি ওলাই আহিছে। এই বিয়াত যেন মলয়া বতাহেও ফুলৰ গোন্ধ বোকোচাত লৈ বিলনীয়া হৈছে। আকাশে হীৰক মণ্ডিত চন্দ্ৰাতাপখনি আঁৰি দিছে আৰু আই বসুমতীয়ে সেউজীয়া আসন দিছে। ফেহুচৰাই, দহিকতৰা, কুলি আদি আয়তীসকলে ৰভাৰ তলতে পুষ্পাঞ্জলি দিয়া, নামগোৱা আদি নিজ নিজ কাম কৰিছে। সাধাৰণতে বিয়াৰ কইনাৰ লগতে আন আন গাভৰুৱেও ভাল সাজ পাৰ পিন্ধে। তেওঁ-লোকৰ ভিতৰতে কোনোৱে কইনাক জোৰোণ পিন্ধায়। তাকে কবিয়ে কৈছে—

"পাটৰ চেলেং গাত ঘেৰিয়াই
পাটমাদৈ চুঁচি সাজি
জোৰণ পিন্ধাব আহিল সুন্দৰী
পাট গাভৰুটি সাজি।"

অসমীয়াৰ জোৰোণ পিন্ধোৱা প্ৰথাটো কৱিয়ে প্ৰকৃতিৰ বৰ্ণনাৰ লগতে কেনে মনোৰমভাবে খাপখুৱাই বৰ্ণাইছে! অকল ইমানেই নহয়। তলৰ বৰ্ণনাটোত অসমীয়াৰ কইনা সজোৱা প্ৰথাটো কেনে নিখুঁতভাবে ফুটি ওলাইছে—

"সোণ বৰণীয়া ডৰীয়া কাঞ্চন
সোনাৰু, কনক চম্পা,
ৰচিলে ধুনীয়া বেণীৰ আকাৰে
কন্যাৰ লাহতী খোপা।
সিন্দুৰ ৰক্তিম অলকা তিলক
পিন্ধালেহি উষাৰাণী,
নিমজ গালত কুসুম ফুলৰ
দিলেহি ৰহণ সানি।
পিন্ধালে কাণত ডালিম ফুলৰ
ৰাখৰ পতোৱা কেৰু
হাত দুখনিত কুঞ্জ লতিকাৰ
সোণ খতা মুঠি খাৰু।
পিন্ধালে ময়ুৰে গোমচেং মেখেলা
ভমকা ফুলীয়া চায়,
দিলে বুটা তুলি ফুল বচা ৰিহা
ৰচকী পখিলা বাই।
চাৰু ললন্তিকা নাৰ্‌জী ফুলৰ
অৰুণৰ কোত্‌ মণি,
কাজলী ধৱলী অপৰাজিতাৰ
কঁকালৰ কৰধনি।
সাজি কাচি যেন আছে পাটৰাণী
গোলাপী শয্যাত বহি,
কিবা অপৰূপ ৰূপ লাৱণ্যত
পেলালে জগত মুহি।"

এইদৰে বহাগী আইদেৱে কইনা সাজি পৰীজনীৰ দৰে হৈ গোলাপী শয্যাত বহি আছে। অলপ পাছতে কন্দৰ্প কুমাৰ প্ৰেমিক বসন্ত জাগ জমককৈ দৰা সাজি উপস্থিত হ'ল।" দৰা আহিলে কইনাৰ ঘৰত বাজনা বজোৱা নিয়ম। নিপুণ কবিয়ে তাকো কবলৈ পাহৰা নাই। দৰা অহাৰ লগে লগে—

"মাৰিলেহি মেঘে ঢোলত চাপৰ
জিলীয়ে বজাই কালি।
টুনি বুলবুলি নাচে ছেৱে ছেৱে
হেটুলুকা ওজা পালি।"

এইদৰে কবিয়ে গোটেই কবিতাটিৰ মাজেদি অসমীয়া বিয়াৰ ৰীতি নীতিবোৰ নিখুঁতভাবে বৰ্ণনা কৰিছে।

অসমীয়া সকলৰ মাজত শৰাই দি নিমন্ত্ৰণ কৰা প্ৰথা আছে। কবিয়ে 'দহিকতৰা'ত ইয়াকো কবলৈ পাহৰা নাই—



"ৰূপহী সেউতী জৱা, চম্পা যুতি জাতি,
ফুলৰ কুঁৱৰী বোৰে
সাজি ৰংৰূপহেৰে
ফুলৰ শৰাই কত থানে থানে পাতি
জনাইছে ব্যাকুলতা ঈঙ্গিতেৰে মাতি।"

ভাৰতীয় তথা অসমীয়া নাৰীৰ সৌন্দৰ্য্য ওৰণি খনতহে। সেইহে 'বচ্‌ৰা' ৰাণীৰ গুলবদন জুৰ পেলোৱা সুৰ আৰৱদেশৰ গোলাপ ফুলৰ সৌন্দৰ্য্য বৰ্ণোৱাতো কৱিয়ে অসমীয়া নাৰীৰ সৌন্দৰ্য্যৰ আভৰণ ওৰণিখনৰ কথা পাহৰা নাই—"শ্যামলি পাটৰ ওৰণি গুচাই কাৰ ফালে চাই মাৰিলি হাহিঁ।" সেইদৰে ছায়াচিত্ৰ কবিতাটোৰ মূল ভাৱৰ লগত ইংৰাজী কবিতা "The sands of the Dee"ৰ সাদৃশ্য দেখা গলেও অসমীয়া কবিয়ে কাষত কলহ লৈ নৈৰ পানী আনিবলৈ যোৱা ৰূপহী গৰাকীৰ চিত্ৰ জাতে-পাতে অসমীয়া কৰি তুলিছে—যেন পানী আনিবলৈ যোৱা লুইত পৰীয়া কোনো এগৰাকী অসমীয়া গাভৰুহে—

"দীপলিপ এটি গাভৰু ছোৱালী
কাষত কলহ লই
নইৰ পাৰত আবেলি পৰত
নিতৌ ওমলে গই।"

'দহিকতৰা' আৰু সাদৰী'ৰ দৰে নিৰুপম চৰাই কাব্য 'কেতেকী'তো অসমীয়া জীৱনৰ চিত্ৰ ফুটি ওলাইছে। এইবোৰতো কবিৰ বৰ্ণনা আৰু নিৰীক্ষণ শক্তি সুন্দৰভাৱে প্ৰকাশ পাইছে। কবিৰ মনত কেতেকীচৰাই যেন এটি স্বৰ, প্ৰহেলিকা "a voice, a mystery"। এই চৰাইটো কোনো 'সদানন্দ ধাম'ৰ পৰা জ্বালা-যন্ত্ৰণাময় সংসাৰলৈ অহাৰ কাৰণ কৱিয়ে প্ৰথমে এই বুলি নিৰ্দ্দেশ কৰিছে যে, চৰাইটোৱে যেন কাৰোবাৰ আহুদি পাইহে আহিছে—

বাপ মাৱ ভাই সবাকো এৰিলি
এৰিলি ওপজা ঠাই

গছ পাতে সজ্জা ঘৰটি এৰিলি
কাৰ কি আহুদি পাই।

অসমৰ কোনো কোনো ঠাইত আৰশ্যকমতে ছোৱালীক আহুদি খুৱাই পলুৱাই নিয়া হৈছিল বুলি শুনা যায়। আনকি বিহুগীততো আহুদি কৰাৰ উল্লেখ পোৱা যায়—

"আহো কেঞা বনে যাও কেঞা বনে
কেঞা বনে কাটিলে গা
থুৰিয়া তামোলত আহুদি কৰিলা
পানীত পৰি মুজুৰায় গা"

আমাৰ অসমীয়া কবিয়ে কেতেকী অহাৰ কাৰণ বিচাৰি আহুদি কৰাৰ কথাকে ভাবি লৈছে। দ্বিতীয়তে কেতেকীৰ গীত শুনি এফালে যেনেকৈ দহিকতৰাই প্ৰেমৰ ৰাগীত মতলীয়া হৈ সেই গীতটোকে আওঁৰাইছে আৰু বিলৰ দাঁতিৰ পানী ঘূৰণীত থকা ডাউক চৰায়ে ললিত ঝংকাৰে ৰাগ টানিছে আনফালে তেনেকৈ কেতেকীৰ "প্ৰেমগীতত বুঢ়া লুইতবো ক্ষীণ গা" ফুলি উঠিছে। অকল ইমানেই নহয়, কেতেকীৰ মাত শুনি অসমীয়া লাজুকী বোৱাৰীবো তাত বোৱা নহল, হাতৰ মাকো হাততেই ৰল—

"তোৰ মাত শুনি লাজুকী বোৱাৰী
ববলই এৰে তাঁত,
হাতৰ মাকোটি হাততেই ৰয়
হেবায় মুখৰ মাত।
সেইটি সুৰতে জীয়াৰী ছোৱালী
আপোন পাহৰা হয়,
যঁতৰত থকা মছুৰা কাঠীটি
যঁতৰতে লাগি ৰয়।"

কেনে হৃদয় গ্ৰাহী বৰ্ণনা! কবিয়ে চৰাইৰ কথা বৰ্ণাওতে অসমীয়া ঘৰুৱা জীৱনৰ চিত্ৰ কেনে দক্ষতাৰে অঙ্কন কৰিছে। ইয়াতে কবিৰ অসামান্য মৌলিকত্ব প্ৰকাশ পাইছে। কিয়নো বৰ্ণিত চিত্ৰবোৰ স্থানোপযোগী কৰি তুলিব পাৰিছে; অসমীয়া বোৱাৰীক কবিয়ে যদি কাপোৰ বোৱা বা যঁতৰত সূতা কটা হিচাবে নেদেখুৱাই কোনো কিতাপ পঢ়ি থকা হিচাবে দেখুৱালেহেতেন, তেনেহলে ইমান আকৰ্ষণীয় নহলহেঁতেন।

এইদৰে চৌধাৰীদেৱৰ বিবিধ কবিতাত অসমীয়া জীৱনৰ চিত্ৰ মনোৰম ভাবে ফুটি ওলাইছে। ইয়াৰ উপৰি, "কেঁচা সোণ যেন ৰূপ" 'ভালুকৰ সাঙি, 'কিলৰ গাৰু, 'ডলাৰ বগৰী', 'মায়াৰ কুণ্ড' আদি অসমীয়া খণ্ডবাক্যবোৰে কবিৰ জাতীয় ভাব প্ৰকাশৰ বিশেষ সহায়ক হৈছে, আৰু এইবোৰে চৌধাৰীদেৱক বিহগী কবিৰ উপৰি জাতীয় কবি বুলিও পৰিচয় দিয়ে।

---

# দাম্ভিক সম্ৰাজ্ঞী নুৰজাহান

শ্ৰীমতী ধান কেচৰাণী

মোগল ৰাজত্বৰ বুৰঞ্জীত নুৰজাহানৰ দৰে 'ৰোমান্স' আৰু কিম্বদন্তীৰে ভৰা এটি দ্বিতীয় চৰিত্ৰ নোলাব। এই বিখ্যাত মহিষী গৰাকীৰ সম্ৰাট জাহাঙ্গীৰৰ মনৰ ওপৰত ইমান বেচি প্ৰভাৱ পৰিছিল যে সম্ৰাটৰ ৰাজত্বৰ ঘটনা-বহুল শেহৰ চৈধ্য বছৰ-কাল ৰাজদণ্ড প্ৰকৃতপক্ষে তেওঁৰ হাততে আছিল বুলিব পাৰি। এনে এগৰাকী বিশিষ্টা নাৰীৰ জীৱনৰ আগছোৱাক লৈ ৰূপকথা আৰু কাহিনী পুঞ্জীভূত হোৱাটো একো আচৰিত কথা নহয়। পৰবৰ্ত্তী লেখকসকলৰ লেখনীত কাব্যিক কল্পনাৰ বেচি আড়ম্বৰ হোৱাৰ কাৰণে তেওঁৰ জীৱনৰ প্ৰকৃত তথ্য আৰু ঘটনাৱলী অনেক ক্ষেত্ৰত তল পৰি গৈছে। তেওঁৰ জীৱন-কাহিনীক কেন্দ্ৰ কৰি স্তূপীকৃত হোৱা সত্যাসত্য ঘটনা-বিৱৰণীৰ মাজেদি চাই পঠিয়ালে ইতিহাসৰ বিস্তৃত পটভূমি পোহৰাই তোলা এগৰাকী মহিলাৰ আকৰ্ষণীয় জীৱন-বৃত্তান্ত উপলব্ধি কৰাত সহায় হব।

পাৰস্য-দেশৰ ভদ্ৰবংশ-জাতা নুৰজাহানৰ জন্ম আৰু তেওঁৰ পৰবৰ্ত্তী জীৱন যেন কেতবোৰ বিপৰীত-ধৰ্ম্মী ঘটনাৰহে সমন্বয়। দৰিদ্ৰতাৰ হেঁচাত জুৰুলা হোৱা তেওঁৰ পিতাক মিৰ্জ্জা গিয়াচ বেগক (Mirza Ghiyas Beg) সুদূৰৰ এক সমৃদ্ধিশালী দেশৰ বতৰাই উতলা কৰি তুলিছিল। সেই দেশ তথা হিন্দুস্থানৰ উৰ্ব্বৰা ভূমিৰ আকৰ্ষণে তেওঁক অনুৰ্ব্বৰা, মৰুময় মাতৃভূমি পৰিত্যাগ কৰিবলৈ উদগনি দিলে। লামলাকতি যি আছিল তাকে বুকুত বান্ধি, প্ৰচলিত জল পথৰ পম খেদি, পত্নী আৰু এহাল পুত্ৰ কন্যাক বুকুত বান্ধি মিৰ্জ্জা গিয়াচ বেগে হিন্দুস্থান অভিমুখে হেজাৰ হেজাৰ মাইলৰ এক দুৰ্গম যাত্ৰা আৰম্ভ কৰিলে। এই দুৰ্ব্বহ যাত্ৰাৰ মাজতে এটি কন্যা সন্তানৰ জন্মই তেওঁৰ কষ্ট আৰু দুশ্চিন্তা দুগুণে বঢ়ালে। এই কন্যাটিয়েই সময়ত ৰাইজৰ মন মুহিলে। তেওঁৰ বিদ্যুৎ-সম ব্যক্তিত্বই সমসাময়িক প্ৰাচ্যজগত বিমুগ্ধ কৰি ৰাখিছিল। তেওঁৰ পৰবৰ্ত্তী জীৱনৰ কাৰ্য্যকলাপ বিশাল মোগল সাম্ৰাজ্যৰ ভেটি থৰকবৰক কৰিছিল।

যাত্ৰাৰ মাজত পৰিয়ালটিৰ এনে দুৰৱস্থা হোৱা দেখি কুমাৰ মালিক মচুদ নামৰ সদাগৰজনৰ সহানুভূতি উপজিল। গোটেই পৰিয়ালটোৰ দায়িত্ব তেৱেঁই গ্ৰহণ কৰিলে। নৱজাত শিশুটিয়ে পাবলগীয়া যতনৰ অকণো ত্ৰুটি নহল। এই সূত্ৰে গিয়াচ বেগ আৰু সদাগৰৰ মাজত প্ৰগাঢ় বন্ধুত্ব গঢ় উঠিল। ১৫৭৭ চনত দিল্লীত উপস্থিত হ'লত সদাগৰে গিয়াচ বেগক নি ফটেহপুৰ চিক্ৰিত সম্ৰাট আকবৰৰ আগত হাজিৰ কৰালেগৈ। ইতিমধ্যে সম্ৰাট আকবৰে সদাগৰৰ পৰা মিৰ্জ্জা বেগৰ সততা আৰু অন্যান্য গুণাৱলীৰ পৰিচয় পাইছিল। এই পৰিচয়েই মিৰ্জ্জা বেগৰ ভাগ্য মুকলি কৰি দিলে। তেওঁ সম্ৰাটৰ অধীনত কামত সোমাল আৰু নিজ বিদ্যা-বুদ্ধিৰ বলত অচিৰে খ্যাতিমন্ত আৰু ক্ষমতাশালী হৈ উঠিল।

জন্মৰ পিচতেই নুৰজাহানক পেলাই থৈ অহা আৰু পিছত আকৌ বুটলি অনা বুলি যিবিলাক

কাহিনী প্ৰচলিত আছে সেইবোৰে আমাৰ ৰোমাণ্টিক বা মানৱোচিত অনুভূতি পূৰণ কৰিলেও আচলতে সিবিলাকৰ ঐতিহাসিক সত্যতা নাই।

মৰুভূমিজাত এই শিশুটি—যাৰ কাৰণেই আকস্মিকভাৱে এজন ক্ষমতাশালী সদাগৰৰ শুভ দৃষ্টি গোটেই পৰিয়ালটোৰ ওপৰত পৰিল—এতিয়া সেই সময়ৰ এখন মহানগৰীত। মাকবাপেকৰ স্নেহ প্ৰাচুৰ্য্যতা আৰু নিৰাপত্তাৰ পৰিবেশত তেওঁ বাঢ়ি আহিবলৈ ধৰিলে। শিশুটিৰ নাম ৰখা হৈছিল মেহেৰ্-উন্-নিচা (Mehr-Un-Nisa, নাৰীৰ ভিতৰত সূৰ্য্য)। শৈশৱ অৱস্থাত তেওঁ এই নামৰ সাৰ্থকতা প্ৰমাণ কৰিছিল। সেই সময়ত শিকিব লগা আটাই কেউবিধ কলা আৰু বিদ্যাকে মেহেৰক ঘৰতে শিকোৱা হৈছিল আৰু অচিৰে তেওঁ মোগল সম্ৰাটকো সম্মোহন কৰিব পৰা অতুলনীয় ৰূপ-গুণৰ অধিকাৰিণী হ'ল। এনে এটি নাৰী-ৰত্নই সাধাৰণ অৱস্থাৰ মাজেদি ডাঙৰ দীঘল হোৱা হলেও মানুহৰ চকুত পৰিলহেঁতেন। কিন্তু সাম্ৰাজ্যৰ প্ৰথম প্ৰজাজনৰ (first subject) জীয়েকে পোৱা সুবিধা প্ৰাচুৰ্য্যৰ ফলত তেওঁৰ আকৰ্ষণ আৰু বৃদ্ধি পালে।

সম্ৰাটৰ হেৰেমলৈ মাজে সময়ে মাকৰ লগত মেহেৰ-উন্নিচাও গৈছিল; তেওঁলোকৰ হেৰেমলৈ অবাধ গতি আছিল। তেওঁৰ সদ্য বিকশিত যৌৱন আৰু ৰূপে হয়তো সোতৰ বছৰ বয়সীয়া ৰাজকুমাৰ চেলিমৰ (Salim) মন আকৰ্ষণ কৰিছিল। সম্ৰাট আকবৰে অন্য এজনৰ লগত মেহেৰ-উন্নিচাৰ পূৰ্ব্বতে হৈ থকা বিয়াৰ বন্দৱস্ত ভাঙিবলৈ অমান্তি হোৱা বুলি যি প্ৰবাদ চলি আহিছে তাক সত্য যেন নালাগে, কিয়নো সেই সময়ত বুৰঞ্জীত তেনে কথাৰ ক'তো উল্লেখ নাই। সম্ভৱ এই কথা তেওঁৰ (মেহেৰ-উন্নিচাৰ) প্ৰতিপত্তি বঢ়াৰ বহুত পাচৰ সৃষ্টি।

১৫৯৪ চনত সোতৰ বছৰত ভৰি দিয়াৰ লগে লগে মেহেৰৰ বিয়া হয় আলি কুলি ইষ্টাজিলো (Ali Quli Istajlu) নামেৰে এজন পাৰস্য দেশৰ ভাগ্যান্বেষণকাৰী ডেকাৰ সৈতে। তেওঁ ছেৰ আফগান (Sher Afghan) নামেৰে অধিক জনাজাত। এই ডেকাজনে সম্ৰাট আকবৰৰ থাট্টা অভিযানৰ (Thattah Champaign) সময়ত বীৰত্ব আৰু সাহসৰ পৰিচয় দি বিখ্যাত হৈ উঠে। ১৫৯৯ চনত যেতিয়া ৰাজকুমাৰ চেলিমক মেৱাৰ অভিযানলৈ পঠোৱা হৈছিল তেতিয়া তেওঁ ৰাজকুমাৰৰ সহকাৰী বিষয়াসকলৰ মাজত অন্যতম আছিল। সেই সময়ত বোধহয় তেওঁলোকৰ মাজত কোনো ঈৰ্ষা-অসূয়াৰ ভাব নাছিল। আলি কুলিৰ বীৰত্ব আৰু অদম্য সাহসে চেলিমৰো মন মুগ্ধ কৰিছিল। সেই সময়তে অকলে এটা বাঘ বধ কৰি তেওঁ চেৰ আফগান (বাঘ-পেলোৱা) উপাধি লাভ কৰে। ইয়াৰ পিছতে সম্ৰাট আৰু ৰাজকুমাৰৰ মাজত দুৰ্ভাগ্যক্ৰমে বিবাদৰ সৃষ্টি হয় আৰু এই বিবাদত ছেৰ আফগানে সম্ৰাটৰ পক্ষ লয়। দুয়োজনৰ মাজত এই নিমিত্তে নিশ্চয় বৰ বেচি মনোমালিন্য হৈছিল; কিন্তু চেলিমে তেওঁৰ প্ৰতি বিদ্বেষ পোষণ কৰি থকাৰ প্ৰমাণ নাই, কাৰণ ১৬০৫ চনত ৰাজপাটত উঠাৰ পিছত চেলিমে তেওঁক অকল ক্ষমা কৰাকে নহয়, বৰ্দ্ধমানৰ জায়গীৰো দান কৰিলে।

১৬০৭ চনত বঙ্গদেশৰ ঠায়ে ঠায়ে পশ্চাদ্ঘাতী কাৰ্য্যকলাপ আৰু ছেগা-চোৰোকাকৈ বিদ্ৰোহো চলিছিল। তেনে অৱস্থাত স্বাভাৱিকতে সেই কামত ছেৰ আফগানৰো হাত আছে বুলি জাহাঙ্গীৰে সন্দেহ কৰিছিল। জাহাঙ্গীৰে বঙ্গদেশৰ শাসনকৰ্ত্তা তেওঁৰ তোলনীয়া ভায়েক কুতুবুদ্দিনক ছেৰ আফগানক ৰাজধানীলৈ পঠাবলৈ আদেশ দিলে। এই কামত আপত্তি কৰিলে উপযুক্ত শাস্তিৰ বিধান কৰিবলৈকো কুতুবুদ্দিনক কোৱা হ'ল। আদেশ পালন কৰিবলৈ যাওঁতে কুতুবুদ্দিন আৰু ছেৰ আফগান দুয়ো মৃত্যুৰ মুখত পৰিল। সম্ৰাটৰ আদেশ অনুযায়ী ছেৰ আফগানৰ বিধৱা পত্নী আৰু জীয়েকক ৰাজধানীলৈ পঠাই দিয়া হ'ল।



সম্ভৱ ইয়াৰ পাচতেই জাহাঙ্গীৰ মেহেৰ-উন্নিচাৰ প্ৰণয়-প্ৰাৰ্থী হ'ল। শোকসন্তপ্তা মেহেৰ-উন্নিচাই অৱশ্যে বহুত দিনলৈকে সম্ৰাটৰ প্ৰেম-নিবেদন উপেক্ষা কৰিয়েই আছিল। বিধৱা বেশেৰে চাৰি বছৰ কাল কটোৱাৰ পিচতহে ১৬১১চনত তেওঁ সম্ৰাটৰ প্ৰধান মহিষী হবলৈ মান্তি হ'ল। ইমান দিনে তেওঁ ৰাজমাও সম্ৰাজ্ঞী চেলিমা বেগমৰ পৰিচাৰিকা হিচাবেহে দিন কটাইছিল।

মেহেৰ-উন্নিচা আৰু জাহাঙ্গীৰৰ বিয়াৰ পূৰ্ব্বলৈকে ঘটা ঘটনাৱলীৰ প্ৰকৃত বিৱৰণ ইমানেই। গোটেই কাহিনীটোৱেই 'ৰোমাণ্টিক' ৰূপ ললে পৰবৰ্ত্তী লেখকৰ হাততহে আৰু অষ্টাদশ শতিকাতহে ই নাটকীয় কথাবস্তুৰ দৰে হৈ পৰিল। আকবৰৰ জীৱিতাৱস্থাতে মেহেৰ-উন্নিচাই জাহাঙ্গীৰৰ হৃদয় কাঢ়ি নিয়া, সম্ৰাট আকবৰে দুয়োৰে বিধিপথালি দি ছেৰ আফগানৰ সৈতে মেহেৰ-উন্নিচাৰ বিয়া পাতি দিয়া, হতাশ প্ৰেমিক জাহাঙ্গীৰে এঘাৰবছৰ ধৰি মনৰ আৱেগ মনতে পুহি ৰখা, আৰু ৰাজপাট পাই ষড়যন্ত্ৰ কৰি ছেৰ আফগানক হত্যা কৰোৱা, আৰু মেহেৰ-উন্নিচাই দ্বিতীয় বিবাহ হোৱালৈকে উদ্ধত ভাবে চাৰি বছৰ কাল জাহাঙ্গীৰৰ প্ৰেম নিবেদনৰ প্ৰতি ভ্ৰূকুটি দেখুৱা ইত্যাদি কথাবোৰ সমসাময়িক ঐতিহাসিকৰ লেখনীত পোৱা নাযায়। ৰাজ-পৰিয়ালৰ কেলেঙ্কাৰীপূৰ্ণ কথাৰ ভুলৈ ফুৰা বিদেশী ভ্ৰমণকাৰী-সকলৰো এইবোৰ কথাৰ উল্লেখ কতো পোৱা নাযায়। যদিও বহুতে দুয়োৰে পাৰস্পৰিক আকৰ্ষণ আৰু গভীৰ ভালপোৱাৰ কথা উল্লেখ কৰিছে তথাপি কোনেও পৰোক্ষভাৱেও জাহাঙ্গীৰৰ আগ-জীৱনৰ প্ৰণয় বা তাৰ ফলস্বৰূপে ছেৰ আফগানৰ হত্যাৰ বিষয়ে লিখা নাই।

৩৪ বছৰ বয়সত মেহেৰ-উন্নিচাৰ দ্বিতীয় বিবাহ উপলক্ষে ৰাজপ্ৰাসাদত হোৱা জাঁকজমকতাৰ তুলনা মোগল ৰাজসভাৰ ইতিহাসত পাবলৈ নাই। বিয়াৰ পিচত হেৰেমৰ পৰিচাৰিকা অকল ৰাজমহিষীয়েই নহয়, সম্ৰাজ্ঞীও হ'ল অৰ্থাৎ সম্ৰাটৰ সৈতে একেলগে বহি সাম্ৰাজ্য পৰিচালনা কৰিবৰ ক্ষমতাও লাভ কৰিলে। এতিয়াৰ পৰা তেওঁ 'নুৰমহল' (বা ৰাজ-প্ৰাসাদৰ জ্যোতি) বা 'নুৰজাহান' (পৃথিবীৰ জ্যোতি) উপাধিৰে বিভূষিত হ'ল। তেওঁৰ প্ৰতিষ্ঠা আৰু ক্ষমতা যাতে মানুহে উপলব্ধি কৰে তাৰ কাৰণে জাহাঙ্গীৰে নতুন মুদ্ৰাত তেওঁৰ নাম এইদৰে সন্নিবেশ কৰালে: সম্ৰাট জাহাঙ্গীৰৰ আদেশ অনুযায়ী নুৰজাহানৰ নাম থকা স্বৰ্ণমুদ্ৰাৰ মূল্য এশ গুণ বাঢ়িল।

ৰাজপৰিয়ালত অন্তৰ্ভুক্ত হোৱাৰ লগে লগে তেওঁ প্ৰতিপত্তি বৃদ্ধিৰো সূচনা হ'ল আৰু এনে স্থলত তেওঁৰ পিতৃৰ পৰিয়ালৰ ক্ষমতা বৃদ্ধি হোৱা অতি সাধাৰণ কথা। তেওঁৰ পিতাক, পূৰ্ব্ববৰ্ত্তী পমুৱা গিয়াচ বেগ, অচিৰেই ইট-মদ-উদ-দৌলা পদলৈ উঠিল, আৰু তেওঁৰ বিশ্বাসী পৰামৰ্শদাতা ভাতৃ আচফ খাঁ উচ্চতম বিষয়াৰ শাৰীলৈ উন্নীত হ'ল। পিচত সিংহাসনৰ উত্তৰাধিকাৰী লৈ লগা খৰিয়ালত এওঁৰ প্ৰভাৱো কম নাছিল।

সুৰা আৰু কানিসেৱী স্বেচ্ছাচাৰী জাহাঙ্গীৰৰ ওপৰত নুৰজাহানৰ অসীম প্ৰভাৱ আছিল। মানৱীয় সহানুভূতি আৰু কৌশলেৰে নুৰজাহানে সম্ৰাটৰ খামখেয়ালী আৰু নিষ্ঠুৰ স্বভাৱ যথেষ্ট কোমল কৰি পেলাইছিল। সম্ৰাটৰ অপৰিমিতাচাৰী স্বভাৱৰ সংশোধন কৰিব নোৱাৰিলেও অন্ততঃ দিনৰ ভাগত তেওঁক সুস্থভাৱে থাকিবলৈ বাধ্য কৰিছিল। সম্ৰাটে তেওঁৰ জীৱনৰ ওপৰত নুৰজাহান আৰু তেওঁৰ পৰিয়ালৰ সুপ্ৰভাৱ পৰা বুলি তেওঁৰ আত্মজীবনীত অন্তস্পৰ্শী

ভাষাৰে উল্লেখ কৰিছে, আৰু তেওঁৰ সমৃদ্ধি আৰু প্ৰাচুৰ্য্য তেওঁলোকৰ সুপৰামৰ্শৰ ফল বুলিও কৈছে। তেওঁৰ জীৱনী-লেখকে উল্লেখ কৰিছে যে সম্ৰাটে নিজে কৈছিল বোলে তেওঁক এগিলাচ মদ আৰু আধাসেৰ মাংসৰ বাহিৰে আন একো নালাগে বুলিয়েই নুৰজাহানৰ হাতত ৰাজদণ্ড এৰি দিছিল।

নুৰজাহান আছিল প্ৰকৃতিদত্ত সৰ্ব্বগুণৰ আধাৰ-স্বৰূপা। তেওঁৰ পাৰস্যদেশীয় সৌন্দৰ্য্য প্ৰায় শেষ বয়সলৈকে অম্লান হৈ আছিল। তেওঁক সেই যুগৰ সৰ্ব্বগুণসম্পন্না নাৰী বুলি নিঃসন্দেহে কব পাৰি। আৰবী আৰু ফাৰচী সাহিত্যত তেওঁৰ ব্যুৎপত্তি আছিল; আৰু নিজেও সুন্দৰ আৰু ৰসাল কবিতা ৰচনা কৰিব পাৰিছিল। তেওঁৰ কাব্য-প্ৰতিভত্তা সম্ৰাট জাহাঙ্গীৰো মুগ্ধ হৈছিল। পিচে, তেওঁৰ ৰাজনৈতিক অভিলাষ,আকাঙ্ক্ষা অতি প্ৰবল আছিল। তেওঁ সমুদায় ৰাজকীয় ক্ষমতা নিজৰ হাতলৈ নিবলৈ চেষ্টা কৰিছিল; আৰু পিছত গোটেই সাম্ৰাজ্য উত্তৰাধিকাৰীৰ যুদ্ধত লিপ্ত হৈ পৰিছিল।

১৬১৩চনৰ জানুৱাৰী মাহত চুলতানা চেলিমা বেগমৰ (Sultana Salima Begum) মৃত্যু হোৱাত নুৰজাহান 'পাদচাহ বেগম' বা সাম্ৰাজ্যৰ 'প্ৰথম মহিলা' পদলৈ উঠিল। তেওঁ হ'ল মহিলা সমাজৰ আৰু তেওঁলোকৰ চালচলন, লাহবিলাহৰ পথ-প্ৰদৰ্শিকা আৰু হেৰেমৰ মুখ্য গৃহিণী। তেওঁৰ মাৰ্জ্জিত ৰুচিয়ে মোগল প্ৰাসাদলৈ নতুন ৰূপ আনি দিলে। তেওঁৰ চেষ্টাতে প্ৰাসাদৰ অপৰিমিত ব্যয় সঙ্কোচ হ'ল, প্ৰাসাদৰ আচ্‌বাব আদিৰ অৱস্থা উন্নত হ'ল আৰু মহিলাসকলৰ সাজ-পাৰ আগত-কৈয়ো ধুনীয়া আৰু সুৰুচিপূৰ্ণ হ'ল। তেওঁ ৰেচম আৰু কপাহী কাপোৰৰ বৈচিত্ৰ্যপূৰ্ণ চানেকি আৰু আ-অলঙ্কাৰতো অভিনৱ আৰ্হিৰ সূচনা কৰিলে। গোলাপী আতৰৰ বাবে তেওঁৰ মাতৃ আৰু তেওঁৰ ওচৰত ভাৰতবাসী ঋণী। তেওঁৰ নৈতিকতাপূৰ্ণ প্ৰভাৱত মোগল ৰাজসভা ঐশ্বৰ্য্য আৰু আড়ম্বৰৰ উচ্চ শিখৰত উপনীত হৈছিল।

তেওঁৰ মন যেনে সুৰুচিপূৰ্ণ তেনে উদাৰ আছিল। এই দেশৰ অলেখ দুখীয়া অসহায়া ছোৱালীৰ তেওঁ আশ্ৰয় আৰু জিৰণি—ঠাই আছিল। জাহাঙ্গীৰৰ জীৱন-বৃত্তান্ত সংগ্ৰাহক মুহম্মদ হাদিয়ে (Muhammad Hadi) কৈছে, "তেওঁ পীড়িত লোকৰ কথা শুনিলে তেওঁলোকৰ দুখ মোচন কৰিছিল। অনাথ ছোৱালীৰ কথা শুনিলে তেওঁ বিয়াৰ খৰচ বহন কৰিছিল।" ক্ষমতাত অধিষ্ঠিত থকা ১৬ বছৰৰ ভিতৰত তেওঁ পাঁচশৰো অধিক ছোৱালীৰ বিয়া আৰু যৌতুকৰ খৰচ বহন কৰিছিল।

নুৰজাহানে মোগল হেৰেমৰ সেই সময়ৰ বাধা-নিষেধ আৰু অনুশাসন দলিয়াই পেলাই পৰ্দ্দাৰ (জানানা) বাহিৰলৈ ওলাল। তেওঁ বিনা দ্বিধাই ওৰণি গুচাই সম্ৰাটৰ সৈতে একেলগে বহি জন-সাধাৰণৰ আগত দেখা দিলে। তেওঁ ৰাজকাৰ্য্যৰ আলোচনাত ভাগ লৈছিল; আৰু অন্ধবিশ্বাস, ঐতিহ্য আৰু কৌটিকলীয়া ৰীতিৰ ওপৰত সৌন্দৰ্য্য, বুদ্ধি আৰু তীব্ৰ ইচ্ছাৰ বিশিষ্ট নিদৰ্শন দেখুৱালে। তেওঁ তীক্ষ্ণ বুদ্ধিৰ প্ৰশাসনত ভাগ ললে আৰু অতি জটিল ৰাজনৈতিক সমস্যাবিলাকো বিনা পৰিশ্ৰমে বুজিব পাৰিলে। তেওঁ ইমান নিয়াৰিকৈ ৰাজকাৰ্য্য পৰিচালনা কৰিছিল যে নিতান্ত সৰুসুৰা কথাবিলাকো তেওঁৰ সৰ্ব্বদা সজাগ দৃষ্টিৰ অগোচৰ নহৈছিল। প্ৰথমৰ পৰাই জাহাঙ্গীৰে তেওঁৰ পৰামৰ্শ নোলোৱাকৈ কোনো কাম হাতত নোলোৱা হ'ল; পিচলৈ সকলো কামকে নুৰজাহানৰ হাতত এৰি দিলে আৰু সম্ৰাজ্ঞীৰ ইচ্ছাই আইনত পৰিণত হ'ল।

তেওঁৰ শাৰীৰিক শক্তি আৰু কৌশলো ব্যক্তিগত



সৌন্দৰ্য্য বা মানসিক শক্তিৰ সমকক্ষ আছিল। জাহাঙ্গীৰ চিকাৰলৈ যাওঁতেও তেওঁ লগত গৈছিল। চিকাৰত তেওঁ হিংস্ৰ জন্তু গুলিয়াই মাৰিছিল। তেওঁৰ সাহস দেখি মুগ্ধ হৈ জাহাঙ্গীৰে এবাৰ তেওঁক এযোৰ হীৰাৰ বাজু উপহাৰ দিছিল। বিপদৰ সময়তো কৌশলৰ অভাৱ নহৈছিল।

দিন অতিবাহিত হোৱাৰ লগে লগে সম্ৰাট জাহাঙ্গীৰো ক্ৰমে আৰাম আৰু এলাহৰ দাস হৈ পৰিল। শাসন সংক্ৰান্ত কিবা সমস্যা উপস্থিত হলেই তেওঁ তাৰ ভাৰ কৰ্ম্মপটু মহিয়সী আৰু উপদেষ্টাসকলৰ হাতত এৰি দিবলৈ ধৰিলে।

খুতবাত (Khutba, শুকুৰবাৰৰ উপাসনা) নুৰজাহানৰ নাম নাছিল সঁচা কিন্তু প্ৰকৃততে তেৱেঁইহে সাম্ৰাজ্যৰ ধৰণী স্বৰূপা আছিল। সম্ৰাটৰ সকলো ফৰমানতে নুৰজাহানৰো একেলগে চহী আছিল। অপৰিসীম ক্ষমতা হাতলৈ আহিলে মানুহ সাধাৰণতে নষ্ট হয়। নুৰজাহানৰ বেলিকা সেয়ে হবলৈ বেচি পৰ নালাগিল; প্ৰভূত ক্ষমতাৰ অধিকাৰিণী হৈ ক্ষমতালিপ্সাৰ কাৰণে তলেতলে তেওঁ কূট বুদ্ধি আৰু চক্ৰান্তৰ আশ্ৰয় ললে।

নুৰজাহানৰ ভাগ্যাবৰি উদয় কালক দুই ভাগত ভগাব পাৰি। প্ৰথম ভোখৰত, অৰ্থাৎ ১৬১১ চনৰ পৰা ১৬২২ চনলৈকে তেওঁ আৰু ৰাজকুমাৰ খুৰামে একগোট হৈ কাম কৰিছিল। খুৰামৰ বিভিন্ন ঠাইৰ বিজয়ৰ কৃতিত্বৰ কাৰণে তেওঁ ছাহজাহান উপাধি পাইছিল আৰু দৰবাৰত তেওঁ সম্ৰাটৰ কাষতে স্থান পাইছিল। দ্বিতীয় ডোখৰত অৰ্থাৎ ১৬২২ চনৰ পৰা ১৬২৭ চনত ইমান দিনে কৃতকাৰ্য্যতাৰে সাম্ৰাজ্য চলাই অহা এই গোটটো ভাঙি পৰাৰ উপক্ৰম হ'ল। নুৰজাহান আৰু ছাহজাহানে শক্তিৰ প্ৰতিযোগিতা কৰিবলৈ সাজু হ'ল। সাম্ৰাজ্যত দলাদলিয়ে দেখা দিলে, আৰু শোণিতৰ ধাৰা ববলৈ ধৰিলে।

১৬২০ চনৰ একাৱন্ন বছৰ বয়সত জাহাঙ্গীৰৰ স্বাস্থ্য ভঙ্গ হ'ল। নুৰজাহানে ইয়াকে দেখি শঙ্কাবোধ কৰিলে জানোচা সম্ৰাটৰ মৃত্যুৰ লগে লগে তেওঁৰো ক্ষমতা লুপ্ত হয়! সন্মুখত তেওঁৰ দুটাই পথ: ক্ষমতাৰ মঞ্চৰ পৰা একেবাৰে নামি অহা নতুবা ছাহজাহানক ওফৰাই তেওঁৰ সিংহাসনত ছাহজাহানৰ পৰিবৰ্ত্তে এনে এজনক বহুওৱা যি তেওঁৰ হাতৰ পুতলা হৈ থাকিব। ৪৪ বছৰতো তেওঁৰ শাৰীৰিক আৰু মানসিক শক্তি অটুত আছিল; বুদ্ধিদীপ্তা নুৰজাহানে যে পিচৰ পথটোকে বাছি লব সেইটো জলজল পট-পট কথা। তেওঁৰ স্বভাৱজাত সাহস আৰু দৃঢ়তাৰে নুৰজাহানে জাহাঙ্গীৰৰ নুমলীয়া পুত্ৰ ছাৰিয়াৰৰ (Shahryar) পক্ষ ললে। ছাৰিয়াৰৰ উপনাম আছিল নচোদানি (Nashudani) বা অকৰ্ম্মণ্য— নুৰজাহানৰ হাতৰ পুতলা হবৰ সম্পূৰ্ণ লায়েক। নুৰজাহানৰে দুৰ্ভাগ্য যে এই অভিসন্ধি সিদ্ধি কৰিবৰ সময়ত তেওঁ পিতৃমাতৃৰ সজ পৰামৰ্শ আৰু ভায়েক আচফখাঁৰ (Asaf Khan) দৰে লোকৰ বিচক্ষণ বুদ্ধিৰ সহায় নাপালে। কাৰণ, আচফখাই তেওঁৰ আপোন জোঁৱায়েক, মমতাজ মহলৰ স্বামী ছাহজাহানৰ স্বাৰ্থলৈহে চকু দিলে।

সুচতুৰ ছাহজাহানে নুৰজাহানৰ ব্যৱহাৰত তেওঁৰ প্ৰতি শত্ৰুৱালি, আৰু জাহাঙ্গীৰৰ খামখেয়ালি স্বভাৱৰ কথা বুজিবলৈ সৰহ পৰ নালাগিল। যি গৰাকীৰ চেষ্টাত তেওঁৰ সিংহাসনৰ বাট মুকলি হৈছিল আজি সেই ব্যক্তিয়েই তেওঁৰ সিংহাসন লাভত বাধাৰ সৃষ্টি কৰিলে। ইয়াৰ প্ৰথম সঙ্কেত ছাহজাহানে পালে ১৬২০ চনত যেতিয়া ছেৰ আফগানৰ ঔৰসজাত নুৰজাহানৰ জীয়েক লাদিলী বেগমক (Ladili Begum) ছাৰিয়াৰলৈ দিয়া হ'ল।

নুৰজাহানে এতিয়া অপূৰ্ব্ব কৌশলেৰে তেওঁৰ অভিসন্ধি পূৰণ কৰাত লাগিল। মোগল সাম্ৰাজ্যৰ

ভাগ্য দোদুল্যমান অৱস্থাৰ সময়ত কান্দাহাৰ ( Quandhar ) দুৰ্গ অৱৰোধৰ মুক্ত কৰিবৰ উদ্দেশ্যে ছাহজাহানক বাহিৰত ৰাখিবৰ কাৰণে নূৰকত এটা সুযোগ ওলাল। ছাহজাহানে দেখাদেখিকৈ ঘৃণাৰে সৈতে এই অভিযানত যাবলৈ অস্বীকাৰ কৰিলে। ছাহজাহানৰ আচৰণক নুৰজাহানে জাহাঙ্গীৰক এনে ধৰণে বুজাই দিলে যে অচিৰেই চাহজাহান সম্ৰাটৰ বিৰাগ ভাজন হ'ল। এতিয়াৰ পৰা ছাহজাহানৰ কথা ওলালেই সম্ৰাটে তেওঁক 'বিদৌলত' ( দুৰ্ভগীয়া ) বুলি অভিহিত কৰিবলৈ ধৰিলে। ছাহজাহানে অনেক চেষ্টা কৰিও পিতাকৰ মানসিক ধ্যান-ধাৰণা সলনি কৰিব নোৱাৰিলে। বৃদ্ধ সম্ৰাটে যেতিয়া ছাহজাহানৰ পৰা হিছাৰ ফিৰোজৰ ( Hissar Firoz ) জায়গীৰ কাঢ়ি আনি ছাৰিয়াৰক দান কৰিলে, ছাহজাহানে সম্ৰাটৰ বিৰুদ্ধে বিদ্ৰোহৰ নিচান তুলিলে। পৰবৰ্ত্তী সংঘৰ্ষ বৰ যাতনা-দায়ক।

এই ৰাজনৈতিক সঙ্কতৰ সময়ত নুৰজাহানে বিচক্ষণতাৰে কাম কৰিলে। ভায়েক আচফ খাঁৰ সামৰিক প্ৰতিজ্ঞা নাইবা সমৰ্থনৰ ওপৰত বিশেষ আস্থা নাৰাখি তেওঁ মহাবত খাঁ (Mahabat Khan) নামৰ এজন বিখ্যাত মোগল সেনাপতিৰ ওচৰ চাপিল। আচফখাঁৰ ভাগ্য-ৰবি উদয়ৰ লগে লগে মহাবতখাঁৰ প্ৰাধান্য ক্ৰমাৎ কমি আহিল। এইবাৰ নুৰজাহানে তেওঁকে ছাহজাহানৰ বিৰুদ্ধে পঠালে। মহাবত খাঁই ছাহজাহানৰ পানীত হাঁহ নচৰা অৱস্থা কৰিলে। শেষত ছাহজাহানে ১৬২৫ চনত সম্ৰাটৰ শৰণ ললে—তেওঁ পুতেকক সম্ৰাটৰ ওচৰত জামিন ৰাখিবলৈ আৰু আচিৰ ( Asir ) আৰু ৰোহটাচ ( Rohtas ) দুৰ্গ এৰি দিবলৈ বাধ্য হ'ল।

ইপিনে নুৰজাহানৰ ক্ষমতা লিপ্সাই এদল নতুন শত্ৰুৰ সৃষ্টি কৰিলে। মহাবত খাঁৰ বাঢ়ি অহা শক্তি আৰু জাহাঙ্গীৰৰ দ্বিতীয় পুতেক মদাহী পাৰভেজৰ (Parvez) সৈতে তেওঁৰ হলি গলি দেখি নুৰজাহানৰ চকুত টোপনি নোহোৱা হ'ল। সাম্ৰাজ্যৰ উত্তৰাধিকাৰী কোন হব সেইবিষয়ে নুৰজাহানৰ সৈতে মহাবত খাঁৰ মতবিৰোধ ঘটিল। তদুপৰি মহাবত খাঁই প্ৰকাশ্য-ভাৱে সম্ৰাটক তিৰোতাৰ শাসন-কৱলৰ পৰা মুক্ত হবলৈ কোৱাত এইবাৰ নুৰজাহান আৰু মহাবত খাঁৰ মাজত বিৰোধ ভাৱ প্ৰকট হৈ উঠিল।

পাৰভেজৰ পৰা মহাবত খাঁক আঁতৰাই আনিবলৈ নুৰজাহানে তেওঁৰ ওপৰত নিষ্পেষণ আৰু দুৰ্নীতিৰ অভিযোগ তুলি বিচাৰৰ কাৰণে দৰবাৰলৈ মতালে। এই চক্ৰান্তমূলক অভিযোগৰ প্ৰকৃত ৰূপ উপলব্ধি কৰিবলৈ মহাবত খাঁৰ বেছি সময় নালাগিল। সম্ৰাটক বন্দী কৰি তেওঁ নুৰজাহানৰ ওপৰত প্ৰতিশোধ ললে। সম্ৰাটক মুকলি কৰিবলৈ বৃথা চেষ্টা কৰি নুৰজাহান নিজেও বন্দিনী হ'ল। য'ত বল নাখাটে ত'ত বুদ্ধিয়ে কাম দিলে। নুৰজাহানৰ কৌশলত মহাবত খাঁৰ এশ দিনীয়া ৰাজত্বৰ সামৰণি পৰিল।

আকৌ এবাৰ ছাহজাহানৰ ভাগ্য-ৰবি উদয় হ'ল। বিদ্ৰোহী মহাবত খাঁ আহি ১৬২৭ চনৰ অক্টোবৰ মাহত তেওঁৰ লগ ললেহি। খবৰ পাই নুৰজাহানে ভয় খালে যদিও তেওঁৰ কৰিবলৈ একো নাছিল।

ইতিমধ্যে ৰাজসভাৰ ঘটনাৱলীয়ে আকস্মিকভাৱে নতুন গতি ললে। মহাবত খাঁৰ কৱলৰ পৰা মুকলি হৈ লাহোৰৰ নিদাঘৰ তাপ সহিব নোৱাৰি, সম্ৰাট জাহাঙ্গীৰে কাশ্মীৰলৈ যাত্ৰা কৰিলে। কিন্তু কাশ্মীৰত পুৰণি 'হাপানি' ৰোগ বৃদ্ধি পোৱাত তেওঁ জীৱনৰ আশা একপ্ৰকাৰ এৰি দিয়াৰ নিচিনাই হ'ল। শেষত তেওঁক লাহোৰলৈ অনাটোকে ঠিক হ'ল, কিন্তু এনেতে ১৬২৭ চনৰ ২৮ অক্টোবৰত তেওঁৰ সেই একে ৰোগতে মৃত্যু হ'ল।

উত্তৰাধিকাৰৰ যুদ্ধ এতিয়া চূড়ান্ত পৰ্য্যায় পালেগৈ।



এইবাৰ সংঘৰ্ষ হ'ল দুজনৰ ভিতৰত ছাহজাহান আৰু ছাৰিয়াৰৰ। এবছৰৰ আগতে ইতিমধ্যে পাৰভেজৰ সুৰাপানত অকালতে মৃত্যু হৈছিল। জাহাঙ্গীৰৰ জ্যেষ্ঠপুত্ৰ খুচৰোক ( Khusrau ) ছাহজাহানৰ উদগণিত ১৬২১ চনত দাক্ষিণাত্যত হত্যা কৰোৱা হৈছিল। নুৰজাহানৰ চাহদাৰাৰ ( Sahdara ) দিলখুচ ( Dilkhusha ) উদ্যানত সম্ৰাটৰ মৃতদেহ কবৰ দিয়াৰ আগতেই দুয়োপক্ষ সংঘৰ্ষৰ কাৰণে সাজু হ'ল। নুৰজাহান আৰু তেওঁৰ ভায়েক আচফ খাঁৰ মাজত উমি উমি জ্বলি থকা বিৰোধৰ জুই কুৰা ভমক কৰে জ্বলি উঠিল। নুৰজাহানে ক্ষমতা হাতত ৰাখিবৰ কাৰণে শেষ চেষ্টা কৰি চালে। তেওঁ লৰালৰিকৈ জোঁৱায়েকক ৰাজদণ্ড হাতত লবলৈ আৰু আচফ খাঁকো গ্ৰেপ্তাৰ কৰিবলৈ বাতৰি পঠিয়ালে। আচফ খাঁক ক'ত গ্ৰেপ্তাৰ কৰিব! তেৰেঁইহে নুৰজাহানৰ গতি-বিধিৰ ওপৰত চোকা নজৰ ৰাখিবলৈ ধৰিলে, আৰু ছাহজাহানলৈ বাতৰি আৰু নিজৰ নামাঙ্কিত আঙঠি পঠিয়াই ইতিমধ্যে খুচৰোৰ দুৰ্ভগীয়া পুতেক ডাৱৰ বক্সক ( Dawar Baksh ) অস্থায়ী সম্ৰাট পাতি স্বয়ম্ভু ৰজা ছাৰিয়াৰৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলে। যুদ্ধত ছাৰিয়াৰ বেয়াকৈ হাৰিল। তেওঁক পাচত চকু কাঢ়ি বধ কৰোৱা হ'ল।

নুৰজাহানে ভাগ্যক খিয়াই ক্ষমতাৰ মঞ্চৰ পৰা নামি আহিল। তেওঁৰ 'ৰোমান্টিক' জীৱনৰ ইও এক ডাঙৰ ভাগ্য বিপৰ্য্যয়। তেওঁৰ ক্ষমতা একেবাৰে লুপ্ত হ'ল। যদিও তেওঁ ছাহজাহানৰ দুৰৱস্থাৰ ঘাই কাৰণ আছিল তথাপি ছাহজাহানে অতীতৰ কথা পাহৰি তেওঁক ততালিকে মুকলি কৰি দিবলৈ আদেশ দিলে, আৰু বছৰি দুই লাখ টকাৰ এটা পেন্সনেৰে লাহোৰ চহৰৰ এটা প্ৰাসাদত থাকিবলৈ দিলে। ৰাজপ্ৰাসাদৰ পৰা একেবাৰে নিলগত, তেওঁৰ বাসস্থানৰ প্ৰাসাদ আৰু উদ্যানৰ মাজত জীয়েকৰ সৈতে তেওঁ জীৱনৰ শান্ত বিয়লি বেলা আতিবাহিত কৰিলে।

চিৰ সন্তপ্তাজনৰ শুভ্ৰবেশ ধাৰণ কৰি তেওঁ দান-দক্ষিণা আৰু কলা-সুলভ কামৰ মাজেৰে অৱসৰ সময় কটাবলৈ ধৰিলে। হুলস্থুলৰ মাজত ইমান দিনে জাহাঙ্গীৰক উপযুক্তভাৱে কবৰ দিয়া হোৱা নাছিল। তেওঁৰ প্ৰেমিকাই দেখুৱা ঠাইত তেওঁক কবৰ দিয়া হ'ল। তেওঁৰ বিধৱা পত্নীয়ে তেওঁৰ সমাধিৰ ওপৰত এটা ধুনীয়া স্মৃতি সোধ নিৰ্ম্মাণ কৰাই দিলে। জাহাঙ্গীৰৰ শেষ ইচ্ছা অনুসাৰে সৌধৰ ওপৰত কোনো বিশেষ গম্বুজ সজোৱা নহ'ল। সম্ৰাটে প্ৰকৃতিৰ সৈতে মুকলি আকাশৰ তলত শুই থাকিবলৈ ইচ্ছা কৰিছিল।

স্বামীৰ মৃত্যুৰ পিচতো আৰু ওঠৰ বছৰ কাল নুৰজাহান জীয়াই আছিল। ১৬৪৫ চনৰ ৮ ডিচেম্বৰত ৭২ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ পিছত তেওঁক জাহাঙ্গীৰৰ কাষতে কবৰ দিয়া হ'ল। এই নিৰাড়ম্বৰ কবৰটোৱে যেন তেওঁৰ শেষ বয়সৰ দুৰৱস্থাৰ কথাকে সূচনা কৰে।*

* এই প্ৰবন্ধটোৰ কিছু অংশ বাদ দি হিন্দুস্থান টাইমচত প্ৰকাশিত হৈছিল ; সম্প্ৰতি মূল প্ৰবন্ধটো অধ্যাপক শ্ৰীসুনীল-কুমাৰ বৰঠাকুৰ এম-এ দেৱে অনুবাদ কৰিছে।—সম্পাদক

# হাইদাং গীত আৰু ইয়াৰ মৌলিক তাৎপৰ্য্য

শ্ৰীগগন চন্দ্ৰ সোণোৱাল

[ হাইদাং গীত উজনি অসমৰ লক্ষীমপুৰ জিলাৰ সোণোৱাল কছাৰী সমাজৰ প্ৰচলিত গীত। এই হাইদাং গীতৰ প্ৰতি ফাঁকি গীতৰে অন্তৰালত একোটি সৰু-সুৰা কাহিনী জড়িত আছে। কাহিনীসমূহত উক্ত জনজাতিৰ সামাজিক আৰু আধ্যাত্মিক ভাৱৰ একোটি সূক্ষ্মজ্ঞান পোৱা যায়। ইয়াত মাত্ৰ গীতৰ সৈতে সম্বন্ধ থকা কেইটামান গীতৰ হুবহু উল্লেখ কৰিবলৈ চেষ্টা কৰা হৈছে। —লেখক ]

অসমীয়া সাহিত্যৰ ক্ষেত্ৰত হাইদাং গীত এটি সম্যক আলোচনাৰ বিষয়। গীতটি ধৰ্ম্মৰ লগত জড়িত আছে যদিও বিশেষকৈ বৰ্ষা আগমনি হিচাবে ফাগুণ-চ'ত মাহত আয়োজন কৰা বাইথ বা শিৱ পূজাতহে ইয়াৰ বিশেষ সমাদৰ। ইয়াৰ শাহত সোণোৱাল কছাৰী জনজাতিৰ অতীত জীৱন-দৰ্শনৰ বহুত কথা সোমাই থকাৰ কাৰণে গীতটিক উক্ত জনজাতিৰ 'উৎপত্তি গীতি' হিচাবেও ধৰিব পাৰি। আদি পূৰ্ব্বৰে পৰা এই গীতি কাহিনী মৌখিক হিচাবে চলি অহাত বৰ্ত্তমান সমাজত ইয়াৰ এটা উকা প্ৰতিকৃতিহে বিচাৰি পোৱা যায়।

আদি পূৰ্ব্বৰে পৰা কছাৰী-সমাজত থিত লেৱো দেৱাদিদেৱ মহাদেৱৰ সন্তুষ্টিৰ অৰ্থে কৰা শিৱ বা বাথৌ-বাইথ পূজাৰ বলি-বিধানৰ লগতে ম'ৰা চৰাইৰ পাখী সহ, বাঁহী, পেপা লৈ বাইথ মন্দিৰৰ সমুখত হাইদাং গীত গাই নৃত্য কৰা নীতি প্ৰচলন হৈ আহিছে। আজিও উজনি অসমৰ জনজাতীয় গাওঁ বৰ-পথাৰত সোণোৱাল কছাৰী জনজাতীয় লোকসকলে বাইথ পূজা পাতি 'হাইদাং গীত' গাই বৰ ফুৰ্ত্তি-কৰি হুচৰি আৰু বিহু নমাই নৱ বৰষৰ শুভাগমন কামনা কৰে।

হাইদাং গীতৰ কাল সম্বন্ধে ইয়াকে পোৱা যায়—

"আদি যুগৰ কছাৰীৰ হেনো
হাইদাং দেই।
যুগৰ যুগৰ হেনো
কছাৰীৰ হাইদাং দেই।"

* * * *

"ৰৈয়া মতি হৈয়া বাই
ৰৈয়া মতি হৈয়া বাই
চাকৃলিলিং যুগৰ
হাইদাং দেই।"

* * * *

"হালিঙা দালিঙা যুগৰ
হেনো হাইদাং দেই।"

যুগ বা কালক নধাৰি হাইদাং গীতৰ আৰম্ভণিতে পোৱা যায়—

নমো নাৰায়ণ।
নমো নাৰায়ণ॥
অগ্নি নাৰায়ণ।
অগ্নি নাৰায়ণ॥



কিহ্, কিহ্, সৃজেছে সৃজেছে
কিহ্, কিহ্, সৃজেছে।
পৃথিৱী হেনো হাচৈছে হাচৈছে
পৃথিৱী হেনো হাচৈছে।
আকাশ হেনো সৃজেছে সৃজেছে
আকাশ হেনো সৃজেছে।
প্ৰকাশ হেনো সৃজেছে সৃজেছে
প্ৰকাশ হেনো সৃজেছে
জল হেনো সৃজেছে সৃজেছে
জল হেনো সৃজেছে।
থল হেনো সৃজেছে সৃজেছে
থল হেনো সৃজেছে।
আগম হেনো সৃজেছে সৃজেলে
আগম হেনো সৃজেছে।
নিগম হেনো সৃজেছে সৃজেছে
নিগম হেনো সৃজেছে।
উৰণ হেনো সৃজেছে সৃজেছে
উৰণ হেনো সৃজেছে।
বুৰণ হেনো সৃজেছে সৃজেছে
বুৰণ হেনো সৃজেছে।
গজন হেনো সৃজেছে সৃজেছে
গজন হেনো সৃজেছে।
ভ্ৰমণ হেনো সৃজেছে সৃজেছে
ভ্ৰমণ হেনো সৃজেছে।
ধৰম হেনো সৃজেছে সৃজেছে
ধৰম হেনো সৃজেছে।
কৰম হেনো সৃজেছে সৃজেছে
কৰম হেনো সৃজেছে।"

জয় জয়তে নাৰায়ণ আৰু অগ্নি-দেৱতাক ( সূৰ্য্য ) সেৱা। তাৰ পিচতেই পৃথিৱী, আকাশ, জল-থলক-লৈ বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি পাতনিৰ মেল। বৰ্ণনাৰ লগতে আগম-নিগমকে ধৰি উৰণ, বুৰণ, গজন, ভ্ৰমণ এই চাৰি মুঠি জীৱ, ধৰ্ম্ম-গুৰু আৰু কৰ্ম্ম-গুৰুৰ ( কাম দেৱতাও হব পাৰে ) সৃষ্টি। ইয়াৰ পিচতে বিভিন্ন বৰ্ণৰ গো-শ্ৰেণীৰ উল্লেখ কৰা হৈছে।

হাইদাং গীতৰ মতে স্ৰষ্টা ব্ৰহ্মাক এজনী কুকুৰাৰ লগত বৰ্ণনা কৰা হৈছে।

* * *

"কেৰ কেৰ হেনো কেৰাইছে।
এটা দুটা হেনো পাৰইছে।

* * *

আঠটা নটা হেনো পাৰইছে।
কুম্বা কুম্বা হেনো কুমাইছে।
এটা এটা হেনো জুগইছে।

* * *

তাৰে তিনটি হেনো ঘুলইছে।

কুকুৰাজনীয়ে এটা দুটাকৈ নটা কণী পাৰে। উমনি লয়। এটা দুটা কৈ কণী ফুটি ছটা পোৱালী ওলায় আৰু তাৰে তিনিটা কণী ঘোলা হয়। কিম্ব-দন্তীৰ মতে এই ঘোলা কণী তিনিটাৰ পৰাই সোণোৱাল কছাৰী জনজাতিৰ আৰাধ্য দেৱতা খিৰিং ৰজা ( শিৱ ), গজাই গুৰু আৰু মনাইৰ সৃষ্টি। এই তিনিজন দেৱতাই হল উক্ত জনসমাজৰ জ্ঞানত স্ৰজস্তা, পালন্তা আৰু নিয়ন্তা : ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। তথা :—

"দেৱৰ ডাঙৰ কোন ডাঙৰ
দেৱৰ ডাঙৰ কোন ?
দেৱৰ ডাঙৰ খিৰিং ৰজা
দেৱৰ ডাঙৰ খিৰিং ৰজা।"

দেৱতাসকলৰ ভিতৰত দেৱাদিদেৱ মহাদেৱকে সৱাতোকৈ ডাঙৰ জ্ঞান কৰাৰ মূলতে হৈছে এই জনা দেৱতাই জ্ঞাত বা অজ্ঞাত হিচাবে অতীত কছাৰী জাতিৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ পথ-প্ৰদৰ্শক স্বৰূপ আছিল। উক্ত সমাজত প্ৰচলিত শিৱ পূজা

আৰু কলা-কৃষ্টিৰ মূলত তেওঁ স্বয়ং আছিল গুণেহে তেওঁৰ পূজা আৰু কৃষ্টিৰ উৎস এই সমাজত আজিও বৰ্ত্তমান। দেৱতাসকলৰ মাজত শিৱ যেনে শ্ৰেষ্ঠ হিচাবে পূজিত দেৱীৰ ভিতৰত 'ভূৰুলী হাবৃকী'— ভুল্লী ( ভৱলী ) অৰ্থাৎ কামাখ্যা দেৱীও শ্ৰেষ্ঠা স্বৰূপে পূজিতা।

"পাতৰ ডাঙৰ কোন ডাঙৰ কোন ডাঙৰ
পাতৰ ডাঙৰ কোন ?
পাতৰ ডাঙৰ বৰ পাত উলু যে উলু যে
পাতৰ ডাঙৰ বৰ পাত উলু যে।"

এইয়া, কছাৰী সমাজত শিৱ পূজাই স্থান পোৱা কথা। গছ-বিৰিখৰ পাতৰ ভিতৰত ডাঙৰ পতীয়া উলু খেৰকে ডাঙৰ বোলাৰ অৰ্থতেই হৈছে আদিতে মহাদেৱে এজন বৃদ্ধ ৰূপে কছাৰী গৰখীয়া লৰাৰ মাজত আৱিৰ্ভাৱহৈ কাঠ ফুলাৰ অনুকৰণত তাল, এৰা গছৰ ঠাৰি লৈ পাচোটি বিঙ্কা কৰি কেকোঁৱাৰ ঠেঙৰ আহিত বাঁহী বজোৱাৰ শিকনিৰ লগতে অন্যান্য কলা-কৃষ্টিৰ শিক্ষা আৰু ফৰিং, কাঠ শালিকা ধৰি আনি উলু খেৰেৰে বলি-পূজা কৰিবলৈ ধেমালিৰ চলতে শিক্ষা দিয়ে। এদিন এজন গৰখীয়াই বলিৰ কাৰণে একো নাপাই নিজৰ মূৰটোকে অপণ কৰে। এইয়ে সেই বলি শিৱ পূজা—উলু খেৰৰ চোকা ধাৰেও মাহাত্ম্যৰ দ্বাৰা মানুহকে ছেদ কৰিব পাৰে !!

মেঘৰ গৰ্জ্জনক মাতৰ ভিতৰত ডাঙৰ বুলি ধৰা হৈছে। সেই দৰে ঃ—

"গাঁতৰ ডাঙৰ কোন ডাঙৰ কোন ডাঙৰ
গাঁতৰ ডাঙৰ কোন !
গাঁতৰ ডাঙৰ বৰপেট লাই যে
গাঁতৰ ডাঙৰ বৰপেট যে।"

স্বাভাৱিকতে জীৱ-জন্তু, পশু-পক্ষীৰ পেট ( উদৰ ) এটা ডাঙৰ গাঁত। নৰ মনিচ আৰু জীৱ-জন্তু আদিৰ দৈনন্দিন জীৱনত এই ক্ষুদ্ৰ গাঁতটি পৰিপূৰণৰ বাবে কত যে হাড়-ভগা পৰিশ্ৰমৰ আৱশ্যক নহয় !

"সেৱাৰ ডাঙৰ লাই নেওৱা।"

পুৱা বিচনা এৰাৰ পৰা নিশা নিদ্ৰা দেৱীৰ কোলাত আশ্ৰয় লোৱা এই দীঘলীয়া সময়খিনিৰ ভিতৰত ঘৰৰ নেওৱাৰ তলেদি মূৰ তলকৰি অহা যোৱা কৰাই এই অৰ্থ। এই গৃহ সেৱাৰ মূলতেই হৈছে শান্তিৰ নিজৰা, গৃহে যেন আজীৱন সঙ্গ নেৰে। ইয়াতে এটি কিম্বদন্তীও আছে। অসমৰ মায়ামৰা সম্প্ৰদায়ৰ লোকে 'এক দেউ, এক সেউ, এক বিনে নাহি কেও' অৰ্থাৎ এক ঈশ্বৰৰ বাদে তেওঁবিলাকে কাকো সেৱা নকৰো বা নভজো বুলিয়েই সাধাৰণতে ঘৰৰ মূধে দি দুৱাৰ কাটে।

বায়ু ডাঙৰ সপ্ত বায়ু---সম্ভৱতঃ প্ৰাণবায়ু অৰ্থক।

"কুলৰ ডাঙৰ কোন ডাঙৰ
কুলৰ ডাঙৰ লাই মিকৃৰী।"

কুল বা জাতৰ ডাঙৰ স্বৰূপে মেকুৰীকেই ডাঙৰ বুলি ধৰা হৈছে। 'কথাগুৰু চৰিত'ৰ মতেও "বোলে সবাতোকৈ কুলীন উত্তম কোন"ৰ উত্তৰত মহাপুৰুষ শঙ্কৰদেৱে বুলিছে—"সবাতোকৈ উত্তম কুলীন মাৰ্জ্জাৰী আৰু নিঘিনী পক্ষী। মেকুৰীয়ে নপৰ্শা কি দেখা, মাখ নপৰ্শা কি দেখা।"

"গছৰ ডাঙৰ কোন
.......লাই জিটুলী।"

জুটুলী গছক ডাঙৰ বুলি ভৱাৰ অৰ্থত এটা আখ্যান আছে। কছাৰীসকলৰ এটা ঠালে কুণ্ডিল অঞ্চলত থাকোতে ৰজা এজনৰ জীয়েক জয়ফুলেশ্বৰী বা ৰাহমলাই তাঁত বৈ থাকোতে অলপ দূৰৰ এজোপা জুটুলী গছৰ ডালত পৰি এজনী সোণ পক্ষীয়ে ( লাই টিপচী ) সুমধুৰ স্বৰে মাতি থকা দেখা পাই চৰাইজনীৰ সৈতে গছ জোপা তাঁতশালৰ সমুখত বিচাৰি ৰোহ ঘৰত পৰে। ৰজায়ো জীয়েকৰ সান্ত্বনাৰ



বাবে গছ জোপা খান্দি উভালি আনিবৰ কাৰণে বহুত কছাৰী নিয়োগ কৰে। কিনো কথা, দিনৰ দিনটো বহুত লোকে খান্দিও গছ জোপা উভালিব নোৱাৰে! খন্দা গাঁত ৰাতিতে পুনৰ পূৰ হয়। উপায়ান্তৰ হৈ ৰজাই তাৰ বাবে এহেজাৰ কছাৰী লোক নিয়োগ কৰে। পিচে এই হাজাৰ কছাৰীয়েও গছ জোপা খান্দি উভালিব নোৱাৰিলে। সেই দিনাই পৰা এই কছাৰীসকলক হাজাৰ কছাৰী আখ্যা দিয়া হয়।

হাইদাং গীতৰ এটি অংশত সাংসাৰিক যাত্ৰাৰ কিছু আভাস পোৱা যায়। ইয়াৰ মতে কোনো মাধৱ নামৰ ৰজাই খিৰিং ৰজা, বায়ু ৰজা, নাকলাং, চাকলাং আদি মন্ত্ৰী পাৰিষদসহ ভোমোৰা মিস্ত্ৰী, বাৰে খটলা বাটৈ ( গছ খোটোলা-বাটৈ টোকা ) আৰু সৈন্যসামন্ত লৈ শঙ্কৰৰ জীয়েকক বিয়া কৰিবলৈ যায়। তেওঁবিলাকে সদলবলে,—

"অমন কাঠৰ পমন নাও
লাইখত লাইখত বাইনো যাওঁ।
ৰাইনা কাঠৰ চাইনা বঠা
লাইখত লাইখত বাইনো যাওঁ।"

নাও বাই বাই উলাহ আনন্দত গৈ থাকে। পিচত 'ৰূপী ঘাটে চপাই যাও, সুধক মুসুধক চপাই চাও' এই বুলি ৰূপী বা লুপী ঘাটত নাও চপাই সকলো নামি পৰে। তাৰ পাছত ছোৱালী খোজা বঢ়া কৰাৰ নীতি নিয়মকে ধৰি পান-তামোল, চাউল, শাক-পাচলি, পিঠা-পনা, মাছ-পহুৰ ভাৰ শোধাই দৰা পক্ষৰ উদ্দেশ্য নিবেদন কৰা হয়।

শঙ্কৰদেৱে ইয়াত সম্মত নোহোৱাত দৰা আৰু কন্যা উভয় পক্ষৰ ভিতৰত এখন সৰু-সুৰা যুদ্ধৰ আয়োজন হয়। লগত যোৱা ৰাজ্যৰ ঘাই মিস্ত্ৰী ভোমোৰা আৰু বাটৈ বাটৈ-টোকাই তুলা-ধুনা ধনুক অনুকৰণ কৰি ধেনু-কাড়, 'চিৰি খাটি' (কাঠি )-ৰ অনুকৰণত চিক্ৰাই ( তৰোৱাল ), টোলোঠাৰ অনুকৰণত হিলৈ ( বন্দুক ), এড়িৰ পাকৰীৰ অনুকৰণত গুলি, ফুট্ চাইক বাৰু ( খাৰ ) আৰু ভগা জাপিৰ অনুকৰণত ঢাল তৈয়াৰ কৰি যুদ্ধত নামে। গীতত আছে ঃ—

* * *

"কিহৰ কিহৰ লাই ধেনু ?
তুলাধুনা হেনো লাই ধেনু।
কিহৰ কিহৰ লাই চিক্ৰাই ?
চিৰিখাটি হেনো লাই চিক্ৰাই।
কিহৰ কিহৰ লাই হিলৈ -
তুলুথা হেনো লাই হিলৈ।
কিহৰ কিহৰ লাই গুলি ?
পাকৰী হেনো লাই গুলি।
কিহৰ কিহৰ লাই বাৰু ?
ফুট্চাই হেনো লাই বাৰু।
কিহৰ কিহৰ লাই ঢাল ?
ভগা জাপি হেনো লাই ঢাল।"

তাৰ পিচত ঃ—"কোঠ ভাঙ্গইছো,
কোঠ ভাঙ্গইছো।
ৰণ জিকইছো,
ৰণ জিকইছো।"

মাধৱদেৱৰ পক্ষই যুদ্ধত জয় লাভ কৰে। ইফালে শঙ্কৰৰ জীয়েক দুগৰাকী— ৰূপী (লুপী) আৰু সুৰূপী ঃ লক্ষ্মী আৰু সৰস্বতী। বিয়া সোমাবৰ কাৰণে দুয়োৰে ভিতৰত হেতা ওপৰা লাগে।

"ৰূপী সুৰূপী দুভনী।
ৰূপী বোলে মই যাং যে।
সুৰূপী বোলে মই যাং যে।
বাবৰী বাবৰাং লাগইছে।"

শুনা মতে ৰজাই দুয়োকে বিবাহ কৰি ঘৰলৈ লৈ আহে। এই ৰূপী আৰু সুৰূপীয়েই পিচলৈ লক্ষ্মী

আৰু সৰস্বতী ৰূপে জনজাতীয় সমাজত স্থান পায়। ঘৰ পাই যাত্ৰী দলে গায় ঃ—

তেবেঐ আমি হেনো আসৈছো।
তেবেঐ দুৰবী দুৱাৰ মেল।
তেবেঐ ভৰি ধোও পানী আন।
তেবেঐ ঘৰৰ ঘৰিণী।
তেবেঐ আমাক ওলাই মাত।
তেবেঐ দুৱাৰৰ ঘুন্নুচা জৰী ঐ।

*      *      *

ৰূপীক আনৈছে।
ৰূপীক আনৈছো।

*      *      *

শঙ্কৰৰ জীয়াৰী        মাধৱৰ বোৱাৰী
হাৰে ৰে ৰে খোপা লুধুম্ ধুম্।"

ইফালে দুৱাৰ বক্ষক জয়-বিজয় আৰু ঘুন্নুচা জৰীয়ে দুৱাৰ সহজতে এৰি নিদিয়ে। এনে উৰুলি মুহুলি ক্ষণত কাবোবাৰ কণ্ঠত আহি সৰস্বতী কণ্ঠাগত হলহি—বিহু নামৰ সৃষ্টি হল, নাচেও থিত দিলেহি। উল্লাহ আনন্দত সকলোৱে গালে ঃ—

'ললৌ হেমেলু চলৌ লাই,
সকলো ৰাজগুৰু একে ঠাই।'

'সকলো ৰজা গুৰু একে ঠাই', যেন ইয়াত ৰজা, প্ৰজা, গুৰু, গোসাঁই একাকাৰ। ভিন্ পৰ ভাৱ নাই।

ইয়াৰ পাচত কন্যা আদৰি ভিতৰলৈ নিয়া হয়। গীতৰ সাৰমৰ্ম্ম অনুযায়ী সেই সময়ৰ সোণোৱাল কছাৰী জনজাতিৰ সামাজিক জীৱনৰ ঢেকীৰ পৰা মজিয়া ( ৰান্ধনী ) ঘৰৰ বস্তু বাহানিৰ এটি সুন্দৰ চিত্ৰ পোৱা যায়। যেনে ঃ—

"ঢেকী শেমেলু নেজ ভং ভং।
কোঠা শেমেলু থু টুপ টুপ্।
জপা হেমেলু টুখুং থুং।
উধান হেমেলু ভামাও মাও।
হাতা হেমেলু টুখুং থুং।
দীঘলী বাট হেমেলু হিৰিপ্ ৰিপ্।"

কন্যা ভিতৰলৈ নিয়াৰ পাচতেই গীত-পদ, বাঁহী-টকা, পেঁপা ইত্যাদি অনা মেলা কৰাৰ কথা পোৱা যায়। ই হয়তো সেই সময়ৰ আনন্দইযে জীৱন তাৰেই জীৱন্ত প্ৰতীক।

সকলো ফালৰ পৰা চালে হাইদাং গীত সোণোৱাল কছাৰী জন জাতিৰ উৎপত্তিৰ গীত। এই গীতৰ মাজেদিয়েই উক্ত জনজাতিৰ সাত খেল, চৈধ্য বংশৰ সবিশেষ পোৱা যায়।

সাত খেল ঃ—

উজনী কুচীয়া, নামনি কুচীয়া,
বালিখিতীয়া, চিৰিপুৰীয়া,
অমৰাবমীয়া, তিপামৰীয়া,
ধূলিয়াল।

চৈধ্য বংশ ঃ—

মদন, মানিকীয়াল,
হগ্ৰাল, মুক্তাল,
এহমাল, ফাৰমাল,
বৰ হাজোৱাল, সৰু হাজোৱাল,
কুমৰাল, ঢেকীয়াল,
দিঙ্গীয়াল, লঠিয়াল,
দঙ্গৰাল, চেতিয়াল।

এই সাত খেল আৰু চৈধ্য বংশৰ ভিতৰতে উক্ত জনজাতিৰ ৰাজবংশকে আদি কৰি খৰিভাৰীলৈকে কামৰ বিভাজন চলিছিল। আজিও উক্ত জনজাতিৰ ভিতৰত যি নিজৰ খেল আৰু বংশ নাজানে তেওঁক জাৰজ ( জহৰা ) আখ্যা দিয়া হয়।

হাইদাং গীতৰ শেষ ছোৱাত ৰজা প্ৰজা, গুৰু গোসাঁই, সকলোকে একাকাৰ হিচাবে অভিহিত কৰা হৈছে। জামুকৰ খুটা থাকিলে ঘৰত শান্তি বিৰাজ



কৰে, —এইয়া আদি-পূৰ্ব্বৰ পৰা চাল অহা জনজাতীয় বিশ্বাস। এই শান্তি বা প্ৰশান্তি কামনা কৰিয়েই ঘৰৰ লাই বা ঘাই খুটা হিচাবে জামুৰ খুটা ব্যৱহাৰৰ নিয়ম। হাইদাং গীতত সেয়েহে কৈছে ঃ—

'ললৌ হেমেলু চলৌ লাই।
সকলো ৰাজগুৰু একেঠাই।
জামুকৰ খুটাতে দিছো ঠাই।'

---

# অসমৰ মধ্যযুগৰ প্ৰতিৰক্ষা নীতি

শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু

## প্ৰাচীন যুগত এভুম্যুক (১)

বুৰঞ্জীয়ে বিশেষভাবে ঢুকি নেপোৱা অস্পষ্ট মহাকাব্যৰ যুগৰে পৰা এই দেশৰ ৰজা আৰু বীৰ-সকল তেওঁলোকৰ বীৰত্বৰ কাৰণে উচ্চভাৱে প্ৰশংসিত হৈ আহিছে। ৰামায়ণ, মহাভাৰত আৰু পুৰাণ আদি কাব্যবোৰত প্ৰাচীন কামৰূপ ৰাজ্যৰ প্ৰখ্যাত ৰজা, বীৰ আৰু সৈন্যসকলৰ বীৰত্বৰ কথা বিশেষভাৱে বৰ্ণনা কৰা হৈছে। কাব্যবোৰৰ পৰা বুজা যায় যে এই দেশৰ নৰকাসুৰ, বাণ ভগদত্ত, ঘটোৎকচ, বভ্ৰুবাহন আদি বীৰসকল অতি শক্তিশালী আছিল। নৰকাসুৰ, বাণ আদিক দমন কৰিবলৈ স্বয়ং শ্ৰীকৃষ্ণও দ্বাৰকাৰ পৰা আহিব লগা হৈছিল। ভগদত্ত, ঘটোৎকচ আদি কামৰূপী বীৰে কুৰুক্ষেত্ৰৰ যুদ্ধত শত্ৰু সৈন্যৰ মাজত প্ৰলয়ৰ সূচনা কৰিছিল। ভগদত্তৰ সৈন্য বাহিনী কিৰাট, চীন আদি সৈন্যৰে পৰিপুষ্ট হৈছিল। সেই যুদ্ধৰ সময়ত ভগদত্ত অতীব বৃদ্ধ থকা অৱস্থাতো তৃতীয় পাণ্ডৱ অৰ্জ্জুনৰ কাৰণে ভগদত্তক পৰাজিত কৰিব পৰাটো সমস্যা হৈ পৰিছিল ; আনকি শ্ৰীকৃষ্ণই গাত পাতি নোলোৱা হলে ভগদত্তৰ বৈষ্ণৱাস্ত্ৰই অৰ্জ্জুনক ধৰাসায়ী কৰিলেহেঁতেন। ভগদত্ত অতীব বৃদ্ধ হেতুকে তেওঁৰ লোল-চৰ্ম্মই চকুৰ দৃষ্টি পথ আক্ৰান্ত কৰাত বস্ত্ৰৰ পটিৰ দ্বাৰা লোল চৰ্ম্ম বান্ধি দৃষ্টি পথ অব্যাহত ৰাখি যুদ্ধ কৰিছিল—

বলীসংছন্ননয়নঃ শূৰঃ পৰমদুৰ্জ্জয়ঃ।
অক্ষোৰুন্মীলনাৰ্থায় ৱদ্ধপট্টোহ্যসৌ নৃপঃ॥
( দ্ৰোণ পৰ্ব্ব ২৮।৪৫ )

শ্ৰীকৃষ্ণৰ পৰামৰ্শত সেই পটি কাটি পেলোৱাত ভগদত্তৰ দৃষ্টিশক্তিহীন হয় আৰু তেতিয়াহে তেওঁক বধ কৰিবলৈ অৰ্জ্জুন সক্ষম হয় (১)। কামৰূপী বীৰ হিড়িম্বাপুত্ৰ ঘটোৎকচেও কুৰুক্ষেত্ৰ যুদ্ধত প্ৰলয়ৰ সূচনা কৰিছিল। ঘটোৎকচৰ ব্যক্তিত্বই যুদ্ধক্ষেত্ৰকো অতিক্ৰম কৰি অন্তেষপুৰৰ তিৰোতা মহলতো আলোচ্য বিষয়ৰ স্থান লৈছিল। এই ঘটোৎকচক শেষত কৰ্ণ ই অৰ্জ্জুনক বধ কৰিবৰ কাৰণে অতি সংগোপনে ৰখা একাঘ্নি অস্ত্ৰৰ দ্বাৰাহে বধ কৰিলে। অৱশ্যে ঘটোৎকচৰ বধৰ লগে লগে অৰ্জ্জুন বধৰ অস্ত্ৰহীন হোৱাৰ শোকাগ্নি কৰ্ণৰ কাৰণে চিৰদিনলৈ ৰৈ গল। সেইদৰে অশ্বমেধ পৰ্ব্বত বভ্ৰুবাহনেও পাণ্ডৱসকলক নিজৰ বীৰত্বেৰে যুদ্ধত সুন্দৰ পৰিচয় আৰু শিক্ষা দান কৰিছিল।

(১) কামৰূপ শাসনাৱলী—মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য সঙ্কলিত ১৩৩৮ সাল ভূমিকা ( পৃষ্ঠা ৮—৯ )

বুৰঞ্জীয়ে ঢুকি পোৱা প্ৰাচীন হিন্দু ৰজাসকলে কামৰূপৰ ( অসমৰ ) প্ৰতিৰক্ষা বিভাগৰ বা যুদ্ধ-বিদ্যাৰ খ্যাতি অটুত ৰাখিছিল। তেওঁলোকৰ এই শোৰ্য্য-বীৰ্য্যৰ প্ৰভাৱতেই এসময়ত কামৰূপ ৰাজ্য এখন বিশাল সাম্ৰাজ্যত পৰিণত হৈছিল। এজন প্ৰখ্যাত প্ৰত্নতাত্বিকে অথাৰ্থ লিখিছে :—

In any case it is a much larger kingdom than most of the other kingdoms mentioned in the Maha Bharata and most of the Sixteen Mahajana Padas existing during the time of Gautama Buddha". (2)

( সকলো প্ৰকাৰে, মহাভাৰতত বৰ্ণনা কৰা ৰাজ্য বিলাকতকৈ আৰু গৌতম বুদ্ধৰ সময়ৰ যোলখন মহাজন-পদতকৈ কামৰূপ এখন বেচি ডাঙৰ ৰাজ্য আছিল। ) প্ৰাচীন যুগৰ হিন্দু ৰজাসকলে দান কৰা "তাম্ৰ শাসন" বিলাকৰ পৰাও জনা যায় যে এই যুগৰ ৰজাসকলো পৰাক্ৰমী আৰু সকলো ৰাজকীয় গুণেৰে বিভূষিত আছিল। পুষ্যবৰ্ম্মাৰ পুত্ৰ সমুদ্ৰবৰ্ম্মা "মৎস্যন্যায় বিৰহিতঃ", "প্ৰকাশৰত্নঃ", "স্থতো দ্বৈৰথ লঘুঃ"। অৰ্থাৎ মৎসন্যায়বিশিষ্ট, উজ্জ্বল-ৰত্ন-বিশিষ্ট, দ্বন্দ্ব-যুদ্ধত ক্ষিপ্ৰ আছিল ( নিধনপুৰ শাসন শ্লোক ৮ )। কিছু কালৰ আগতে উদ্ধাৰ হোৱা ডুবি লিপিৰ পৰা জনা যায় যে গৌড় সেনাই যেতিয়া মহাপয়োভৰেৰে কামৰূপ আক্ৰমণ কৰিবলৈ আহে তেতিয়া স্থিত বৰ্ম্মাৰ পুত্ৰদ্বয় স্থপ্ৰতিষ্ঠিত বৰ্ম্মা আৰু ভাস্কৰবৰ্ম্মাই অলপীয়া সৈন্যেৰেই কৃষ্ণ-বলৰামৰ দৰে গৌড় সেনাক আতঙ্কিত কৰি তুলিছিল। গৌড়ৰ লগত কামৰূপী ৰজাৰ থকা শত্ৰুতাৰ কথা এই লিপিৰ পৰাহে বেচি পৰিস্কাৰ হৈছে। আৰু বোধ হয় এই যুদ্ধতেই কামৰূপ সাম্ৰাজ্যৰ কিছু অংশ গৌড়ৰ শাসনকৰ্ত্তাৰ তললৈ যায়। ইয়াৰেই সোত সোৰৱাবলৈহে ভাস্কৰ-বৰ্ম্মাই কটকী হংসবেগৰ যোগেদি হৰ্ষবৰ্দ্ধনৰ লগত মিত্ৰতা কৰি উভয়ে শশাঙ্কক পৰাজয় কৰে আৰু ভাস্কৰবৰ্ম্মাই কৰ্ণস্থৱৰ্ণ পুনৰ লাভ কৰে। হৰ্ষবৰ্দ্ধনৰ লগত ভাস্কৰ বৰ্ম্মাৰ এই মিত্ৰতাৰ পাচৰ কাৰ্য্য বৰ্ণনা কৰি কনকলাল বৰুৱাই লিখিছে, "ভাস্কৰ-বৰ্ম্মা আৰু শ্ৰীহৰ্ষৰ মাজত প্ৰতিৰক্ষামূলক আক্ৰমণৰ কাৰণে এটি মিত্ৰতা গঢ়ি উঠে। এই মিত্ৰতাই শশাঙ্কৰ ধ্বংসৰ কাৰণ হৈছিল, কাৰণ ভাস্কৰবৰ্ম্মাৰ নিধনপুৰ শাসনৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে যেতিয়া শ্ৰীহৰ্ষৰ সম্বন্ধীয়া আৰু সেনাপতি ভাণ্ডীয়ে পশ্চিমৰ পৰা আক্ৰমণ কৰি কৰ্ণ স্থবৰ্ণ অধিকাৰ কৰে তেতিয়া ভাস্কৰ বৰ্ম্মাই তেওঁৰ বিশাল নৌ-বাহিনীৰে ব্ৰহ্মপুত্ৰই দি পাৰ হৈ গঙ্গাইদি আগুৱাই আক্ৰমণ কৰিছিল। তেওঁৰ ( ভাস্কৰ-বৰ্ম্মাৰ ) সৈন্য বিভাগত হস্তী, অশ্ব আৰু পদাতিক সৈন্য আছিল। এইদৰে দুয়োফালৰ পৰা আক্ৰমণ হোৱাত শশাঙ্ক উৰিষ্যালৈ পলাই যায়। নিধনপুৰ তাম্ৰশাসন ভাস্কৰ বৰ্ম্মাই এই কৰ্ণস্থবৰ্ণৰ বিজিত বাহৰৰ পৰাই দান কৰিছিল (An offensive and defensive alliance was thus formed between Sri Harsha and Bhaskar Varman. This alliance was disastrous for Sasanka for while Shri Harsha's causin and general Bhandi probably attacked from the west and occupied the Karna Suvarna which which was near to Kamrup. From his Nidhanpur Copper Plate inscription it appeares that Vaskar Varman attacked with strong navy of huge boats, which must have passed down

(2) Early History of Kamrups by K. L. Barua. 1933, Page 10



the Bramaputra and then proceeded up the Ganges, and that his army consisted of war-elephants, cavalry and infantry (Mahanauhastaghyswa Patti). Being attacked from two sides and thus outflanked Sasanka fled towards Orissa The Nidhanpur Copper Plate grant was issued from Bhaskar Varman's victorious camp at Karna Suvarna (৩।) (জয়শব্দাৰ্থ স্কন্ধাৱাৰাত কৰ্ণস্থবৰ্ণ বাসকাত)। এই দৰেই ভাস্কৰবৰ্ম্মাই হেৰুৱা ৰাজ্য লাভ কৰিলে। ভাস্কৰবৰ্ম্মা এতিয়া শ্ৰীহৰ্ষৰ ৰাজ্যৰ অন্তভূৰ্ক্ত মগধক বাদ কৰি গোটেই গৌড়ৰেই অধিপতি হ'ল। এই কৰ্ণস্থবৰ্ণ হৈছে বৰ্ত্তমানৰ মধ্যবঙ্গ। মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্যই কৰ্ণস্থবৰ্ণ যে ভাস্কৰবৰ্ম্মাৰ অধীন হৈছিল এই কথা মানি লবলৈ টান পাইছে— "এই শাসন প্ৰদান সময়ে কৰ্ণস্থবৰ্ণ যে ভাস্কৰেৰ অধীন ছিল এই কথা ঠিক বলিতে পাৰা যায় না, সম্ভৱতঃ দুই মিত্ৰ মিলিয়া প্ৰধান অমিত্ৰ গৌড়াধীপ শশাঙ্ককে কৰ্ণস্থবৰ্ণ হইতে তাড়াইয়া দিয়া যখন বিজিত ৰাজধানীতে থাকিয়া শত্ৰু বিজয় উৎসবানন্দ উপভোগ কৰিতে ছিলেন—তখন এই তাম্ৰশাসন আদিষ্ট হইয়াছিল "৪। ভট্টাচাৰ্য্য ডাঙৰীয়াৰ এই সন্দেহ অধুনা আবিষ্কৃত ডুবি লিপিয়ে অমূলক বুলি প্ৰমাণ কৰিছে, আৰু ৰায় বাহাদুৰ কনকলাল বৰুৱাদেৱৰ মন্তব্যকেই বিশেষভাৱে প্ৰতিষ্ঠা কৰিছে। ভাস্কৰবৰ্ম্মা যে সূৰ্য্যৰ প্ৰতিচ্ছবিৰ দৰেই সকলো নৃপতিৰ গৃহতেই প্ৰতিবিম্বিত হৈছিল, কৰ্ণস্থবৰ্ণৰ অধিকাৰেই তাৰ প্ৰমাণ কৰে। নিধনপুৰ শাসনত ভাস্কৰৰ বলবিক্ৰমৰ বিষয়ে বৰ্ণনা কৰিছে।—"স্তেজুৰ্ভি লক্ষ নৃপতি ভৱনেষু উদ্‌পাত্ৰো-ম্বিৱ ভূবিষুচবিলোক্যতে ভাস্কৰস্তেৱ॥ স্বভুজবলতুলিত সকল সামন্ত ৱিক্ৰমঃ॥" অৰ্থাৎ ভাস্কৰৰ ( সূৰ্য্যৰ ) ছবি যেনেকৈ বিভিন্ন জলৰ পাত্ৰত একেলগে বিভিন্ন ভাৱে উদিত হয় তেনেকৈ ভাস্কৰবৰ্ম্মাৰ ছবিও প্ৰভুতেজ হেতু অব্যাহতভাৱে নৃপতিসকলৰ প্ৰতি-গৃহে দৃষ্ট বা উদিত হৈছিল। …আৰু নিজৰ বাহুবলৰ দ্বাৰা তেওঁ ( ভাস্কৰবৰ্ম্মাই ) সকলো সামন্ত-চক্ৰৰ বিক্ৰম লঘু কৰি পেলাইছিল (৫)। ভাস্কৰবৰ্ম্মাৰ পৰবৰ্ত্তী কামৰূপী সম্ৰাটসকলেও নিজৰ ক্ষমতা আৰু বলবিক্ৰম অক্ষুণ্ণ ৰাখিছিল। পাছৰ শাসন বিলাকতো হৰ্জ্জৰ বৰ্ম্মা, বলবৰ্ম্মা, বনমালা বৰ্ম্মা, ব্ৰহ্মপাল, পুৰন্ধৰ পাল, ৰত্ন পাল আৰু হৰ্ষপাল আদিৰ প্ৰভূত পৰাক্ৰমৰ বৰ্ণনা পোৱা যায়। এই যুগৰ আন এজন প্ৰখ্যাত শক্তিশালী সম্ৰাট হ'ল শালস্তম্ভ বংশৰ বনমালা বৰ্ম্মাদেৱ। নিজৰ পৰাক্ৰমৰ বলত এওঁ এখন বিশাল কামৰূপ সাম্ৰাজ্য পাতিব পাৰিছিল। ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰীদেৱে এওঁৰ বিষয়ে লিখিছে, "With the accesion of Vanamala, son of Hajjara through Sri Mangala (Parvatiya Plales, V. 15, the kingdom entered into a new phase of development" ৬. (যুদ্ধৰ সকলো বিভাগতে এই যুগৰ সৈন্যবিলাক নিপুন আছিল। নৌ বিভাগত অসমৰ সৈন্য আমাৰ আলোচ্য মধ্য-যুগতটো কথাই নাই এই যুগতো যথেষ্ট শক্তিশালী আছিল। হস্তী, অশ্বাৰোহী, পদাতিক আৰু নৌ সৈন্যৰদ্বাৰা সৈন্য বিভাগ পৰিপুষ্ট হৈছিল। সৈন্যদলৰ ভিতৰত কিৰাট, চীন আদি লোক অন্তভূৰ্ক্ত হৈছিল। কিন্তু খ্ৰীষ্টীয় ১২ শতাব্দীৰ আৰম্ভণিৰ পৰা কামৰূপী

(৩) কনকলাল বৰুৱাৰ Early History of Kamrup ( পৃঃ ৬৫-৬৬ )

(৪) কামৰূপ শাসনাৱলী—ভূমিকা : পৃষ্ঠা ১৬

(৫) নিধানপুৰ শাসন শ্লোক ৩৭

(৬) History of the Civilization of the people of Assam—Page—236.

ৰজাসকলৰ ক্ষমতা টুটি আছিল আৰু প্ৰাচীন কামৰূপী ৰাজ্যত ভাঙণৰ আৰম্ভণি হ'ল। কামৰূপী ৰজাসকলৰ ক্ষমতা কমি আহিলত তেওঁলোকে কমতাপুৰলৈ ৰাজধানী স্থানান্তৰ কৰে। এতিয়া একেখন প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গতেই কমতাপুৰ. কছাৰী, চুটিয়া, সৰু সৰু ভূঞা, বৰাহী, মৰাণ আদি ৰাজ্য গঢ়ি উঠিল। শেষত ত্ৰয়োদশ শতাব্দীৰ আৰম্ভণিৰ লগে লগে আহোমবিলাক এই দেশলৈ আহি পুনৰ বিভিন্ন ৰাজ্য জয় কৰি নামে কামে এখন সুবিশাল অসম ৰাজ্য প্ৰতিষ্ঠা কৰে। ডঃ চৌধুৰীয়ে এই সম্পৰ্কত যথাৰ্থ মন্তব্যই কৰিছে— "The political history of the period after Jaya Pala is as obscure as disconnected and the unity of the kingdom was lost, until the Ahoms after a long period of contest with their adverseries restored to a great eztent the lost political unity of Assam" (৭), (জয়পালৰ পাচৰ পৰাই এই যুগৰ ৰাজনৈতিক বুৰঞ্জী ধুৱঁলি-কুৱলি আৰু বিশৃঙ্খলপূৰ্ণ আৰু দেশখনৰ ৰাজনৈতিক সংহতিও নাইকিয়া হ'ল। অৱশেষত আহোমসকল আহি বিপক্ষৰ লগত বহুদিন ধৰি বিৰোধিতা কৰি হেৰাই যোৱা ৰাজনৈতিক সংহতি পুনৰ বহুত পৰিমাণে উদ্ধাৰ কৰে। এই জয়পালৰ সময় হৈছে প্ৰায় খ্ৰীষ্টাব্দ ১১২০। আমি এতিয়া এই যুগৰ প্ৰতিৰক্ষা নীতি সম্পৰ্কেই বিশেষ আলোচনাত প্ৰবৃত্ত হ'ম। অৱশ্যে জয়পালৰ পাছতো কামৰূপী ৰজাই বিদেশী আক্ৰমণকাৰীৰ ওচৰত যে নিজৰ শক্তি-সামৰ্থ্যৰ পৰিচয় দিব পৰা নাছিল এনে নহয়। এই ভাঙনৰ যুগতো কামৰূপী ৰজাই প্ৰথম কামৰূপ প্ৰৱেশকাৰী মুছলমান মহম্মদ বীন বখতিয়াৰক ১২০৫—৬ খ্ৰীষ্টাব্দত সমূলে ধ্বংস কৰে বুলি কানাই বৰশীবোৱা শিলৰ লিপি আৰু টবাকত-ই-নচিৰি আদিৰ পৰা জনা যায়। কানাই বৰশীবোৱা শিলত লিখা আছে—

"শাকে তুৰগ-যুগ্মেশে মধুমাস ত্ৰয়োদশে।
কামৰূপম্ সমাগত্য তুৰস্কাঃক্ষয়ময়য়ুঃ॥

অৰ্থাৎ ১১২৭ শকৰ চ'ত মাহৰ ত্ৰয়োদশী তিথিত তুৰস্কসকল কামৰূপলৈ আহি সম্পূৰ্ণ বিধ্বস্ত হয়।

(৭) ঐ পৃষ্ঠা—২৭৭

## ( ২ )

## মধ্যযুগৰ ৰাজনৈতিক পটভূমি

খ্ৰীষ্টীয় দ্বাদশ শতাব্দীৰ আগ ভাগতে অৰ্থাৎ ১২২৮ খ্ৰীষ্টাব্দত চুকাফাৰ নেতৃত্বত নিচেই কম সংখ্যক টাই ফৈদৰ এটি দল এই দেশলৈ আহে। এই সময়ত অসমত অৰ্থাৎ প্ৰাচীন কামৰূপ ৰাজ্যত কেইবাখনিও সৰু সৰু ৰাজ্য গঠিত হোৱাৰ কথা আমি আগতে কৈ আহিছোঁ। আহোমসকল এই দেশলৈ সোমোৱাৰ লগে লগে প্ৰয়োজন বুজি উদাৰ আৰু প্ৰয়োজন বুজি কঠোৰ নীতি অৱলম্বন কৰিবলৈ ধৰিলে। চুকাফাৰ পৰা চন্দ্ৰকান্ত সিংহলৈকে অৰ্থাৎ ১২২৮-১৮২৬ খ্ৰীষ্টাব্দ লৈকে এই প্ৰায় ৬০০ বছৰ কালৰ ভিতৰত লেখত লবলগীয়া ৩৯ জন আহোম ৰজাই অসমত ৰাজত্ব কৰে। ইয়াৰ ভিতৰত তলত লিখা কেইজন ৰজাৰ ৰাজত্বকাল অসম বুৰঞ্জীত বিশেষ তাৎপৰ্য্যপূৰ্ণ। যেনে :— চুকাফা (১২২৮-১২৬২ খ্ৰীঃ), চুহুংমুং বা দিহিঙীয়া ৰজা (খ্ৰীঃ ১৪৯৭-১৫৩৯), প্ৰতাপসিংহ বুঢ়া ৰজা বা চুচেংফা (খ্ৰীঃ ১৬০৩-৪১), চক্ৰধ্বজসিংহ (খ্ৰীঃ ১৬৬৩-৭০), গদাধৰ সিংহ (১৬৮১-৯৪) আৰু ৰুদ্ৰসিংহ (খ্ৰীঃ ১৬৯৬-১৭১৪)।

চুকাফা এই দেশলৈ আহিয়েই ইয়াৰ সৰু সৰু বৰাহী, মৰাণ, নগা, কছাৰী আদি জাতিবোৰক দমন কৰি সৌমাৰপীঠত এখনি সৰু ৰাজ্য প্ৰতিষ্ঠা কৰে।



স্বৰ্গদেউ চুহুংমুঙে কছাৰীক দমন কৰি কছাৰীসকলৰ ভালেখিনি অংশ নিজ ৰাজ্যৰ লগত চামিল কৰে। তদুপৰি চুটিয়া ৰাজ্য আৰু নগাওঁ আৰু দৰং অঞ্চলত থকা ভূঞা পোৱালী ৰজাসকলক দমন কৰি তেওঁলোকৰ অঞ্চল সম্পূৰ্ণ আহোম ৰাজ্যৰ ভিতৰুৱা কৰে। বঙ্গদেশৰ নবাবৰ ফৌজৰ অধিকৰ্ত্তা তুৰ্ব্বকক খেদি নি একেবাৰে কৰতোয়াত খান্দা পখালিলে আৰু বিজয়ৰ চিন স্বৰূপে নদীৰ ওচৰত মন্দিৰ আৰু পুখুৰী খন্দালে। আহোম সৈন্যই পুখুৰীৰ পাৰত খুটা পুতি ঘোলপানী চৰাই লিখি থৈ আহিছিল, "অনাযুদ্ধে যি ৰাজ্য ল'ব তাৰ পিতৃ-পিতামহ নৰকত পৰিব ; হাৰিয়ে ঝাটাৰে কোবাব, তিৰুতাৰ মেখেলা পিন্ধিব। এই নিবন্ধ কৰি আহিল। ৰজাত ( আপিও সাঙ্কিত কোচৰজা বিশ্বসিংহত ) কৈ আহিল ই কাকত" ( সাতসৰী অসম বুৰঞ্জী, পৃঃ ১৭, ছেদ—, ৫০ )। গতিকে স্বৰ্গদেউ চুহুংমুঙৰ দিনতেই আহোমসকলে তথা অসমীয়াই ভাগি যোৱা প্ৰাচীন কামৰূপৰাজ্যৰ পাচত নকৈ এখনি বিশাল অসম ৰাজ্যৰ স্থায়ী ভেটিৰ সূচনা কৰিবলৈ সক্ষম হয়। অৱশ্যে ইতিমধ্যেই পুৰণি কমতাপুৰ ৰাজ্যৰ ভেটিত বিশ্বসিংহৰ নেতৃত্বত কোঁচ শক্তিৰ অভ্যুদয় হয়। কিন্তু বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণৰ ৰাজত্ব কালেই এই শক্তি অভ্যুত্থয়ৰ চৰম আৰু শেষ নিদৰ্শন। তাৰ পাচত আকৌ এই শক্তি দুৰ্ব্বল হৈ আহে। ইয়াৰে সুবিধা লৈ মোগলে ক্ৰমাৎ পূৱফালে ৰাজ্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। এই কাৰ্য্যৰ প্ৰতিৰোধৰ ভাৰ লয় স্বৰ্গদেউ প্ৰতাপসিংহই। তেওঁ কোঁচ ৰজাৰ এটি ফৌজক আশ্ৰয় দিয়ে আৰু মোগলৰ বিৰুদ্ধে ঠিয় দিয়ে। মোগল আৰু আহোমৰ এই বিবাদ বহুদিন ধৰি চলে আৰু শেষত স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত মোমাই তামুলী বৰবৰুৱা আৰু মোগল সেনাপতি আল্লাহয়াৰখাৰ মাজত এটি সন্ধি স্বাক্ষৰিত হয়। এই সন্ধি মতে অসুৰৰ আলি আৰু উত্তৰে বৰনদীয়েই অসম ৰাজ্যৰ পশ্চিম সীমা নিৰ্দ্ধাৰিত হয়। তদুপৰি চুহুংমুঙে বিস্তৃতি ঘটাই থৈ যোৱা ৰাজ্যখন এইজনা ৰজায়েই তেওঁৰ সুদক্ষ বৰবৰুৱা মোমাই তামুলীৰ দ্বাৰাই আটোমটোকাৰীকৈ পাতি লয়। মুঠতে এইজন ৰজাৰ দিনতেই অসমীয়া জাতিটো এটা শক্তিশালী জাতি হিচাবে গঢ় লৈ উঠে। ইয়াৰ পাচত আকৌ জয়ধ্বজসিংহৰ দিনত সোণকোষলৈকে অসম ৰাজ্য বিস্তৃত হৈছিল যদিও আত্ম-কন্দলৰ ফলত ঔৰংজেৱৰ প্ৰধান সেনাপতি মিৰজুমলাই অতি সহজেই গড়গাওঁ পৰ্য্যন্ত অধিকাৰ কৰি অসমক বছৰি কৰ দিবলৈ বাধ্য কৰে। কিন্তু চক্ৰধ্বজসিংহই এই সন্ধি অস্বীকাৰ কৰি যুদ্ধ ঘোষণা কৰে আৰু এইখন যুদ্ধতেই তেওঁৰ পৰবৰ্ত্তীজনা ৰজা স্বৰ্গদেউ উদয়াদিত্য সিংহৰ দিনত শৰাইঘাটত মোগলক সম্পূৰ্ণ পৰাস্ত কৰি মানাহলৈকে পুনৰ অসমৰ সীমা বহলাই লয়। স্বদেশদ্ৰোহী স্বাৰ্থান্ধ লালুকসোলা বৰফুকনৰ অপচেষ্টাত মোগলে পুনৰ গুৱাহাটী অধিকাৰ কৰে। স্বৰ্গদেউ গদাধৰ সিংহই ইটাখুলিৰ যুদ্ধত মোগল সেনাপতি মনচুৰখাক সম্পূৰ্ণ পৰাস্ত কৰি পুনৰ মানাহলৈকে সীমা উদ্ধাৰ কৰে। অসমৰ এই সীমাই ১৮২৬ খ্ৰীষ্টাব্দলৈকে অৰ্থাৎ ইয়াণ্ডাবু সন্ধিলৈকে অটুত আছিল। আহোম ৰজাসকলৰ ভিতৰত কেৱল স্বৰ্গদেউ ৰুদ্ৰসিংহইহে প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমা পুনৰ উদ্ধাৰ কৰি অসম তথা প্ৰাচীন কামৰূপ ৰাজ্যৰ হৃত গৌৰৱ পুনৰুদ্ধাৰৰ এটি বিৰাট আয়োজন কৰিছিল। এই অৰ্থে তেওঁক অসমৰ অন্তৰ্বৰ্ত্তী ৰজাসকলৰ লগত মিত্ৰতা অৱলম্বন কৰি অসমৰ বাহিৰৰ হিন্দুৰজাসকলৰ লগতো চিঠি-পত্ৰ আদান প্ৰদান কৰি সহযোগ লাভ কৰিছিল। তেখেতৰ অভিপ্ৰায় পাত্ৰ-মন্ত্ৰীসকলক জনাই কৈছিল— "মানাহৰ পৰা কৰতোয়ালৈকে বিস্তৃত

যিবোৰ ৰাজ্য সম্প্ৰতিকে আমি হেৰুৱাইছোঁ সেই সকলোবিলাক আমাৰ পূৰ্ব্বপুৰুষসকলৰ শৰণীয়া আছিল। এতিয়া মই সংকল্প কৰিছো যে সেই ৰাজ্যবোৰ উদ্ধাৰ কৰি অসমৰ পুৰাণকলীয়া পশ্চিম সীমা ওভোতাই আনো" (৮)। কেন্দুগুৰীয়া বৰ-পাত্ৰ গোহাঞে মহাৰাজৰ কথাত হয়ভৰ দিছিল। "কৰতীয়া গঙ্গা সীমা কৰি আমাৰহে ৰাজ্য। আমি মন কাণ নেদিবৰ দ্বাৰাইহে শত্ৰুৱে লৈছে। ৰাজা হলে পৰ-শত্ৰুক মাৰি আপোনাৰ সীমনা ৰাখি ৰাজ্য লৱনেসে যোগ্য" (৯)। এই অৰ্থে চাৰি লাখ সৈন্যৰ এক বিৰাট বাহিনীৰে আগুৱাই আহি গুৱাহাটীত বাহৰ কৰি থকা অৱস্থাতেই স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যু হয় আৰু লগে লগে মানাহৰ পৰা কৰতোয়ালৈকে অসমৰ এই অঞ্চল উদ্ধাৰ কৰা আশাও লুপ্ত হয়।

( ৩ )

## স্বতন্ত্ৰতা ৰক্ষাৰ মূলকথা

মধ্যযুগৰ আৰম্ভণিৰে পৰা অৰ্থাৎ খ্ৰীষ্টীয় দ্বাদশ শতাব্দীৰ পাছত যিকেইটা ৰাজবংশই মূৰ দাঙি উঠিছিল তাৰ ভিতৰত কোঁচ-ৰাজবংশই মহাৰাজ নৰনাৰায়ণৰ দিনত কিছু প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। তেওঁৰ পাছৰ পৰাই কিন্তু কোঁচ-ৰাজ্যতো ভাঙনে ধৰে। মাত্ৰ আহোমসকলেইহে অসমত শক্তিশালী হৈ উঠিল। এওঁলোকৰ ভিতৰতো স্বৰ্গদেউ প্ৰতাপ সিংহৰ পাছৰ পৰা মাজে মাজে প্ৰতিক্ৰিয়াশীল শক্তিয়ে কাম কৰিবলৈ ধৰিছিল, তথাপি ক্ষমতাশালী স্বৰ্গদেউসকলে এই প্ৰতিক্ৰিয়াশীল শক্তিক দমাই ৰাখিব পাৰিছিল আৰু এইদৰেই স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনলৈকে (খ্ৰীঃ ১৬৯৪-১৭১১) আহোম শক্তি অটুত আছিল। আহোম ৰজাসকলৰ ভিতৰত ৰুদ্ৰসিংহই শেষ শক্তিশালী আহোম ৰজা; এওঁৰ পাছৰ পৰাই নানা কাৰণত বিশেষকৈ আত্মকলহত আহোম ৰাজতন্ত্ৰ দুৰ্ব্বলহৈ পৰিবলৈ ধৰিলে। যি কি নহওক, আহোমৰ নিচিনা আঁতৰৰ পৰা অহা এটা ৰাজবংশই প্ৰায় ৬০০ বছৰ ধৰি প্ৰবল প্ৰতাপী মোগল পাঠান আদি শক্তিক সঘনে পৰাজিত কৰি সুপ্ৰতুলভাবে ৰাজত্ব কৰি বিভিন্ন মানৱ গোষ্ঠীৰ মাজত ৰাজনৈতিক আৰু সাংস্কৃতিক সংস্কৃতি সাধন কৰি এটি শক্তিশালী অসমীয়া জাতি গঠন কৰা কথাটো সঁচাই বুৰঞ্জীৰ পাতত অবিস্মৰণীয় হৈ ৰ'ব। এই ক্ষেত্ৰত আহোমসকলৰ প্ৰতিৰক্ষা নীতি আৰু শক্তিৰ বৰঙণিয়েই প্ৰধান ভাৱে উল্লেখ-যোগ্য। কিন্তু তাকে চাবলৈ যোৱাৰ আগতে আমি চাব লাগিব এই দেশলৈ আহোমসকল ঘজনীৰ মামুদৰ দৰে আক্ৰমণকাৰী হিচাবে আহিছিলনে নাই বাবৰৰ দৰে ৰাজ্য পাতিবলৈ আহিছিল? আহোমসকল এই দেশলৈ এখন ৰাজ্য পাতি কেৱল খাই বৈ থাকিবলৈকে অহা নাছিল; এই দেশলৈ আহি তেওঁলোক এই দেশৰ মানুহৰ লগত সম্পূৰ্ণ মিলি গল। স্থানীয় মানুহৰ লগত তেওঁলোকৰ ৰক্ত-সংমিশ্ৰন ঘটিল। ইয়াৰ ভাষা ৰীতি-নীতি-ধৰ্ম্ম তথা সংস্কৃতি গ্ৰহণ কৰিলে, এই দেশৰ উন্নতিয়েই তেওঁলোকৰো উন্নতি হল। এই দেশকেই তেওঁলোকে জন্মভূমি বুলি জননীৰ সমান একে বেদীত স্থান দিলে। এই দেশক ভাতখোৱা অতি মৰমৰ "সুনীয়া কাহী" বা সাঁচনীয়া বস্তু থোৱা "সোনৰ সঁফুৰা" বুলি অভিহিত কৰিলে। দেশৰ যি জনেই অপকাৰ চিন্তিব তেওঁকেই "সুনীয়া কাহীত বিহ ঢলা" অজ্ঞীনপাতকী বুলি

(৮) বুৰঞ্জীৰ বাণী - ডঃ সূৰ্য্যকুমাৰ ভূঞা (১৯৫৬ পৃঃ ১৪)

(৯) ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত তুংখুঙীয়া বুৰঞ্জী, ১৯৩২ চন (পৃঃ ৩৫)



কঠোৰ হাতেৰে শাস্তি বিধান কৰিছিল। তেওঁক যে ক্ষমা কৰা নহৈছিল, আনকি তেওঁৰ পুত্ৰ-পৌত্ৰকো পুৰুষে পুৰুষে দেশবাসীয়ে বিশ্বাস নকৰিছিল। বৰঘৰত ফেটী-গোম সুমুৱা বদনক সেই কাৰণেই কোনো অসমীয়াই ক্ষমা নকৰিলে; আনকি শেষ অৱস্থাত দেশৰ হকে ফাঁচী কাঠত ওলোমা তেওঁৰ পুত্ৰকো অসমীয়াই বিশ্বাস কৰা নাছিল। এই দেশৰ আত্মপ্ৰতিষ্ঠা আৰু স্বাৰ্থৰ কাৰ্য্যত অকণমান অৱহেলা কৰা লোকজন মোমাই হলেও তেওঁৰ ক্ষমা নহৈছিল—"দেশতকৈ মোমাই ডাঙৰ নহয়" বাবে তেওঁ উপযুক্ত শাস্তি গ্ৰহণ কৰিব লগা হৈছিল। প্ৰবল পৰাক্ৰমী শত্ৰুক সঘনে পৰাস্ত কৰি স্বতন্ত্ৰতা ৰক্ষা কৰাৰ মূলতে আছিল আমাৰ দেশবাসীৰ অতুলনীয় দেশপ্ৰেম। অকল দেশ-প্ৰেমেই নহয় সেই সময়ৰ প্ৰতিজন অসমীয়া আছিল বহুমুখী কৰ্ম্মদক্ষ, বীৰ, বুধিয়ক, চৰিত্ৰবান, আত্মত্যাগী, আত্মাভিমানী আৰু আত্মনিৰ্ভৰশীল। আমি আগতে কৈ আহিছোঁ যে মোমাই তামুলী বৰবৰুৱাই প্ৰতিজন অসমীয়াকে এনে দৰে কৰ্ম্মদক্ষ কৰি তুলিছিল। শ্ৰীযুত বেণুধৰ শৰ্ম্মা ডাঙৰীয়াই কৈছে যে ৰামসিংহই লাচিতৰ তলত ভাৰতবৰ্ষৰ কতো লগ নোপোৱা যি সকল নিপুণ সৈন্য দেখি স্তম্ভিত হৈছিল সেই সকল সৈন্যৰ মূলতে আছিল মোমাই তামুলী বৰবৰুৱা। নিপুণ অসমীয়া সেনাপতি আৰু সৈন্যবাহিনী দেখি ৰামসিংহই উচ্চভাৱে প্ৰশংসা কৰি কৈছিল বোলে বৰফুকন সামান্য লোক নহয় যন্ত্ৰাকৃতি গঢ় স্বৰূপ। কতো তেওঁ ছিদ্ৰ বিচাৰি নাপালে। প্ৰতিজন অসমীয়া সেনাই নাও বাব পাৰে, তোপ আৰু হিলৈ মাৰিব পাৰে, মাটি কাটিব পাৰে। অকল এয়েই নহয় সকৰ পৰা বৰলৈকে মতা-মাইকী নিৰ্ব্বিশেষে প্ৰতিজন অসমীয়া আছিল নিৰ্ভীক স্বাধীনতা প্ৰিয় আৰু কৰ্ত্তব্যপৰায়ণ। চাওফা খোৱাৰজাই কোঁচৰ লগত পৰাজিত হৈ কোঁচৰজাক এটি ৰজাৰ কোঁৱৰ, থাওমুংলুঙৰ পুত্ৰ, ছেংদাঙৰ পুত্ৰ আৰু খামছেঙৰ পুত্ৰক দিব লগা হ'ল। এই কথাত থাওমুংলুঙৰ পত্নী চাও চাও নাংবুয়ে তেজোদ্দীপ্ত ভাষাৰে প্ৰতিবাদ কৰিলে— "মই মোৰ পুত্ৰক কোঁচৰাজ্যলৈ পঠাবলৈ নিদিওঁ। ৰজাক কৈ দিয়া তেওঁ আৰু তেওঁৰ মন্ত্ৰীবিলাক কেনে মানুহ, তেওঁলোক যে শত্ৰুৰ বশবৰ্ত্তী হ'ল। তেওঁ যেতিয়া নিজৰ প্ৰজাবিলাকক শত্ৰুৰ পৰা ৰক্ষা কৰিবলৈ অপাৰগ তেনেহলে ৰজা হৈ কিয় শাসন কৰিব লাগে। তেওঁৰ স্বামী থাওমুংলুঙকো কলে, তোমালোকৰ টুপী, তৰোৱাল আৰু টঙালি মোক দিয়া। যদিও মই মাইকী মানুহ, কোঁচৰজাৰ লগত মই যুদ্ধ কৰিম আৰু তেওঁক জনাই দিম কেনেকৈ এগৰাকী মাইকীমানুহে মতাৰ লগত যুদ্ধ কৰিব পাৰে"। পত্নীৰ কথালৈ আওকাণ কৰি থাওমুংলুঙে ৰজাক কলে যে দেশৰ ভালৰ কাৰণে তেওঁ তেওঁৰ পুতেকক কোঁচলৈ দিব। এই কথাত থাওমুংলুঙৰ পত্নী গৰ্জ্জি উঠিল, "কোনে মোৰ লৰাক দিব পাৰে। যদি দিখৌ নদীৰ পানী ভেটা দি পৰ্ব্বতৰ ফালে উজুৱাই পঠাব পাৰে তেতিয়াহে মোৰ লৰাক কোঁচলৈ দিব পাৰিব" (১০)।

সাধাৰণ একো গৰাকী তিৰোতাৰ কৰ্ত্তব্য-বোধ অতুলনীয় আছিল। মিৰজুমলাৰ আক্ৰমণত স্বৰ্গদেউ জয়ধ্বজসিংহ পলাই যাওঁতে এগৰাকী পোহাৰীয়েও নিৰ্ভীক ভাৱে স্বৰ্গদেউক নিন্দা কৰি কৰ্ত্তব্যৰ বিষয়ে সোঁৱৰাই দিছিল, "বোলে স্বৰ্গদেউ তুমি ৰঙ্গ-আনন্দকেহে মন দিলা। এই পোষ্কৰ বৎসৰে যদি দিব লগা ঠাইত পোষ্কৰ চপৰা মাটি

(১০) ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাদেৱে অনুবাদ আৰু সম্পাদনা কৰা আহোম বুৰঞ্জী—১৯৩০, পৃষ্ঠা—৮৭ আৰু ৮৮, ছেদ—৭২

দিলাহতে তোমাৰ কিয় এনে অৱস্থা হব? আমাক ক'ত এৰি যোৱা" (১১)। ৰজাৰ পৰা প্ৰজালৈ প্ৰতিজন লোকেই স্বাধীনতা প্ৰেমী—দেশৰ দুৰ্দ্দশা নিজৰ দুৰ্দ্দশা বুলি বিবেচনা কৰিছিল প্ৰতিজন অসমীয়াই। স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মোগলক কৰ দিবলৈ পাই পাত্ৰমন্ত্ৰীৰ আগত আক্ষেপ কৰিছিল, 'বোলে বঙালৰ অধীন হৈ থকাতকৈ মৰাই ভাল'। "মঞি স্বৰ্গৰজাৰ নাতি বন্দী বঙালক কেনেকৈ কৰ দিম? বোলে, মঞি ৰজা হৈ চাইদিন থাকিলোঁ। তেওঁ বঙ্গালৰ অধীন হৈ থাকিব নোৱাৰোঁ" (১২)। প্ৰতিজন অসমীয়া বিষয়াই জানিছিল যে তেওঁৰ কৰ্ত্তব্যৰ ওপৰত বৰ্ত্তমানটোৱেই নহয় ভবিষ্যতটোও নিৰ্ভৰ কৰিছে। ৰামসিংহৰ বিপুল সৈন্য-বাহিনী হাজো অঞ্চলত বিয়পি পৰা দেখি লাচিত বৰফুকনে নিজৰ গধুৰ দায়িত্বৰ বিষয়ে সচেষ্ট হৈ চিঞৰি উঠিছিল—"মই ফুকনৰ দিনত এনে দশা হল। মোৰ ৰজা ৰক্ষা হব কেনেকৈ? ৰাজ্য ৰক্ষা হব কেনেকৈ? পাচলৈ বা ৰক্ষা হব কেনেকৈ?" মুঠৰ ওপৰত স্বদেশপ্ৰেম, কৰ্ত্তব্য নিষ্ঠা, আত্মসন্মান, দৃঢ়তা, বহুমুখী কৰ্ম্মদক্ষতা, আৰু সবাৰো শেহত প্ৰধানকৈ স্বাধীনতা স্পৃহা এই যুগৰ প্ৰতিজন অসমীয়া সৈন্য আৰু সৰুৰ পৰা ৰৰলৈকে প্ৰতিজন অসমীয়া বিষয়াৰ বিভূষিত গুণাৱলী আছিল, যাৰ ফলত প্ৰৱল পৰাক্ৰমী শত্ৰু-সৈন্যক বাৰে বাৰে পৰাজিত কৰি অসমৰ গৌৰৱ-ৰবি উজ্জ্বল কৰি ৰাখিছিল। দেখাত অসমীয়া জাতি নিশ্চেষ্ট দেখিলেও সমৰ ক্ষেত্ৰত একালত এই দেশৰ সৈন্যই শত্ৰুসৈন্যৰ আগত মৃত্যুৰ তাণ্ডৱ লীলাৰে আতঙ্কিত কৰি তুলিছিল। শ্ৰদ্ধেয় ডক্টৰ ভূঞা ডাঙৰীয়াৰ কথাত—"স্বাধীনতা স্পৃহা অসমীয়া জাতিৰ হাবে হিমজুৱে লগা। অসমীয়াক বাহিৰৰ পৰা দেখিলে নিশ্চেষ্ট স্পন্দনবিহীন যেন লাগে সচাঁ, কিন্তু সেই নিৰ্ব্বিকাৰ সুশীতল মুখচ্ছবিৰ তলত লুকাই আছে এঋনি বিক্ৰমী হিয়া, দেশৰ মৰ্য্যদা ৰক্ষাৰ কাৰণে দুৰন্ত অভিলাষ। × × × যেতিয়াই হাতৰ মুঠিৰ পৰা স্বাধীনতা সৰকো সৰকো হৈছে, তেতিয়াই অসমীয়াই নিৰ্ভয় চিত্তে বীৰৰ দৰে থিয় হৈ কৈছে—"এই সোণৰ সঁফুৰা অসমভূমিক আমি পৰমুখাপেখী হবলৈ দিমনে? আমাৰ দেশত নিৰীহ প্ৰজাৰ ওপৰত উৎপীড়ন হবলৈ নিদিওঁ" (হাদিৰাচকীৰ পৰা গণপৰিষদলৈ)। শত্ৰু হিচাবে যেতিয়াই বিদেশী এই দেশ সোমাইছেহি তেতিয়াই তেওঁলোকৰ অন্তৰত অঙ্কিত হৈ উঠিছে অসমীয়া জাতিৰ এটি বিভীষিকাময় চিত্ৰ—যি চিত্ৰই হয়তো তেওঁলোকৰ পুত্ৰ-পৌত্ৰসকলকো আতঙ্কিত কৰি তুলিছিল। মিৰজুমলাৰ লগত অহা মুল্লা দৰবেশ কৰিয়ে অসমীয়া সৈন্যৰ যি বৰ্ণনা দিছে প্ৰফেচাৰ যদুনাথ চৰকাৰৰ ইংৰাজী অনুবাদৰ পৰা অসমীয়া অনুবাদ এটি শ্ৰদ্ধেয় ডক্টৰ ভূঞা ডাঙৰীয়াই তেখেতৰ "মিৰজুমলাৰ অসম আক্ৰমণ" নামৰ কিতাপত দিছে। এই বৰ্ণনাটিত অসমীয়া সৈন্যৰ প্ৰলয়ঙ্কৰী ৰূপ এটি ফুটি উঠিছে :—

"অসমৰ ৰজাই যুদ্ধক্ষেত্ৰত এনে এক সৈন্য বাহিনী নমালে যে সিহঁত অসংখ্য হোৱাৰ নিমিত্তে পৃথিবীত চৰাইৰ সঙ্খ্যাৰ দৰে হল। বিপ্লৱ অনাত সিহঁত পটু, আৰু ৰমণীৰ চকুৰ দৰে কাঁড় আৰু বজ্ৰ নিক্ষেপৰ সহায়েৰে আক্ৰমণত অদ্বিতীয়, তথাচ সন্মুখ সমৰত অচল-অটল। সিহঁতৰ শৰীৰ জীৱনৰ অগ্নি শিখাৰে পৰিপূৰ্ণ। তথাপি ভৈয়াম আৰু পৰ্ব্বতত জীৱন সংহাৰ কৰা কাৰ্য্যত সিহঁতক কোনেও চেৰ পেলাব নোৱাৰে। জলদৈত্য ইফ্ৰিটৰ দৰে

(১১) ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত সাতসৰী অসম বুৰঞ্জী—১৯৬০, পৃষ্ঠা—৯০, ছেদ ১৮৭।

(১২) ঐ পৃষ্ঠা—১৬৮, ছেদ—৩০০।



সিহঁতৰ প্ৰত্যেক সৈন্যই দেখিলেই গাৰ লোম শিয়ৰি উঠা। সিহঁতে যুদ্ধ কৰিবলৈ ধৰিলে শিৰৰ পৰা শৰীৰ আৰু শৰীৰৰ পৰা শিৰ বিচ্ছিন্ন নোহোৱালৈকে সংগ্ৰাম ক্ষেত্ৰ নেৰিছিল। সিহঁত পাতালপুৰীৰ পৰা নিৰ্গত ঠিক যেন অহ্ৰিমান দৈত্য, নাইবা বন্দীয়াৰৰ জিঞ্জিৰিৰ পৰা পলাই উন্মুক্ত হোৱা কোনো জন্তু। সিহঁতৰ শৰীৰ ইমান আঁটিল যে সিহঁত ধূলিত পৰিণত হলেও সিহঁতৰ শিৰবোৰ শিথিল নহয়। অন্ধৰ চকু-মণিৰ নিচিনা সিহঁতৰ সকলোটি জ্যোতিশূন্য, জ্ঞানবিহীন। গুণ আৰু পৰিণামত সিহঁতৰ সকলো বিষবৃক্ষৰ দৰে। মানুহৰ লগত সিহঁতৰ এয়ে সাদৃশ যে সিহঁতে দুই ভৰিৰ ওপৰত থিয় হৈ বাটে-বজাৰে ঘূৰি ফুৰে। সিহঁতে ইমান ফন্দি কৰিব পাৰে যে পানীৰ বুৰবুৰণিৰ দৰে গোটেই শৰীৰত বতাহ অৱৰুদ্ধ কৰি থয়। সিহঁতৰ ৰাজ্য পূবৰ এমূৰৰ পৰা পশ্চিমৰ সিমূৰলৈকে বিস্তৃত। এই ৰাজ্যৰ নদীবোৰ নৈৰ ঢৌতকৈও অসংখ্য। ইয়াৰ অগণন কোঁঠ আৰু গড়ৰ গণনা কৰোতে গণনা-শাস্ত্ৰ ভিখ মগনীয়া হল। বীৰৰ বুকুৰ দৰে এই ৰাজ্যৰ কোঁঠবোৰ কালশিলীয়া প্ৰস্তৰত স্থাপিত। সেইবোৰৰ উচ্চতা দৰ্শন কৰি উচ্চতা নিজেই যেন অৱশ অচেটন হৈ পৰিছে।" (১৩)

মুল্লাদৰবেশৰ এই বৰ্ণনা সাধাৰণ অৱস্থাত অসমীয়াৰ গাত অলীক যেন লাগিলেও যুদ্ধক্ষেত্ৰত কিন্তু সত্য। ফাৰ্চী ভাষাত লিখা আলমগিৰ-নামাতো অসমীয়া সৈনিকৰ ঠিক তেনে এটি বিৱৰণেই দিছে।

"মুখৰ আকৃতি দেখিলেই মানুহবোৰৰ সাহবলৰ কথা বঢ়িয়াকৈ বুজিব পাৰি। কিন্তু, তাৰ লগে লগে চেহেৰাত নুফুটিলেও ভীষণ প্ৰকৃতি আৰু পাশৱিক স্বভাৱো দেখিবলৈ পোৱা যায়। কঠোৰ কাম কৰাত আৰু গাইগুটীয়া বলত ইহঁতক বহুত জাতিয়ে বলে নোৱাৰিব। ইহঁত দুঃসাহসী, নিৰ্ভীক, × × যুদ্ধপিপাসু, প্ৰতিশোধ লবলৈ সাজু। × × × অতি ক্ষমতাপন্ন পাৎশ্যাৰ ওচৰতো এই ৰজাই কেতিয়াও সেও হৈ মূৰ দোওৱা নাই, নতুবা, কোনো কৰ-কাটল বা চৈ পচাও সোধোৱা নাই। বৰঞ্চ, হিন্দুস্থান অধিপতিৰ জগৎজিনা সেনাৰ আক্ৰমণ ব্যৰ্থ কৰি জয়াশাৰ ওপৰত ৰামটাঙোনহে মাৰিছে। ইহঁতৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে যিবোৰ বাধা বিঘিনিয়ে জুমুৰি দি ধৰেহি, তাক অতিক্ৰম কৰিবলৈ গৈ জগৎবিজয়ী বীৰ সকলো বিমোৰ হৈছে। × × × য'ৰ মানুহবোৰ দেখিলেই ভয় লাগে, মৰসাহসী, নিৰ্ভীক, বিশ্বাস-ঘাতকী আৰু সুসজ্জিত- য'ৰ অগণন বনুৱাবোৰে ৰণ কৰিবলৈ উৎকণ্ঠিত হৈ থাকে—য'ৰ মানুহে আঁৰৰ পৰা শত্ৰুক আক্ৰমণ কৰিব পাৰে, যিদেশৰ মানুহৰ আকাশ লজ্বা, সুৰক্ষিত, খোৱা সমলেৰে পৰিপূৰ্ণ কোঠ আছে- য'ত সাঁচি থোৱা খোৱা বস্তুবোৰ নি নি অন্ত কৰিবলৈ হলে বহুদিন লাগে × × × সেইখনি দেশযে আল্লাৰ কৃপাত আৰু অশেষ গুণসম্পন্ন পাৎশ্যাৰ প্ৰৱল প্ৰতাপত মুছলমান সৈন্যৰ হাতলৈ আহিব আৰু তাত যে মুছলমান ধৰ্ম্মৰ বিজয় ধ্বজা পোতা হব ভাবিলে সচাঁকৈয়ে স্তম্ভিত হব লাগে" (১৪)। প্ৰৱল প্ৰতাপান্বিত অশেষ গুণসম্পন্ন পাৎশ্যাৰ তললৈ এই দেশ আৰু যোৱা নহল—তেওঁলোকৰ সপোন সপোন হৈয়ে থাকিল আৰু মুছলমান ধৰ্ম্মৰ বিজয় ধ্বজায়ো মানাহৰ সিপাৰৰ পৰাই এই দেশৰ বিজয় ধ্বজাক এই দেশৰ মৰসাহসী, ভয়লগা, নিভীক, বিশ্বাসঘাতকী, আৰু সুসজ্জিত এই ৰণুৱা দলৰ কাৰণেই অভিবাদন জনায় সদায় আঁতৰি যাব লগা হৈছিল।

(১৩) মীৰজুমলাৰ অসম আক্ৰমণ—সূৰ্য্যকুমাৰ ভূঞা—১৯৫৬ (পৃষ্ঠা ৬৮ আৰু ৬৯)।

(১৪) দুৰবীন শ্ৰীবেণুধৰ শৰ্ম্মা ১৯৫১ (পৃষ্ঠা ৭৬ আৰু ৭)

## আভ্যন্তৰীণ আৰু বৈদেশিক নীতি

অতি প্ৰাচীনকালৰ পৰা ৰাজনৈতিক ভাবে অসম ভাৰতৰ পৰা বিচ্ছিন্ন আছিল যদিও সাংস্কৃতিক ক্ষেত্ৰত মহাকাব্যৰ যুগৰ পৰা আমি এটি যোগসূত্ৰ দেখিবলৈ পাই আহিছোঁ। অসমখন প্ৰধানতঃ অনাৰ্য্য প্ৰধান দেশ ; ইয়াত বিভিন্ন মানৱ আৰু ভাষা গোষ্ঠীৰ যিমান সাংস্কৃতিক সমন্বয় সাধন হৈছে ভাৰতবৰ্ষৰ আন কোনো দেশতে তেনে হব পৰা নাই। আৰ্য্য-অনাৰ্য্যৰ এই সমন্বয়ত অসম ভূমিত ভাৰতীয় সংস্কৃতিয়ে বিশালতা আৰু পৰিপুষ্টিহে লাভ কৰিছে। সি যি নহওক, সৰ্ব্বভাৰতীয় সংস্কৃতিৰ লগত অসমীয়া সংস্কৃতিৰ এটি বৈপ্লৱিক মিলন হল মধ্যযুগতহে। প্ৰাচীন কামৰূপী যুগত অনাৰ্য্য জাতি-সকলৰ মাজত আৰ্য্যসকলৰ সৈতে এটি সাংস্কৃতিক আৰু জাতীয় ঐক্য ঘনিষ্ঠ ভাৱে গঢ়ি উঠা নাছিল। মধ্যযুগত এফালেদি বৈষ্ণৱ আন্দোলনৰ ফলত আৰু আনফালেদি কোঁচ, চুটিয়া, আহোম, কছাৰী আদি ৰাজতন্ত্ৰই হিন্দু-সংস্কৃতি গ্ৰহণ কৰা আৰু ইয়াৰ পৃষ্ঠ-পোষকতা কৰাৰ ফলত অসমত ভাৰতীয় সংস্কৃতিয়ে এটি বিশেষ ৰূপ পৰিগ্ৰহ কৰি উঠিল। অথচ এই যুগতো ৰাজনৈতিক ভাৱে অসম স্বতন্ত্ৰ আছিল।

আমাৰ আলোচ্য প্ৰতিৰক্ষাৰ নীতি সম্পৰ্কে, আহোমসকলে এই দেশলৈ আহোঁতে তেওঁলোকৰ স্বকীয় কিবা প্ৰতিৰক্ষা নীতি লগতলৈ আহিছিল যদিও ইয়াত এটি উদাৰ নীতি তেওঁলোকে অৱলম্বন কৰিলে। অসমৰ মধ্যযুগৰ প্ৰতিৰক্ষা নীতি বুলিলে অৱশ্যে আহোমসকলৰ নীতিকেই কেৱল যে ধৰিব লাগিব এনে নহয় ; এওঁলোকৰ বাহিৰেও চুটিয়া, কোঁচ, কছাৰী আদি জাতিৰ প্ৰতিৰক্ষা নীতি আছিল। বিশেষকৈ মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ সুদক্ষ সেনাপতি চিলাৰায়ৰ যুদ্ধ-নীতি প্ৰখ্যাত আছিল। এওঁলোকে পশ্চিম গৌড় আৰু পূবে আহোম ৰাজ্যক চিন্তাশীল কৰি তুলিছিল। তথাপি শেহলৈ এই ৰাজশক্তি বিলাকৰ ক্ষমতা টুটি আহিল আৰু পূৰ্ব্বে পাটকাইৰ পৰা পশ্চিমে মানাহালৈকে এই ভূ-খণ্ডৰ অধিকৰ্ত্তা হল আহোমসকল। তদুপৰি কোঁচৰজাসকলৰ ৰাজবংশাৱলীৰ পৰাহে মাত্ৰ তেওঁলোকৰ ৰাজনীতি সম্পৰ্কে কিছু কথা জানিব পাৰি। আহোমৰ আমোলত ৰচিত হোৱা অলেখ বুৰঞ্জীৰ পৰা আহোমসকলৰ এই দেশৰ প্ৰতিৰক্ষা নীতিৰ এটি সুস্পষ্ট চিত্ৰ দাঙি ধৰিব পৰা যায়। এই বুৰঞ্জীবিলাকৰ অন্তৰ্গত সমসাময়িক কোঁচ, কছাৰী, চুটিয়া আদিৰ বুৰঞ্জীও যথাযথভাবে অন্তৰ্নিহিত হৈ আছে। আহোমসকলে এই দেশৰ ৰাজশক্তিবিলাকৰ পৰা যুদ্ধৰ সম্বল, নীতি আদি আহৰণ কৰাৰ উপৰিও সংস্কৃত নীতি-শাস্ত্ৰৰ পৰাও বহুতো নীতি নিয়ম গ্ৰহণ কৰিছিল। যুদ্ধ যাত্ৰা কৰা, কোঁঠ তৈয়াৰ কৰা, গড় মৰা, সন্ধি কৰা আদি কাৰ্য্যত হিন্দু নীতি-শাস্ত্ৰৰ প্ৰভাৱ আহোমৰ ওপৰত পূৰা মাত্ৰাই পৰিছিল। প্ৰায় অষ্টাদশ শতিকাৰ শেহ ভাগত বা উনৈশ শতিকাৰ আগ ভাগত ৰচিত হোৱা নীতি-লতাঙ্কুৰ নামে এখনি পুথি শৰৎচন্দ্ৰ গোস্বামীদেৱে সম্পাদনা কৰি প্ৰকাশ কৰিছিল। তদুপৰি আহোম ৰজাৰ অভিষেক কাৰ্য্য, ৰজা হোৱাৰ সময়ত পাত্ৰ মন্ত্ৰী সকলে দিয়া বুজনি আৰু আন আন দেশলৈ পঠোৱা কূটনৈতিক পত্ৰৰ পৰা জনা যায় যে হিন্দু নীতি-শাস্ত্ৰৰ প্ৰভাৱ আহোমৰ ৰাজনীতিত ব্যাপক ভাবে পৰিছিল। আহোমৰ ৰাজসভাত আহোম পণ্ডিতৰ উপৰিও সভাপণ্ডিত বুলি ব্ৰাহ্মণ শাস্ত্ৰজ্ঞ পণ্ডিত আছিল। যেতিয়াই কিবা এটা নতুন ভাল বস্তু তেওঁলোকে এই দেশত দেখা পাইছিল তেতিয়াই তাক গ্ৰহণ কৰিছিল।



ভূঞা, চুটিয়া আদিৰ পৰা এওঁলোকে বান্ধ, টঙালি, বচোৱাল, ধেনু আদি গ্ৰহণ কৰা কথা বুৰঞ্জীত আছে। গতিকে আমি ভাবোঁ আহোমৰ প্ৰতিৰক্ষা নীতি আলোচনা কৰিলেই আমি মধ্যযুগৰ অসমৰ এটি প্ৰতিৰক্ষা নীতিৰ চিত্ৰ পাম।

প্ৰতিৰক্ষা নীতি বুলি কোৱা হৈছে যদিও, দৰাচলতে আহোমসকলৰ ৰাজনীতি সম্পৰ্কত কোনো সংবিধান (constitution) নাছিল। যি আছিল মাত্ৰ বুৰঞ্জীবিলাকেইহে। বুৰঞ্জী আৰু পেড়াকাকতবিলাকৰ পৰা দেশৰ সকলো ঘটনা, কথা, বিচাৰ, দণ্ড, আৰু বিধান আদিৰ বিষয়ে জানিব পৰা যায়।

আগতে আলোচনা কৰা হৈছে যে চুহুংমুঙলৈকে আহোম ৰজাসকলে নিজৰ শক্তি প্ৰতিষ্ঠা কৰাত বেচিকৈ মনোযোগ দিবলগা হৈছিল। প্ৰথমে চুহুংমুঙেই পাটকাইৰ পৰা গুৱাহাটীলৈকে এই অঞ্চলত ভালৰূপে শক্তি প্ৰতিষ্ঠা কৰিলে ; কাৰণ এওঁৱেই সমভূমি অঞ্চলৰ সকলো ৰাজ্য জয় কৰি নিজ ৰাজ্যৰ অন্তৰ্ভূক্ত কৰিলে। বুৰঞ্জী পৰ্য্যালো-চনা কৰিলে জনা যায় যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়ো দাঁতিয়ে থকা অসমৰ অন্তৰ্বৰ্তী পৰ্ব্বতীয়া জাতিবিলাকৰ লগত আহোম ৰজাসকলে এটি বিশেষ নীতি অৱলম্বন কৰিছিল। মুঠৰ ওপৰত আহোম ৰজাসকলে প্ৰতিৰক্ষা সম্পৰ্কত অন্তৰ্বৰ্তী পৰ্ব্বতীয়া ৰাজ্য আৰু বহিৰ্বৰ্ত্তী শত্ৰু ৰাজ্যৰ লগত দুটা বিশেষ নীতি অৱলম্বন কৰি ৰাজকাৰ্য্য প্ৰৱৰ্ত্তাইছিল। আহোম-সকলে নিজ ৰাজ্যৰ সীমা সম্পৰ্কত মানাহা বা তাতোকৈ অধিক বেছি যোগিনী তন্ত্ৰৰ মতে কামৰূপৰ পশ্চিম সীমা কৰতোয়াকে শেষ কৰি ধৰিছিল। তাতোকৈ তেওঁলোকে বেছি বিচৰা নাছিল। কৰতোয়াক আহোমৰ শেহৰ শক্তিশালী স্বৰ্গদেও ৰুদ্ৰসিংহইহে নিজ ৰাজ্যৰ অন্তৰ্ভূক্ত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। অৱশ্যে তেওঁৰ এই আশা পূৰণ নহল। মানাহাক অতিক্ৰম কৰি কিন্তু পূবফালে আগবাঢ়িবলৈ শত্ৰুক দিয়া নহল। অন্তৰ্বৰ্ত্তী পৰ্ব্বতীয়া ৰাজ্যবিলাকৰ ক্ষেত্ৰত আহোম-সকলে এটি তোষণনীতি অৱলম্বন কৰিছিল। ব্ৰহ্মপুত্ৰৰ কি উত্তৰ পাৰে বা কি দক্ষিণ-পূব পাৰে পৰ্ব্বতীয়া জাতিবিলাকক সদায় তোষণ নীতিৰেহে বশ কৰিবলৈ চেষ্টা কৰি আহিছিল। অগত্যা নোৱাৰিলেহে এওঁলোকৰ বিপক্ষে যুদ্ধ ঘোষণা কৰা হৈছিল, কাৰণ পৰ্ব্বতীয়া ঠাইত বাট-পথ বৰ দুৰ্গম আৰু চিন ধৰাও টান। খোৱাৰ সমল আৰু যুদ্ধৰ আহিলা পাতি যোগোৱা এটি কঠিন কাম ; যুদ্ধত নামি জয়লাভ কৰিবলৈ তেওঁলোকৰ দোৱান জনাটোও প্ৰয়োজনীয় কথা। ডফলা, নগা আদি জাতিৰ লগত সৌ সিদিনা বৃটিছবিলাকেও যথেষ্ট শিক্ষা লাভ কৰিলে। স্বৰ্গদেউ উদয়াদিত্য সিংহৰ দিনত ডফলাবিলাকে "ৰাতি চুৰ কৰি মানুহ তিনিটা কাটি লৰা-তিৰোতা সহিতে ৪০ জন মানুহ ধৰি নিলে। এই কথা ৮দেৱে শুনি বাহগৰীয়া বুঢ়াগোহাই প্ৰমুখ্যে ৩ জনা ডাঙৰীয়া, ফুকন, বৰুৱা সকলোৱে সমালোচনা কৰি বোলে। —"বৰবৰুৱাক ডফলা ধৰিবলৈ পঠাব খোজো ; গোহাই বোৰে কি বোলে ?" বুঢ়াগোহায়ে বোলে—"এন্দুৰৰ গাতত যদি হস্তী সোমাব পাৰে তেহে তাক ধৰিব পাৰে" (১৫)।

আতন বুঢ়াগোহাঁইৰ নিচিনা বিচক্ষণ ৰাজনীতিৰ এই কথাই প্ৰমাণ কৰে যে পৰ্ব্বতীয়া ডফলাৰ লগত যুদ্ধ কৰা কিমান সঙ্কটজনক কথা—হাতীহে এন্দুৰৰ গাতত সোমাব পাৰিলেহে বোলে ডফলা-

---

(১৫) অসম বুৰঞ্জী ( সুঃ মঃ )—ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত—১৯৪৫ (পৃষ্ঠা-১২৪)

যুদ্ধত জয়লাভ কৰিব পাৰিব। এই কাৰণেই আহোমসকলে অন্তৰ্বৰ্ত্তী পৰ্ব্বতীয়া জাতিবিলাকৰ প্ৰতি এটি তোষণ নীতি সদায় অৱলম্বন কৰি আহিছিল। বিভিন্ন পৰ্ব্বতীয়া জাতিবিলাকক বৰাবৰ কাৰণে পৰ্ব্বতীয়া আৰু ভৈয়ামৰ কিছুমান মানুহ ৰাখিছিল; এই মানুহবিলাকক যথেষ্ট সা-সুবিধা দি ৰখা হৈছিল আৰু তেওঁলোকে কাৰ্য্য-সম্পাদন কৰি দিব পাৰিলে পুৰস্কাৰ আৰু নোৱাৰিলে দণ্ডবিধান আদিও কৰা হৈছিল। এইবিলাক মানুহৰ লগত পৰ্ব্বতীয়া জাতিবোৰৰ আভ্যন্তৰীণ থকা ঠাইবোৰো ভালেকৈ জানিবৰ কাৰণে মানুহ আছিল যাতে যুদ্ধ হলে পৰ্ব্বতীয়া মানুহবোৰ লুকাই থকা ঠাইবোৰ ইহঁতে দেখুৱাই দিব পাৰে। আহোম ৰজাৰ দিনত পৰ্ব্বতীয়া জাতিবিলাকক সাধাৰণতে দুভাগে ভাগ কৰা হৈছিল- "বৰী" আৰু "আবৰী"।" যি সকলে আহোম ৰজাৰ বশ মানিছিল তেওঁলোক "বৰী" আৰু নমনাবিলাক "আবৰী"। আহোম ৰজাসকলে বহিৰ্শত্ৰুক সদায় পৰাজয় কৰিব পৰাৰ আন এটি মূল কাৰণ হৈছে অন্তৰ্বৰ্ত্তী আৰু সীমান্তবৰ্ত্তী এই পৰ্ব্বতীয়া জাতি-বিলাকৰ সহযোগ লাভ। বহিৰ্শত্ৰুক পৰাজিত কৰাত আভ্যন্তৰীণ সংহতি আৰু শক্তিসামৰ্থ্য প্ৰধান কথা। এই শক্তি-সামৰ্থ্য আৰু সংহতি অব্যাহত ৰাখিবৰ কাৰণেই আৰু যাতে পৰ্ব্বতৰ দাঁতি কাষৰে থকা আমাৰ মানুহবোৰক অপকাৰ নকৰে, বিদেশী শত্ৰুৱে আক্ৰমণ কৰিলে লাগ বুলিলেই সৈন্য আৰু সমল দি আমাক সহায় কৰে তাৰ কাৰণে এই জাতি-বিলাকক সন্তুষ্ট ৰাখিবলৈ সীমান্তবৰ্ত্তী পৰ্ব্বতৰ দাঁতি-কাষৰীয়া ঠায়ো স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনৰ পৰা কিছুমান বহতীয়া গাওঁ আৰু পোহনীয়া খেল ৰখাৰ ব্যৱস্থা চলি আহিছিল। মোমাই তামুলী বৰবৰুৱাই পৰ্ব্বতীয়া জাতিবিলাকৰ কোনে কোনবাটেদি নামিব, কোন চাঙে কোন কোন খেলৰ পৰা 'পোহনি' খাব আৰু কোন বহতীয়াই কোন চাঙক কি কি যোগান দিব ইত্যাদিৰ সুব্যৱস্থা কৰি দিছিল। শ্ৰদ্ধেয় শ্ৰীবেণুধৰ শৰ্ম্মাদেৱে তেখেতৰ "দুৰবীন" নামৰ কিতাপত আহোম বুৰঞ্জী-বিলাকৰ পৰা উদ্ধাৰ কৰি এই ব্যৱস্থাৰ এটি সুন্দৰ বৰ্ণনা দিছে :—

"বৰবৰুৱা দুৱাৰ—তদন্তৰ, খাংঘৰীয়া দুৱাৰৰ নামডোখৰ অৰ্থাৎ চিচি নদীৰ পশ্চিম পাৰৰ পৰা গাই নদীলৈ দবাৰ, আবৰ, মেবা, টাইফৈদীয়া হগি(?) এই চাৰিখন চাং নামিব পায়। ইহঁতে সৰু কলাবৰীয়া, বিহীয়া কছাৰী গঞা, বৰকলাবৰীয়া, দিমৌশেলীয়া (খেলীয়া), দিজুমূৰীয়া এই খেলৰ পোহনি খায়। সেই গাই নদীৰ পৰা সোৱন(?) শিৰীলৈকে বৰবৰুৱা দুৱাৰ নাম দিলে। এই দুৱাৰ বগিটাই, মিকিমিৰি ইত্যাদি চাংমিকিৰৰ নামে।***

পানীবটীয়া মিৰি :—পানীয়ে অহা চাং মিৰি-বিলাকক পানীবটীয়া বোলে। বামে অহা-বোৰক বামবটীয়া বোলে। সেই চাংমিৰি-ডফলা আ[দি] থাকিবলৈ বহতীয়া, মাছ খাবলৈ বিলবহতীয়া মছোৱাই, লগত ফুৰিবলৈ চৌতাং, পৰ্ব্বতলৈ যাবলৈ কটকী, পাৰাপাৰ কৰিবলৈ আৰু নাৰেদি আনা-নিয়া কৰিবলৈ ঘাটে-পতি চৰীয়া, গৰুমূৰীয়া টেকেলা এইবোৰ দিও বেপাৰ কৰিবলৈ ঔৰাহাট, ফুকনৰ হাট ইত্যাদি দুই তিনিখন হাটপাতি দিলে।

১৫৫৬ শকত ৰাজআজ্ঞা মতে কছাৰী এই দেশৰ মাজত সীমাকৰি মৰঙীত ভাৰধৰা চেতিয়া খেলৰ মৰঙ্গী-খোৱা পাতিলে। নগা-গড় :— দক্ষিণে পৰ্ব্বতত নগা-গড় বন্ধাই নগাৰ দুৱাৰ পৃথক পৃথককৈ পোহনি মাটি, কটকী, চৌতাং দিলে" (১৬)।

(১৬) দুৰবীন শ্ৰীবেণুধৰ শৰ্ম্মা—১৯৫১ পৃষ্ঠা-৬ আৰু ৭



ইত্যাদি। এই দৰেই আহোম ৰজাসকলে অসম দেশৰ অন্তৰ্গত দাঁতিয়লীয়া সীমান্তত থকা পৰ্ব্বতীয়া ৰজাবিলাকৰ গতি বিধি সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰি অথচ তেওঁলোকক সন্তুষ্ট ৰাখি অতি কঠোৰ নীতি অৱলম্বন কৰিছিল। দাঁতিয়লীয়া পৰ্ব্বতীয়া ৰজা-বিলাকৰ লগত অসমৰ নীতি সেই সময়ত মুঠৰ ওপৰত কবলৈ গলে পানী নসৰকা বিধৰ আছিল। এই ৰজাবিলাকে নিজৰ এলেকাৰ সীমা অতিক্ৰম কৰিব নোৱাৰিছিল; আমাৰ দেশৰ মানুহৰ চকুত ধূলি দি কোনো দিনেই আমাৰ লগত যোগাযোগ কৰিব নোৱাৰিছিল বা অসম দেশৰ বিপক্ষে কোনো প্ৰকাৰে শত্ৰুতা আচৰণ কৰিব নোৱাৰিছিল। সেই যুগত এই দাঁতিয়লীয়া ৰজাবিলাকৰ লগত এটি সুন্দৰ সম্বন্ধ গঢ়ি উঠিছিল; যেতিয়াই আমাৰ ৰাজ্য বৈদেশিক শত্ৰুৱে আক্ৰমণ কৰিছিল তেতিয়াই এই ৰজাবিলাকে আহোম ৰজাক সকলো প্ৰকাৰে সহায় কৰিছিল। শৰাই ঘাটৰ যুদ্ধত আহোম ৰজাক নগাওঁ আৰু কামৰূপৰ অন্তৰ্গত সৰু সৰু ৰজাবিলাকে বিশেষ ভাৱে সহায় কৰিছিল। তাৰ ভিতৰত ৰাণী-ৰজাৰ সহায় বুৰঞ্জীৰ পাতত জিলিকি আছে। এইসকলৰ উপৰিও কোঁচ, কছাৰী, জয়ন্তীয়া, মণিপুৰ আৰু ত্ৰিপুৰা আদিৰ ৰজাৰ লগত আহোম ৰজাৰ ধাৰাবাহিক আৰু অবিচ্ছেদ্যভাৱে মিত্ৰতা আছিল। এইবিলাক ৰজাৰ লগত আহোম ৰজাৰ সৈতে যিবিলাক পত্ৰৰ বিনিময় হৈছিল সেইবিলাকত কুটনৈতিক চাল চক্ৰান্তকৈ আন্তৰিক হৃদ্যতা বেচি দেখিবলৈ পোৱা যায়।

বহিৰ্শত্ৰুৰ প্ৰতি আহোম ৰজাসকলে কোনো দিনেও শিথিল নীতি অৱলম্বন কৰা নাছিল— তেওঁলোক যুদ্ধৰ কাৰণে কেতিয়াবা সাজু নাথাকিলে চলাহী দি তোষামোদ কৰি দুদিনমান থাকিলেও যুদ্ধৰ যোগাৰ হৈ উঠা মাত্ৰেই শত্ৰুৰ বিপক্ষে নিৰ্ভীকভাৱে আগবাঢ়ি গৈছিল। বিদেশীৰ প্ৰতি অসমীয়াৰ মনোভাৱ সম্পৰ্কে শ্ৰদ্ধেয় শ্ৰীযুত বেণুধৰ শৰ্ম্মাই লিখিছে—"বিদেশীলৈ অশ্ৰদ্ধা অসমীয়াৰ বাপতি সাহোন।" বুৰঞ্জী পৰ্য্যালোচনা কৰি আহোম ৰজাসকলৰ বৈদেশিক নীতি সম্পৰ্কে শ্ৰদ্ধেয় শ্ৰীশৰ্ম্মাই তিনটি প্ৰধান নীতি দেখিবলৈ পাইছে— (১) পোনপ্ৰথম অৱস্থাত অসমৰ ৰজা-প্ৰজাই বিদেশীৰ নামত জুইতো খেৰ এদাল নিদিছিল, (২) বিদেশীৰ ঘন-সঞ্চাল হলত, পৰাক্ৰমী বিদেশীৰ আগত সকলো ভৌতিক সম্পত্তি অৰ্পণ কৰিও অসমীয়াই সিহঁতৰ হাতত বিবেকৰ স্বাধীনতা বিক্ৰি নকৰিছিল। (৩) যুগ-অনুসৰি পৰিবৰ্ত্তন হোৱা ঘটনাৰ সোঁতত পৰিও স্বাধীন দেশৰ স্বাধীন ৰজাই পৰদেশী মানুহৰ আগত নিজৰ গৌৰৱ পৰাক্ৰম আৰু সম্ভ্ৰম উপলব্ধি কৰাব পাৰিছিল।

অসম বুৰঞ্জীখন পুঙ্খানুপুঙ্খৰূপে যিমানেই আমি চন্দিয়াই ফঁহিয়াই চাওঁ, সিমানেই আমি দেখিবলৈ পাওঁ যে বুৰঞ্জী নাম সৃষ্টি হোৱাৰ পৰা, কি ৰজা, কি প্ৰজা সকলোৱে বিদেশী মানুহক তেল পানী স্বৰূপে অসমৰ মাটিত খিলঞ্জীয়াকৈ বহিবলৈ নিদিছিল। এই নীতিৰ আমূল পৰিবৰ্ত্তন হল দুৰ্ব্বলচিতীয়া অবিবেকী ৰজা গৌৰীনাথ সিংহৰ দিনত—গৌৰীনাথ সিংহ আৰু বৃটিছ প্ৰতিনিধি কেপ্তেন ৱেলচ্ চাহাবৰ মাজত হোৱা সন্ধিৰ দিনৰ পৰা। তাৰ আগেয়ে অসমৰ গৌৰৱ অটুত আছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত মোগলৰ লগত অহা ফিৰিঙী এটাই অসমৰ ভিতৰ সোমাই শগুণ এটা মৰা দোষতেই তাক ধৰি আনি আৰো এনে কাম নকৰিবলৈ শিকনি দি ডিঙিত ডাকু এদাল দি যেই বাটে আহিছিল সেই বাটে ঘূৰাই পঠোৱা হৈছিল। মিৰজুমলাৰ লগত অহা ওলন্দাজ, আৰ্ম্মেনীয়ান আৰু পৰ্টুগীজ নাবিকে

অসমত ভবি দি ৰজা-প্ৰজাৰ অদ্ভুত দেশপ্ৰেম দেখি কৈছিল বোলে, কোনো বিদেশী মানুহ কেতিয়াও অসমলৈ আহিব নাপায়। মুঠতে শৰ্ম্মাদেৱৰ ভাষাত "অসমদেশৰ, অসম তন্ত্ৰৰ আমোলত ৰজাৰ পৰা প্ৰজালৈ বিদেশীৰ প্ৰতি এনে মনোভাব গঢ়ি উঠিছিল যে এইখন অসমদেশ, ইয়ালৈ সোমাৱা বিদেশী মাত্ৰৰেই অভিপ্ৰায় মন্দ। কোচবিহাৰৰ সিফালৰ যি বিদেশীয়েই অসম সোমাইছিল তেওঁক বঙাল বোলা হৈছিল আৰু তেওঁলোকক ব্ৰহ্মপুত্ৰইদি উজাই যাবলৈ দিয়া নহৈছিল। যদি ৰজাঘৰীয়া কিবা কাম ৰাজকীয় কথাত আহিব লগীয়া হৈছিল তেনেহলে কপিলী কলঙেদি হে অসম সোমাব পাৰিছিল" (১৭)। কাৰণ এই পথেদি সোমালে যুদ্ধৰ আহিলা পাতি লৈ আহিব পৰা সম্ভাৱনা সমূলঞ্চে নাছিল। এনে আছিল সেই কালৰ অসমৰ আভ্যন্তৰীণ আৰু বৈদেশিক নীতি।

(ক্ৰমশঃ)

---

# সাহিত্যৰ লক্ষণ

শ্ৰীপ্ৰিয়াংশুপ্ৰবল উপাধ্যায়

সাহিত্য কাক বোলে অৰ্থাৎ সাহিত্যৰ যথাৰ্থ লক্ষণ কি হোৱা উচিত এই সম্বন্ধে সাহিত্য-সমালোচক-সকলৰ ভিতৰত যথেষ্ঠ মতভেদ দেখা যায়। প্ৰায় প্ৰত্যেক সাহিত্য সমালোচকে তেওঁৰ পূৰ্ব্বৱৰ্ত্তীসকলৰ মতৰ সমালোচনা কৰি নিজস্ব মত ব্যক্ত কৰিবলৈ চেষ্টা কৰিছে। আমি এই চুটি প্ৰবন্ধত মূলতঃ ভাৰতীয় আলঙ্কাৰিকসকলৰ কথাই উল্লেখ কৰিম।

এইখিনিতে উনুকিয়াব পাৰি যে সংস্কৃত অলঙ্কাৰ-শাস্ত্ৰত কাব্য আৰু সাাহত্য এই দুয়োটাই একেটা বিষয়কে বুজায়। 'কাব্যাদৰ্শ' আৰু 'সাহিত্য দৰ্পণ' একে জাতীয় গ্ৰন্থৰ নাম। সাহিত্য শব্দটো অপেক্ষাকৃত পৰৱৰ্ত্তীকালৰ।

কৱিৰ কাৰ্য্যকেই সাধাৰণতে কাব্য বোলে। কাব্য-কৌতুককাৰ ভট্টতৌতে কাব্যৰ সংজ্ঞা নিৰ্দ্দেশ কৰিবলৈ গৈ কৈছে—'কৱেঃ কৰ্ম্ম কাব্যম্' অৰ্থাৎ কৱিৰ কাৰ্য্যই হৈছে কাব্য। বিশ্বনাথে তেওঁৰ একাৱলীত কৈছে—'কবয়তি ইতি কৱিঃ, তস্য কৰ্ম কাব্যম্' অৰ্থাৎ নিজৰ প্ৰতিভাৰ দ্বাৰা যি ৰচনা কৰে তেৱেঁই কৱি আৰু তেওঁৰ ৰচনাৰূপ কৰ্ম্ম হৈছে কাব্য। আন এজন আলঙ্কাৰিকে (ভট্টগোপাল) কৈছে—'কৌতি শব্দায়তে বিমৃশতি ৰসভাৱান্ ইতি কবিঃ তস্য কৰ্ম্ম কাব্যম্' অৰ্থাৎ যিজনে ৰসভাবাদি বিচাৰ কৰে তেৱেঁই কৱি আৰু তেওঁৰ কৰ্ম্মক কাব্য বোলে। 'কাব্যপ্ৰকাশ' পুথিত আচাৰ্য্য মম্মটভট্টই কৈছে—'লোকোত্তৰবৰ্ণনানিপুণকৱিকৰ্ম্ম কাব্যম্' অৰ্থাৎ বাহ্য জগতত দৃষ্ট বা কল্পিত বিষয়ক লোকোত্তৰচমৎকাৰীৰূপে বৰ্ণনাত যিজন নিপুণ তেৱেঁই কৱি আৰু তেওঁৰ ৰচনাৰূপ কৰ্ম্ম তাকে কাব্য বোলে। এনেদৰে আমি দেখা পাওঁ যে, স্বীয় প্ৰতিভা-বলত কৱিয়ে যি গদ্য পদ্যাদি ৰচনা কৰে সেয়ে 'কাব্য' নামে অভিহিত

(১৭) দূৰবীণ—শ্ৰীবেণুধৰ শৰ্ম্মা, (পৃঃ ৭৩ আৰু ৬৯)



হয়। কৱিয়ে তেওঁৰ অন্তৰৰ ভাৱক ভাষাৰ সহায়ত প্ৰকাশ কৰে। তেনেহলে কৱিৰ কৰ্ম্মৰূপ এই কাব্যই বাক্যৰ মাধ্যমত ৰূপ গ্ৰহণ কৰি থাকে। বেলেগ বেলেগ পদ বা শব্দসমূহৰ সমষ্টিয়েই বাক্যত পৰিণত হয় আৰু সেই শব্দ কোনো এটি অৰ্থ বা বিষয়ক অৱলম্বন নকৰি থাকিব নোৱাৰে। সেইদৰে কোনো অৰ্থ বা বিষয়ৰ আকৌ কোনো শব্দ বা সংজ্ঞাৰ ব্যতিৰেকে কেতিয়াও বোধ হব নোৱাৰে। শব্দ আৰু অৰ্থ এইদৰে পৰস্পৰে পৰস্পৰৰ সৈতে অবিচ্ছেদ্য-ভাবে জড়িত। সুপ্ৰসিদ্ধ বৈয়াকৰণ আচাৰ্য্য ভৰ্ত্তৃহৰিয়ে শব্দ আৰু অৰ্থৰ এই নিত্যসম্বন্ধৰ কথা তেওঁৰ 'বাক্যপদীয়' পুথিত কৈছে—

"ন সোঽস্তি প্ৰত্যয়ো লোকে যঃ শব্দানুগমাদৃতে।
অনুবিদ্ধমিব জ্ঞানং সৰ্ব্বং শব্দেন ভাসতে॥" ১।১৬॥

অৰ্থাৎ জগতত এনে কোনো জ্ঞানেই নাই যাৰ শব্দৰ সৈতে সম্বন্ধ নাই। সকলো জ্ঞানেই শব্দৰ দ্বাৰা গ্ৰথিত হৈয়েই যেন প্ৰকাশিত হয়। বিখ্যাত পাশ্চাত্ত্য দাৰ্শনিক ক্ৰোচেই (Benedetto Croche) তেওঁৰ নন্দনতত্ত্বিষয়ক (The Essence of Aesthetics) পুথিত এই বিষয়ে কৈছে, "......it is certain that when a thought is really thought, when it has attained to the maturity of thought, the words roam through our whole organism, soliciting the muscles of our mouth and ringing internally in our ears."

তেনেহলে এয়ে প্ৰতিপন্ন হয় যে, যি শব্দ আৰু অৰ্থক অৱলম্বন কৰি কৱিয়ে তেওঁৰ কাৰ্য্য-সম্পাদন কৰি থাকে সেই শব্দ আৰু অৰ্থ দুয়ো দুয়োৰে সৈতে অঙ্গাঙ্গিভাৱে নিত্য সম্বন্ধযুক্ত। সেই দুয়োৰে এটাই এটাক এৰি থাকিব নোৱাৰে। শব্দ আৰু অৰ্থৰ এই সহিতত্তা বা সহভাবিতাৰ ধাৰণাৰ পৰাই সাহিত্য শব্দৰ উৎপত্তি। সহিতৰ যি ভাব সেয়ে সাহিত্য। 'অলঙ্কাৰপ্ৰস্থান'ৰ আচাৰ্য্য ভামহে সেয়েহে কাব্যৰ লক্ষণ নিৰ্দ্দেশ কৰিবলৈ গৈ কৈছে,—"শব্দাৰ্থৌ সহিতৌ কাব্যম্" (কাব্যালঙ্কাৰ—১।১৬) অৰ্থাৎ শব্দ আৰু অৰ্থৰ সহিতত্তা বা সম্মিলনক কাব্য বোলে। আলঙ্কাৰিক আচাৰ্য্য কুন্তক বা কুন্তলে কৈছে, "বাচকো বাচ্যশ্চেতি দ্বৌ সম্মিলিতৌ কাব্যম্" (বক্ৰোক্তিজীৱিত—১।৭)— অৰ্থাৎ বাচক শব্দ আৰু বাচ্য অৰ্থ এই দুয়োৰে সম্মিলনেই কাব্য। শব্দ আৰু অৰ্থৰ এই সম্বন্ধ কেনে ধৰণৰ তাক বুজাবলৈ গৈ কুন্তক কৈছে—

"সমসৰ্ব্বগুণৌ সন্তৌ সুহৃদাবিব সঙ্গতৌ।
পৰস্পৰস্য শোভায়ৈ শব্দাৰ্থৌ ভৱতো যথা॥

(বক্ৰোক্তিজীৱিত—১।৭)

অৰ্থাৎ সকলো বিষয়তে সমান গুণশালী দুজন বন্ধুৱে যেনেকৈ পৰস্পৰৰ শোভা বৰ্দ্ধন কৰে তেনেকৈ কাব্যতে শব্দ আৰু অৰ্থ সমান চমৎকাৰী হলে পৰস্পৰৰ সৌন্দৰ্য্যৰ হেতু হৈ থাকে।

কিন্তু উক্ত লক্ষণ অনুসাৰে শব্দ আৰু অৰ্থৰ সম্মিলনকেই যদি কাব্য বা সাহিত্য বোলা হয়, তেনেহলে দৈনিক কাৰ্য্যাদি সম্পাদন কৰাত যি শব্দ আৰু অৰ্থ ব্যৱহাৰ কৰোঁ সিয়ো কাব্য বা সাহিত্য হোৱা উচিত; কিন্তু আমি তাক সাহিত্য বা কাব্য বুলিব নোৱাৰোঁ। সেইকাৰণে শব্দ আৰু অৰ্থৰ সম্মিলনেই সাহিত্য—সাহিত্যৰ এনে ধৰণৰ লক্ষণ সমীচীন নহয়। এনে আপত্তি বা সংশয়ৰ সমাধান কৰিবৰ কাৰণে কুন্তকে কৈছে, "বিশিষ্টমেৱেহ সাহিত্য-মভিপ্ৰেতম্। কীদৃশম্? বক্ৰতাবিচিত্ৰগুণালঙ্কাৰ-সম্পদাং পৰস্পৰস্পৰ্দ্ধাধিৰোহঃ" (বক্ৰোক্তিজীৱিত—১।৭)। 'অৰ্থাৎ শব্দ আৰু অৰ্থৰ সাধাৰণভাৱে যি সম্বন্ধ আছে সি সাহিত্য নহয়। কিন্তু শব্দ আৰু অৰ্থৰ বিশিষ্ট সম্বন্ধই সাহিত্য। সেই বিশিষ্ট সম্বন্ধ

কেনে ধৰণৰ? বক্ৰতাৰ দ্বাৰা বিচিত্ৰ গুণ আৰু অলঙ্কাৰৰূপ ঐশ্বৰ্য্যসমূহৰ পৰস্পৰ প্ৰতিদ্বন্দ্বীভাৱে যি অৱস্থান আৰু তাৰ ফলত সাহিত্যত শব্দ আৰু অৰ্থৰ তুল্যচমৎকাৰিতাসম্পাদনেই সেই সম্বন্ধৰ বৈশিষ্ট্য'। শব্দ আৰু অৰ্থ সদায় সম্মিলিত অৱস্থাত থাকিলেও সি কাব্য নহয়। কিন্তু সেই সম্মিলিত শব্দ আৰু অৰ্থ যেতিয়া কাব্যকলাকুশলী কৱিৰ বিচিত্ৰ ৰচনাত বিন্যস্ত হৈ সৌন্দৰ্য্যৰ সৃষ্টি কৰে তেতিয়া সি কাব্যৰ সংজ্ঞা লাভ কৰে। কুন্তকে আৰু কৈছে.

"সাহিত্যমনয়োঃ শোভাশালিতাং প্ৰতি কাপ্যসৌ।
অন্যূনানতিৰিক্তত্ব-মনোহাৰিণ্যৱস্থিতিঃ॥

(বক্ৰোক্তিজীৱিত—১৭)

অৰ্থাৎ যি ৰচনা-বিন্যাসৰ ফলত চিত্তৰ আনন্দ উৎপাদনৰ ক্ষেত্ৰত শব্দ আৰু অৰ্থ দুয়োটাৰ এটাৰ তুলনাত আনটো কম বা বেচি চিত্তচমৎকাৰী নহৈ দুয়ো সমান চিত্তচমৎকাৰী হয়, আৰু সেই তুল্যতা সেই শব্দ আৰু অৰ্থৰ সৌন্দৰ্য্যৰ কাৰণস্বৰূপ হয় সেয়ে সাহিত্য'। ইয়াত 'অন্যূনানতিৰিক্তত্ব' পদটো বিশেষভাৱে লক্ষণীয়। যি নিবন্ধত শব্দৰ সুকুমাৰতা, লালিত্য বা গাম্ভীৰ্য্যই অৰ্থৰ মাধুৰ্য্য বা গৌৰৱক অতিক্ৰম কৰে বা যি ৰচনাত অৰ্থৰ মাধুৰ্য্য বা গৌৰৱৰ তুলনাত অৰ্থপ্ৰকাশক শব্দৰ দৈন্য বা অভাৱ থাকে সি উচ্চাঙ্গ সাহিত্যৰ মৰ্য্যাদা লাভ কৰিব নোৱাৰে। সেই কাৰণে আমি দেখা পাওঁ যে শ্ৰুতি-সুখকৰ অনুপ্ৰাস, যমকাদি অলঙ্কাৰময় চিত্তচমৎকাৰী শব্দসম্ভাৰেৰে পৰিপূৰ্ণ জয়দেৱৰ গীতগোবিন্দতকৈ কালিদাসৰ গীতিকাব্য মেঘদূত সাহিত্যিক সমাজত অধিক সমাদৃত। ইয়াৰ কাৰণ এয়ে যে কালিদাসৰ মেঘদূতত শব্দ আৰু বৰ্ণনীয় বিষয়ৰ তুল্যচমৎকাৰিতা আছে। তাত শব্দ-ঝঙ্কাৰে অৰ্থৰ মনোহাৰিত্বক অতিক্ৰম কৰা নাই বা বাচ্য অৰ্থৰ তুলনাত বাচক শব্দৰ চমৎকাৰিতাৰ অভাৱ হোৱা নাই।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে, কৱিৰ প্ৰতিভাসম্ভূত যি ৰচনা-বিন্যাসত শব্দ আৰু অৰ্থ ই তুল্য চমৎকাৰিতা লাভ কৰে সেয়ে সাহিত্য। প্ৰসিদ্ধ আলঙ্কাৰিক জগন্নাথে কিন্তু তেওঁৰ 'ৰস-গঙ্গাধৰ' পুথিত সাহিত্যত শব্দৰেই প্ৰাধান্য দিছে (ৰমণীয়াৰ্থপ্ৰতিপাদকঃ শব্দঃ কাব্যম্)। তেওঁ কয় যে, এনেকুৱা দেখা যায় যে কোনো এখন কাব্য পঢ়ি বা শুনি কোনো এজনে কলে যে, কাব্য পঢ়িলোঁ বা শুনিলোঁ, কিন্তু তাৰ অৰ্থ ঠিক বুজিব পৰা নাই; সেয়েহলে কাব্যত শব্দ আৰু অৰ্থৰ সহিততা তো সম্ভৱ নহল! সেইকাৰণে যি শব্দৰাশিয়ে চিত্তচমৎকাৰী অৰ্থ বা বিষয় প্ৰতিপাদন কৰে সেয়ে কাব্য। আচাৰ্য্য দণ্ডীয়েও 'ইষ্টাৰ্থব্যৱচ্ছিন্না পদাৱলী'ক অৰ্থাৎ মনোহাৰী অৰ্থযুক্ত শব্দকেই কাব্য আখ্যা দিছে। তথাপি শব্দ আৰু অৰ্থ উভয়ৰ সম্মিলনেই সাহিত্য হওক বা ৰমণীয় অৰ্থ প্ৰতিপাদক কেৱলমাত্ৰ শব্দই সাহিত্য হওক, ওপৰৰ আলোচনাৰ পৰা এইটো অন্ততঃ স্পষ্ট হয় যে, সাহিত্যত সম্মিলিত শব্দাৰ্থ বা শব্দত সৌন্দৰ্য্যৰ সৃষ্টি হৈ পাঠক বা শ্ৰোতাৰ চিত্তক অনিৰ্ব্বচনীয় আনন্দত আপ্লুত কৰে। এই সৌন্দৰ্য্য-সৃষ্টিয়েই লোকব্যৱহৃত শব্দাৰ্থতকৈ সাহিত্যত ব্যৱহৃত শব্দাৰ্থৰ অসাধাৰণ বৈশিষ্ট্য।

কিন্তু সাধাৰণ ব্যৱহাৰৰ তুলনাত সাহিত্যত ব্যৱহাৰ্য্যমান এই শব্দ আৰু অৰ্থত এনে কি বৈশিষ্ট্য থাকে যাৰ ফলত সেই শব্দ আৰু অৰ্থত সৌন্দৰ্য্যৰ সৃষ্টি হৈ চিত্তত অপাৰ্থিৱ আনন্দ উৎপাদন কৰে! এই সৌন্দৰ্য্য-সৃষ্টিৰ মূলত ৰস, অলঙ্কাৰ, গুণ, ৰীতি বা ধ্বনি এইবোৰৰ কোনটো যে একান্ত অপৰিহাৰ্য্য অৰ্থাৎ সেইবোৰৰ কোনটোৰ অবৰ্ত্তমানত যি সৌন্দৰ্য্য মণ্ডিত শব্দাৰ্থময় সাহিত্য বা কাব্য তাৰ প্ৰাণসত্তাৰ পৰা বিচ্যুত হয় তাক নিৰ্ণয় কৰাত সাহিত্য-সমালোচকসকল একান্ত সচেষ্ট হৈছে



আৰু ইয়াৰ ফলত বিভিন্ন মতবাদৰ প্ৰৱৰ্ত্তন হৈছে।

বৰ্ত্তমান পোৱা সংস্কৃত অলঙ্কাৰ-শাস্ত্ৰৰ ভিতৰত ভৰতমুনি-প্ৰণীত নাট্যশাস্ত্ৰই আটাইতকৈ বেচি পুৰণি। ভৰতমুনিয়ে 'লক্ষণ'ক কাব্যত শব্দাৰ্থৰ সৌন্দৰ্য্য সম্পাদনৰ কাৰণ বুলিছে। তেওঁ কৈছে, "কাব্যবন্ধাস্তু কৰ্ত্তব্যাঃ ষট্‌ত্ৰিংশৎ লক্ষণান্বিতাঃ" (নাট্যশাস্ত্ৰ ১৫।১২৮)। তেওঁৰ মতে লক্ষণেই কাব্যৰ অন্তৰঙ্গ সাধন আৰু অলঙ্কাৰ, গুণ আদি তাৰ বহিৰঙ্গ সাধন। পাচত আচাৰ্য্য অভিনৱগুপ্তই "অভিনৱভাৰতী" ব্যাখ্যা কৰোঁতে এঠাইত 'লক্ষণ'ক ৰজাৰ শৰীৰৰ লগত তুলনা কৰি কৈছে, "যথা হি ৰাজতা বিভজ্য বিচাৰ্য্যমানা ইথমৱতিষ্ঠতে—মুকুটাদ্যলঙ্কাৰঃ, শৌৰ্য্যাদিগুণঃ, ব্যূঢ়োৰস্কাদিলক্ষণ সমুদায়ো ৰাজা অলঙ্কাৰ্য্যশ্চ, গুণৱাংশ্চ লক্ষণীয়শ্চ তথা কাব্যমপি। তেন গুণালঙ্কাৰব্যতিৰিক্তাঃ সৰ্ব্বে লক্ষণম্ ইতি মন্তব্যম্" (২।৩০৫)। ৰাজমুকুট আদি অলঙ্কাৰ, শৌৰ্য্যাদিগুণ আৰু বিশাল বক্ষ-ৰূপ লক্ষণযুক্ত ৰজা যেনে অলঙ্কৰণীয়, গুণবান আৰু দৰ্শনযোগ্য হয়, সেইদৰে যি লক্ষণযুক্ত সেয়ে কাব্য, আৰু সেয়ে অলঙ্কাৰ্য্য, গুণযুক্ত আৰু সহৃদয় পাঠক বা শ্ৰোতাৰ উপভোগ্য হৈ থাকে। ইয়াৰ পৰা স্পষ্ট বুজা যায় যে অলঙ্কাৰ, গুণ আদিয়ে মাথোন কাব্যৰ উৎকৰ্ষতা বৰ্দ্ধন কৰে। সেইবোৰ কাব্যদেহৰ অপৰিহাৰ্য্য উপাদান নহয়, কিন্তু 'লক্ষণ' কাব্যদেহৰ অঙ্গীভূত। সেইকাৰণে এইটো সাহিত্যৰ অপৰিহাৰ্য্য উপাদান। আচাৰ্য্য অভিনৱগুপ্তই 'লক্ষণ' প্ৰসঙ্গত কৈছে—

'এবং কৱিব্যাপাৰবলাদ্ যদৰ্থজাতং লৌকিকা স্বভাবাদ্ ভিদ্যমানং তদেব লক্ষণম্ ইত্যুক্তম্' (অভিনৱভাৰতী ২।৩২১)।

কৱি-কৰ্ম্ম দ্বাৰা লোকদৃষ্ট বিষয়সমূহে তাৰ লৌকিক স্বভাৱ অতিক্ৰম কৰি যি ধৰ্ম্মৰ বলেৰে অলৌকিক চমৎকাৰিতা লাভ কৰে সেই ধৰ্ম্মই হৈছে লক্ষণ। গুণ, অলঙ্কাৰ আদি বেলেগ কৰি ললেও যি ধৰ্ম্ম থকা কাৰণে সাহিত্যত শব্দাৰ্থত সৌন্দৰ্য্যৰ সৃষ্টি হয় সেয়ে 'লক্ষণ'।

ভৰতমুনিয়ে উক্ত লক্ষণক অলঙ্কাৰসম্মিত অৰ্থাৎ অলঙ্কাৰতুল্য বুলিছে। কিন্তু সেইবোৰক তেওঁ অলঙ্কাৰ বুলি কোৱা নাই। তেওঁৰ মতে উপমা, দীপক, ৰূপক আৰু যমক এই চাৰিটা মাথোন অলঙ্কাৰ। বাকীবোৰ যাৱতীয় বিচিত্ৰ অলঙ্কাৰ এই 'লক্ষণ'ৰেই বিভিন্ন ৰূপ। কিন্তু তেওঁ 'লক্ষণ'ক কাব্যৰ অন্তৰঙ্গ সাধন বুলিলেও ৰসকে তেওঁ আচলতে কাব্যৰ উৎসৰূপে নিৰ্দ্দেশ কৰিছে। ভাৰতীয় সাহিত্য জগতত ভৰত-মুনিয়ে এই সৰ্ব্বজনস্বীকৃত ৰসবাদৰ প্ৰৱৰ্ত্তক। তেওঁ কৈছে, 'ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ত্ততে' (নাট্যশাস্ত্ৰ-১।২৭৩)। অৰ্থাৎ ৰসক বাদ দি কাব্য আৰম্ভই হ'ব নোৱাৰে। ৰসেই শব্দাৰ্থত সৌন্দৰ্য্যৰ আধাৰ। সি যি হওক, ভৰতমুনিৰ দ্বাৰা স্বীকৃত উল্লিখিত লক্ষণ আৰু কাব্যৰ অলঙ্কাৰবোৰৰ ভিতৰত প্ৰভেদ ইমান সূক্ষ্ম যে, পৰৱৰ্ত্তীকালত সেই 'লক্ষণ' অলঙ্কাৰৰ পৰা বেলেগে স্বীকৃত নোহোৱাৰ কাৰণে অলঙ্কাৰৰে অঙ্গীভূত হৈ গৈছে।

পাচৰ যুগত ভামহ, উদ্ভট আদি আলঙ্কাৰিকসকলে কাব্যত অলঙ্কাৰৰেই প্ৰাধান্য স্থাপন কৰিছে। ভামহে তেওঁৰ কাব্যালঙ্কাৰ পুথিত শব্দ আৰু অৰ্থত সৌন্দৰ্য্য-সৃষ্টিৰ কাৰণে অলঙ্কাৰৰ অপৰিহাৰ্য্যতা প্ৰতিপাদন কৰিছে। তেওঁৰ মতে বক্ৰোক্তিৰ পৰা সকলো অলঙ্কাৰৰ উদ্ভৱ হৈছে। বক্ৰোক্তি নেথাকিলে অলঙ্কাৰৰ সৃষ্টি নহয় আৰু অলঙ্কাৰ নেথাকিলে সৌন্দৰ্য্যৰ অভাৱত সি কাব্য নহয়। সেয়েহে বিষয়ৰ যথাযথ বৰ্ণনৰূপ স্বভাৱোক্তিক তেওঁ অলঙ্কাৰ বুলি স্বীকাৰ কৰা নাই। স্বভাৱোক্তি অলঙ্কাৰৰ দ্বাৰা ৰচিত নিবন্ধক সাহত্য বুলিলে বুৰঞ্জী, দৰ্শন, বিজ্ঞান,

আদিকো সাহিত্য বুলিব লাগে। আচাৰ্য্য দণ্ডীয়ে কিন্তু স্বভাৱোক্তি অলঙ্কাৰৰ বৰ বেছি প্ৰাধান্য দি তেওঁৰ কাব্যাদৰ্শ পুথিত কৈছে, "শাস্ত্ৰেষু অস্যৈব সাম্ৰাজ্যং কাব্যেষ্বপ্যেতদীপ্সিতম্" ( ২।১৩ )। তেওঁ অলঙ্কাৰ-বোৰক মূলতঃ স্বভাৱোক্তি আৰু বক্ৰোক্তি এই দুভাগত বিভক্ত কৰিছে। আচাৰ্য্য দণ্ডীয়ে কাব্যত শোভা সম্পাদনকাৰী ধৰ্ম্মক অৰ্থাৎ যি ধৰ্ম্মই কাব্যত শব্দ আৰু অৰ্থৰ সৌন্দৰ্য্য সম্পাদন কৰে তাকে অলঙ্কাৰ বুলিছে।

কিন্তু এতিয়া কথা হৈছে যে কাৰ কাৰণে এই অলঙ্কাৰৰ প্ৰয়োজনীয়তা অৰ্থাৎ এই অলঙ্কাৰবোৰে কাক অলঙ্কৃত কৰে? অলঙ্কাৰবাদীসকলে কাব্যকেই অলঙ্কাৰ্য্য বুলিছে অৰ্থাৎ তেওঁলোকৰ মতে অলঙ্কাৰ-সমূহে কাব্যকে অলঙ্কৃত কৰে। অলঙ্কাৰেই কাব্যৰ কাব্যত্ব সম্পাদনত একান্ত অপৰিহাৰ্য্য; আৰু গুণ, ৰীতি আদি অলঙ্কাৰৰ অধীন। অলঙ্কাৰৰ বাহিৰে ৰসৰ কোনো পৃথক সত্তা তেওঁলোকে স্বীকাৰ কৰা নাই, আৰু সেই কাৰণেই তেওঁলোকে ৰস-ভাৱপূৰ্ণ ৰসবৎ, উৰ্জস্বি, প্ৰেয়ঃ আদিকো অলঙ্কাৰৰ ভিতৰত পৰিগণিত কৰিছে। ৰসবাদীসকলৰ মতে কিন্তু সাহিত্যত ৰসেই অলঙ্কৃত হবৰ যোগ্য। ৰস কাব্যৰ অপৰিহাৰ্য্য উপাদান। ৰসেই কাব্যৰ জীৱন; অলঙ্কাৰে মাথোন সেই ৰসৰ উৎকৰ্ষতা সাধন কৰে। পৰবৰ্ত্তীকালত প্ৰতীহাৰেন্দুৰাজে উদ্ভটবিৰচিত "কাব্যালঙ্কাৰসাৰসংগ্ৰহৰ" ব্যাখ্যা 'লঘুবৃত্তি'ত অলঙ্কাৰ প্ৰস্থানৰ আচাৰ্য্যসকলৰ মতৰ প্ৰতি কটাক্ষ কৰি কৈছে "ন খলু কাব্যস্য ৰসানাং চ অলঙ্কাৰ্য্যালঙ্কাৰভাৱঃ। কিন্তু আত্মশৰীৰ ভাৱঃ। ৰসা হি কাব্যস্য আত্মত্বেন অৱস্থিতাঃ। শব্দাৰ্থৌ চ শৰীৰৰূপতা। যথা হি আত্মাধিষ্ঠিতং শৰীৰং জীৱতীতি ব্যপদিশ্যতে। তথা ৰসাধিষ্ঠিতস্য কাব্যস্য জীৱদ্ৰূপতয়া ব্যপদেশঃ ক্ৰিয়তে। ০ ০ ০ ০ ০ ০ ৰসাদ্যধিষ্ঠিতং কাব্যং জীৱদ্ৰূপতয়া যতঃ। কথ্যতে তদ্ৰসাদীনাং কাব্যাত্মত্বং ব্যৱস্থিতম্" ( লঘুবৃত্তি )॥

—কাব্যৰ আধাৰ হৈছে ৰস। কাব্য আৰু ৰসৰ ভিতৰত কোনো কাৰো অলঙ্কাৰ্য্য বা অলঙ্কাৰ নহয়। শব্দ আৰু অৰ্থ কাব্যৰ শৰীৰ আৰু ৰস কাব্যৰ প্ৰাণ স্বৰূপ। প্ৰাণীদেহত চৈতন্যৰ সত্তা থাকিলে তেতিয়া যেনেকৈ তাক প্ৰাণী বোলা যায় তেনেকৈ ৰস, ভাৱ, ৰসাভাস আদি থাকিলে তেতিয়াহে সেই শব্দ আৰু অৰ্থক কাব্য বা সাহিত্য বোলা যায়। সেই কাৰণে ৰসেই কাব্যৰ আত্মস্বৰূপ।

পৰবৰ্ত্তীকালত আচাৰ্য্য দণ্ডী, বামন আদিয়ে অলঙ্কাৰ সম্বন্ধে যথেষ্ট আলোচনা কৰিলেও সাহিত্যত অলঙ্কাৰৰ অপৰিহাৰ্য্যতা স্বীকাৰ কৰা নাই। অলঙ্কাৰে সাহিত্যৰ সৌন্দৰ্য্য-বৰ্দ্ধন কৰে সঁচা, কিন্তু অলঙ্কাৰ কাব্য নহয়। অলঙ্কাৰ নিজে কেতিয়াও কাব্য হ'ব নোৱাৰে। অলঙ্কাৰ যে সৌন্দৰ্য্য সাধনৰ এক অন্যতম উপাদান সেই বিষয়ে কোনো সন্দেহ নাই; কিন্তু অলঙ্কাৰৰ স্বভাৱ এয়ে যে, ই আন বস্তুক অলঙ্কৃত বা বিভূষিত কৰে। 'অলঙ্ক্ৰিয়তে এভিঃ' ইতি অলঙ্কাৰঃ—যাৰ দ্বাৰা কাৰবাক অলঙ্কৃত কৰা হয় সেয়ে অলঙ্কাৰ। সেই কাৰণে অলঙ্কাৰকেই কাব্যৰ একান্ত অপৰিহাৰ্য অঙ্গ বুলিলে যাক অলঙ্কৃত কৰিব লাগিব তাৰ স্বকীয় সত্তা আৰু বিচাৰি পোৱা নেযায়। এতেকে অলঙ্কাৰক কাব্যৰ অপৰিহাৰ্য্য সাধন বুলি স্বকাৰ কৰিব নোৱাৰি।

কাব্যাদৰ্শকাৰ আচাৰ্য্য দণ্ডীয়ে শ্লেষ, প্ৰসাদ, সমতা, মাধুৰ্য্য আদি দহোটা গুণকেই বিদৰ্ভমতে কাব্যৰ প্ৰাণস্বৰূপ বুলিছে। বৰ্ণ বা পদ সমূহৰ যথাযথ সংঘটনা বা বিন্যাসৰ দ্বাৰা তাত মাধুৰ্য্য, প্ৰসাদ, ওজঃ আদি গুণবোৰৰ প্ৰতিষ্ঠা হয় আৰু তাতেই শব্দ আৰু অৰ্থত সৌন্দৰ্য্যৰ সৃষ্টি হয়। যি ধৰ্ম্মই সাহিত্যত শব্দ আৰু অৰ্থৰ উৎকৰ্ষ সাধন কৰে তাকে গুণ বোলে। শৌৰ্য্য, বীৰ্য্য, দয়া, দাক্ষিণ্য আদি ধৰ্ম্মবোৰ



জীৱদেহত যেনে দেহীৰ গুণ বুলি কথিত হয়, তেনেদৰে কাব্যদেহত দেহী অৰ্থাৎ আত্মাৰ যি ৰস সেই ৰসৰ উৎকৰ্ষ সাধন কৰে বুলি মাধুৰ্য্য আদি ধৰ্ম্মবোৰ সাহিত্যত গুণ বুলি কথিত হয়। দণ্ডীৰ এই গুণৰ ভেটিত কাব্য-ৰচনাৰ পদ্ধতিক বৈদৰ্ভী আৰু গৌড়ী এই দুই মাৰ্গ অৰ্থাৎ ৰীতিত বিভক্ত কৰিছে।

আচাৰ্য্য বামনে কিন্তু গুণ আৰু অলঙ্কাৰযুক্ত শব্দাৰ্থকেই কাব্য বুলিছে। তেওঁ কৈছে, "কাব্যশব্দোঽয়ং গুণালঙ্কাৰয়োঃ সংস্কৃতয়োঃ শব্দাৰ্থয়োৰ্ৱৰ্ত্ততে"। ইয়াৰ পৰা বুজিব পাৰি যে তেওঁ কাব্যত গুণ আৰু অলঙ্কাৰ দুয়োৰেই প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। তেওঁৰ মতে গুণ আৰু অলঙ্কাৰ শব্দ আৰু অৰ্থৰ ধৰ্ম্ম বিশেষ। কাব্যত যি ধৰ্ম্মই সৌন্দৰ্য্য সম্পাদন কৰে সেয়ে গুণ; আৰু অলঙ্কাৰে সেই সৌন্দৰ্য্যৰ বৃদ্ধি সাধন কৰে। গুণসমূহ নিত্যধৰ্ম্ম আৰু অলঙ্কাৰ সমূহ অনিত্য-ধৰ্ম্ম। কবিয়ে নিজ ইচ্ছা অনুসৰি সাহিত্যত শব্দ আৰু অৰ্থত অলঙ্কাৰৰ সন্নিৱেশ কৰিব পাৰে আৰু অলঙ্কাৰবিহীন শব্দাৰ্থবো ব্যৱহাৰ কৰিব পাৰে। সাহিত্যদৰ্পণকাৰ বিশ্বনাথ কবিৰাজেও অলঙ্কাৰৰ লক্ষণ নিৰ্দ্দেশ প্ৰসঙ্গত কৈছে—

"শব্দাৰ্থয়োৰস্থিৰা যে ধৰ্ম্মাঃ শোভাতিশায়িনঃ।
ৰসাদীনুপকুৰ্ব্বন্তোঽলঙ্কাৰাস্তেঽঙ্গদাদিবৎ॥" ১০।১

—অৰ্থাৎ অঙ্গদ ( বাজু ) প্ৰভৃতি অলঙ্কাৰ যেনেকৈ শৰীৰত সন্নিৱেশিত কৰা হয় আৰু পুনৰ সোলোকাই থোৱা হয় তেনেকৈ সাহিত্যতো শব্দ আৰু অৰ্থত অলঙ্কাৰ সন্নিৱেশ কৰিব পাৰি আৰু তাৰ পৰা বিযুক্ত কৰিব পাৰি। সেই কাৰণে উক্ত ঠাইত অঙ্গদ বা বাজু আদি অলঙ্কাৰে শৰীৰৰ শোভা বৰ্দ্ধন কৰে অথচ সেইবোৰ শৰীৰৰ অবিচ্ছেদ্য ধৰ্ম্ম নহয় তেনেদৰে সাহিত্যতো অলঙ্কাৰসমূহ শব্দাৰ্থৰ অবিচ্ছেদ্য ধৰ্ম্ম নহয়।

সি যি কি নহওক আচাৰ্য্য বামনৰ মতে গুণসমূহ কাব্যৰ প্ৰাণ-স্বৰূপ ৰীতিৰ ধৰ্ম্ম, আৰু অলঙ্কাৰ কাব্যৰ শৰীৰস্বৰূপ শব্দাৰ্থৰ ধৰ্ম্ম। তেওঁ কয়, "কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ। সৌন্দৰ্য্যমলঙ্কাৰঃ" ( কাব্যালঙ্কাৰ-সূত্ৰবৃত্তি ১।২ )। কাব্যৰ সৌন্দৰ্য্যই অলঙ্কাৰ আৰু এই অলঙ্কাৰ থকাৰ কাৰণেই কাব্য সহৃদয় ব্যক্তিৰ ইমান উপাদেয় হয়! আচাৰ্য্য বামনে ৰীতিকেই কাব্যৰ আত্মা বুলিছে। তেওঁ কাব্যত ৰচনাৰ একোখন দেশৰ বিশেষ বিশেষ পদ্ধতিক 'ৰীতি' বুলি অভিহিত কৰিছে আৰু বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আদি ৰীতিৰ কথা উল্লেখ কৰিছে। তাৰ ভিতৰত আকৌ বৈদৰ্ভী ৰীতিক শ্ৰেষ্ঠ ৰীতি হিচাবে গ্ৰহণ কৰিছে। মাধুৰ্য্য, ওজস্বিতা আদি গুণসমূহৰ ভিতৰত কোনো এটা গুণ কোনো দেশৰ ৰচনাত বৰ বেচিকৈ পৰিলক্ষিত হোৱাৰ কাৰণে তেনে-ধৰণৰ গুণবিশিষ্ট ৰচনাৰ পদ্ধতিক ৰীতিবাদীসকলে একোখন দেশৰ নাম অনুসৰি সেই সেই ৰীতিত বিভক্ত কৰিছে।

( ক্ৰমশঃ )

# মানৱ চৰিত্ৰ চিত্ৰণত কালিদাস

শ্ৰীযোগীৰাজ বসু

এটা সমালোচনা প্ৰায়ে শুনা যায় যে কালিদাস প্ৰকৃতি-বৰ্ণনাত অতুলনীয় আৰু ছেক্সপীয়েৰ মানৱ-চৰিত্ৰ চিত্ৰণত অতুলনীয়। কালিদাসৰ ছেক্সপীয়েৰৰ নিচিনাকৈ মানৱ-চৰিত্ৰ চিত্ৰণত নিপুণতা নাই। কিন্তু এই সমালোচনাটো ভুল। যিসকল সাহিত্য-ৰসিক আৰু সাহিত্য-বিচাৰক সুধীবৃন্দই নিৰপেক্ষভাৱে দুয়োজন কৱিৰেই নাটক অধ্যয়ন কৰিছে, তেওঁলোকে এইটো নিশ্চয়কৈ জানে যে ছেক্সপীয়েৰৰ দৰে কালিদাসো মানৱ-চৰিত্ৰ চিত্ৰণত নিপুণ আৰু অদ্বিতীয়। তেওঁ এহাতে যিদৰে ৰসৰ আকৰ আনহাতে সেইদৰে মানৱ-চৰিত্ৰৰো যাদুকৰ। তলৰ আলোচনাৰ পৰাই এই সত্যটো প্ৰমাণিত হ'ব।

কালিদাসৰ ৰচিত নাটক তিনিখনৰ—অভিজ্ঞান শকুন্তলম্, মালৱিকাগ্নিমিত্ৰম্ আৰু বিক্ৰমোৰ্ব্বশীয়ম্—প্ৰত্যেকখনেই অপৰূপ। এই তিনিখনৰ ভিতৰত অভিজ্ঞানশকুন্তলম্ মুকুট-মণি। কম পৰিসৰৰ ভিতৰত তিনিখন নাটকৰ চৰিত্ৰ দূৰৰ কথা, এখন নাটকৰ আটাইকেইটি প্ৰধান চৰিত্ৰৰ আলোচনাও সম্ভৱপৰ নহয়। কালিদাসৰ শ্ৰেষ্ঠ নাটক শকুন্তলাৰ দুটি প্ৰধান চৰিত্ৰ-নায়ক আৰু নায়িকা-দুষ্যন্ত আৰু শকুন্তলাৰ চৰিত্ৰ বিশ্লেষণৰ দ্বাৰাই কালিদাসে কিমান নিপুণভাৱে মানৱ-মানৱীৰ চৰিত্ৰ অঙ্কন কৰিছে তাক সুন্দৰকৈ বুজিব পৰা যাব। লগে লগে বস্তু আৰু চৰিত্ৰৰ সংঘাতৰ (interaction of plot and character) মাজেদি, দৃশ্যকাব্য নাটকৰ প্ৰাণস্বৰূপ অন্তৰ্দ্বন্দ্বৰ মাজেদি, বহিৰ্জ্জগতৰ দ্বন্দ্ব আৰু অন্তৰ্জ্জগতৰ দ্বন্দ্ব অতিক্ৰম কৰি চৰিত্ৰবিলাক কেনেদৰে অপৰূপ মহিমাৰে বিকশিত হৈছে তাকো দেখা পোৱা যাব। প্ৰথমতে দুষ্যন্ত আৰু তাৰ পিছত শকুন্তলাৰ চৰিত্ৰ আলোচনা কৰা হ'ব।

এই নাটকত দুষ্যন্ত আৰু শকুন্তলা দুয়োটা মুখ্য চৰিত্ৰ হলেও দুষ্যন্তই নাটকখনৰ অধিকাংশ স্থান অধিকাৰ কৰিছে। শকুন্তলা নাটকখন হৈছে নায়ক-প্ৰধান নাটক, নায়িক-প্ৰধান নহয়। দুষ্যন্ত ধীৰোদাত্ত নায়ক। সমুদ্ৰমেখলা ভাৰতবৰ্ষৰ মহাৰাজ, অতুল মহিমা-সম্পন্ন চন্দ্ৰবংশীয় নৃপতি। তেওঁৰ চৰিত্ৰ আৰু আচৰণত ৰাজকীয় গাম্ভীৰ্য্য আৰু মাধুৰ্য্যৰ অপূৰ্ব্ব সমাবেশ ঘটিছে। তেওঁ বিনয়ী, সাহসী আৰু আশ্ৰিত-বৎসল। তেওঁ ইন্দ্ৰিয়বিলাসী বা ব্যসনাসক্ত ৰজাসকলৰ দৰে নহয়। তেওঁ অনলস, কষ্টসহিষ্ণু আৰু কৰ্ত্তব্য-কৰ্ম্মত সদায় সজাগ। নাটকৰ দ্বিতীয় অঙ্কত সেনাপতিয়ে তেওঁৰ বলিষ্ঠ আৰু কৰ্ম্মপটু দেহৰ বৰ্ণনা দিছে।

"অনৱৰত ধনুৰ্জ্যাস্ফালন ক্ৰূৰপূৰ্ব্বং
ৰবিকিৰণসহিষ্ণু ক্লেশলেশৈৰভিন্নম্।
অপচিতমপি গাত্ৰং ব্যায়তত্বাদলক্ষ্যং
গিৰিচৰ ইৱ নাগঃ প্ৰাণসাৰং বিভৰ্ত্তি॥"

(প্ৰথম অঙ্ক)

এই বৰ্ণনাৰ পৰা ৰজাৰ অনৱদ্য দেহসৌষ্ঠৱ, অসাধাৰণ শক্তি, কষ্টসহিষ্ণুতা, কৰ্ম্মপটুতা আৰু অনলস প্ৰকৃতিৰ পৰিচয় পোৱা যায়।

ছেক্সপীয়ৰে বৰ্ণনা কৰা প্ৰেমিক নায়ক ৰোমিও (Romeo) আদিয়ে প্ৰেমকে সৰ্ব্বস্ব বুলি ভাবিছে



আৰু প্ৰেমৰ কাৰণে কৰ্ত্তব্য-বুদ্ধি আনকি ধৰ্ম্মকো জলাঞ্জলি দিছে। প্ৰেমৰ মোহত তেওঁলোকে বিশ্বজগতক পাহৰি গৈছে আৰু নায়িকাৰ চিন্তাত আত্মবিস্মৃত হৈছে। কিন্তু দুষ্যন্তৰ প্ৰেমনিষ্ঠাই তেওঁৰ কৰ্ত্তব্য নিষ্ঠাক আৰু তেওঁৰ কৰ্ত্তব্য-জ্ঞানক ক্ষুণ্ণ কৰিব পৰা নাই। তেওঁ বিখ্যাত পুৰুবংশীয় ৰজা, ভাৰতৰ অধীশ্বৰ। গতিকে তেওঁৰ ক্ষেত্ৰত এই জাতীয় চৰিত্ৰৰ বিকাশ ঘটাতো স্বাভাৱিক আৰু প্ৰত্যাশিত। ৰোমিও আৰু জুলিয়েটৰ প্ৰণয় বা মিলনত বাধা হৈ উঠিছিল দুয়ো পৰিয়ালৰ ভিতৰত হোৱা কাজিয়া; অৰ্থাৎ এই বাধা হৈছে বাহিৰৰ বাধা, মনৰ বাধা নহয়। শকুন্তলা নাটকৰ প্ৰথম আৰু দ্বিতীয় অঙ্কত দুষ্যন্তই যেতিয়া শকুন্তলাৰ অলোক-সামান্য ৰূপ-যৌৱনত মুগ্ধ হ'ল আৰু যেতিয়া তেওঁ শকুন্তলা অবিবাহিত বুলি জানিলে, তেতিয়া ইচ্ছা কৰাহলে তেওঁ শকুন্তলাক বিয়া কৰাব পাৰিলেহেঁতেন, কাৰণ ৰজাৰ গন্ধৰ্ব্ব-বিবাহ শাস্ত্ৰই অনুমোদন কৰে। কিন্তু দুষ্যন্তৰ মনৰ ধৰ্ম্মজ্ঞানে তাত বাধা দিলে। ই হৈছে অন্তৰৰ বাধা, বাহিৰৰ বাধা নহয়। সেই বাবে তেওঁ সখীয়েক-সকলৰ সৈতে কথাবতৰাৰ জৰীয়তে শকুন্তলা ব্ৰাহ্মণ কন্যা নহয়-ক্ষত্ৰিয়সম্ভৱা, তেওঁ কুমাৰী-বাক্‌দত্তাও নহয় ইত্যাদি সকলো তত্ত্ব উদ্ঘাটন কৰি ধৰ্ম্মতঃ কোনো বাধা নাই বুলি জানি তাৰ পিছতহে হৃদয়-দান কৰিছে। পঞ্চম অঙ্কতো শাপৰ প্ৰভাৱত শকুন্তলাক পৰস্ত্ৰী বুলি প্ৰত্যাখ্যান কৰাতো দুষ্যন্তৰ ধৰ্ম্মজ্ঞানৰেই পৰিচয় পোৱা যায়।

কেৱল ধৰ্ম্মজ্ঞানেই নহয়, প্ৰেমৰ প্ৰৱলতাই তেওঁৰ কৰ্ত্তব্য-নিষ্ঠাকো কেতিয়াও ক্ষুণ্ণ কৰিব পৰা নাই। প্ৰেমৰ তীব্ৰতাত তেওঁ আত্মবিস্মৃত হোৱা নাই। আৱশ্যক হোৱাত নিজকে ততালিকে সংযত কৰি কৰ্ত্তব্য-কৰ্ম্মত ৰত হৈ পৰিছে। তেওঁৰ প্ৰেম যেনে প্ৰৱল, কৰ্ত্তব্য বুদ্ধিও তেনে সবল। প্ৰথম অঙ্কত শকুন্তলা, অনসূয়া আৰু প্ৰিয়ম্বদাৰ সৈতে তেওঁৰ ৰূপত মুগ্ধ হৈ থকা অৱস্থাত এটা বনৰীয়া পগলা হাতীয়ে তপোবনত সোমাই তপস্বীসকলৰ অনিষ্ট কৰিছে বুলি শুনামাত্ৰকে দুষ্যন্তই তেওঁলোকৰ ৰক্ষাৰ বাবে অলপো বিলম্ব নকৰি গুচি গ'ল। তেওঁ ক্ষত্ৰিয়; আৰ্ত্তসকলক ৰক্ষা কৰা তেওঁৰ কৰ্ত্তব্য। সেই কৰ্ত্তব্যৰ সমুখত প্ৰেমো তুচ্ছ। অথচ অৱচেতন মনত সেই প্ৰেমে তেওঁৰ অন্তৰক সদায় আপ্লুত কৰি ৰাখিছে।

দ্বিতীয় অঙ্কত তেওঁ বিদূষকৰ আগত আশ্ৰম কন্যা শকুন্তলাৰ অপাৰ্থিৱ ৰূপ-কান্তি বৰ্ণনা কৰি কৰি শকুন্তলাৰ চিন্তাত মগ্ন হৈ আছে। এনেতে তেওঁ শুনিবলৈ পালে যে ৰাক্ষস আহি আশ্ৰম-বাসীসকলৰ ওপৰত অত্যাচাৰ কৰিছে। তেওঁ তৎক্ষণাৎ অস্ত্ৰ-শস্ত্ৰ লৈ তেওঁলোকক ৰক্ষা কৰিবলৈ ওলাল। সেই সময়ত প্ৰেমৰ ৰাজ্যৰ লগত যেন তেওঁৰ কোনো সম্বন্ধ নাই; তেওঁ যেন শকুন্তলাৰ নামেই শুনা নাই; তেওঁ যেন নতুন ৰাজ্যৰ নতুন মানুহ। কেনে আচৰিত কথা! দুষ্যন্তৰ চৰিত্ৰত একেলগে দুটি ভিন ভিন ভাৱৰ সমাবেশ। প্ৰেমৰ তীব্ৰতা আৰু কৰ্ত্তব্য-নিষ্ঠা—এই দ্বন্দ্বৰ মাজত দুষ্যন্তৰ চৰিত্ৰ পৰিস্ফুট হৈছে।

কৰ্ত্তব্য-নিষ্ঠাৰ দৰে প্ৰেমৰ মহিমা আৰু গভীৰতাও অনুৰূপভাৱে দুষ্যন্তৰ চৰিত্ৰত দেখা যায়। দেহ-সৰ্ব্বস্ব কামনাতকৈ তেওঁৰ প্ৰেম ওখ থাপৰ। ৰজা মৃগয়া-বিলাসী আছিল; প্ৰেমৰ যাদুমন্ত্ৰত তেওঁৰ হৃদয় কুমলিল। এদিনৰ ভিতৰতে তেওঁৰ অন্তৰত সকলো প্ৰাণীৰ প্ৰতি গভীৰ প্ৰেমৰ সঞ্চাৰ হ'ল। প্ৰেমৰ প্ৰভাৱত পৰি তেওঁ নিজে প্ৰাণী-হত্যাৰ পৰা বিৰত হ'ল, আৰু লগে লগে সকলো জীৱ-জন্তু তেওঁৰ ৰাজ্যত নিঃসংশয়ে বিচৰণ কৰক এই ইচ্ছা প্ৰকাশ কৰিলে।

"গাহন্তাং মহিষা নিপানসলিলং শৃঙ্গৈর্মুহুস্তাড়িতং
ছায়াবদ্ধকদম্বকং মৃগকুলং ৰোমন্থমভ্যস্যতু।
বিশ্ৰব্ধং ক্ৰিয়তাং বৰাহততিভির্মুস্তাক্ষতিং পল্বলে
বিশ্ৰামং লভতামিদং চ শিথিলজ্যাবন্ধমস্মদ্ধনুঃ॥
(দ্বিতীয় অঙ্ক—৬ শ্লোক)

মৃগয়া-বিলাসীৰ এই আকস্মিক মৃগয়া-বিতৃষ্ণা দেখি সেনাপতি আচৰিত হ'ল, কিয়নো ইয়াৰ আচল কাৰণ তেওঁ নেজানে।

বিদূষকৰ আগত শকুন্তলাৰ ৰূপ বৰ্ণনা কৰোঁতেও তেওঁ সাধাৰণ ইন্দ্ৰিয়-সাপেক্ষ কামুক ব্যক্তিৰ দৰে কোনো বৰ্ণনা কৰা নাই। শকুন্তলাৰ কোনো অঙ্গৰে তাত উল্লেখ নাই। অনবদ্য ভাষাৰে মাথোন অখণ্ড-ৰূপৰ সৌন্দৰ্য্যৰ বৰ্ণনা কৰিছে।

"অনাঘ্ৰাতং পুষ্পং কিসলয়মলূনং কৰৰুহৈঃ
অনাবিদ্ধং ৰত্নং মধু নৱমনাস্বাদিতৰসম্।
অখণ্ডং পুণ্যানাং ফলমিব চ তদ্ৰূপমনঘং
ন জানে ভোক্তাৰং কমিহ সমুপস্থাস্যতি বিধিঃ"॥
(দ্বিতীয় অঙ্ক—১০)

এই বহু-উদ্ধৃত (oft-quoted) শ্লোকটোৰ 'অনাঘ্ৰাত পুষ্প', 'তেওঁৰ নিষ্পাপৰূপ অখণ্ড পুণ্যৰ ফল' ইত্যাদি উপমাৰ দ্বাৰা শকুন্তলাৰ ৰূপ আৰু দুষ্যন্তৰ দৃষ্টি-ভঙ্গীৰ পবিত্ৰতা আৰু গভীৰতা ফুটি উঠিছে।

প্ৰথম অঙ্কত ৰূপ-যৌৱনসম্পন্না শকুন্তলাই দুষ্যন্তৰ মনোৰথ (end in itself), পঞ্চম আৰু ষষ্ঠ অঙ্কত অন্তঃসত্বা পুত্ৰৱতী শকুন্তলাই তেওঁৰ মনোৰথ (means to an end); আৰু সপ্তম অৰ্থাৎ শেহ অঙ্কত শকুন্তলা নহয়, পুত্ৰ ভৰতহে তেওঁৰ মনোৰথ। ভৰতক তেওঁ নিজৰ পুত্ৰ বুলি জানিব পাৰি কৈছে, 'কথং সম্পূৰ্ণং মনোৰথং নাভিনন্দামি'। প্ৰথম আৰু দ্বিতীয় অঙ্কত শকুন্তলা হৈছে—'অনাঘ্ৰাতং পুষ্পং'; জাৰ্ম্মান কবি-সম্ৰাট Goethe-ৰ ভাষাত 'young year's blossoms'; শেহৰ অঙ্কত তেওঁৰ পুতেক ভৰত হ'ল—'অখণ্ডং পুণ্যানাং ফলম্'; Goethe-ই যাক 'the fruit of its decline' বুলিছে।

দুষ্যন্তৰ চৰিত্ৰৰ উদাৰতা আৰু মহত্ব বহুত ৰূপত প্ৰকাশিত হৈছে। তেওঁ দেৱতা, দ্বিজ, ঋষি, স্ত্ৰী আদিৰ প্ৰতি শ্ৰদ্ধাশীল। তপোবনত তেওঁ সদায় বিনীত বেশত প্ৰৱেশ কৰে। পঞ্চম অঙ্কত অভিশাপৰ কাৰণে শকুন্তলাক তেওঁ চিনিব নোৱাৰি প্ৰত্যাখ্যান কৰে। গৌতমীয়ে শকুন্তলাৰ মুখখন দেখিলে তেওঁক চিনিব পাৰিব বুলি কোৱাত তেওঁ তৎক্ষণাৎ ক'লে, 'অনিৰ্বৰ্ণনীয়ং পৰকলত্ৰম্'—পৰস্ত্ৰীৰ মুখলৈ চোৱা অনুচিত। আকৌ সপ্তম অঙ্কত নিজে নেজানি কৰা অপৰাধৰ বাবে পত্নীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিবলৈকো তেওঁ কুণ্ঠা-বোধ কৰা নাই।

যি কোনো দ্বিতীয় শ্ৰেণীৰ নাট্যকাৰে দুৰ্ব্বাসাৰ অভিশাপ একান্ত বুলি মানি ললেহেঁতেন। কিন্তু মানৱমনস্তত্বজ্ঞ কালিদাসে একান্ত বুলি মানি লোৱা নাই; তেওঁ মানুহৰ মনক সকলোতকৈ ওপৰত ঠাই দিছে। দুষ্যন্তই বুদ্ধিৰ বিচাৰত (শাপ প্ৰভাৱত) ধৰ্ম্মপত্নীক নেজানি প্ৰত্যাখ্যান কৰিছে কিন্তু তেওঁৰ হৃদয়ে বুদ্ধিৰ ৰায় (সিদ্ধান্ত) মানি লব পৰা নাই। তুলনীয় —

(ক) 'নখলু সপদি ভক্তুং ন শক্নোমি হাতুম্'।
(খ) 'কামং প্ৰত্যাদিষ্টাং স্মৰামি ন পৰিগ্ৰহং মুনেস্তনয়াম্।
বলৱত্তু দূয়মানং প্ৰত্যায়য়তীৱ মে হৃদয়ম্'॥

শকুন্তলা কুসুমতকৈয়ো কোমল; সহ্য, ধৈৰ্য্য আদি বিষয়ত কিন্তু বজ্ৰতকৈয়ো কঠিন। দুষ্যন্ত বুদ্ধিৰ বলত বলীয়ান, শকুন্তলা হৃদয়ৰ বলত বলীয়ান। শকুন্তলাৰ জন্মদাতা পিতৃ বিশ্বামিত্ৰ, মাতৃ অপেশ্বৰী মেনকা, পালকপিতা কণ্ব, তপোভঙ্গত তেওঁৰ জন্ম। মাকৰ অসংযম, পিতাৰ তপোভঙ্গ, পালকপিতা কণ্বৰ সংযম আৰু সৎশিক্ষা, সখীয়েক দুগৰাকীৰ মধুৰ



প্ৰভাৱ—এই আটাইবোৰ মিলি শকুন্তলাৰ চৰিত্ৰক অপূৰ্ব্ব কৰি তুলিছে। দুষ্যন্তই কৰ্ত্তব্য-নিষ্ঠাৰ কাৰণে প্ৰেমক তুচ্ছ জ্ঞান কৰিব পাৰে, কিন্তু শকুন্তলাই প্ৰেমৰ গভীৰতাত প্ৰিয়জনৰ চিন্তাত কেৱল কৰ্ত্তব্যই নহয় বিশ্ব-সংসাৰকো পাহৰি যায়। দুষ্যন্তৰ প্ৰেম আত্ম-সচেতন, শকুন্তলাৰ প্ৰেম আত্ম-বিলোপকাৰী। তেওঁ নিজৰ অস্তিত্ব প্ৰেমিকৰ অস্তিত্বত বিলীন কৰি দিছে। সেই কাৰণে চতুৰ্থ অঙ্কত দুষ্যন্তৰ চিন্তাত নিমগ্ন হৈ থাকোতে তেওঁ দুৰ্ব্বাসাৰ নিচিনা ভীষণ ঋষিৰ আগমন ঘোষণা—'অয়মহং ভোঃ' নাইবা তেওঁৰ ঘোৰ অভিশাপবাণী একোৱেই শুনা নাপালে আৰু ঋষিৰ প্ৰতি অতিথি-সৎকাৰৰ কৰ্ত্তব্য পাহৰি গ'ল। আনফালে দুষ্যন্তই ষষ্ঠ অঙ্কত আঙঠিটো পোৱাৰ পিছত শকুন্তলাৰ কাৰণে বিলাপ কৰি কৰি দিনে ৰাতিয়ে চকুলো টুকি থকা অৱস্থাতো বিদূষকৰ আৰ্ত্তনাদ শুনি ততালিকে প্ৰাসাদৰ ওপৰলৈ গ'ল আৰু ইন্দ্ৰই স্বৰ্গত দৈত্য বধ কৰিবলৈ তেওঁক নিবলৈ পঠিয়াইছে বুলি শুনি মাতলিৰে সৈতে স্বৰ্গ লৈ গমন কৰিলে। এনে অৱস্থাত শকুন্তলাই কেতিয়াও এই আৰ্ত্তনাদ শুনা নাপালেহেঁতেন; প্ৰেমৰ গভীৰতাত শকুন্তলাৰ বহিৰিন্দ্ৰিয় ৰুদ্ধ, কৰ্ত্তব্য-জ্ঞান লুপ্ত, বুদ্ধি-বৃত্তি হৃদয়বৃত্তিত লীন। প্ৰণয়িনীৰ চিন্তাত বিভোল হোৱা অৱস্থাতো দুষ্যন্তৰ বুদ্ধি-বৃত্তি আৰু কৰ্ত্তব্যজ্ঞান সজাগ। দুষ্যন্ত শকুন্তলাৰ বিৰহত উন্মাদৰ নিচিনা হৈছে, শকুন্তলাই কিন্তু ৰমণী হৈয়ো দুষ্যন্তৰ নিষ্ঠুৰ প্ৰত্যাখ্যানক ধীৰ স্থিৰভাৱে সহ্য কৰিছে।

দুষ্যন্ত কৰ্ত্তব্য-নিষ্ঠ বীৰ, ৰণদক্ষ; কিন্তু শোকত উন্মাদৰ নিচিনা হৈ পৰিছে। বীৰত্ব আৰু সহিষ্ণুতা দেখুৱাব পৰা নাই, শকুন্তলা কিন্তু অবলা ৰমণী হৈয়ো বীৰৰ দৰে শোক সহ্য কৰিছে—বাতুলৰ নিচিনা হোৱা নাই। ইয়াৰ কাৰণ এয়ে যে পুৰুষ বুদ্ধিৰ বলত বলীয়ান, ৰমণী হৃদয়ৰ বলত বলীয়ান। অন্তঃসত্বা ৰমণীয়ে পুত্ৰৰ মঙ্গলৰ কাৰণে সকলো সহ্য কৰিব পাৰে। সেয়েহে গৰ্ভস্থ পুত্ৰৰ মঙ্গলৰ কাৰণে শকুন্তলা সংযত হৈ আছে। দুষ্যন্তক তেওঁ এবাৰো দোষাৰোপ কৰা নাই। সীতা আদি সতী সাধ্বী আৰ্য্য ৰমণী-সকলৰ দৰে তেওঁ নিজৰ ভাগ্যকেই দোষ দিছে—'স্বানি ভাগ্যানি নিন্দন্তী বালা'। নিষ্ঠুৰ ব্যৱহাৰ কৰা সত্বেও তেওঁ পতিক বাক্যেৰেও আঘাত কৰা নাই। সকলো নীৰৱে সহ্য কৰিছে। শেহৰ অঙ্কত পুত্ৰ ভৰতে দুষ্যন্তক দেখি যেতিয়া 'এই পুৰুষজন কোন' বুলি মাকক সুধিছে তেতিয়াও শকুন্তলাই কৈছে, 'বাছা, তোৰ ভাগ্যক সোধ'; দুষ্যন্তক অপবাদ দিয়া বা হেয়জ্ঞান কৰা নাই। ইয়াতেই তেওঁৰ প্ৰেমৰ গভীৰতা, ইয়াতেই তেওঁৰ প্ৰেমৰ জয়, দুখৰ জয় আৰু পতিব্ৰতাৰ তপস্যাৰ জয়।

এই দুটি চৰিত্ৰ বিশ্লেষণ কৰি আমি দেখা পালোঁ যে মহাকবি কালিদাসে তেওঁৰ নাটকত মানৱ-চৰিত্ৰ চিত্ৰণত অদ্ভুত অন্তৰ্দৃষ্টি আৰু মনস্তত্বজ্ঞৰ পৰিচয় দিছে। সেই কাৰণেই তেওঁক আমি মানৱ-চৰিত্ৰৰ যাদুকৰ বুলিব পাৰোঁ। *

* ডিব্ৰুগড় সাহিত্য সভাৰ আলোচনা চক্ৰত পঠিত।

# হিন্দী মহাকাব্যৰ ৰূপৰেখা

শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা

ভাৰতীয় কাব্যমৰ্ম্মজ্ঞ আৰু পাশ্চাত্য কাব্যালোচকসকলে মহাকাব্যৰ বিভিন্ন লক্ষণ নিধাৰিত কৰি থৈ গৈছে। এই লক্ষণবোৰ সুক্ষ্ম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিলে আৰু সেই বিষয়ে গভীৰভাবে চিন্তা কৰি চালে দেখা যায় যে এই লক্ষণবোৰৰ মৌলিক পাৰ্থক্য অতি কম। প্ৰায় সকলো আলোচকেই স্বীকাৰ কৰে যে মহাকাব্য এবিধ বৃহদাকাৰ, বৰ্ণনাপ্ৰধান কাব্য। ইয়াত ব্যক্তি-ভাবনাতকৈ সমষ্টি-ভাবনাৰ প্ৰভাৱ অধিক। ইয়াৰ বিষয়-বস্তু পৰম্পৰা-সমাদৃত, নায়ক উচ্চ বংশজাত আৰু ধীৰ প্ৰকৃতি-সম্পন্ন। তেওঁৰ উক্তি কোনো এজন ব্যক্তিৰ উক্তি নহয়, সমগ্ৰ যুগৰ উক্তি। মহাকাব্য যেতিয়া সকলো গুণেৰে বিভূষিত হয়, তেতিয়া ই মানৱ জীৱনৰ প্ৰাণ-সঞ্চাৰকাৰী কাব্য হৈ পাৰে।

এৰিষ্টটলে 'পয়েটিক্স' আৰু দণ্ডীয়ে 'কাব্যাদৰ্শ'ত মহাকাব্যৰ বিষয়ে আলোচনা কৰিছে। তেওঁলোকে ইয়াৰ বাহ্যিক ৰূপৰেখা আৰু শিল্প বিধানত অধিক গুৰুত্ব দিছে। এৰিষ্টটলে কৈছে, "মহাকাব্যত এটা বিষয়, এটা কাৰ্য্য নিজেই নিজত সিদ্ধ হৈ আদি-মধ্য-অন্তলৈ চলি থাকে।" দণ্ডীৰ মতে সৰ্গবদ্ধ, মঙ্গলাচৰণ-যুক্ত, ইতিহাস-আধাৰিত, সদাশ্ৰয়াৱলম্বী, চতুৰ্বিধ ফলদাতা, উদাৰ, বুদ্ধিমান নায়কযুক্ত কাব্য 'মহাকাব্য' নামেৰে অভিহিত হ'ব পাৰে। বিশ্বনাথে 'সাহিত্য-দৰ্পণত' দণ্ডীৰ বক্তব্যকেই অক্ষুণ্ণ ৰাখিছে। বিশ্বনাথ আদি ভাৰতীয় আৰু পাশ্চাত্য কাব্যালোচকসকলে নিৰ্ধাৰিত কৰি যোৱা মহাকাব্যৰ লক্ষণবোৰৰ অনেকাংশ আজি নিৰৰ্থক প্ৰতিপন্ন হৈছে। ইয়াৰ কাৰণ, এই কাব্য শাস্ত্ৰকাৰসকলে মহাকাব্যৰ শিল্প-বিধান সম্পৰ্কে যিমান অনুশীলন, অধ্যয়ন আৰু মনন কৰিছে, বস্তু-বিধান সম্বন্ধে সিমান কৰা নাই। যি কোনো প্ৰকাৰ সাহিত্যতেই শিল্প আৰু বস্তুৰ মহত্ব আৰু গুৰুত্ব সমানভাবে স্বীকাৰ্য্য।

এই কাব্যালোচকসকলৰ কাব্য-সিদ্ধান্তৰ জটিলতালৈ নগৈ আমি সহজভাবেই কব পাৰোঁ যে, মহাকাব্য জীৱন-জগতৰ শাশ্বত সম্বন্ধৰ যাউতিযুগীয়া প্ৰতিচ্ছবি। ইয়াত এনে শাশ্বত আৰু পৰম সত্যৰ অভিব্যক্তি ঘটে যাৰ সহায়ত আমি জীৱন-সমস্যাৰ সমাধান বিচাৰি পাব পাৰোঁ। একে আষাৰে কবলৈ গলে, মহাকাব্য নিজস্ব গৰিমামণ্ডিত সেই কাব্যৰূপ য'ত জীৱন-সমস্যাৰ নিদৰ্শন, মানৱীয় চেতনাৰ স্পন্দন, জীৱন-জগতৰ ঐক্যতান আৰু যুগ-জাগৰণৰ প্ৰাণমন্ত্ৰৰ প্ৰতিধ্বনি প্ৰবাহমান। আচাৰ্য্য নন্দদুলাৰে বাজপেয়ীৰ ভাষাৰে কবলৈ গলে "মহাকাব্যৰ উদ্দেশ্য জাতীয় সংস্কৃতিৰ মহাপ্ৰবাহ, সভ্যতাৰ উদ্‌গম, সঙ্গম, প্ৰলয়, মহাচৰিত্ৰৰ বিৰাট উৎকৰ্ষ অথবা আত্ম-তত্বৰ চিৰ অনুভূত সত্য-দৰ্শনত নিহিত হৈ আছে।"

হিন্দী সাহিত্যৰ আদিকালৰ ৰচনা চন্দবৰদাইৰ 'পৃথ্বিৰাজ ৰাসো'ৰে হিন্দী মহাকাব্য-পৰম্পৰাৰ পাতনি মেলিছে বুলি কব পাৰি। প্ৰাচীন আলোচকসকলৰ কাব্যালোচনাৰ লক্ষণবোৰ আগত লৈ বহুত আলোচকে 'পৃথীৰাজ ৰাসো'ক মহাকাব্য শ্ৰেণীভুক্ত কৰিছে যদিও, ইয়াক প্ৰকৃততে মহাকাব্য বুলি কবলৈ টান লাগে।



অভিব্যক্তিৰ দীনতা, ঘটনা-বিকাশৰ দুৰ্ব্বলতা আৰু শিথিলতাই ইয়াৰ কাব্য-সৌন্দৰ্য্য বহুত পৰিমাণে ক্ষুণ্ণ কৰিছে। ডাঃ শ্যামসুন্দৰ দাসে ইয়াক 'মহাকাব্য' বুলি নকৈ 'বিশাল বীৰকাব্য' বুলিহে কৈছে।

হিন্দী সাহিত্যৰ ভক্তিকালত গোস্বামী তুলসীদাসৰ অপূৰ্ব্ব মহাকাব্য 'ৰামচৰিতমানস' পাওঁ। ভাৰতীয় কাব্যমীমাংসকসকলে নিৰূপণ কৰি যোৱা আটাইবোৰ লক্ষণ ৰামচৰিতমানসত ফুটি নুঠিলেও ই প্ৰকৃত মহাকাব্য—হিন্দী সাহিত্যৰ সৰ্ব্বশ্ৰেষ্ঠ মহাকাব্য। মানস বৃহদাকাৰ হলেও কেৱল সাতখণ্ডত বিভক্ত। মানসৰ বালকাণ্ড প্ৰস্তাৱনা আৰু উত্তৰকাণ্ড উপসংহাৰ। মধ্যাংশত মহাকাব্য আৰু নাটকীয়ত্বৰ যি সুমধুৰ সংমিশ্ৰণ ঘটিছে, সি বিশ্বসাহিত্যতেই তুলনাৰিহীন। মানসৰ আদ্যোপান্ত পঢ়ি আমি কতো অস্বস্তি অনুভৱ নকৰোঁ। কাৰণ, কৱিয়ে কাব্যত যি কথা কবলৈ গৈছে তাৰ আভাস আমি প্ৰথমৰ পৰাই পাওঁ। এই কাৰণেই কাব্য-বৰ্ণনা যেতিয়াই যি ৰূপতেই দেখা নিদিয়ক, সি আমাৰ কষ্ট-কল্পনাৰ বিষয় নহয়। মানসৰ ৰাম বাল্যাৱস্থাত আমাৰ ভাতৃ, কৌশল্যা আমাৰ মাতৃ, দশৰথ আমাৰ বৃদ্ধ পিতা। গুৰুৰ লগত যাবলৈ আজ্ঞা দিয়াৰ সময়ত দশৰথৰ তেনে দুখেই লাগে, যেনে দুখ বৃদ্ধ পিতাৰ পক্ষে স্বাভাৱিক। পুত্ৰই আজ্ঞা পালনত সঙ্কোচ নকৰে। ৰামে ধনুৰ্বিদ্যা শিক্ষা কৰে, বনে বনে বিচৰণ কৰি ফুৰে, যৌৱনত কুমাৰীৰ প্ৰেমপাশত আবদ্ধ হয়। এই সকলো বৰ্ণনা স্বাভাৱিক, সজীৱ আৰু সতেজ। বিশেষকৈ, সীতা-দৰ্শনৰ সময়ত ৰাম আৰু লক্ষণৰ বাৰ্ত্তালাপ অতীৱ সুন্দৰ। এই সৌন্দৰ্য্য বাল্মীকিয়ে ৰামায়ণত সৃষ্টি কৰিব পৰা নাই। ৰামৰ বনযাত্ৰাৰ চিত্ৰাঙ্কণৰ সৌন্দৰ্য্যও মন কৰিবলগীয়া। মানস-চিত্ৰ অঙ্কণত তুলসীদাসে যেনে নিপুণতা বালকাণ্ড আৰু অযোধ্যাকাণ্ডত দেখুৱাইছে, আন কোনো কাণ্ডতে তেনে নিপুণতা দেখুৱাব পৰা নাই। উত্তৰকাণ্ড প্ৰধানকৈ জ্ঞানপিপাসু আৰু তত্বজ্ঞসকলৰ কাৰণে।

ভাব, কাব্য-সৌন্দৰ্য্য, হৃদয়গ্ৰাহিতা, ব্যাপকতা—সৰ্ব্ব দৃষ্টিকোণৰ পৰা মানস এক অসাধাৰণ গ্ৰন্থ-যাৰ তুলনা বিশ্বৰ যি কোনো মহাকাব্যৰ লগতেই হব পাৰে। মানস মানৱ-সংসাৰৰ সেই অমৰ কাব্যসমূহৰ এখন, যাক কাব্যৰ ক্ষণভঙ্গুৰ অস্তিত্বৰ কালিমাই কলুষিত কৰিব পৰা নাই, য'ত মানৱ জীৱনৰ মূলতত্বৰ ব্যাপক আৰু বিশদ মৰ্ম্মোদঘাটন হৈছে। তুলসীদাসে মানসৰ ৰচনা নিজ দৃষ্টি কোণৰপৰা কৰা নাই, সমগ্ৰ বিশ্ব-মানসৰ দৃষ্টিকোণৰ পৰাহে কৰিছে। মানসত জীৱনৰ মাৰ্ম্মিক চিত্ৰাঙ্কণ, প্ৰকৃতিৰ শান্ত সৌন্দৰ্য্য, দৰ্শনৰ নিগূঢ় সাধনা, কাব্যৰ অলৌকিক আভা, ভক্তিৰ মৰ্য্যাদা, সৰ্ব্বধৰ্ম্মৰ সমন্বয় ভাৱনা আৰু জীৱন-ঐক্যৰ মহান সন্দেশ বৰ্ত্তমান। মানসত প্ৰবন্ধপটুতা, প্ৰকৃতি বৰ্ণনা, চৰিত্ৰ চিত্ৰণ, কথোপকথন নানা ৰসৰ মনোৰম চিত্ৰণৰ লগতে সমাজনীতি, লোকধৰ্ম্ম আৰু লোক কল্যাণৰ ভাৱনাও নিহিত হৈ আছে। মানসৰ সবাতোকৈ ৰমণীয় আৰু লোভনীয় সৌন্দৰ্য্য হৈছে, শান্তৰসৰ অতল সমুদ্ৰ য'ত অৱগাহন কৰি মানৱ শুচিস্নাত হব পাৰে। মানস কৱিৰ এনে বৈশিষ্ট্যলৈ লক্ষ্য কৰিয়েই ডাঃ ৰামকুমাৰ বৰ্মাই কৈছে "তুলসীৰ কাব্য-কলা আৰু প্ৰতিভা ইমান উৎকৃষ্ট প্ৰমাণিত হৈছে যে, তেওঁৰ পিছৰ কোনো কৱিয়েই ৰামচৰিত সম্বন্ধীয় ৰচনাই মানসৰ সমান প্ৰসিদ্ধি লাভ কৰিব পৰা নাই।" অপৰাজেয় কথা-শিল্পী প্ৰেমচন্দৰ 'গোদান' হিন্দী উপন্যাস-সাহিত্যত একক আৰু অপ্ৰতিদ্বন্দ্বী সৃষ্টিৰূপে পৰিগণিত হৈ থকাৰ দৰে, তুলসীদাসৰ মানসো যথাৰ্থ বিচাৰত হিন্দী কাব্যাকাশত অকলশৰীয়া ভোটা-তৰাৰ দৰে জিলিকি আছে।

গোস্বামীজীয়ে এই মহাকাব্যত ধাৰ্ম্মিক আৰু

সামাজিক বিভিন্ন সিদ্ধান্ত আৰু বিশ্বাসৰ এটা সমন্বয়াত্মক ৰূপ দিবলৈ চেষ্টা কৰিছে। জ্ঞান আৰু ভক্তি, প্ৰবৃত্তি আৰু নিবৃত্তি, জীৱ আৰু ব্ৰহ্ম, লোকজ্ঞান আৰু তত্ত্বজ্ঞানৰ অপূৰ্ব্ব সামঞ্জস্য এই মহাকাব্য। অখিল বিশ্বত সদ, অসদ, অন্ধকাৰ-প্ৰকাশ বিদ্যা-অবিদ্যা, ধৰ্ম-অধৰ্মৰ নিৰন্তৰ দ্বন্দ্ব চলিব লাগিছে। 'মানসত ব্ৰহ্মৰ ব্যক্ত প্ৰবৃত্তিৰ লগত মোহাসক্ত ৰাৱণৰ কুপ্ৰবৃত্তিৰ দ্বন্দ্ব দেখুৱা হৈছে আৰু জগতৰ স্থিতি ৰক্ষাৰ হেতু ব্ৰহ্মশক্তিৰ উত্তৰোত্তৰ বিকাশৰ ৰূপৰেখা ৰচনা কৰা হৈছে। গোস্বামীজীয়ে এই অপূৰ্ব্বকীৰ্ত্তি মানসত ৰামকথা ৰচনা কৰি নিজ যুগৰ পৰা বহুত দূৰ আগুৱাই গল। নিজৰ অমূৰ্ত্ত, আন্তৰিক ভক্তি-প্লাৱিত ভাৱনাক মূৰ্ত্ত, বাহ্যিক, লৌকিক ৰূপ দিলে, সূক্ষ্মক স্থূল কৰিলে; প্ৰেম, ভক্তি, মৰ্য্যাদা, লোকপক্ষ অধ্যাত্মপক্ষৰ অভূতপূৰ্ব্ব সামঞ্জস্য নিৰাকৰণ কৰি পৈ গল।

হিন্দী সাহিত্যৰ আধুনিক কালৰ সৰ্ব্বপ্ৰথম মহাকাব্য হৰিঔধৰ 'প্ৰিয়-প্ৰবাস'। আদৰ্শ প্ৰেম কিদৰে বিশ্বপ্ৰেমত ৰূপান্তৰিত হয়, এই কথাই হৰিঔধজীয়ে 'প্ৰিয়-প্ৰবাস'ত দেখুৱাবলৈ চেষ্টা কৰিছে। এই মহাকাব্যৰ বিশেষত্ব এয়ে যে কৱিয়ে ইয়াত ভগৱান শ্ৰীকৃষ্ণক লোকনায়ক আৰু লোক-ৰক্ষকৰূপে চিত্ৰিত কৰিছে আৰু তাৰ যোগেদি লোকসেৱাৰ ভাৱনা প্ৰতিষ্ঠা কৰিছে। মহাবৃষ্টিৰ ফলত সৃষ্টি হোৱা প্ৰলয়-ত্ৰাসত মিয়মান ব্ৰজবাসী দুখ-যাতনা দূৰ কৰিবৰ মানসে শ্ৰীকৃষ্ণ স্বয়ং সেৱকৰূপে ধৰা দিছে। 'প্ৰিয়-প্ৰবাস'ৰ শ্ৰীকৃষ্ণক আমি ভাগৱতৰ লীলা-পুৰুষোত্তমৰূপে নহয়— কৰ্ত্তব্যপ্ৰাণ, লোকৰঞ্জক আৰু দুষ্ট দমনকৰ্ত্তাৰূপেহে পাইছোঁ।

মৈথিলীচৰণ গুপ্তৰ 'সাকেত' আধুনিক হিন্দী মহাকাব্য-পৰম্পৰাৰ দ্বিতীয় উল্লেখযোগ্য কীৰ্ত্তি। সাকেতত গুপ্তজীয়ে ৰামায়ণৰ কথাকেই কিছুদূৰ ভিন্ন ৰূপত প্ৰতিষ্ঠা কৰিছে। ইয়াত বিশেষকৈ কাব্যৰ উপেক্ষিতা উৰ্ম্মিলাৰ ত্যাগৰ মহত্ত্ব প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছে। এই মহাকাব্যৰ প্ৰায় সকলো চৰিত্ৰতেই অলপ নহয় অলপ অভিনৱত্ব বিচাৰি পোৱা গলেও, উৰ্ম্মিলা আৰু কৈকেয়ীৰ চৰিত্ৰ দুটাইহে কাব্যত প্ৰাণ সঞ্চাৰ কৰিছে। উৰ্ম্মিলাৰ বিৰহ-বৰ্ণনা কৱিৰ পৰিপক্ক কাব্য-কলাজ্ঞান আৰু অসামান্য কল্পনা-শক্তিৰ পৰিচায়ক। প্ৰাচীন আৰু নবীন বৰ্ণনা বৈশিষ্ট্যৰ সুন্দৰ সমন্বয়।

'প্ৰিয়-প্ৰবাস' আৰু সাকেতৰ পিছত অনেক কাব্যগ্ৰন্থৰ সৃষ্টি হৈছে। 'ৰামচৰিত চিন্তামণি', 'বৈদেহীবনবাস', 'সিদ্ধাৰ্থ', 'আৰ্য্যাৱৰ্ত্ত', 'হলদীঘাটী', 'নুৰজহাঁ', 'বিক্ৰমাদিত্য', 'সাকেত-সন্ত', 'কুৰুক্ষেত্ৰ', 'কুণাল', 'কৈকেয়ী', 'কৃষ্ণায়ণ', 'বিদেহ', 'মধুপুৰী', 'তপ্তগৃহ' আদি উল্লেখযোগ্য। এই কাব্যগ্ৰন্থবোৰৰ সৰহভাগেই পূৰ্ব্ববৰ্ত্তী মহাকাব্যকেইখনৰ অনুকৰণ মাত্ৰ। এইবিলাকক 'মহাকাব্য' বুলি নকৈ 'মহান কাব্য' বুলি কলেহে যথাৰ্থ বিচাৰ কৰা হয়।

কিন্তু এই শিথিলতা আৰু দুৰ্ব্বলতাৰ অদ্ভুত ব্যতিক্ৰম হ'ল জয়শঙ্কৰ প্ৰসাদৰ 'কামায়নী'। 'ৰাম-চৰিতমানস'ৰ পিছতেই কামায়নী' হিন্দী সাহিত্যৰ সাৰ্থক মহাকাব্য। কামায়নীত প্ৰসাদে ঐতিহাসিক তত্ত্ব আৰু কল্পনাতত্ত্বৰ সুন্দৰ সমন্বয় সাধন কৰিছে। কামায়নী'ৰ বিষয়-বস্তু বৈদিক উপাখ্যানাদিৰপৰা লোৱা হৈছে। বিভিন্ন বৈদিক সংহিতা, শতপথ ব্ৰাহ্মণ, উপনিষদ, পুৰাণ আৰু অন্যান্য ঐতিহাসিক গ্ৰন্থত 'কামায়নী'ৰ কথা-সামগ্ৰী সিচৰিত হৈ আছে। ঋগবেদ, শতপথ ব্ৰাহ্মণ, ছান্দোগ্য উপনিষদ, ভাগৱত পুৰাণ, মনুস্মৃতি, মহাভাৰত আদিত মনু আৰু শ্ৰদ্ধাৰ কথা আছে। এই সকলো উপকৰণৰ আধাৰত আৰু জল-প্লাৱনৰ বিশ্ব-প্ৰসিদ্ধ ঘটনাৰ অৱলম্বনত 'কামায়নী'ৰ বিষয়-বস্তু গঢ়ি উঠিছে। মনু, শ্ৰদ্ধা



আৰু ইড়া 'কামায়নী'ৰ প্ৰধান চৰিত্ৰ। মনু প্ৰথমে শ্ৰদ্ধা, পিছত ইড়াৰ লগত বৈবাহিক সূত্ৰত আবদ্ধ হয়। মনুৱে মনুষ্য, শ্ৰদ্ধাৱে বিশ্বাসময়ী ৰাগাত্মিকা বৃত্তি আৰু ইড়াৱে তৰ্ক-কুতৰ্ক প্ৰধান বুদ্ধিৰ আশ্ৰয় দাঙি ধৰাৰ কাৰণে এই মহাকাব্যত এক বিলক্ষণ সৌন্দৰ্য্যৰ সৃষ্টি হৈছে। এই মহাকাব্যৰ নায়ক আদি পুৰুষ মনু, আৰু ইয়াত নতুন সভ্যতাৰ প্ৰতিষ্ঠা কিদৰে হৈছে, আৰু মানৱতাৰ নতুন যুগৰ সূত্ৰপাত কিদৰে হল, তাকেই দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

ঐতিহাসিক মহাকাব্য হলেও প্ৰসাদে 'কামায়নী'ত মনোবৈজ্ঞানিক আধাৰত কাব্যতত্ত্বৰ সুমধুৰ সমন্বয় সাধন কৰিছে। ব্যক্তি আৰু সমষ্টি ৰূপত কৱিয়ে ইয়াত জীৱনৰ ক্ৰমিক ভাৱনাৰ বিকাশ দেখুৱাইছে। 'কামায়নী'ত যি কোনো তত্ত্বৰ পোনপটীয়া ব্যঞ্জনা নকৰি প্ৰতীকাত্মক ৰূপতহে কৰা হৈছে। ইয়াত মনু চিত্তবৃত্তিৰ, শ্ৰদ্ধা ৰাগাত্মক হৃদয়বৃত্তিৰ আৰু ইড়া বুদ্ধিৰ প্ৰতীকৰূপে অৱতীৰ্ণ হৈছে। কামায়নীৰ কথা-বস্তুৰ ঐতিহাসিকতা মানৱ সভ্যতাৰ বিকাশৰ প্ৰতীক, প্ৰাচীন আখ্যান বা বৃত্তান্তমাত্ৰ নহয়। মনু, শ্ৰদ্ধা আৰু ইড়াক প্ৰতীক ৰূপত লৈ প্ৰসাদে আচলতে মানৱ বিকাশৰ ইতিহাস লিখিছে।

'কামায়নী'ত মহাকৱিয়ে শ্ৰদ্ধা আৰু ইড়া—হৃদয় আৰু মস্তিস্কৰ সমন্বিত ভাৱনাৰ আধাৰত আনন্দবাদ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। মন আৰু হৃদয়ৰ সমন্বয় কামনা কৰি কৱিয়ে কৈছে, "সমন্বয় উসকা কৰে সমস্ত বিজয়নী মানৱতা হো জায়।" এই উক্তিৰে কৱিয়ে প্ৰকাৰান্তৰে সমষ্টিগত কল্যাণ কামনা কৰিছে। বৈষম্যৰ ফলত সৃষ্টি হোৱা অশান্তিৰ একমাত্ৰ প্ৰতিকাৰ শ্ৰদ্ধাযুক্ত বুদ্ধি। যুগৰ সমস্ত সমস্যাৰ সমাধান এই সমন্বয় আৰু সামঞ্জস্য ভাৱনাত নিহিত হৈ আছে।

'কামায়নী'ত মহাকৱিৰ বিৰাট কল্পনা, অগাধ দাৰ্শনিকতা আৰু সূক্ষ্ম মনোবৈজ্ঞানিকতাৰ পৰিচয় জীৱন্ত হৈ উঠিছে। ইয়াত মহাকৱিয়ে জীৱন ভাৱনাৰ বিশদ বিশ্লেষণ কৰি মানৱ জীৱনৰ এটা নিশ্চিত মৰ্য্যাদা প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। সূক্ষ্ম ভাৱনাৰ বিশ্লেষণৰ কাৰণে ঠায়ে ঠায়ে কাব্য প্ৰৱাহত শিথিলতা আহি পৰিলেও আৰু ৰহস্যবাদী চিন্তাৰ অস্পষ্টতা দোষে কোনো কোনো অংশ চুই গলেও কামায়নীত এনে এক সুকীয়া সৌন্দৰ্য্য আৰু অভিনৱত্ব আছে যাৰ কাৰণেই হিন্দী সাহিত্যতেই নহয়, বিশ্ব সাহিত্যতো বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। গোস্বামী তুলসীদাসৰ 'ৰামচৰিতমানস' হিন্দী মহাকাব্য-পৰম্পৰাৰ উৎস আৰু জয়শঙ্কৰ প্ৰসাদৰ 'কামায়নী' এই উৎসৰেই সাৰ্থক পৰিণতি। এই পৰিণতিত এটি মাথোন সত্য বিৰাজমান। সেই-টোৱেই হৈছে অমৰ জীৱনৰ অনন্ত সঙ্গীত।

# অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ষষ্ঠ অধিৱেশন

১৪ জুলাই ১৯৬২

উপস্থিত : শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী—সভাপতি, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—উপসভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মা—ধনৰ্ভঁৰালী, শ্ৰীহৰিপ্ৰসাদ নেওগ—সহকাৰী সম্পাদক,

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীউমাকান্ত শৰ্ম্মা, শ্ৰীগুনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীচৈয়দ আব্দুল মালিক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীভৱানন্দ ৰাজখোৱা, শ্ৰীলীলা গগৈ, শ্ৰীমেদিনীকান্ত ঠাকুৰীয়া, শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশী, শ্ৰীধৰ্ম্মকান্ত গোহাঁই।

বিশেষভাৱে নিমন্ত্ৰিত : শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা।

শ্ৰীৰঘুৰা তাঁতী আৰু শ্ৰীমতী লক্ষহীৰা দাসে সভাত উপস্থিত থাকিব নোৱাৰিব বুলি জনায়।

গুৱাহাটীত অসম একাডেমি ফৰ্ কাল্চাৰেল এফেয়াৰ্ছৰ কাৰ্য্যালয়ত ১৪ জুলাই ১৯৬২ তাৰিখে আবেলি ৫ বজাৰপৰা অধিৱেশন বহে।

১। সভাৰ আৰম্ভণিতে শ্ৰীঅম্বিকাপ্ৰসাদ গোস্বামী, পণ্ডিত শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী আৰু শ্ৰীনিধিৰাম দাসৰ মৃত্যুত শোক প্ৰকাশ কৰি আৰু শোক-সন্তপ্ত পৰিয়ালৈ সমবেদনা জনাই সভাপতি প্ৰমুখ্যে উপস্থিতসকল দুই মিনিট থিয় হৈ বিদেহ আত্মাৰ সদ্গতি কামনা কৰে।

২। ২৮ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখে বহা পঞ্চম অধিৱেশনৰ কাৰ্য্যবিৱৰণ গ্ৰহণ কৰা হয়।

৩। ২৮ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখৰ ষষ্ঠ সিদ্ধান্তৰ মৰ্ম্মে প্ৰধান সম্পাদকে ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী অধ্যাপক হুমায়ুন কবীৰে প্ৰধান সম্পাদকলৈ ৪ জুন ১৯৬২ তাৰিখে লিখা চিঠি পাঠ কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে লিখিছে, ভাৰত চৰকাৰে গুৱাহাটীত অসম সাহিত্য সভাৰ গৃহ-নিৰ্ম্মাণৰ বাবে ইতিমধ্যে প্ৰতিশ্ৰুত দান (২৬,৮০০'০০ টকা) এতিয়া ৫০,০০০'০০ পঞ্চাশ হাজাৰ টকালৈ উন্নীত কৰিবলৈ সম্মতি প্ৰকাশ কৰিছে।

বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয় তথা মন্ত্ৰী অধ্যাপক হুমায়ুন কবীৰক সভাৰ পক্ষৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

৪। দিল্লী বিশ্ববিদ্যালয়ত অসমীয়া ভাষা-শিক্ষণৰ ব্যৱস্থা সম্পৰ্কে দিল্লীত বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰক প্ৰধান সম্পাদকে লগ ধৰি জানিব পাৰে যে বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে অসমীয়া ভাষাৰ কাৰণে এজন শিক্ষক নিয়োগৰ কথাটো নীতিগতভাৱে গ্ৰহণ কৰিছে। প্ৰধান সম্পাদকে তাৰ পিছত এই বিষয়ে অসমৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাৰ লগত কথা হোৱা আৰু মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু শিক্ষা সচিবলৈ পত্ৰ লিখা বুলি সমিতিক জনায়।

সমিতিয়ে অসম চৰকাৰৰ এই বিষয়ত আশু ব্যৱস্থা লৈ যাতে বৰ্ত্তমান শিক্ষা-বছৰৰপৰাই অসমীয়া শ্ৰেণী দিল্লী বিশ্ববিদ্যালয়ত খুলিব পৰা হয় তাৰ যত্ন লবলৈ অনুৰোধ কৰে। শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাক এই মৰ্ম্মে বিশেষভাৱে তৎপৰ হ'বলৈ অনুৰোধ জনায়।

৫। ২৮ ফেব্ৰুয়াৰী ১৯৬২ তাৰিখৰ ২৫-শ সিদ্ধান্ত অনুসৰি বাতৰি কাকতত জাননী দিয়ামতে পঠোৱা শিশুৰ উপযোগী জীৱনী বিষয়ক পুথি এখনি বাছি আৱশ্যকীয় সংশোধন আদি কৰিবলৈ প্ৰধান সম্পাদক, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীক ভাৰ দিয়া হয়। প্ৰধান সম্পাদকে তিনিওজনৰ দ্বাৰা মনোনীত আৰু সংশোধিত পুথি ছপাখানালৈ পঠাব। কমলা দেৱী ন্যাস সমিতিৰ সদস্যসকলৰ এই-বিষয়ক সম্মতি ইতিমধ্যে পোৱা হৈছে।



৬। প্ৰধান সম্পাদকে জনায় যে আকাশবাণীৰ স্থানীয় কৰ্ত্তৃপক্ষই অসম সাহিত্য সভাৰ পৰামৰ্শ গ্ৰহণ নকৰি স্থানীয় কেন্দ্ৰৰপৰা বৰ্ত্তমানে অসমীয়া-ভাষা-শিক্ষা-সূচী প্ৰবৰ্ত্তন নকৰিবলৈ ঠিক কৰা হৈছে বুলি জনাইছে। স্থানীয় কেন্দ্ৰৰ প্ৰচাৰ-সূচী উপদেষ্টা সমিতিত বিষয়টো উত্থাপিত হৈছিল। কিন্তু এজনৰ বাহিৰে আনসকলে তাক সমৰ্থন নকৰিলে।

সিদ্ধান্ত কৰা যায় যে ভাৰতৰ ইন্‌ফৰমেচন্ আৰু ব্ৰড্‌কাষ্টিং মন্ত্ৰী ডক্টৰ বি. গোপাল ৰেড্ডীৰ ওচৰত এখন স্মাৰক পত্ৰ দাখিল কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

৭। বৰ্ত্তমান বছৰৰ আগভাগতে (এপ্ৰিলৰ শেষত) অনুষ্ঠিত হ'ব লগীয়া অসমীয়া ভাষা জ্ঞান প্ৰমাণ পত্ৰ পৰীক্ষা ব্যৱস্থা সম্পৰ্কে চতুৰ্থ অধিৱেশনত নিযুক্ত কৰা পৰীক্ষা সংসদৰ পৰীক্ষা-সচিব শ্ৰীচৈয়দ আব্দুল মালিকৰ বক্তব্য শুনা হয়।

সিদ্ধান্ত কৰা হয় যে ছেপ্টেম্বৰৰ ভিতৰত পৰীক্ষা পতা হ'ব। যোৰহাট আৰু গুৱাহাটীৰ বাহিৰেও শিলচৰত এটি কেন্দ্ৰ হ'ব।

৮। সভাৰ নিয়মাৱলীৰ ৪০-শ ছেদ অনুসৰি অসম সাহিত্য সভাৰ ত্ৰিংশ সন্মিলনৰ সভাপতি নিৰ্ব্বাচনৰ বিষয়ে আলোচনা কৰা হয়। সমিতিয়ে আলোচনাৰ পিছত··· পাঁচোটি নাম···মনোনয়ন কৰি শাখা সভা আৰু আদৰণী সমিতিলৈ পঠাবলৈ সিদ্ধান্ত কৰে। শাখা সভা আৰু অভ্যৰ্থনা সমিতিয়ে প্ৰত্যেকে এই পাঁচজনৰ ভিতৰৰপৰা এজনৰ নাম নিৰ্ব্বাচন কৰি নিৰ্ব্বাচন সম্পৰ্কীয় প্ৰস্তাৱ সভাপতি আৰু সম্পাদকৰ চহীৰে এটা খামত ভৰাই ওপৰত ছিল-মোহৰ মাৰি "সভাপতি-নিৰ্ব্বাচন" কথাটো আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ নাম-ঠিকনা লিখি দ্বিতীয় এটা খামত ভৰাই প্ৰধান সম্পাদকৰ ঠিকনাত ৰেজিষ্টাৰী ডাকত পঠাব।

• • • • •

পূৰ্ব্বানুবন্ধমতে তলত নাম দিয়া সদস্যসকলেৰে এখন নিৰ্ব্বাচন সমিতি নিয়োগ কৰা হয়—প্ৰধান সম্পাদক, শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মা আৰু শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা।

৯। প্ৰধান সম্পাদকে ১৯৬২-৬৩ চনৰ আয়ব্যয়ক দাঙি ধৰি কয় :

"যোৱা বছৰ আয়-ব্যয়কতকৈ ১৯৬২-৬৩ চনৰ আয়-ব্যয়ক কিঞ্চিৎ আৰু পদ্ধতিগত কৰিবৰ যত্ন কৰা হৈছে। ১৯৬০-৬১ আৰু ১৯৬১-৬২ চনৰ প্ৰকৃত আয়-ব্যয় আৰু ১৯৬১-৬২ চনৰ প্ৰত্যাশিত আয় আৰু প্ৰস্তাৱিত ব্যয়ৰ তিনিটি স্তম্ভ কৰি তাৰপৰা তুলনামূলকভাৱে ১৯৬২-৬৩ চনৰ আয়-ব্যয় অনুমান কৰা হৈছে। অন্ততঃ দুবছৰৰ প্ৰকৃত আয়-ব্যয় নল'লে তুলনামূলক অনুমান ঠিক হ'ব নোৱাৰে। বছৰটোৰ একেবাৰেই আগভাগতে আয়-ব্যয়ক দাঙি ধৰিম বুলি ভাবিছিলো যদিও ১৯৬১-৬২ চনৰ প্ৰকৃত আয়-ব্যয়ৰ পৰিমাণৰ কাৰণে ল'ব লগা হ'ল। যোৱা ৭ তাৰিখেহে কেন্দ্ৰীয় কাৰ্য্যালয়ৰপৰা এই পৰিমাণবোৰ সঠিকভাৱে পোৱা হৈছে। অৱশ্যে পিছলৈ ঘূৰি চালে দেখা যায় যে জুলাইৰ আগতে সভাৰ বাজেট থিৰাং কোনো বছৰে হোৱা নাই (যেনে, ১৯৫৪-৫৫ : অক্টোবৰ, ১৯৫৪-৫৫ : ডিচেম্বৰ, ১৯৫৬-৫৭ : অক্টোবৰ, ১৯৫৭-৫৮ : আগষ্ট ১৯৫৮-৫৯ : জুলাই,-১৯৬০-৬১ জুলাই)। যোৱা বছৰ জুনত আয়-ব্যয়ক গৃহীত হয়। বৰ্ত্তমানলৈকে প্ৰকৃত আয়-ব্যয় লৈ বাজেট কৰা পদ্ধতি গ্ৰহণ কৰা হোৱা নাছিল। বৰ্ত্তমানে যোৱা দুবছৰৰ প্ৰকৃত আয়-ব্যয় চাই বাস্তৱবাদী দৃষ্টিৰে নতুন অনুমান স্থিৰ কৰা হৈছে।

"কেইটামান মন কৰিব লগীয়া কথা। বেঙ্কত বিনিহিত আৰু নগদ আৰম্ভণী উদ্বৃত্ত ২৫,৯৭১'৭০-ৰ ভিতৰত বিশেষ পুঁজিৰ ১৮,৬০৭'৩১ সোমাই আছে। এই সোমোৱাখিনি বাদ দি আৰু বিবিধ উদ্বৃত্তৰ টকা ধৰিলে সাধাৰণ পুঁজিৰ আৰম্ভণী উদ্বৃত্ত হয় মাত্ৰ ৮,০৭৩'৩৩। ইয়াৰ লগত অৱশ্যে চলিত বছৰৰ আৰম্ভণিতে পোৱা ১৯৬১-৬২-ৰ চৰকাৰী অনুদান ১০,০০০'০০ ধৰিলে এই আৰম্ভণী পুঁজি ১৮,০৭৩'৩৩ হ'বগৈ।

"একোটা অনুষ্ঠানৰ সাধাৰণ পুঁজিৰপৰাহে তাৰ আৰ্থিক শক্তি-পৰিস্থিতি বুজিব পাৰি : কাৰণ, বিশেষ পুঁজিৰ অৰ্থ বিশেষ বিশেষ কাৰণতহে স্বকীয়াকৈ খৰচ হ'ব পাৰে। প্ৰস্তাৱিত বছৰত সকলো উদ্বৃত্ত ধৰি আয়ৰ ঘৰত ৬৫,৯০০'৬৪ আৰু প্ৰস্তাৱিত ব্যয়ৰ পৰিমাণ হৈছে ৭২,৯৬২'৫৬। গতিকে এই বছৰত ৭,০৬১১'১২-ৰ ঘাটি পৰিব। এই ঘাটি পূৰাবৰ বাবে আমি অসম

চৰকাৰৰ ওচৰত বাৰ্ষিক অনুদান বৃদ্ধি কৰিবৰ বা কোনো সাময়িক অনুদান বা ঋণ বিচাৰিব লাগিব। বৰ দুখৰ বিষয় যে অসম চৰকাৰে বৰ্ত্তমান বাজেট বছৰতো সাহিত্য সভাৰ অনুদানৰ মাত্ৰা সমূলিকে বৃদ্ধি নকৰিলে।

"প্ৰকাশন: সাধাৰণ' শিতানত ১৯৬০-৬১ চনত ৬,৪৬২·২২ আৰু ১৯৬১-৬২ চনত ৬,২৮৭·২০ আয় হৈছে। বৰ্ত্তমান বছৰত সাধাৰণ পুঁজিৰ এই শিতানত ৫,০০০·০০ টকা ব্যয় ধৰা হৈছে যাতে সভাই নিজৰ ৰবীয়াকৈ দুখনমান কিতাপ প্ৰকাশ কৰিব পাৰে। ইতিমধ্যে মঞ্জুৰী হৈ থকা আৰু ছপাশাললৈ পঠিওৱা অসমীয়া ভাষাৰ স্বয়ংশিক্ষক পুথিখনিৰ খৰচ এই শিতানতে যাব।

"যোৰহাট আঞ্চলিক পুঁজি সংগ্ৰহ সমিতি আৰু আন সংগ্ৰাহকৰ হাতত থকা টকা এৰি যোৱা বছৰৰ ভিতৰত ৰাজহুৱা দান-সংগ্ৰহৰপৰা আমাৰ পুঁজিত ৪,৪৫৭·৭০ পৰিছেহি। বৰ্ত্তমান বছৰত যোৱা বছৰৰ বিশেষ পৰিস্থিতি-জনিত উদ্যম যদিও নাই, তথাপি আমাৰ আৱশ্যকতাৰ ফালে লক্ষ্য ৰাখি পুনৰ ৰাইজৰপৰা দান বিচৰা উচিত হ'ব বুলি আমি ভাবোঁ। ইতিমধ্যে নতুনকৈ গোহাৰি ছপাই কেন্দ্ৰীয় কাৰ্যালয়ৰপৰা শাখা আৰু স্বীকৃত সভাসমূহলৈ পঠোৱা হৈছে।

"কেন্দ্ৰীয় কাৰ্য্যালয়স্থ সভাৰ গ্ৰন্থাগাৰটি যোৱা কেইবছৰমানে বিশেষ বাঢ়িব পৰা নাই। ইয়াৰ বিশেষ কাৰণ বোধ হয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ঠাইৰ সংকীৰ্ণতা। বৰ্ত্তমান ৩৮০ বৰ্গফুট পৰিমাণে ভৱনটিৰ সম্প্ৰসাৰণৰ কাম চলি আছে। গতিকে উক্ত কাৰ্য্যালয়ৰ বাবে আচবাব-সঁজুলি আৰু গ্ৰন্থ-ক্ৰয়ৰ দিহা আয়-ব্যয়কত ৰখা হৈছে। আমি ভাবোঁ সভাৰ সাঁচিপতীয়া, তুলাপতীয়া আদি পুথি বঢ়োৱাৰো বিশেষ এটি যত্ন হ'ব লাগে। গতিকে বৰ্ত্তমান বছৰত জাননী দি এই যত্ন কৰাৰ কথা চিন্তা কৰা হৈছে। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ চৌহদটি মনোৰমকৈ ৰখা বাঞ্ছনীয়। শ্ৰদ্ধেয় শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই এটি ঘাঁহ কটা কল দিবলৈ ইচ্ছা প্ৰকাশ কৰাত এইবাৰ এজন অংশকালীন মালী ৰাখিবৰ প্ৰস্তাৱ কৰা হৈছে।

"অসম সাহিত্য সভাৰ পত্ৰিকাৰ হিচাপত ১৯৬০-৬১ চনত আয় ২৫৪·৬৬ আৰু ব্যয় ৩,০৪৫·৯৭ আৰু ১৯৬১-৬২ চনত আয় ১,১৯৩·০১ আৰু ব্যয় ৪,১০৮·৭৮। বৰ্ত্তমান বছৰতো আয় ১,২০০·০০-ৰ অধিক আশা কৰা নাই। সভাৰ কাৰ্য্যাৱলীৰ বিৱৰণে সৈতে গধুৰ প্ৰবন্ধ থকা পত্ৰিকাখনিৰ এনে আৰ্থিক পৰিস্থিতিৰ পৰিবৰ্ত্তনৰ সম্ভাৱনা সোনকালে আশা কৰা টান।

"ভাৰত চৰকাৰৰপৰা সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনিত অসমৰ জনজাতি বিষয়ক প্ৰবন্ধ আৰু অসমৰ জনজাতীয় সাধুৰ সংগ্ৰহ, এই দুখন পুথি প্ৰকাশৰ বাবে ৯,০০০·০০ টকা আৰু দুৰ্লভ পুথি প্ৰকাশ আঁচনিৰ অনুমোদনত প্ৰথম কিস্তি ৫০০·০০ টকা পোৱা হৈছিল। এই দুই আঁচনিত শুদ্ধীকৃত অনুমানমতে ক্ৰমে ১৮,০০০·০০ আৰু ৬,৪০০·০০ ব্যয় হ'ব। তাৰ বাবে ইতিমধ্যে কৰা সিদ্ধান্তমতে সাধাৰণ পুঁজিৰপৰা ক্ৰমে ৯,০০০·০০ টকা আৰু ২,২০০·০০ ৰৰঙণি দিব লাগিব। দ্বিতীয় আঁচনিৰ বাবে দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজিৰ পৰা ১,০০০·০০ ৰৰঙণি আশা কৰা হৈছে। কমলা দেৱী স্মাৰক পুঁজিৰপৰা এখনি পুথি উলিয়াবৰ আয়োজন কৰা হৈছে।

"নতুন প্ৰস্তাৱৰ ভিতৰত অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষাৰ বাবে ১,০০০·০০ আছুতীয়াকৈ ৰখা হৈছে।

"ভাষা শিক্ষা আৰু সাংস্কৃতিক আঁচনিত ১৯৬০-৬১ চনতে পোৱা টকাৰপৰাই এই বছৰতো কাম চলাই থকা হৈছে। অসম চৰকাৰৰ ওচৰত যোৱা বছৰ নতুন এখন আঁচনি দাখিল ধৰা হৈছিল; কিন্তু তাৰ কোনো ফল নধৰিল। গতিকে কাছাৰৰ চাৰিখন অসমীয়া স্কুলক দিয়া সাহায্য আদিৰ বাবে হোৱা ব্যয়ৰ দায়িত্ব বৰ্ত্তমান বছৰৰ পিছত সাধাৰণ পুঁজিৰ পিঠিত পৰিব। এইটো এটা চিন্তনীয় বিষয় হ'ব। ইতিমধ্যে সমিতিয়ে সিদ্ধান্ত কৰামতে সীমান্তৰ শিক্ষা-নীতি আৰু সাংস্কৃতিক নীতি-বিষয়ক পুথিখনি প্ৰকাশ কৰাৰ পিছত এই পুঁজিত কাছাৰৰ চাৰিখনি স্কুলক বছৰটো জোৰাই সাহায্য দিবলৈ কথমপিহে যদি সংস্থান ৰয়গৈ।

"যোৱা বছৰ অসম চৰকাৰৰ ওচৰত পুথি-প্ৰকাশৰ এখন পাঁচবছৰীয়া পৰিকল্পনা মুখ্যমন্ত্ৰীৰ পৰামৰ্শমতে দাখিল কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰপৰা এই উদ্দেশ্যে কিছু টকা পোৱাৰ কথা হৈছে। গতিকে আমাৰ আয়-ব্যয়কত এই শিতানত আয়-ব্যয় দুয়ো পক্ষত ৫০,০০০·০০ কৈ ধৰা হৈছে। চৰকাৰৰ অনুমোদিত টকা পালেই সেইমতে কামত লাগিব পৰা হ'ব।



"বৰ সুখৰ বিষয় গুৱাহাটীত অসম সাহিত্য সভাৰ ভৱন-নিৰ্ম্মাণৰ অৰ্থে শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱাৰপৰা ৫০,০০০·০০-ৰ আৰু শ্ৰীৰঘুনাথ চৌধাৰী কবিৰত্নদেৱৰপৰা ২০,০০০·০০-ৰ আৰু ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰপৰা ৫০,০০০·০০ টকাৰ প্ৰতিশ্ৰুতি পোৱা হৈছে। এই উদ্দেশ্যে ইতিমধ্যে দুখনি গৃহ-নিৰ্ম্মাণ সমিতি পাতি দিয়া হৈছে। ভৱন-নিৰ্ম্মাণৰ আঁচনি যুগুত হ'লেই নিৰ্ম্মাণৰ কাম আৰম্ভ হ'ব।

"ৰাধাকান্ত স্মৃতি পুঁজি আৰু শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজিৰ অৰ্থে বিশেষ একো সংগ্ৰহ হোৱা নাই বুলি ক'ব পাৰি। ৰাধাকান্ত সন্দিকৈ পুঁজিত বৰ্ত্তমানে তিনি হাজাৰ টকাৰ অলপ মাত্ৰ অধিক আছে। কিন্তু ইতিমধ্যে ৰাধাকান্ত সন্দিকৈ ভৱনৰ আধাৰ-শিলা স্থাপন কৰা হৈছে পূৰ্ব্বৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সিদ্ধান্তক্ৰমে। গতিকে ১৯৫৪ চনৰ মে মাহতে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে গঠন কৰা সোঁৱৰণী সমিতিক সক্ৰিয় কৰি অন্ততঃ পৰিকল্পিত ভৱনটিৰ কাম আৰম্ভ কৰিব পৰা হ'লে ভাল আছিল। এই বিষয়ত কাৰ্য্য নিৰ্ব্বাহক সমিতি, স্মৃতি সমিতি আৰু সাহিত্য সভাৰ সকলো শাখাসভা আৰু সভাৰে দৃষ্টি আকৰ্ষণ কৰিলো।"

প্ৰধান সম্পাদকৰ বক্তৃতাৰ পিছত বাজেটৰ বিষয়ে আলোচনা হয় আৰু প্ৰস্তাৱিত ব্যয়ৰ পৰিমাণত বৃদ্ধি ধৰি মুঠ ৭৪,০৬২·৫৬ (বিশেষ পুঁজিৰ পৰিশোধ বাদ দি ৫৫,৪১৫·২৫) ৰ ব্যয় সমিতিয়ে মঞ্জুৰ কৰে। ফলতঃ ঘাটিৰ পৰিমাণ ৮,১৮১·১২ লৈ উঠে।

১০। নিয়মাৱলীৰ ৫ম বিধি, ষষ্ঠচ্ছেদ আৰু উপবিধি ক অনুসৰি তলত নাম দিয়া সভাসমূহক শাখা সভা-ৰূপে স্বীকৃতি দিয়া হ'ল:

(১) লামডিং শাখা সাহিত্য সভা, (লামডিং, অসম)

(২) আমগুৰি শাখা সাহিত্য সভা
(আমগুৰি, শিৱসাগৰ)

(৩) বৰক্ষেত্ৰি শাখা সাহিত্য সভা
(দাগাপাৰা, কামৰূপ)

(৪) কৌৰৱপুৰ শাখা সাহিত্য সভা
(কৌৰৱপুৰ, শিৱসাগৰ)

(৫) পাঠশালা শাখা সাহিত্য সভা
(পাঠশালা, কামৰূপ)

(৬) বকতা সাহিত্য সভা (নেমুগুৰি, শিৱসাগৰ)

(৭) উত্তৰ বৈটামাৰী সাহিত্য সভা
(বৈটামাৰী, নৰ্থ গুৱালপাৰা)

১১। নিয়মাৱলীৰ ৩১-শ বিধি, সপ্তম ছেদ অনুসৰি, তলত নাম দিয়া সভাক স্বীকৃত সভাৰূপে স্বীকৃত দিয়া হ'ল—

(১) নগাওঁ কলংপৰীয়া আলোচনা চক্ৰ
(কলংপাৰ, নগাওঁ)

১২। নিয়মাৱলীৰ ১০ম বিধি অনুসৰি তলত নাম দিয়া অসমীয়া ভাষা-সাহিত্য-অনুৰাগী লোকসকলক আজীৱন সভ্যৰূপে ভুক্ত কৰা হ'ল:

(১৫১) শ্ৰীমহাদেৱ জালান (জালান নগৰ, ডিব্ৰুগড়)

(১৫২) শ্ৰীৰোহিতচন্দ্ৰ বেজবৰুৱা
(হাতীচোং সাহিত্য সভা, নগাওঁ)

১৩। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে পৰীক্ষা কৰি বাছি দিয়ামতে শ্ৰীমুকুন্দমাধৱ শৰ্ম্মাৰ অসমীয়া স্বয়ংশিক্ষক পুথিখনি ডক্টৰ বৰুৱা, শ্ৰীগোলোকচন্দ্ৰ গোস্বামী আৰু ডক্টৰ মহেশ্বৰ নেওগৰ পৰামৰ্শেৰে শ্ৰীশৰ্ম্মাৰ দ্বাৰা সংশোধিত কৰাই প্ৰধান সম্পাদকে প্ৰেছলৈ পঠাইছে বুলি জনায়। সমিতিয়ে সেই কাৰ্য্য সমৰ্থন কৰে আৰু ডক্টৰ বৰুৱা, শ্ৰীগোস্বামী আদিক ধন্যবাদ জ্ঞাপন কৰে।

১৪। ১৯৬২-৬৩ চনৰ হিচাপ-পৰীক্ষক নিয়োগ সম্পৰ্কে আলোচনা কৰা হয়। সিদ্ধান্ত কৰা হয় যে চাৰ্টাৰ্ড্ একাউণ্টেণ্ট্ শ্ৰীমহম্মদ চাকীক উক্ত বছৰৰ বাবে হিচাপ-পৰীক্ষক নিয়োগ কৰা হয়।

১৫। সাধাৰণ পুঁজিত নিহিত আজীৱন সভ্যৰ পুঁজিৰ টকাৰে যোৰহাটৰ অসম কোঅপাৰেটিভ এপেক্স বেংকত এটি স্থায়ী জমা হিচাপ খুলিবলৈ সিদ্ধান্ত কৰা হয়।

১৬। সিদ্ধান্ত গ্ৰহণ কৰা হয় যে শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজিৰ বাবে সংগৃহীত দানেৰে যোৰহাট ডাকঘৰত ছেভিংছ-বেঙ্কৰ এটি হিচাপ খোলা হ'ব।

১৭। সিদ্ধান্ত গ্ৰহণ কৰা হয় যে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ গ্ৰন্থাগাৰৰ বাবে উপযুক্ত মূল্যত পুৰণি সাঁচিপতীয়া, তুলাপতীয়া আদি পুথি বিচাৰি প্ৰধান সম্পাদকে খবৰ কাগজত জাননী দিয়াৰ দিহা কৰিব।

১৮। তলত নাম দিয়া কাছাৰৰ পঢ়াশালি কেইখনৰ মঞ্জুৰী ৩১ ডিচেম্বৰ ১৯৬২-লৈ মাত্ৰ বঢ়াই দিয়া হয়— শিলচৰ দেশভক্ত তৰুণৰাম ফুকন মধ্য ইংৰাজী স্কুল, আলমখানি নিম্ন প্ৰাথমিক অসমীয়া স্কুল, দক্ষিণ মোহনপুৰ নিম্ন প্ৰাথমিক অসমীয়া স্কুল, ভিতৰগোল নিম্ন প্ৰাথমিক অসমীয়া স্কুল।

১৯। নিয়োগ, দৰ্মহা আদি সম্পৰ্কে তলৰ কাৰ্য্যবোৰ গ্ৰহণ কৰা আৰু সিদ্ধান্ত কৰা হ'ল।—

(ক) প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ অংশকালীন সহকাৰী শ্ৰীতাৰিণী ৰায়চৌধুৰীয়ে ৩১ অক্টোবৰ ১৯৬১ৰ পৰা ছুটী লৈ পুনৰ কামত যোগ নিদিয়াত সেই ঠাইত শ্ৰীহেমৰথ বৰ্মণক ১৬ জুন ১৯৬২-ৰপৰা অংশকালীন কাৰ্য্যালয় সহকাৰীৰূপে নিযোগ কৰা হয়।

(খ) ছুটীৰ পিছত যোগ দি উক্ত কাৰ্য্যালয়ৰ অংশ-কালীন সহকাৰী শ্ৰীকমলেশ্বৰ চলিহাই ১ ডিচেম্বৰ ১৯৬২-ৰপৰা ৩১ জানুৱাৰী ১৯৬২-ৰপৰা পুনৰ ছুটী লোৱাত শ্ৰীশুক্লেশ্বৰ বৰাক ১৩ ফেব্ৰুৱাৰী ১৯৬২-ৰ পৰা ১৬ মাৰ্চ্চ ১৯৬২-লৈ নিয়োগ কৰা হয়। শ্ৰীকমলেশ্বৰ চলিহাই পুনৰ ১ এপ্ৰিল ১৯৬২-লৈ কাম কৰি কাম এৰে। সেই ঠাইত ১৩ জুলাই ১৯৬২-ৰ পৰা শ্ৰীগিৰীশ লহকৰক অংশকালীন কাৰ্য্যালয় সহকাৰী-ৰূপে নিয়োগ কৰা হয়।

(গ) কেন্দ্ৰীয় কাৰ্যালয়ৰ মুখ্য সহকাৰী-ৰূপে শ্ৰীগোলাপচন্দ্ৰ গোস্বামীৰ কাৰ্য্যকাল ৩১ ডিচেম্বৰ ১৯৬২লৈ বঢ়াই দিয়া হয়। সেইমতে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ২৮ ফেব্ৰুৱাৰী ১৯৬২ তাৰিখৰ সিদ্ধান্ত পৰিৱৰ্ত্তিত হ'ব।

(ঘ) কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সহকাৰী শ্ৰীনন্দ বৰদলৈৰ কাৰ্য্যকাল এবছৰ পূৰ হোৱা দিনৰপৰা তেওঁক সেই কামত মকৰলি কৰা হয়।

(ঙ) কেন্দ্ৰীয় কাৰ্য্যালয়ৰ চকিদাৰ দৰ্মহাৰ নিৰিখ বান্ধি দিয়া হ'লত উক্ত পদত থকা শ্ৰীপ্ৰমোদচন্দ্ৰ হাজৰিকাৰ ক্ষেত্ৰত ১ এপ্ৰিল তাৰিখৰপৰা ছুটা বৃদ্ধি লেখ কৰা হ'ব।

(চ) প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ পিয়ন শ্ৰীকেশৱচন্দ্ৰ শৰ্ম্মাৰ দৰ্মহা-বৃদ্ধিৰ আবেদন শুনা হ'ল। ১ জুলাই ১৯৬২ তাৰিখৰপৰা তেওঁৰ দৰ্মহা ২০'০০ টকালৈ ধৰা হ'ল।

২০। লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃষ্ণকথা' আৰু 'তত্ত্বকথা' সভাৰপৰা প্ৰকাশ কৰা সম্পৰ্কে অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ ১১।৬।৬২ তাৰিখৰ আবেদন পাঠ কৰা হ'ল। শ্ৰীহাজৰিকাই দুয়োখনি পুথি সঙ্কলন আৰু সম্পাদন কৰি সভাক প্ৰকাশ কৰিবলৈ অনুৰোধ জনাইছে। শ্ৰীমতী ৰত্না বৰুৱাই আৱশ্যকীয় সম্মতি প্ৰদান কৰিছে। উল্লেখ থাকে যে কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ২৭।৭।৫৮ তাৰিখৰ তৃতীয় প্ৰস্তাৱত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰবন্ধাৱলী যুগুত আৰু প্ৰকাশৰ আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বৰ্ত্তমান কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ২০ ছেপ্টেম্বৰ ১৯৬১ তাৰিখৰ সিদ্ধান্তক্ৰমে অনুমোদিত প্ৰকাশন আঁচনিতো এই প্ৰবন্ধ দুইধাৰাৰ প্ৰকাশৰ প্ৰস্তাৱ সন্নিবিষ্ট আছে। বৰ্ত্তমান বছৰৰ সাধাৰণ পুঁজিৰ ব্যয়-প্ৰস্তাৱত ৫,০০০'০০ টকা ধৰা আছে।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা সংগৃহীত 'তত্ত্বকথা'খনি প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰা হয় আৰু পুথিখনি ছপাখানালৈ পঠাবৰ আয়োজন কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

২১। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প-সংকলন এখনি যুগুত কৰি শ্ৰীহেমন্তকুমাৰ শৰ্ম্মাই অসম সাহিত্য সভাক প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই দিয়া শ্ৰীশৰ্ম্মাৰ ৭।৬।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হয়। শ্ৰীশৰ্ম্মাই লগতে শ্ৰীমতী প্ৰফুল্লবালা চৌধুৰাণীৰ সম্মতি-পত্ৰৰ নকল এটিও পঠাইছে।

সংগৃহীত পুথিখনি প্ৰকাশৰ কাৰণে যুগুত কৰিবলৈ সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱক দায়িত্ব দিয়া হ'ল। বিশেষ বিবেচনা কৰি পুথিখনি সমিতিয়ে গ্ৰহণ কৰিবলৈ থিৰাং কৰে।



২২। প্ৰধান সম্পাদকে কয় যে অহা বাৰ্ষিক সন্মিলনৰ আগে আগে ওলোৱাকৈ সঙ্গীতাচাৰ্য্য, আৰু 'সঙ্গীতকোষ' আৰু 'সঙ্গীত-সাধনা'ৰ গ্ৰন্থকাৰ শ্ৰীলক্ষ্মীৰাম বৰুৱাৰ এখনি জীৱনী-প্ৰকাশৰ অৰ্থে শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা এম্. পি. দেৱে সভাক এটি দান দিবলৈ ইচ্ছা প্ৰকাশ কৰিছে আৰু আৱশ্যকীয় সমল সংগ্ৰহ কৰি এজন লেখকক জীৱনীখনি ৰচনা কৰিবলৈ ইতিমধ্যেই দিছে।

শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱক ধন্যবাদ জনাই তেখেতৰ প্ৰস্তাৱটি সমিতিয়ে গ্ৰহণ কৰে।

২৩। সহকাৰী সম্পাদকে জনায় যে স্বৰ্গীয় দৰ্পনাথ শৰ্ম্মাদেৱে স্বৰ্গীয় দেৱেশ্বৰ শৰ্ম্মাৰ "গল্প-মালিকা"ৰ এহেজাৰ কপি অসম সাহিত্য সভালৈ দান-ৰূপে দি গৈছে। স্বৰ্গীয় শৰ্ম্মাদেৱৰ পৰিয়ালক ধন্যবাদ জনাই কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে দানটি গ্ৰহণ কৰে।

২৪। ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি আৰু শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজিৰ বিষয়ে আলোচনা কৰা হয়। ১৯৫৪-৫৫ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ১৮-১৭ মেই ১৯১৪ তাৰিখে 'ৰাধাকান্ত সন্দিকৈ আৰু শৰৎচন্দ্ৰ গোস্বামী সোঁৱৰণী সমিতি' এখনি গঠন কৰে। ১৯৫৫-৫৬ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ২৯ আগষ্ট ১৯৫৫ তাৰিখে 'ৰাধাকান্ত সন্দিকৈ স্মৃতি ভৱন' নাম দি এটা 'দুমহলীয়া ইটাৰ দালান' সজাটো স্থিৰ কৰে। 'এই দালানত আলহী ৰখাৰ আৰু পুথিভঁৰাল আধুনিকভাৱে সুসজ্জিত কৰি ৰখাৰ দিহা কৰা হ'ব।' এই উদ্দেশ্যে তেতিয়াৰ প্ৰধান সম্পাদক, যোৰহাট সাহিত্য সভাৰ সভাপতিকে ধৰি এখন পাচজনীয়া 'পুথিভঁৰাল উপসমিতি' গঠন কৰা হয়। (যি বুজা যায় আগৰ সমিতিৰ ঠাইত কিম্বা তাৰ অধীনে এই উপসমিতি হ'ল।) ১০।৪।৫৬ তাৰিখে 'ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতি'ৰ হৈ ৰাইজৰপৰা ৰাধাকান্ত সন্দিকৈ স্মৃতিভৱনৰ বাবে গোহাৰি প্ৰকাশ কৰা হয়। সভাৰ চিঠি দিয়া হিচাপৰ বহীৰপৰা দেখা যায় ২৮।৬।৬০ তাৰিখে এখন 'ঘৰ সজা আঁচনি' (সম্ভৱত উক্ত ভৱনৰ) অসম চৰকাৰৰ শিক্ষাধিকাৰ আৰু শিক্ষা সচিবলৈ পঠোৱা হৈছিল। কিন্তু সেই পত্ৰৰ কোনো সমিধানকে চৰকাৰৰপৰা পোৱা নগ'ল। এই চিঠিৰ নকল বৰ্ত্তমান প্ৰধান সম্পাদকে পোৱা নাই; কিন্তু দুখন প্লেন-চিত্ৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সভাৰ খবৰ কাগজৰ ৰেকত পোৱা যায় আৰু সভাৰ চকিদাৰৰ মতে ইয়াৰ সকখনকেই চৰকাৰলৈ পঠোৱা হৈছিল। ১৯৬০-৬১ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ৪।৭।৬০ তাৰিখে ৰাধাকান্ত সন্দিকৈ আঠধতুৰা মূৰ্ত্তিটিৰ উন্মোচনৰ দিনাই 'ৰাধাকান্ত সন্দিকৈৰ স্মৃতি ভৱন'ৰ আধাৰ শিলা স্থাপন কৰিবৰ কাৰণে সিদ্ধান্ত কৰে। ৪।৭।৬০ তাৰিখে ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিত ২,৮৫৮'৭০ আছিল। বৰ্ত্তমানে এই পুঁজিত ৩,১৮৬'৭১ গচ্ছিত আছে। ৩০।১২।৬০ তাৰিখে ৰাধাকান্ত সন্দিকৈ ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়।

যোৰহাট সাহিত্য সভাৰ সম্পাদক শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ ১০।৭।৬২ তাৰিখৰ পত্ৰ সহ উক্ত তাৰিখৰ উক্ত সভাৰ প্ৰস্তাৱ পাঠ কৰা হয়।

সিদ্ধান্ত কৰা হয় যে ২৯।৮।৫৫ তাৰিখে সংগঠিত ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিক সক্ৰিয় কৰি পুনঃসংগঠন কৰিবলৈ আৰু উক্ত সমিতিত যোৰহাটত থকা অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰাক্তন আৰু বৰ্ত্তমান সদস্য, যোৰহাট সাহিত্য সভাৰপৰা পাঁচজন সদস্য আৰু যোৰহাটৰ বিশিষ্ট ব্যক্তি পাঁচজন ল'বলৈ ( co-opt কৰি ) ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিৰ সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগক নিৰ্দ্দেশ আৰু ভাৰ দিয়া হওক। সংগ্ৰহ-কাৰ্য্যত যোৰহাট সাহিত্য সভাই পূৰ্ণ সহযোগ দিব বুলিও কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে বিশেষ আশা কৰে। শ্ৰীনকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াক সমিতিৰ সভাপতি নিৰ্ব্বাচন কৰা হয়।

২৫। তিনিখন পুথিৰ আঁচনি-প্ৰণয়নৰ বিষয়ে আলোচনা কৰা হয়। সিদ্ধান্ত কৰা হয় যে এই বিষয়ে চৰকাৰপৰা সভাৰ আঁচনিমতে টকা পোৱালৈ অপেক্ষা কৰা হওক।

২৬। চৰকাৰে অসম শাসকীয় ভাষা অধিনিয়ম কাৰ্য্যত পৰিণত কৰা সম্পৰ্কে আলোচনা কৰা হয়। এই বিষয়ে চৰকাৰে কামত বিশেষ অগ্ৰসৰ নোহোৱা দেখি অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অসন্তোষ প্ৰকাশ কৰে আৰু অতি সোনকালে কাৰ্য্যকৰী পন্থা হাতত ল'বলৈ চৰকাৰক সোঁৱৰাই দিয়ে।

২৭। প্ৰস্তাৱিত প্ৰচাৰ-পত্ৰিকাৰ বিষয়ে আলোচনা কৰা হয় আৰু সভাৰ আৰ্থিক অনাটনৰ বাবে এই বিষয়ৰ বিবেচনা সম্প্ৰতিকলৈ পিছলৈ থোৱা হয়।

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী
সভাপতি
১৪ | ৭ | ৬২

মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

## ১৯৬২-৬৩ চনৰ আয়ব্যয়ক

### সাধাৰণ পুঁজি : আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **আৰম্ভণী উদ্বৃত্ত** | | | | |
| নগদ : কেন্দ্ৰীয় কাৰ্য্যালয় | ২১৯'৭০ | ৪৯৫'৮১ | ৪৯৫'৮১ | — |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | — | ৯৪'৮২ | ৯৪'৮২ | ১২'০১ |
| অসম সাহিত্য সভা পত্ৰিকা : | | | | |
| পত্ৰিকা সম্পাদক | ১,২০০'০০ | ৮৭'৯৩ | ৮৭'৯৩ | — |
| : কেন্দ্ৰীয় কাৰ্য্যালয় | ২৭'৫২ | ২১'১৮ | ২১'১৮ | — |
| হাতত থকা চেক | — | ১৩'৭৩ | ১৩'৭৩ | — |
| বেঙ্ক : অসম কোঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | ১,১১১'৩৮ | ২,৯২৬'২৮ | ২,৯২৬'২৮ | ১৬,১৬১'৬০ |
| অসম কোঅপাৰেটিভ এপেক্স বেঙ্ক, গুৱাহাটী | — | ৯,০০৬'০৮ | ৯,০০৬'০৮ | ৬,৪৪৩'৭১ |
| ষ্টেট বেঙ্ক অব ইণ্ডিয়া, যোৰহাট | ৫,০০০'৬২ | ৯,৬৫১'৫৭ | ৯,৬৫১'৫৭ | ৩,০৮৪'৭৯ |
| পোষ্ট অফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ২১৩'৫৭ | ২৬১'২৯ | ২৬১'২৯ | ২৬১'৫৯ |
| পোষ্ট অফিচ ছেভিংছ বেঙ্ক, গুৱাহাটী | ৩১৮'০৯ | — | — | — |
| | ৮,০৯০'৮৮ | ২২,৫৫৮'৬৯ | ২২ ৫৫৮'৬৯ | ২৫,৯৭১'৭০ |
| **বিবিধ উদ্বৃত্ত** | | | | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজিত | — | — | — | ৪৫'৭৫ |
| প্ৰাক্তন প্ৰধান সম্পাদকৰ হাতে ৰোৱা | — | ১'৪৩ | ১'৪৩ | ১'৪৩ |
| সহকাৰী সম্পাদকৰ হাতে ৰোৱা | — | ৩৫০'০ | ৩৫০'০০ | ৬৬১'৭৬ |
| | — | ৩৫১'৪৩ | ৩৫১'৪৩ | ৭০৮'৯৪ |
| **ৰাজ্যিক চৰকাৰৰ অনুদান : বাৰ্ষিক** | ১৬,০০০'০০ | ১০,০০০'০০ | — | ২০,০০০'০০ |
| | ১৬,০০০'০০ | ১০,০০০'০০ | — | ২০,০০০'০০ |
| **বৰঙণি** | | | | |
| শাখা সভা | ৪,১৯৬'১০ | ২,০০০'০০ | ৪,৫০৫'৭৫ | ৪,৫০০'০০ |
| স্বীকৃত সভা | ১৩০'০০ | ৫০০'০০ | ১২৪'০০ | ২০০'০০ |
| পোনপটীয়া সভ্য | ৬'০০ | ২০০'০০ | ১০'০০ | ১০০'০০ |
| আজীৱন সভ্য : ভৰ্ত্তি | ৪'০০ | — | ১৩'৫০ | ২০'০০ |
| | ৪,৩৩৬'১০ | ২,৭০০'০০ | ৪,৬৫৩'২৫ | ৪,৮২০'০০ |
| **প্ৰকাশন : সাধাৰণ** | ৬,৪৬২'২২ | ৫,০০০'০০ | ৬,২৮৭'২০ | ৬,৫০০'০০ |
| | ৬,৪৬২'২২ | ৫,০০০'০০ | ৬,২৮৭'২০ | ৬,৫০০'০০ |
| | ৩৪,৮৮৯'২০ | ৪০,৬১০'১২ | ৩৩,৮৫০'৫৭ | ৫৮,০০০'৬৪ |



| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **পূৰ্ব্ব পৃষ্ঠাৰ মুঠ** | ৩৪৮৮৯'২০ | ৪০৬১০'১২ | ৩৩৮৫০'৫৭ | ৫৮০০০'৬৪ |
| **অসম সাহিত্য সভা পত্ৰিকা** | | | | |
| ( বিশেষ পুঁজিৰ উদ্বৃত্ত ) | | (১,২১৪'২৫) | (১,২১৪'২৫) | — |
| বৰঙণি | ২৫৪'৬৬ | ১,২০০'০০ | ১,১৯৩'০১ | ১,২০০'০০ |
| | ২৫৪'৬৬ | ১,২০০'০০ | ১,১৯৩'০১ | ১,২০০'০০ |
| **বেঙ্কৰ জমাৰ বাঢ়ি** | | | | |
| সাধাৰণ হিছাপ | ৭৬'৮৫ | ৫০'০০ | ২১৭'৬৮ | ২০০'০০ |
| আজীৱন সভ্যৰ অক্ষয় পুঁজি | — | ২১০'০০ | — | ২১০'০০ |
| | ৭৬'৮৫ | ২৬০'০০ | ২১৭'৬৮ | ৪১০'০০ |
| **দান-সংগ্ৰহ** | — | — | ৪,৪৫৭'৭০ | ২,০০০'০০ |
| | — | — | ৪,৪৫৭ ৭০ | ২,০০০'০০ |
| **বিবিধ** | | | | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা | ১৫'০০ | — | ২৫'০০ | ৩০'০০ |
| পতাকা-বিক্ৰী আদি | — | — | ২৫৮'৭৯ | ২৬০'০০ |
| অন্যান্য ( সাময়িক বিশেষ দান আদি ) | ৪,০৪৫'০৮ | — | ৯,৭০৭'৪১ | ৪,০০০'০০ |
| | ৪,০৬০'০৮ | — | ৯,৯৯১'২০ | ৪,২৯০'০০ |
| **সাধাৰণ পুঁজিৰ মুঠ আয়** | ৩৯,২৮০'৭৯ | ৪২,০৭০'১২ | ৪৯,৭১১'০৬ | ৬৫,৯০০'৬৪ |
| **সাধাৰণ পুঁজিত ভুক্ত বিশেষ পুঁজিৰ মুঠ আয়** | ২৯,৮৪৮'৩৭ | | ২২,৩৬৮'৫০ | |
| **বিশেষ পুঁজি সহ সাধাৰণ পুঁজিৰ সৰ্ব্বমুঠ আয়** | ৬৯,১২৯'১৬ | | ৭২,০৭৯'৫৬ | |

### সাধাৰণ পুঁজি : ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাবিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাবিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **দৰমহা** | | | | |
| কেন্দ্ৰীয় কাৰ্য্যালয় | ২,৭৯২'৫৮ | ৩,৪৬৮'০০ | ৩,৪১১'১৭ | ৩,৯৮৪'০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | — | ১,৩৮০'০০ | ৮৭৪'৬১ | ২,০৪০'০০ |
| | ২,৭৯২'৫৮ | ৪,৮৪৮'০০ | ৪,২৮৫'৭৮ | ৬,০২৪'০০ |
| **ভ্ৰমণ-বানচ আদি** | ৩,৫৬৪'৫৯ | ৩,৫০০'০০ | ৪,৫১৫'৪৩ | ৫,০০০'০০ |
| | ৩,৫৬৪'৫৯ | ৩,৫০০'০০ | ৪,৫১৫'৪৩ | ৫,০০০'০০ |

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ৩,৫৬৪'৫৯ | ৩,৫০০'০০ | ৪,৫১৫'৪৩ | ৫,০০০'০০ |
| ডাক আৰু তাঁৰ | | | | |
| ডাকটিকট, তাঁৰ, অৰ্থ-প্ৰেৰণ | | ১,৩০০'০০ | ১,৯১৫'৬১ | ২,০০০'০০ |
| টেলিফোন | | ৮০০'০০ | ৭১৪'১৯ | ৮০০'০০ |
| | ১,৯৮৪'১৬ | ২,১০০'০০ | ২,৬২৯'৮০ | ২,৮০০'০০ |
| পৰিবহন | ৩৩২'৪২ | ৫০০'০০ | ৯৪৪'৬৬ | ১,০০০'০০ |
| | ৩৩২'৪২ | ৫০০'০০ | ৯৪৪'৬৬ | ১,০০০'০০ |
| খাজনা আৰু কৰ | | | | |
| মাটিৰ খাজনা | | ৫৮'২৫ | ৭৮'২৫ | ১৭৮'২৫ |
| পৌৰ সভাৰ কৰ | | ৪৬'০০ | ৩৪'৫০ | ৪৬'০০ |
| বিজুলী শক্তি | | ১২০'০০ | ১৫০'৭০ | ১৫০'০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ ঘৰভাৰা | | ৬০০'০০ | — | ৬০০'০০ |
| | ২৩৬'৭৫ | ৮২৪'২৫ | ২৪৩'৩৫ | ৯৭৪'২৫ |
| আচবাব আৰু সঁজুলি | | | | |
| আলমাৰি | | ৭০০'০০ | ৫২০'০০ | ১,০০০'০০ |
| অন্যান্য | | ৫০০'০০ | ২৪'৪৪ | ৫০০'০০ |
| | ৭৫২'১৩ | ১,২০০'০০ | ৫৪৪'৪৪ | ১,৫০০'০০ |
| লেখন-সামগ্ৰী আদি | ১,১৪৯'৩৫ | ৬০০'০০ | ৯৪১'০২ | ১,০০০'০০ |
| | ১,১৪৯'৩৫ | ৬০০'০০ | ৯৪১'০২ | ১,০০০'০০ |
| নৈমিত্তিক ব্যয় | ৪৪২'৪৫ | — | ৩০৮'৬৪ | ৫০০'০০ |
| | ৪৪২'৪৫ | — | ৩০৮'৬৪ | ৫০০'০০ |
| মুদ্ৰণ আৰু প্ৰকাশন | | | | |
| সাধাৰণ প্ৰচাৰ-প্ৰকাশন | ৮৩০'০০ | ২০০০'০০ | ২৬৬'০০ | ২,০০০'০০ |
| ক্ষুদ্ৰ মুদ্ৰণ | ৭৪১'৬২ | ২০০০'০০ | ৮১১'২৫ | ১,৫০০'০০ |
| | ১৫৭১'৬২ | ৪০০০'০০ | ১,০৭৭'২৫ | ৩,৫০০'০০ |
| সাধাৰণ প্ৰচাৰ | | | | |
| বিজ্ঞাপন আদি | | ৫০০'০০ | ৮০৭'৫০ | ১,০০০'০০ |
| পুথি-বিক্ৰী ব্যৱস্থা, প্ৰদৰ্শনী আদি | | ১,০০০'০০ | ৫৫৮'৬৩ | ৭০০'০০ |
| | ৬৪৫'০০ | ১,৫০০'০০ | ১,৩৬৬'১৩ | ১,৭০০'০০ |
| প্ৰকাশন : সাধাৰণ | — | — | — | ৫,০০০'০০ |
| | — | — | — | ৫,০০০'০০ |
| | ১৩,৪৫১'০৫ | ১৯,০৭২'২৫ | ১৩৮৫৬'৬০ | ২৮৯৭৮'২৫ |



| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| পূৰ্ব্বপৃষ্ঠাৰ মুঠ | ১৩,৪৫১'০৫ | ১৯,০৭২'২৫ | ১৩৮৫৬'৬০ | ২৮৯৭৮'২৫ |
| প্ৰকাশন অসম সাহিত্য সভা পত্ৰিকা | | | | |
| ছপা খৰচ | | ৩,৬০০'০০ | ৩,৫৬১'২৫ | ৩,৬০০'০০ |
| পাৰিশ্ৰমিক, লেখন-সামগ্ৰী, ডাক খৰচ | | ১,০০০'০০ | ৫৪৭'৫৩ | ৭০০'০০ |
| | ৩,০৪৫'৯৭ | ৪,৬০০'০০ | ৪,১০৮'৭৮ | ৪,৩০০'০০ |
| গ্ৰন্থাগাৰ | | | | |
| কিতাপ আলোচনী | ১০০'০১ | ২,০০০'০০ | ২৯৩'৩৫ | ৩,০০০'০০ |
| পুৰণি পুথি | — | ৫০০'০০ | — | ৫০০'০০ |
| | ১০০'০১ | ২,৫০০'০০ | ২৯৩'৩৫ | ৩,৫০০'০০ |
| বিশেষ পুঁজিলৈ বৰঙণি | | | | |
| প্ৰকাশন আঁচনি | — | ৯,৩৮২'৯৭ | (*) | — |
| সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি | — | — | — | ৯,০০০'০০ |
| দুৰ্লভ পুথি-প্ৰকাশ আঁচনি | — | — | — | ২,২০০'০০ |
| | — | ৯,৩৮২'৯৭ | — | ১১,২০০'০০ |
| বিবিধ | | | | |
| হিচাপ-পৰীক্ষা | ২৫০'০০ | — | ২৫০'০০ | ২৫০'০০ |
| মোকৰ্দ্দমা-পৰিচালনা | — | ৫০০'০০ | ১২'০০ | ৫০০'০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি দিৱস | ২৫'০০ | ২৫'০০ | ২৫'০০ | ২৫'০০ |
| সমিতি আদিৰ বৈঠক | ৩৬'৬০ | ৩০০'০০ | ৯০'৬৮ | ২০০'০০ |
| সম্পত্তি-প্ৰতিপালন | — | ২০০'০০ | ৮৯'৪৫ | ২০০'০০ |
| ভূমি-অধিগ্ৰহণ | — | — | ৪৮'০০ | ৯৫২'০০ |
| বেঙ্কৰ ভৰণি | ৮০'৩৪ | — | ২৯'০৭ | ৫০'০০ |
| ঐচ্ছিক পুঁজি : সভাপতি | ১৩০'০০ | ২০০'০০ | — | ২০০'০০ |
| ঐচ্ছিক পুঁজি : প্ৰধান সম্পাদক | — | ১০০'০০ | — | ১০০'০০ |
| অন্যান্য (সাময়িক বিশেষ দান আদিৰ ব্যয়) | ৩,৯৩১'০৬ | — | ৬,০৮৮'২৭ | ৪,০০০'০০ |
| অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা | — | — | — | ১,০০০'০০ |
| | ৪,৪৫৩'০০ | ১,৩২৫'০০ | ৬,৬৩২'৪৭ | ৭,৪৭৭'০০ |
| সাধাৰণ পুঁজিৰ মুঠ ব্যয় | ২১,০৫০'০৩ | ৩৬,৮৮০'২২ | ২৭,৮৯১'২০ | ৫৫,৪৫৫'২৫ |

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ২১,০৫০·০৩ | ৩৬,৮৮০·২২ | ২৭,৮৯১·২০ | ৫৫,৪৫৫·২১ |
| পৰিশোধ : বিশেষ পুঁজি | | | | |
| অক্ষয় পুঁজি : হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | — | — | — |
| আজীৱন সভ্যৰ পুঁজি | ৬,০০০·০০ | ২,৫০০·০০ | | ৪,০০০·০০ |
| অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি | | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | ৫৯৬·০০ | — | ৬০·৫০ | ১৩৯·৫০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি | ৪৯·০০ | — | ৪৭·৭৫ | |
| কমলাদেৱী স্মাৰক পুঁজি | ১,০১৬·০০ | — | | ১২০·০০ |
| চৰকাৰী অনুদান : ৰাজ্যিক চৰকাৰ | | | | |
| ভাষা-শিক্ষা আৰু সংস্কৃতিক সমন্বয় আঁচনি | ৬,৭৬০·১২ | ১৩,২৩৯·৮৮ | ৭,০৭০·৫৭ | ৫,১৬৯·৩১ |
| প্ৰকাশন আঁচনি | ৯,৫৮৬·২৮ | ৭,৪১৬·৭২ | ১০,০৭৫·৭৫ | |
| চৰকাৰী অনুদান : কেন্দ্ৰীয় চৰকাৰ | | | | |
| সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আচনি | ৭০·০০ | ৮,৯৩০·০০ | ৩০০·০০ | ৮,৬৩০·০০ |
| দুৰ্ল্লভপুথি-প্ৰকাশ আঁচনি | — | | | ৫০০·০০ |
| দানৰ পুঁজি : ৰাধাকান্ত সন্দিকৈ স্মৃতিপুঁজি | ২০০·০০ | — | — | |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতিপুঁজি | — | — | — | ৪৮·৫০ |
| বিশেষ পুঁজিৰ পৰিশোধৰ মুঠ | ২৫,২৭৭·৪০ | ৩২,০৮৬·৬০ | ১৭,৫৫২·৫৭ | ১৮,৬০৭·৩১ |
| সাধাৰণ পুঁজিৰ ব্যয় আৰু বিশেষ পুঁজিৰ পৰিশোধ | ৪৬,৩২৭·৪৩ | ৬৮,৯৬৬·৮২ | ৪৫,৪৪৩·৭৭ | ৭৪,০৬২·৫২ |
| বিনিধান ( বেঙ্কৰ সাধাৰণ হিচাপ ) আৰু নগদ | ২২,৫৫৮·৬৯ | | ২৫,৯৭১·৭০ | |
| সহকাৰী সম্পাদকৰ হাতে ৰোৱা | ৩৫০·০০ | | ৬৬১·৭৬ | |
| প্ৰাক্তন প্ৰধান সম্পাদকৰ হাতে ৰোৱা | ১·৪৩ | | ১·৪৩ | |
| | ২২,৯১০·১২ | | ২৬,৬৩৪·৮৯ | |
| সৰ্ব্বমুঠ ব্যয় | ৬৯,২৩৭·৫৫ | ৬৮,৯৬৬·৮২ | ৭২,০৭৮·৬৬ | ৭৪,০৬২·৫২ |

### দৰ্মহাৰ তুপছিল

| | | |
|---|---|---|
| কেন্দ্ৰীয় কাৰ্য্যালয় : | | |
| মুখ্য কাৰ্য্যালয় সহকাৰী আৰু | | |
| হিচাপ-ৰক্ষক | ১×১৫০·০০×১২ | ১,৮০০·০০ |
| কাৰ্য্যালয় সহকাৰী | ১×৮০·০০×১২ | ৯৬০·০০ |
| ৬০-৫-১২০, মৰগীয়া বানচ | ১৫·০০ | |
| চকিদাৰ | ১×৬৮·০০×১২ | ৮১৬·০০ |
| ৬০-৪-১০০ | | |
| ডাকদাৰ | ১×৪·০০×১২ | ৪৮·০০ |
| মালী ( অংশকালীন ) | ১×৩০·০০×১২ | ৩৬০·০০ |
| | | ৩,৯৮৪·০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় : | | |
| কাৰ্য্যালয় সহকাৰী | ১×১৫০·০০×১২ | ১,৮০০·০০ |
| পিয়ন ( অংশকালীন ) | ১×২৫·০০×১২ | ২৪০·০০ |
| | | ২,০৪০·০০ |



## বিশেষ পুঁজি : (১) অক্ষয় পুঁজি

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| ক. ন্যাস পুঁজি | | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ |
| কমলাদেৱী স্মাৰক পুঁজি | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ |
| | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ |
| খ. আজীৱন সভ্যৰ পুঁজি | | | | |
| যোৱা বছৰৰ উদ্বৃত্ত | ১১,০০০·০০ | ১১,০০০·০০ | ১১,০০০·০০ | ১১,০০০·০০ |
| স্থায়ী জমা-ৰূপে | ২,০০০·০০ | ২,৫০০·০০ | ২,৫০০·০০ | ৪,০০০·০০ |
| সাধাৰণ পুঁজিত | ৫০০·০০ | ২,৫০০·০০ | ১,৫০০·০০ | ২,০০০·০০ |
| প্ৰস্তাৱিত বছৰ | ১৩,৫০০·০০ | ১৬,০০০·০০ | ১৫,০০০·০০ | ১৭,০০০·০০ |

### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| ক. বিনিধান : ন্যাস পুঁজি | | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | | | | |
| চৰকাৰী ৪% ঋণ ১৯৭০-৮০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | | | | |
| ৰিজাৰ্ভ বেঙ্ক অব্ ইণ্ডিয়া কলিকতা | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ | | | | |
| আসাম কো-অঃ এপেক্স বেঙ্ক, যোৰহাট | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ |
| কমলাদেৱী স্মাৰক পুঁজি | | | | |
| আসাম কো-অঃ এপেক্স বেঙ্ক, যোৰহাট | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | | | | |
| আসাম কো-অঃ এপেক্স বেঙ্ক, যোৰহাট | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ |
| | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ |
| খ. বিনিধান : আজীৱন সভ্যৰ পুঁজি | | | | |
| নেচনেল ছেভিংছ চাৰ্টিফিকেট, যোৰহাট ডাকঘৰ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ |
| আসাম কো-অপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | ৬,০০০·০০ | ৬,০০০·০০ | ৬,০০০·০০ | ৬,০০০·০০ |
| নতুন বিনিধান | — | ৫,০০০·০০ | — | ৬,০০০·০০ |
| | ১১,০০০·০০ | ১৬,০০০·০০ | ১১,০০০·০০ | ১৭,০০০·০০ |

## বিশেষ পুঁজি : (২) অক্ষয় পুঁজিৰ বাঢ়ি

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি** | | | | |
| আৰম্ভণী উদ্বৃত্ত | ২৯০·৯৯ | ৮৯৪·২৪ | ৮৯৪·২৪ | ১,০৩৩·২৪ |
| নতুন আয় | ৬০৩·২৫ | ২০০·০০ | ২০০·০০ | ২০০·০০ |
| | ৮৯৪·২৪ | ১,০৯৪·২৪ | ১,০৯৪·২৪ | ১,২৩৩·২৪ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি** | | | | |
| আৰম্ভণী উদ্বৃত্ত | ৬১৩·২৯ | ৬৫২·৭১ | ৬৫২·৯৭ | ৯০৭·৪১ |
| নতুন আয় | ৬৪৭·০২ | ৬২৫·০০ | ৬১৯·৪৪ | ৬২০·০০ |
| শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ দান | | | | ৫,০০০·০০ |
| | ১,২৬০·৩১ | ১,২৭৭·৭১ | ১,২৭২·৪১ | ৬,৫২৭·৪১ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি** | | | | |
| আৰম্ভণী উদ্বৃত্ত | ১৩৬·০০ | ৮৭·৩৬ | ৮৭·৩৬ | ৮৭·৩৬ |
| নতুন আয় | ১·৩৬ | ৪৬·৫০ | — | ৪·০০ |
| | ১৩৭·৩৬ | ১৩৩·৮৬ | ৮৭·৩৬ | ৯১·৩৬ |
| **কমলাদেৱী স্মাৰক পুঁজি** | | | | |
| আৰম্ভণী উদ্বৃত্ত | ১,৯১৭·০৯ | ৮০৭·৬১ | ৮০৭·৬১ | ৯২৭·৬১ |
| নতুন আয় | ১০·৫২ | ৬০·০০ | ১২০·০০ | ৬০·০০ |
| | ১,৯২৭·৬১ | ৮৬৭·৬১ | ৯২৭·৬১ | ৯৮৭·৬১ |
| **হৰিহৰ চৌধুৰী বঁটা পুঁজি** | | | | |
| নতুন আয় | — | ৩০·০০ | — | ৬০·০০ |
| | — | ৩০·০০ | — | ৬০·০০ |

### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি** | | | | |
| বিনিধান : পোষ্টঅফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ৮৯৪·২৪ | ১,০৯৪·০০ | ৮৯৪·২৪ | ২৩৩·২৪ |
| সাধাৰণ পুঁজি | — | — | ১৩৯·৫০ | — |
| আয়কৰ আদি | — | — | ৬০·৫০ | — |
| দুৰ্লভ পুথি প্ৰকাশ আঁচনিলৈ বৰঙণি | — | — | — | ১,০০০·০০ |
| | ৮৯৪·২৪ | ১,০৯৪·০০ | ১,০৯৪·২৪ | ১,২৩৩·২৪ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি** | | | | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ প্ৰতিপালন | ৬০৭·৩৪ | ৬০০·০০ | ৩৬৫·০০ | ৬০০·০০ |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্প্ৰসাৰণ | — | — | — | ৫,০০০·০০ |
| বিনিধান : পষ্ট অফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ৬৫১·৫৭ | ৬৭৭·৭১ | ৯০৭·০১ | ৯২৭·৪১ |
| অন্যান্য উদ্বৃত্ত | ১·৪০ | — | ·৪০ | — |
| | ১,২৬০·৩১ | ১,২৭৭·৭১ | ১,২৭২·৪১ | ৬,৫২৭·৪১ |



| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি** | | | | |
| সামাজিক সমাৰোহ | ৫০·০০ | ৫০·০০ | — | ৯৫·৭৫ |
| বিনিধান : পষ্টঅফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ৮৭·৩৬ | ৮৩·৮৬ | ৮৭·৩৬ | — |
| | ১৩৭·৩৬ | ১৩৩·৮৬ | ৮৭·৩৬ | ৯৫·৭৫ |
| **কমলা দেৱী স্মাৰক পুঁজি** | | | | |
| কমলা দেৱী শিশু-সাহিত্য | ১,১২০·০০ | ৫০০·০০ | — | ৯০০·০০ |
| বিনিধান : পোষ্ট অফিচ চেভিংছ বেঙ্ক, যোৰহাট | ৮০৭·৬১ | ৩৬৭·৬১ | ৮০৭·৬১ | ৮৭·৬১ |
| সাধাৰণ পুঁজি | — | — | ১২০·০০ | — |
| | ১,৯২৭·৬১ | ৮৬৭·৬১ | ৯২৭·৬১ | ৯৮৭·৬১ |
| **হৰিহৰ চৌধুৰী বঁটা পুঁজি** | | | | |
| হৰিহৰ চৌধুৰী বঁটা | | ৩০·০০ | — | ৬০·০০ |
| | | ৩০·০০ | — | ৬০·০০ |

## বিশেষ পুঁজি : (৩) চৰকাৰী অনুদান

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **ৰাজ্যিক চৰকাৰ** | | | | |
| ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | | | | |
| আৰম্ভণী উদ্বৃত্ত | — | ১৩,২৩৯·৮৮ | ১৩,২৩৯·৮৮ | ৬,১৬৯·৩১ |
| প্ৰকাশন আঁচনি ( নতুন : চৰকাৰৰ মঞ্জুৰী সাপেক্ষে ) | — | — | — | ৫০,০০০·০০ |
| **কেন্দ্ৰীয় চৰকাৰ** | | | | |
| সাংস্কৃতিক সম্পৰ্ক-উন্নয়ন আঁচনি | | | | |
| আৰম্ভণী উদ্বৃত্ত | ৯,০০০·০০ | ৯,০০০·০০ | ৮,৯৩০·০০ | ৮,৬৩০·০০ |
| দুৰ্লভ পুথি প্ৰকাশন আচনি : আৰম্ভণী উদ্বৃত্ত | | | ৫০০·০০ | ৫০০·০০ |
| নতুন অনুদান | | | | ৫,৯০০·০০ |
| | ৯,০০০·০০ | ২২,২৩৯·৮৮ | ২২,৬৬৯·০৮ | ৭১,১৯৯·৩১ |

### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰত্যাশিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| **ৰাজ্যিক চৰকাৰ** | | | | |
| ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | ৬,৭৬০·১২ | ১৩,২৩৯·৮৮ | ৭,০৭০·৫৭ | ৬,১৬৯·৩১ |
| প্ৰকাশন আচনি ( নতুন : চৰকাৰৰ মঞ্জুৰী সাপেক্ষে ) | — | — | — | ৫০,০০০·০০ |
| **কেন্দ্ৰীয় চৰকাৰ** | | | | |
| সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি | ৭০·০০ | ১৭,৯৩০·০০ | ৩০০·০০ | ১৭,৬৩০·০০ |
| দুৰ্লভ পুথি প্ৰকাশ আঁচনি | — | — | — | ৬,৪০০·০০ |
| | ৬,৮৩০·১২ | ৩১,১৬৯·৮৮ | ৭,৩৭০·৫৭ | ৮০,১৯৯·৩১ |

### বিশেষ পুঁজি : (৪) দানৰ পুঁজি

**আয়**

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | | | | |
| আৰম্ভণী উদ্বৃত্ত | ২,৮২১·৮৬ | ৩,০৫৮·৭০ | ৩,০৫৮·৭০ | ৩,১০৫·২১ |
| সংগ্ৰহ | ২০০·০০ | ২,০০০·০০ | — | ১,০০০·০০ |
| বাঢ়ি | ৩৬·৮৪ | ১৯·১২ | ৪৬·৫১ | ২০·০০ |
| | ৩,০৫৮·৭০ | ৫,০৭৭·৮২ | ৩,১০৫·২১ | ৪,১২৫·২১ |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | | | | |
| আৰম্ভণী উদ্বৃত্ত | — | — | — | ৪৮·৫০ |
| সংগ্ৰহ | — | ২,০০০·০০ | ৪৮·৫০ | ১,০০০·০০ |
| | — | ২,০০০·০০ | ৪৮·৫০ | ১.০৪৮·৫০ |

**ব্যয়**

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰত্যাশিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি বিনিধান : অসম কোঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | ৩,০৫৮·৭০ | ৫,০৭৭·৮২ | ৩,১০৫·২১ | ৪,১২৫·২১ |
| | ৩,০৫৮·৭০ | ৫,০৭৭·৮২ | ৩,১০৫·২১ | ৪,১২৫·২১ |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি বিনিধান : অসম কোঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | — | ২,০০০·০০ | — | ১,০৪৮·৫০ |
| | — | ২,০০০·০০ | — | ১,০৪৮·৫০ |



### বিশেষ পুঁজি : (৫) অসম সাহিত্য সভা ভৱন ( গুৱাহাটী )

**আয়**

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰত্যাশিত আয় ১৯৬১-৬২ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ বাবে শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱাদেৱৰ দান | — | — | — | ৫০,০০০·০০ |
| ৰঘুনাথ চৌধাৰী গৱেষণা গ্ৰন্থাগাৰৰ বাবে শ্ৰীৰঘুনাথ চৌধাৰীদেৱৰ দান | — | — | — | ২০,০০০·০০ |
| কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ অনুদান | — | — | — | ৫০,০০০·০০ |
| | — | — | — | ১,২০,০০০·০০ |

**ব্যয়**

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰস্তাৱিত ব্যয় ১৯৬১-৬২ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ |
|---|---|---|---|---|
| গুৱাহাটীত অসম সাহিত্য সভাৰ ভৱন-নিৰ্মাণ | — | — | — | ১,২০,০০০·০০ |
| | — | — | — | ১,২০,০০০·০০ |

**শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী,**
সভাপতি, অসম সাহিত্য সভা

১৪.৭.৬২

**মহেশ্বৰ নেওগ,**
সম্পাদক, অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সপ্তম অধিৱেশন

### ১৭ ছেপ্টেম্বৰ ১৯৬২

উপস্থিত : শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—উপসভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীহৰিপ্ৰসাদ নেওগ—সহকাৰী সম্পাদক, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীলীলা গগৈ, শ্ৰীমেদিনীকান্ত ঠাকুৰীয়া, শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশী, শ্ৰীধৰ্ম্মকান্ত গোহাঁই, শ্ৰীৰঘুৱা তাঁতী, শ্ৰীগোবিন্দ পৈৰা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

বিশেষভাৱে নিমন্ত্ৰিত—শ্ৰীনীলমণি ফুকন, শ্ৰীনকুলচন্দ্ৰ ভূঞা, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, আৰু ত্ৰিংশ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীপাৰ্ব্বতিনাথ ফুকন।

এইসকলে সভাত উপস্থিত থাকিব নোৱাৰিব বুলি প্ৰধান সম্পাদকক জনায় : শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী (সভাপতি), শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীমতী লক্ষহীৰা দাস, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী আৰু শ্ৰীচৈয়দ আব্দুল মালিক।

যোৰহাটত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ১৭ ছেপ্টেম্বৰ ১৯৬২ তাৰিখে পুৱা ৮ বজাৰপৰা অধিৱেশন বহে।

সভাপতিৰ অনুপস্থিতিত উপসভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে আৰু সভাৰ কাৰ্য্য পৰিচলনা কৰে।

১। ১৪ জুলাই ১৯৬২ বহা পঞ্চম অধিৱেশনৰ কাৰ্য্যবিৱৰণ গ্ৰহণ কৰা হয়।

২। প্ৰধান সম্পাদকে জনায় দিল্লী বিশ্ববিদ্যালয়ত অসমীয়া ভাষা শিক্ষণৰ ব্যৱস্থা সম্পৰ্কে প্ৰধান সম্পাদকে শ্বিলঙত অসমৰ শিক্ষামন্ত্ৰী, শিক্ষাসচিব আৰু শিক্ষাধিকাৰক লগ ধৰি আলোচনা কৰে আৰু সোনকালে চূড়ান্ত সিদ্ধান্ত ল'বলৈ অনুৰোধ কৰে। এই বিষয়ে চৰকাৰীভাৱে কামটো বিচাৰ কৰা হৈ আছে।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে সন্তোষ প্ৰকাশ কৰি অতি সোনকালে চৰকাৰে দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া শিক্ষণৰ প্ৰৱৰ্ত্তন কৰিব বুলি আশা কৰে।

৩। বৰ্ত্তমান বছৰৰ আগভাগতে (এপ্ৰিলৰ শেষত) অনুষ্ঠিত হব লগীয়া আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ১৪ জুলাই ১৯৬২ তাৰিখৰ অধিৱেশনে ছেপ্টেম্বৰৰ ভিতৰত পাতিবলৈ সিদ্ধান্ত কৰা অসমীয়া ভাষাজ্ঞান প্ৰমাণপত্ৰ পৰীক্ষা সম্পৰ্কে পৰীক্ষা সংসদৰ পৰীক্ষা সচিব শ্ৰীচৈয়দ আব্দুল মালিকৰ ১৭।৯।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হয়। পৰীক্ষা সচিবে জনাইছে যে ছেপ্টেম্বৰৰ শেষত তেখেতে তাৰিখ ঠিক কৰিছে।

থিৰাং কৰা তাৰিখমতে পৰীক্ষা পতাৰ আও আয়োজন কৰিবলৈ পৰীক্ষা সচিবক নিৰ্দ্দেশ দিয়া হ'ল।

৪। প্ৰধান সম্পাদকে জনায় যে যোৱা অধিৱেশনত নিযুক্ত নিৰ্ব্বাচন সমিতিয়ে শাখা সভাৰপৰা ঘূৰি অহা নিৰ্ব্বাচনী শলাকা-পত্ৰ পৰীক্ষা কৰি শ্ৰীৰত্নকান্ত বৰকাকতী দেৱক সভাৰ ত্ৰিংশ সন্মিলনৰ সভাপতি নিৰ্ব্বাচিত হোৱা বুলি ঘোষণা কৰে। শ্ৰীবৰকাকতী ডাঙৰীয়াই ইতিমধ্যে তেখেতৰ সম্মতি প্ৰদান কৰিছে।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীবৰকাকতী ডাঙৰীয়াক ধন্যবাদ আৰু সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

থিৰাং কৰা যায়, ষষ্ঠ অধিৱেশনৰ কাৰ্য্য-বিৱৰণ পত্ৰিকাত ছপা কৰাৰ সময়ত নিৰ্ব্বাচনৰ বাবে বছা পাঁচোটি নাম প্ৰকাশিত নহব।

শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰীৰ ১২।৯।৬২ তাৰিখৰ সভাপতি-নিৰ্ব্বাচন সম্পৰ্কে আপত্তি-প্ৰদৰ্শক চিঠি পাঠ কৰি আলোচনা কৰাৰ পিছত সমিতিয়ে মত প্ৰকাশ কৰে যে নিৰ্ব্বাচনত সাহিত্য সভাৰ নিয়মতন্ত্ৰৰ কোনো ব্যতিক্ৰম ঘটা নাই।

৫। ৰাধাকান্ত সন্দিকৈ স্মৃতি-পুঁজি আৰু ৰাধাকান্ত



সন্দিকৈ ভৱন নিৰ্ম্মাণ সম্পৰ্কে আলোচনা কৰা হয়। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নতুনকৈ পুনঃসংগঠিত ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিক পুঁজি-সংগ্ৰহৰ কামত তৎপৰতাৰে লাগিবলৈ আৰু ডিচেম্বৰৰ আগভাগতে কামৰ অগ্ৰগতিৰ বিষয়ে এটি প্ৰতিবেদন দিবলৈ অনুৰোধ কৰে।

স্মৃতি সমিতিত অসম সাহিত্য সভাৰ উপসভাপতিৰ নামো যোগ দিয়া হওক।

৬। কাছাৰৰ অন্তৰ্গত অসম সাহিত্য সভাৰপৰা মঞ্জুৰী পোৱা স্কুল কেইখনিৰ বিষয়ে আৰু কাছাৰত অসমীয়া ভাষাৰ শিক্ষাদানৰ বিষয়ে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে ১৪ জুলাই ১৯৬২ তাৰিখৰ আয়ব্যয়ৰ প্ৰসঙ্গত কোৱা কথালৈ আঙুলিয়াই কয় যে ভাষাশিক্ষা আৰু সাংস্কৃতিক উন্নয়ন আঁচনিৰ বাবে ১৯৬০-৬১ চনতে চৰকাৰৰপৰা পোৱা অনুদানৰপৰাই কাছাৰৰ স্কুলকেইখনিক মঞ্জুৰী দিয়া হৈছিল। এতিয়া এই অনুদান খৰচ হৈ শেষ হব লগীয়া হোৱাত স্কুল কেইখনিৰ দায়িত্বৰ বিষয়ে ভাবিব লগীয়া হৈছে। অসম চৰকাৰৰ ওচৰত এই সম্পৰ্কীয় আঁচনি একাধিকবাৰ দাখিল কৰা সত্ত্বেও কোনো অনুদান পোৱা নগ'ল। আনফালে কাছাৰৰ লোকসকলে অসমীয়া ভাষাত শিক্ষণৰ উদ্দেশ্যে শিক্ষক সকলৰ প্ৰশিক্ষণ সদায় বিচাৰি আহিছে। এই বিষয়তো চৰকাৰৰ লগত আন্দোলন-আলোচনা কৰিও একো ফল লাভ কৰিব পৰা নাই।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে অসমৰ শিক্ষামন্ত্ৰীৰ ওচৰলৈ কাছাৰৰ পঢ়াশালিত অসমীয়া শিক্ষাৰ বিষয়ে সকলো কথা বুজাই দিবলৈ এটি সজাতী দল পঠাবলৈ থিৰাং কৰে। দলত শ্ৰীআব্দুল কাহেৰ লস্কৰ, শ্ৰীপুলকেশী সিংহ, শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱা, প্ৰধান সম্পাদক, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী থাকিব।

কাছাৰ যাত্ৰাৰ বাবে আগৰ সিদ্ধান্তৰ পুনৰ্বিবেচনা কৰি বাগ্মীৰৰ শ্ৰীনীলমণি ফুকন, শ্ৰীচৈয়দ আব্দুল মালিক, শ্ৰীহৰিপ্ৰসাদ নেওগ, শ্ৰীলীলা গগৈ, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ নাম ঠিক কৰা হয়। শ্ৰীনীলমণি ফুকন ডাঙৰীয়া দলটোৰ অধিনায়ক আৰু শ্ৰীহৰিপ্ৰসাদ নেওগ আহ্বায়ক হব।

৭। ষষ্ঠ অধিৱেশনৰ ২১শ সিদ্ধান্তৰ মৰ্ম্মে শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মাৰ দ্বাৰা সংগৃহীত-সম্পাদিত নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প-সংগ্ৰহ সম্পৰ্কে সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ ১২।৯।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হ'ল। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীগোস্বামীদেৱৰ অভিমত গ্ৰহণ কৰি পুথিখনৰ প্ৰকাশনৰ বিষয় পিছৰ অধিৱেশনত বিবেচনালৈ থয়।

৮। নাজিৰাত বহিব লগীয়া অসম সাহিত্য সভাৰ ত্ৰিংশ সন্মিলন সম্পৰ্কে আলোচনা কৰা হয়। আদৰণী সমিতিৰ ২৫।৩।৬২ আৰু ১৯।৮।৬২ তাৰিখৰ কাৰ্য্যবিৱৰণ পাঠ কৰা হয়। সমিতিয়ে ২২, ২৩, ২৪ আৰু ২৫ ডিচেম্বৰত সন্মিলন বহুৱাবৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু সভাৰ নিয়মাৱলী অনুসৰি সঙ্গীত আৰু যুৱৰক্ষী অধিৱেশন, আলোচনা-চক্ৰ আৰু কবিসন্মিলনৰ উপৰিও এখন সাংবাদিক সন্মিলন পাতিবলৈ আয়োজন কৰিছে। প্ৰধান সম্পাদকে জনায় যে জাতীয় একীকৰণৰ উদ্দেশ্য চকুৰ আগত ৰাখি অসম, উত্তৰ-পূৱ সীমান্ত আৰু নগাভূমিৰ জনজাতিৰ লোকসকলৰ মাজৰপৰা নেতৃস্থানীয় লোকক আমন্ত্ৰণ কৰি এখন প্ৰীতি-আলোচনা-সন্মিলন পতাৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ওচৰত এখন আঁচনি দাখিল কৰিছে।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে প্ৰধান সম্পাদকৰ আঁচনি অনুমোদন কৰে।

অভ্যৰ্থনা সমিতিয়ে থিৰাং কৰি দিয়া তাৰিখ বিবেচনা কৰি সিদ্ধান্ত কৰা হয় যে ২৩ আৰু ২৪ তাৰিখে মূল সভা, ২২ আৰু ২৩ তাৰিখে পুৱা আৰু গধূলি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বৈঠক আৰু বিষয়-বাছনী সমিতি, ২৫ তাৰিখে সঙ্গীত অধিৱেশন বহিব। বাকী অধিৱেশন ২৩।২৪ আৰু ২৫ তাৰিখে সুবিধাজনকভাৱে বহুৱাব।

শাখা অধিৱেশনৰ সভাপতিৰ নাম তলত দিয়া ক্ৰমে থিৰাং কৰা হয় :

প্ৰীতি-সন্মিলন আৰু আলোচনা-চক্ৰ :—শ্ৰীহেম বৰুৱা, শ্ৰীমতী ইন্দিৰা মিৰি।

[ বিষয় : জাতীয়-একীকৰণ—অসমীয়া ভাষা সাহিত্যৰ পটভূমিত ]

বুৰঞ্জী অধিৱেশন—শ্ৰীনকুলচন্দ্ৰ ভূঞা, ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰী

সঙ্গীত অধিবেশন—শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীগহনচন্দ্ৰ গোস্বামী

[ উদ্বোধক—ডঃ ভূপেন্দ্ৰকুমাৰ হাজৰিকা ]

কবি সন্মিলন—শ্ৰীশৈলধৰ ৰাজখোৱা

[ আহ্বায়ক : শ্ৰীআনন্দচন্দ্ৰ বৰুৱা ]

সাংবাদিক সন্মিলন—

শ্ৰীদেৱকান্ত বৰুৱা, শ্ৰীকেদাৰনাথ গোস্বামী।

৯। আদৰণী সমিতিৰ সম্পাদকৰ ২০।৭।৬২ তাৰিখৰ চিঠি পাঠ কৰা হয়। আদৰণী সমিতিয়ে অৰ্থ-সংগ্ৰহৰ অৰ্থে কিছু কুপন তৈয়াৰ কৰি কুপনত অসম সাহিত্য সভাৰ প্ৰতীকটি ব্যৱহাৰ কৰিবলৈ অনুমতি বিচাৰিছে।

বিশেষ বিবেচনা কৰি কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত অনুমতি প্ৰদান কৰে।

১০। ছিয়াং সীমান্ত বিভাগৰ লেখক শ্ৰীলুম্বেৰ দাইৰপৰা তেখেতৰ 'পাহাৰৰ শিলে শিলে' নামৰ পুথিৰ কিছু কিনি ল'বলৈ আবেদন পাঠ কৰা হ'ল।

সিদ্ধান্ত গ্ৰহণ কৰা হ'ল যে সভাই ৫০ খনি 'পাহাৰৰ শিলে শিলে' কিনি সীমান্ত অঞ্চলৰ লোকসকলক উৎসাহিত কৰিব।

১১। কাছাৰৰ শ্ৰীসুহাগমণি বৰ্দ্ধনৰ (প্ৰধান সম্পাদক, অসমীয়া ভাষা উৎসাহন সমিতি, পোঃ অঃ নিতাইনগৰ, হাইলাকান্দি) তেখেতৰ অঞ্চলৰ পঢ়াশালিৰ কাৰণে কিছু পুথিৰ সাহায্য বিচাৰি পঠোৱা আবেদন পাঠ কৰা হ'ল।

সিদ্ধান্ত কৰা হ'ল যে প্ৰধান সম্পাদকে বিবেচনা কৰি কিছু পুথি পঠাব।

১২। চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস সমিতিৰ সম্পাদকৰ-পৰা আগতে দিয়া ৪,০০০.০০ হেজাৰ টকাৰ ঋণৰ উপৰিও ১,৬৭০.০০ টকা ঋণ বিচাৰি দিয়া ২৭।৮।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হ'ল। প্ৰধান সম্পাদকে জনায় যে বিষয়টোৰ গুৰুত্ব বিবেচনা কৰি সভাপতিৰ অনুমতিৰে ১,৬৭০.০০ টকা সমিতিৰ সম্পাদকলৈ পঠোৱা হৈছে।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত কাৰ্য্য সমৰ্থন কৰে।

১৩। প্ৰধান সম্পাদকে জনায় যে সাহিত্য একাদেমীৰ সাধাৰণ পৰিষদলৈ অসম সাহিত্য সভাৰ এজন প্ৰতিনিধি বাছিবৰ অৰ্থে একাডেমীৰ সম্পাদকে তিনিজনীয়া এটি পেনেল বিচৰাত প্ৰধান সম্পাদকে সভাপতিৰ সম্মতিৰে শ্ৰীচৈয়দ আব্দুল মালিক, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু ডক্টৰ মহেশ্বৰ নেওগৰ নাম পঠায়।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে এই কাৰ্য্য সমৰ্থন কৰে।

১৪। সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি আৰু সীমান্তলৈ যাব লগীয়া সন্দেশবাহী দলৰ বিষয়ে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে জনায় যে কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিৱেশনৰ ২৯শ সিদ্ধান্তৰ নিৰ্দ্দেশ অনুযায়ী সভাপতিৰ পাতনি-সম্বলিত সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক বিষয়ক এখনি পুস্তিকা ছপাৰ কাম প্ৰায় শেষ হৈছে। প্ৰধান সম্পাদকে জনায় যে সভাৰ সন্দেশ-বাহী দল ছিয়াঙৰ আলং আৰু পাছিঘাটলৈ যাবলৈ বিচৰাত পাছিঘাটলৈ যোৱাৰ কোনো অনুমতি নিদি আলঙলৈ যোৱাৰ অনুমতি দুবাৰো অসুবিধাজনকভাৱেহে আলঙৰ কৰ্ত্তৃপক্ষই পঠাইছে। এই বিষয়ে আপত্তি দৰ্শাই আলং কৰ্ত্তৃপক্ষক পুনৰ তাৰিখ দিবলৈ প্ৰধান সম্পাদকে অনুৰোধ কৰিছে।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে অসমৰ ৰাজ্যপালক সম্বোধন কৰি এখনি স্মাৰকপত্ৰ ছপাই দাখিল কৰিবলৈ আৰু সংসদী সভ্যসকললৈ পঠাবলৈ সিদ্ধান্ত কৰে। কাছাৰ সম্পৰ্কত গঠিত হোৱা সৰ্ব্বজাতী দলেই ৰাজ্যপালৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিব।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে সন্দেশবাহী দলক পাছি-ঘাটলৈ যাবলৈ অনুমতি নিদিয়াত দুখ প্ৰকাশ কৰি আলং আৰু পাছিঘাট দুই ঠাইলৈকে যাবলৈ প্ৰধান সম্পাদকে লিখামতে অনুমতি দিবলৈ সীমান্ত অঞ্চলৰ আযুক্তক টানি অনুৰোধ কৰে।

১৫। সাহিত্য সভা সপ্তাহ বা দিৱস পালন সম্পৰ্কে আলোচনা কৰা হয়। সমিতিয়ে এইবাৰ দিৱস পালন কৰিবলৈ ঠিক কৰে। নৱেম্বৰ মাহৰ ভিতৰত এটা দিন ঠিক কৰি কাৰ্য্যসূচী আদি তৈয়াৰ কৰি জাননী আদি দিবলৈ সহকাৰী সম্পাদক, শ্ৰীচৈয়দ আব্দুল মালিক, শ্ৰীনকুলচন্দ্ৰ ভূঞাৰে এখনি সমিতি গঠন কৰা হয়।



১৬। প্ৰধান সম্পাদকে জনায় যে উপযুক্ত ভাৰাত আৰু ঠাইত ঘৰ নোপোৱা কাৰণে বৰ্ত্তমানলৈকে প্ৰধান সম্পাদকৰ কাৰ্য্যালয় তেখেতৰ ঘৰতে ৰাখিব লগীয়া হৈছে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত কাৰ্য্য সমৰ্থন কৰি আগ বঢ়োৱা ঘৰৰ ভাৰা প্ৰধান সম্পাদকে ধন্যবাদেৰে গ্ৰহণ কৰিবৰ অপাৰগতা স্বীকাৰ কৰে; তাৰ বাবে সমিতিয়ে সম্পাদকক পুনৰ ধন্যবাদ জ্ঞাপন কৰে।

১৭। অসম চৰকাৰৰ ওচৰত দাখিল কৰা সভাৰ প্ৰকাশন আঁচনিৰ সম্পৰ্কত প্ৰধান সম্পাদকে জনায় যে চৰকাৰৰ ফালৰপৰা ইঙ্গিত পোৱা হৈছে যে ১৯৬২-৬৩ বিত্তীয় বছৰৰ ভিতৰতে ছপা হোৱাকৈ তলৰ পুথি কেইখন প্ৰণয়ন কৰিব পাৰিলে চৰকাৰৰপৰা অনুদান পোৱা যাব আৰু পিছৰ বছৰবোৰত সেই ক্ৰমে অনুদান পোৱা যাব পাৰে।

(ক) বিশ্বনাথ : সাহিত্য-দৰ্পণৰ ভাঙনি

(খ) ৰাজেশ্বৰ : কৰ্পূৰ-মঞ্জৰীৰ ভাঙনি

(গ) বিশাখদত্ত : মুদ্ৰা-ৰাক্ষসৰ ভাঙনি

(ঘ) সাহিত্য-সমালোচনাৰ প্ৰবন্ধাবলী ( ৩০০ পিঠিৰ সংগ্ৰহ )। সিদ্ধান্ত কৰা যায় যে কামখিনি তলত দিয়া ধৰণে ভগাই দিয়া যাওক :

(ক) সাহিত্য-দৰ্পণ—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী

(খ) কৰ্পূৰ-মঞ্জৰী—শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা

(গ) মুদ্ৰা-ৰাক্ষস—শ্ৰীৰজনীকান্ত দেৱ শৰ্ম্মা

(ঘ) সাহিত্য-সমালোচনাৰ প্ৰবন্ধাবলী—শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা।

১৮। অসম চৰকাৰে ভাৰত চৰকাৰৰ বিদেশলৈ পঠোৱা দৌত্যত ল'ব পৰা লোকৰ নামৰ পৰামৰ্শ বিচৰা সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধান সম্পাদক, শ্ৰীবিশ্ব-নাৰায়ণ শাস্ত্ৰী, আৰু শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মাৰে এখনি সমিতি গঠন কৰি এটি তালিকা প্ৰস্তুত কৰিবলৈ ভাৰ দিয়া হ'ল।

১৯। হিচাপ-পৰীক্ষাৰ মাচুল সম্পৰ্কে হিচাপ-পৰীক্ষক অধ্যাপক মহম্মদ চাকীৰ ১৫।৯।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হয়।

সিদ্ধান্ত কৰা হয় যে হিচাপ-পৰীক্ষাৰ বাবে পৰীক্ষকক বানচ বছৰত ৩৫০.০০ টকা হ'ব।

২০। নিয়মাৱলীৰ ১০ম বিধি অনুসৰি তলত নাম দিয়া অসমীয়া ভাষা-সাহিত্য-অনুৰাগী লোকসকলক আজীৱন সভ্যৰূপে ভুক্ত কৰা হ'ল :

(১৫৩) শ্ৰীটঙ্কেশ্বৰ বৰুৱা, টিপলিং, জালনি ডিব্ৰুগড়ৰ পোঃ অঃ।

(১৫৪) শ্ৰীগোলোকচন্দ্ৰ বৰুৱা, টিপলিং, জালনি ডিব্ৰুগড়ৰ পোঃ অঃ।

২১। নিয়মাৱলীৰ ৫ম বিধি ষষ্ঠ ছেদ আৰু উপবিধি ক অনুসৰি তলত নাম দিয়া সভাসমূহক শাখা সভাৰূপে স্বীকৃতি দিয়া হ'ল :

(১) ভাৰতী অধ্যয়ন চক্ৰ ( নামশালা গাঁও, সৰ্থেবাৰী, কামৰূপ ),

(২) আলোক সাহিত্য সভা ( বাওতলি গাঁও, নকছাৰী, শিৱসাগৰ ),

(৩) জ্ঞানোদয় সাহিত্য সভা ( সোণ্দৰ পুখুৰী, চকিমুখ, শিৱসাগৰ ),

(৪) মৰঙি প্ৰগতি সাহিত্য সভা ( মৰঙি চাৰিআলি, গোলাঘাট, শিৱসাগৰ ),

(৫) ধিতাইপুখুৰী সাহিত্য সভা ( ধিতাইপুখুৰী, শিৱসাগৰ ),

২২। গোৱালপাৰা সন্মিলনৰ বিষয়-বাছনী সভাৰ দ্বাৰা নিযুক্ত নিয়মাৱলী সংশোধন সমিতিৰ দ্বাৰা পৰিবৰ্ত্তিত নিয়মাৱলীৰ খচৰা ছপা কৰি উলিয়াবলৈ ঠিক কৰা হ'ল।

২৩। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাপৰ বিষয়ে আলোচনা কৰা হয়।

(ক) হিচাপ পৰীক্ষক অধ্যাপক মহম্মদ চাকীৰ ১৪।৯।৬২ তাৰিখৰ পত্ৰ পাঠ কৰা হ'ল। তেখেতে ১৯৬১ৰ ডিচেম্বৰত এবাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাপ পৰীক্ষা কৰি কেইটামান আৱশ্যকীয় কিন্তু তেতিয়াও নৰখা হিচাপৰ বহী ( খতিয়ান, ষ্টক, শাখা অনুসাৰে সভ্যৰ তালিকা ) ৰাখিবৰ নিৰ্দ্দেশ দিয়ে ( ৩।১।৬২ তাৰিখৰ পত্ৰত )। ১৯৬২ৰ মেৰ মাজভাগত পুনৰ উক্ত কাৰ্য্যালয় পৰিদৰ্শন কৰি তেখেতে জনায়, ষ্টক বা সম্পত্তিৰ বহী ( প্ৰকাশন ) আৰু সভ্যৰ ৰেজিষ্টাৰ তেতিয়াও হোৱা

নাই (২৪।৫।৬২ তাৰিখৰ পত্ৰ)। বৰ্ত্তমান হিছাপ-পৰীক্ষকে এইখিনি পাবলৈ বিচাৰিছে—

(১) ৩১।৩।৬২ তাৰিখে কিতাপৰ ষ্টক আৰু তাৰ কমিছন বাদ দি মূল্যৰ তালিকা,

(২) পত্ৰিকাৰ বাবদ বিভিন্ন লোকৰপৰা পাব লগীয়া টকাৰ হিছাপ (৩১।৩।৬২),

(৩) পত্ৰিকাৰ বাবদ বিভিন্ন লোকৰপৰা পাব লগীয়া (৩১।৩।৬২) টকাৰ হিছাপ,

(৪) ৰাজহুৱা দান-সংগ্ৰহৰ বাবদ বিভিন্ন লোকৰপৰা পাব লগীয়া (৩১।৩।৬২) টকা আৰু ৰচিদ বহীৰ হিছাপ।

(৫) সভাৰ ৰেজিষ্টাৰ বহীমতে আগৰপৰা ৩১।৩।৬২ তাৰিখ পৰ্য্যন্ত বিভিন্ন শাখা-সভাৰপৰা পাবলগীয়া অৰ্থৰ হিছাপ।

(খ) হিছাপ পৰীক্ষকৰ ১৬।৬।৬২ তাৰিখৰ টোকাৰমতে, প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ে ১১।১।৬২ তাৰিখে পঠোৱা ৩০০.০০ টকা কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিছাপত জমা হোৱা নাই।

হিছাপ-পৰীক্ষকৰ ২২।৬।৬২ তাৰিখৰ টোকামতে তেখেতে সহকাৰী সম্পাদকৰপৰা ৰাজহুৱা দান-সংগ্ৰহৰ হিছাপ তেতিয়াও নাপালে।

হিছাপ-পৰীক্ষকৰ ৬।৭।৬২ তাৰিখৰ টোকামতে চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিয়ে ৩০।৩।৬২ তাৰিখে পৰিশোধ কৰা ঋণৰ ৩৬৫.০০ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিছাপত মাৰ্চ্চ ১৯৬২ মাহৰ ভিতৰত জমা নহ'ল।

সহকাৰী সম্পাদকে ১৫।৭।৬২ তাৰিখে গুৱাহাটীত দাখিল কৰা হিছাপমতে ৰাজহুৱা দান-সংগ্ৰহ হিছাপত জুন ১৯৬১ৰ পৰা মাৰ্চ্চ ১৯৬২ৰ ভিতৰত ৭৭১.৮০ সহকাৰী সম্পাদকৰ হাতত ৰৈ যায়।

প্ৰধান সম্পাদকৰ নিৰ্দ্দেশমতে এইদৰে সহকাৰী সম্পাদকৰ হাতত ৩১।৩।৬২ তাৰিখে ৰৈ যোৱা মুঠ ১,৪৩৩.৩৬ৰপৰা তলত দিয়ামতে সহকাৰী সম্পাদকে সভাৰ হিছাপত জমা দিয়ে :

৩।৪।৬২—৩৬৫.০০
২।৭।৬২—২৪২.০০
৫।৭।৬২—২০১.৮০
১৩।৭।৬২— ৫০.০০
২১।৭।৬২—২৭৮.০০।

বাকী টকা জুলাই ১৯৬২ মাহৰ বিভিন্ন হিছাপৰ খৰচত সংযোজন কৰি দিয়া হৈছে। ২৫।৭।৬২ তাৰিখৰ টোকাত সহকাৰী সম্পাদকে এই অনিয়মবোৰৰ কাৰণে অত্যন্ত দুখ প্ৰকাশ কৰি ভৱিষ্যতে সকলো নিয়ম ৰক্ষাত তৎপৰ হ'ব বুলি জনাইছে।

(গ) সহকাৰী সম্পাদকে দিয়া টোকামতে তেখেতে দিয়া পাঁচখন ৰাজহুৱা ধন-সংগ্ৰহৰ ৰচিদ-বহী সংগ্ৰাহক-সকলৰপৰা এতিয়াও ঘূৰাই পোৱা নাই।

(ঘ) সহকাৰী সম্পাদকৰপৰা পোৱা টোকামতে ১৯৫৯-৬০ চনৰেপৰা ১৯৬১-৬২ চনৰ ভিতৰত বাকী বিক্ৰীত দিয়া কিতাপৰ বাবে মুঠ ২,০৯৮.৩৬ এতিয়াও বিভিন্ন ব্যক্তিৰপৰা পাবলৈ বাকী আছে। (অসম সাহিত্য সভা পত্ৰিকাৰ বাবদ পাব লগীয়া অৰ্থ ইয়াৰ বাহিৰ।)

আলোচনাৰ পিছত ওপৰৰ চাৰিটা বিষয়ৰ এইদৰে মীমাংসা কৰা হ'ল :

(ক) সিদ্ধান্ত কৰা হয় যে সহকাৰী সম্পাদকে ১৫।১০।৬২ তাৰিখৰ ভিতৰত উক্ত হিছাপবোৰ পূৰা কৰি হিছাপপৰীক্ষকৰ ওচৰত সন্তোষজনকভাৱে দাখিল কৰিব।

(খ) সমিতিৰ আগত সহকাৰী সম্পাদকে বিশেষ কাৰণত হোৱা বুলি দৰ্শোৱা টকা-পইছা-বিষয়ক উক্ত অনিয়মবোৰৰ অ'ৰ মৰা কাৰ্য্য কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে নিৰীক্ষণ কৰি ভৱিষ্যতে কোনো ক্ষেত্ৰতে তেনে নহ'ব বুলি আশা প্ৰকাশ কৰে।

(গ) ৩১।১১।৬২ৰ ভিতৰত অনিবাৰ্য্যভাৱে ৰচিদ-বহীবোৰ ঘূৰাই দিবলৈ জাননী দিবলৈ সহকাৰী সম্পাদকক নিৰ্দ্দেশ দিয়া হয়।

(ঘ) ৩০।১১।৬২ৰ ভিতৰত অনিবাৰ্য্যভাৱে কিতাপৰ আদায় দিবলৈ লিখি জাননী দিবলৈ সহকাৰী সম্পাদকক নিৰ্দ্দেশ দিয়া হয়।

সিদ্ধান্ত কৰা হয় যে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে নিৰ্দ্ধাৰণ কৰা এজেন্সিৰ নিয়মাৱলীমতে চুক্তি কৰি এজেণ্ট নহ'লে কোনো লোক বা অনুষ্ঠানক বাকীকৈ সাহিত্য সভাৰ পুথি আদি দিয়া নাযাব।

মহেশ্বৰ নেওগ, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা,
প্ৰধান সম্পাদক, সভাপতি
অসম সাহিত্য সভা ১৭।৯।৬২

# পুথি-পৰিচয়

ৰত্নকোষ—প্ৰথম খণ্ড—খণ্ড-বাক্য :—প্ৰণেতা স্বৰ্গীয় চন্দ্ৰধৰ বৰুৱা, সাহিত্য-ৰত্ন ; প্ৰকাশক শ্ৰীমুকুলীধৰ বৰুৱা, যোৰহাট ; প্ৰথম প্ৰকাশ: ১৫ আগষ্ট ১৯৬২। বেচ কুৰি টকা ; পৃষ্ঠা ১—৩০৩

হেমকোষ, খণ্ডবাক্য কোষ আৰু চন্দ্ৰকান্ত অভিধানৰ দৰেই চন্দ্ৰধৰ বৰুৱা, সাহিত্য-ৰত্নদেৱৰ অধুনা প্ৰকাশিত ৰত্নকোষো (প্ৰথম খণ্ড) আমাৰ সাহিত্য ভঁড়ালৈ এটি অনুপম অৱদান। স্বৰ্গীয় বৰুৱাদেৱে ১৯২৫ চনৰ পৰা অশেষ যত্ন কৰি খণ্ডবাক্য (প্ৰথম খণ্ড) আৰু যোজোনাৰ (দ্বিতীয় খণ্ড) দুটি খণ্ড যুগুত কৰি ১৯৪২ চনত সেই কাম শেষ কৰে। কিন্তু বৰুৱাদেৱৰ মৃত্যুৰ প্ৰায় এবছৰ পাচতহে ৰত্নকোষ প্ৰথম খণ্ড প্ৰকাশ হৈছে।

এই ৩০৩ পিঠিৰ পুথিখনিৰ আৰম্ভণিতে বৰুৱাদেৱে "অসমীয়া যোজোনা আৰু খণ্ডবাক্য আদিৰ বিষয়ে একাষাৰ" শীৰ্ষক ভূমিকাত অসমীয়া যোজনা আৰু ফকৰাৰ বিষয়ে এটি তত্ত্বপূৰ্ণ আলোচনা কৰিছে। বৰুৱাদেৱে কৈছে, "যোজোনা প্ৰভৃতি বচনবোৰত এহাতে যেনেকৈ নানা ভঙ্গিৰে বহুবিধ বিষয়ৰ লাগতিয়াল উপদেশ দিয়া আছে, সেইদৰে আন হাতে, খণ্ডবাক্যবোৰে ভাষাৰ বৈশিষ্ট্য ৰক্ষা কৰিছে। ইয়াৰ দৰে একোৱে ভাষাৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰিব নোৱাৰে। যোজোনা আৰু খণ্ডবাক্য আদি বচনবোৰ ঠাই বুজি খাপ খুৱাই খটালে, ভাষা বিশুদ্ধ, শুৱলা, ৰসাল আৰু ভাবব্যঞ্জক হয়।" সাহিত্যৰত্ন বৰুৱাদেৱে কি ৰীতিৰে পুথিখন যুগুত কৰিছে তাকো পাতনিত উল্লেখ কৰিছে। কৰ্ণেল গৰ্ডনৰ Some Assamese Proverbs-ত মুঠ ৩০১টা যোজোনা, বেণুধৰ' ৰাজখোৱাৰ খণ্ডবাক্য কোষত ২৩৮৭টা খণ্ডবাক্য আৰু ৰত্নকোষ প্ৰথম খণ্ডত প্ৰায় ৩৩০০ বচন আছে। বৰুৱাদেৱে স্বভাৱসুলভ অপণ্ডিতমন্যতাৰে পাতনিত কৈ গৈছে, "ইয়াত ভালেমান ভুলভ্ৰান্তি আৰু নানা তৰহৰ ত্ৰুটি ঘটিছে।"

ৰচনা শুদ্ধকৈ লেখা টান কথা নহয় কিন্তু ৰচনাক প্ৰাঞ্জল আৰু সৰল কৰি জতুৱা ঠাঁচত তুলি অন্তৰ্গ্ৰাহীকৈ লেখিব পৰাটোহে টানতো টান কথা। এনেকৈ লেখিবলৈ গলে লাগে বিশিষ্ট লেখক-সকলৰ আহি। বৰুৱাদেৱ নিজে এজন আহি লেখক আছিল। গতিকে তেখেতৰ কীৰ্ত্তি স্বৰূপ এই খণ্ড-বাক্যৰ অভিধানখনিয়ে শিক্ষাৰ্থীসকলক উপযুক্ত আহি নেখুৱাব, বুলি আশা কৰিলোঁ।

ৰত্নকোষৰ পৰা উদ্ধৃতি স্বৰূপে দুই এটা খণ্ডবাক্য দিয়া হ'ল। যেনে :—(১) **অময়া ভকত,** মায়াক জয় কৰা ভকত ; জাতি-কুল, আচাৰ ব্যৱহাৰ, সুখ-দুখ, আপোন-পৰ আদি ভাবৰ অতীত ভকত ; a saintly person free from illusions (পৃঃ ৩)। (২) **কুলাৰে জৰা চালনীৰে চলা,** জাৰিচালি, চাউল আদিৰ তুঁহ পতান গুচায়। এতেকে কথা পৰীক্ষা কৰি তাৰ মিছা অংশ বাদ দিয়া ; যেনে, মিছলিয়াৰ কথা কুলাৰে জাৰি, চালনীৰে চালিহে পতিয়াবা ; to scrutinise a statement, to reject its false portions (পৃঃ ৪৮)। (৩) **লাওপাত কচুপাত,** ছাগলীয়ে বাছ-বিচাৰ নকৰি গছ-পাত চোবাই ফুৰাৰ দৰে, বাছ-বিচাৰ নোহোৱাকৈ কথা কোৱা স্বভাৱৰ ; (মূল শব্দৰ বিশেষণ ৰূপে খাটে) ; silly-tongued ; indiscreet in speech (পৃঃ ২৬৮)।

বৰুৱাদেৱৰ প্ৰতি শ্ৰদ্ধাসমন্বিত অন্তৰেৰে আমি উল্লেখ কৰিব খোজো যে দুই-এঠাইত পুথিৰ খণ্ডবাক্যৰ অৰ্থ চলিত অৰ্থৰ পৰা অলপ আঁতৰা যেন লাগে। যেনে :—

(১) 'চাহ এৰা দিয়া' (পৃঃ ৯০)—"একে তলীতে বহুকাল চাহ খেতি কৰাৰ পাচত, চাহ গছৰ পাত কমি যোৱা। এতেকে ক্ৰমশঃ আওকাণ কৰা"—প্ৰচলিত অৰ্থ হৈছে "চাহ (চাষ) অৰ্থাৎ চাহ কৰাৰ ফলত হ'বলগীয়া সইচ বা উৰ্ব্বৰতা নোহোৱা"। কিন্তু বৰুৱাদেৱে এই চাহ বা প্ৰচুৰতাৰ কথা নিজেই তাৰ তলতে ('চাহ দিয়া') দি গৈছে।

"ফৰিংফুটা জোনাক" (পৃঃ ১৯০)—বেণুধৰ ৰাজখোৱাৰ খণ্ডবাক্য আৰু বৰুৱাদেৱৰ ৰত্নকোষৰ অৰ্থ দুয়ো একেই—ফৰিঙে কৰা ফট্ ফট্ শব্দৰ লগত ইয়াৰ সম্বন্ধ দেখুৱা হৈছে। সাধাৰণ অৰ্থ হৈছে 'কলপতীয়া গছপাতৰ ওপৰত পৰা কলপতীয়া বৰণৰ ফৰিংটো পৰ্য্যন্ত স্পষ্ট হৈ উঠা জোনাক'।

খণ্ডবাক্যৰ ক্ষেত্ৰত মত বিৰোধৰ থলো আছে। সকলোৱে গ্ৰহণ কৰিব পৰা ব্যাখ্যাও দিয়া টান। কিয়নো অসমীয়াত গোটাদিয়েক শব্দ এতিয়ালৈকে আও কচুৰ ঠেক হোৱাদি হৈ আছে আৰু কেতবিলাকৰ স্বৰূপ এতিয়াও ধৰা পৰা নাই। প্ৰায় ওঠৰ বছৰ কঠোৰ পৰিশ্ৰম কৰি বৰুৱাদেৱে অনেক লুপ্তপ্ৰায় খণ্ডবাক্য উদ্ধাৰ কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মহৎ উপকাৰ সাধন কৰিলে। এই আপুৰুগীয়া সম্পদ উদ্ধাৰ কৰাৰ কাৰণে বৰুৱাদেৱ আমাৰ ধন্যবাদৰ পাত্ৰ। দুৰ্ভাগ্যৰ কথা যে তেখেতৰ জীৱদ্দশাত পুথিখন নোলাল। অসমীয়া আৰু ইংৰাজী আখৰ জোটনিত যি ভুল ৰৈ গৈছে পুথিৰ দ্বিতীয় তাঙৰণত যেন প্ৰকাশক তাৰ প্ৰতি সাৱধান হয়। যথাৰ্থতে বৰুৱাদেৱৰ ৰত্নকোষ বছৰটোৰ উল্লেখযোগ্য পুথি আৰু ই আমাৰ ভাষাৰ অমূল্য সম্পদ। এই পুথিখনে যে ৰাইজৰ সমাদৰ লাভ কৰিব তাত কোনো সন্দেহ নাই। তেখেতৰ সুযোগ্য পুত্ৰ শিক্ষাবিদ শ্ৰীযুত মুকুলীধৰ বৰুৱাই সোনকালে ৰত্নকোষৰ দ্বিতীয় খণ্ড (যোজোনা) ছপা কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধন কৰিব বুলি আশা কৰিলোঁ।

---

**সাহিত্যৰ গতিপথ**—লেখক অধ্যাপক শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্য; প্ৰকাশক শ্ৰীঅম্বিকাপদ চৌধুৰী, বাণী প্ৰকাশ মন্দিৰ, পাঠশালা (কামৰূপ); ১৮৮৩ শক, বেচ ৩'৫০ ন. প., পৃঃ ১—১৬৯

সাহিত্যৰ গতিপথ হৈছে 'ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু অধ্যাপনাৰে পৰিপুষ্ট' অধ্যাপক শ্ৰীতাৰিণী কান্ত ভট্টাচাৰ্য্যদেৱৰ পোন্ধৰটা প্ৰবন্ধৰ সমষ্টি। এই পুথিৰ দুটাৰ বাহিৰে বাকীবিলাক প্ৰবন্ধৰ বিষয়বস্তু ইউৰোপীয় আৰু বিশেষকৈ ইংৰাজী সাহিত্যৰ অন্তৰ্গত। লেখকৰ উদ্দেশ্য হৈছে 'পৃথিৱীৰ সাহিত্যৰ অময়াপুৰীৰ বিচৰণ কৰি ফুৰোতে সংগ্ৰহ কৰা দুই এটা মনোমোহা অধ্যায় সংগ্ৰহ কৰি চানেকিৰ সহায়েৰে সাহিত্য বিকাশৰ ফাল কেইটিমান দেখুৱাই দি পাঠকৰ মনত আনন্দ' দিয়া। গতিকে প্ৰবন্ধসমূহত লেখকে আলোচনাৰ পৰ্য্যাপ্ততাৰ দাবী কৰা নাই।

কৱিতা, আধুনিক সাহিত্যত বুদ্ধিমত্তা, ৰোমান্টিক যুগৰ ইংৰাজী কৱিতা, প্ৰথম মহাসমৰ আৰু ইংৰাজী কৱিতা, ছেছিল ডে লিউইছ আৰু ইংৰাজী সাহিত্যৰ শৰৎকাল এই ছটা প্ৰবন্ধ পঢ়ি পাঠকে কৱিতাৰ স্বৰূপ আৰু পৰিবৰ্ত্তিত চিন্তাধাৰাৰ সম্যক জ্ঞান লাভ কৰিব পাৰে। ৰোমান্টিক কৱিতা প্ৰসঙ্গত কৈছে, 'কৱিতাৰ প্ৰভাৱ সূক্ষ্মভাৱে সৃষ্টিশীল। এই ৰোমান্টিক কৱিতাই আমাৰ মন-প্ৰাণক নতুন গৰিমা প্ৰদান কৰিছে। অনুভূতিত নতুন হিল্লোল তুলিছে" (পৃঃ ২৮)। প্ৰথম মহাসমৰৰ ইংৰাজী কৱিতাৰ সম্পৰ্কে তেওঁ কৈছে, "কৱিসকল অতিশয় চেতনা-চঞ্চল লোক। সেয়ে



কৱিসকলক সমাজৰ ছাপমান যন্ত্ৰ (Social barometer) বোলা হয়। প্ৰত্যেক নতুন কৱিতাৰ ভিত্তি নতুন তাৎপৰ্য্যৰ ওপৰত প্ৰতিস্থাপিত। অকল ৰচনা পদ্ধতিয়ে নতুনত্ব প্ৰদান নকৰে। সমৰৰ তাৎপৰ্য্য উক্ত কৱিসকলে তেওঁলোকৰ নিজা (মৌলিক) ভাষাৰে কবলৈ চেষ্টা কৰিছে। আমি বহুত পিছত পৰি থকা কাৰণে সেই ভাষা বুজি নাপাওঁ। ... তেওঁলোক নতুন যুগৰ আটিষ্ট" (পৃঃ ৩৪)। ইউৰোপীয় নাট্য সাহিত্য শীৰ্ষক প্ৰবন্ধটো লেখকৰ উৎকৃষ্ট ৰচনা বুলিব পাৰি। সাহিত্যত প্ৰগতিবাদ, সাহিত্য আৰু আধুনিক যুগৰ প্ৰত্যাহ্বান আৰু সাহিত্য, সমাজ আৰু সমালোচনা এই তিনিটা প্ৰবন্ধই সাহিত্য-পাঠকক চিন্তাৰ সমল যোগাব। 'ইংৰাজী ৰচনা সাহিত্য' শীৰ্ষক প্ৰবন্ধটো তথ্যপূৰ্ণ। এই প্ৰবন্ধৰ সামৰণিত "বাতৰি কাকতৰ পিঠিত হেমচন্দ্ৰ শৰ্ম্মাই ধেমেলীয়া ৰচনাৰ সূত্ৰপাত কৰিলে" এই উক্তি মানি লোৱা টান। সোনাৰাম চৌধুৰীৰ ঠাইত সোনাধৰ চৌধুৰী ছপা হৈছে। 'টমাছ হাৰ্ডি' আৰু 'এন্টন চেকভ' প্ৰবন্ধ দুটি সাহিত্যৰ ছাত্ৰৰ সহায়ক হব। 'অসমীয়া সাহিত্য' প্ৰবন্ধটিত অসমীয়া সাহিত্যৰ এটা চমু চিনাকি দিয়া হৈছে। 'অসমীয়া সাহিত্যত ব্যঙ্গ ৰচনা' নামৰ প্ৰবন্ধটোৰ সামৰণিৰ মন্তব্য প্ৰণিধানযোগ্য—"সুসংগঠিত, সুবৰ্দ্ধিত আৰু সৃজনীমূলক ব্যঙ্গ সাহিত্য এটা গঢ়ি উঠিবলৈ এতিয়াও আমাৰ বাকী আছে। আমি এই সাহিত্যৰ মাত্ৰ বহিঃৰেখা স্পৰ্শ কৰিছো"। এই প্ৰবন্ধত দুজনমান লেখকৰ নাম বাদ পৰিছে আৰু দুজনমান অখ্যাত লেখকৰ নাম অন্তৰ্ভুক্ত হৈছে।

পুথিখনিৰ ভুমিকাত অসম সাহিত্য সভাৰ সভাপতি শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে সংক্ষেপে সাহিত্যৰ পৰিবৰ্ত্তিত দৃষ্টিকোণৰ কথা উল্লেখ কৰিছে। পুথিখনিত লেখকৰ ভাবোচ্ছাস নাই। "তেওঁৰ ৰচন ভঙ্গী সংযত আৰু প্ৰাঞ্জল আৰু বিশ্লেষণী প্ৰতিভাও উল্লেখযোগ্য।" পুথি খনে সাহিত্য পাঠকৰ পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

---

**সাহিত্য দৰ্শন**—লেখক আৰু প্ৰকাশক শ্ৰীমনোৰঞ্জন শাস্ত্ৰী, নলবাৰী, প্ৰথম প্ৰকাশ-জুন, ১৯৬২, বেচ দহ টকা; পৃষ্ঠা ৩৪৬

সাহিত্য-দৰ্শন এখন অলঙ্কাৰ গ্ৰন্থ। প্ৰাচীন সংস্কৃত সাহিত্যত থকা ভিন্ ভিন্ আলঙ্কাৰিকসকলৰ মতবাদৰ পৰিচয় আৰু তাৰ আলোচনা এই পুথিৰ কেন্দ্ৰস্থ বিষয়। আচাৰ্য্য ভৰতৰ নাট্যশাস্ত্ৰ ৰচিত হোৱাৰ পিছৰ পৰাই সংস্কৃত সাহিত্যত অলঙ্কাৰ সম্বন্ধে বহুল আলোচনাৰ বাট মুকলি হয়। ভামহ, দণ্ডী প্ৰভৃতিৰ অলঙ্কাৰবাদৰ লগে লগে, বামনৰ ৰীতিবাদ, কুন্তকৰ বক্ৰোক্তিবাদ, ক্ষেমেন্দ্ৰৰ ঔচিত্যবাদ আৰু ধ্বনিকাৰৰ ধ্বনিবাদ প্ৰভৃতি বেলেগ বেলেগ মতবাদ লাহে লাহে সংস্কৃত সাহিত্যত সুপ্ৰতিষ্ঠিত হৈ পৰে। সাহিত্য দৰ্শনৰ লেখক শ্ৰীযুত শাস্ত্ৰীয়ে এই সকলো মতবাদৰ আলোচনা কম বেচি পৰিমাণে কৰিছে। ৰসেই কাব্যৰ প্ৰাণস্বৰূপ বুলি গ্ৰহণ কৰি ঔচিত্য, ৰীতি, ধ্বনি আদি ৰসৰ পৰিপোষক হিচাবে দেখুৱাবলৈ তেওঁ চেষ্টা কৰিছে। নটা অধ্যায়ত বিভক্ত এই পুথিৰ ভিতৰত সংস্কৃত আলঙ্কাৰিকসকলৰ উল্লেখযোগ্য ৰৰগুণি সানৰি লবলৈ যত্ন কৰা হৈছে। প্ৰথম অধ্যায়ত সাহিত্য শব্দৰ অৰ্থ আৰু তাৰ বৈশিষ্ট্য, দ্বিতীয় অধ্যায়ত শব্দ শক্তিৰ বিচাৰ, তৃতীয় অধ্যায়ত ধ্বনিবাদ আৰু তাৰ প্ৰকাৰ আলোচনা, চতুৰ্থ অধ্যায়ত বক্ৰোক্তিবাদ আৰু তাৰ বিভাগ, পঞ্চম অধ্যায়ত ৰসৰ স্বৰূপ আৰু ৰস-নিষ্পত্তিৰ সিদ্ধান্তৰ আলোচনা, ষষ্ঠ অধ্যায়ত ৰস-সংখ্যাৰ বিচাৰ, সপ্তম অধ্যায়ত গুণ আৰু ৰীতিৰ আলোচনা, অষ্টম অধ্যায়ত দোষ আৰু ঔচিত্যবাদ,

নবম অধ্যায়ত অলঙ্কাৰ আৰু তাৰ প্ৰয়োগৰ দৃষ্টান্তেৰে পুথিখন সম্পূৰ্ণ কৰা হৈছে। দৃষ্টান্ত স্থলত সংস্কৃত শ্লোকৰ উপৰিও ভালেমান অসমীয়া কবিতাৰ শাৰী উদ্ধৃত কৰা হৈছে। সাহিত্যৰ অলঙ্কাৰ খণ্ড সাধাৰণতে জটিল আৰু এই খণ্ডতেই মতভেদৰ ক্ষেত্ৰও বহল। পুথিত উদ্ধৃত কোনো কোনো অলঙ্কাৰ ব্যাখ্যা বেলেগ ধৰণে তুলি ধৰাৰ থল আছে। তথাপি সংস্কৃত আলঙ্কাৰিকসকলৰ বেলেগ বেলেগ মতবাদৰ আলোচনা একেখন পুথিতে সন্নিবিষ্ট হোৱাৰ কাৰণে সাহিত্যানুৰাগী পাঠকৰ প্ৰাচীন আলঙ্কাৰিকসকলৰ চিন্তাধাৰাৰ লগত পৰিচিত হোৱাৰ সুযোগ ঘটিছে। পুথিত সংস্কৃত শব্দৰ বহুল প্ৰয়োগ আছে। কিছুমান শব্দ নিশ্চয় অপৰিহাৰ্য্য। কিন্তু ঠায়ে ঠায়ে বাক্যৰীতি সংস্কৃতীয়া হোৱাৰ ফলত আলোচনা প্ৰাঞ্জল হোৱা নাই। পণ্ডিত জগন্নাথৰ উক্তি "ভগ্নাবৰণচিদেব ৰসঃ" বাক্যৰ অৱলম্বনত লিখা তলত দিয়া ব্যাখ্যাৰ জটিলতা আঁতৰি যোৱা নাই। "বিভাৱ, অনুভাৱ, সঞ্চাৰী ভাৱৰ সাধাৰণীকৰণৰূপ-অলৌকিক ব্যাপাৰ বিশেষৰ দ্বাৰা পুৰুষৰ আনন্দাংশক ঢাকি থকা অজ্ঞানৰ ( মায়াৰ ) আৱৰণ উন্মোচিত হলে, অজ্ঞান-নিমিত্তক প্ৰমাতৃত্ব বা জ্ঞাতৃত্ব আদি, পৰিমিত, ব্যক্তিগত ধৰ্ম্মবোৰ ( অহংমম ভাৱ আদি ) সাময়িক ভাবে অপসাৰিত হলে, প্ৰমাতা পুৰুষৰ সঙ্কুচিত অৱস্থাৰ নিবৃত্তি ঘটিলে, নিজৰ স্বৰূপ-ভূত চিদানন্দ নিজে প্ৰকট হয় আৰু নিজৰ উপাধিৰূপে অৱস্থিত, অন্তঃকৰণৰ ধৰ্ম্ম বাসনাৰূপে সঞ্চিত স্থায়ী ভাৱক বিষয়ৰূপে প্ৰকাশ কৰে" ( ১২৬ পৃষ্ঠা )। কিন্তু ঠায়ে ঠায়ে বাক্যৰীতিৰ কিছু জটিলতা পৰিলক্ষিত হলেও প্ৰাচীন অলঙ্কাৰিকসকলৰ মতবাদৰ আলোচনাৰ চেষ্টা এটা প্ৰশংসনীয় প্ৰচেষ্টা। দীৰ্ঘকাল পৰিশ্ৰম কৰি শ্ৰীযুত শাস্ত্ৰীয়ে অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা এই পুথিখন এক উল্লেখযোগ্য বৰঙণি।

———

**মুকুল-প্ৰকাশ**—শ্ৰীযুত অতুলচন্দ্ৰ বৰুৱা এম-এ সম্পাদি[ত] আৰু ছিলঙৰ ছিলং মুকুল সঙ্ঘৰ দ্বাৰা প্ৰকাশিত; প্ৰথম প্ৰকাশ ২ অক্টোবৰ, ১৯৬১ চন; মূ[ল্য] ৬ টকা; পৃঃ ৩৪১

অসমীয়া সাহিত্যৰ উন্নতি আৰু শ্ৰীবৃদ্ধি সাধনত অ-ভা-উ-সা সভা, এ-এচ-এল কাব, কামৰূপ অনুসন্ধান সমিতি, অসম সাহিত্য সভা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আদি অনুষ্ঠানসমূহেও যথেষ্ট বৰঙণি যোগাইছে। ১৯৪৫ চনৰ জানুৱাৰী মাহত স্থাপিত ছিলং মুকুল সঙ্ঘয়ো শ্বিলঙত এক সাহিত্যিক পৰিবেশ সৃষ্টি কৰিছে আৰু সঙ্ঘৰপৰা প্ৰকাশিত মুকুল-প্ৰকাশ নামৰ গল্প-প্ৰবন্ধৰ প্ৰথম সঙ্কলনখনিয়েই তাৰ উজ্জ্বল চানেকি।

মুকুল-প্ৰকাশ নামৰ ছিলং মুকুল সঙ্ঘৰ এই সঙ্কলনখনিৰ প্ৰথম খণ্ডত পোন্ধৰটা প্ৰবন্ধ আৰু দ্বিতীয় খণ্ডত বাৰটা গল্প আছে। প্ৰথম প্ৰবন্ধ প্ৰস্তাৱনাত সঙ্ঘৰ সম্পাদক শ্ৰীঅতুলচন্দ্ৰ বৰুৱাদেৱে ৪৪ পৃষ্ঠাত ছিলং মুকুল সঙ্ঘৰ এক বিস্তৃত বিৱৰণ দাঙি ধৰিছে আৰু সঙ্ঘৰ ১৬ বছৰীয়া বুৰঞ্জী লিপিৱদ্ধ কৰোঁতে সৰু-বৰ কোনো কথাকে বাদ দিব পৰা নাই। ভজন, কীৰ্ত্তন আৰু ভৰ প্ৰবন্ধত শ্ৰীৰাজমোহন নাথদেৱে ভগদেৱতাৰ উদ্দেশ্যে ভজন আৰু কীৰ্ত্তনৰ ৰীতি আৰু দেৱতাৰ ওপৰত ভ[ৰ] কৰাৰ বিশ্বাস আলোচনা কৰিছে। শ্ৰীকেন্দ্ৰ নাৰায়ণ দত্তদেৱে 'জন্তু-প্ৰতীক' প্ৰবন্ধত 'মানৱ-সংস্কৃতিত ইতৰ প্ৰাণীয়ে' কেনেদৰে এক 'বিশি[ষ্ট] স্থান অধিকাৰ কৰি আহিছে' তাক আলোচনা কৰিবলৈ 'ভাৰতীয় আৰু বহিৰ্ভাৰতীয় বহু আখ্যান-উপাখ্যান আৰু কাহিনীৰ উল্লেখ কৰিছে। 'মৃত্যুঞ্জয়' প্ৰবন্ধত শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাদেৱে সত্য-সন্ধানী বুদ্ধদেৱ আৰু তেওঁৰ সমকালীন পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ জ্ঞানী ছক্ৰেটিছৰ মতবাদৰ



এটা তুলনামূলক আলোচনা কৰি মৃত্যু-দণ্ডৰ বিশদ বিৱৰণ দিছে। শ্ৰীদেৱীচৰণ দাসে কালিদাসৰ প্ৰতিভা আৰু তেওঁৰ বিষয়ে থকা প্ৰবাদ বা কিম্বদন্তী সম্বন্ধে কৰা আলোচনা বৰ চুটি হৈছে। শ্ৰীহৰি-প্ৰসাদ বৰুৱাদেৱৰ 'খাব গৈছিলোঁ আৰু খাবলৈ নোৱাৰিলোঁ' প্ৰবন্ধটিৰ আলোচনাখিনি প্ৰণিধান যোগ্য আৰু লেখকে ভুল শুধৰাবৰ উপায়বো ইঙ্গিত দিছে। 'অসমৰ ভূমি সমস্যা' শীৰ্ষক প্ৰবন্ধত শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱাদেৱে তথ্য-পাতিৰ দ্বাৰা দেখুৱাইছে যে অসমত প্ৰকৃততে খেতিৰ উপযোগী পতিত মাটি ১১ লাখ বিঘা নাই, ৯৫,৯৩৫ বিঘাহে আছে। শ্ৰীঅতুলচন্দ্ৰ বৰুৱাদেৱে 'ভাষাৰ বোৱঁতী সুঁতি' প্ৰবন্ধত ভাষাতত্ত্বৰ ফালৰ পৰা ইংৰাজী ভাষাৰ শব্দমালা আৰু অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ, খণ্ডবাক্য, প্ৰবচন আদিৰ কথা আলোচনা কৰিছে। 'পাৰমাণৱিক শক্তিৰ ব্যৱহাৰ' প্ৰবন্ধত শ্ৰীৰবীন্দ্ৰ মোহন দাসদেৱে ক্ষুদ্ৰ পৰিসৰৰ ভিতৰত উদ্ভিদ জগত ক্ষেত্ৰত পাৰমাণৱিক শক্তিৰ ব্যৱহাৰৰ কথা আলোচনা কৰিছে। 'বৈজ্ঞানিক দৃষ্টিত অসমীয়া ভাষা' শীৰ্ষক প্ৰবন্ধত ডঃ প্ৰসন্নচন্দ্ৰ গোস্বামীদেৱে বৈজ্ঞানিক দৃষ্টি-ভঙ্গি, এণ্ট্ৰোপি, অসমীয়া ভাষাত বিদেশী শব্দ, বৈজ্ঞানিক পৰিভাষা, জনজাতিৰ মাজত অসমীয়া ভাষাৰ প্ৰচাৰ, অসমীয়া ভাষাৰ ৰূপ পৰিবৰ্ত্তন, অসমীয়া ভাষাত বানান সমস্যা, অসমীয়া ভাষাৰ বৰ্ণলিপি, অসমীয়া আৰু বঙালীৰ সম্পৰ্ক এইবোৰ শিতানত আমাৰ ভাষাৰ সমস্যা আৰু সমাধানৰ কথা আলোচনা কৰিছে। শ্ৰীগুৰুদত্ত ভাগৱতীদেৱৰ 'সমাজ উন্নয়ন' প্ৰবন্ধটো সময়োপযোগী হৈছে। 'যশ যাৰ অমৰ সিজন' প্ৰবন্ধত শ্ৰীমুক্তিনাথ বৰদলৈদেৱে সৰু-বৰ ঘটনাৰ মাজেদি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ চৰিত্ৰৰ বৈশিষ্ট্যৰ ইঙ্গিত দিছে। শ্ৰীৰাম গোস্বামীদেৱৰ 'সংস্কৃত নাটকৰ আঁতিগুৰি' প্ৰবন্ধত প্ৰাচীন নাটকৰ বিষয়ে বিশদ ভাৱে আলোচনা কৰা হৈছে। শ্ৰীৰছিদুজ্জামান আহমদ চাহাবে 'সুখ আৰু দুখ' প্ৰবন্ধত সুখ-দুখৰ বিষয়ে আলোচনা কৰি শেহত কৈছে, 'সুখ-দুখৰ সৃষ্টিও অতীৱ ৰহস্যময়'। শ্ৰীমতী মালতী বৰুৱাৰ 'অসমীয়া নাৰীৰ সাজ-পাৰৰ ঐতিহ্য' শীৰ্ষক প্ৰবন্ধই আমাক সাংস্কৃতিক জীৱনৰ সম্ভেদ দিয়ে।

দ্বিতীয়খণ্ডৰ গল্প-সঙ্কলনত দুই চাৰিজন পুৰণি লেখকৰ উপৰিও কেইজনমানৰ নতুন লেখকৰ সাথক চিনাকি পাওঁ। 'বিৰিঞ্চি ডাক্তৰৰ পত্নী' গল্পত প্ৰসিদ্ধ গল্প-লেখক শ্ৰীকৃষ্ণ ভূঞাদেৱে উৎকণ্ঠা (suspense) সৃষ্টি কৰিব পাৰিছে আৰু পত্নী নিৰুপমা মৃত হলেও বিৰিঞ্চি ডাক্তৰৰ মানত তেওঁ জীয়াই থকাৰ অভিজ্ঞতা ৰহস্যজনক। শ্ৰীমতী সুপ্ৰভা গোস্বামীৰ গুৰুজী গল্পৰ গুৰুজীৰ চৰিত্ৰ ৰহস্যাবৃত। 'মৰীচিকাৰ প্ৰতাৰণা' গল্পত আৱাহন যুগৰ বিখ্যাত গল্প লেখক শ্ৰীৰমা দাশদেৱে অনন্তৰ অন্তৰ্দ্বন্দ্ব সাৰ্থক ভাৱে অঙ্কন কৰিছে। উড্‌হাউচৰ চাঁলৈ লিখা শ্ৰীগণেশ চন্দ্ৰ ফুকনদেৱৰ 'বাটলুগুটি' গল্পৰ শৈশৱ-স্মৃতি জড়িত বাটলুগুটিটো বৰ আকৰ্ষণীয়। কথা-শিল্পী হলীৰাম ডেকাদেৱৰ 'শেষ দেখা' গল্পত চিত্ৰাক কেন্দ্ৰ কৰি গঢ়ি উঠা কৰুণ চিত্ৰ বৰ মৰ্ম্মস্পৰ্শী আৰু লেখকে ব্যঙ্গ ৰসেৰে কাহিনীটো সৰস কৰিছে। শ্ৰীমতী প্ৰণীতা দেৱীৰ 'ডাকোৱাল' গল্পত কপাহী আৰু কমলৰ চৰিত্ৰক কেন্দ্ৰ কৰি কাৰুণ্যৰ সৃষ্টি হৈছে। মেজৰ সুৰেন দত্তৰ 'সৈনিক' গল্পত মুক্তি-যুদ্ধৰ সৈনিক কালীৰ চৰিত্ৰ উজ্জ্বল হৈ উঠিছে। ডাঃ সিদ্ধেশ্বৰ বুঢ়াগোহাঁয়ে 'ইও জোনো সচাঁ' গল্পত নীলিমাৰ লকেট সম্পৰ্কে এটা বিস্ময়ৰ ভাৱৰ সৃষ্টি কৰিছে। শ্ৰীদুলাল চন্দ্ৰ ভূঞাদেৱৰ 'শিল্পী মই' গল্পটোৰ কথনভঙ্গী আকৰ্ষণীয়। মেজৰ শ্ৰীকমলেশ্বৰ বৰুৱাৰ 'মহাযুদ্ধৰ অন্তৰালত' গল্পটো

ঘটনা বহুল। শ্ৰীমতী অৰুণাদেৱী দত্তৰ 'অদৃষ্টৰ লিখন' গল্পটো বৰ ৰুক্ষণ। শ্ৰীমতী অনুপমা বুঢ়া গোহাঁইৰ 'এচপৰা ভাৱৰ এটি লোৎকে ভৰা তৰা' গল্পটো পঢ়ি সহানুভূতি জন্মে।

মুঠৰ ওপৰত ছিলং মুকুল সঙ্ঘই এই ৬৪১ পিঠীয়া সঙ্কলনখনি প্ৰকাশ কৰি শলাগৰ পাত্ৰ হৈছে। ছপা বন্ধা আদি মনোৰম আৰু প্ৰচ্ছদপটো আকৰ্ষণীয়। সঙ্ঘৰ সম্পাদকৰ ভাষাৰে কব পাৰি যে 'মুকুল-প্ৰকাশ' সঙ্ঘৰ 'বিগত ষোল বছৰীয়া জীৱনৰ আশা আৰু আকাঙ্ক্ষাৰ প্ৰতীক স্বৰূপ'।

---

**শতধাৰা :**— শ্ৰীনীলমণি ফুকন বিৰচিত আৰু অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ (গুৱাহাটী) দ্বাৰা প্ৰকাশিত; প্ৰথম প্ৰকাশ চেপ্তেম্বৰ, ১৯৬২, বেচ তিন টকা। পৃষ্ঠা ১—১০০

জ্যোতিকণা, মানসী, গুটিমালী, জিঞ্জিৰি, অমিত্ৰা আৰু সন্ধানী কবিতা পুথিৰ দ্বাৰা বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। ফুকনদেৱৰ কবিতাত অতীন্দ্ৰিয়বাদৰ প্ৰাধান্য আছে। তেওঁৰ কবিতাবোৰৰ মূল উৎস হৈছে 'বুদ্ধিপ্ৰসূত আৰু আদৰ্শবাদী কল্পনা'।

আলোচ্য পুথি শতধাৰা এশটা চনেট্ বা চতুৰ্দ্দশবাদী কবিতাৰ সমষ্টি। ফুকনদেৱৰ ভাষাৰে ই হৈছে 'মানুহৰ শতধা গতি মনৰ চিন্তাধাৰাত বৈ যোৱা এশ অনুভূতিৰ সমষ্টি'। ১৯৬১ চনৰ শ্ৰীপঞ্চমী তিথিৰ পৰা ১৯৬২ চনৰ মাজ ভাগলৈকে জীৱনৰ বিভিন্ন সময়ত ৰচনা কৰা চতুৰ্দ্দশপদী কবিতাবোৰেই শতধাৰাত ঠাই পাইছে। সেই কাৰণে এই কবিতাবোৰক ভাৱৰ 'একোটা ভুমুক' বুলি কলে সমীচীন হ'ব। লেখকৰ মতে শতধাৰা ভাৱৰ তিনিসুঁতিৰেদি বৈ গৈছে। প্ৰথম সুঁতি প্ৰাণৰ গভীৰতম স্থানৰ পৰা নিজৰি ওলোৱা 'অনুভবাত্মক অমৃতময় আনন্দ'; দ্বিতীয় সুঁতি হৈছে মানুহৰ জীৱনৰ শোধিত ভাৱৰাশি আৰু তৃতীয় সুঁতি হৈছে সন্ত বিনোৱাৰ বিশ্ব-শান্তিৰ বাণী। ঈশ্বৰৰ ইচ্ছা, সৃষ্টি ৰহস্য, মৃত্যুৰ আহ্বান, ৰহস্য, সাঁথৰ, সৃষ্টিকৰ্ত্তা, আত্মসমৰ্পণ, ভ্ৰান্তি, মানৱ ধৰ্ম্ম আদি কবিতাত সন্ধানী মনে সৃষ্টিৰ ৰহস্য-জাল ভেদ কৰিবলৈ প্ৰয়াস কৰি আনন্দ অনুভৱ কৰে। সৃষ্টি-সৌন্দৰ্য্যত বিমোহিত হৈ কবিয়ে কৈছে,

"ৰূপ-ৰস-গন্ধ-স্পৰ্শ শব্দৰ মাজেদি
জীৱাত্মাই লভে জ্ঞান সৃষ্টি ৰহস্যৰ" (সৃষ্টি ৰহস্য)।

কিন্তু 'সাঁথৰ' কবিতাত তেওঁ সৃষ্টিৰ তত্ত্ব বুজিব নোৱাৰি কৈছে, 'ভাঙিব নোৱৰাতেই আনন্দ প্ৰাণৰ'। কবিয়ে উপলব্ধি কৰিছে যে 'আত্ম বিনিময়ে পায় কালজয়ী প্ৰাণৰ সন্ধান' আৰু 'তাৰ তুলনাত শত শত মৃত্যুৰ আহ্বান কোলাহল'। তেওঁ গীতাত বৰ্ণিত স্থিতপ্ৰজ্ঞ অৱস্থাৰ দৰে অনুভৱ কৰে,

"নিৰ্লিপ্ত প্ৰাণত দুখ সুখ অৱসান,
অৱসান মৃত্যু-ভয় জীৱন্মুক্তৰ" (অৱসান)।

অনু-পৰমাণুৰ পৰা মহতোপি মহীয়ান সকলো বস্তুলৈকে কবিয়ে সৰ্ব্বত্ৰ একেটা শক্তিৰে ক্ৰিয়া দেখা পাইছে—

"ৰঞ্জন-ৰশ্মিৰ দৰে, স্থুল শৰীৰৰ
প্ৰতি অঙ্গ প্ৰত্যঙ্গৰ অনু পৰমানু
লই, লীলা খেলা কৰি চৈতন্য পুৰুষ" (স্বপ্নভঙ্গ)

তথাপি 'অচিন্ত্য অজ্ঞেয় পুৰুষৰ' স্বৰূপ বুজিব নোৱাৰি কবিয়ে আত্মসমৰ্পণ কৰি কৈছে—

"দেহ-মন-প্ৰাণ সকলোটি তোমাতেই
প্ৰত্যৰ্পণ বিনে মোৰ নেদেখো নিস্তাৰ"।

'ধ্যান ধাৰণাৰ বস্তু, আনন্দ-স্বৰূপ', 'আত্ম-বোধত ভ্ৰান্তি কদাপি নহয়', 'আধ্যাত্মিক জ্ঞানে জগতক কৰে মধুময়' আদি উক্তি কবিৰ গভীৰ উপলব্ধি প্ৰসূত। উপেক্ষিতা কেতেকী ফুল, কণ্টকিত মদাৰ ফুল, কৰ্চ্চণৰ কৰুণ ক্ৰন্দন আদি কবিতাত কবিৰ উপেক্ষিত জীৱনৰ প্ৰতি সহানুভূতি প্ৰকাশ পাইছে। ফুকনদেৱে 'সৰ্ব্বোদয়' সাহিত্যও ৰচনা কৰিছে। প্ৰতীক্ষা, সৰ্ব্বোদয় পাত্ৰ, লোকতন্ত্ৰ, গ্ৰাম, আৰোহন আদি কবিতাত সন্ত বিনোৱাৰ ভূদান যজ্ঞৰ আদৰ্শ প্ৰকট হৈছে। পদযাত্ৰাতেই কবিয়ে ধ্বংসমুখী জগতৰ কল্যাণৰ পথ দেখা পাইছে—

"বিজ্ঞানে পৃথিবীখন বিলাস ভৱন
কৰিছে, তথাপি নাই তৃপ্তি ভোগত।
*   *   *
"পদযাত্ৰা" কৰা সন্ত
জনে, প্ৰেমাদ্ৰ নয়নে, কৰুণ দৃষ্টিৰে।
নাই গৈ থকাতেই কল্যাণৰ পথ" (পৃঃ ১০০)।

মুঠৰ ওপৰত শতধাৰা শ্ৰীনীলমনি ফুকনদেৱৰ প্ৰৌঢ় বয়সৰ অভিজ্ঞতাৰ অভিব্যক্তি। কবিতাসমূহ ভাৱ-সমৃদ্ধ, কিন্তু চতুৰ্দ্দশপদী কবিতাৰ নিয়ম অনুসৃত নহয়। সেইহে কবিয়ে কবিতাবোৰ 'চনেট্ আখ্যা দিয়া উচিত নহ'ব' বুলি কৈছে। দুই এঠাইত ছন্দও গদ্যগন্ধী হৈছে। সেয়ে হলেও গভীৰ অনুভূতি আৰু জীৱন দৰ্শনে কবিৰ আদৰ্শবাদী কল্পনা সমুজ্জ্বল কৰি তুলিছে। জীৱন-ৰসেৰে অভিষিক্ত শতধাৰা কবিতা পুথিত ফুকনদেৱৰ মনৰ প্ৰশান্ত ভাৱ আৰু উপলব্ধি শতধা গতিত প্ৰবাহিত হৈছে। পুথিখনে ৰাইজৰ আদৰ লাভ কৰিব বুলি আশা কৰিলো।

**ৰজনীগন্ধা :**—ৰচক শ্ৰীসিদ্ধাৰ্থ গোহাঁই; প্ৰকাশক ৰাজকুমাৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহ, লাইটুমুখ্ৰা, শিলং; প্ৰথম প্ৰকাশ, ১৯৬২, বেচ দুই টকা, পৃঃ ৮৪

ৰজনীগন্ধা একুৰি তেৰটা কবিতাৰ সমষ্টি। ৰচক শ্ৰীসিদ্ধাৰ্থ গোহাঁইদেৱ (ডঃ সিদ্ধেশ্বৰ বুঢ়াগোহাঁই) সাহিত্য ক্ষেত্ৰত নৱাগত।



কবিতাপুথিৰ প্ৰথম কবিতা ৰজনীগন্ধাৰ গোন্ধে কবিক উন্মনা কৰিছে। সেয়েহে তেওঁ কৈছে—

'সখা ৰজনীগন্ধা! দিয়াহি উপচায়
তোমাৰ সৌৰভ আজি হিয়ায় হিয়ায়!
মানস দৰদী প্ৰেয়সী ৰজনীগন্ধা!
পিয়লা ভৰাই ঢালা সুৰা গাজি সন্ধ্যা'।

ৰজনীগন্ধাত সন্নিবেশ কৰা কবিতাসমূহৰ বিষয় বস্তু যিদৰে বৈচিত্ৰ্যপূৰ্ণ ছন্দও সিদৰে বিভিন্ন ধৰণৰ। ৰজনীগন্ধা আৰু গোলাপৰ সুঘ্ৰাণ, পদুমকলি, সাগৰৰ নীলা উৰ্ম্মিমালা, সুৱদী সন্ধ্যা, উজলা পপীয়া তৰা, সেউজী কুঁৱৰী আদিয়ে যিদৰে কবিৰ কল্পলোক সৃষ্টি কৰে সেইদৰে ৰিক্সাৱালা, মজদুৰ আদিয়েও কবিৰ অনুভূতি ৰঞ্জিত কৰে। তেওঁ লেতেৰা লেফাফা আৰু পিয়লা পিৰিচতো এটা সম্বন্ধ বিচাৰি পাইছে। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীদেৱকান্ত বৰুৱাদেৱৰ দেৱদাসী কবিতাত যিদৰে কবিৰ স্বকীয় দৃষ্টিভঙ্গী প্ৰকাশ পাইছে সেইদৰে দেৱদাসীৰ প্ৰতি বিধাতাৰ নিদাৰুণ দৃষ্টিত আক্ষেপ কৰি শ্ৰীগোহাঁইদেৱে কৈছে—

'দেৱদাসী দেৱতাৰ নজৰবন্দিনী
আৰু কতদিন হবা প্ৰেম ভিক্ষাৰিণী,
কৰিবা মতলীয়া কতনো প্ৰেমিকক
কতনো পুণ্যকামী দেৱতা দৰ্শকক?
নেলাগে পূজিব মৃন্ময় দেৱতা তুমি
আহা আজি পূজাহি চেনেহী জন্মভূমি'।

লক্ষ্মীধৰ শৰ্ম্মাই মৰণ দেৱতাক নিৰ্ভীক ভাৱে বৰণ কৰাৰ দৰে শ্ৰীগোহাঁইদেৱে 'হে বন্ধু মৰণ' কবিতাত কৈছে,—

'হে বন্ধু মৰণ? তুমি কৰা পৰিত্ৰাণ
*   *   *

দিয়া ঠাই তোমাৰ শান্তিময় কোলাত
থাকোতেই শক্তি মোৰ দুৰ্ব্বল দেহাত।
চিৰ সহচৰ আজীৱন বন্ধু মোৰ!
হে মৰণ! কায চাপি আজি আহা মোৰ!"

'ষোড়শী বোবাৰ বিননি' কবিতাত 'বোবাৰ অন্তৰ্দাহ হিয়াৰ হুমুনিয়াহ' অন্তৰস্পৰ্শী ভাষাত প্ৰকাশ পাইছে।

শ্ৰীসিদ্ধাৰ্থ গোহাঁই সাহিত্য ক্ষেত্ৰত নতুন হলেও ৰজনীগন্ধাৰ গোন্ধে চৌদিশ আমোল মোলায়। ৰচকৰ ভাৱ গভীৰ, অনুভূতি তীব্ৰ, ভাষা সুললিত আৰু ছন্দৰ গতি সাধাৰণতে নিমজ। আমি শ্ৰীগোহাঁইদেৱৰ উদ্যমৰ শলাগ লৈছোঁ।

**মদন আৰু বসন্ত**—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, এম-এ প্ৰণীত আৰু গুৱাহাটীৰ শ্ৰীকৃষ্ণনাথ দাস প্ৰকাশিত; প্ৰথম প্ৰকাশ, জুন ১৯৬১, বেচ ৪৲, পৃষ্ঠা ১৬৪

শ্ৰীযুত বৰুৱাই নিবেদনত উল্লেখ কৰিছে যে 'মদন আৰু বসন্ত' পূৰ্ব্ব প্ৰকাশিত 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ'ৰে ক্ৰম পৰিণতি, আৰু কোনো কোনো কথাৰ আলোচনা ক্ষেত্ৰত দুয়োখন পুথিৰ ভিতৰত মিল আছে। প্ৰজাপতিৰ নিৰ্ব্বন্ধৰ প্ৰথম ভাগ হ'ল আলোচনা খণ্ড আৰু দ্বিতীয় হ'ল গল্প; কিন্তু আলোচ্য পুথিৰ ক্ৰম হ'ল প্ৰথম খণ্ড গল্প আৰু দ্বিতীয় খণ্ড আলোচনা।

মদন আৰু বসন্তৰ প্ৰথম খণ্ডৰ পাঁচোটা প্ৰবন্ধত লেখকে ব্যক্তিগত মন্তব্য উদাহৰণেৰে প্ৰমাণ কৰি দেখুৱাবৰ চেষ্টা কৰিছে। 'নাৰীৰ বিজয় পতাকা' প্ৰবন্ধত নাৰীয়ে যে পুৰুষৰ ৰথ চলায় তাক বুজাবৰ কাৰণে প্ৰাচ্য আৰু প্ৰাতীচ্যৰ কেইজনমান লোকৰ দৃষ্টান্ত দিছে। কালিকা পুৰাণ আৰু কুমাৰ সম্ভৱৰ উক্তিৰে 'হৰগৌৰী বসতি হওক' বোলা আশীৰ্ব্বাদ বচন-শাৰী বুজোৱা হৈছে। 'মায়া নে মতিভ্ৰম' প্ৰবন্ধটো গল্পৰ দৰে আকৰ্ষণীয়। পাশ্চাত্যৰ 'বৰলোকৰ ঘৰুৱা জীৱন' যে অশান্তিৰে পৰিপূৰ্ণ তাক চক্ৰেটিছ, টলষ্টয়, এডিচন, মিল্টন আদি লোকৰ পাৰিবাৰিক জীৱনৰ কোনো ঘটনা অৱলম্বন কৰি বুজোৱা হৈছে। 'প্ৰণয়ৰ জখলা' প্ৰবন্ধত 'কথাৰ চুপতিত ওপজা প্ৰেমৰ' আলোচনাও আকৰ্ষণীয়। এই খণ্ডৰ আলোচনাবোৰ গল্পৰ দৰে মনোৰম।

দ্বিতীয় খণ্ডত নটা প্ৰবন্ধ আছে। প্ৰাচ্য জীৱনৰ কথা বৰ্ণাওতে লেখকে পাশ্চাত্য জীৱনৰ প্ৰতিও লক্ষ্য ৰাখিছে আৰু উদ্ধৃতি সহ নিজ মন্তব্য স্পষ্ট কৰিছে। বিয়াৰ দৰা-কন্যা আৰু সংসাৰ প্ৰবন্ধত লেখকে শেহত মন্তব্য কৰিছে যে 'জনসাধাৰণৰ প্ৰেম বা গাৰ্হস্থ্য ধৰ্ম্মৰ প্ৰেম সদায় কাম-গন্ধ ৰঞ্জিত হৈ থাকিব। 'নাৰীৰ ভাৰতীয় আদৰ্শ' আৰু 'নাৰীৰ প্ৰেম আৰু সৌন্দৰ্য্য' এই দুটি প্ৰবন্ধত ভাৰতীয় নাৰী জীৱনৰ কথা-আলোচনা কৰা হৈছে। 'প্ৰেম প্ৰকৃততে অহৈতুকী নে' প্ৰবন্ধত তেওঁ কৈছে যে 'মনৰ মিলন হে আচল মিলন'। 'নাৰী সৌন্দৰ্য্য আৰু বিহুগীত' প্ৰবন্ধত বিহুগীতৰ মাজেদি ফুটি ওলোৱা অসমীয়া নাৰীৰ ৰূপ-লাৱণ্য বৰ্ণনা কৰিছে। 'পৰকীয়া প্ৰেম' প্ৰবন্ধত বৰুৱাদেৱে প্লেজাৰ ক্ৰইচ' নাটকৰ আখ্যান, বাৎস্যায়নৰ মত, চণ্ডীদাসৰ পৰকীয়া প্ৰীতি আৰু কথা-সৰিৎ সাগৰৰ কাহিনী উল্লেখ কৰিছে। 'পৰিবৰ্ত্তনৰ সোঁতত বিবাহ সমাজ আৰু মানৱ প্ৰকৃতি' প্ৰবন্ধত লেখকে অতীতৰ পৰা বৰ্ত্তমানলৈকে সমাজৰ জীৱন-বুৰঞ্জীৰ কথা আলোচনা কৰিছে। 'দেৱতাৰ জন্ম ৰহস্য' প্ৰবন্ধত লেখকে কৈছে যে ভগবানে নানান ৰূপ গ্ৰহণ কৰিলেও 'পুৰুষ আৰু নাৰী' এই দুই ৰূপতহে ধৰা দিছে আৰু 'ঈশ্বৰক মানুহে সৃষ্টি কৰিছে' বোলাত হ'লে কাৰো আপত্তিৰ স্থল নাই।



শ্ৰীযুত বৰুৱাদেৱৰ বিষয়-বস্তু উপস্থাপনৰ প্ৰণালী গল্পৰ দৰে মনোৰম আৰু ৰচনাৰীতিও প্ৰাঞ্জল। উদাহৰণক প্ৰাধান্য দিয়াৰ কাৰণে আলোচনাবোৰো গল্প প্ৰধান হৈ পৰিছে। প্ৰবন্ধসমূহত লেখকৰ বিস্তৃত অধ্যয়নৰ চিনাকি পোৱা যায়। শ্ৰীযুত বৰুৱাদেৱৰ মদন আৰু বসন্ত পুথিখনিৰ বিষয়-বস্তু উপস্থাপন প্ৰণালীয়ে পাঠকবৰ্গক আনন্দ দিব পাৰিব বুলি আমাৰ বিশ্বাস।

**দেশৰ মাটি**: প্ৰণেতা শ্ৰীমেদিনীকান্ত ঠাকুৰীয়া; প্ৰকাশক শ্ৰীদুৰ্গেশ্বৰ ঠাকুৰীয়া, গিৰি পুথি ভৰাল, গাড়িৰগাওঁ (পলাশবাৰী) দ্বিতীয় মুদ্ৰণ ১৯৬২ চন ২.২৫ ন. প.

দেশৰ মাটি সুপৰিচিত লেখক শ্ৰীমেদিনীকান্ত ঠাকুৰীয়াৰ তিনি অঙ্কৰ এখন উদ্দেশ্যমূলক সামাজিক নাটক॥ কৃষক জীৱনৰ পটভূমিত ৰচনা কৰা এই নাটকখনিত, এফালে সমাজৰ নিপীড়িত নিষ্পেষিত কৃষকৰ অন্তৰৰ বেদনা আৰু আনফালে সমূহীয়া প্ৰচেষ্টাৰ পৰিণতিও দেখুৱা হৈছে। গাৱঁৰ আঢ্যৱন্ত বলী মহাজনে দুখীয়া কৃষক সনাতনৰ ঘৰ ক্ৰোক কৰিবলৈ আহি তেওঁক অত্যাচাৰ কৰে, গাৱঁৰ ডেকাসকলে (আলি চাহেব, ভদ্ৰ, দণ্ডেশ্বৰ, মহেশ ইত্যাদি) এনে অত্যাচাৰ প্ৰতিৰোধ কৰে, আৰু দেশৰ কল্যাণৰ কাৰণে ন্যায় প্ৰচাৰিণী সঙ্ঘ স্থাপন কৰে। সনাতনৰ পুতেক বীৰেনে গাৱঁৰ উন্নতিৰ কাৰ্য্যত আত্মনিয়োগ কৰে; বলী মহাজনেও তাৰ প্ৰতি সঁহাৰি জনায় আৰু নিজৰ জীয়েক সাৰদীক বীৰেনৰ লগত বিয়া দিয়ে; বীৰেন, সাৰদী, ভদ্ৰ, আলি-চাহাব, মতি মহৰী, দণ্ডেশ্বৰ আদিৰ যত্নত খীৰতী বিজাৰ্ভক আদৰ্শ গাৱঁত পৰিণত কৰে। —এয়ে নাটকৰ ঘাই বিষয়-বস্তু। নাটকখনৰ আৰম্ভণি দৃশ্যতে ন্যায় প্ৰচাৰিণী সঙ্ঘ স্থাপনৰ উদ্দেশ্যৰ লগতে নাটকখনৰ মূল কথাৰো ইঙ্গিত পোৱা যায়। চোৰ ডকাইত আৰু সমাজৰ পতিত মানুহেও সমূহীয়া উন্নয়নত বৰঙণি যোগাইছে। নাটকখনিৰ নামটোৰ সাৰ্থকতা সভাপতিৰ উক্তিত ('দেশৰ মাটি কৃষকৰ') ওলাই পৰিছে। নাটকখনিত বিভিন্ন সমস্যা অৱতাৰণা কৰাৰ কাৰণে অযথা সমস্যাবহুল আৰু প্ৰচাৰগন্ধী হৈছে। কথোপকথন ঠায়ে ঠায়ে বক্তৃতামুখৰ হৈ পৰিছে। তৃতীয় অঙ্কৰ চতুৰ্থ দৃশ্যত ন্যায় প্ৰচাৰিণী সঙ্ঘ স্থাপন আৰু খীৰতী বিজাৰ্ভ পোৱা সময়ৰ ভিতৰত সঙ্গতি নাই যেন লাগে। লেখকে চৰিত্ৰ সৃষ্টিত কৃতিত্ব অৰ্জ্জন কৰিব পৰা নাই। তেওঁ ভাষাৰ প্ৰতিও চকু দিয়া নাই যেন লাগে।

**শান্তি**:—লেখক শ্ৰীদীননাথ শৰ্ম্মা; প্ৰকাশক দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী; বেচ চাৰি টকা; ১৯৬২ চন, ২৮৬ পৃঃ

শ্ৰীদীননাথ শৰ্ম্মাদেৱে সংগ্ৰাম, নদাই আদি কেইবাখনো উপন্যাস ৰচনা কৰি খ্যাতি অৰ্জ্জন কৰিছে। তেওঁৰ অধুনা প্ৰকাশিত শান্তি নামৰ উপন্যাসখনি এখন সামাজিক উপন্যাস।

শান্তি ৰায়বাহাদুৰ গোলাপ বৰুৱাৰ সুমলীয়া কন্যা। বৰুৱাৰ প্ৰথমা কন্যা কুন্তলা বিধৱা, আৰু তেওঁ পিতৃগৃহতে থাকে। শান্তিৰ ঘৰুৱা শিক্ষক ৰঞ্জন। ৰঞ্জনৰ লাহে লাহে কুন্তলাৰ প্ৰতি অনুৰাগ জন্মে। জীৱন পেস্কাৰৰ ভাগিনীয়েক অৰূপ আৰু তেওঁৰ বন্ধু চন্দনে অৰুণা (অৰুনা?) আৰু শান্তিক নাটকীয়ভাৱে বিপদৰ পৰা ৰক্ষা কৰে। অৰূপে বাহুত সামান্য আঘাত পোৱা দেখি শান্তিৰ সহানুভূতি ওপজে। ফুকন বংশৰ বিষাক্ত বীজাণু গাত থকা বুলি অৰূপে বিয়া কৰাবলৈ অমান্তি হয়। তেওঁ যথাসময়ত এম-এ মহলাত উঠি বিশ্ববিদ্যালয়ত এটি চাকৰি পায়। গুৱাহাটীত বি-এ পঢ়ি থকা

শান্তিয়ে টেলিগ্ৰাম পাই ঘৰলৈ আহি দেখে যে ৰঞ্জন মাষ্টৰৰ লগত কুন্তলা পলাই যোৱাৰ কাৰণে মাতৃ শয্যাশায়ী আৰু পিতৃও মৰ্ম্মাহত। শান্তিৰ পৰীক্ষাৰ পিছত মাকৰ স্বাস্থ্য বৰ বেয়া হয়। তেওঁ মৰিবৰ সময়ত কুন্তলাৰ নাম উচ্চাৰণ কৰে। অৰূপে বিলাতৰ পৰা ঘূৰি আহি শান্তিৰ সৈতে বিয়াৰ প্ৰস্তাৱৰ আপত্তি নকৰে। শান্তিৰ বিয়ালৈ অৰুণা (?)—চন্দন, কুন্তলা-ৰঞ্জন আৰু মোহিত আৰু মোহিতৰ ( বঙালী ) পত্নীও আহে। ৰায়বাহাদুৰে বুজিলে যে কুন্তলাক আগেয়ে ক্ষমা কৰা হ'লে পত্নীয়ে এনে কৰুণভাৱে মৃত্যু বৰণ কৰিব নেলাগিল-হেঁতেন। তেওঁ কুন্তলাক ক্ষমা কৰে। ৰকুৱাৰ মনৰ পৰা অশান্তি দূৰ হৈ যাবলৈ ধৰে। এয়ে উপন্যাসৰ চমু কাহিনী। ৰঞ্জনৰ মেচৰ চাকৰ ভোগমল আৰু ব্যৱসায়ী থমাচে উপন্যাসৰ কাহিনী বিকাশত বিশিষ্ট বৰঙণি যোগাইছে। ভোগমলৰ চৰিত্ৰত সংযম, সহনশীলতা, ত্যাগ, উদাৰতা আদি গুণাৱলী প্ৰকাশ পাইছে। শান্তি, কুন্তলা, ৰঞ্জন আৰু অৰূপ ঘাই চৰিত্ৰ হলেও অৰূপৰ গাত-হে নায়কোচিত গুণসমূহ কিছুদূৰ প্ৰকাশ পাইছে। কুন্তলাৰ অন্তৰ্দ্বন্দ্ব আৰু অৰূপৰ মানসিক সংঘাত উপন্যাসত ভালকৈ ফুটি ওলাইছে। ৰঞ্জনৰ সৈতে দেখাদেখিকৈ প্ৰণয় সম্বন্ধে কোনো কথা আলোচনা নকৰা কুন্তলাৰ নিৰুদ্দেশত আমি আচৰিত নহৈ নোৱাৰোঁ, কিন্তু লেখকে প্ৰণয়ত পৰা সুৰৰো ইঙ্গিত দিছে। ৰায়বাহাদুৰৰ হাউলী আভিজাত্য সম্প্ৰদায়ৰ প্ৰতীক-স্বৰূপ আৰু উত্তৰ গুৱাহাটীৰ অৰূপৰ পৈতৃক ঘৰ আৰু এৰাবাৰী উৰ'লি যোৱা আভিজাত্যৰ নিদৰ্শন স্বৰূপ। লেখকে চৰিত্ৰ অঙ্কনতকৈ কাহিনীৰ ওপৰতহে অধিক জোৰ দিছে। তেওঁৰ ৰচনা-ৰীতি নিমজ আৰু সৰল। ভাষা প্ৰাঞ্জল। আৰম্ভণিত ৰায়বাহাদুৰৰ নাম গোলাপ ৰকুৱা পোৱা যায়, কিন্তু ২৪৫ পৃষ্ঠাত কমল ৰকুৱা আছে। আখৰ জোটনিত মাজে মাজে আসোঁৱাহ দেখা যায়।

---

**বায়ু বহে পূৰবৈয়া :**—লেখক শ্ৰীনিৰোদ চৌধুৰী, প্ৰকাশক শ্ৰীজীৱেশ্বৰ হাজৰিকা, বাণী মন্দিৰ, ডিব্ৰুগড়; প্ৰথম প্ৰকাশ ১৯৬২ চন, পৃঃ ১৫৩, বেচ ৩্

দ্বিতীয় মহাসমৰৰ পৰৱৰ্ত্তী অসমীয়া গল্প-সাহিত্যত প্ৰকাশ ভঙ্গী আৰু আঙ্গিকৰ ফালৰ পৰা এক বিৰাট পৰিবৰ্ত্তনে দেখা দিয়ে। বৰ্ত্তমান শতিকাৰ তৃতীয় দশকত লক্ষ্মীধৰ শৰ্ম্মাই গল্পত ফ্ৰয়েডৰ যৌনতত্ত্বৰ যি সোঁত বোৱালে সেয়ে মহাসমৰৰ উত্তৰকালত প্লাৱনৰ সৃষ্টি কৰিলে। মাৰ্ক্স আৰু ফ্ৰয়েডৰ দৰ্শনৰ প্ৰভাৱ, বিস্তৃত অধ্যয়ন, অন্তৰ্দ্বন্দ্ব, মনোৰম আৰু বৈচিত্ৰ্যপূৰ্ণ কথনভঙ্গী ইত্যাদিয়ে বৰ্ত্তমান কালত অসমীয়া গল্প-সাহিত্য সমৃদ্ধ কৰিছে।

শ্ৰীনিৰোদ চৌধুৰীদেৱৰ 'বায়ু বহে পূৰবৈয়া' নামৰ এই গল্প-সঙ্কলনখনিত পোন্ধৰটা চুটি গল্প আছে। 'মন ময়ূৰীৰ পেখম' গল্পটোত এগৰাকী ৰমণীয়ে প্ৰথম পুৰুষত গল্পটো কৈছে,—ৰাজীৱৰ পত্নীৰ মানসিক সংঘাতেই যেন গল্পটোৰ উপজীব্য। 'থিৰ বিজুৰী' গল্পত সন্তানহীনা শকুন্তলা দুৱৰাই স্বামীক দ্বিতীয় বিবাহ কৰিবলৈ কয় আৰু সেয়ে পিছত বাস্তৱত পৰিণত হয়। 'নিদাঘ' গল্পত অন্তঃসত্ত্বা সাৱিত্ৰীৰ বাধা সত্ত্বেও চিকাৰলৈ যোৱা কিন্তু 'মনটোহে বেয়া লাগিছিল' বুলি চিকাৰত অংশ গ্ৰহণ নকৰি ঘূৰি অহা ব্ৰজপতিৰ সিদ্ধান্তই ঘৰখনৰ পৰিবেশ আনন্দ-মুখৰ কৰি তোলে। 'অনামিকা' গল্পত ৰেল-যাত্ৰী পল্লৱৰ কাবেৰীৰ সান্নিধ্যই অতীতৰ স্মৃতি জগাই তোলে আৰু শেহত কৃষ্ণাৰ মৃত্যুৰ বাতৰিয়ে অনুভূতিত তীব্ৰভাৱে জোকাৰ দিয়ে। ময়নাৰ লাভ কৰিবৰ কাৰণে ৰঙা নৈৰ ঘাটত ৰতিকান্তৰ পৰিশ্ৰম আৰু অৰ্থ-সঞ্চয়, ৰেচমীৰ ৰতিকান্তৰ প্ৰতি আকৰ্ষণ, ৰতিকান্তৰ নতুন আৱিষ্কাৰ, লক্ষ্যহীনভাৱে ৰঙা নৈত ৰতিকান্তই নাওঁ বোৱা-এয়ে 'বায়ু বহে পূৰবৈয়া' নামৰ উপন্যাসৰ সমল থকা গল্পটোৰ মূল কথা। 'এখন অশ্লীল চিঠিৰ অংশবিশেষ' নামৰ গল্পটোৰ কথনপ্ৰণালী বৈশিষ্ট্যপূৰ্ণ। 'ময়নামতী' গল্পটোত লেখকে উৎকণ্ঠা (suspense) সৃষ্টি কৰিব পাৰিছে। যামিনীৰ কাৰ্য্য-কলাপৰ মাজেদি তেজ গল্পটো কোৱা হৈছে। 'পিয়া মুখ চন্দা' গল্পত প্ৰতিবেশী মানুহজনৰ প্ৰতি পাপৰিৰ মনোভাৱ ব্যক্ত কৰা হৈছে। 'বনানী চৌধুৰী'ৰ জীৱনটো ঘটনা-বহুল; বৃদ্ধা মাতৃ আৰু ভাতৃক জীয়াই ৰাখিবৰ কাৰণে তেওঁ শিৰত সেন্দুৰ লৈছিল। 'মিচ মিনাৰ্ভা' গল্পত চঞ্চল দুৱৰাৰ মৃত্যুৰ পিছত স্বপ্নাই স্বামীৰ উদাসীনতাৰ কাৰণ বিচাৰি পায়; চঞ্চলে স্বপ্নাৰ মাজত মিনাৰ্ভাক বিচাৰিছিল, কিন্তু নেপালে। 'ইত বহে গঙ্গা' গল্পটোৰ কথনভঙ্গী বেলেগ ধৰণৰ, যেন দিনলিপিৰ যোগেদি গল্পটো কোৱা হৈছে। বাসন্তীৰ স্বামীৰ প্ৰতাৰণাই দুয়োৰে জীৱন অসুখী কৰে। "সৰু একোটা ঘটনাই একোজন মানুহৰ জীৱনৰ দুৰ্ব্বল অংশত আঘাত হানিলে কি পৰিণাম হয়" তাকে বৈজয়ন্তী গল্পত বাসন্তী পাগলীৰ চৰিত্ৰৰ যোগেদি দেখুৱা হৈছে। 'মেঘালী চলিহা' গল্পত ক্লাব জীৱনৰ প্ৰতি ভ্ৰূকুটি আছে, আৰু তথাকথিত আধুনিক আভিজাত্য সম্প্ৰদায়ৰ ঘৃণে ধৰা গাৰ্হস্থ্য পৰিবেশৰ চিত্ৰ অঁকা হৈছে। 'হিয়ে হিয়া ৰাখলু' গল্পত ড্ৰাইভাৰ ইন্দ্ৰনাথৰ অন্তৰ্দ্বন্দ্ব নিখুঁতভাৱে অঙ্কিত কৰা হৈছে।

শ্ৰীনিৰোদ চৌধুৰীদেৱৰ গল্পবোৰৰ কথনভঙ্গী বৈচিত্ৰ্যপূৰ্ণ, আৰু বেচি ভাগ গল্পতে জৈৱিক বাসনা প্ৰকট হৈ উঠিছে। দুই এটা গল্পত গভীৰ মনোবিশ্লেষণ আৰু অন্তৰ্দ্বন্দ্ব আছে। থিৰ বিজুৰী আৰু বৈজয়ন্তী এই গল্প দুটিত আৰম্ভণি আৰু সামৰণিৰ চানেকি একে ধৰণৰ। অনামিকা আৰু ময়নামতী নামৰ গল্প দুটিৰ উৎকণ্ঠা (suspense) উল্লেখযোগ্য। ঠায়ে ঠায়ে অনাৱশ্যক বা অতিৰিক্ত সংলাপ বা বৰ্ণনাৰ দ্বাৰা দুই এটাগল্পৰ সৌন্দৰ্য্য হানি কৰা হৈছে বা অযথা দীঘল কৰা হৈছে। চন্দ্ৰবিন্দুৰ অপ প্ৰয়োগ দেখা যায়। যেনে :—হওঁক (পৃঃ ৬০), ভাবিছিলা (পৃঃ ১২৬), ধোঁৱে (পৃঃ ৭১) ইত্যাদি। বাক্যাংশৰ দোষ দেখা যায়। যেনে—ৰাজীৱ ভাত্তি পৰিছিল ( পৃঃ ৩ ), লাজতে ৰঙা-ছিঙা পৰি ( পৃঃ ১৫) নিৰ্দ্দিষ্ট ঠাইত আঙুলিটো চেপা মাৰি ( পৃঃ ৩৯ ), নিঝুম হৈ বহি গৈছিল ( পৃঃ ৬২ ), বহি কথা পাতি থাকিছিলা ( পৃঃ ৫২ ), লৰাছোৱালীৰে বৌজাল হৈ থকা ( পৃঃ ১২৫ ) ইত্যাদি। এই গল্প-সংগ্ৰহাখন পঢ়ি পাঠক বৰ্গই তৃপ্তি লাভ কৰিব।

**পৰশ-মণি :**—শ্ৰীচৈয়দ আব্দুল মালিক, এম-এ : প্ৰকাশক মিত্ৰ এজেন্সি এণ্ড কোং, ডিনিচুকীয়া, দ্বিতীয় তাঙৰণ চেপ্তেম্বৰ ১৯৬২ চন, বেচ ৩·৫০ ন.প., পৃষ্ঠা—১৬১।

জনপ্ৰিয় কথা-শিল্পী শ্ৰীআব্দুল মালিক চাহাবৰ পৰশ-মণি সাতোটা চুটি গল্পৰ—অচিনাকিৰ অৰ্ঘ্য, যীশুখৃষ্টৰ ছবি, চুটা-ঘাট, প্ৰাণ পোৱাৰ পিছত, জীৱন আৰু জগৎ, কাঠফুলা আৰু পৰশ-মণি—সমষ্টি। গল্পবোৰত তেওঁ বিভিন্ন স্তৰৰ চৰিত্ৰ-সৃষ্টি কৰি সেই বোৰ জীৱন্ত কৰাৰ চেষ্টা কৰিছে। গল্পবোৰত জৈৱিক বাসনা আৰু কেঁচা মনৰ কঁপনি পৰিস্ফুট হৈ উঠিছে। দুই এটা গল্পৰ ভূমিকাও দীঘল। লেখকৰ ৰচনা-ৰীতি মনোৰম। প্ৰথম তাঙৰণতকৈ দ্বিতীয় তাঙৰণ অধিক উন্নত আৰু আকৰ্ষণীয় হৈছে।

---

**শিক্ষাৰ সুফল :**—লেখক শ্ৰীউমাকান্ত গোস্বামী, সাহিত্য শাস্ত্ৰী, বি-এ, বি-টি; প্ৰকাশক শ্ৰীউমাকান্ত গোস্বামী, ধৰ্ম্মপাল কুটীৰ, মুক্তাপুৰসত্ৰ, পোঃ লোচ (কামৰূপ), দ্বিতীয় প্ৰকাশ ১৯৬২ চন, বেচ ২.৫০ ন, প ; ৮৮

অভিজ্ঞ শিক্ষক শ্ৰীউমাকান্ত গোস্বামীদেৱে ,শিক্ষাৰ সুফল' নামৰ পুথিখনিত পৰীক্ষাবোৰত চলি অহা 'নকল-প্ৰণালীৰ' বিষয়ে আলোচনা কৰিছে। লেখকৰ উদ্দেশ্য হৈছে—(১) পৰীক্ষাত নকল প্ৰণালী, (২) তাৰ স্বৰূপ কাৰণ-নিৰূপণ আৰু (৩) সংশোধন সম্বন্ধে এটা শিক্ষা-বিজ্ঞান সম্মত আলোচনা কৰা, আৰু এই তিনিটা কথাৰ আলোচনা কৰিবলৈ গৈ লেখকে 'নকল প্ৰণালীৰ কাৰণ নিৰূপণ' সম্পৰ্কে ব্যক্তিগত অভিজ্ঞতাৰ পৰা বিশদভাৱে আলোচনা কৰিছে। লেখকৰ কথাৰে কব পাৰি, "শিশু শিক্ষা একাধাৰে বিজ্ঞান আৰু কলাবিদ্যা। •• শিক্ষক বা শিক্ষাকামী বুলিলে, তেওঁৰ গাত—বৈজ্ঞানিকৰ জ্ঞানান্বেষণ, সূক্ষ্মদৃষ্টি, বিশ্লেষণ ক্ষমতা, পৰ্য্যবেক্ষণ আৰু তীক্ষ্ণ বিচাৰ শক্তিৰ লগতে—কলাবিদৰ সৃজন ক্ষমতা, কল্পনা, একনিষ্ঠা, প্ৰকৃত সৌন্দৰ্য্যবোধ আৰু হিতৈষণা—এই সকলোখিনি থাকিব লাগে।" শিক্ষাৰ দুৰৱস্থাৰ লগে লগে শিক্ষাৰ আদৰ্শও নষ্ট হয়। সেই কাৰণে লেখকে শিক্ষা সংস্কাৰৰ লগে লগে 'নৈতিক অৱনতিৰ বিৰুদ্ধেও' আন্দোলনৰ আৱশ্যক বুলি কৈছে। লেখকে উদ্ধৃতিৰে পুথিখনৰ বিষয়বস্তু ৰসাল কৰিছে আৰু তেওঁৰ ভাষাও সহজ-সৰল। শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰ কাৰণে পুথিখন উপযোগী হৈছে।

---

**আলোচনী-সাহিত্য :--**

**সঙ্গম :**—(প্ৰথম বছৰ ; প্ৰথম খণ্ড॥ জুলাই ১৯৬২) শ্ৰীতফজ্জুল আলি সম্পাদিত আৰু ডিব্ৰুগড়ৰ সীমান্তিক প্ৰকাশনৰ হৈ শ্ৰীসুনীলকুমাৰ বৰঠাকুৰৰ দ্বাৰা প্ৰকাশিত। বেচ—প্ৰতি সংখ্যা ছটকা, বছৰেকীয়া বৰগুণি ছটকা।

ডিব্ৰুগড়ৰ সীমান্তিক প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত 'সঙ্গম' চাৰিমহীয়া, ডাইজেষ্ট পত্ৰিকা, আৰু ইংৰাজী 'ৰিডাৰ্চ্ ডাইজেষ্ট'ৰ আহিত সম্পাদিত এই আলোচনীখন অসমীয়া আলোচনী সাহিত্যত নতুন অৱদান বুলিব পাৰি। ১৪১ পিঠিৰ সঙ্গমৰ প্ৰথম সংখ্যাত ন-পুৰণি কেইবাজনো লেখকৰ গল্প-প্ৰবন্ধৰ উপৰিও বিদেশী সাহিত্যৰ ভাঙনিও আছে। আলোচনীখনৰ বিষয়ে মতামত প্ৰকাশ কৰিবৰ সময় হোৱা নাই। এনে বিধৰ আলোচনীৰ আৱশ্যকতা আছে। আমি সঙ্গমৰ উন্নতি কামনা কৰিলোঁ।

---

**বি. বৰুৱা কলেজ আলোচনী :**— গুৱাহাটীৰ বি. বৰুৱা কলেজৰ বছৰেকীয়া প্ৰকাশ নবম সংখ্যা, ১৮৮০ শক ; শ্ৰীহেমৰথ বৰ্ম্মন সম্পাদিত আৰু প্ৰকাশিত।

১৩১ পিঠিৰ (অসমীয়া আৰু ইংৰাজী শাখা) এই আলোচনীখনত সন্নিবেশ কৰা গল্প, প্ৰবন্ধ, কবিতা আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-চৰ্চ্চাৰ নিদৰ্শন দাঙি ধৰে। ইংৰাজী বিভাগত অধ্যক্ষ শ্ৰীহেম বৰুৱাৰ প্ৰবন্ধটো চুটি হলেও তথ্যপূৰ্ণ, কিন্তু অধ্যাপক শ্ৰীযোগেশ দাসৰ প্ৰবন্ধটোৰ (লেখাৰ ভুল) আলোচনা সংক্ষেপ। সম্পাদকে আলোচনীখন সজাই পৰাই উলিওৱাত বিশেষ যত্ন লৈছে। বি. বৰুৱা কলেজ আলোচনীৰ আমি উন্নতি কামনা কৰিলোঁ।

---

## ॥ সম্পাদকৰ দুআষাৰ ॥

**অসম সাহিত্য সভাৰ সভাপতি :**—শেৱালী কবি শ্ৰীযুত ৰত্নকান্ত বৰকাকতীদেৱ (জন্ম ১৮৯৭ খ্ৰীঃ) অসম সাহিত্য সভাৰ ত্ৰিংশ অধিৱেশনৰ সভাপতি নিৰ্ব্বাচিত হৈছে। এই অধিৱেশন ডিচেম্বৰ মাহৰ ২২, ২৩ আৰু ২৪ তাৰিখে নাজিৰাত অনুষ্ঠিত হব লগীয়া আছিল ; কিন্তু দেশৰ জৰুৰী পৰিস্থিতিৰ হেতুকে এই অধিবেশন ৰঙ্গালী বিহুৰ পাচতহে অনুষ্ঠিত হোৱাৰ কথা। প্ৰবীণ সাহিত্যিক বৰকাকতীদেৱে কবিতা, নাটক, প্ৰবন্ধ আদিৰে মাতৃভাষা সমৃদ্ধ কৰিছে। তেওঁ দাৰ্শনিক কবি। তেওঁৰ কবিতাৰ ঘাই আকৰ্ষণ হ'ল স্বাভাৱিক হিল্লোল, ওজঃপূৰ্ণ ভাষা আৰু ছন্দৰ ঝঙ্কাৰ। আমি বৰকাকতীদেৱক অভিনন্দন জনাইছোঁ।

**অসমৰ জনসংখ্যা :**—ভাৰতৰ চেন্সাছ কমিছনাৰে সম্প্ৰতি প্ৰকাশ কৰা ১৯৬১ চনৰ পিয়লৰ গ্ৰন্থাৱলীৰ প্ৰথম গ্ৰন্থৰ পৰা জনা যায় যে এই পিয়লত ভাৰতৰ জনসংখ্যা ৪৩ কোটি ৯২ লাখ ৩৫ হেজাৰ ৮২ জন ; আৰু অসমৰ (নগাৰাজ্য, মণিপুৰ আৰু নেফাক বাদ দি) লোকসংখ্যা হৈছে ১ কোটি ১৮ লাখ ৭২ হেজাৰ সাতশ ৭২ জন। সৰ্ব্ব ভাৰতীয় জনসংখ্যাৰ বৃদ্ধিৰ শতকৰা হাৰ হৈছে ২১.৫০ জন আৰু অসমৰ হৈছে ৩৪.৪৫ জন। চেন্সাছ কমিছনাৰৰ মতে এনে বিপুল জনসংখ্যা বৃদ্ধিৰ ঘাই কাৰণ হৈছে পাকিস্থানীৰ প্ৰব্ৰজন আৰু অনুপ্ৰবেশ। এই বৃদ্ধি দেশৰ কাৰণে বৰ মঙ্গলজনক নহয়। আকৌ জনসংখ্যা বৃদ্ধি অনুপাতে দেশৰ উদ্যোগীকৰণ হোৱা নাই আৰু স্থাপিত উদ্যোগতো থলুৱা লোক নিয়োগৰ ব্যৱস্থা অসম চৰকাৰে অৱলম্বন কৰা নাই।

**অসম চৰকাৰী ভাষা আইন :**—১৯৬০ চনৰ ১৭ ডিচেম্বৰত আইনত পৰিণত হোৱা আৰু পৰবৰ্ত্তী বছৰত সংশোধিত অসম চৰকাৰী ভাষা আইনখনি এতিয়াও আংশিক ভাৱে হলেও কাৰ্য্যকৰি কৰা হোৱা নাই। যোৱা ১৫ চেপ্তেম্বৰ তাৰিখে শ্ৰীএন. চি. চেটাৰ্জ্জিৰ নেতৃত্বত কাছাৰ জিলা সংগ্ৰাম পৰিষদৰ এঘাৰ জনীয়া প্ৰতিনিধি দল এটাই ভাৰতৰ ৰাষ্ট্ৰপতি ডাঃ ৰাধাকৃষ্ণনক নতুন দিল্লীত সাক্ষাৎ কৰি বঙলা ভাষাক অসমৰ অন্যতম ভাষা স্বৰূপে ঘোষণা কৰিবলৈ অনুৰোধ কৰি এখন স্মাৰক পত্ৰ দিয়ে। অসম বিধান সভাত গৃহীত আইনখনক উপেক্ষা কৰি সংখ্যালঘুৰ ভাষা এটাক অসমৰ সহযোগী ভাষা কৰিলে অসমৰ জনসাধাৰণ কেতিয়াও সন্তুষ্ট নহয়।

**ৰাষ্ট্ৰীয় সংহতি :**—ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্য বিপদগ্ৰস্ত হোৱাত ভাৰত চৰকাৰে গভীৰ উদ্বেগ প্ৰকাশ কৰি যোৱা বছৰ নতুন দিল্লীত দেশৰ বিভিন্ন ৰাজনৈতিক দলৰ মুখপাত্ৰ আৰু বিশিষ্ট লোকসকলক লৈ এখন ৰাষ্ট্ৰীয় সংহতি সন্মিলন আহ্বান কৰিছিল আৰু ৰাষ্ট্ৰীয় সংহতি সন্মিলনে ভাৰতৰ বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ সকলো লোকৰ মাজত আবেগিক ঐক্য বোধ জাগৰূক কৰাত বিশেষ গুৰুত্ব দিছে আৰু একে দেশীয় ভাইৰ মাজত কোনো বিৰোধ মীমাংসাৰ

কাৰণে হিংসাক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে বুলি দেশবাসী সকলোকে প্ৰতিজ্ঞা গ্ৰহণৰ পৰামৰ্শ দিছে। এই বছৰ গান্ধী জয়ন্তীৰ দিনৰে পৰা এসপ্তাহ জুৰি ৰাষ্ট্ৰীয় সংহতিৰ বাবে স্বাক্ষৰ গ্ৰহণ অভিযান আৰম্ভ হৈছে। এই অভিযানৰ গুৰুত্বৰ বিষয়ে বহলাই কোৱা নিষ্প্ৰয়োজন। এইখিনিতে মাত্ৰ আমি উল্লেখ কৰিব খোজো যে হিন্দী ভাষাক ৰাষ্ট্ৰভাষাৰ পৰ্য্যায়লৈ উন্নীত কৰাৰ কাৰণে ভাৰত চৰকাৰে যি দৰে অৰ্থ ব্যয় কৰিছে সেইদৰে সংবিধান স্বীকৃত ৰাজ্যিক ভাষাৰ উন্নতি আৰু বিকাশৰ ওপৰত ৰাষ্ট্ৰ ভাষাৰো উন্নতি আৰু বিকাশৰ বহুত কথা নিৰ্ভৰ কৰে।

*   *   *   *

**চীনৰ নগ্ন আক্ৰমণ :**—যোৱা ২০ অক্টোবৰ তাৰিখে চীনৰ একে সময়তে নেফা আৰু লাডাখ উভয় সীমান্ততে আকস্মিক প্ৰচণ্ড আক্ৰমণে আৰু পৰবৰ্ত্তী ঘটনাসমূহে ভাৰতবাসীক এক অগ্নি-পৰীক্ষাৰ সম্মুখত উপস্থিত কৰাইছে। ভাৰত শান্তিপূৰ্ণ পদ্ধতিৰ একান্ত বিশ্বাসী কাৰণেই যুদ্ধৰ বাবে প্ৰস্তুত হোৱা নাছিল। কমিউনিষ্ট চীনৰ বিশ্বাস-ঘাটকতা, পৰৰাজ্যলোলুপ স্বভাৱ আৰু নগ্ন আক্ৰমণে আজি দেশবাসীক ঐক্যবদ্ধ হৈ চীনৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ বাধ্য কৰিছে। আমাৰ প্ৰধান মন্ত্ৰীয়ে কৈছে, "জন্মভূমিৰ স্বাধীনতা ৰক্ষাতকৈ কোনো মূল্যই বেচি হব নোৱাৰে।" সেইহে চীনা সৈন্যক ভাৰত ভূমিৰ পৰা বিতাড়ন কৰিবৰ কাৰণে আজি ভাৰতীয় জনসাধাৰণ দৃঢ় সঙ্কল্প। চীনা-ভাৰত সীমা বিবাদৰ শান্তিপূৰ্ণ সমাধানৰ কাৰণে কমিউনিষ্ট চীনে ২১ অক্টোবৰত আগবঢ়োৱা তিনি দফীয়া প্ৰস্তাৱ প্ৰতাৰণামূলক আৰু দ্ব্যৰ্থবোধক।

আমাৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ প্ৰাথমিক দুৰ্ব্বলতাৰ সুবিধা লৈ অস্থায়ীভাৱে চীনে জয়লাভ কৰিছে যদিও আমাৰ সৈন্যৰ ওচৰত চীনে পৰাজয় বৰণ কৰিবই লাগিব। চীনৰ আক্ৰমণ সম্পূৰ্ণৰূপে ব্যৰ্থ কৰিবলৈ হলে সামৰিক আৰু অসামৰিক উভয় প্ৰতিৰক্ষাৰ বাবে আমি আগবাঢ়িব লাগিব। এই সংগ্ৰাম কঠোৰ আৰু দীঘলীয়া হ'ব। এনে পৰিস্থিতিত খেতিৰ পথাৰতেই হওক বা ডাঙৰ ডাঙৰ কল-কাৰখানাতেই হওক বা কুটীৰ শিল্প প্ৰতিষ্ঠানতেই হওক আমি উৎপাদন বৃদ্ধিৰ সকলো প্ৰচেষ্টা চলাব লাগিব। ৰাইজেও অকুণ্ঠ চিত্তে জাতীয় প্ৰতিৰক্ষা পুঁজিলৈ ধন-সোণ আৰু তেজ দান দিবলৈ আগবাঢি অহাটো সন্তোষৰ কথা।

---

## ঃ জাতীৈল আহ্বান ঃ

"সীমান্ত অঞ্চলত বৰ্ত্তমান আমি যি বিপদৰে সম্মুখীন নহওঁ লাগে, এইটো নিসন্দেহ যে শেহত আমাৰ জয় অনিবাৰ্য্য।"

—ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণন

"বিশ্বশান্তিৰ হকে ভাৰতে আগ্ৰহ দেখুৱাই অহা সত্বেও মানুহৰ পাপাচাৰে আহি শান্তিৰ বাটৰ অন্তৰায় সৃষ্টি কৰিছে। এহাতে প্ৰৱল উন্মাদনা, ক্ষমতা-লিপ্সা আৰু আধিপত্যৰ লোভ আৰু আনহাতে মানৱ প্ৰেম, সামাজিক ন্যায় আৰু ৰাষ্ট্ৰীয় স্বাধীনতা। এই দুয়োৰে মাজত আজি সংঘাতে দেখা দিছে।"

—ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষণ

"আমাৰ সীমান্তৰ ওপৰত আজি ক'লা ডাৱৰে দেখা দিছে। ভাৰতত আজি এনে সাহসী ডেকাৰ প্ৰয়োজন হৈছে যি কষ্টোপাৰ্জ্জিত স্বাধীনতা ৰক্ষা কৰিব পাৰিব। ভাৰতৰ জনসাধাৰণে সকলো ত্যাগ স্বীকাৰ কৰি দেশৰ স্বাধীনতা ৰক্ষা কৰিব বুলি মোৰ সম্পূৰ্ণ বিশ্বাস আছে।"

—ভূতপূৰ্ব্ব ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰপ্ৰাদ

"যদি জন-সাধাৰণে নিৰ্ভীকভাৱে থাকি স্বাধীনতা ৰক্ষাৰ কামত ব্ৰতী হয়, তেন্তে পৃথিবীৰ শক্তিয়ে তেওঁলোকক পদানত কৰিব নোৱাৰে।"

—উপ-ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইন

"ভাৰতে এক শক্তিশালী আৰু বিবেকবৰ্জ্জিত প্ৰতিপক্ষৰ সম্মুখীন হ'ব লগা হৈছে। গতিকে আমি আমাৰ শক্তি সংগ্ৰহ কৰিব লাগিব আৰু বিশ্বাস সহকাৰে আৰু সম্পূৰ্ণভাৱে পৰিস্থিতিৰ সম্মুখীন হবলৈ সাজু হ'ব লাগিব।...

"সংঘৰ্ষ বহুত দিন চলিব। মানসিকভাৱে আৰু অইন প্ৰকাৰে আমি সাজু হ'ব লাগিব। আমাৰ আত্মবিশ্বাস থাকিব লাগিব আৰু মই নিশ্চিত যে আস্থা আৰু প্ৰস্তুতিৰে আমি জয়লাভ কৰিম।...

"স্বাধীনতাৰ হকে কড়া-ক্ৰান্তি আদায় দিব লাগিব আৰু আমাৰ কাৰণে মাতৃভূমিৰ স্বাধীনতাৰ বাবে কোনো মূল্যই বেচি হ'ব নোৱাৰে।"

—প্ৰধান মন্ত্ৰী শ্ৰীনেহৰু

"চীনা চৰকাৰৰ কিছুমান সাম্ৰাজ্যবাদী কুকাৰ্য্যক আমি প্ৰতিৰোধ কৰিছোঁ যদিও সমগ্ৰ জনসাধাৰণ বা তেওঁলোকৰ সংস্কৃতিৰ লগত ভাৰতৰ কোনো বিবাদ নাই।"

—প্ৰধান মন্ত্ৰী শ্ৰীনেহেৰু

"আমি আমাৰ দেশক ৰক্ষা কৰিব লাগিব। আমি শান্তিকামী জাতি। সেই বুলিয়েই আক্ৰমণ-কাৰীৰ বিৰুদ্ধে আমি যুঁজ নকৰিম এনে হ'ব নোৱাৰে।"

—প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীযশোৱন্তৰাও চৱন

"আমাৰ প্ৰত্যেক জন লোকেই মাতৃভূমি ৰক্ষাৰ কাৰণে প্ৰতি টোপা তেজ দিবলৈ প্ৰস্তুত হ'ব লাগিব।"

—গৃহমন্ত্ৰী শ্ৰীলালবাহাদুৰ শাস্ত্ৰী

---

# ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। **ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি** (একবিংশ বছৰৰ কাৰণে) এপিঠিত ফটফটীয়াকৈ লিখি "শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট"—এই ঠিকনাত পঠাব। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫ মৌলিক আলোচনা অনুসন্ধান আদিৰ গবেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

পত্ৰিকা সম্পাদক

## অসম সাহিত্য সভা পত্ৰিকাৰ জাননী ছপোৱাৰ বেচ

| | | | |
|---|---|---|---|
| ভিতৰৰ এপিঠিৰ, | ৪০.০০ | আধা পিঠিত ২২.০০ | সিকি পিঠিত ১২.০০ |
| বেটুপাতৰ তৃতীয় পিঠিত | ৪৫.০০ | আধা পিঠিত ২৪.০০ | সিকি পিঠিত ১৩.০০ |
| বেটুপাতৰ চতুৰ্থ পিঠিত | ৫০.০০ | আধা পিঠিত ২৬.০০, | সিকি পিঠিত ১৪.০০ |

প্ৰধান সম্পাদক
অসম সাহিত্য সভা

অসম সাহিত্য সভাৰ হৈ পত্ৰিকা সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, এম-এ, বি-টিৰ দ্বাৰা কালকতাৰ শ্ৰীকান্ত প্ৰেছ প্ৰাঃ লিঃৰ পৰা মুদ্ৰিত আৰু প্ৰকাশিত।

## ॥ অসম সাহিত্য সভাৰ প্ৰকাশন ॥

১। **অসম সাহিত্য সভাৰ ভাষণাৱলী** ( প্ৰথম ভাগ )—প্ৰথমৰপৰা দ্বাদশ মূল সন্মিলনৰ সভাপতিৰ অভিভাষণ। ৮·০০, সভ্যৰ বাবে ৬·০০।

২। **অসম সাহিত্য সভাৰ ভাষণাৱলী** ( দ্বিতীয় ভাগ )—ত্ৰয়োদশৰপৰা পঞ্চবিংশ মূল সন্মিলনৰ সভাপতিৰ অভিভাষণ। ৮·০০, সভ্যৰ বাবে ৬·০০। দুই ভাগ ১৪·০০, সভ্যৰ বাবে ১০·০০।

৩। **অসম সাহিত্য সভাৰ ভাষণাৱলী** (তৃতীয় ভাগ) —প্ৰথম বাৰৰপৰা ... শাখাৰ সভাপতিৰ অভিভাষণ। ৭·০০ সভ্যৰ বাবে ৪·০০।

৪। **অসম সাহিত্য সভা বাৰ্ষিকী** ( প্ৰথম ভাগ )—ত্ৰয়োবিংশ সন্মিলনৰ অভিভাষণসমূহ। ২·০০, সভ্যৰ বাবে ১·০০।

৫। **অসম সাহিত্য সভা বাৰ্ষিকী** ( দ্বিতীয় ভাগ )—চতুৰ্স্ত্ৰিংশ সন্মিলনৰ অভিভাষণসমূহ। ২·০০, সভ্যৰ বাবে ১·০০।

৬। **হৰিবৰ বিপ্ৰৰ লৱ-কুশৰ যুদ্ধ**—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ২·০০, সভ্যৰ বাবে ১·০০।

৭। **ভাগৱত মিশ্ৰৰ সাত্বত-তন্ত্ৰ**—শৰৎচন্দ্ৰ গোস্বামী সম্পাদিত। ০·৬০, সভ্যৰ বাবে ০·৩০।

৮। **বলোৰাম দ্বিজৰ শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ**—দেৱেশ্বৰ চলিহা সম্পাদিত। ১·০০, সভ্যৰ বাবে ০·৫০।

৯। **ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ**—০·৭৫, সভ্যৰ বাবে ০·৩৬।

১০। **অসমীয়া ভাষা** ( আনন্দৰাম ঢেকিয়াল ফুকনৰ A Few Remarks on the Assamese Language and on Vernacular Education in Assam পুথিৰ অনুবাদ )—ডঃ মহেশ্বৰ নেওগ অনূদিত আৰু সম্পাদিত। ০·৫০।

১১। **মোৰ জীৱন-সোঁৱৰণ** ( লক্ষ্মীনাথ বেজবৰুৱা )—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংগৃহীত আৰু ডঃ মহেশ্বৰ নেওগ দ্বাৰা সম্পাদিত। ৫·০০। সভ্যৰ বাবে ৩·০০।

১২। **অসমীয়া খণ্ডবাক্য-কোষ** ( বেণুধৰ ৰাজখোৱা )।—ডঃ মহেশ্বৰ নেওগ সম্পাদিত সংবৰ্দ্ধিত আৰু পৰিশিষ্ট-সম্বলিত। ৯·০০, সভ্যৰ বাবে ৫·০০।

১৩। **কামিনীকান্তৰ চৰিত্ৰ** ( এ. কে. গাৰ্নী )—ডঃ প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত। ২·০০, সভ্যৰ বাবে ১·০০।

১৪। **অসমীয়া লোকগীতি-সংগ্ৰহ** ( শ্ৰীযোগেশচন্দ্ৰ তামুলী-সংগৃহীত )—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৬·০০, সভ্যৰ বাবে ৩·০০।

১৫। **পৱিত্ৰ অসম**—মঠ-মন্দিৰ, তীৰ্থ-পীঠ, সত্ৰ-থান, দৰগাহ, গীৰ্জ্জা আদিৰ বিৱৰণ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১১·০০, সভ্যৰ বাবে ৬·০০।

১৬। **বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা**—ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। ২·০০, সভ্যৰ বাবে ১·০০।

১৭। **চাহ-বাগিচাৰ বনুৱা**—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ১·২৫, সভ্যৰ বাবে ০·৭৫।

১৮। **আনন্দৰাম ঢেকিয়াল ফুকন**—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত। ০·৩৬।

১৯। **ৰাধাকান্ত সন্দিকৈ**—শ্ৰীহৰিপ্ৰসাদ নেওগ—০·৭৫, সভ্যৰ বাবে ০·৩৬।

২০। **কৰি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা**—শ্ৰীকমলেশ্বৰ শৰ্ম্মা—২·৫০, সভ্যৰ বাবে ১·২৫।

২১। **সীমান্তৰ সন্দেশ**—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত—২·০০, সভ্যৰ বাবে ১·০০।

২২। **The Outlook on NEFA**—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত—২·০০, সভ্যৰ বাবে ১·০০।

২৩। **This is Assam**—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। ২·০০, সভ্যৰ বাবে ১·০০।

২৪। **নীলাচল পাঠ** ( আওনগা ভাষা শিকা পুথি )—শ্ৰীমহেন্দ্ৰনাথ সভাপণ্ডিত —১·০০, সভ্যৰ বাবে ০·৫০।

২৫। **Assam's Language Question : A Symposium** ( কেইবাজনো প্ৰথিতযশা লেখকৰ আলোচনা) ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১·০০, সভ্যৰ বাবে ০·৫০।

২৬। **ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া**—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ৩·০০।

২৭। **মিকিৰ জনজাতি**—শ্ৰীলংকাম টেৰণ। ১·০০, সভ্যৰ বাবে ০·৫০।


২৮। **উদয়াচলৰ সাধু**—শ্ৰীলুম্মেৰ দাই ২·০০। সভ্যৰ বাবে ১·০০।

সৰহীয়াকৈ নিওঁতালৈ কমিছনৰ ব্যৱস্থা ৰখা হৈছে। এজেঞ্চিৰ নিয়মাৱলীৰ বাবে লিখক।
প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, অসম।

# অসম সাহিত্য সভা পত্ৰিকা

একবিংশ বছৰ ॥

ৰত্নকান্ত বৰকাকতী স্মৃতি-সংখ্যা



অসম সাহিত্য সভা

সম্পাদক : শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী

## পত্ৰিকা সম্পাদনা উপ-সমিতি

ডঃ মহেশ্বৰ নেওগ, এম্-এ, ডি, ফিল্

প্ৰধান সম্পাদক : অসম সাহিত্য সভা

অধ্যক্ষ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, এম-এ

শ্ৰীলীলা গগৈ, এম্-এ

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, এম্-এ পত্ৰিকা সম্পাদক।

## ॥ অসম সাহিত্য সভাৰ নতুন প্ৰকাশন ॥

**অসমৰ জনজাতি**—শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। ১০.০০।

**অসমৰ জনজাতীয় সাধু**—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত। ১০.০০

**সাহিত্য-সমীক্ষা**—ডঃ মহেশ্বৰ নেওগ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্মা সম্পাদিত। ৬.০০।

**তত্ত্ব-কথা**—লক্ষ্মীনাথ বেজবৰুৱা। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৪.০০।

**নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প**—শ্ৰীহেমন্তকুমাৰ শৰ্মা সম্পাদিত। ৪.০০।

**সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি**—ডঃ মহেশ্বৰ নেওগ। ২.০০।

**Assamese for All,** or, **Assamese self-taught**—শ্ৰীমুকুন্দমাধৱ শৰ্মা। ২.০০।

আপকী অসমীয়া, বা অসমীয়া স্বয়ং শিক্ষক (হিন্দী)—শ্ৰীমুকুন্দমাধৱ শৰ্মা। শ্ৰীপৰেশচন্দ্ৰ দেৱশৰ্মা অনূদিত। ২.০০।

**মুদ্ৰা-ৰাক্ষস** শ্ৰীকবি বিশাখ দত্ত। শ্ৰীৰজনীকান্ত দেৱশৰ্মা অনূদিত। ৩.০০।

**কৰ্পূৰ-মঞ্জৰী**—কবিৰাজ ৰাজশেখৰ। শ্ৰীমুকুন্দমাধৱ শৰ্মা অনূদিত। ২.০০।

**জয়মতী আৰু মূলা গাভৰু**—শ্ৰীলীলা গগৈ। ০.৬০।

ৰূপকত্ৰয়ম্ (সংস্কৃত)—শ্ৰীকবিচন্দ্ৰ, গোৰীকান্ত আৰু দীন দ্বিজ। ডঃ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত। ৪.০০।

**অসম সাহিত্য সভা বাৰ্ষিকী**, গোৱালপাৰা (**ঊনত্ৰিংশ**) **সন্মিলন**। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ৩.০০।


**অশান্ত হিমালয় সীমান্তৰ আহ্বান**। ০.৩০।

**ৰণ-ঝঙ্কাৰ**—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। ০.২০।

**ৰণ-নিনাদ**—০.২০।

# অসম সাহিত্য সভা পত্ৰিকা

ৰজনীকান্ত বৰদলৈ স্মৃতি-সংখ্যা



ৰত্নকান্তস্য যা ৱিদ্যা প্ৰতিভা ধীষণা শ্ৰুতিঃ ।
দেহিনি ৱিদেহে যাতে লোকোত্তৰা ৱিৰাজতে ॥

# সূচীপত্র


কবি ৰত্নকান্ত — শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা ... ... ১

স্বৰ্গীয় ৰত্নকান্ত বৰকাকতী — শ্ৰীসূৰ্য্যকুমাৰ ভূঞা ... ... ২

বড়ো-কছাৰি জাতিৰ দৰ্শন- শ্ৰীৰাজমোহন নাথ ... ... ৭

এখন পুৰণি অসম বুৰঞ্জী—শ্ৰীলীলা গগৈ ... ... ১৫

বৰকাকতিৰ সাহিত্য সাধনাৰ আভাস—শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু ... ২০

শব্দ-শক্তি—শ্ৰীঅৱণীন্দ্ৰ চন্দ্ৰ বৰা ... ... ২৮

সাহিত্যৰ লক্ষণ— প্ৰিয়াংশু প্ৰবল উপাধ্যায় ... ... ৩২

অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ নৱম অধিবেশন—প্ৰধান সম্পাদক ৪১

অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ দশম অধিবেশন—প্ৰধান সম্পাদক ৪৬

ভগৱতী প্ৰসাদ বৰুৱা ভৱন ... ... ৪৯

ভগৱতী প্ৰসাদৰ স্মৃতিত—শ্ৰীগোপাল হালদাৰ ... ... ৫২

অসম সাহিত্য সভা—ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটা থাপনা কৰা উছৱত অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ৰ ভাষণ ... ... ৫৪

অসম সাহিত্য সভা—ত্ৰিংশ বাৰ্ষিক সম্মিলন—নাজিৰা ... ... ৫৫

অসম সাহিত্য সভা—সম্পাদকীয় প্ৰতিবেদন ... ... ৬৩

উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষা-নীতি আৰু সাংস্কৃতিক নীতি ... ৬৫

লোহিত আৰু ছিয়াং সীমান্তত অসম সাহিত্য সভাৰ সন্দেশবাহী দল ... ৬৬

পুথি পৰিচয় ... ... ৮১

সম্পাদকীয় ... ... ৮৪

# অসম সাহিত্য সভা পত্রিকা

একবিংশ বছৰ | ১৮৮৪ শক, পুহ—চ'ত | তৃতীয় সংখ্যা

## কৱি ৰত্নকান্ত

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

শেৱালি ফুলৰ দৰে সৰল কোমল,
শেৱালিৰ কৱি তুমি গন্ধৰ সঁফুৰা
কাব্য-কাননত ফুলি অসম মাতৃৰ,
বিলালা সুবাস দেৱ মধুৰ অমিয়া।

আকাশৰ পানীপিয়া বিহঙ্গৰ দৰে
কল্পনা ৰাজ্যত ঘুৰি বিচাৰিলা মউ ;
বাস্তৱৰ জলাশয় হাতৰ কাষতে
সৃষ্টিৰ অমৃত তাত নেপালা বিচাৰি।

বিশ্বখনিকৰে গঢ়া সুন্দৰ জগতে
আদৰেৰে আৱাহন কৰিলে তোমাক ;
ভোল গলা তাতে কৱি পাহৰি পেলালা
কালৰ অসীম সীমা ভূত ভৱিষ্যত,
সকলো চেৰাই তুমি বিচাৰি ফুৰিলা,
সত্য শিৱ সুন্দৰৰ মধুৰ পৰশ।

প্ৰকাশে যি পৰশত সৰগ মৰত,
পালা যেন তুমি সিটো সৃষ্টি সৌন্দৰ্য্যত,
সেয়েই তোমাৰ কৱি বিৰাগৰ হেতু
ৰাজ দৰবাৰৰ মান সমাজৰ স্থান।

পৰম জ্ঞানৰ আশা বুকুত সুমাই
মায়াময় পৃথিৱীৰ খন্তেকীয়া মুখ
মৰীচিকা ৰূপে তাক কৰি অনাদৰ
জীৱন সৰ্ব্বস্ব তাতে নকৰিলা দান।

ৰত্নকান্ত ৰত্নগৰ্ভ সাগৰৰ দৰে
হিয়াত সামৰি লৈ ৰত্নৰ সম্ভাৰ
আজীৱন তাৰে জ্যোতি কৰিলা প্ৰকাশ
ধন্য হ'ল মাতৃভূমি গৌৰৱে তোমাৰ।

# স্বৰ্গীয় ৰত্নকান্ত বৰকাকতী

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

মোৰ ল'ৰাকালৰ চেনেহৰ লগৰীয়া ৰত্নকান্ত বৰকাকতী আৰু এই সংসাৰত নাই! চকুৰ আগতে জীৱনৰ আৰম্ভণি, চকুৰ আগতে সেই জীৱনৰ অৱসান ঘটিল। তেওঁক দেখিলোঁ চেমনীয়া অৱস্থাত, দেখিলোঁ মাজবয়সত, দেখিলোঁ বাৰ্দ্ধক্যত, তাৰ পাছত সকলো শেষ, বন্তি চিৰকাললৈ নুমাল!

এই ক্ষন্তেকীয়া জীৱন, হাঁহি-কন্দা, আনন্দ-বিষাদ, জীয়াই থাকিলে জীৱনৰ সমস্যাৱলীৰ সন্মুখীন হোৱাৰ পৰা কোনেও হাত এৰাব নোৱাৰে। ৰত্নকান্তও জীৱন-সমস্যাৰ সন্মুখীন হৈছিল; কিন্তু তেওঁক জীৱনৰ ঘাত-প্ৰতিঘাতে মষিমূৰ কৰিব নোৱাৰিলে। নিজৰ অন্তৰ্নিহিত বাসনা-উদ্যম ইঙ্গুদি তেলৰ বন্তিৰ দৰে মৃদুভাৱে জ্বলিবলৈ ধৰিলে, সেই বন্তিৰ পোহৰ জীৱনৰ শেষ মুহূৰ্ত্তলৈকে জ্বলি আছিল। এয়ে হ'ল ৰত্নকান্তৰ জীৱন-কাহিনীৰ বিশেষত্ব,—সংসাৰৰ প্ৰতিকূল অৱস্থাতো নিজৰ অদম্য বাসনাক চিৰ জাগ্ৰত কৰি ৰখা শক্তি। এই বিশেষত্বৰ কাৰণে তেওঁক দেশবাসীয়ে আদৰ আৰু সন্মান কৰিছিল, আৰু আগলৈকো তেওঁৰ স্মৃতিক শ্ৰদ্ধা কৰিব, ই ধ্ৰুৱ।

মই তেওঁক পোনতে লগ পাওঁ ১৯০৪ চনত। তেতিয়া তেওঁৰ বয়স আঠ বছৰমান। নগাঁৱৰ ফৌজদাৰী পট্টিত ঘৰ আছিল স্বৰ্গীয় চন্দ্ৰকুমাৰ বৰুৱা ডাঙৰীয়াৰ। তেওঁ মোৰ পিতৃদেৱতা স্বৰ্গীয় ৰবিলাল ভূঞা ডাঙৰীয়াৰ বাল্যকালৰপৰা অন্তৰঙ্গ বন্ধু আছিল। চন্দ্ৰকুমাৰ বৰুৱাৰ পুতেক শ্ৰীকৃষ্ণদাস বৰুৱা বৰ্ত্তমানে নগাঁও চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক। বৰুৱা ডাঙৰীয়াৰ এগৰাকী ভনীয়েক শ্ৰীযুতা লাৱণ্য আইদেউ, তেওঁক বিয়া কৰিছিল ৰত্নকান্তৰ খুৰায়েক স্বৰ্গীয় ঘনকান্ত বৰকাকতীদেৱে। সেই সূত্ৰে ৰত্নকান্তই সৰুকালত চন্দ্ৰকুমাৰ বৰুৱা ডাঙৰীয়াৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল, পাছতহে আমোলাপট্টিত বৰ্ত্তমানে শঙ্কৰদেৱ মন্দিৰৰ ওচৰত নিজৰ ঘৰ সাজে।

নগাঁৱৰ ফৌজদাৰী পট্টিত শ্ৰীসুবোধচন্দ্ৰ বৰুৱাৰ দেউতাক স্বৰ্গীয় হলিৰাম বৰুৱা বাস কৰিছিল। হয়বৰ গাঁৱত আছিল স্বৰ্গীয় ভগীৰথ বৰদলৈ পেচকাৰ নামে এজন সম্ভ্ৰান্ত মানুহ, তেওঁৰ পত্নী আছিল স্বৰ্গীয় ৰাতিৰাম তামুলীৰ কন্যা আৰু 'নিচুকনিৰ' সংগ্ৰাহক শ্ৰীযোগেশচন্দ্ৰ তামুলীৰ বায়েক। পেচকাৰৰ বৰজনা পুতেক আছিল স্বৰ্গীয় শৰৎকুমাৰ বৰদলৈ। আনজনা পুতেক শ্ৰীসাৰদাকান্ত বৰদলৈদেৱে নাট্যকাৰ আৰু অভিনেতা হিচাপে সুখ্যাতি লাভ কৰিছে। স্বৰ্গীয় চন্দ্ৰকুমাৰ বৰুৱাৰ ঘৰৰ ওচৰতে অসমৰ টেক্সট-বুক কমিটীৰ চেক্ৰেটাৰী স্বৰ্গীয় চন্দ্ৰহাস ভূঞা ডাঙৰীয়াৰ ঘৰ। তেওঁৰ পুতেক আছিল স্বৰ্গীয় বসন্তকুমাৰ ভূঞা। ৰত্নকান্তৰ ঘৰত মতা নাম আছিল চিত্ৰ, আমিও তেওঁক চিত্ৰ বুলিয়েই মাতিছিলোঁ।

চিত্ৰ, শৰৎকুমাৰ আৰু মোক হলিৰাম বৰুৱাই প্ৰাইভেট টিউটৰ হিচাপে পঢ়াইছিল। সেই অৰ্থে আমি তিনিও চন্দ্ৰকুমাৰ বৰুৱাৰ ঘৰতে একেলগ হৈ পঢ়িছিলোঁ। শৰতো চিত্ৰৰ দৰে চন্দ্ৰকুমাৰ বৰুৱাৰ ঘৰতে আছিল। হলিৰাম



বৰুৱাই আমাৰপৰা কাম আদায় কৰিব জানিছিল। মাজে-সময়ে শাৰীৰিক শাস্তি দিবলৈকো নেৰিছিল। আমি সেই দেখি তেওঁৰ বেতৃডাল লুকুৱাই থৈছিলোঁ, আৰু মাজে মাজে পঢ়া ঠাইলৈ নহাকৈয়ো আছিলোঁ। "পলৰীয়া ল'ৰাই পঢ়া-শুনা কৰিব নোৱাৰে"—এই বাক্যষাৰ মাতি তেওঁ আমাক ইংৰাজীলৈ তৰ্জ্জমা কৰিবলৈ কৈছিল। এই স্থলত, "চাৰ, আমাকেহে কৈছে" বুলি আমি প্ৰতিবাদ কৰিছিলোঁ। ওচৰত থকা বসন্তকুমাৰ বৰ অজলা আৰু নিৰ্জ্জু প্ৰকৃতিৰ ল'ৰা আছিল, তেওঁক জোকাই আমি তিনিও বৰ ৰং পাইছিলোঁ।

এই খিনি সময়তে ৰত্ন আৰু মোৰ ভিতৰত বৰ চেনেহৰ সম্বন্ধ হয়। মই তেওঁক কনিষ্ঠ ভাইৰ দৰে মৰম কৰিছিলোঁ। এই চেনেহৰ মূলসূত্ৰ আছিল আমি দুয়ো মাতৃহীন বালক, মাউৰা। আনে হেজাৰেকি মৰম নকৰক মাতৃ নহলে সকলো অসাৰ, এই কথা আমি দুয়ো ভালকৈ উপলব্ধি কৰিছিলোঁ। এই বিষয়ে নিজৰ অন্তৰৰ বেদনা আৰু অভিজ্ঞতাৰ বিষয়ে সদায় কথা পাতিছিলোঁ। অন্য ল'ৰা-ছোৱালীৰ মাকে সন্তানক মৰম কৰা দেখিলে আমাৰ অন্তৰৰ শোক দুগুণে জ্বলিবলৈ ধৰিছিল। এইদৰে সমবেদনাৰ সংযোগত চিত্ৰ আৰু মোৰ অন্তৰৰ বান্ধ বৰ প্ৰগাঢ় হৈ উঠিছিল।

নগাঁও এৰি ১৯০৪ চনৰ অক্টোবৰ মাহত মই চিলঙলৈ যাওঁ। আমাৰ দুয়োৰো মাজত সদায় চিঠিৰ চলাচল হৈছিল। কেতিয়াবা পদ্যৰেও চিঠি লেখিছিলোঁ। মাজে-মাজে চিলঙৰপৰা নগাঁৱলৈ আহি ৰত্নকান্তৰ লগত নিতৌ ফুৰাচকা কৰিছিলোঁ। আমাৰ কথা-বতৰাৰ ভিতৰত আছিল সাহিত্য সেৱা, আৰু 'উষা'ত ওলোৱা প্ৰবন্ধাৱলীৰ বিষয়ে আলোচনা, অৱশ্যে লৰামতীয়াভাৱে। ৰত্নকান্তৰ উদ্যোগত নগাঁৱত অসমীয়া ছাত্ৰৰ হিত-সাধিনী সভা স্থাপিত হয়। ৰত্নকান্ত সেই সভাৰ সম্পাদক আছিল। ১৯০৯ চনৰ ১৭ মে'ৰ 'আসাম বন্তি'ত এই সভাৰ বিষয়ে মই এইদৰে কৈছিলোঁ,—"এটি দুখৰ বিষয় এই যে ছাত্ৰসকলৰ হিত-সাধিনী সভাখনিৰ অস্তিত্ব লুপ্তপ্ৰায় হৈছেহি। অলপমান জনা-বুজা ছাত্ৰে তাৰ মোল বুজিও সভাখনিক উপলুঙা কৰি উন্নতি সাধনৰ হস্তে প্ৰাণটাকি লগাসকলক হতাশ কৰে—ইয়াৰ একমাত্ৰ কাৰণ বুলি আমি আঙুলিয়াব পাৰোঁ।" ইয়াৰ পাচত ৭।৬।১৯০৯ তাৰিখৰ 'বন্তি'ত আকৌ এইদৰে লেখিলোঁ,—"স্থানীয় ছাত্ৰসকলৰ সভাখনি প্ৰায় লুপ্ত হৈছিল বুলি অলপতে কোৱা হৈছিল। কেইজনমান উদ্যোগী সভ্যৰ পুৰুষাৰ্থত সেই সভা পুনৰ সঞ্জীৱিত হোৱাৰ আগন্তুক দেখি আমি নথৈ ৰং পাইছোঁহক, আৰু সেইবাবে তেওঁলোকক সহৃদয় ধন্যবাদ দিছোঁ।"

এনট্ৰেন্স্ পৰীক্ষা দি মই তেতিয়া নগাঁৱত আছিলোঁ। সেই সময়ত নগাঁৱত শ্ৰীদেৱানন্দ ভৰালী, স্বৰ্গীয় কালিৰাম মেধি, স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামী, স্বৰ্গীয় পণ্ডিত তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদ হৰিনাৰায়ণ দত্তবৰুৱা আৰু স্বৰ্গীয় কমলাকান্ত বৰুৱা চৰকাৰী কৰ্ম্মচাৰী হিচাপে আছিল। তেওঁলোকৰ উৎসাহ আৰু অনুপ্ৰেৰণাত নগাঁৱৰ সাহিত্য জীৱন আকৌ জিলিকি উঠিছিল।

সেই সময়ত অসমীয়াৰ খ্যাতনামা সাহিত্যিক স্বৰ্গীয় পদ্মনাথ গোহাঞি-বৰুৱা ডাঙৰীয়াই ব্ৰিটিছ গৱৰ্ণমেণ্টৰপৰা এটি বিশেষ সাহিত্যিক বৃত্তি লাভ কৰে। এই উপলক্ষে গোহাঞি-বৰুৱা ডাঙৰীয়াক অভিনন্দন জনাবৰ কাৰণে, ছাত্ৰৰ হিতসাধিনী সভাৰ অধিৱেশন বহে। গোহাঞি-বৰুৱাক অভিনন্দন জনোৱাৰ উপৰিও কৰ্নেল গৰ্ডন চাহাবে এই বৃত্তি লাভত সহায় কৰাৰ কাৰণে তেওঁকো ধন্যবাদ দিয়া হয়।

এই অধিৱেশনৰ সভাপতি আছিল বৰ্ত্তমান লেখক, আৰু চেক্ৰেটাৰী হিছাপে ৰত্নকান্তই যথাস্থানলৈ প্ৰস্তাৱৰ নকল আদি পঠিয়াইছিল। এই অধিৱেশনৰ কাৰ্য্যাৱলী 'আসাম বন্তি'ৰ ৭-৬-১৯০৯ তাৰিখৰ সংখ্যাত প্ৰকাশিত হয়।

নগাঁৱত থাকোঁতে আৰু দুজন সাহিত্যসেৱী ছাত্ৰ-শ্ৰীমহীচন্দ্ৰ বৰা আৰু শ্ৰীদীননাথ মেধিৰে সৈতে আমি চাৰিও কলঙৰ পাৰে-পাৰে ফুৰি আৰু তাৰ ঘাঁহনিত বহি মেল পাতি বৰ ভাল পাইছিলোঁ। ৰত্নকান্তৰ আমোলাপট্টিৰ ঘৰত তেওঁৰ খুৰায়েক ঘনকান্ত বৰকাকতীক সদায় লগ পাইছিলোঁ। তেওঁ এজন উদাৰমনা আৰু পৰোপকাৰী প্ৰবৃত্তিৰ পুৰুষ আছিল, তেওঁ মোক বৰ মৰম কৰিছিল, আৰু উৎসাহ দিছিল, সেই কথা মই জনমতো নাপাহৰোঁ।

১৯১৫ চনত ৰত্নকান্তই প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কলিকতাৰ কলেজত পঢ়িবলৈ যায়। কলেজীয়া জীৱনত আমি দুয়ো কৱি ৰবীন্দ্ৰনাথৰ ৰচনাৱলীৰ প্ৰতি বিশেষকৈ আকৃষ্ট হওঁ। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ আহ্বান শুনি ৰত্নই কলেজীয়া শিক্ষা অসম্পূৰ্ণ অৱস্থাতে এৰি থৈ ঘৰলৈ উলটি আহে। কেৰাঠাইতো চাকৰি কৰাৰ পাচত দেউতাক স্বৰ্গীয় ভূধৰ বৰকাকতী ডাঙৰীয়াক মৌজাৰ কামত সহায় কৰে। অৱশেষত দেউতাকৰ লোকান্তৰ হোৱাত ১৯৩৩ চনত নিজে মৌজাদাৰ হয়।

ইপিনে সৰু-সৰু ভাই-ভনীৰে সৈতে এটা ডাঙৰ পৰিয়ালৰ প্ৰতিপালন আৰু খাজনা তোলাৰ পৰিশ্ৰম, এইবোৰ কামত ৰত্নকান্ত বৰ ক্লান্ত হৈ পৰে। পূৰ্ণহতীয়াকৈ সাহিত্য-সেৱাত লাগিব নোৱাৰাৰ নিমিত্তে তেওঁ সদায় আক্ষেপ কৰিছিল। নিজা ঘৰ ঢিঙৰপৰা মাজে-মাজে নগাঁও আৰু গুৱাহাটীলৈ আহি বন্ধু-বান্ধৱক লগ ধৰি তেওঁলোকৰ লগত সাহিত্যৰ কথা আলোচনা কৰিবলৈ ৰত্নকান্তই বৰ ভাল পাইছিল। গুৱাহাটীলৈ আহোঁতে আমাৰ ঘৰতে কেইবাবাৰো আলহী আছিল। তেওঁৰ অ-সংসাৰী ভাব আৰু অবিৰল সাহিত্য-সাধনালৈ ধাউতি দেখি মই বৰ মুগ্ধ হৈছিলোঁ। তেওঁ নিজে নিজকে "বৈৰাগী কৱি" বুলি আখ্যা দিয়াও মনত পৰে।

সাহিত্যৰ প্ৰতি প্ৰবল বাসনা থকা সত্ত্বেও নানান অসুবিধাৰ কাৰণে একাগ্ৰপতীয়াকৈ তেওঁ সাহিত্য সেৱা কৰিব নোৱাৰিলে। তেওঁৰ কৱিতাৰ সংগ্ৰহ "শেৱালী" খনেই হৈছে অসমীয়া সাহিত্যলৈ তেওঁৰ বহুমূলীয়া অৱদান। তেওঁৰ ৰচনাৱলীৰ বিষয়ে যথাযথ আলোচনাৰ সূত্ৰপাত হোৱা দেখি আনন্দ পাইছোঁ।

গুণগ্ৰাহী অসমীয়া সমাজেও তেওঁক আদৰ কৰিবলৈ পাহৰা নাছিল। নাজিৰাত বহা সাহিত্য সভাৰ সভাপতিৰ কাৰণে তেওঁ নিৰ্ব্বাচিত হৈছিল। এই বাতৰি পাই ২৯।৮।১৯৬২ তাৰিখে আনন্দ জনাই মই তেওঁলৈ এখন চিঠি লেখোঁ, এই চিঠি নাজিৰাৰ অধিৱেশনৰ 'স্মৃতি গ্ৰন্থ'ত প্ৰকাশ হৈছে। মূল ইংৰাজী চিঠিখনৰ অসমীয়া ভাঙনি তলত দিয়া হ'ল।

(নগাঁৱৰ আমোলা পটিৰ শ্ৰীৰত্নকান্ত বৰকাকতীলৈ ডঃ সূৰ্য্যকুমাৰ ভূঞাই ১৯৬২ চনৰ ২৯ আগষ্টত লেখা চিঠি:)

কোম্পানী বাগান ৰোড,
গুৱাহাটী, অসম
২৯ আগষ্ট, ১৯৬২

মৰ মৰ বৰকাকতী

আজি পুৱা খবৰকাগজ পঢ়ি তুমি অসম সাহিত্য সভাৰ সভাপতি নিৰ্ব্বাচিত হৈছা বুলি জানি ৰং পালোঁ। আঠৈকুৰি বছৰ ব্যাপী তোমাৰ একনিষ্ঠ সাহিত্য-সেৱাৰ স্বীকৃতি স্বৰূপে এই সন্মান পোৱাত মই তোমাক অভিনন্দন জনালোঁ, গ্ৰহণ কৰিবা।

আমি যে তাহানি স্বৰ্গীয় শ্ৰীহলিৰাম বৰুৱাৰ তলত ঘৰত শিক্ষা পাইছিলোঁ, তৃতীয়জনা ছাত্ৰ আছিল স্বৰ্গীয় শৰৎকুমাৰ বৰদলৈ, ওচৰতে আছিল স্বৰ্গীয় বসন্তকুমাৰ ভূঞা, আৰু শিক্ষা লাভ কৰিছিলোঁ স্বৰ্গীয় চন্দ্ৰকুমাৰ বৰুৱাৰ ঘৰত, - এই সকলোবিলাক কথা মনত এটি-এটিকৈ পৰিবলৈ ধৰিছে। আমি তেতিয়া কিমান সৰু আছিলো! এতিয়া আমি জড়াক্লিষ্ট আৰু সংসাৰৰ বা-বতাহত জীৰ্ণ শীৰ্ণ হলোঁ। সেই ১৯০৪ চনৰ সুখৰ দিন কেইটা আকৌ ওভোতাই আনিব পাৰিলোহেঁতেন যদি! এয়ে জগতৰ গতি!

আশা কৰোঁ তুমি ভালে আছা! মোৰ গা সিমান ভাল নহয়। মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

ইতি

শ্ৰীৰত্নকান্ত বৰকাকতী
আমোলা পটি
নগাঁও, অসম

তোমাৰ মৰমৰ
শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

তাৰ উত্তৰত, ইংৰাজী ১৫।৯।১৯৬২ তাৰিখে ৰত্নকান্ত বৰকাকতীয়ে মোলৈ এইদৰে লেখে,—

"পৰম শ্ৰদ্ধা-প্ৰীতিভাজনেষু, আগন্তুক অসম সাহিত্য সভাৰ সভাপতি নিৰ্ব্বাচনত মোক অভিনন্দিত কৰি দিয়া তোমাৰ ২৯ আগষ্ট তাৰিখৰ অমূল্য চিঠিখনি পোৱা আজি দুসপ্তাহ হৈ গ'ল। সম্প্ৰতি মোৰ শৰীৰ বৰ অসুস্থ, Injection ল'ব লগা হোৱাৰ এটাত ভালেমান দিন ভুগি থকাৰ উপৰিও অলপতে Influenza হৈ বৰ কষ্ট পালোঁ। গতিকে চিঠিৰ উত্তৰ দিয়াত পলম হ'ল। আশাকৰোঁ মোৰ এই অনিচ্ছাকৃত ত্ৰুটী মাৰ্জ্জনা কৰিবা।

"তোমাৰ পত্ৰখনিয়ে আমাৰ সৰুকালৰ সেই ছাত্ৰ-জীৱনৰ স্মৃতিয়ে মোৰ মনো অভিভূত কৰিছে—Our sweetest songs are those that tell of saddest thought—



সবাতোকৈ সুমধুৰ গান সবাতোকৈ দুখৰ কথাই বুলি আৰেগৰ ঢৌ তুলি! এয়ে ঈশ্বৰৰ সৃষ্টি-বৈচিত্ৰ্য।

"অনেক বন্ধু বান্ধৱে মোক বৰ আনন্দ জনাই মোলৈ চিঠি-পত্ৰ দিছে; মোৰ নিজৰ ফালৰপৰা ক'বলৈ হ'লে এই আনন্দটো কিন্তু মোলৈ সিমান প্ৰাণৱন্ত হ'ব পৰা নাই। কাৰণ বসন্ত কালৰ আনন্দটো যদি দুৰ্ঘোৰ শীতত কিম্বা বাৰিষাৰ ধুমুহা-বতাহ ঢেৰেকনিৰ মাজত ল'ব লগাত পৰেগৈ, তেতিয়া সি কিমান প্ৰাণৱন্ত হৈ উঠিব পাৰে বাৰু? এতিয়া যি বানপানীৰ ধ্বংসমূৰ্ত্তি বৰ্ত্তমান, তাতো মই বিধ্বস্ত হৈ পৰিছোঁ বুলিব লাগে, মোৰ মৌজা গোটেইটো পানীৰ তলত, আন কি তালৈ অহা-যোৱা কৰাৰো মুৰ মৰিছে; Bus আদি চলাচল বন্ধ হৈ গৈছে। এতিয়াও এই সৃষ্টি-বৈচিত্ৰ্যৰ বাবে 'ইচ্ছা তমু পূৰ্ণ হ'ক হেৰা দয়াময়' বুলি সেই নঞ্জনাঞ্জনৰ ওপৰতে নিৰ্ভৰ কৰি থকাত বাজে বাৰু আৰু উপায় কি?"

"গা ইমান দুৰ্ব্বল যে সাহিত্য সভাৰ সভাপতিৰ ভাষণত এতিয়ালৈকে হাতকে দিব পৰা নাই। আশা কৰোঁ তোমাৰ সৰ্ব্বতোভাৱে মঙ্গল। মোৰ অন্তৰভৰা শ্ৰদ্ধা-প্ৰীতি গ্ৰহণ কৰা যেন। ইতি,

তোমাৰ—শ্ৰীৰত্নকান্ত বৰকাকতী।"

সাহিত্য সভালৈ যাবৰ সময়ত তেওঁৰ শৰীৰৰ অৱস্থা বৰ বেয়া আছিল। তথাপি তেওঁৰ অদম্য হেঁপাহ হ'ল তালৈ যাবৰ কাৰণে। অসময়তে সাহিত্য সভা এৰি আহি যোৰহাটত তেওঁ চিৰকাললৈ চকু মুদিলে। এইদৰে সাহিত্যিক কৱি ৰত্নকান্ত বৰকাকতীৰ জীৱনৰ সামৰণি পৰিল। তেওঁৰ আত্মাৰ সদগতি কামনা কৰিলোঁ।

---

# ওপৰঞ্চি

( স্বৰ্গীয় শ্ৰীৰত্নকান্ত বৰকাকতীৰ
বিয়োগ-সংক্ৰান্তত ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ টোকা )

মোৰ পুৰণি বন্ধু শ্ৰীৰত্নকান্ত বৰকাকতীৰ আকস্মিকভাৱে জীৱনাৱসান হোৱা শুনি গভীৰ শোক পালোঁ। ১৯০৪ চনত আমি দুয়ো নগাঁৱৰ ফৌজদাৰী পটিত ঘৰুৱা শিক্ষক শ্ৰীহলিৰাম বৰুৱা দেৱৰ গুৰিত একেলগে শিক্ষালাভ কৰিছিলোঁ। আমাৰ লগত বিখ্যাত অভিনেতা আৰু নাট্যকাৰ শ্ৰীসাৰদাকান্ত বৰদলৈৰ সহোদৰ শ্ৰীশৰৎকুমাৰ বৰদলৈয়ো আছিল। তেতিয়াই আমাৰ ভিতৰত ঘনিষ্ট সৌহাৰ্দ্দ উপজিল আৰু সেই সৌহাৰ্দ্দ শেষ মুহূৰ্ত্তলৈকে সঞ্জীৱিত আছিল। আন কি আমাৰ তেৰৰ পৰা উনৈছ বছৰ বয়সৰ আদিকাল ছোৱাতে আমি সাহিত্যিক জীৱন-যাপনৰ স্বপ্ন সৰ্ৰটি লৈছিলোঁ, আৰু সেই সময়তেই আমি আমাৰ কৱিতা চৰ্চ্চাৰ পাতনি মেলিছিলোঁ। সাহিত্যৰ প্ৰসঙ্গত আমাৰ আলোচনাও আছিল ভালেমান। যেতিয়াই মই নগাঁৱলৈ যাওঁ বৰকাকতীক তেওঁৰ আমোলাপটিৰ ঘৰটোত লগপোৱাটো মোৰ ধৰাবন্ধা নিয়ম আছিল, য'ত তেওঁ মোক সকলো সহৃদয়তা আৰু মৰমেৰে আগবঢ়াই নিছিল। তেওঁ মৌজাদাৰৰ বিষয়টো চলাব লগীয়া হৈছিল। আৰু তেওঁ সদায় দুখ প্ৰকাশ কৰি কয় যে সাংসাৰিক জঞ্জালে তেওঁক একাগ্ৰ সাহিত্য সাধনাৰবাবে অনুকূল অৱকাশ আৰু সুবিধা নিদিয়ে। কিন্তু তেওঁ যি অলপ লেখি গ'ল, বিশেষকৈ তেওঁৰ কৱিতাসমূহ, সেইবোৰ চিন্তা আৰু আত্মপ্ৰকাশৰ মণি-মুকুতা। তেওঁৰ দেশবাসীয় সাহিত্য সাধকৰ প্ৰাপ্য সৰ্ব্বোচ্চ সন্মান তেওঁক দিলে। এইটো হৈছে অসম সাহিত্যসভাৰ সভাপতিৰ পদ। সেই অধিবেশনত তেওঁ দিয়া অভিভাষণে তেওঁৰ অগাধ পাণ্ডিত্য আৰু পঠনশীলতাৰ পৰিচয় দিয়ে আৰু অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ অপৰিসীম ভালপোৱাৰ সূচনা কৰে। তেওঁ নাজিৰা অধিবেশনত যোগ দিয়াৰ জোখাৰে স্বাস্থ্যৱন্ত নাছিল। কিন্তু একান্ত কৰ্ত্তব্যবোধে তেওঁক সেই উৎসৱ সশৰীৰে যোগদান দিয়াৰলৈ উদগনি যোগালে। তেওঁ সাফল্য-বৈজয়ন্তীৰ কোলাতে মূৰ দি চকু মুদিলে আৰু তেওঁ যি শূন্যতাৰ সৃষ্টি কৰিলে তাক পূৰ্ণ কৰাটো কঠিন হ'ব। অসমীয়া সাহিত্যৰ প্ৰতি অতিশয় অনুৰক্তিৰ প্ৰতিচ্ছবি স্বৰূপে তেওঁৰ নাম অবিস্মৰণীয় হৈ থাকিব, লগত অসম সাহিত্য সভাৰ প্ৰতি তেওঁৰ দুৰ্জ্জয় প্ৰেমৰ বাবেও। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক!

সূৰ্য্যকুমাৰ ভূঞা

লা চেনিয়াৰ
ছিলং
২৩ এপ্ৰিল, ১৯৬৩

( ১৯৬৩ চনত ২৬ এপ্ৰিল, আসাম ট্ৰিবিউনত প্ৰকাশিত )

---

# বড়ো-কছাৰি জাতিৰ দৰ্শন

( পূৰ্ব্বানুবৃত্তি )

শ্ৰীৰাজমোহন নাথ

**ডিমাপুৰ আৰু কাছমাৰি :—**

আগতে ডিমাপুৰ আৰু কাছমাৰি পথাৰত থকা প্ৰাচীনকলীয়া কছাৰি ৰাজ্যৰ শিলৰ ভাস্কৰ্য্যৰ কথা উল্লেখ কৰা হৈছে। দুয়োখন ঠাই শিৱসাগৰ জিলাৰ গোলাঘাট মহকুমাৰ পূব-দক্ষিণ অঞ্চলত-নগা-পৰ্ব্বত শ্ৰেণীৰ পাদদেশত অৱস্থিত। কাছমাৰি পথাৰ সৰু-পথাৰ ৰেলষ্টেছন আৰু ডিমাপুৰ মণিপুৰ ৰোড ষ্টেছনৰ ওচৰত। ডিমাপুৰ ধনশিৰি নৈৰ দক্ষিণত আৰু কাছমাৰি পথাৰ দৈয়াং নৈৰ উত্তৰত।

ত্ৰিপুৰাৰ ৰাজমালা মতে ত্ৰিপুৰা ৰাজ্যৰ উত্তৰ সীমা আছিল নগাঁও জিলাৰ কপিলী-উপত্যকাৰ তুয়ঙ্গ বা দৈয়াং নদী, আৰু ত্ৰিপুৰা ৰাজ্যৰ উত্তৰত আছিল হেড়ম্বেশ্বৰ কছাৰি ৰজাৰ ৰাজ্য। গতিকে অনুমান হয়, সেই সময়ত ( খ্ৰীঃ পূঃ পঞ্চদশ শতিকা মানত ) ডিমাপুৰ আৰু কাছমাৰি পথাৰ কছাৰি ৰজাৰ হাউলি আছিল। অনুমান হয়,-তাৰে এখন আছিল ৰজাৰ আৰু আনখন আছিল যুৱৰাজৰ হাউলি।

আগতে কোৱা হৈছে যে, আহোম বুৰঞ্জীৰ যুগতো ডিমাপুৰ ইটা নগৰী বা লক্ষ্মীন্দ্ৰপুৰ নামে-কছাৰি ৰজাৰ নগৰ আছিল ; কিন্তু ই খৃষ্টাব্দ ষোড়শ শতিকা মানৰ কথা। ডিমাপুৰ নগৰৰ ইটাৰ দেৱাল আৰু খিলানৰ স্থাপত্য অৱশ্যে ষোড়শ শতিকামানৰ, কিন্তু শিলৰ ভাস্কৰ্য্যবোৰ বহু প্ৰাচীন। এই ভাস্কৰ্য্যবোৰৰ কাৰুকাৰ্য্য আৰু গঠন-প্ৰণালী আপুৰুগীয়া ; পৃথিৱীৰ আন কোনো ঠাইত অবিকল এনে ধৰণৰ ভাস্কৰ্য্য ওলোৱা নাই বুলি, গঠন প্ৰণালীৰপৰা ইয়াৰ সময় নিৰ্ণয় কৰা টান। ডিমাপুৰৰ পঁচিছ মাইলমান পছিমত, সৰু পথাৰৰ প্ৰায় ওচৰত দেওপানী নৈৰ পাৰত খৃষ্টাব্দৰ নৱম শতিকামানৰ ভাস্কৰ্য্যৰ নিদৰ্শন—শিলৰ দুৰ্গা, বিষ্ণু আৰু আন দেৱ-দেৱীৰ ভালেমান মূৰ্ত্তি পোৱা গৈছে। দুৰ্গা-মূৰ্ত্তি চতুৰ্ভুজা, বৰ ওখ আৰু ডাঙৰ ; দুয়োপিনে জয়া-বিজয়া আৰু কাৰ্ত্তিক-গণেশৰ মূৰ্ত্তি ; তলত সিংহ আৰু মহিষাসুৰ নাই। অবিকল একে ধৰণৰ আৰু একেই গঠন প্ৰণালীৰ-অৰ্থাৎ একেই সময়ৰ এটি শিলৰ দুৰ্গা মূৰ্ত্তি ডিমাপুৰ-ৰাজ-হাউলিৰ ওচৰত মাটিৰ হাফলু খান্দোতে ১৯৪৩ ইংৰাজী চনত পোৱা গৈছে ( গৌৰৱ-ময়-অসম-চিত্ৰফলি-২১ )। দেৱপানীৰ দৈধ্য মাইলমান উত্তৰ-পছিমত বৰপথাৰ ষ্টেছনৰ ওচৰত দুৱৰাণী নামৰ ঠাইত খৃষ্টীয় অষ্টম শতিকামানৰ কিছুমান শিলৰ ভাস্কৰ্য্য পোৱা গৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে—গোলাঘাট মহকুমাৰ পূব-দক্ষিণ অঞ্চলত আহোম যুগৰ বহুত আগত যুগ যুগ ধৰি শিলৰ-ভাস্কৰ্য্য-পাৰ্গত উন্নত কৃষ্টিসম্পন্ন কোনো জাতিৰ ৰাজ্য আছিল।

ডিমাপুৰ নামৰ তাৎপৰ্য্য আগতে ব্যাখ্যা কৰা হৈছে। কছাৰি জাতিৰ হিড়িম্বা বা ইড়মাদেৱী আৰু হিন্দুৰ মহামায়া-গৌৰী-দুৰ্গা এক আৰু অভিন্ন, আৰু তেওঁৰ নামানুসৰি ডিমাপুৰ নগৰৰ নামকৰণ কৰা হৈছে। ডিমাপুৰত পোৱা দুৰ্গা মূৰ্ত্তিৰদ্বাৰা এই অনুমান আৰু ভালকৈ সপ্ৰমাণিত হয়। ডিমাপুৰৰ ওচৰত ধনশিৰি নৈৰ পাৰত লম্বোদৰ নামে এখন কছাৰি গাঁও আছে। সেই গাঁৱত গণেশ-দেৱতাৰ শিলৰ বৰ ডাঙৰ এটা প্ৰাচীনকলীয়া মূৰ্ত্তি আছে। গণেশৰ আন এটা নাম লম্বোদৰ ; দেৱতাৰ নামানুসৰি গাঁৱৰ নামকৰণ কৰা হৈছে।

# ওপৰাঞ্চি

(স্বৰ্গীয় শ্ৰীৰত্নকান্ত বৰকাকতীৰ
বিয়োগ-সংক্ৰান্তত ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ টোকা)

মোৰ পুৰণি বন্ধু শ্ৰীৰত্নকান্ত বৰকাকতীৰ আকস্মিকভাৱে জীৱনাৱসান হোৱা শুনি গভীৰ শোক পালোঁ। ১৯০৪ চনত আমি দুয়ো নগাঁৱৰ ফৌজদাৰী পটিত থকা শিক্ষক শ্ৰীহলিৰাম বৰুৱা দেৱৰ ওৰিত একেলগে শিক্ষালাভ কৰিছিলোঁ। আমাৰ লগত বিখ্যাত অভিনেতা আৰু নাট্যকাৰ শ্ৰীসাৰদাকান্ত বৰদলৈৰ সহোদৰ শ্ৰীশৰৎকুমাৰ বৰদলৈয়ো আছিল। তেতিয়াই আমাৰ ভিতৰত ঘনিষ্ঠ সৌহাৰ্দ্দ উপজিল আৰু সেই সৌহাৰ্দ্দ শেষ মুহূৰ্ত্তলৈকে সঞ্জীৱিত আছিল। আন কি আমাৰ তেৰৰ পৰা উনৈছ বছৰ বয়সৰ আদিকাল ছোৱাতে আমি সাহিত্যিক জীৱন-যাপনৰ স্বপ্ন সৰুটি লৈছিলোঁ, আৰু সেই সময়তেই আমি আমাৰ কবিতা চৰ্চ্চাৰ পাতনি মেলিছিলোঁ। সাহিত্যৰ প্ৰসঙ্গত আমাৰ আলোচনাও আছিল ভালেমান। যেতিয়াই মই নগাঁৱলৈ যাওঁ বৰকাকতীক তেওঁৰ আমোলাপটিৰ ঘৰটোত লগপোৱাটো মোৰ ধৰাবন্ধা নিয়ম আছিল, য'ত তেওঁ মোক সকলো সহৃদয়তা আৰু মৰমেৰে আগবঢ়াই নিছিল। তেওঁ মৌজাদাৰৰ বিষয়টো চলাব লগীয়া হৈছিল। আৰু তেওঁ সদায় দুখ প্ৰকাশ কৰি কয় যে সাংসাৰিক জঞ্জালে তেওঁক একাগ্ৰ সাহিত্য সাধনাৰবাবে অনুকূল অৱকাশ আৰু সুবিধা নিদিয়ে। কিন্তু তেওঁ যি অলপ লেখি গ'ল, বিশেষকৈ তেওঁৰ কবিতাসমূহ, সেইবোৰ চিন্তা আৰু আত্মপ্ৰকাশৰ মণি-মুকুতা। তেওঁৰ দেশবাসীয় সাহিত্য সাধকৰ প্ৰাপ্য সৰ্ব্বোচ্চ সন্মান তেওঁক দিলে। এইটো হৈছে অসম সাহিত্যসভাৰ সভাপতিৰ পদ। সেই অধিবেশনত তেওঁ দিয়া অভিভাষণে তেওঁৰ অগাধ পাণ্ডিত্য আৰু পঠনশীলতাৰ পৰিচয় দিয়ে আৰু অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ অপৰিসীম ভালপোৱাৰ সূচনা কৰে। তেওঁ নাজিৰা অধিবেশনত যোগ দিয়াৰ জোখাৰে স্বাস্থ্যৱন্ত নাছিল। কিন্তু একান্ত কৰ্ত্তব্যবোধে তেওঁক সেই উৎসৱ সশৰীৰে যোগদান দিয়াৰলৈ উদগনি যোগালে। তেওঁ সাফল্য-বৈজয়ন্তীৰ কোলাতে মূৰ দি চকু মুদিলে আৰু তেওঁ যি শূন্যতাৰ সৃষ্টি কৰিলে তাক পূৰ্ণ কৰাটো কঠিন হ'ব। অসমীয়া সাহিত্যৰ প্ৰতি অতিশয় অনুৰক্তিৰ প্ৰতিচ্ছবি স্বৰূপে তেওঁৰ নাম অবিস্মৰণীয় হৈ থাকিব, লগত অসম সাহিত্য সভাৰ প্ৰতি তেওঁৰ দুৰ্জ্জয় প্ৰেমৰ বাবেও। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক!

সূৰ্য্যকুমাৰ ভূঞা

লা চেনিয়াৰ
ছিলং
২৩ এপ্ৰিল, ১৯৬৩

(১৯৬৩ চনত ২৬ এপ্ৰিল, আসাম ট্ৰিবিউনত প্ৰকাশিত)

---

# বড়ো-কছাৰি জাতিৰ দৰ্শন

(পূৰ্ব্বানুবৃত্তি)

শ্ৰীৰাজমোহন নাথ

## ডিমাপুৰ আৰু কাছমাৰি :—

আগতে ডিমাপুৰ আৰু কাছমাৰি পথাৰত থকা প্ৰাচীনকলীয়া কছাৰি ৰাজ্যৰ শিলৰ ভাস্কৰ্য্যৰ কথা উল্লেখ কৰা হৈছে। দুয়োখন ঠাই শিৱসাগৰ জিলাৰ গোলাঘাট মহকুমাৰ পূব-দক্ষিণ অঞ্চলত-নগা-পৰ্ব্বত শ্ৰেণীৰ পাদদেশত অৱস্থিত। কাছমাৰি পথাৰ সৰুপথাৰ ৰেলষ্টেছন আৰু ডিমাপুৰ মণিপুৰ ৰোড ষ্টেছনৰ ওচৰত। ডিমাপুৰ ধনশিৰি নৈৰ দক্ষিণত আৰু কাছমাৰি পথাৰ দৈয়াং নৈৰ উত্তৰত।

ত্ৰিপুৰাৰ ৰাজমালা মতে ত্ৰিপুৰা ৰাজ্যৰ উত্তৰ সীমা আছিল নগাঁও জিলাৰ কপিলী-উপত্যকাৰ তুয়ঙ্গ বা দৈয়াং নদী, আৰু ত্ৰিপুৰা ৰাজ্যৰ উত্তৰত আছিল হেড়ম্বেশ্বৰ কছাৰি ৰজাৰ ৰাজ্য। গতিকে অনুমান হয়, সেই সময়ত (খৃঃ পূঃ পঞ্চদশ শতিকা মানত) ডিমাপুৰ আৰু কাছমাৰি পথাৰ কছাৰি ৰজাৰ হাউলি আছিল। অনুমান হয়,-তাৰে এখন আছিল ৰজাৰ আৰু আনখন আছিল যুৱৰাজৰ হাউলি।

আগতে কোৱা হৈছে যে, আহোম বুৰঞ্জীৰ যুগতো ডিমাপুৰ ইটা নগৰী বা লক্ষ্মীন্দ্ৰপুৰ নামে-কছাৰি ৰজাৰ নগৰ আছিল, কিন্তু ই খৃষ্টাব্দ ষোড়শ শতিকা মানৰ কথা। ডিমাপুৰ নগৰৰ ইটাৰ দেৱাল আৰু খিলানৰ স্থাপত্য অৱশ্যে ষোড়শ শতিকামানৰ, কিন্তু শিলৰ ভাস্কৰ্য্যবোৰ বহু প্ৰাচীন। এই ভাস্কৰ্য্যবোৰৰ কাৰুকাৰ্য্য আৰু গঠন-প্ৰণালী আপুৰুগীয়া; পৃথিৱীৰ আন কোনো ঠাইত অবিকল এনে ধৰণৰ ভাস্কৰ্য্য ওলোৱা নাই বুলি, গঠন প্ৰণালীৰপৰা ইয়াৰ সময় নিৰ্ণয় কৰা টান। ডিমাপুৰৰ পঁচিছ মাইলমান পছিমত, সৰুপথাৰৰ প্ৰায় ওচৰত দেওপানী নৈৰ পাৰত খৃষ্টাব্দৰ নৱম শতিকামানৰ ভাস্কৰ্য্যৰ নিদৰ্শন—শিলৰ দুৰ্গা, বিষ্ণু আৰু আন দেৱ-দেৱীৰ ভালেমান মূৰ্ত্তি পোৱা গৈছে। দুৰ্গা-মূৰ্ত্তি চতুৰ্ভুজা, বৰ ওখ আৰু ডাঙৰ; দুয়োপিনে জয়া-বিজয়া আৰু কাৰ্ত্তিক-গণেশৰ মূৰ্ত্তি; তলত সিংহ আৰু মহিষাসুৰ নাই। অবিকল একে ধৰণৰ আৰু একেই গঠন প্ৰণালীৰ-অৰ্থাৎ একেই সময়ৰ এটি শিলৰ দুৰ্গা মূৰ্ত্তি ডিমাপুৰ-ৰাজ-হাউলিৰ ওচৰত মাটিৰ হাফলু খান্দোতে ১৯৪৩ ইংৰাজী চনত পোৱা গৈছে (গৌৰৱময়-অসম-চিত্ৰফলি-২১)। দেৱপানীৰ চৈধ্য মাইলমান উত্তৰ-পছিমত বৰপথাৰ ষ্টেছনৰ ওচৰত দুৱৰাণী নামৰ ঠাইত খৃষ্টীয় অষ্টম শতিকামানৰ কিছুমান শিলৰ ভাস্কৰ্য্য পোৱা গৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে—গোলাঘাট মহকুমাৰ পূব-দক্ষিণ অঞ্চলত আহোম যুগৰ বহুত আগত যুগ যুগ ধৰি শিলৰ-ভাস্কৰ্য্য-পাৰ্গত উন্নত কৃষ্টিসম্পন্ন কোনো জাতিৰ ৰাজ্য আছিল।

ডিমাপুৰ নামৰ তাৎপৰ্য্য আগতে ব্যাখ্যা কৰা হৈছে। কছাৰি জাতিৰ হিড়িম্বা বা ইড়মাদেৱী আৰু হিন্দুৰ মহামায়া-গৌৰী-দুৰ্গা এক আৰু অভিন্ন, আৰু তেওঁৰ নামানুসৰি ডিমাপুৰ নগৰৰ নামকৰণ কৰা হৈছে। ডিমাপুৰত পোৱা দুৰ্গা মূৰ্ত্তিৰদ্বাৰা এই অনুমান আৰু ভালকৈ সপ্ৰমাণিত হয়। ডিমাপুৰৰ ওচৰত ধনশিৰি নৈৰ পাৰত লম্বোদৰ নামে এখন কছাৰি গাঁও আছে। সেই গাঁৱত গণেশ-দেৱতাৰ শিলৰ বৰ ডাঙৰ এটা প্ৰাচীনকলীয়া মূৰ্ত্তি আছে। গণেশৰ আন এটা নাম লম্বোদৰ; দেৱতাৰ নামানুসৰি গাঁৱৰ নামকৰণ কৰা হৈছে।

**কাছমাৰি পথাৰ** :—সাধাৰণ অৰ্থ হল—যি পথাৰত কাছ মৰা হৈছিল। কাছ এবিধ জলচৰ জীৱ ; নদী, পুখুৰী, খাল, বিল আদিত ওপজে আৰু মাছৰ দৰে তাতেই চৰি ফুৰে ; সাধাৰণতে গৰু-ম'হ-ছাগলীৰ দৰে মাটিত নুফুৰে। বানপানীৰ সময়ত কেতিয়াবা দুই-চাৰিটা বামত উঠি পথভ্ৰষ্ট হৈ ফুৰিব পাৰে, আৰু তেতিয়া পথাৰৰ খেতিয়কে তাক মাৰিব পাৰে। কিন্তু কাছমাৰি পথাৰখন ওখ ঠাই, দৈয়াং নৈখনো পথাৰৰ পৰা ভালেমান আঁতৰত। দৈয়াং নৈখন আকৌ খৰস্ৰোতা পৰ্ব্বতীয়া নৈ ; ডাঙৰ বিধ কাছ সাধাৰণতে এনে ধৰণৰ নৈত নাথাকে। গতিকে কাছনামৰ জন্তু বামত পাই বধ কৰাৰ কাৰণে বৰ ডাঙৰ আৰু আহল-বহল পথাৰখনৰ নাম কাছমাৰি পথাৰ হৈছিল, আৰু প্ৰাচীনকলীয়া কছাৰি ৰজায়ো সেই অনুসৰি নিজৰ নগৰৰ নামকৰণ কৰিছিল, এনে ধৰণৰ কল্পনা বৰ টনা-আঁজোৰা যেন লাগে।

কাছৰ সংস্কৃত প্ৰতিশব্দ – কূৰ্ম্ম, কচ্ছপ, কশ্-শপ। কাছৰ পিঠিখন ধেনুভিৰীয়া, ভাঁজ-ঘৰৰ চাল বা আকাশৰ আকৃতিৰ দৰে। কাছৰ স্বভাৱ হল—চলোঁতে-ফুৰোঁতে বা আহাৰ-বিহাৰ কৰোঁতে-ডিডি-মুখ আৰু হাত ভৰি বাহিৰলৈ মেলি দিয়া, কিন্তু অৱসৰ সময়ত প্ৰতিটো অঙ্গ কোঁচাই নিজৰ দেহাৰ ভিতৰত সুমুৱাই থোৱা, এই আচৰণটো বিশ্ব-ব্ৰহ্মাণ্ড-স্ৰজনকৰ্ত্তা স্বয়ম্ভু পৰমাত্মাৰ আচৰণৰ লগত মিলি যায়। সৃষ্টিৰ সময়ত সকলো মুক্ত কৰি বাহিৰৰ পিনে মেলি দিয়ে –"পৰাঞ্চি খানি ব্যতৃণোৎ", আকৌ প্ৰলয়ত সকলো কোঁচাই নিজৰ ভিতৰত সামৰি লয় "প্ৰত্যগাত্মানমৈক্ষৎ" ( কঠোপনিষদ )। জীৱৰ প্ৰাণৰো একেই অৱস্থা। সেই কাৰণে শতপথ ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থত কোৱা হৈছে – "কশ্যপো বৈ কূৰ্ম্মঃ আদিত্যঃ প্ৰাণো বৈ কূৰ্ম্মঃ" ( ৭।৫।১।১-৮ ) – কশ্যপ ( কশ্‌শপ, কচ্ছপ ) কূৰ্ম্ম ( কাছ ), আদিত্য ( সূৰ্য্য ), কূৰ্ম্মই প্ৰাণ। আগতে কোৱা হৈছে যে, বেদান্ত দৰ্শন মতে ব্ৰহ্ম, আকাশ আৰু প্ৰাণ একেই সূক্ষ্মাৰ্থবাচক। প্ৰাণ কূৰ্ম্ম, আকাশ কূৰ্ম্ম; কশ্যপ আকাশৰ অধিপতি কাশ্যপ, কাশ্যপৰ পুত্ৰ সূৰ্য্য "কাশ্যপেয়ো মহাদ্যুতিঃ"। গতিকে কশ্‌শপ, কচ্ছপ বা কাছ শব্দৰ অৰ্থ আকাশ।

কাছ-মা = আকাশ-মাতৃ ; আকাশ-মাতৃ কাশ্যপৰ পত্নী—অদিতি, তেওঁ দেৱতাসকলৰ মাতৃ বুলি সাধাৰণতে মাতৃ বা মা বুলি জনাজাত। বিশাল আকাশ বিয়পি থকা অখণ্ডা-প্ৰকৃতি শক্তিৰ নাম অদিতি মাতৃ তেওঁ আকাশ-মাতৃ বা কাছ-মা। অদিতি সম্পৰ্কে ঋগ্বেদত কোৱা হৈছে—

"অদিতিৰ্দ্যৌ ৰদিতিৰন্তৰিক্ষমদিতিৰ্মাতা",
( ঋ ১।৮৯।১০ )

অখণ্ড-অদিতি মাতৃৰ মাজত ( মাতৰি ) সদায় ওতপ্ৰোত ভাৱেৰে জড়িত হৈ আছে যি তেজ বা প্ৰাণশক্তি, তাৰ নাম মাতৰিশ্বা। বেদ আৰু উপনিষদত মাতৰিশ্বা শব্দৰ অৰ্থ মুখ্যপ্ৰাণ, অগ্নি।

প্ৰাচীন কালত মধ্যপ্ৰাচ্যত Scythian নামে এটি বৰ পৰাক্ৰান্ত যুজাৰু জাতি আছিল ; তেওঁলোকৰ নাৰী-পুৰুষ সকলোৱেই পৰম-সাহসী যোদ্ধা আছিল। কোনো কোনো পণ্ডিতৰ মতে পছিম ভাৰতৰ ৰাজপুত জাতি সেই Scythian জাতিৰ এটা ফৈদ। নামটো ছাই ( শাহী = ৰাজ্ঞী, গৰাকিনী ), থিচ (স্বৰ্গ, আকাশ বাচক ; ছাই-থিচ্ = আকাশৰ গৰাকিনী = কাছ-মা = অদিতি = মহামায়া। ছাইথিচৰ উপাসকসকল ছাই-থিচিয়ান = Scythian.

'আৰি' শব্দৰ অৰ্থ আগতে ব্যাখ্যা কৰা হৈছে প্ৰাথমিক জ্যোতিঃ বা অগ্ৰজ্যোতিঃৰ বিকাশ বিস্তৃতিৰ নাম 'আৰি' ; আৰিৰ উপাসকসকল আৰিয়া বা আৰ্য্য। এই ধৰণে 'কাছ-আৰি' আকাশৰ প্ৰাথমিক জ্যোতিঃৰ বিস্তৃতি – কাছাৰি নিজেই সেই জ্যোতিঃৰ বিকাশ স্বৰূপ। অগ্ৰ বা প্ৰাথমিক জ্যোতিৰ বিস্তৃতি হল উষাৰ আলোক, এপিনে এন্ধাৰ আঁতৰিবলৈ আৰু আন পিনে সূৰ্য্যৰ উদয় হবলৈ যো-জা হৈছে,—এই সন্ধিক্ষণৰ অৰ্থাৎ ব্ৰাহ্মমুহূৰ্ত্তৰ পোহৰ। ই শুদ্ধ জ্যোতিঃ। মানুহৰ জ্ঞানৰ শুদ্ধ ৰূপকো কোৱা হয়—"পূৰ্ব্বৰূপং বিবেকজজ্ঞানস্য উষা যথা ৰবেঃ" ( যোগকাৰিকা )।

গতিকে কাছমাৰি পথাৰৰ অৰ্থ হল—যি পথাৰত আকাশ-মাতৃৰ প্ৰাথমিক জ্যোতিঃ অৰ্থাৎ উষাৰ ঝলক বিকশিত হৈছে। কাছমাৰি পথাৰৰ ভৌগোলিক অৱস্থান এই ব্যাখ্যাৰ সহায়ক।

ভাস্কৰ্য্য-বিশ্লেষণ :—আগতে কোৱা হৈছে যে, পাশ্চাত্য পণ্ডিতসকলে দুফলীয়া স্তম্ভক স্ত্ৰী-অঙ্গ আৰু গোল-স্তম্ভক পুৰুষাঙ্গৰ প্ৰতীক বুলি কল্পনা কৰিছে। তেওঁলোকে গোলস্তম্ভক কাঠ-ফুলা ( Mush-room ) আৰু দবা-গুটি ( Chess-man ) স্তম্ভ বুলিও কয়। অৰ্থাৎ তেওঁলোকে এই স্তম্ভবোৰৰ তত্ত্ব একোৱেই ভাঙিব পৰা নাই।

এগৰাকী নাৰীয়ে মূৰটো মাটিত থাপি ভৰি দুখন ওপৰপিনে দাঙি মেলি দিলে যি অৱস্থা হয়, সিয়েই হল দুফলীয়া স্তম্ভৰ আকৃতি। স্তম্ভৰ দুটা ফাল হব ভৰি, আৰু দুয়োৰ সন্ধিস্থলত থাকিব তেওঁৰ জননাঙ্গ। কিন্তু ডিমাপুৰৰ স্তম্ভত জননাঙ্গ নাই। মহেঞ্জদৰোৰ এটা চিলমোহৰত এনে ধৰণৰ নাৰী-চিত্ৰ এটা আছে। তেওঁৰ জননাঙ্গৰপৰা শস্য-গছ গজিছে। ই পৃথিৱীদেৱীৰ চিত্ৰ। কিন্তু ডিমাপুৰৰ চিত্ৰত তেনেকুৱা একো নাই। অধিকন্তু দুয়ো ফালে মেল খাই থকা দুটা ফালত পদ্ম, চক্ৰ, পখী আদিৰ চিত্ৰ আছে। নাৰীযোনি হলে এইবোৰ কিয় ?

গোল-স্তম্ভ যদি পুৰুষাঙ্গৰ প্ৰতীক হয়, তেনে হলে তিনটা স্তৰ ভাগকৈ প্ৰতিটো স্তৰত খাঁজ-



পট্টি কটাৰ কি অৰ্থ হব পাৰে ? পুৰুষাঙ্গ হলে তাত এটা সিৰা থাকিব লাগিছিল, টপা মূৰটোও সম্পূৰ্ণ ঘূৰণীয়া নহৈ ক্ৰম-সূক্ষ্ম হব লাগিছিল। যিজন শিল্পীয়ে এনে ডাঙৰ শিল কাটি কাৰুকাৰ্য্য কৰিব পাৰিছিল, তেওঁৰ নিশ্চয় পুৰুষ আৰু নাৰীৰ জননেন্দ্ৰিয়ৰ গঠন প্ৰণালী সম্পৰ্কে পূৰ্ণ জ্ঞান আছিল। গতিকে ডাঠি ক'ব পাৰি যে কাছমাৰি পথাৰ আৰু ডিমাপুৰৰ স্তম্ভবোৰত নাৰী-পুৰুষৰ জননেন্দ্ৰিৰ প্ৰতীকৰ চিন চাব একোৱেই নাই। চাহাবে আছে বুলি কলেই যে আমিও হয় ভৰ দিব লাগে—তাৰ কোনো অৰ্থ নাই।

দুফলীয়া স্তম্ভ : অতি প্ৰাচীন কালত প্ৰাক্ বৈদিক যুগত গোটেই প্ৰাচ্য দেশত 'ভগ' নামে এজন শ্ৰেষ্ঠ দেৱতা আছিল। বৈদিক ব্ৰাহ্মণ-সাহিত্য মতে "ভগঃ শ্ৰেষ্ঠিদেৱানাম্"। মধ্য প্ৰাচ্যৰ বিভিন্ন দেশত তেওঁ ভগ, বগ, বগ্, বগাই আদি নামে জনাজাত আছিল। তেওঁ শিশু কাঠৰ ৰথত উঠি আকাশৰ পৰা তললৈ নামি আহে, আৰু মাতৃগৰ্ভত থকা শিশুৰ তালু ফুটাকৈ ( ভঞ্জ ) তাৰ ভিতৰলৈ সোমাই ওলোটা হৈ ( ওপৰমুৱা ) ৰমি ( ভঞ্জ ) থাকে। "স এতৎসীমানং বিদাৰ্য্য এতয়া দ্বাৰা প্ৰাপদ্যত" ( ঐতৰেয়োপনিষদ ) তেওঁ নাৰী-পুৰুষৰ সম্মিলন কৰোঁতা আৰু সন্তানৰ সৃষ্টিকৰোঁতা ; তেওঁ ধন-সম্পত্তি, সুখ-ভাগ্যাদিৰ বিধাতা। তেওঁ আছিল বিশেষকৈ কুমাৰীসকলৰ উপাস্যদেৱতা। গান কীৰ্ত্তনৰদ্বাৰা তেওঁৰ উপাসনা কৰা হৈছিল। লোকে আলিবাটেদি সমদলে ভগদেৱতাৰ গান গাই কীৰ্ত্তন কৰি ফুৰিছিল।

'ভগ' শব্দটো ভঞ্জ ধাতুৰপৰা ওলোৱা ; অৰ্থ বিদাৰণ কৰা আৰু ভোগ কৰা। বিদাৰণ কৰোঁতা আৰু বিদাৰিত হোৱা উভয়ে সমান আনন্দৰ উপভোগী

যি জনে ভঞ্জ বা বিদাৰণ কৰি জীৱদেহাত প্ৰৱিষ্ট হোৱাৰ সামৰ্থ্য ৰাখে, তেওঁ ভগৱান্। জীৱদেহাত প্ৰৱিষ্ট হৈ তেওঁ ৰমণ কৰে, আৰু তেওঁৰ ৰমণত মতলীয়া হৈ জীৱই সংসাৰ ভোগ কৰে। তেতিয়া তেওঁ নাথ আৰু ভগৱান্ আৰু জীৱ নাথৱন্ত আৰু ভগৱন্ত।

ওপৰৰপৰা কোনো শক্তিমান্ বস্তু তললৈ নামি আহোঁতে ইংৰাজী V আখৰৰ আকৃতিত নামি আহে। পৃথিৱীৰ ওপৰত কোনো পদাৰ্থত বা ভাণ্ডত পৰোতে ই উলটি গৈ Λ আকৃতি লয়। গাইৰ দেহৰপৰা গাখীৰ নামি অহাৰ বাট ওহাৰ থনৰ আকৃতি V আখৰৰ দৰে; খীৰালে যেতিয়া বাটৰপৰা গাখীৰ ভাণ্ডত পৰে, তেতিয়া তাৰ বেগৰ আকৃতি Λ নিচিনা হয়। একে দৰে জীৱ সৃষ্টিৰ সময়ত আকাশৰপৰা নামি আহোতে ভগদেৱতাৰ বেগৰ আকৃতি V, আৰু সৃষ্ট জীৱদেহাৰ মাজত জীৱৰূপে তেওঁৰ আকৃতি Λ.

প্ৰথম তলমুৱা ত্ৰিভুজাকৃতি চুফলীয়া ৰূপটো পুৰুষ, শিৱ, Positive, Static; দ্বিতীয় উৰ্দ্ধমুৱা ত্ৰিভুজাকৃতি ৰূপটো প্ৰকৃতি, শক্তি, Negative, Dynamic—বাস্তৱ সৃষ্টি, বা বাস্তৱ প্ৰজনন। চীনদেশৰ ভাষাত দ্বিতীয় বিধৰ আখৰটোৰ নাম জেন্ (Zen) বা জান্ (nZan), অৰ্থ—মানুহ, জীৱ।

তেনেহলে, ডিমাপুৰ আৰু কাছমাৰিৰ চুফলীয়া শিলৰ স্তম্ভবোৰ প্ৰাচীন কালৰ শ্ৰেষ্ঠ গণ-দেৱতা 'ভগ'ৰ প্ৰতীক বুলি ধৰাটোৱেই যুগুত।

গোল-স্তম্ভ:—চীনদেশৰ জেন্ বা জান্ মানুহ বা জীৱবাচক; ভগদেৱতা জীৱদেহত প্ৰবিষ্ট হোৱাৰ পিছত তেওঁৰ গতি উলটি যে ৰূপ হৈছে, সিয়েই মানুহ বা জীৱ মাতৃগৰ্ভত থকা প্ৰাণধাৰী শিশু। উৰ্দ্ধ-মুৱা ত্ৰিভুজ তাৰ শক্তি গতিৰ এটা প্ৰতিকৃতি; কিন্তু তাৰ বিস্তৃত ৰূপত তিনটা স্তৰ—ওপৰৰপৰা তললৈ নানাপ্ৰকাৰ সাজ-পাৰ লৈ বহল হৈছে। মূৰৰপৰা ডিঙিলৈকে প্ৰথম স্তৰ (স্বঃ, উৰ্দ্ধ ত্ৰিলোকী), ডিঙিৰ পৰা নাভিলৈকে দ্বিতীয় স্তৰ (ভুৱঃ, মধ্য ত্ৰিলোকী) আৰু নাভিৰপৰা গুহ্যদেশলৈ তৃতীয় স্তৰ (ভূঃ নিম্নত্ৰিলোকী)।

ডিমাপুৰ আৰু কাছমাৰিৰ ঘুৰণীয়া স্তম্ভবোৰ এই জেন্ তত্ত্বৰ তথা জীৱ-দেহ সৃষ্টিৰ তত্ত্বৰ ভাস্কৰ্য্য-প্ৰতিকৃতি। যি কোনো এটা স্তম্ভৰ টপা-মূৰ অংশৰ তলছোৱাত মানুহৰ দুটা চকু আঁকি দিলে—স্তম্ভটো আজি-কালিৰ বিলাতী ফ্ৰক-পোছাক পিন্ধা মমৰ পুতলাৰ দৰে দেখুৱাব।

ভগৰ V ৰূপ আৰু জীৱৰ Λ ৰূপৰ সন্ধিস্থলটো যোগশাস্ত্ৰ মতে ৰাজ-হাড়ৰ উৰ্দ্ধ শৃঙ্গৰ, কপালত দুই ভুৰুৰ মাজবিন্দুৰ ঠিক বিপৰীত ঠাইত। ইয়াত জ্ঞান ধ্যান কৰিলে ভগৱন্তৰ শুদ্ধ স্বৰূপ উপলব্ধি কৰা যায়, আৰু জীৱই সমাধি লাভ কৰি ভগৱন্তৰ লগত এক হৈ অলৌকিক ঐশ্বৰিক শক্তিসম্পন্ন হয়। যোগ সাধনাৰ আচল তত্ত্বটো এয়েই; আৰু যোগ সাধনাৰদ্বাৰা অণিমা-লঘিমা আদি শক্তি লাভ কৰাৰ মূল তত্ত্বটোও ইয়েই।

প্ৰাচীন কালত গোটেই প্ৰাচ্য দেশত এক সম্প্ৰদায়ৰ মানুহে এই জ্ঞান উপাসনাৰদ্বাৰা অলৌকিক শক্তি আৰ্জ্জন কৰাকেই জীৱনৰ চৰম লক্ষ্য বুলি ভাবিছিল; তেওঁলোক জিন্ সম্প্ৰদায় নামে জনাজাত আছিল। তেওঁলোক আছিল বৰ বুদ্ধিয়ক জুইহেন শক্তিশালী, সৰ্প হেন ধূৰ্ত্ত আৰু সাধাৰণ মানুহে কৰিব নোৱাৰা কাম কৰাত বৰ পাৰ্গত। পৰ্ব্বতৰপৰা ডাঙৰ ডাঙৰ শিল থান্দি অনায়াসে দূৰলৈ লৈ গৈ প্ৰাসাদ নিৰ্ম্মাণ কৰা, সাগৰত বুৰ মাৰি যিমান ইচ্ছা সিমান সময় পানীৰ তলত থাকি মণি মুক্তা তুলি অনা ইত্যাদি কামত তেওঁলোক বৰ দক্ষ আছিল। আৰো নিজৰ অলৌকিক ঐশ্বৰিক শক্তিৰ বলত লোকৰ অপায়-অমঙ্গল দূৰ বা সংঘটন কৰিব পাৰিছিল। তেওঁলোকে নিজক ভগৱন্তৰ স্বজাতি বুলি দাবী কৰিছিল। পেলেষ্টাইনৰ ৰজা ছলোমনে (Solomon) বহুত বছৰ ধৰি যুদ্ধ কৰি জিনসকলক ঘটুৱাই তেওঁলোকক তেওঁৰ তলতীয়া দাসৰূপে খটায়, আৰু তেওঁলোকৰদ্বাৰা ডাঙৰ ডাঙৰ শিল্প-কাঠ অনাই বিশাল প্ৰাসাদ নিৰ্ম্মাণ কৰায় (Bible-Old Testament—2 Kings)। ইচলাম ধৰ্ম্ম প্ৰৱৰ্ত্তক পয়গম্বৰ মহম্মদে খোদাৰ স্বজাতি বুলি দাবী কৰা দুষ্ট আৰু সৰ্প হেন শক্তিমান আৰু ধূৰ্ত্ত জিন্ সকলক তেখেতৰ কোৰাণৰ বাণী শুনাই ভালেমানক সমদলে ইচলাম ধৰ্ম্মত শৰণ লোৱায় (কোৰাণ ৮।১০১)। জেন বা জ্ঞানবাদৰ সঁচটো আজিলৈকে চীন আৰু জাপান দেশত আছে; ইংৰাজী ভাষাত ইয়াৰ নাম Zenism. ভাৰতবৰ্ষৰ জৈন ধৰ্ম্মৰ আঁতি-গুৰিও জিনতত্ত্বৰ তত্ত্ব এই জিনবাদ।

আগতে কছাৰি শব্দৰ যি বোৰ অৰ্থ বিশ্লেষণ কৰা হৈছে, আৰু তেওঁলোকৰ যাদু-শক্তিৰ বিশেষত্ব সম্পৰ্কে যিবোৰ কথা কোৱা হৈছে, তাৰ লগত ওপৰত কোৱা জিন্সকলৰ বিশেষত্ব তুলনা কৰিবলগীয়া।

অনুমান হয়, কাছমাৰি পথাৰ আৰু ডিমাপুৰৰ স্তম্ভবোৰ আদিবৈদিক বা প্ৰাক্‌বৈদিক যুগৰ ভগ আৰু জেন্ দৰ্শনৰ তত্ত্বৰ ভাস্কৰ্য্য প্ৰতীক। সেই যুগৰেই নাইবা সেই যুগৰ ধৰ্ম্মমতৰ ধ্বজাবাহী পৰবৰ্ত্তী যুগৰ কোনোবা ৰাজশক্তিয়ে এইবোৰ স্তম্ভ স্থাপন কৰিছিল। সেই ৰাজশক্তি যে বড়ো-কছাৰি জাতিৰ পূৰ্ব্বপুৰুষ আছিল—তাত কোনো সন্দেহ নাই। সৃষ্টি বিজ্ঞানৰ সূক্ষ্ম (লিঙ্গ, Subtle) তত্ত্বৰ ভাস্কৰ্য্য প্ৰতীক বুলি শিৱ-পুত্ৰ বুলি দাবী কৰা নাথ যোগী সম্প্ৰদায়ৰ মাজত এই স্তম্ভবোৰক মহালিঙ্গ বুলি সন্মানৰ স্থান দিয়া হৈছে।

## গুৰু-পুৰোহিত

বড়ো জাতিৰ গুৰু-পুৰোহিত শ্ৰেণীৰ সাধাৰণ সংজ্ঞা চন্তাই বা যন্তাই; ই সংস্কৃত 'যতি' শব্দৰ অপভ্ৰংশ। ঋগ্বেদত ভৃগুবংশীয় ঋষিসকলক বিশেষকৈ 'যতি' বোলা হৈছে। ভৃগু বংশীয় ঋষিসকল আৰ্য্য-বৈদিক শ্ৰেণীভুক্ত হলেও মুখ্যতঃ অসুৰৰ দেৱতা বৰুণৰ উপাসক আছিল; শুক্ৰাচাৰ্য্য আছিল অসুৰ সকলৰ তন্ত্ৰ-গুৰু। আন পিনে ভৃগুবংশীয়সকল আছিল যুদ্ধৰ ৰথ নিৰ্ম্মাণত বৰ দক্ষ।

বড়ো যন্তাইসকলৰ মাজত দুটা বিভাগ—দেওড়াই আৰু গালিম। ত্ৰিপুৰা ৰাজমালাত লেখা আছে—

দেওড়াই গালিম পূজক তাৰা যতি।
সবে আসি দেখিলেক ত্ৰিলোচন পতি॥
× × ×
শূকৰাদি কৰি তাৰা যতেক অভক্ষ্য
নাৰীৰ ৰন্ধন তাৰা নাহি কৰে ভক্ষ্য।
নিত্য স্নান ধৌত বস্ত্ৰ আকাশে শুকায়ে
আকাশে শুকায়ে বস্ত্ৰ পৱিত্ৰে পৈৰয়ে।
স্বহস্তে ৰন্ধন কৰি ভোজন কৰয়
দেৱতা পূজিতে ভক্তি তাৰা অতিশয়।
[ ৰাজমালা—১ম লহৰ—১৭-২৮ পৃঃ ]

কামাখ্যাৰ পূজাৰী পাণ্ডাৰ পদৱী—দেওড়ী বা দেউৰী; ছুতিয়া জাতিৰ পূজাৰী সম্প্ৰদায়ৰ নাম দেউৰী বা দেৱৰী। হিন্দুসকলৰ পূজা-পাৰ্ব্বণাদি ক্ৰিয়াৰ সময়ত মুখ্য পূজাৰীৰ সহায়কাৰী বা যোগনীয়াৰ জনক (তেওঁ অব্ৰাহ্মণো হব পাৰে) কোৱা হয় দেৱ-ঘৰী বা দেওঘৰী!

দেওড়াই শব্দটো দেৱ-ৰাই, দেৱৰাজ শব্দৰ অপভ্ৰংশ বুলি অনুমান হয়। আগতে ভোটানৰ শাসন ব্যৱস্থাত ৰাজ্যৰ দুজন কৰ্ণধাৰ আছিল; দেৱৰাজ আৰু ধৰ্ম্মৰাজ। দেৱৰাজ—স্বয়ংদেৱতা আৰু দেৱতাৰ পূজাৰী; ধৰ্ম্মৰাজ—জাগতিক ৰাজকাৰ্য্য-পৰিচালক। যাৰ ওপৰত দেৱতাই ভৰ কৰাত, তেওঁ স্বয়ং দেৱতা স্বৰূপ হৈ দেৱতাৰ পূজা কৰে, তেৱেঁই দেৱৰাই, দেওড়াই।

ত্রিপুৰ-ৰাজ ত্রিলোচনে ( যুধিষ্ঠিৰৰ সম সাময়িক ) কপিলী উপত্যকাত থাকোতে কোনোবা সমুদ্রৰ মাজৰ দ্বীপৰপৰা শিৱৰ আজ্ঞাত শাস্ত্র-বিধিমতে পূজাক্রিয়াদিত পার্গত দেওড়াইসকলক দূত পঠাই অনাইছিল।—

"হেথা ত্রিলোচন ৰাজা শিৱেৰ আজ্ঞায়
দেওড়াই আনিবাৰে দূতকে পাঠায়।
সমুদ্রেৰ দ্বীপেতে দেওড়াই ৰহিছে
চতুৰ্দ্দশ দেৱ-পূজাৰ শিৱে আজ্ঞা দিছে।"

( ৰাজমালা—১, পৃঃ ২৬ )

'গালিম শব্দটো আজিলৈকে কাছাৰ জিলাৰ কুকিসকলৰ মাজত প্রচলিত আছে। তেওঁলোকৰ গাঁওবুঢ়াজন সমাজৰ মুখিয়াল, বয়সিয়াল আৰু দেৱতাদিৰ পূজা-পাৰ্ব্বণ কৰাত পার্গত; তেওঁৰ পদবী "গালিম *। যন্তাই বা চন্তাই পদবী ত্রিপুৰা আৰু কছাৰি জনজাতিৰ মাজত প্রচলিত আছে।

'গালিম' পুৰোহিতৰ আন এটা নিদর্শন পোৱা, যায়—খৃষ্টজন্মৰ চাৰে তিনি হেজাৰ মান বছৰ আগৰ ছত্তি বা ক্ষত্তি জাতিৰ বৃৰঞ্জীত। তেওঁলোকৰ ৰাজ্য বৰ্ত্তমান তুৰ্কী ৰাজ্য অঞ্চলত আছিল; ভাষা আছিল বৈদিক ভাষা-গোষ্ঠীৰ অন্তৰ্গত; উপাস্য আছিল মা, চন্দ্ৰ, সূৰ্য্য, ভগ আদি সহস্রাধিক দেৱ-দেৱী। তেওঁলোকৰ পূজাৰী সম্প্রদায় সম্পর্কে কোৱা হৈছে—

"Eunuch priests known as the Galli—who sometimes wandered through out the country in troops, sometimes lived as the ministers of deities on temple-lands of enormous extent, served by multitudes of serfs" ( Ancient History of Near-East, by Hull—p 330 )—চিৰকুমাৰ পুৰোহিতসকল গালি নামে জনাজাত আছিল। তেওঁলোকে কেতিয়াবা দলবদ্ধ হৈ দেশময় বিচৰণ কৰিছিল, কেতিয়াবা প্রচুৰ ভূ-সম্পত্তিযুক্ত দেৱালয়ৰ যাজকৰূপে নিযুক্ত হৈ দাস-দাসী সমন্বিতে ( অৰ্থাৎ সত্রাধিকাৰ হৈ ) বাস কৰিছিল।

ছত্তি ৰাজ্যৰ দক্ষিণ ফালে টোৰাছ্ ( বৃষ ) পৰ্ব্বতৰ দাঁতিত এটি আৰু পাছম ফালে ফ্রিজিয়ান্ ( ব্রিজিয়ান্—ভৃগু ? ) সাগৰৰ উপকূলত আন এটি গালিৰ সত্র আছিল।

'গালিম' শব্দটো 'গালি'ৰ ৰূপান্তৰ। প্রাচীন যুগত ছত্তি জাতিৰ দেৱ-পূজকসকলৰ মাজত এটা ধাৰণা আছিল যে—গৰুৰ পালৰ মাজত বৃষই পালক বা ৰখীয়া ৰূপে যেনেকৈ গাইবোৰক হিংস্রজন্তুৰ আক্রমণৰপৰা ৰক্ষা কৰে, তেনেদৰে ভগৱন্তই বৃষৰূপে গাইৰূপ মানৱগোষ্ঠীক ৰক্ষা আৰু প্রতিপাল কৰে। গতিকে দেৱতা বৃষ, টোৰাছ বা গায়ো, আৰু উপাসকসকল গাই বা গাইয়া। তেওঁলোকৰ প্রার্থনা মন্ত্র আছিল—"Ubitu Gaius, ego Gaia. প্রতিজন পূজাৰী বা উপাসক এজনী গাই; এই 'গাই'ৰপৰা গাইলি বা গালি আৰু তাৰপৰা গালিৰ শব্দটোৰ উৎপত্তি হৈছে বুলি অনুমান হয়।

আগতে কিৰাতজাতিৰ আঁতি-গুৰিৰ বর্ণনাত ক্রীটদ্বীপৰ সংস্কৃতিৰ কথা উনুকিওৱা হৈছে; এতিয়া গালিমৰ আঁতি-গুৰি ফ্রিজিয়ান সাগৰৰ পাৰত পোৱা গল। গতিকে বড়ো জাতিৰ ঐতিহ্য—যিমান সাধাৰণ বুলি সৰ্ব্বসাধাৰণৰ ধাৰণা, সিমান সাধাৰণ নহয় যেন লাগে।

কাছাৰ জিলা—কছাৰি জাতিৰ শেষ স্বাধীন হেড়ম্ব ৰাজ্য, ১৮৩২ খৃষ্টাব্দত ইংৰাজৰ অধীনলৈ আহে। সেই ৰাজ্যৰ ৰাজপুৰোহিতৰ পদবী আছিল ধামান্দি ( ধৰ্ম্মাদি ) গুৰু; তেওঁ লগুণ লৈছিল, ৰণচণ্ডী আৰু আন দেৱ-দেৱীৰ পূজক আছিল।

---

* A headman called the Ghalim is appointed by themselves over each village, but he is 'much more a priest than a potentate.".

( The Lushei Kukiclans—by Shakespear, p 149 )



ওপৰত ত্রিপুৰা ৰাজমালাত চণ্ডাই-দেওড়াই সকলৰ শুচি-পৱিত্রতা সম্পর্কে যি বিৱৰণ দিয়া হৈছে, ই অসমৰ বৈষ্ণৱসত্রৰ কেৱলীয়া ভকতৰ আচাৰৰ অনুৰূপ। মদ-কুকুৰা-গাহৰি খোৱা বুলি অভিহিত জাতিৰ গুৰু-পুৰোহিতৰপৰা তেওঁলোকৰ দেশলৈ আহি বাপুসকলে তেওঁলোকৰ আচাৰ-ব্যৱহাৰৰ অনুকৰণ কৰিলেনে কি ?

দৰংজিলাৰ বৰগাওঁৰ উত্তৰ পিনে নক্সা পৰ্ব্বতৰ ধ্বংসস্তুপৰ মাজত—আগতে উল্লেখ কৰা খেৰাই, গছ আৰু সাপ-পূজাৰ ভাস্কৰ্য্যাচিত্রৰ লগত চৰিক্ষন গুৰু পুৰোহিতৰ চিত্র পোৱা গৈছে ( গৌৰৱময় অসম—চিত্র ফলি—২৪ )। গুৰু দুজনা থিয় হৈ শান্ত-সমাহিত আৰু ধ্যানৰত। পুৰোহিত দুজনাৰ এজনে নৃত্য কৰিছে আৰু আনজনে ভোৰতাল বজাইছে; তেওঁলোকৰ গাত লগুণ আছে। লগুণডাল বাওঁকান্ধত আৰি সোঁ-বগলৰ তলেদি ওলোমাই দিয়া হৈছে। উত্তৰ-পূৱ সীমান্তৰ শদিয়া অঞ্চলত পোৱা প্রাচীনকলীয়া পোৰামাটিৰ এখন ফলিৰ চিত্রত এজন ব্রাহ্মণৰ লগুণডাল সোঁ-কান্ধত আৰি বাওঁফালৰ তলেদি ওলোমাই দিয়া হৈছে ( 'ভগৰ নাও' প্রবন্ধ—মণিদীপ তৃতীয় বছৰ—২য় সংখ্যা, ডিচেম্বৰ ১৯৬২); ই হ'ল প্রাচীন-বৈদিক যুগৰ ৰীতি। শদিয়া অঞ্চলৰ ভাস্কৰ্য্য প্রাচীনকালৰ ছত্তি ( ছতিয়া, ক্ষত্তি ) জাতিৰ কৃষ্টিৰ নিদর্শন। বড়ো জাতি আৰু ছতিয়া জাতিৰ পুৰোহিতৰ ৰীতি-পদ্ধতিৰ এইখিনি পার্থক্য মন কৰিব লগীয়া।

## উপসংহাৰ

প্রাচীন যুগৰ মানুহবোৰ দর্শন-জ্ঞান-বিজ্ঞান আৰু সভ্যতাৰ বিষয়ত নিতান্ত কেঁচুৱা যেন আছিল আৰু আধুনিক যুগৰ মানুহ সেই সকলো বিষয়ে উন্নতিৰ ওখ খাপত প্রতিষ্ঠিত—এনে ধৰণৰ ধাৰণা সম্পূর্ণ যুক্তিহীন। আধুনিক যুগৰ সকলো ভাল, আৰু আগৰ দিনৰ সকলো প্রাচীনকলীয়া বুলি বেয়া—এনে ধৰণৰ যুক্তিও সম্পূর্ণ অর্থহীন। প্রতিযুগৰ মানুহেই সেই . যুগত প্রচলিত থকা কোনো নহয় কোনো মতবাদক আশ্রয় কৰি নিজৰ জ্ঞান-বিশ্বাস মতে তাৰেই ওখ খাপত প্রতিষ্ঠিত হৈ—আন সকলৰ ওপৰত শাসন-প্রভুত্ব কৰিব পাৰিছিল; আৰু তেনে দল বা সম্প্রদায় আছিল ৰাজবংশী। প্রতিটো দল একতা বন্ধনৰ সামগ্রী আছিল এটা ধৰ্ম্মমত, জাতি আছিল ধৰ্ম্ম-কেন্দ্রিক Nationality was a spiritual fraternity। সেই ধৰ্ম্মমতটো পৰৱৰ্ত্তী কালৰ বহুদেৱতাবাদী আৰু দেৱতাৰ উদ্দেশ্যে অগ্নিহোত্র যাগ-যজ্ঞকাৰী বৈদিক আৰ্য্যসকলৰ মতৰ লগত নিমিলিব পাৰে; আৰু নিমিলিল বুলিয়েই যে বেয়া, তেনে ধাৰণা যুক্তিহীন। পাশ্চাত্য পণ্ডিত সকলে বড়ো আদি সকলো জনজাতিক ঘৃণাসূচক Animist আখ্যা দিছে। গছ-পৰ্ব্বত, শিল, নৈ আদিক পূজা কৰাৰ বিধানৰ নাম Animism; বৈদিক আৰ্য্যসকলৰ দর্শন তত্ত্বৰ মাজতো একেই ভাৱধাৰা আছে, কিন্তু তেওঁলোক Animist নহয়। বিশ্বব্রহ্মাণ্ডৰ সৃজন-পালন আৰু ধ্বংস কৰোঁতা এক অখণ্ড শক্তি বহুৰূপে গছ, পৰ্ব্বত, শিলগুটি, সাগৰ, নৈ, পশু, পক্ষী আদিত প্রকটিত হৈছে; তেওঁ এক হৈয়ো বহু, বহু হৈয়ো এক। তেওঁৰ সৃষ্টিৰ প্রতিটো বস্তুৰ মাজত তেওঁৰ সত্তা আছে বুলি প্রতিটো বস্তু পূজ্য। এই মতবাদ যদি Animism হয়, তেনেহলে সেই Animism ঘৃণ্য নহয়, নমস্য; পৰৱৰ্ত্তীকালীন বেদান্ত দর্শনৰ "সৰ্ব্বং খল্বিদংব্রহ্ম" তত্ত্বৰ আঁতি-গুৰি।

পৰৱৰ্ত্তীকালীন জাক-জমকীয়া যাগ-যজ্ঞপূর্ণ বৈদিক আৰ্য্য ধৰ্ম্ম অকস্মাৎ পাৰত গজি উঠা নাছিল; আগৰে পৰা দেশত প্রচলিত বিভিন্ন ধৰ্ম্মমতবাদৰ ওপৰত

ভেটি কৰি সজা এটি সংস্কৃত মতেই বৈদিক আৰ্য্যবাদ। তেওঁলোক আছিল দেৱতাবাদী আৰু যাগ-যজ্ঞকাৰী, প্ৰাচীনপন্থীসকল আছিল অদেৱা-অযজ্বা। নৱপন্থীসকল আছিল দেৱতাৰ ওপৰত নিৰ্ভৰশীল, প্ৰাচীনপন্থীসকল আছিল—আত্ম-সাধনাৰ বলত দৈৱশক্তিৰ অধিকাৰী।

ঋগ্বেদত 'অনাৰ্য্য' শব্দটোৰ ব্যৱহাৰেই নাই। দাস আৰু আৰ্য্য নামে দুটা জাতিৰ উল্লেখ আছে; আৰু আছে দাস-আৰ্য্যানি। ক্ৰীৱ আৰ্য্যসকল দাসৰ সমতুল্য। অৰ্থাৎ আৰ্য্যগোষ্ঠীৰ যি সকলে নৱ-পন্থা গ্ৰহণ কৰা নাছিল, তেওঁলোকক অদেৱা-অযজ্বা দাস বুলি ইতিকিং কৰা হৈছিল। 'দাস' শব্দৰ তাৎপৰ্য্য আগতে ব্যাখ্যা কৰা হৈছে;—নিজশক্তি বলত ওচৰ-চুবৰীয়াসকলক পৰাভূত কৰি তললীয়াকৈ ৰাখোঁতা জাতি। কছাৰি খেন আদি জনজাতিবাচক সংজ্ঞাও একেই অৰ্থবাচক—ইয়াকো আগতে ব্যাখ্যা কৰা হৈছে।

আজি-কালিও নগাজাতিৰ কোনো কোনো ফৈদে কাপোৰ নিপিন্ধে, গাৰোজাতিৰ মাজত কাপোৰৰ ব্যৱহাৰ কম; অথচ এই দুয়োজাতিৰ মানুহ বয়নশিল্প, হাতীৰ দাঁত আৰু বিভিন্ন ধাতুৰ শিল্প-কলাত বৰ পাৰ্গত। ত্ৰিপুৰা-ৰাজমালাত এপিনে কিৰাতসকলক লম্বকৰ্ণ, দিগম্বৰ বুলি বৰ্ণনা কৰা হৈছে, আৰু আনপিনে তেওঁলোকৰ বয়নশিল্প, ধাতু-শিল্প আৰু বিভিন্ন সুকুমাৰ-কলাৰ নিদৰ্শনৰ দীঘল তালিকা দিয়া হৈছে।

বয়নশিল্পত পাৰ্গত মানুহে আজি-কালিৰ সভ্যতাৰ দৃষ্টিৰে নাঙঠ হৈ থকাৰ মূলত কি দৰ্শনতত্ত্ব আছে, সেইটো ফঁহিয়াই নোচোৱাকৈ তেওঁলোকক পোনেই নিন্দা কৰা উচিত নহব।

মুঠকথা প্ৰতিটো জাতিৰ ঐতিহ্যৰ বুৰঞ্জী তেওঁলোকৰ দৃষ্টিভঙ্গিৰে বিচাৰ কৰা প্ৰকৃত তথ্যানুসন্ধিৎসুৰ গুৰু দায়িত্বপূৰ্ণ কাম।

---

কাছমাৰি: অৱশ্যে অসমত বধ কৰা অৰ্থসূচক 'মৰা' 'মাৰি' শব্দযুক্ত ভালেমান ঠাই আদিৰো নাম আছে:—পুঠিমাৰি নৈ, যি নৈত পুঠিমাছ সৰহকৈ মৰা হৈছিল বা মাৰিবলৈ পোৱা গৈছিল। কালিকাপুৰাণত এই নৈখনৰ নাম মৎস্য-ধ্বজ। ধ্বজা বা ফিছা দাঙি জঁপিয়াই ফুৰা মাছ পুঠি মাছ। মৎস্য-ধ্বজৰ অসমীয়া নামকৰণ পুঠিমাৰি। তেনেকুৱা বৌমাৰি, শিঙিমাৰি শ'লমাৰি বিল; পিচত বিলৰ পাৰৰ গাঁও তিনিখনৰো একেই নামকৰণ কৰা হৈছে। বাঘমৰা, হাবি (বৰপেটাত), এতিয়া মানুহে হাবি কাটি বসতি কৰাতো গাঁও আৰু মৌজাৰ নাম বাঘমৰা হৈছে। লোহ-জাৰ (Iron ore) জুইত পুৰি গেলাই পনীয়া লোহা বালিৰে প্ৰস্তুত কৰা নলাইদি বোৱাই নি তাতে চেঁচা কৰা হৈছিল। পনীয়া লোহা চেঁচা হৈ শকত হলে এহাত মান দীঘল কেঁচা লোহা খণ্ড পোৱা গৈছিল। এই লোহাখণ্ডৰ তলভাগ বালিৰ নলাৰ আকৃতি যুক্ত, আৰু দেখাত মিছা-মাছৰ পিঠিৰ দৰে বেঁকা আছিল। সেই কাৰণে চেঁচালোহ খণ্ডৰ নাম দিয়া হৈছিল মিছা। ইংৰাজৰ দেশৰ মানুহৰ গাহৰিৰ লগত সংশ্ৰৱ বেচি, সেই কাৰণে তেওঁলোকে এনে ধৰণৰ চেঁচালোহা খণ্ডৰ তলভাগক গাহৰিৰ পিঠিৰ লগত বিজাই ইয়াৰ নাম দিছে Pig iron. আহোম ৰজাৰ দিনত যি গাঁৱত লোহজাৰ গেলাই মিছা প্ৰস্তুত কৰা হৈছিল সেই গাঁৱৰ নাম আছিল মিছামৰা। তেনে দৰে যি ঠাইত আগতে হাবি থকাৰ কাৰণে হৰিণা পহু মৰা হৈছিল, সেই ডোখৰৰ হাবি কাটি তাতে এখন সত্ৰ পতা হৈছিল বুলি—সেই সত্ৰৰ নাম পহুমৰা সত্ৰ—শাক্ত সত্ৰ; এনেও হব পাৰে যে, সেই সত্ৰত দেৱীৰ আগত জীৱন্ত হৰিণা পহুক বলি দিয়া হৈছিল।

বধ কৰা বা ৰূপান্বিত কৰা অৰ্থবাচক শব্দ 'মৰা'; বাঘমৰা, মিছামৰা, পহুমৰা আদি তাৰ প্ৰমাণ। গতিকে ওপৰত উল্লেখ কৰা নৈ আৰু বিলৰ নাম আগতে পুঠিমৰা, বৌ মৰা, শিঙিমৰা, শ'ল মৰা আছিল বুলি ভাবিব পাৰি।

পথাৰত কাছ থকাৰ আৰু কাছক মৰাৰ কোন সম্ভাৱনা নাই; তাত ডাঙৰ ডাঙৰ কাছ থকা বিল বা নৈ থকাৰো প্ৰমাণ পোৱা নেযায়। কিন্তু "আৰি" গুণ-নাম যুক্ত প্ৰাচীন ঐতিহ্য যুক্ত এটি জাতিৰ অস্তিত্ব থকাৰ ভাস্কৰ্য্যমূলক প্ৰমাণ আছে। সেই কাৰণে, কাছমাৰি পথাৰৰ নামৰ দাৰ্শনিক ব্যাখ্যাৰ প্ৰয়োজন সমীচীন বুলি ভবা হল।

---

# এখন পুৰণি অসম বুৰঞ্জী

শ্ৰীলীলা গগৈ

[ দুৰছৰমান হল। শিৱসাগৰ মহকুমাৰ ভিতৰুৱা গাঁও এখনৰপৰা এখন সাঁচিপতীয়া বুৰঞ্জী উদ্ধাৰ কৰা হৈছিল। বুৰঞ্জীখনত তিনিকুৰি ছটা পাত আছিল। তাৰে প্ৰথম দুটা পাত কিবা কাৰণে নষ্ট হয় নতুবা কোনোবাই ইচ্ছাকৃত ভাবে নষ্ট কৰে। বুৰঞ্জী পুথিবোৰৰ প্ৰথম পাততে পুথিখন কোনে লিখোৱা, সেই কথা উল্লেখ থাকে। এই বুৰঞ্জীখনৰ শেষ পাতত অৱশ্যে "লিখিতং বাসুদেৱ দাস" বুলি লেখা আছে। বুৰঞ্জীখনত গদাধৰ সিংহৰ ৰাজত্বৰ ১৬০৯ শকৰ মিৰি বিদ্ৰোহৰ কথালৈকে লেখা হৈছে। বুৰঞ্জীখন ১৬২৫ শকৰ শাওণ মাহত 'সমাপতি' হয়। বাসুদেৱ দাস প্ৰকৃততে পুথিৰ ৰচক নে লিপিকাৰ খাটাং সিদ্ধান্ত কৰা টান। সাধাৰণতে বুৰঞ্জী পুথিৰ শেষত লিপিকাৰকৰ নামটোহে উল্লেখ কৰা থাকে। যদি বাসুদেৱ দাস লিপিকাৰক নহয়, প্ৰকৃত লেখকেই, তেন্তে এই বুৰঞ্জীৰপৰা আমি সপ্তদশ শতিকাৰ এজন গদ্য লেখকৰ লগত নামে-কামে চিনাকি হব পাৰিম।

বুৰঞ্জীখনৰ সম্প্ৰতি পোৱা প্ৰথম (৬নং) পাতটোত জয়ন্তীয়া ৰজাৰ কথা আছে। তাৰ পিছতে কছাৰীৰ কথা আছে। ৯নং পাতটোৰ ওপৰ পিঠিৰ মাজৰপৰা "মেচৰ কথা" আৰম্ভ হৈছে। 'মেচ'ৰ কথা' শিতানত কোচ ৰজাৰ ইতিবৃত্ত আৰু চুবুৰীয়া ৰাজ্যৰ লগত থকা সম্পৰ্কৰ কথা লেখা আছে। ইয়াত ১৭নং পাতটোৰ প্ৰথমাংশলৈকে কিছুমান আৱশ্যকীয় তথ্য-পাতিৰ সন্ধান পোৱা যাব। গোটেইখন বুৰঞ্জীৰ সম্পাদনা শেষ হলে, এটি তুলনামূলক আলোচনাৰ বাট মুকলি হব।—লেখক ]

**মেচৰ কথা॥** পূৰ্ব্বে চিকনাই পৰ্ব্বতত এঘৰ মেচ আচিল। তাৰে এটাৰ নাও হাড়িয়া মণ্ডল আচিল। সেই হাড়িয়া মণ্ডলে একদিনা প্ৰতি তাতে ভাত খাই আৰা কাটিবলৈ (১) জাঞোতে ঘৰিনিয়েকক বুলি গল। ঘৰিনিয়েকেৰো পাচত ভাত-পানি খাই পুনৰ্ব্বাৰ ৰান্ধি-বাঢ়ি দিহে ভাতে-মদে-পানিএ পাছি এটাত ভৰাই মূৰত লৈ গল। গিৰিএকৰ ওচৰ নৌ পাঞোতে আদ বাটতে একটা বৃক্ষৰ তলত মেচ ৰূপ ধৰি মহাদেৱে মায়া কৰি আচিল। পাচে সেই মেচনিএ আপোনাৰ স্বামি হেন মানি ওচৰতে বোঝা থলেনি। পাচে মেচ মেচ ৰূপ ধৰি মহাদেৱে বোলে,—"তঞি এতে বেলি কিয় নাহ? মঞি বন-বাৰি কৰি হাৰ-সাস্থি হুই বাট চাই আছোঁ।" মেচনিএ বোলে,—"ময়ো ৰান্ধি বাচি লৈ তোৰ পাচতে আহিচোহে।" পাচে মেচৰ আকৃতি মহাদেৱে মদ-ভাত খাই মেচনিক বোলে,—"এই হাবিৰ মাঝত কোনো নাই। মোৰ মনটো আতুৰ লাগিচে। এতেকে তঞি মোৰ বাঞ্ছিত পূৰন কৰ।" এই বুলি বৃক্ষৰ তলত মেচনিএৰে সম্ভোগ কৰি বোলে,—"তঞি এতিয়া আগ হুই ঘৰলৈ জা। মঞি বন-বাৰি কৰি গধুলিকৈহে জাম।" এই বুলি চল কৰি মেচনিক ঘৰলৈ পঠাই মহাদেৱো আপোনাৰ থানক লাগি গল। পাচে হাড়িয়া মণ্ডলে বন-বাৰি কৰি গধুলি ঘৰলৈ আহিল। ঘৰ পাই মেচনিক গালি পাৰি গৰ্জ্জিব ধৰিলে, বোলে,—"তোকো ভাল বুলি গলোঁ। মোৰ ভোক, পিয়াহ, বেথা স্নেহ ভাল ৰূপে বুঝিলি।" মেচনিএ বোলে,—"খকুৱা মেচে কি বোলে? মঞি তোৰ বচনে মদ-ভাত লৈ গলোঁ। তঞি তাকো খালি, মোকো জি লাগে কৰিলি।" মেচে বোলে,—"বান্দি-এ কি বোলে? কাহানি মদ ভাত লৈ গলি?

কাহানি খুৱালি-বুৱালি ?" তাই বোলে,—"গচৰ তলতনো কোনে পাচি ভৰালে ?" পাচে হাড়িয়া মণ্ডলে কোনো দেৱাদিৰ কৰ্ম্ম হেন জানি একো নুবুলি থাকিল।

**মেচনীৰ স্বপ্ন**—পাচে ৰাত্ৰি মেচনিএ স্বপ্ন দেখিলে। দেখে জটাধৰ। শুক্ল ৰূপ। গাৰত বাঘ চাল। হাতত ডম্বৰু, তৃসুল ( ত্ৰিশূল ). এনে পুৰুষজনা আহি আগত থিৰ হুই বুলিলে, — "বোলে,—তঞি মনত একো সংসয় নকৰিবি। মোৰ হস্তে তোৰ উদৰত এক গোটা উপজিব। সিএ ই ৰাজ্যৰ ৰাজা হুব। মঞি তাৰ সকলে প্ৰকাৰে সহায় হম।" এই ৰূপে স্বপ্ন দেখি মেচত কলত, মেচে সেই মনে সেই চিতে থাকিল।

**শিশু-বিশুৰ জন্ম**॥ পাচে অনুক্ৰমে সেই স্ত্ৰি গৰ্ভৱতি হুই মেচৰ বিৰ্জে ( বীৰ্য্যে ) একটি বালক জন্মিল। তাৰ নাম শিশু থলে। পাছে মহাদেৱৰ বীৰ্য্যে একটি বালক জন্মিল। তাৰ নাম বিশু থলে। সেই বালকটি সৰুৰেপৰা বৰ পৰাক্ৰমি হুই আছে। আনো জি মেচৰ চৱাল আছে। তাৰ মাঝত পৰম বলিষ্ঠ হল। কেৱে বসে নোৱাৰে। বিসেসতো মহাদেৱৰ বিৰ্যো জাত হৈছে। তাক কোনে বলে পাৰে ?"

**শিশু-বিশুৰ ৰাজ-চিন লাভ**॥ পাচে দ্বাদস বৎসৰ হল ৰুদ্ৰে স্ব-মূৰ্ত্তি দেখাই পুত্ৰ সম্বোধন বচনে আদেস কৰিলে, বোলে,—"হে পুত্ৰ তঞি একো সংসয় নকৰিবি। আৰু তঞি উত্তৰ দিকে কিচো অৰণ্যক গৈ এক অস্বস্থ ( অশ্বত্থ ) বৃক্ষত কাঠৰ তৰোৱালেৰে বেতৰ বাৰুৰেৰে একটি বানৰ দেখিবি। সেই বানৰটিক এঞি মাতিলে অৱস্যে তোৰ হাতলৈকে আহিব। সেই বানৰক মাৰি তাৰে সিৰৰ ( শিৰৰ ) হাড় লৈ তাকে মোৰ মূৰ্ত্তি বুলি হনুমস্তক পূজা কৰিবি। তাকে হনুমন্তি দণ্ড বুলি মানিবি। বিসেসত সেইহে তোৰ ৰাজ চিহ্ন। তাকে লৈ জেই দিকি জিনিবৰ ইচ্ছা কৰ, তেবে সেই দিকিলৈকে সঙ্কল্প কৰি, সেই হনুমন্তি দণ্ডতে মোক পূজা কৰিবি। সেই কাঠৰ তৰোৱালেৰে বেতৰ বাৰু এ জেই দিকলৈ সমুখ হয়, সেই দিশতে জয় হুবি।"

**নৰকাসুৰৰ ৰাজ্য**॥ পুৰ্ব্বে এই ৰাজা নৰকাসুৰৰ পুত্ৰ ভগদত্তৰ আচিল। দৈৱ জোগে অনুক্ৰমে সেই ৰাজাৰ বংশ চেদ হল। কামৰূপৰ ঢেকেৰা ঢেকেৰি সকল লোকে গা-গোটা হল। পাচে সেই বিশু ক্ৰমৰে দেৱ পূজা কৰি বেত-কাঠৰ অস্ত্ৰৰ সুমঙ্গলে বিশ্বসিংহ নাম লৈ দশ-কুড়ি গাঞক অক্ৰিমি জিনিলে। কিন্তু প্ৰক্ষ্যাত হুব নৌ পাৰে।

**দিহিঙ্গীয়া ৰজা**॥ সেই বেলা ইন্দ্ৰবংসি স্বৰ্গ-নাৰায়ণ দিহিঙ্গিয়া ৰাজাৰ দিনত কমতেশ্বৰ মিত্ৰৰ অৰ্থে একলাখ হাজাৰ ঠাটেৰে (২) নাৱে-তৰে গৈ নিসেসে ( নিশেষে ) কামৰূপৰ ঢেকেৰাক অক্ৰিমিলে। তাতো বাঝে বাঢ়ি গৈ কৰতিয়া গঙ্গাত খণ্ড পখালিলেগৈ। তাৰেপৰা গৌড়েশ্বৰলৈ তাজঙ্গ (৩) কৰিলে। দুই চেটিয়াক দুত পঠালে। সিবোৰেৱো এক হাজাৰ ঠাটেৰে অনেক সম্ভাৰ লৈ গল। পাচে গৌড়েশ্বৰে অপূৰ্ব্ব লোক অপূৰ্ব্ব সন্দেস দেখি ভাল লোকৰ মুখে সোধালে, বোলে,—"কোন ৰাজাৰ দুত। আহিচে বা কি কাৰণে ? আৰু যে শুনিচো একলাখ হাজাৰ ঠাটেৰে নাৱে-তৰে আহিচে। সি কোন? আচে বা ক'ত ? ইহাক কহ" পাচে দুই চেটিয়াএ বোলে,—"স্বৰ্গসিংহ মহাৰাজাৰ সাত মাহৰ পথত নগৰ। তৈতে থাকি স্বৰ্গৰাজাএ এক পুত্ৰক পঞ্চিস ( পঁচিছ ) হাজাৰ ঠাটেৰে পূৱ দিসলৈ পাঞ্চিচে। চাৰি কুৰি হাজাৰ ঠাঠক নগৰ ৰখাকৈ থৈ একলাখ হাজাৰ ঠাটেৰে আহি কৰতিয়া গঙ্গাত বৈচেহি। এতেকে স্বৰ্গসিংহ মহাৰাজা আমি দুইক পাঞ্চি এই থান বুলি আহিচে, বোলে,—মঞি শুনিচোঁ।



গৌড়েশ্বৰ ডাঙৰ ৰাজা ; আমি আহিচোঁ। আমিএৰে জুদ্ধকে কৰেনে, মিত্ৰৰতি হই।" এই কথাকে গৌড়েশ্বৰত জনালত ৰাজা গৌড়েশ্বৰে বিমৰিষা কৰি সকলে লোক চাই এই ৰূপে বুলিলে,—"বোলে সাস্ত্ৰমুখে সুনিচো প্ৰথমে প্ৰিতি গোট হে হয়। জদি প্ৰিতি পূৰ্ব্বকে নৰহে। তেবেসে জুদ্ধ কৰিবাক লাগে। এই ৰূপে জিজ্ঞাসা কৰি বোলে,—"ভাল। স্বৰ্গমহাৰাজানো কোন প্ৰিতিক বাঞ্ছা কৰিছে।" এই বুলি দুই চেটিয়াক চপাই আনি সুধিলে। পাচে দুই চেটিয়াএ বোলে,—আগে জে আমি সন্দেস পত্ৰকেহে জোগাইচোঁ। কথা-বাৰ্ত্তা জি আচে, তাক আমি আসয় নাপাইহে নকৈচোঁ। কিন্তু আমাৰ স্বৰ্গৰাজাএ কন্যাৰ অৰ্থহে বচন বুলি আহিচে। পাচে গৌড়েশ্বৰে হাসি বোলে,—"কন্যা হলে জ'তে-ত'তে দিবকেহে লাগে। বিসেসত সৌমাৰেশ্বৰ মহাৰাজাক জদি মঞি জমাই ( জোঁৱাই ) কৰি পাওঁ, তেবে আত পৰে কেনে লাভ ডাঙৰ আছে। এই বুলি মহা-পাত্ৰক আজ্ঞা কৰিলে।

**ৰাজনী কুঁৱৰীৰ বিয়া**॥ মহাপাত্ৰেও ৰাজাৰ আজ্ঞাএ অনেক বস্তু-সম্ভাৰ হস্তি-ঘোড়া ভাল মানুহক লগত জৌতকা কৰি দি ৰাজাৰ ঝিয়ৰি আনি স্বৰ্গসিংহ দিহিঙ্গিয়া মহাৰাজাৰ ঠাইত জোগালেহি। কন্যাৰ নাম ৰাজনি কুঁৱৰি। কন্যাৰ লগৰ জৌতকা দিয়া মানুহৰ লেখা—সেতপুৰ, পতিলাজহ, এঘাৰেসিন্দুৰ, কামৰূপ, ঢেকেৰা এই পাঞ্চখান ৰাজ্যক জৌতক দিলে।

**বিশ্বসিংহৰ মিত্ৰতা**॥ বিসেষত স্বৰ্গৰাজাৰো ৰাজ্যত লোভ নাই। কিন্তু কমতেশ্বৰ মিত্ৰৰ কাৰণেহে সহায় হুই গৈচিলে। পাচে সেইবেলা এই কথা শুনি বিশ্বসিংহেৱো পোৱাল মুকুতা বাখৰ আনো ভোটান্তৰৰ অনেক অপূৰ্ব্ব বস্তু লৈ আহি স্বৰ্গ-মহাৰাজাক ভেটি এইখান বুলিলে,—"বোলে, অনুবৰ্ত্তি থাকিবৰ নিমিত্তে কমতেশ্বৰক জেনে ৰূপে অনুগ্ৰহ কৰিছে, আমাকো মহাৰাজাএ সেই ৰূপে অনুগ্ৰহ কৰোক' আমি অনুবৰ্ত্তি থাকিম।" আৰু বুলিলে,—"বোলে, আমি জিবিকাৰ অৰ্থে স্বৰ্গ-মহাৰাজাত কিচোমান ৰাজ্য মাগো।" পাচে স্বৰ্গ-মহাৰাজেৱো সমুদ্ৰ-সদৃশ মনে প্ৰসন্ন হই কামৰূপৰ অৰ্দ্ধৰাজ্য বিশ্বসিংহক প্ৰতি বিলাই আহি পুনৰ্ব্বাৰ আপুনাৰ নগৰতে থাকিলহি। সেই দিনৰেপৰা বিশ্বসিংহে কামৰূপৰ অধিকাৰি হল। পাচে বিশ্বসিংহেৱো ৰাজা হুই স্বৰ্গৰাজাত মিত্ৰভাৱে নেপাল ৰাজ্যক আদি কৰি অনেক ৰাজ্যক বসবৰ্ত্তি কৰি কৰ ভাৰ ললে। আৰু মোৰেঙ্গৰ ৰাজাৰো আজ্ঞা মানিলে। ভোটৰ ৰাজাৰো মিত্ৰ ভাৱ আচৰিলে। বলে নোৱাৰো হেন জানি গৌড়েশ্বৰৰ পাৎসাৰো অপূৰ্ব্ব বস্তু জোগাইচিলে।

**বিশ্বসিংহৰ ওঠৰ কোঁৱৰ**॥ এনে ৰূপে অনেক দিন ৰাজ্য ভোগ কৰোঁতে বিশ্বসিংহৰ আঠাৰেটা কুমৰ উপজিল। পাচে বিশ্বসিংহে বহু পুত্ৰ হুবৰ দেখি কোন পুত্ৰে ৰাজা হুব বুলি কুমৰসকলক পৰীক্ষা কৰিলে। প্ৰথমতে লোণ, আঙ্গাৰ, ৰাঙ্গ, সেতু, পিতল, লোটা, মাটি, সোণা, বাখৰ, মঙ্গহ, ধান, বন, চাউল, গুৰ, চিনি, সিলা, কপাহ, গুৱাপান এইৰূপে আঠাৰে বস্তুক ভিনে ভিনে টুপলি বান্ধি ওপৰত একে চিন কৰি উত্তম থানত নিয়ম পূৰ্ব্বকে থৈ বিশ্বসিংহে কুমৰসকলক আজ্ঞা কৰিলে, বোলে,— "তহঁতে গাএ পতি একো টুপলি হাতত লৈ থাক।" পাচে ৰাজাৰ আজ্ঞাএ কুমৰসকলেৱো টুপলি মেলি ৰাজাক দেখালে। ৰাজাৰো প্ৰথমতে এটাৰ টুপলি চাই লোণ দেখি বোলে,—"এই অপাত্ৰ পুত্ৰ গোটে ব্যঞ্জনৰ মাত্ৰ জুতি জানিব। আৰুটৰ টুপলিত আঙ্গাৰ দেখি বোলে,—"ইয়াৰ সহজে মুখৰ মলিন নুগুচিব।" আৰুটৰ ৰাঙ্গ দেখি বোলে,—"সহজে মিচলিয়া হুব।" সেতু লৱাটক বোলে,—"ই সামান্য হুব।" পিতল

লৱাটক বোলে,—"ইৰো মধ্যম হুব।" লোটা লৱাটক বোলে,—"ই অস্ত্ৰধাৰি হুব। মাটি লৱাটক বোলে,—"পৃথিবিৰো ৰাজআসনৰো এয়েহে অধিকাৰি হুব।" সোণা লৱাটক বোলে,—"ই কিচো আঢ্যৱন্ত হুব।" ৰাখৰ দেখি বোলে,—"ই কিচো বাণিজেৰে খাব।" মঙ্গহ লৱাটক বোলে,—"ইয়াৰ সহজে মাংস লোভে বনত ফুৰোঁতে জাব।" বন দেখি বোলে,—"ইয়াৰ আৰা কাটিহে জিবিকা হুব।" ধান লৱাটক বোলে,—"ই হাল বাই খাব।" চাউল লৱাটক বোলে,—"ই কিচো আটি খাব।" গুড় লৱাটক বোলে,—"ই আফুৱা হুব।" চিনি দেখি বোলে,—"ই জং কিঞ্চিত ভোগ পাব।" সিলা লৱাটক বোলে,—"ই কিচো লোকত ডাট হুব।" কপাহ লৱাটক বোলে,—"ই সাঞ্চা হুব।" গুৱা-পান লৱাটক বোলে,—"ই বিলাসি হুব।"

**নৰনাৰায়ণৰ ৰাজ্যলাভ॥** এই বুলি বিশ্বসিংহ ৰাজাএ পুনৰ্ব্বাৰ পাত্ৰ মন্ত্ৰিক চাই বুলিলে—"জানা, পাত্ৰ মন্ত্ৰীসকল সকলে বস্তু পৃথিবিতেহে উপজে।" তেনে মাটিৰ টুপলিক জে নৰনাৰায়ণে পালে, এতেকে জানিবা, নৰনাৰায়ণে হে পৃথিবিৰ অধিকাৰি ৰাজা হুব পাই। আৰু লোহাৰ অস্ত্ৰক দেখিলে সকলে লোকৰে ভয় উপজে। তথাপি সেই লোহাৰো পৃথিবিতেহে উপজে। এতেকে চিলাৰায়ে জে লোহাৰ টুপলি পালে, ইয়ো নৰনাৰায়ণৰ অধিনতা স্বৰূপে জুবৰাজ হুই শত্ৰুক জিনিব পাৰিব। এই বুলি নৰনাৰায়ণকে চিলাৰাইকে ৰাজাৰ লগতে ৰাখি আৰু সোলে কুমৰক সাধাৰন ৰূপে গাত্ৰপতি চয় কুৰি ঘৰকৈ মানুহ দি দেসে দেসে থাকি জিবিকা কৰি চমুৱাকৈ থাটি থাকিব দিলে। কোঞৰ সকলক দিলে কাৰণেহে কোঞৰ ভাগ পৰগনা বোলে। পাচে এনে ৰূপে বিশ্বসিংহে কতো দিন ৰাজ্য ভুঞ্জি নৰনাৰায়ণক ৰাজা কৰি চিলাৰাইক জুবৰাজ পাতি বিশ্বসিংহ স্বৰ্গগামি হল।

**গৌড়ৰ লগত ৰণ: চিলাৰায় বন্দী॥** পাচে কতো দিন থাকি যুবৰাজ চিলাৰায়ে গৌড়ৰ পাৎসাৰ লোকেৰে যুদ্ধ কৰিলে। গৌড়েস্বৰৰ লোকে যুদ্ধে জিনি চিলাৰাইক বন্দি কৰি নিলে। হাতৰ তলুৱাত বান্ধে বান্ধিলে। পায়তো লোহা লগাই গৌড়েস্বৰত জোগালে। পাচে পাৎসাত্ৰ বোলে,—"হাৰামখোৰ গলিমক বন্দি থানা কৰি থগৈ।" পাৎসাৰ বচনে চিলাৰাইক বন্দি কৰি থলে। পাচে কতো দিন থাকি গৌৰেস্বৰৰ বৰ কুঞৰিক সৰ্পে খালে। সৰ্পৰ বিষে মহাদই মৰে হেন হইছে। এতেকে পাৎসাৰ মনৰ অসুখে সকলে লোকৰ দুখ মিলিছে। এই কথা শুনি চিলাৰায়ে হাসি বোলে,—"জান, ৰখিয়াসকল, ই কোন, অল্প কথা। পৰমেস্বৰৰ কৃপাএ মঞি সুস্থ কৰিব পাৰোঁ।" এই কথা শুনি ৰখিয়াসকলে পাৎসাৰ নিকটবৰ্ত্তি সকলত জান দিলে। সিহঁতেও পাৎসাৰ ঠাইত জনালে। পাচে পাৎসাএ এই কথা শুনি মহা উত্ৰাৱল হুই আথ বেথ কৰি দুত পাঠাই ঔষধলৈ জি বস্তু লাগে, তাক চিলাৰাইত সুধি আহিব দিলেগৈ। পাৎসাৰ আজ্ঞাএ দুতে সুধিলত চিলাৰায়ে বোলে,—"আন কিচো নেলাগে। পটেস্বৰিৰ পৰিধান কৰা ৰিহা কাপৰ এখানি দি আহোক।" এই কথা শুনি দুতে পাৎসাত জনালে। পাৎসাও আথ-বেথ কৰি মহাদৈৰ ৰিহা কাপৰ এখানি দি পাঠালে। চিলাৰায়ে ৰিহা কাপৰতে মন্ত্ৰ পঢ়ি গাণ্ঠি এটি দি এইখান বুলি কৈ পঠালে, বোলে,—"এই কাপৰেৰে পটেস্বৰিএ সিৰৰে পৰা পায়লৈকে তিনিবাৰ কোবাই আনিব। তাৰে পাচে বাৰ নমাই গুচিল গুচিল কৰি, পটেস্বৰিক উঠা বুলি, গাণ্ঠি মেলি গুচাব। এতেকে সুস্থ হুব।" পাচে দুতে আনি পাৎসাৰ ঠাইত দিলে। পাৎসাও সেইৰূপে নিমন্ত্ৰন পূৰ্ব্বকে গাণ্ঠি মেলিলত মহাদই সুস্থ হুই উঠি বসিল। পাৎসাৰো সন্তোষ মন হৈল।



**চিলাৰায়ৰ মুক্তি॥** পাচে মহিসিএ সুস্থ হুই দাসি সকলক মাতি বোলে,—"মোৰ জে এনে মৃত্যু কাল হলত মন্ত্ৰণা কৰি জিয়ালে তাত কৰি মোৰ কোন উপকাৰি আছে?" পাচে এই কথা শুনি এক যোক্ষ সেৱকিনিএ কলে,—"বোলে, জানা মহাদই, আমাৰ পাৎসাত্ৰ পূৰ্ব্ব দেসি ৰাজাৰ কুমৰ এটা দুৱাৰ মুখত বন্দি কৰি থৈছে। সেয়ে তোমাক সাপে খাবৰ সুনি পৰম জত্ন কৰি মন্ত্ৰ বলে জিয়ালে।" এই কথা শুনি পটেস্বৰিএ ভাল ৰূপে সুধিলে বোলে,—উপকাৰিক উপকাৰ নকৰিলে ঋণ লাগি থাকে। এতেকে মই তাকে উপকাৰ কৰিব লাগে।" এই বুলি পাৎসাৰ নিকটে গৈ কৃতাঞ্জলি কৰি পৰম কাৰুণ্যে পাৎসাৰ দুই পায়ত পাৰ্থনা কৰিলে বোলে,—"হে মহাৰাজ, মঞি তোমাৰ মোক্ষ কিঙ্কৰি। মোক জি জনে পৰম উপকাৰ কৰে তাক মঞি উপকাৰ নকৰিলে তোমাৰ চৰণত মোৰ সেৱাৰ জসস্থা গোট নৰহে। বিসেসতো সামৰ্থ জন হৈলে প্ৰাণৰ পৰিশ্ৰমেৰো পৰক উপকাৰ কৰি আপুনাৰ যসস্থা ধৰ্ম্ম গোট ৰাখিব লাগে। তেবেসে তাৰ সামৰ্থ হুবৰ প্ৰয়োজন সিজে। এতেকে তোমাৰ দুই চৰণে কৃপা কৰি মোৰ জসস্থা ৰাখি বন্দি কৰি থৱা পূৰ্ব্ব দেস ৰাজাৰ কুমৰক এড়ি দিয়া।" পাচে পাৎসাএ পৰম সন্তোস হুই দুত পঠাই চিলাৰাইক মেলিব দিলে। পটেস্বৰিএৰো পৰম ৰঙ্গ মন হুই উপকাৰৰ ধাৰ সুজিলো বুলি আথবেথ কৰি চিলাৰাইক প্ৰতি নট পাঞ্চি দাৰি চুলি খুৰাই স্নান ভোজন কৰাই বস্ত্ৰ অলঙ্কাৰ পিন্ধাই গৌড়েস্বৰৰ ঠাইত ভেটালেনি। গৌড়েস্বৰো মন প্ৰসন্ন হুই চিলাৰাইত সুধিলে—বোলে,—"ৰাজাৰ কুমৰে আমাত কোনবা বস্তু পাৰ্থনা কৰিবাক ইচা কৰেনেকি?" চিলাৰায়ে বোলে,—চাহেব, তোমাৰ জসত মোৰ সকলে আচে। কিন্তু মোক কৃপা কৰি দিয়ে হস্তে ইৰাকি ঘোড়া এটি লাগে। এই কথা শুনি পাৎসাএ সুবৰ্ণৰ অলঙ্কাৰেৰে ছটা ইৰাকি ঘোড়া দিলে। পাচে এই ৰূপে কতো দিন থাকি পুনৰ্ব্বাৰ পটেস্বৰিএ পাৎসাত বিদাই কৰাই চিলাৰাইক ধৰ্ম্মপুত্ৰ বুলি বস্ত্ৰ-অলঙ্কাৰ অনেক সম্ভাৰ দি আপুনাৰ ঠাইক বেহাৰক প্ৰতি পঠাই দিলে। পাচে চিলাৰায়ে কতো দিনে আপুনাৰ ৰাজ্য পালতহি ৰাজা নৰনাৰায়ণে ভাল মানুহ পঠাই ভায়েকক আগ বাঢ়ি আনিব দিলে।

(ক্ৰমশঃ)

# বৰকাকতীৰ সাহিত্য সাধনাৰ আভাস



শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু

অসমৰ সাহিত্য-সেৱীসকলৰ মাজত বৰকাকতীৰ সাহিত্যিক জীৱন একক আৰু অতুলনীয়। তেখেত নিস্বাৰ্থ সাহিত্য-সেৱী আছিল। সাহিত্য চৰ্চ্চাৰ কাৰণেই জীৱনৰ সকলো সুখ সম্পদৰ কথা, বৈষয়িক উন্নতি অৱনতিৰ কথা তেখেতে একেবাৰে পাহৰি গৈছিল; কিন্তু তেখেতে পাহৰিলেও এইবোৰে তেখেতক পাহৰা নাছিল। সেই কাৰণেই অতিষ্ঠ তেখেতে কাৰ্লাইলৰ এষাৰ কথা সততেই কোৱ শুনিছিলোঁ। সাহিত্য চৰ্চ্চা বা অধ্যয়ন আৰি কাৰণে "atmosphere is mere an important factor।" কিন্তু নিয়তিক তেওঁ পৰাজয় কৰিলে যি সাহিত্যৰ কাৰণে জীৱনৰ শত শত বাধা বিঘিনি



লগত ১১ বছৰ বয়সৰপৰাই যত্ন কৰি তেখেত আগুৱাই আহিছিল সেই সাহিত্যৰ পৱিত্ৰ বেদীতেই গৌৰৱৰ বিজয়-মুকুট পৰিধান কৰি, মৃত্যু-বিভীষিকাক তাচ্ছিল্য কৰি অম্লান বদনে পাৰ্থিৱ জীৱনৰ শেষ নিশ্বাস ললে—মৃত্যু তেওঁৰ পৰাজিত হল—নিয়তি তেওঁৰ লজ্জিত হ'ল।

সাহিত্যিক জীৱনত গোহাঞি বৰুৱা আৰু বেজবৰুৱা দুয়োজনৰ প্ৰতিয়েই বৰকাকতী ডাঙৰীয়া সমানে শ্ৰদ্ধাশীল আছিল। গোহাঞি বৰুৱাৰ প্ৰতি তেখেত প্ৰথমে আকৃষ্ট হয়, বেজবৰুৱাৰ প্ৰতি পাছতহে। তেখেতৰ সাহিত্যিক জীৱনত প্ৰেৰণা যোগোৱা প্ৰধান আলোচনী কেখন হ'ল গোহাঞি বৰুৱাৰ "উষা," বেজবৰুৱাৰ "বাঁহী" আৰু অম্বিকাগিৰি ৰায় চৌধুৰীৰ "চেতনা"। তেখেতৰ সাহিত্যিক জীৱনৰ সূচনা হয় অসমত, কিন্তু পূৰ্ণতাৰ পথত বিশেষ ভাৱে আগবাঢ়িছিল কলিকতা মহানগৰীত।

হাইস্কুলত পঢ়া অৱস্থাৰপৰাই বৰকাকতীৰ সাহিত্য-প্ৰতিভাই বিকাশৰ বাট বিচাৰিছিল। তেখেতৰ মতে হাইস্কুলত পঢ়া ২য় বছৰৰ পাছৰপৰাই অৰ্থাৎ ১১ বছৰ বয়সৰপৰাই তেখেতৰ মনত সাহিত্য চৰ্চ্চাৰ স্পৃহা অঙ্কুৰিত হয়। যিমানেই সাহিত্যৰ প্ৰতি তেখেত আকৃষ্ট হবলৈ ধৰিলে, সিমানেই কৃতী ছাত্ৰৰ খ্যাতিও আঁতৰি যাবলৈ ধৰিলে। নগাঁও চৰকাৰী হাইস্কুলত তেখেতে "কিৰণ" নামেৰে এখনি হাতে-লেখা আলোচনী সম্পাদনা কৰিছিল। হাইস্কুলৰ ষষ্ঠমান শ্ৰেণীত ( আজি-কালিৰ ক্লাচ V ) থাকোঁতেই "উষা" কাকতখন দেখিবলৈ পায়। উষাখন দেখি তেখেতৰ মনত যিটো ভাবৰ 'দোকমোক' লাগিছিল, সেইটো জীৱনৰ শেষ বয়সলৈকে তেখেতৰ মনত 'পূৰেৰুণ' দি আছিল। ১১ বছৰ বয়সৰপৰা ১৪ বছৰ বয়সলৈকে তেখেতে ১৯টা কৱিতা লেখিছিল। কিন্তু তাৰ এটিও উষাত প্ৰকাশ ন'হল। তাৰে এটা কৱিতাৰ কেইফাঁকিমান হ'ল—

"চিক্‌মিক্ চাক্‌মাক্ বিজুলী পোহৰ
চাই থাকোঁ কোনে মাৰে কেনে মনোহৰ।"—

১৪ বছৰ বয়সত উষাত প্ৰথম প্ৰকাশ হোৱা তেখেতৰ কৱিতাটি হ'ল "নতুন বছৰ"। গোহাঞি বৰুৱাই উদগনি দি তেখেতলৈ চিঠি দিলে—"মোৰ এই পৰি অহা বয়সত তোমাৰ নিচিনা নতুন সাহিত্য-সেৱী ডেকা এজন উঠি অহা দেখি মাতৃভাষাৰ সেৱা সুন্দৰ ভাৱে চলি থাকিব বুলি বিশ্বাস হোৱাত হিয়াত আনন্দে উপচি পৰিছে।" উষাত প্ৰকাশ হোৱা সৰহ সংখ্যক কৱিতাই "শেৱালি"ত সন্নিবিষ্ট হয়। হাইস্কুলৰ ২য় আৰু প্ৰথম শ্ৰেণীত ( নৱম-দশম ) থাকোঁতে ( ১৯১৩—১৪ ) উষাত তেখেতৰ "অসমীয়া ভাষাৰ আখৰ জোঁটনি" আৰু "অসমীয়া ছাত্ৰৰ ওপৰত দোষাৰোপ" সম্বন্ধে দুটা প্ৰবন্ধ প্ৰকাশ হয়। প্ৰবন্ধটোৰ তীব্ৰ প্ৰতিবাদ কৰে কটনৰ ২য় বাৰ্ষিকৰ ছাত্ৰ ৺চন্দ্ৰনাথ শৰ্ম্মাই ( পাছলৈ দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মা )। বৰকাকতীয়েও তাৰ উপযুক্ত প্ৰত্যুত্তৰ এটি উষাত প্ৰকাশ কৰে আৰু ইয়াৰেই পৰিণতি হিচাপে শেৱালি-কৱি আৰু দেশপ্ৰাণৰ মাজত পাছলৈ প্ৰগাঢ় বন্ধুত্বৰ সূচনা হয়। চন্দ্ৰনাথ শৰ্ম্মাই বৰকাকতীৰ প্ৰতিভাক সমাদৰ জনালে—"আপুনি এই বয়সতে অসমীয়া ভাষা-বিজ্ঞানৰ চাৰিচুক মাৰি আয়ত্ত কৰা দেখি বাস্তৱতে মোৰ হিয়া গৌৰৱ-আনন্দত উপচি পৰিছে। অসম-জননীয়েও আপোনাৰপৰা বহুত আশা কৰিছে।" উষাই হাইস্কুলীয়া জীৱনৰ আদিতে বৰকাকতীৰ অন্তৰৰ বিচিত্ৰ ভাৱৰ সৃষ্টি কৰিছিল। তাৰে ভিতৰত চন্দ্ৰৰ প্ৰতি আকৰ্ষণেই প্ৰধান। বৰকাকতীয়ে চন্দ্ৰক লৈ উৎকৃষ্ট কৱিতা ৰচনা কৰি গৈছে। উষাত তেখেতৰ "চন্দ্ৰলোকলৈ গমন" নামৰ এটি প্ৰবন্ধ

প্ৰকাশ পাইছিল। এই প্ৰবন্ধটিয়ে তেখেতক বলিয়া কৰিছিল। ৰাতিও কেতিয়াবা তেখেতে বাহিৰলৈ ওলাই গৈ একেথৰে চন্দ্ৰলৈ চাই আছিল।

স্কুলীয়া অৱস্থাতে "আলোচনী" নামৰ আলোচনীতো তেখেতৰ কৱিতা প্ৰকাশ হৈছিল। আলোচনীত প্ৰকাশ হোৱাৰ ভিতৰত 'বিশ্বহৰণ' কৱিতাটি বিশেষ উল্লেখযোগ্য। হেমকোষৰ পৰিশিষ্ট নাম দি তেখেতে সংগ্ৰহ কৰা কিছুমান শব্দ আলোচনীত প্ৰকাশ হৈছিল। ১৯১২ খৃঃত বাঁহীত (স্কুলীয়া অৱস্থাতে) তেখেতৰ 'প্ৰণয়ৰ প্ৰতিদান' নামৰ কৱিতাটি প্ৰকাশ হয়। চেতনাতো তেখেতৰ কেইবাটাও উল্লেখযোগ্য সমালোচনামূলক প্ৰবন্ধ প্ৰকাশ হয়। তাৰে 'সাহিত্যত জাত বিচাৰ' আৰু "জ্ঞান-মালিনী"ৰ ওপৰত সমালোচনাই প্ৰধান। ১৯১৭ চনত শিৱসাগৰত বহা সাহিত্য সভাত তেখেতে "কোৱা আৰু লেখা ভাষা" নাম দি এটা প্ৰবন্ধ পাঠ কৰে। কলেজীয়া অৱস্থাত লেখা আৰু বাঁহীত প্ৰকাশ হোৱা "জিনু আৰু ডালিমী" এটা উল্লেখযোগ্য প্ৰবন্ধ। অসমীয়া সাহিত্যিকক বৰকাকতীৰ এই প্ৰবন্ধৰ বিষয়ে বেলেগে পৰিচয় দিবৰ প্ৰয়োজন নাই। বেজবৰুৱাই বৰকাকতীলৈ লেখিলে —"ইমান দিনৰ মূৰত ডালিমীক বুজা আৰু বুজিবলৈ চেষ্ট কৰা অন্ততঃ এজনক পাই সন্তোষ পালোঁ।"

অকল প্ৰবন্ধ বা কৱিতা লেখাই নহয়, হাইস্কুলীয়া অৱস্থাৰপৰাই বৰকাকতীয়ে বিশেষভাৱে গভীৰ অধ্যয়নত মনোনিৱেশ কৰি আছিল। হাইস্কুলীয়া অৱস্থাৰপৰাই বৰকাকতীয়ে বিবেকানন্দ আৰু ৰবীন্দ্ৰনাথৰ গ্ৰন্থৰাজি গভীৰভাৱে অধ্যয়ন কৰিছিল আৰু তেওঁলোকৰ প্ৰতি তেওঁৰ আসক্তি দৃঢ় হৈছিল। তেখেতে নিজেই লেখিছে ঃ—"হাইস্কুলৰ ২য় শ্ৰেণীৰ (৯ম শ্ৰেণী) পৰাই মই স্বামী বিবেকানন্দৰ Vadanta Philosophy ৰ বক্তৃতাবোৰ পঢ়ি সোৱাদ পোৱা হৈ এক ৰকম এটা দাৰ্শনিকেই হৈ পৰিছিলোঁ। এনেতে ৰবীন্দ্ৰনাথৰ সাহিত্যৰ সোৱাদে আহি যেন সোণত সুৰগা চৰাইছিল।......" এই বিবেকানন্দ আৰু ৰবীন্দ্ৰনাথৰ প্ৰভাৱে বৰকাকতীৰ সাহিত্যিক জীৱনত এক গভীৰ ৰেখাপাত কৰি আছে। এই দুজনৰ প্ৰথমজন হ'ল ভাৰতীয় চিন্তাধাৰাৰ প্ৰতীক, ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ নতুন অথচ প্ৰকৃত পৰিচয়দাতা আৰু দিগ্ দৰ্শনকাৰী, আনজন (ৰবীন্দ্ৰনাথ) হল মহান ভাৰতীয় শিল্পী, সংস্কৃতিৰ ৰূপদানকাৰী আৰু সুন্দৰৰ পূজাৰী। বিবেকানন্দই দিলে বৰকাকতীৰ অন্তৰত ভাৰতীয় ঐতিহ্যৰ প্ৰতি এটা মোহ, এটি শ্ৰদ্ধা, উপনিষদ আৰু বেদান্তৰ প্ৰতি এটি তৃষ্ণা আৰু ৰবীন্দ্ৰনাথে দিলে তাৰোপৰি এটি শিল্পীসুলভ দৃষ্টিৰূপ সৃষ্টিৰ এটি আকাঙ্ক্ষা। কিন্তু এয়া সূচনাহে।

সাহিত্য চৰ্চ্চা, সুন্দৰৰ স্পৃহা আৰু সত্যৰ অন্বেষণৰ স্পৃহা যদিও অসমতেই প্ৰথম কৱিৰ অন্তৰত অঙ্কুৰিত হয়, তথাপি ই বিশেষৰূপে কৱিৰ অন্তৰত পত্ৰে-পুষ্পে জাতিষ্কাৰ হৈ উঠিছিল কলিকতা মহা নগৰীতহে। কাকতীয়ে নিজেই কৈছে—"সুকুমাৰ কলা আৰু তত্বান্বেষণ এই দুটা কলিকতা মহা নগৰীৰ দান।" এই সম্পৰ্কে তেখেতে কৈছে যে কলিকতালৈ যোৱাৰ তেখেতৰ আনটো উদ্দেশ্য হৈছে মহানগৰীৰ বৃহৎ জীৱনৰ সংস্পৰ্শত এটি উদাৰ সংস্কৃতি লাভ কৰা আৰু বিস্তৃতভাৱে মানসিক উৎকৰ্ষ সাধন কৰা। এই বিষয়ে তেখেতে আকৌ কৈছে—"গুৱাহাটীৰ কলেজ এৰি কলিকতালৈ যোৱাৰ মোৰ দ্বিতীয় অভিপ্ৰায় বহুদূৰ সিদ্ধ হৈছিল। সাহিত্য-সেৱা মানে যদি কেৱল লেখাকে নুবুজায়, পঢ়াকো বুজায়, তেন্তে কওঁ লেখাতকৈ পঢ়াৰ ধাউতিটোহে মোৰ বেছি হৈছিল। মই স্কুলীয়া অৱস্থাৰেপৰা আধুনিক



অসমীয়া সাহিত্য এৰিও বঙলা সাহত্য ভালকৈ পঢ়িছিলোঁ আৰু তাক এক ৰকম ঐতিহাসিক ভেটিত থিয় হৈ জানিছিলোঁ।। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰামমোহন ৰায়ৰপৰা ধৰি বঙ্কিম, হেমচন্দ্ৰ, মাইকেল মধুসূদন, নবীনচন্দ্ৰ, গিৰীশচন্দ্ৰ, ডি-এল ৰায় আৰু ৰবীন্দ্ৰনাথ সেই কলেজৰ কালত মোৰ কোনো অচিনাকি নাছিল।"

কলিকতালৈ আহিয়েই তেখেতে বিখ্যাত বক্তা সুৰেন্দ্ৰনাথ বেনাৰ্জ্জী, বিপিনচন্দ্ৰ পাল, দেশবন্ধু চিত্তৰঞ্জন দাস আদিৰ বক্তৃতা শুনিবলৈ পায়। এওঁলোকৰ বক্তৃতাই বৰকাকতীৰ অন্তৰত ভাৰতীয় ভাবৰ চেতনা সঞ্চাৰ কৰিছিল। তদুপৰি বিশ্ববিদ্যালয়ৰ ৰত্ন স্বৰূপ ৰামেন্দ্ৰসুন্দৰ ত্ৰিৱেদী, জে-এল বেনাৰ্জ্জী আৰু স্বয়ং ৰবীন্দ্ৰনাথৰ বক্তৃতা শুনিবলৈ পাইছিল। কলিকতাত থকা কাল ছোৱাত তেখেতৰ অসমীয়া আদৰ্শস্থানীয় আৰু বন্ধুসকলৰ ভিতৰত আছিল সাহিত্যৰথী বেজবৰুৱা, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, শ্ৰীপদ্মধৰ চলিহা আৰু শ্ৰীবেণুধৰ শৰ্ম্মা আদি লোকসকল। এফালেদি চিন্তা-জগতত কলিকতাত নতুন ভাৱৰ লগত পৰিচয় হোৱাৰ উপৰিও, বেজবৰুৱা প্ৰমুখ্যে এই অসমীয়া সাহিত্যিকসকলে বৰকাকতীৰ চিন্তাশীল মনক অসমীয়া সংস্কৃতিৰ লগত জড়িত কৰি দিলে। বৰকাকতীয়ে বেজবৰুৱা দেৱৰ বিষয়ে কোৱা কথায়েই এই কথাৰ প্ৰমাণ দিয়ে। "কলিকতালৈ গৈ অসমীয়া সাহিত্যৰথী পুজনীয় বেজবৰুৱাদেৱৰ লগত পৰিচয় হয়। বন্ধ হলে হাওড়াৰ ৰ'জ মেৰী লেনত থকা তেখেতৰ ঘৰলৈ গৈ তেখেতৰ অকুৱন্ত সঙ্গসুখ উপভোগ কৰা সেই সময়ত অন্তৰত এটা বিশেষ স্পৃহা আছিল। মহাপুৰুষ শঙ্কৰদেৱৰ তিথিত বেজবৰুৱা ডাঙৰীয়াই কলিকতাত থকা সকলো অসমীয়া ছাত্ৰকে মাতি নি নিজে ভোৰ-তাল বজাই গীত, ভটিমা, টোটয় গাই মাহ-চাউল প্ৰসাদ বিলাই দি পালন কৰা তিথি-উৎসৱৰ স্মৃতিয়ে আজিও মনত জাতীয় গৌৰৱৰ ধ্বজা বেজবৰুৱালৈ মূৰ দোঁ-খুৱাই নিয়ে।"

কলিকতাত থকা কালত ৺ লোহিতচন্দ্ৰ ভূঞা দেৱৰদ্বাৰা প্ৰকাশিত আৰু ৺ হেমচন্দ্ৰ গোস্বামীৰদ্বাৰা সম্পাদিত "অৰুণ"ত তেখেতৰ 'মাতৃভাষা' 'ধুনীয়া' আদি কেইবাটাও শিশু-কৱিতা প্ৰকাশ হৈছিল।

১৯১৮ খৃষ্টাব্দৰপৰা ১৯১৯ খৃষ্টাব্দলৈকে পূৰা এবছৰ নগাঁৱত কেৱল সাহিত্য চৰ্চ্চা কৰিয়েই তেখেতে কটাইছিল। তেখেতৰ শিক্ষা-গুৰু ৺ ৰামেশ্বৰ বৰুৱা কাব্যতীৰ্থ ৺ কনকচন্দ্ৰ শৰ্ম্মা, নাট্য-গীতি-কৱি ৺কমলানন্দ ভট্টাচাৰ্য্য আৰু মোছলেহ উদ্দিন আহমদ প্ৰভৃতিৰ সহায়ত নগাঁৱত অঃ ভাঃ উঃ সাঃ সভা স্থাপন কৰি পূৰা এবছৰ কাল, তেখেতৰ ভাষাতেই কবলৈ গ'লে "সাহিত্য চৰ্চ্চাৰ এটা বিৰাট আৱহাৱাৰ সৃষ্টি হৈছিল।" অঃ ভাঃ উঃ সাঃ সভাৰ বাৰ্ষিক উৎসৱত অভিনয় কৰিবৰ কাৰণেই তেখেতে 'আলাপ' বোলা সৰু পুথিখনি ৰচনা কৰিছিল। এই পুথিখনি তেখেতৰ বন্ধু শ্ৰীশুকদেৱ গোস্বামীয়ে প্ৰকাশ কৰিছিল। বোধহয় তেখেতৰ প্ৰকাশিত পুথিৰ ভিতৰত এই আলাপেই প্ৰথম। এই আলাপৰ বিষয়ে তেখেতে লেখিছে যে "আলাপ এটা ডাইলগ, তাত কৱিয়ে এজন অকৱি কাব্যস্বাদীৰ লগত আলাপ কৰাৰ ছলতে দেখুৱাবলৈ গৈছে যে বিশ্বজগতৰ পৰশত কৱিৰ মনোবীণাত যি ঝঙ্কাৰ উঠে, সেয়ে কাব্য।"

আগতেই কৈ আহিছোঁ যে কলিকতাতেই বিপিন পাল, চিত্তৰঞ্জন দাস সুৰেন্দ্ৰনাথ বেনাৰ্জ্জী আৰু সৰ্ব্বশেষত মহাত্মা গান্ধী আদিৰ বক্তৃতাই তেখেতৰ অন্তৰত জাতীয় চেতনাৰ সঞ্চাৰ কৰিছিল। এই জাতীয় চৈতন্যই তীব্ৰ ৰূপ লোৱাৰ মূলত আছিল তেখেতৰ বন্ধু চন্দ্ৰনাথ শৰ্ম্মা। কলিকতাৰপৰা জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ ঘৰলৈ উলটি আহিছিল স্বাধীন মনোভাৱতে জীৱনৰ পাতনি তাৰিবলৈ। কিন্তু

বৰকাকতীৰ পিতৃদেৱ আছিল চৰকাৰৰ কামত আৰম্ভ হৈ মৌজাদাৰৰ বিষয় বাব খোৱা লোক। তেখেতৰ ইচ্ছা আছিল নিজাকৈ এটি প্ৰেছ লৈ সম্পূৰ্ণভাৱে এটি সাহিত্যিক আৰু ৰাজনৈতিক জীৱন অতিবাহিত কৰা। তেখেতৰ মৃত্যুৰ আগলৈকো এই আকাঙ্ক্ষা মনৰপৰা আঁতৰি যোৱা নাছিল। এই জাতীয় চেতনাৰ মূলতেই তেখেতৰ দেশপ্ৰেমমূলক কৱিতাবিলাক। তেখেতৰ দেশপ্ৰেমমূলক সাহিত্যৰ ভিতৰত অসম তথা ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰবন্ধও ভালেখিনি আছে। কলিকতাৰপৰা ঘৰলৈ আহি ১৯২২ চনত তেখেতে মহাত্মা গান্ধীৰ 'হিন্দ্ স্বৰাজ'খন ভাঙনি কৰি প্ৰকাশ কৰে। ইয়াৰ বাবে বেজবৰুৱাই তেখেতক বাঁহীৰ পাতত প্ৰশংসা কৰে। গান্ধীৰ প্ৰতি তেখেতৰ অসীম ভক্তি আৰু শ্ৰদ্ধা আছিল যদিও গান্ধীৰ লগত অহিংস মতবাদ সম্পৰ্কে বৰকাকতীৰ মিল নাছিল। বৰকাকতীয়ে ৰাজনৈতিক ক্ষেত্ৰত সম্পূৰ্ণ অহিংস মতবাদ আৰু পাছলৈ হোৱা বিভাজন, এই দুটা কোনো দিনেই সমৰ্থন কৰা নাছিল। গান্ধীৰ লগত যে তেখেতৰ মত অমিল সেই বিষয়ে তেখেতে ব্যক্তিগত আলোচনাৰ উপৰিও অন্য স্থানত প্ৰকাশ কৰি গৈছে। ৰাজনৈতিক মতবাদত তেখেত বহু পৰিমাণে পণ্ডিত মদনমোহন মালব্য আদিৰ লগত এক আছিল। সি যি নহওক, স্বাধীনতা লাভৰ পিছতো তেখেতে পুনৰ ৰাজনৈতিক জীৱনৰ পাতনি তৰিবৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল, কিন্তু ৰাজনৈতিক চক্ৰান্তত সি হৈ নুঠিল। তদুপৰি স্বাধীনতা লাভৰ পিছৰপৰা ৰাজনৈতিক, সামাজিক নানান দিশত দেখা দিয়া দেশৰ নৈতিক অধঃপতনে তেখেতক অতিশয় পীড়া দিছিল। সেই কাৰণেই তেখেতে কিছুমান ব্যঙ্গ আৰু হাস্য ৰসাত্মক প্ৰবন্ধ লেখিছিল। তেখেতে হেমচন্দ্ৰ বৰুৱা, বেজবৰুৱা আদিৰ দৰে নিভাঁজ অসমীয়া লেখাৰ পক্ষপাতী আছিল। সেয়েই ৰচনা প্ৰণালীৰ ওপৰতে আক্ৰমণাত্মক হাস্য আৰু ব্যঙ্গ ৰসাত্মক কিছুমান প্ৰবন্ধ তেখেতে প্ৰকাশ কৰিছিল।

শেৱালি কৱিৰ আন এটা বৈশিষ্ট্যপূৰ্ণ দিশ হ'ল তেখেতৰ ভাৰতীয় চিন্তাধাৰাৰ লগত থকা গভীৰ পৰিচয়টো। ভাৰতীয় উপনিষদবোৰৰ লগত বৰকাকতীদেৱৰ গভীৰ পৰিচয় আছিল। তেখেতৰ কিছুমান কৱিতা বিশ্লেষণ কৰি চালে দেখা যায় যে তেখেত কেৱল এজন কৱি দাৰ্শনিকেই নহয়, এজন যথাৰ্থ দাৰ্শনিকো আছিল। ১৯৫৯ চনৰ জানুৱাৰী মাহত দিল্লীৰ আকাশ বাণীৰ দিল্লী কেন্দ্ৰত অনুষ্ঠিত জাতীয় কৱি সম্মিলনত বৰকাকতীয়ে পাঠ কৰা 'গান্ধী-তৰ্পণ' আৰু সংস্কৃতত লেখা শ্ৰীচি-ডি দেশমুখৰ 'ৰবীন্দ্ৰ বন্দনা' এই কৱিতা দুটা শ্ৰেষ্ঠ প্ৰতিভাৰ নিদৰ্শন বুলি ঘোষিত হৈছিল। বৰকাকতীৰ এই কৱিতাটি ভাৰতীয় সকলো ভাষালৈকে অনূদিত হৈছিল। দেশমুখে তেখেতৰ এই কৱিতা শুনি মন্তব্য কৰিছিল—কৱিতাটো যেন বেদান্ত দৰ্শনৰ ভাষ্যহে। বৰকাকতীৰ বহুতো কৱিতা দাৰ্শনিকৰ বুদ্ধি-দীপ্ত আভাৱে ৰঞ্জিত বুলিয়েই সাধাৰণ শ্ৰেণীৰ পাঠকৰ বোধগম্য নহয়। তেখেত মুখ্যতঃ প্ৰেমৰ কৱি যদিও প্ৰেমেই বিৰাট বা ভূমাৰ প্ৰেমৰ স্পৃহা অন্তৰত জগাই দিছিল। সেয়ে তেখেতৰ কৱিতাত এটা ৰহস্যবাদী বা আধ্যাত্মিক দিশ প্ৰৱলভাৱে আছে। শেৱালিৰ বহুতো কৱিতাত বেদান্ত দৰ্শনৰ তথ্য নিহিত আছে। উপনিষদৰ কাহিনীক অবলম্বন কৰি ৰচনা কৰা 'অলকা' নামৰ পাঁচ অঙ্কীয়া নাটকখনত বৰকাকতীৰ দাৰ্শনিক আৰু সাহিত্যিক প্ৰতিভাই অপূৰ্ব্ব সফলতা লাভ কৰা দেখা গৈছে। ইয়াৰ উপৰিও ৰবীন্দ্ৰ দৰ্শন, উপনিষদৰ ভাৱ বিশ্লেষণ কৰা বহুতো প্ৰবন্ধ প্ৰকাশিত আৰু অপ্ৰকাশিত অৱস্থাত আছে। মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত ভাগৱতী বৈষ্ণৱ ধৰ্ম্মক দাৰ্শনিক





দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰি চোৱাসকলৰ ভিতৰত বৰকাকতীও অন্যতম।

দৰ্শনৰ কথা কবলৈ গলেই আমাৰ মনলৈ আহে ভাৰতৰ মধ্যযুগৰ আধ্যাত্মিকতাৰ কথা, যিয়েই পাৰ্থিৱ জগতৰ প্ৰতি মনলৈ আনি দিয়ে এটা সন্ন্যাস বা বৈৰাগ্যৰ ভাৱ। মধ্যযুগৰ এই দৰ্শনে ভাৰতীয়-সকলৰ অন্তৰত এটি বৈৰাগ্যৰ ভাৱ গঢ়ি তুলিছিল বুলি নানা পণ্ডিতে মত পোষণ কৰি আহিছে আৰু ভাৰতবৰ্ষৰ ৰাজনৈতিক অধঃপতনৰ কাৰণে এই ভাৱকেই প্ৰধানতঃ দায়ী কৰিব খোজে। বৃটিছ আগমনৰ লগে লগে অন্তৰ্মুখী আৰু বহিৰ্মুখী পাশ্চাত্যৰ ভাৱৰ সজ্ঘৰ্ষৰ সৃষ্টি হল। স্বামী বিবেকানন্দই উপনিষদ আৰু বিজ্ঞানৰ সমন্বয় ঘটালে। ৰবীন্দ্ৰনাথে বৈৰাগ্য মনোভাৱৰ বৈপ্লৱিক পৰিবৰ্ত্তন আনিলে। অসমীয়া কৱিসকলৰ ভিতৰত বৰকাকতীৰ ওপৰতেই ৰবীন্দ্ৰনাথৰ প্ৰভাৱ অধিক। বৰকাকতীয়ে ৰবীন্দ্ৰনাথক ভাল পাইছিল যেনেকৈ, তেখেতক খৰচি মাৰি জানিছিলো ঠিক তেনেকৈয়ে। দৰ্শন অধ্যয়ন আৰু ৰবীন্দ্ৰনাথৰ প্ৰভাৱ ইয়াৰ ফলতেই আমি এহাতে পাইছো বৰকাকতীৰ সাহিত্যত দৰ্শন আৰু আন ফালেদি প্ৰাচ্য-পাশ্চাত্যৰ মিলন। অসমীয়া সাহিত্য-কাননত প্ৰাচ্য-পাশ্চাত্যৰ মিলন-ভূমিৰ, ৰোমাণ্টিক নভোমণ্ডলত বৰকাকতী বিংশ শতাব্দীৰ দ্বিতীয় দশকৰপৰা সপ্তম দশকলৈকে এটি উজ্জ্বল জ্যোতিষ্ক।

ৰবীন্দ্ৰনাথৰ প্ৰভাৱ সম্পৰ্কে কথা ওলালেই আৰু অলপমান কথা কবৰ প্ৰয়োজন হয়। ৰবীন্দ্ৰনাথৰ প্ৰভাৱ পৰাৰ কাৰণে কোনো কোনো সময়ত বৰকাকতীক কোনো কোনো সাহিত্যিকে উপেক্ষা কৰিছিল আৰু তেখেতৰ প্ৰতিভাক অৱহেলাও কৰিছিল। শেৱালি কৱিয়ে কিন্তু তাৰ বাবে গৌৰৱ বোধ কৰিছিল। "ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ কৱিজনে কৱিক প্ৰভাৱান্বিত কৰাটো একো বেয়া কথা নহয়।" ইয়াৰ দ্বাৰাই অসমীয়া সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধিহে হ'ল। বিশেষতঃ সমসাময়িক ভাৱেই এই বিশ্ব-কৱি জনৰ ভাৱাদৰ্শেৰে আমাৰ অসমীয়া সাহিত্য বহুত আগুৱাই গ'ল। ইয়াৰ বাবে প্ৰধানকৈ আৰু প্ৰথমেই বৰকাকতীৰ ওচৰত হে অসমীয়া সাহিত্য ঋণী। ভাৱ, ভাষা আৰু বিশেষকৈ ছন্দেৰে বৰকাকতীয়ে অসমীয়া সাহিত্যত এক অতুলনীয় স্থান দখল কৰি আছে। তেখেতৰ ছন্দই কেইবাজনো কৃতী অসমীয়া সাহিত্যিকক প্ৰেৰণা যোগাইছে।

অসমীয়া সাহিত্যত সমালোচকৰ সংখ্যা তেনেই নগণ্য। সমালোচক হিচাপে আগবাঢ়িব পৰা ক্ষমতাও বৰকাকতীৰ যথেষ্ট আছিল। কিন্তু এই ক্ষেত্ৰত বৰকাকতী বিশেষভাৱে আগবাঢ়ি নগ'ল। তেখেতৰ কলেজীয়া জীৱনতে প্ৰকাশ হোৱা হাতৰ আঙুলিৰ মূৰত লেখিব পৰা যি কেইটা সমালোচনামূলক প্ৰবন্ধ আৰু আন দাৰ্শনিক প্ৰবন্ধ আছে, সেইবোৰে বৰকাকতীৰ সমালোচনাৰ দক্ষতা ভালকৈয়ে প্ৰতিপন্ন কৰে। আধুনিক বা বাস্তৱবাদী সাহিত্যৰ বিষয়ে বৰকাকতীৰ যুক্তিসঙ্গত অভিমত আছে আৰু সেইবিলাকৰ কিছুমান ইতিমধ্যে প্ৰকাশো হৈছে। কৱি হিচাপেও তেখেতে 'চন্দ্ৰহাৰ'ত সন্নিৱিষ্ট 'নতুন কৱিতা', 'বস্তু কত' 'বস্তু যত' 'কৱিৰ চন্দ্ৰ' আদি কৱিতাত ইয়াৰ সমুচিত উত্তৰ দান কৰিছে।

আমি আগতে কৈ আহিছো, ৰবীন্দ্ৰনাথে মধ্যযুগৰ বৈৰাগ্য ভাৱৰ বৈপ্লৱিক পৰিবৰ্ত্তন আনিলে। বৰকাকতীৰ কথাৰেই কোৱা যাওক। "ৰবীন্দ্ৰনাথৰ মানৱীয় প্ৰেম আৰু ঐশ্বৰিক প্ৰেমৰ এটা সুনিৰ্দ্দিষ্ট সীমাৰেখা নাই। ৰবীন্দ্ৰনাথে বৈষ্ণৱ কৱিৰ দৰে এটা প্ৰাপ্তুতত্ত্ব লৈ ঈশ্বৰ প্ৰেম, কৃষ্ণ প্ৰেম আৰম্ভ কৰা নাই। ৰবীন্দ্ৰনাথে আৰম্ভ কৰিছে মানুহৰ জীৱন মানুহৰ প্ৰেমেৰেই, প্ৰকৃতিৰ সৌন্দৰ্য্য, প্ৰকৃতিৰ প্ৰেম আৰু মানুহৰ জীৱনৰ ভিতৰেদিয়েই ৰবীন্দ্ৰ কাব্যত

চলিছে অপ্ৰাপ্তৰ প্ৰাপ্তিৰ সন্ধান এটা।" বৰকাকতীৰ কৱিতাৰ ধাৰাতো এই কথাই খাটে। মানৱীয় প্ৰেম আৰু প্ৰকৃতিৰ সৌন্দৰ্য্যই আমাৰ কৱিক অপ্ৰাপ্যৰ' প্ৰাপ্তিৰ সন্ধানত বাউল কৰিছিল। মুঠতে শেৱালি কৱিৰ কাব্যিক ভাৱৰ ৰোমাঞ্চকৰ দিশটিও ধুনীয়া। তেখেতক কাব্যিক প্ৰেৰণাৰ কথা সোধোতে এদিন হাঁহি মাৰি কৈছিল—'অ' সেইবোৰ ৰোমাঞ্চকৰ কথা, এতিয়া সেইবোৰ কি কম?" এই বুলি চন্দ্ৰহাৰৰ কৱিতা এটি পঢ়ি শুনালে—

"মোৰ কৱিতা নহয় ধুনীয়া যিমান
ধুনীয়া যিমান হে প্ৰিয় তোমাৰ
নবীন নৱনী নিন্দিত কৰি
উঠলি, উঠে সি ৰূপৰ কায়া।
যৌৱন জল কৰি টলমল
ধৰাতে সাৱটি আনন্দে আপুনি
অঙ্গ পৰশত
লাজ পাই যেন
আঁতৰি যোৱা (কৱিপ্ৰিয়াৰ সৌন্দৰ্য্য)

শেৱালিৰ দুই এটা কৱিতাত এই ৰোমাঞ্চৰ ইঙ্গিত দিছে—

নাছিল ধুমুহা নাছিল বতাহ
আছিল থিৰ
তেতিয়া জীৱন মৃদুল মধুৰ
বায়ুত ধীৰ।
* *
এনেতেই তুমি উদিলাযে হাঁহি
কৰপৰা যেন বতাহত ভাহি
কৰপৰা কিয় নজনাকৈ
গালাহি গান?
তেতিয়া কৈশোৰ প্ৰশান্ত সাগৰ
জোৱাৰ নউ
এনেতে তুমি আহি অকস্মাত
তুলিলা ঢউ॥ (তেতিয়া)—এই ঢৌৰ

প্ৰতিক্ৰিয়াও কৱিৰ অন্তৰত গভীৰ আৰু এই ঢৌৱেই যেন কৱিৰ স্মৃতি-সঁফুৰাত সঞ্চিত ৰাখিছিল—সৰল আৰু গৰল উভয়কে। সেয়েই আমি পাৰ্থিৱ জীৱনত কৱিক দেখিছিলোঁ। হঠাৎ পাৰ্থিৱ বিচ্ছেদ-জ্বালাত মুহ্যমান, আনহাতেদি কৱিৰ স্মৃতি-সঁফুৰাত সঞ্চিত এটি সোণৰ সপোনত হঠাতেই আনন্দাপ্লুত; এই বিচ্ছেদেই কৱিক বহল বিশ্বলৈ লৈ গ'ল। এই প্ৰেম আৰু সৌন্দৰ্য্য-তৃষ্ণাই তেখেতক সৰ্ব্বৰূপৰ প্ৰেম সৌন্দৰ্য্য বা চিৰ-সুন্দৰৰ সন্ধানত ব্যাকুল কৰালে। বেদান্তৰ 'সৰ্ব্বং খল্বিদং ব্ৰহ্ম' তত্ত্বই কৱিৰ প্ৰেমৰ বাজ্যত ভুমুকি মাৰি অপ্ৰাপ্য-প্ৰাপ্তিৰ সন্ধান দিলেহি। নোপোৱাৰ বেদনাত মুমূৰ্ষু হৈ এখোজ দোখোজ কৰি হাতত লাঠীডাল লৈ আগুৱাই গৈ থকা কৱিৰ মুখত আকৌ হঠাতে হাঁহিৰ ৰেঙণি এটা দেখি আমি হয়তো আচৰিত হৈছিলোঁ, কিন্তু কৱিয়ে ইয়াতো তেতিয়া ভাবিছিল—

"এতিয়া নাই আকাৰ তোমাৰ
সৰ্ব্ব বিয়পি গলা
স্বৰূপতে এতিয়া তোমাক
পিন্ধাম ডিঙিৰ মালা॥"
সউ নীলিমাৰ মাধুৰী মুখত
এতিয়া তোমাৰ পাম দৰিশন
মধু বসন্তৰ মৃদুল হিল্লোল
পশিব তোমাৰ প্ৰিয় পৰশন।
* * *
সৰ্ব্ব ৰূপতে এতিয়া তোমাক
পিন্ধাম ডিঙিৰ মালা,
কত ৰূপে তুমি চিৰৰহস্য
খেলিব খুজিছা খেলা।
(সৰ্ব্বৰূপত) (১৯১৭)

সঙ্গীত চৰ্চ্চাৰ নামত আত্মপ্ৰকাশৰ ফুলজাৰি কোবোৱা ভাল নেপায় যদিও বৰকাকতীয়ে সঙ্গীত ভাল



পাইছিল আৰু বহুত কৱিতা গীত কৰি গাবৰ কাৰণে ৰচনা কৰিছিল। বৰকাকতীৰ জীৱনৰ আন এটা ৰহস্যময় দিশ হল যে তেখেতে কটকটীয়া বিধিৱদ্ধতাৰ শৃঙ্খলিত জীৱন ভাল নেপাইছিল। সেইদৰেই তেখেতে বৈষয়িক জীৱনৰ লাভ লোকচানৰ কড়া গণ্ডা, কাক্ তিলৰ হিচাপী লোকো নাছিল। কটন কলেজৰ কট্‌কটীয়া শাসনেই তেখেতক কলিকতালৈ যাবলৈ বাধ্য কৰাইছিল বুলি তেখেতে লেখিছে। কলিকতাত মিনাৰ্ভা থিয়েটাৰত হোৱা থিয়েটাৰ আৰু চিনেমা চাবলৈ তেখেতে পঢ়াকো উপেক্ষা কৰি সততেই গৈছিল। বৈষয়িক জীৱনতো তেখেত কোনো দিনেই শৃঙ্খলিত নহল আৰু এইদৰে শৃঙ্খলিত নোহোৱাকৈয়ে তেখেতে মুক্তি লাভ কৰিলে। শেৱালিত সন্নিৱিষ্ট 'কিয়' কৱিতাত তেখেতৰ জীৱনৰ এই দিশটোৰ কৈফিয়ৎ দি থৈ গৈছে। ইংৰাজ কৱি ডেভিচৰ নিচিনাকৈয়ে তেখেতে কৰ্ম্মৰদ্বাৰাই জীৱনক আচ্ছন্ন কৰি ৰখা ভাল নেপাইছিল। অৱশ্যে ইংৰাজ কৱিতকৈ তেখেতৰ ভাৱ বেচি তথ্য-গধুৰ। ডক্টৰ কাকতীয়েও "আলোচনী"ত প্ৰকাশ হোৱা এই 'কিয়' নামৰ কৱিতাটো প্ৰশংসা কৰি বৰকাকতীক সম্ভাষণ জনাইছিল।

'কিয়' কৱিতাত তেখেতে লেখিছে—

যদি কামেই মোৰ কেৱল কৰ্ম্ম
কামেই মোৰ কেৱল ধৰ্ম্ম
কামেই ধৰাৰ প্ৰাণ,
কিয় তেন্তে জগত জুৰি
বাজে ইমান গান? (কিয়)

আজি শেৱালি কৱি আমাৰ মাজত নাই, কিন্তু অসমৰ সাহিত্য-কাননত শেৱালিৰ সৌৰভ বিয়পি আছে। বৈষয়িক জীৱনৰ কথা কব নোৱাৰোঁ, কিন্তু শেৱালি কৱিৰ সাহিত্যিক জীৱনে পৰিপূৰ্ণতা লাভ কৰি বিজয়ৰ গৌৰৱ-মুকুট পৰিধান কৰি মৃত্যুক উপেক্ষা কৰি বিশ্ব-সৌন্দৰ্য্যত বিলীন হৈ গ'ল। তেখেতৰ চিন্তাৰ ধাৰা, সাহিত্য চৰ্চ্চাৰ গতি আৰু জীৱনৰ আদৰ্শ আৰু নীতিয়ে বাট-সলনি কোনো দিনেই নকৰিলে। তেখেতৰ জীৱন আৰু কাব্য যেন একেডাল সৰল ৰেখা। ৰবীন্দ্ৰনাথৰ কাব্য সম্পৰ্কে তেখেতে কোৱাৰ দৰে আমিও কব পাৰোঁ যে তেখেতৰ জীৱন আৰু কাব্যৰ আছিল "একেটা গতি, একেটা ক্ৰিয়া আৰু একেটা পৰিণতি"।

অসমীয়া লিপি প্ৰশ্নই অসমীয়া সাহিত্যিকসকলৰ মাজত যথেষ্ট বিভ্ৰাটৰ সূচনা কৰিছিল। এই বিষয়ে বৰকাকতীয়ে তেখেতৰ নিজস্ব সুস্থিৰ মত দাঙি ধৰিছিল। তেখেতৰ মত ভাৰতৰ বিখ্যাত ভাষাবিদ্ পণ্ডিত ডক্টৰ শ্ৰীসুনীতিকুমাৰ চট্টোপাধ্যায়েও সমৰ্থন কৰিছিল। বৰকাকতীৰ মতে ভাষাৰ বিকাশ ৰীতি আৰু নিজস্ব বৈশিষ্ট্যৰ লগত লিপিৰ ঘনিষ্ঠ সম্পৰ্ক। এই সম্বন্ধ স্বাভাৱিক। এটা ভাষাক অইন এটা ভাষাৰ লিপি জাপি দিয়াটো অস্বাভাৱিক কথা। ই ভাষাটোৰ নিজস্ব বৈশিষ্ট্য আৰু বিকাশ-ৰীতিৰ হানি কৰিব। তদুপৰি বৰকাকতীয়ে কয় যে অসমীয়া লিপিৰ লগত বঙালী লিপিৰ সাদৃশ্য থাকিলেও তাৰ বাবে অসম শঙ্কিত হোৱাৰ কাৰণ নাই, কাৰণ এই লিপি আৰু ভাষাৰ ক্ৰমবিকাশৰ ধাৰাটো প্ৰথমতে অসমীয়া, তাৰ পাচতহে বঙালী।

## বৰকাকতীৰ ৰচনাসমূহ

বৰকাকতীৰ কাব্যিক প্ৰতিভা আৰু গভীৰ অধ্যয়ন-পুষ্ট মনৰপৰা ৰূপ লোৱা গ্ৰন্থসমূহ হল—(১) আলাপ (২) শেৱালি (৩) চন্দ্ৰহাৰ (৪) মন্দাৰ (৫) মইনা পাৰিজাত (৬) হিন্দ স্বৰাজ (৭) শঙ্কৰ সোঁৱৰণি (৮) উপনিষদৰ সৌন্দৰ্য্য (৯) অলকা (১০) সুৰা (১১) গান্ধী সাক্ষাত আৰু আন আন প্ৰবন্ধ (১২) বোলৰ পোহৰ (১৩) তৰ্পণ (১৪) সাহিত্য (১৫)

Our Script Question (১৬) পুথি-ভঁৰাল (১৭) ৰাজনৈতিক আলোচনাৰ প্ৰবন্ধৰাজি (১৮) শকুন্তলা (১৯) মাৰ্চেণ্ট অব ভেনিচৰ অসম্পূৰ্ণ ভাঙনি (২০) চৰাই চিৰিকতিৰ বিবাহ পদ্ধতি। এইবিলাকৰ বাহিৰেও তেখেতৰ বিভিন্ন সমালোচনামূলক আৰু গভীৰ তথ্যপূৰ্ণ প্ৰবন্ধ পাতি বিভিন্ন আলোচনীত সিঁচৰিত হৈ আছে। আজি ভালেদিনৰ আগৰপৰা বৰকাকতীদেৱে অসমীয়া ৰচনাশৈলী আৰু বিশেষকৈ ৰাজনৈতিক কাৰ্য্য-কলাপ আৰু চিন্তাধাৰাক কেন্দ্ৰ কৰি এলানি ব্যঙ্গ আৰু হাস্যৰস জড়িত প্ৰবন্ধ বিভিন্ন বাতৰি-কাকত আৰু আলোচনীত প্ৰকাশ কৰিছিল।

---

# শব্দ-শক্তি

**শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা**

শব্দ ভাষাৰ সম্পদ। শব্দৰ আধাৰতেই আমি কোনো ভাষাৰ সাহিত্য বুজিব পাৰোঁ আৰু ৰস লব পাৰোঁ। সাৰ্থক শব্দৰ সমুচিত সন্মিলনৰদ্বাৰা বাক্য ৰচিত হয় আৰু বাক্যই আমাৰ হৃদয়ানুভূতিৰ অভিব্যক্তিৰ দুৱাৰ মুকলি কৰি দিয়ে। গতিকে শব্দকেই ভাবাভিব্যক্তিৰ একমাত্ৰ সাধন বুলিব পাৰি। লেখক অথবা বক্তাৰ শব্দকোষ আৰব্য উপন্যাসৰ যাদু-বস্তিতকৈয়ো ক্ৰিয়াশীল ; ই মুহূৰ্ত্ততে পাথৰক মমৰ দৰে গলাব পাৰে, পানীক পাথৰত পৰিণত কৰিব পাৰে, দয়াক নিৰ্দ্দয়তাত, নিৰ্দ্দয়তাক দয়াত পৰিবৰ্ত্তিত কৰিব পাৰে, কৰ্ম্মণ্যক অকৰ্ম্মণ্য, অকৰ্ম্মণ্যক কৰ্ম্মণ্যত ৰূপান্তৰিত কৰিব পাৰে। সভ্যতাৰ ফেঁহুজালিৰেপৰা আজিলৈকে মানুহে যি জ্ঞান আৰু অভিজ্ঞতা লাভ কৰি আহিছে, সেই সকলোৱে মূলত শব্দৰেই এক অফুৰন্ত ৰহঘৰা নিহিত হৈ আছে। শব্দ লেখকৰ শক্তি, ব্যাকৰণৰ প্ৰাণ, ভাষাবিজ্ঞানৰ নিধি আৰু ভাষাৰ ক্ৰমিক বিকাশৰ ৰূপৰেখা। কোনো ভাষাৰ গাম্ভীৰ্য্য আৰু লঘুত্বৰ সন্ধান সেই ভাষাৰ শব্দাৱলীৰ অৱলোকনৰদ্বাৰা পাব পাৰি। যি কোনো সমাজ অথবা ৰাষ্ট্ৰৰ ইতিহাসাদিৰ বিষয়ে জানিবলৈ হলে সেই সমাজ বা ৰাষ্ট্ৰৰ ভাষাৰ জ্ঞানৰ আৱশ্যক আৰু ভাষাৰ জ্ঞান তেতিয়ালৈকে অসম্পূৰ্ণ যেতিয়ালৈকে সেই ভাষাত প্ৰযুক্ত শব্দৰ পূৰ্ণ জ্ঞান নহয়। শব্দৰ পূৰ্ণ জ্ঞান অৰ্জ্জনৰ কাৰণে শব্দ-শক্তিৰ তাৎপৰ্য্য উপলব্ধি কৰাটো প্ৰয়োজনীয়েই নহয়, অপৰিহাৰ্য্যও।

শব্দ-শক্তিৰ তাৎপৰ্য্য উদ্ঘাটন কৰিবলৈ যোৱাৰ আগতে আমি চাওঁ—শব্দ কি ? মহাভাষ্যকাৰ পতঞ্জলিৰ মতে প্ৰতীত পদাৰ্থক ধ্বনিয়েই শব্দ অৰ্থাৎ লোকত ব্যৱহৃত পদৰ অৰ্থৰ বোধক বৰ্ণাত্মক ধ্বনিসমূহেই শব্দ। সাধাৰণতে ধ্বনিমাত্ৰকেই শব্দ বোলা হয়, কিন্তু ভাষাত নিৰৰ্থক ধ্বনিৰ কোনো মূল্যই নাই। গতিকে সাৰ্থক ধ্বনিহে শব্দ বুলিব লাগিব।

নিজৰ মনোভাৱ আনৰ আগত নিয়াৰিকৈ প্ৰকাশ কৰিবলৈ আৰু আনৰ মনোভাৱ সম্যকৰূপে উপলব্ধি কৰিবলৈ ভাষা আমাৰ একমাত্ৰ অৱলম্বন। মনোভাৱ যথাযথ ভাৱে প্ৰকাশ কৰিবলৈ শব্দৰ আৱশ্যক; শব্দসমূহৰপৰাই বাক্য হয় আৰু বাক্যৰদ্বাৰাই আমাৰ মনোগত ভাৱ পূৰ্ণৰূপে ব্যক্ত কৰিব পৰা যায়। গতিকে এইটো স্বতঃসিদ্ধ যে যেনে ভাৱে আমি মনোভাৱ



প্ৰকট কৰিব খোজোঁ, তদনুৰূপ শব্দৰ যোজনা কৰাও আৱশ্যক। প্ৰত্যেক বক্তা বা লেখকে এইটো লক্ষ্য ৰখা উচিত—শব্দাৱলীৰ প্ৰয়োগ ঠিক ঠিক অৰ্থত হৈছে নে নাই, কিয়নো কেতিয়াবা এটি মাত্ৰ শব্দৰ অনুচিত প্ৰয়োগৰদ্বাৰা ঘোৰ অনৰ্থ হোৱা দেখা গৈছে। শব্দৰ সঠিক প্ৰয়োগ নহলে বক্তা বা লেখকে প্ৰকট কৰিব খোজা মনোভাৱ কেতিয়াও ব্যক্ত নহয়। এই নিয়ম লৌকিক আৰু বৈদিক দুয়ো বৰ্গৰ শব্দৰ ক্ষেত্ৰত প্ৰযোজ্য। কিয়নো 'ইন্দ্ৰশত্ৰু'ৰ উচ্চাৰণত স্বৰ-মাত্ৰৰ ? ত্ৰুটী হৈ যোৱাত বৃত্ৰাসুৰে যি কুফল ভুগিব লগীয়া হ'ল, সি ইতিহাস-প্ৰসিদ্ধ কথা। ব্যাকৰণৰ সাৰ্থকতাও ইয়াতেই যে আমি যাতে কেৱল দুষ্ট শব্দৰপৰা আঁতৰিয়েই নেথাকোঁ, নিৰ্দোষ শব্দৰো যথাস্থানত, উচিত স্থানত উপযোগ কৰিবলৈ শিকোঁ।

কিন্তু সৰহভাগ বক্তা বা লেখকৰে এই অত্যাৱশ্যকীয় কথাটোৰ প্ৰতি লক্ষ্য নাই। শব্দাৱলীৰ প্ৰয়োগ ঠিকমতে হৈছে নে নাই, নিজৰ মনোভাৱ আৰু বিচাৰ পাঠক বা শ্ৰোতাক হৃদয়ঙ্গম কৰোৱাত সি কিমানদূৰ সফল হৈছে, এই বিষয়ে নিচেই কমসংখ্যক লোকেহে চিন্তা কৰে। মনোবেগৰ তাড়নাত আমি প্ৰায়ে নিজৰ ভাষাৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব নোৱাৰোঁ ; পৰিণাম এয়ে হয় যে শ্ৰোতাই কেতিয়াবা বক্তাৰ উদ্দেশ্যৰ সঠিক ধাৰণা কৰিব নোৱাৰি অন্য কোনো ধাৰণা কৰি লয়। এই অনৰ্থৰপৰা হাত সাৰি থাকিবলৈ হলে ভাবি গুণি শব্দৰ প্ৰয়োগ কৰা উচিত—কোন শব্দ কত উপযুক্ত, কত অনুপযুক্ত, তালৈ সম্পূৰ্ণ লক্ষ্য ৰাখিব লাগে।

মানুহে যি ক্ষেত্ৰতেই পদাৰ্পণ নকৰক, মানুহৰ ব্যক্তিত্বৰ মূল্যাঙ্কন ভাষাৰ ওপৰত নিৰ্ভৰশীল। গতিকে যি ভাষাই গ্ৰহণ কৰা নহওক, তাৰ ওপৰত পূৰ্ণ অধিকাৰ থকা আৱশ্যক। সফল বক্তা বা লেখক সকলৰ ভাষালৈ লক্ষ্য কৰিলে দেখা যায় যে তাৰ এক এক শব্দ পৰম সাৰ্থক আৰু মূল্যৱান। কিয়নো সি ঠিক ঠিক অৰ্থৰ দ্যোতক। এনে শব্দক যদি যথাস্থানত ব্যৱহাৰ কৰা নহয় বা ওলট-পালট কৰি পেলোৱা হয়, তেন্তে সি ভাষাৰ সৌন্দৰ্য্য হানি নকৰাকৈ নেথাকে।

শব্দৰ সঠিক প্ৰয়োগ জানিবলৈ হলে শব্দৰ স্বতন্ত্ৰ শক্তিৰ লগত পৰিচিত হোৱা আৱশ্যক। অৰ্থৰ দৃষ্টিৰপৰা শব্দ বাচক, লাক্ষণক আৰু ব্যঞ্জক তিনি প্ৰকাৰ সেই ক্ৰমতেই শব্দৰ তিনি প্ৰকাৰ শক্তি আমি পাইছোঁ—অভিধা, লক্ষণা আৰু ব্যঞ্জনা। শব্দৰ অভিধা শক্তিয়ে তাৰ মুখ্যাৰ্থ বা সাঙ্কেতিক (?) অৰ্থক সূচায়। যেনে মনুষ্য শব্দৰ মুখ্যাৰ্থ এক বিশেষ জীৱ। 'অৰণ্যত মানুহ এজন দেখি মোৰ মুখলৈ পানী আহিল' বাক্যত মানুহ শব্দই নিজৰ অভিধা শক্তি বহন কৰিছে। শব্দ নিজৰ মুখ্যাৰ্থতেই সীমিত নাথাকে। সি প্ৰয়োজন বা প্ৰসঙ্গভেদে আৰু কোনো অৰ্থৰ বোধ কৰাব পাৰে। এই অতিৰিক্ত অৰ্থ কেতিয়াবা মুখ্যাৰ্থৰ লগত সম্বন্ধিত, কেতিয়াবা মুখ্যাৰ্থৰপৰা ভিন্ন হয়। যেতিয়া শব্দাৰ্থ ই মুখ্যাৰ্থক বোধ কৰে আৰু তাৰ লগত কোনো প্ৰকাৰে সম্বন্ধিত হয়, তেন্তে তাক লক্ষণা শক্তি (?) বোলা হয়।" কিন্তু যেতিয়া মুখ্যাৰ্থৰ লগত সেই অৰ্থৰ কোনো সম্বন্ধ নেথাকে, সি ব্যঞ্জনা শক্তি নাম পায়। উদাহৰণ স্বৰূপে 'মানুহ' শব্দ উভয় প্ৰকাৰ শক্তিৰ উদাহৰণত আহিব পাৰে। যেতিয়া আমি কওঁ, 'মোৰ মানুহটো বাহিৰত থিয় হৈ আছে' ; তেতিয়া ইয়াত মানুহ শব্দ নিজৰ সাঙ্কেতিক (?) অৰ্থতকৈ আগত, ইয়াৰ তাৎপৰ্য্য ভৃত্য। ভৃত্যও মানুহেই, ইয়াৰ মুখ্যাৰ্থৰ লগত সম্বন্ধ আছে। গতিকে ই লক্ষণা শক্তিৰ উদাহৰণ। কিন্তু যেতিয়া আমি কওঁ "তুমি মানুহ নহয়" তেতিয়া ইয়াৰ অৰ্থ এইটো নহয় যে তুমি মানুহ নামৰ জীৱ নোহোৱা,—তোমাত মানৱো-

# সাহিত্যৰ লক্ষণ

প্ৰিয়াংশু প্ৰবল উপাধ্যায়

( পূৰ্ব্বানুবৰ্ত্তী )

আচাৰ্য্য আনন্দবৰ্দ্ধনে এই কাৰণে ধ্বনিকেই সাহিত্যৰ অপৰিহাৰ্য্য উপাদান বুলি কৈছে। ধ্বনি বিৰহিত নিবন্ধক তেওঁ কাব্য-মৰ্য্যাদাত প্ৰতিষ্ঠিত কৰিবলৈ পৰাঙ্মুখ। তেওঁ ইয়াকে কাব্যৰ অনুকৰণ-ৰূপে বৰ্ণনা কৰিছে,—

‘ব্যঙ্গ্যস্যাৰ্থস্য প্ৰাধান্যে ধ্বনি সংজ্ঞিতকাব্য প্ৰকাৰঃ গুণ ভাবে তু গুণীভূতব্যঙ্গ্যতা। ততোঽন্যদ্ ৰস-ভাৱাদিতাৎপৰ্য্যৰিৰহিতং ব্যঙ্গ্যাৰ্থ বিশেষ প্ৰকাশ শক্তিশূন্যং চ কাব্যং কেবল-বাচ্য-বাচক বৈচিত্ৰ্যমাত্ৰা শ্ৰয়েন উপনিবদ্ধমালেখ্যপ্ৰখ্যাং যদা ভাসতেতচ্চিত্ৰম্। ন তন্মুখ্যং কাব্যম্। কাব্যানুকাৰোহ্যসৌ।’

( ধ্বন্যালোক ৩।৪১-৪২ )

যি কাব্যত বাচ্যাৰ্থতকৈ ব্যঙ্গ্যাৰ্থ ই প্ৰধান সেয়ে ‘ধ্বনিকাব্য’ আৰু সেয়ে উত্তমকাব্য। যি কাব্যত ব্যঙ্গ্যাৰ্থ বাচ্যাৰ্থতকৈ গৌণ, অৰ্থাৎ য’ত ব্যঙ্গ্যাৰ্থতকৈ বাচ্যাৰ্থৰ চমৎকাৰিতা বেচি, তাকেই গুণীভূত ব্যঙ্গকাব্য বোলা হয়; সেয়ে মধ্যম শ্ৰেণীৰ কাব্য। আকৌ, যি নিবন্ধ ৰস, ভাব প্ৰভৃতিৰ লগত সম্পৰ্কহীন, ব্যঙ্গাৰ্থ প্ৰকাশৰ শক্তি য’ত নাই আৰু কেৱলমাত্ৰ শব্দালঙ্কাৰ, অৰ্থালঙ্কাৰ প্ৰভৃতি বৈচিত্ৰ্যক আশ্ৰয় কৰি ৰচিত হয়, সেই কাব্য প্ৰাণহীন ছবিৰ দৰে প্ৰতিভাত হয়, সেয়ে চিত্ৰকাব্য তথা অধম শ্ৰেণীৰ কাব্য। অধিক কি, সেই কাব্যৰ সংজ্ঞাই নিৰৰ্থক; সি কাব্যৰ অনুকৰণ মাত্ৰ।

ধ্বনিবাদীসকলে বস্তু-ধ্বনি, অলঙ্কাৰ-ধ্বনি, আৰু ৰস-ধ্বনি এই তিনিবিধ ধ্বনিৰ কথা উল্লেখ কৰিছে, আৰু ৰস-ধ্বনিকেই কাব্যৰ আত্মা বুলি নিৰূপণ কৰিছে; সেই কথা আগতেই কৈ অহা হৈছে। তেওঁলোকৰ মতে ৰস-ধ্বনিক অপেক্ষা কৰিয়েই নানাবিধ শব্দ, অৰ্থ আৰু শব্দাৰ্থত সৌন্দৰ্য্য-সৃষ্টিৰ কাৰণস্বৰূপ শব্দালঙ্কাৰ, অৰ্থালঙ্কাৰ, গুণ, ৰীতি প্ৰভৃতিৰ অস্তিত্ব। পদসঙ্ঘটনাৰূপ ৰীতিকে আশ্ৰয় কৰি মাধুৰ্য্য, প্ৰসাদ প্ৰভৃতি গুণৰ প্ৰতিষ্ঠা হয়—এই কথা আচাৰ্য্য আনন্দ বৰ্দ্ধনে স্বীকাৰ কৰা নাই। তেওঁৰ মতে কাব্যৰ অঙ্গ ৰস বা ধ্বনি গুণে তাকেই আশ্ৰয় কৰি বিদ্যমান থাকে। শৌৰ্য্য, বীৰ্য্য, সৌন্দৰ্য্য আদি গুণবোৰ যিদৰে প্ৰকৃতপক্ষে দেহৰ ধৰ্ম্ম নহয়, সেইবোৰ যিদৰে আত্মাৰ অস্তিত্ব অৱলম্বন কৰি দেহৰ মাজেদি প্ৰকাশ পায়, অনাত্মভূত জড়দেহত সেইবোৰৰ কোনো ৰূপ প্ৰকাশ নাপায়, সাহিত্যতো সেইদৰে গুণবোৰ অঙ্গী ৰসৰ আশ্ৰয় কৰি পদসঙ্ঘটনাৰ মাজেৰে প্ৰকাশ পায়। সেইদৰে অলঙ্কাৰেও শব্দ আৰু অৰ্থক আশ্ৰয় কৰি বিদ্যমান থাকিলেও প্ৰকৃতপক্ষে সি অঙ্গীৰসৰেই উৎকৰ্ষ সাধন কৰে। আকৌ, অলঙ্কাৰসমূহ ৰসোপযোগী বা ৰসোচিত ৰূপে প্ৰযুক্ত হলে, তেতিয়াই সি কাব্যৰ শোভা সম্পাদনত সক্ষম হয়, অন্যথাই নহয়। ‘ৰস’ কেতিয়াও কাব্যৰ অলঙ্কাৰ হব নোৱাৰে। ‘অলঙ্কাৰ’ হৈছে কাব্যৰ বাহ্যিক উপকৰণ, কিন্তু ‘ৰস’ কাব্যৰ আত্মাস্বৰূপ; আৰু সেই ৰস একমাত্ৰ ব্যঞ্জনা-শক্তিৰ সহায়তহে আস্বাদনযোগ্য হয়; এয়ে ধ্বনিবাদী সকলৰ সিদ্ধান্ত।

ধ্বনিবাদীসকলৰ মতে গুণ, অলঙ্কাৰ, বিভাব অনুভাব প্ৰভৃতিৰ ঔচিত্যৰদ্বাৰা সৌন্দৰ্য্যসম্পন্ন শব্দ আৰু অৰ্থৰ সম্মিলনত গঠিত শৰীৰৰ ধ্বনিৰূপ আত্মা থাকিলে তেতিয়াই সি শব্দাৰ্থময় শৰীৰে ( নিবন্ধ-ৰচনা ) কাব্য-পদৱী লাভ কৰিব পাৰে। বক্তা, কবি আদি বাচ্য অৰ্থ দেশ-কাল-পাত্ৰ ইত্যাদিৰ ঔচিত্য অনুসাৰে শব্দসঙ্ঘটনা নিয়ন্ত্ৰিত হোৱা উচিত। ৰচনাৰ মাজত যি অনুচিত বা সামঞ্জস্যবিহীন সি ৰসৰ পৰিপন্থী। এতেকে সি অগ্ৰাহ্য। সেই কাৰণে ঔচিত্য ৰক্ষা ৰস-ব্যঞ্জনা বা ৰসাভিব্যক্তিৰ পক্ষে অপৰিহাৰ্য্য বুলি জানিব লাগিব। আচাৰ্য্য আনন্দ—বৰ্দ্ধনে তেওঁৰ ধ্বন্যালোক গ্ৰন্থত কৈছে,—

‘অনৌচিত্যাৎ ঋতে নান্যদ্ৰসভঙ্গস্য কাৰণম্।
প্ৰসিদ্ধৌচিত্য বন্ধস্তু ৰসস্যোপনিষৎ পৰা॥”

[ তৃতীয় উদ্দ্যোত ]

অনৌচিত্য ব্যতীত ৰসভঙ্গৰ অন্য কোনো কাৰণ নাই। প্ৰসিদ্ধ ঔচিত্য অনুযায়ী ৰচনাই ব্যঙ্গ্য ৰসৰ শ্ৰেষ্ঠ বা গূঢ় তত্ত্ব। আনন্দবৰ্দ্ধনে ধ্বন্যালোকৰ তৃতীয় উদ্দ্যোতত এই ঔচিত্য সম্বন্ধে বিশদ আলোচনা কৰিছে। আনন্দবৰ্দ্ধনৰ পৰবৰ্ত্তী খৃষ্টীয় একাদশ দ্বাদশ শতিকাৰ আলঙ্কাৰিক আচাৰ্য্য ক্ষেমেন্দ্ৰ যি জনে নেকি ‘ঔচিত্য’কে ৰসৰ প্ৰাণস্বৰূপে নিৰ্দ্দেশ কৰিছে। তেওঁ ঔচিত্যৰ লক্ষণ দিবলৈ গৈ কৈছে,—

‘উচিতং প্ৰাহুৰাচাৰ্য্যাঃ সদৃশং কিল যস্য যৎ।
উচিতস্য চ যো ভাৱস্তদৌচিত্যং প্ৰচক্ষতে॥’

( ঔচিত্য বিচাৰ চৰ্চ্চা —৭ )

অৰ্থাৎ কৱিৰ বৰ্ণনীয় :বিষয়, দেশ, কাল প্ৰভৃতি যি যাৰ উপযোগী তাকে ‘উচিত’ বুলি কোৱা হয়। আৰু উচিতৰ ভাব হৈছে ঔচিত্য। ঔচিত্যবোধ সৌন্দৰ্য্যবোধৰ পক্ষে অপৰিহৰণীয়। ঔচিত্যৰ হানি হলে সৌন্দৰ্য্যৰ হানি স্বাভাৱিকতেই হয়। চিত্ৰকৰৰ সুনিপুণ তুলিকাত যথাযুক্ত ৰঙৰ সমাৱেশত: যি দৰে চিত্ৰৰ সামগ্ৰিক সৌন্দৰ্য্য পৰিস্ফুট হয়, সাহিত্যতো সেইদৰে বিভাৱ, অনুভাৱ আদিৰ যথোচিত প্ৰয়োগত সি সহৃদয়চিত্তে ৰসাভিব্যক্তিৰ কাৰণ হৈ থাকে। তথাপি কিছুমান [নিৰ্দ্দিষ্ট] ঔচিত্যবোধে সৌন্দৰ্য্যবোধক একান্ত ভাৱে নিয়মিত কৰি ৰাখিব পাৰেনে নোৱাৰে সেই কথা সুধীসমাজৰ বিচাৰ্য্য।

এই ঔচিত্যবিচাৰ প্ৰসঙ্গত ‘স ·্যং শিৱং সুন্দৰম্’ আৰু ‘Truth is beauty’ কথাষাৰ মনত জাগে। যি সুন্দৰ, সেয়ে প্ৰকৃততে সুন্দৰ হব পাৰে। য’ত সত্যতা নাই, তাত সৌন্দৰ্য্যৰ যথাৰ্থ প্ৰতিষ্ঠাও নাই।

যিয়েই নহওক লাগে, এতিয়া কথা হৈছে যে, ধ্বনিবাদীসকলে যি বাচ্যাৰ্থক কাব্যৰ লৌকিক আৰু ব্যঙ্গ্য ৰসক তাৰ অলৌকিক বিষয়ৰূপে বৰ্ণনা কৰিছে, সেই লৌকিক বাচ্যাৰ্থ আৰু অলৌকিক ব্যঙ্গাৰ্থৰ মাজত কোনো সম্বন্ধ আছে নে নাই? আচাৰ্য্য আনন্দবৰ্দ্ধনে ‘সহৃদয় হৃদয়হ্লাদি শব্দাৰ্থ—ময়ত্বমেব কাব্যম্’ (১।৫)—এই কাব্যলক্ষণত যি অৰ্থৰ কথা কৈছে তাৰদ্বাৰা তেওঁ জানো কেৱল ব্যঙ্গ্যাৰ্থ বা বাচ্যাৰ্থকে বুজাইছে? অথবা সেই দুয়োটাৰ মাজত জানো কিবা সম্বন্ধ আছে? এই প্ৰশ্নৰ সংশয় নিবাৰণৰ কাৰণে আনন্দ বৰ্দ্ধনে দেখুৱাইছে যে বাচ্যাৰ্থ আৰু ব্যঙ্গ্যাৰ্থৰ মাজত এক ঘনিষ্ঠ সম্বন্ধ আছে। ৰস একমাত্ৰ ব্যঙ্গ্য হলেও বাচ্যাৰ্থক অৱলম্বন কৰিও সেই ৰসৰ ব্যঞ্জনা হয়। বাচ্যাৰ্থ ই হৈছে ব্যঞ্জনাৰ উৎস। পদৰ অৰ্থৰ সহায়ত নিজৰ বাচ্যাৰ্থৰ বোধ জন্মে, সেইদৰে বাচ্যাৰ্থৰ সহায়তো ব্যঙ্গ্যাৰ্থ ধ্বনিত হয়। আলোকাৰ্থীৰ ওচৰত পোহৰেই একমাত্ৰ লক্ষ্য হলেও সেই পোহৰৰ বাবে যিদৰে দীপশিখাৰ প্ৰয়োজন, সেইদৰে সাহিত্যত ব্যঙ্গ্যাৰ্থ ই লক্ষ্য হলেও সেই ব্যঙ্গ্যাৰ্থ লাভৰ কাৰণে যথোচিত বাচ্যাৰ্থৰ প্ৰয়োজনীয়তা বিদ্যমান। বাচ্যাৰ্থই হৈছে ৰস-ব্যঞ্জনাৰ নিমিত্ত বা উপায় স্বৰূপ। আকৌ, বাক্যাৰ্থবোধৰ সময়তো যিদৰে পদৰ অৰ্থ নিহিত থাকে, সেইদৰে ব্যঙ্গ্যাৰ্থ প্ৰতীতিৰ সময়তো

বাচ্যাৰ্থ কেতিয়াও বিনষ্ট নহয়। কিন্তু বাচ্যাৰ্থৰ লগত অপৃথক সম্বন্ধ ৰাখি ব্যঙ্গ্যাৰ্থৰ প্ৰতীতি হৈ থাকে।

এই ক্ষেত্ৰত লক্ষ্য ৰাখিব লাগিব যে একে শব্দকে আশ্ৰয় কৰি বাচ্যাৰ্থ আৰু ব্যঙ্গ্যাৰ্থ—ইহঁত উভয়ৰে প্ৰতীতি জন্মিলেও বাচ্যাৰ্থ আৰু ব্যঙ্গ্যাৰ্থ কিন্তু একে নহয়। কাৰণ, যি অভিধা শক্তিৰদ্বাৰা বাচ্যাৰ্থৰ বোধ জন্মে, সেই একেই শক্তিৰদ্বাৰা ব্যঙ্গ্যাৰ্থ কেতিয়াও প্ৰতীত হব নোৱাৰে। বাচ্যাৰ্থটো সদায় সাক্ষাৎৰূপে শব্দৰ সৈতে জড়িত; কিন্তু ব্যঙ্গ্যাৰ্থটি বাচ্যাৰ্থৰদ্বাৰা আক্ষিপ্ত বা আনীত হৈ থাকে। আকৌ, বাক্যাৰ্থবোধৰ সময়ত বিভিন্ন পদৰ পৃথক পৃথক অৰ্থ সম্পূৰ্ণ বাক্যটোৰ অৰ্থৰ মাজত অবিভক্ত অৱস্থাত প্ৰকাশ পায়। কিন্তু ব্যঙ্গ্যাৰ্থ প্ৰতীতিৰ ক্ষেত্ৰত ব্যঙ্গ্যাৰ্থ প্ৰতীতিৰ সময়তো বাচ্যাৰ্থ স্বতন্ত্ৰ ভাৱে বিদ্যমান থাকে। আৰু সেইদৰে ব্যঙ্গ্যাৰ্থও সেই একেলগে স্বতন্ত্ৰভাৱে প্ৰতীত হৈ থাকে। এতেকে বাচ্যাৰ্থ আৰু ব্যঙ্গ্যাৰ্থ সমপৰ্য্যায়ভুক্ত নহয়। বাচক শব্দ আৰু বাচ্য অৰ্থ কাব্যৰ শৰীৰ; আনপিনে, ব্যঙ্গ্যাৰ্থ হৈছে সেই শৰীৰৰ মাজত থকা আত্মা। আচাৰ্য্য আনন্দবৰ্দ্ধনে এইভাৱে বহু যুক্তিসহকাৰে বিদ্বানসমাজত ধ্বনিবাদ সম্পৰ্কে সুপ্ৰতিষ্ঠিত কৰে। আনন্দবৰ্দ্ধনৰ আগতেও ধ্বনিবাদ প্ৰচলিত আছিল, সেই কথা 'ধ্বন্যালোক'ৰ প্ৰথম কাৰিকাৰপৰাই বুজা যায়,—'কাব্যমাত্মা ধ্বনিৰিতি বুধৈঃ যঃ সমাম্নাতপূৰ্ব্বঃ;' ইত্যাদি। তথাপি এওঁৰ পূৰ্ব্ববৰ্ত্তী ধ্বনিবাদৰ আলোচনামূলক গ্ৰন্থ সম্বন্ধে এতিয়াও জনা নাযায়। অৱশ্যে সেই প্ৰসঙ্গ আমাৰ ইয়াত আলোচ্যৰ বিষয় নহয়।

প্ৰসঙ্গক্ৰমে এটা কথা সংক্ষেপে কোৱা প্ৰয়োজন যে ধ্বনিবাদীসকলে যদিও কয় যে সাহিত্যত ৰস হৈছে ব্যঙ্গ্য, তথাপি সাহিত্যত সেই ৰস ব্যঞ্জিত বা ধ্বনিত হৈ থাকে ব্যঞ্জনা শক্তিৰ সহায়ত; আৰু ৰস-ধ্বনিয়ে হৈছে কাব্যৰ আত্মা। কিন্তু ৰসৰ এই ব্যঞ্জনাৰ কথা সকলোৱে স্বীকাৰ কৰি লোৱা নাই। গতিকে তেওঁলোকৰ মতে ধ্বনি কাব্যৰ আত্মা নহয়।

ভট্টলোল্লটে তেওঁৰ 'ৰস বিৱৰণ' গ্ৰন্থত প্ৰাত-পাদন কৰিছে যে ৰস ব্যঙ্গ্য নহয়—উৎপাদ্যহে। তেওঁৰ মতে ৰতি, শোক প্ৰভৃতি স্থায়ী ভাৱবোৰ বিভাৱৰদ্বাৰা উৎপাদিত হয়। স্থায়ী ভাৱ আৰু ৰসাত্মক চিত্তবৃত্তিৰ মাজত কোনো পাৰ্থক্য নাই। স্থায়ী ভাৱ বা ৰসৰ লগত বিভাৱৰ উৎপাদ্য-উৎপাদক ভাৱ সম্বন্ধ। অৰ্থাৎ আলম্বন আৰু উদ্দীপন বিভাৱৰদ্বাৰা স্থায়ী ভাৱ বা ৰস উৎপন্ন হয়; নায়ক-নায়িকাৰ ৰসাত্মক চিত্তবৃত্তি আকাৰ, ইঙ্গিত ইত্যাদি অনুভাৱৰদ্বাৰা প্ৰতীতিৰ যোগ্য হয়; আৰু ব্যভিচাৰী ভাৱৰদ্বাৰা পুষ্টি লাভ কৰিলে সি (ৰস) পূৰ্ণ পৰিণতি লাভ কৰে। এই ৰস নায়ক-নায়িকাৰ অনুকৰণকাৰী অভিনেত্ৰীসকলত আৰোপিত হয়। সেই আৰোপিত ৰসেই সহৃদয়ৰ আস্বাদনযোগ্য হয়।

আচাৰ্য্য শঙ্কুকে ৰসৰ ব্যঙ্গ্যত্ব বা উৎপাদ্যমানত্ব কোনোটোকে স্বীকাৰ কৰা নাই। তেওঁৰ মতে ৰসৰ অনুমানহে হয়। নায়ক-নায়িকাৰ ৰতি, শোক, হাস প্ৰভৃতি স্থায়ী ভাৱবোৰ অনুকৰণকাৰী অভিনেতৃ ব্যক্তিত সহৃদয় সামাজিকে অনুমান কৰি থাকে। নায়ক বা নায়িকাৰ স্থায়ী ভাৱবোৰ অনুকৰণকাৰী অভিনেতাত বাস্তৱিকতে নাথাকিলেও 'চিত্ৰতুৰগ'ৰ দৰে, অৰ্থাৎ ছবিত দেখা ঘোঁৰাক জীৱিত ঘোঁৰাৰ প্ৰতিকৃতি মাত্ৰ হলেও তাক সিদৰে ঘোঁৰা বুলিয়েই বোধ হয় (অন্য কোনো প্ৰাণী বুলি বোধ নহয়) সেইদৰে সহৃদয় দৰ্শকসকলৰ চিত্তত অভিনেতা বা অভিনেত্ৰীতে সেই সেই ৰসৰ প্ৰতীতি হৈ থাকে অনুমানৰ দ্বাৰাই এই ৰসৰ প্ৰতীতি জন্মে। সাধাৰণ দৃষ্টিত এনে অনুমান মিছা হলেও এই ক্ষেত্ৰত অভিনয় কালত বা তাৰ পাছতো অভিনেতাই নায়ক নায়িকাত থকা ৰতি, হাস, শোক আদি স্থায়ী ভাৱবোৰৰ আশ্ৰয় হোৱাত আৰু সেই অভিনেতাৰূপ আশ্ৰয়ত সেই স্থায়ী ভাৱবোৰৰ প্ৰতিবন্ধকতা নোহোৱাত সেই অনুমান মিছা নহয়। ৰস-জ্ঞানৰ এই যে অনুমান, ই লৌকিক জ্ঞানৰ বিষয় নহয়। ই চিত্তক অলৌকিক আনন্দত অভিষিক্ত কৰে।

পৰবৰ্ত্তীকালত 'হৃদয়-দৰ্পণ' গ্ৰন্থ প্ৰণেতা ভট্টনায়কেও এই ধ্বনিবাদৰ সমালোচনাপূৰ্ব্বক প্ৰতিস্পাদন কৰিছে যে ৰস ব্যঙ্গ্য নহয়। তেওঁ ব্যঞ্জনা শক্তি স্বীকাৰ কৰা নাই। তেওঁৰ মতে কাব্যৰ তিনিটা শক্তি আছে—আভধা, ভাৱনা বা সাধাৰণীকৃতি আৰু ভোগীকৃতি। অভিধা বাচ্য শব্দৰ শক্তি। লক্ষণাক তেওঁ অভিধা শক্তিৰে অন্তৰ্ভুক্ত কৰিছে। কাৰণ অভিধা শক্তিৰ বলত অভিধেয় শব্দৰ লগত নিয়মিতৰূপে সম্বন্ধযুক্ত এটা বিশিষ্ট অৰ্থ যিদৰে গৃহীত হয়, সেইদৰে লক্ষণাস্থলতো মুখ্যাৰ্থ যদিও বাধাপ্ৰাপ্ত হয়, কিন্তু সি মুখ্যাৰ্থৰ সৈতে সম্বন্ধ থকা বিষয়কহে গ্ৰহণ কৰিব পাৰে; অইন কাকো গ্ৰহণ কৰিব নোৱাৰে। গতিকে কেৱল মুখ্যাৰ্থ গ্ৰহণৰ সামৰ্থ্য থকাত অভিধাৰ সামৰ্থ্য যিদৰে সীমাবদ্ধ, লক্ষণাও সেইদৰে কেৱলমাত্ৰ অভিধেয় অৰ্থৰ সৈতে সম্বন্ধযুক্ত অৰ্থ গ্ৰহণত সক্ষম বুলিয়েই তাৰো সামৰ্থ্য সীমাবদ্ধ।

তেওঁ কয় যে দৃশ্য বা শ্ৰব্য কাব্যত অভিধা শক্তিৰ সহায়ত প্ৰথমতে সেই সেই বাক্যৰ বাচ্যাৰ্থৰ বোধ জন্মে। কিন্তু সাহিত্যৰ উদ্দেশ্য কেৱল মাত্ৰ বাচ্যাৰ্থ বোধতেই পৰিসমাপ্তি নহয়। ৰস-সৃষ্টিয়ে হৈছে সাহিত্যৰ প্ৰধান লক্ষ্য। নতুবা নিত্যনৈমিত্তিক কাম কাজত সাধাৰণভাৱে ব্যৱহৃত শব্দ আৰু অৰ্থৰ লগত সাহিত্যত ব্যৱহৃত শব্দাৰ্থৰ কোনো বৈশিষ্ট্যই নেথাকিল হেঁতেন। ভট্টনায়কে কৈছে, অভিধা শক্তিৰদ্বাৰা বাক্যৰ যি মুখ্যাৰ্থ গৃহীত হয়, সি সাহিত্যত ৰস-প্ৰতীতিৰ যি চাৰিটি উপাদান—বিভাৱ, অনুভাৱ, স্থায়ীভাৱ আৰু সঞ্চাৰিভাৱ তাৰেই এটা নহয় এটাৰ অন্তৰ্ভুক্ত হৈ থাকে। ব্যৱহাৰিক জগতত ব্যৱহাৰ্য্য-মান বিষয় সম্পূৰ্ণ স্বকীয় বা সম্পূৰ্ণ পৰকীয়ভাৱে গৃহীত হয়। কিন্তু সাহিত্যৰসবোধৰ সময়ত সাহিত্যত বৰ্ণিত বিষয়সমূহ সহৃদয় সমজুৱাসকলৰ চিত্তত ব্যক্তি নিৰ্ব্বিশেষে সৰ্ব্বসাধাৰণতে একেই ৰূপত প্ৰতিভাত হয়। তাত এটা বিষয় সহৃদয়সকলৰ চিত্তত একেৰূপে গ্ৰহণত কোনো প্ৰতিবন্ধক নেথাকে। দোষমুক্ত শব্দ আৰু অৰ্থত গুণ আৰু অলঙ্কাৰৰ সন্নিৱেশৰ ফলতেই সাহিত্যৰ এই সাধাৰণীকৰণ সম্ভৱ হয়। সাহিত্য পাঠ বা শ্ৰৱণৰ সময়ত কিম্বা অভিনয় দৰ্শনৰ সময়ত সহৃদয় পাঠক বা শ্ৰোতা বা ৰঙ্গপেক্ষকৰ সঙ্কীৰ্ণ ব্যক্তিত্ববোধ সম্পূৰ্ণ ভাৱে বিলীন হৈ যায় আৰু বৰ্ণিত বা আভনীত বিষয়সমূহ সীমাবদ্ধ দেশ কাল আৰু অৱস্থাক অতিক্ৰম কৰি সকলো দেশ আৰু সমস্তকালৰ শাশ্বত আদৰ্শৰূপে সহৃদয়ৰ চিত্তত প্ৰতিভাত হয়। সাহিত্যত গুণ, ৰীতি, অলঙ্কাৰ প্ৰভৃতিৰ আৰু অভিনয় কালত গীত, বাদ্য, নৃত্য প্ৰভৃতি উপকৰণবোৰৰ এই যে সঙ্কীৰ্ণ ব্যক্তিবোধ দূৰীকৰণৰ অলৌকিক শক্তি, তাকেই ভট্টনায়কে সাহিত্যত 'ভাৱনা ব্যাপাৰ' বুলি কৈছে। এই ভাৱনা ব্যাপাৰে সহৃদয় পাঠক, শ্ৰোতা বা দৰ্শকৰ চিত্তৰ পৰিবৰ্ত্তন সাধন কৰিলেও এই ভাৱকত্ব ব্যাপাৰ তেওঁবিলাকৰ চিত্তত নেথাকে, থাকে চিত্তৰ বাহিৰত।

কিন্তু সাহিত্যৰ ভোগীকৃতি বা ভোজকত্বৰূপী তৃতীয় ব্যাপাৰটি হৈছে সহৃদয়ৰ মানসিক ব্যাপাৰ। বিভাৱ, অনুভাৱ, স্থায়িভাৱ আৰু সঞ্চাৰিভাৱৰ সাধাৰণীকৰণৰ ফলত সহৃদয় সমজুৱাসকলৰ ব্যক্তি

সত্তা বিস্মৃত-চিত্ত তেতিয়া দেশ কালবিনিৰ্মুক্ত সৰ্ব্ব সাধাৰণৰূপে প্ৰতিভাত সেই বিষয়ৰস আস্বাদনত নিমজ্জিত হৈ থাকে। সেই সমজুৱাৰ ত্ৰিগুণাচিত্তত তেতিয়া ৰজগুণ বা তমোগুণৰ অভিভৱবশতঃ শুদ্ধ সত্ত্বগুণৰ আবিৰ্ভাৱ হয় আৰু বিষয় মোহবিনিৰ্মুক্ত হোৱাৰ কাৰণে অন্তঃকৰণ একান্ত স্থিৰ আৰু স্বচ্ছ হয়। এই স্বচ্ছ অন্তৰে ভোক্তা আৰু ভোগ্যৰ ভেদৰেশা অতিক্ৰমি যোৱাৰ কাৰণে অখণ্ড আনন্দ ৰূপতা লাভ কৰে। সাময়িকভাৱে তেওঁলোকৰ সেই লোকোত্তৰ আনন্দমগ্ন 'অহং' বোধ তেতিয়া সৰ্ব্বজনীন সত্তাত উন্নীত আৰু সকলো দেশ আৰু সকলো কালৰ মাজত বিয়পি পৰে। সেই কাৰণেই ভট্টনায়কে সহৃদয়ৰ এই ৰসচৰ্বনাক ব্ৰহ্মাস্বাদতুল্য বুলি কৈছে। ভট্টনায়কে এই ধৰণে ৰসচৰ্বনাৰ উপযোগী উল্লিখিত 'অভিধা', 'ভাৱনা' বা 'সাধাৰণী-কৃতি' আৰু 'ভোগীকৃতি'ৰূপ তিনিটা ব্যাপাৰ কল্পনা কৰিছে। তাৰ ভিতৰত ভোগীকৃতি বা ভোজকত্ব ব্যাপাৰটোৱেই প্ৰধান। সেই কাৰণেই ভট্টনায়কৰ এই মতবাদ 'ভুক্তিবাদ' ৰূপে সাহিত্যিক সমাজত সু-পৰিচিত।

ভৰত মুনিৰ নাট্য শাস্ত্ৰৰ ভাষ্য 'অভিনৱ ভাৰতী' আৰু 'ধ্বন্যালোক'ৰ টীকা 'লোচন' ৰচয়িতা আচাৰ্য্য অভিনৱগুপ্তই উক্ত মতবিলাক সমালোচনা কৰি প্ৰতিপাদন কৰিছে যে, মানুহৰ মনত সূক্ষ্ম বা সুপ্তভাৱে শোক, হাস, ৰতি প্ৰভৃতি বিদ্যমান থাকে; অলঙ্কাৰ শাস্ত্ৰত এই বিলাকক স্থায়ী ভাৱ বোলা হয়। সাহিত্য পাঠ বা অভিনয় দৰ্শনৰ সময়ত বিভাৱ অনুভাৱ আৰু ব্যভিচাৰি ভাৱৰ জ্ঞান হোৱাৰ বাবেই কাব্য বা নাট্যত বৰ্ণিত চৰিত্ৰবোৰৰ অন্তৰৰ স্থায়ী ভাৱ অভিব্যক্ত হয় আৰু সেই বিভাৱ, অনুভাৱ, ব্যভিচাৰি ভাৱ আৰু বৰ্ণিত বা অভিনীত চৰিত্ৰত গত স্থায়ীভাৱে তেতিয়া পাঠক বা শ্ৰোতাৰ ওচৰত সৰ্ব্বদেশকাল সাধাৰণ বিশ্বজনীনৰূপে প্ৰতিভাত হয়। তেতিয়া সহৃদয়ৰ চিত্ত, সূক্ষ্মভাৱে নিহিত ৰতি, শোক প্ৰভৃতি স্থায়ীভাৱ বিলাক সাময়িকভাৱে উদ্বুদ্ধ হয় আৰু কাব্য বা নাট বৰ্ণিত চৰিত্ৰগত স্থায়ী ভাৱবোৰৰ প্ৰতি চিত্ত একাগ্ৰভাৱে নিৱিষ্ট হয়। সেই একাগ্ৰতাৰ ফলত চিত্তত সংস্কাৰৰূপে সুপ্ত ৰতি আদি জাগৰণৰ অন্তৰায় স্বৰূপ অজ্ঞানতা দূৰীভূত হোৱাত চৈতন্যৰ আনন্দাংশ স্ফুৰণ হয়। সহৃদয় সমজুৱাৰ ভাৱাবিষ্ট চিত্তত চৈতন্যৰ আনন্দাংশৰ এই প্ৰকাশেই হৈছে ৰস। সমজুৱাৰ সত্ত্বগুণবিশিষ্ট স্বচ্ছ আৰু স্থিৰ চিত্তত ৰসঘন আত্ম-চৈতন্যৰ প্ৰকাশ এই ব্যঞ্জনাব্যাপাৰৰ সাহায্যতেই সম্ভৱ হয়—এয়েই অভিনৱগুপ্তৰ মত।

সাহিত্য পাঠক, শ্ৰোতা বা অভিনয় দৰ্শকৰ চিত্ততেই ৰসৰ অনুভূতি হয়। ৰসানুভূতিৰূপ কাৰ্য্য আৰু ৰসৰ উপাদান বিভাৱ, অনুভাৱ, স্থায়ীভাৱ আৰু সঞ্চাৰিভাৱবোৰ সহৃদয় সমজুৱাৰ চিত্তক আশ্ৰয় কৰিয়েই বিদ্যমান থাকে। যি অধিকৰণত কাৰণ থাকে কাৰ্য্যও সেই অধিকৰণতে বিদ্যমান থাকে, কাৰ্য্যকাৰণৰ এই সমানাধিকৰণ্য নীতিৰ এই ক্ষেত্ৰতো ব্যতিক্ৰম হব নোৱাৰে। আমি দেখিছো—বিভাৱ আৰু অনুভাৱ ৰসাস্বাদৰ বাহ্য উপকৰণ আৰু স্থায়ী ভাৱ আৰু সঞ্চাৰি ভাৱ তাৰ অন্তৰ উপকৰণ। এতেকে সহজ দৃষ্টিত এই বাহ্য আৰু অন্তৰ উপকৰণ একেটা অধিকৰণতে কেনেকৈ সম্ভৱপৰ হব পাৰে! এই সংশয় সমাধানৰ কাৰণে আচাৰ্য্য অভিনৱগুপ্তই এই ক্ষেত্ৰত বাহ্য আৰু অন্তৰ উপকৰণৰ সমানাধিকাৰ স্থাপন কৰিবলৈ বিজ্ঞানবাদী বৌদ্ধসকলৰ পন্থা অৱলম্বন কৰিছে। বিজ্ঞানবাদীসকলে কয়—'যদন্তৰ্জ্ঞেয়ৰূপং তদ্বহিৰ্বদৱ ভাসতে' অৰ্থাৎ পৰিদৃশ্যমান জগতৰ কোনো বস্তুৰেই বাহ্যসত্তা নাথাকে, পদাৰ্থসমূহ আমাৰ অন্তৰত জ্ঞাত অৱস্থাত থাকে আৰু সেই অন্তৰ জ্ঞানেই বাহ্য দেশ আৰু কালৰদ্বাৰা পৰিচ্ছিন্ন হৈ



বাহ্য পদাৰ্থৰ আকাৰ ধাৰণ কৰি আমাৰ সম্মুখত প্ৰতিভাসিত হয়। পদাৰ্থসমূহৰ বাহ্যসত্তা অন্তৰজ্ঞান ব্যতীত অন্য একো নহয়। অনুৰূপভাৱে সাহিত্যপাঠ বা অভিনয় দৰ্শনৰ সময়ত সহৃদয়ৰ চিত্তৰ ৰসানুভূতিৰ বাহ্য উপকৰণ বিভাৱ, অনুভাৱ প্ৰভৃতিৰ যথাৰ্থ বাহ্যসত্তা নাথাকিলেও সহৃদয়ৰ অন্তৰ জ্ঞানেই বাহ্য বিভাৱাদিৰূপে প্ৰতিভাসিত হয়। ৰতি শোক প্ৰভৃতি স্থায়ীভাৱবোৰ যেনেকৈ অন্তৰৰ ভাৱ, তদ্ৰূপ বিভাৱ প্ৰভৃতি বাহ্য পদাৰ্থৰূপে প্ৰতিভাত হলেও প্ৰকৃত পক্ষে সেইবোৰ অন্তৰজ্ঞানহে মাথোন। গতিকে ৰসানুভূতিৰূপ কাৰ্য্য আৰু বিভাৱাদিৰূপ কাৰণ একেই সহৃদয়ৰ চিত্তক আশ্ৰয় কৰি থকাত এইস্থলতো কাৰ্য্য আৰু কাৰণৰ সমানাধিকাৰণ্য নীতিৰ ব্যতিক্ৰম নহয়। ভৰ্ত্তৃহৰিয়ে তেওঁৰ 'বাক্যপদীয়' গ্ৰন্থত কৈছে—

'শব্দোপহিতৰূপাংস্তান্ বুদ্ধেৰ্বিষয়তাং গতান্।
প্ৰত্যক্ষমেৱ কংসাদীন্ সাধনত্বেন মন্যতে।'

সহৃদয় পাঠকৰ ওচৰত বাহ্য অভিনয় দৰ্শনৰ খুব বেচি আৱশ্যকতা নাই। শব্দ পাঠ বা শ্ৰৱণেই তেওঁৰ চিত্ত-ৰঙ্গমঞ্চত শব্দৰদ্বাৰা উপনীত পদাৰ্থ সমূহৰ মানস অভিনয় চলি থাকে। 'অভিজ্ঞান শকুন্তলম্' পাঠ কৰোতে কৰোতেই ঘটনা পৰম্পৰা মানস চকুত এটাৰ পিচত এটাকৈ প্ৰতিভাত হৈ থাকে। সহৃদয়ৰ ৰসানুভূতিৰ প্ৰতি দুষ্যন্ত, শকুন্তলা প্ৰভৃতি বিভাৱে যে কাৰণৰূপে পৰিগণিত হয় সি সম্পূৰ্ণভাৱে সহৃদয়ৰ অন্তৰৰ সৃষ্টি মাত্ৰ। গতিকে বাস্তৱ দৃষ্টিত বিভাৱ প্ৰভৃতি সহৃদয়ৰ চিত্তত শব্দোপনীত মানস পদাৰ্থ মাত্ৰ, বাহ্যপদাৰ্থ নহয়। এতেকে যেহেতু ৰস সহৃদয়ৰ মানস অনুভূতি আৰু বিভাৱ প্ৰভৃতিও তাৰেই সাকাৰ বিজ্ঞান মাত্ৰ সেই হেতু এই স্থলতো কাৰ্য্য আৰু কাৰণৰ একেই আশ্ৰয়ত থকাৰ কোনো বিৰোধিতা নহয়।

এতিয়া সন্দেহ এই যে,—বিভাৱ, অনুভাৱ প্ৰভৃতি বাহ্যদৃষ্টি বিষয়বোৰ যদি সহৃদয়ৰ অন্তৰৰে ধৰ্ম্ম হয়, তেতিয়া হলে চিত্তৰ স্থায়ী ভাৱৰ লগত সিহঁতৰ সদায় সম্বন্ধ থকা উচিত আৰু তজ্জনিত ৰসাস্বাদ সৰ্ব্বক্ষণে হোৱা উচিত। অথচ ব্যৱহাৰিক জীৱনত এই ৰসানুভূতি সকলো সময়তে সম্ভৱ নহয়—ইয়াৰ কাৰণ কি? এই সন্দেহ সমাধানৰ কাৰণে ধ্বনবাদীসকলে কয়,--ৰস নিত্যসিদ্ধ। কিন্তু ৰস নিত্যসিদ্ধ হলেও সকলো সময়তে এই ৰসৰ অনুভৱ নোহোৱাৰ কাৰণ অজ্ঞানে সেই ৰসজ্ঞানক আচ্ছন্ন কৰি ৰাখে। সাহিত্য পাঠ বা অভিনয় দৰ্শনৰ সময়ত বিভাৱ, অনুভাৱ প্ৰভৃতিৰ ভাৱময় ৰূপ সমস্ত দেশ আৰু সমস্ত কালৰ শাশ্বত প্ৰতীকৰূপে সহৃদয়ৰ চিত্তত প্ৰতিভাত হোৱাতেই ৰসাস্বাদপ্ৰৱণ চিত্তত 'সৎ চিৎ অনন্দ' স্বৰূপ চৈতন্য বা আত্মাৰ আনন্দাংশ তেতিয়া পূৰ্ণৰূপে অভিব্যক্ত হয়। আত্মচৈতন্যৰ আনন্দ আৱৰণকাৰী অজ্ঞানৰ অপসাৰণ কৰাই হৈছে কৱি-কৰ্ম্ম বা সাহিত্যৰ চৰম উদ্দেশ্য। ধ্বনিবাদী সকলৰ মতে ব্যঞ্জনা ব্যাপাৰৰদ্বাৰাই সেই আনন্দ স্ফুৰণৰ প্ৰতিবন্ধক অজ্ঞানৰূপী আৱৰণ দূৰীভূত হয়। ৰস নিত্যসিদ্ধ, এতেকে অজ্ঞান অপসৃত হলে ৰস বা আনন্দ সোনকালে তেতিয়া অভিব্যক্ত হয়—যিদৰে দিনত মেঘাচ্ছন্ন আকাশত যেতিয়া ডাৱৰৰ অপসাৰণ মাত্ৰেই সূৰ্য্য তৎক্ষনাত অভিব্যক্ত বা প্ৰকাশিত হয়। সেই কাৰণে অভিনৱগুপ্তৰ এই মত 'অভিব্যক্তিবাদ' বুলি অলঙ্কাৰ শাস্ত্ৰত কোৱা হয়।

কিন্তু পৰৱৰ্ত্তী আলঙ্কাৰিক 'ব্যক্তি বিবেক' ৰচয়িতা মহিম ভট্টই অভিব্যক্তিবাদৰ প্ৰতিবাদ কৰি কয়, যে ৰস ব্যঙ্গ্য নহয় কিন্তু অনুমেয়। কাব্যৰ আত্মা যি ৰস সেই বিষয়ে আনন্দবৰ্দ্ধনৰ লগত তেখেতৰ মতৰ বিৰোধিতা নাই। কিন্তু তেখেতৰ মতে ৰস ব্যঞ্জনা-বৃত্তিগম্য নহয়। সি অনুমানৰ বিষয়। ধ্বনি যে

অনুমানৰেই অন্তৰ্ভুক্ত তেখেতে তাকেই প্ৰতিপাদন কৰিছে। 'ব্যক্তি বিবেক' গ্ৰন্থৰ প্ৰাৰম্ভণীতে তেখেতে কৈছে—

'অনুমানেঽন্তৰ্ভাবং সৰ্ব্বস্যৈব ধ্বনেঃ প্ৰকাশয়িতুম্।
ব্যক্তিবিবেকং কুৰুতে প্ৰণম্য মহিমা পৰাং বাচম্॥'

(১।১)

তেখেতৰ মতে শব্দৰ এটি মাত্ৰ শক্তি আৰু সি হৈছে অভিধাশক্তি। অভিধাশক্তিৰদ্বাৰা শব্দৰ বাচ্যাৰ্থ গৃহীত হয় আৰু সেই বাচ্যাৰ্থক অৱলম্বন কৰি বাচ্যাৰ্থ ব্যতীত অন্য যি কোনো অৰ্থ তাত পোৱা যায়—সি একমাত্ৰ অনুমানৰদ্বাৰাইহে সিদ্ধ হয়। বস্তু আৰু অলঙ্কাৰ বাচ্যাৰ্থতো পোৱা যায়, কিন্তু ৰস সদায় অনুমানৰ বিষয়। ধ্বনিবাদীসকলৰ মতে বাচ্যাৰ্থক অৱলম্বন কৰি ব্যঙ্গ্যাৰ্থ যেতিয়া গৃহীত হয়, বাচ্যাৰ্থ তেতিয়াও স্বতন্ত্ৰভাৱে বিদ্যমান থাকে। বাচ্যাৰ্থৰ লগত অভিনাভাৱ সম্বন্ধে অৰ্থাৎ অপৃথক সম্বন্ধে থাকি ব্যঙ্গ্যাৰ্থ প্ৰতীত হয়। ব্যক্তিবিবেককাৰে কয়—যে, বাচ্যাৰ্থ আৰু ব্যঙ্গ্যাৰ্থৰ মাজৰ সম্বন্ধ যদি অবিচ্ছেদ্যই হয় তেনেহলে তাক দেখোন অনুমান বোলাই উচিত হব। কাৰণ অভিনাভাবিত্ব হৈছে অনুমানৰ লক্ষণ। গতিকে বাচ্যাৰ্থ ব্যতিৰিক্ত যি অৰ্থ—সি অনুমেয়, ব্যঙ্গ্য নহয়। তেখেতে কয়, অভিধাবৃত্তিদ্বাৰা শব্দৰ পৰা বিভাৱাদিৰ প্ৰতীতি হয় আৰু তাৰপৰা ৰসানুভূতি হয় অনুমানৰদ্বাৰা।

অভিনৱগুপ্তৰ প্ৰায় সমসাময়িক আলঙ্কাৰিক ধনঞ্জয় আৰু ধনিকে যথাক্ৰমে তেখেতসকলৰ 'দশৰূপক' গ্ৰন্থত আৰু তাৰ বৃত্তি 'অবলোক'ত শব্দৰ ব্যঞ্জনাব্যাপাৰক প্ৰত্যাখ্যান কৰিছে। তেখেতসকলে শব্দৰ 'তাৎপৰ্য্য' শক্তিকেই সাহিত্যত ৰসানুভূতিৰ কাৰণৰূপে প্ৰতিপাদন কৰিছে। তাৎপৰ্য্য বৃত্তি সম্বন্ধে আমি আগতেই সামান্য আলোচনা কৰিছো। বাক্যাৰ্থৰ বোধ সম্বন্ধে যি মীমাংসক সম্প্ৰদায় আচাৰ্য্য কুমাৰিলভট্টৰ মতাবলম্বী সেই অভিহিতান্বয়াদিসকলে বাক্যাৰ্থবোধৰ কাৰণে তাৎপৰ্য্য বৃত্তি স্বীকাৰ কৰিছে। তেখেত সকলে কয়—অভিধাশক্তিৰদ্বাৰা একো-একোটা শব্দৰ একো একোটা পৃথক পদাৰ্থৰ বোধ হয়। কিন্তু পদাৰ্থবোধৰ পিছত সেই পদাৰ্থবোৰ যেতিয়া এটি বাক্যত পৰস্পৰ অন্বিত হয় তেতিয়া সেই বাক্যাৰ্থক বুজাবৰ সামৰ্থ্য অভিধাবৃত্তিৰ থাকিব নোৱাৰে। কাৰণ অভিধাশক্তি সাক্ষাৎ সঙ্কুচিত অৰ্থক বুজায়েই বিৰত হয়, পদাৰ্থৰ সংসৰ্গৰূপ অৰ্থক আৰু বুজাব নোৱাৰে। সেই কাৰণেই অভিহিতান্বয়-বাদীসকলে বাক্যত পদাৰ্থ সংসৰ্গৰূপ বিশিষ্ট অৰ্থ বুজাবৰ কাৰণে তাৎপৰ্য্য শক্তিৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। এটি সামান্য উদাহৰণ স্বৰূপে, যেনে—"পুস্তকং দেহি" অৰ্থাৎ 'কিতাপখনি দিয়া' এই বাক্য অভিধাশক্তিৰদ্বাৰা 'পুস্তকম্' পদৰদ্বাৰা পুস্তকৰূপ পদাৰ্থ, দ্বিতীয়া বিভক্তি আৰু 'দেহি' পদৰদ্বাৰা 'দা' ধাতু আৰু অনুজ্ঞাবোধক গৃহীত হৈছে। কিন্তু এইস্থলত পুস্তকৰূপ পদাৰ্থৰ লগত কৰ্ম্মত্বৰ যি সম্বন্ধ বিদ্যমান আৰু দিয়া ৰূপী ক্ৰিয়াৰ কৰ্ম্ম যে ইয়াত পুস্তকহে অন্য একো নহয়, এনেকুৱা বাক্যাৰ্থ অভিধা শক্তিৰদ্বাৰা কেতিয়াও বুজাব নোৱাৰে। এতেকে বাক্যাৰ্থ বোধিত হয় তাৎপৰ্য্য বৃত্তিৰদ্বাৰা। লৌকিক বাক্যত কাৰকযুক্ত ক্ৰিয়াত বাক্যাৰ্থ আৰু তাৎপৰ্য্য বৃত্তিৰদ্বাৰাই সেই বাক্যাৰ্থ গৃহীত হয়। যি বিধেয় সিয়েই বাক্যাৰ্থ। ব্যঙ্গ্য বা প্ৰতীয়মান অৰ্থ বিধেয় নহয়, গতিকে তাৰ বাক্যাৰ্থ হব নোৱাৰে। ধনঞ্জয় আৰু ধনিকে কয় যে লোক ব্যৱহাৰত যি কোনো বাক্যৰ তাৎপৰ্য্য যেনেকৈ ক্ৰিয়াৰ অনুষ্ঠানত পৰ্য্যবসিত, সাহিত্যৰ তেনেকুৱা মুখ্য তাৎপৰ্য্য হৈছে অলৌকিক ৰস সৃষ্টি। সাহিত্যত অলৌকিক বিভাৱ, অনুভাৱ প্ৰভৃতিৰ লগত সংসৰ্গ বশতঃ সহৃদয় সমজুৱাৰ চিত্তত ৰতি, শোক, হাস প্ৰভৃতি স্থায়ী



ভাৱবোৰে অলৌকিক ৰসৰূপতা লাভ কৰে আৰু আস্বাদনযোগ্য হয়। সেই আস্বাদ্যমান স্থায়ী ভাৱেই ৰস আৰু তাৎপৰ্য্য বৃত্তিৰদ্বাৰাই সেই স্থায়ী ভাববোৰ প্ৰতীতি হয়। সাহিত্যৰ বাক্যসমূহৰ সূক্ষ্ম তাৎপৰ্য্য স্থায়ীভাৱত। গতিকে তাৎপৰ্য্য শক্তিৰ দ্বাৰা যেতিয়া স্থায়ী ভাৱবোৰৰ প্ৰতীতি সম্ভৱ হয় তেতিয়া তাৰ কাৰণে পৃথক ব্যঞ্জনাশক্তি স্বীকাৰৰ কোনো প্ৰয়োজন নাই।

ৰসানুভূতিৰ উপায় সম্বন্ধে উপৰোক্ত বিভিন্ন মতবোৰ পৰৱৰ্ত্তী আলঙ্কাৰিকসকলৰদ্বাৰা সমালোচিত হৈছে। সেইটো ইয়াত আমাৰ আলোচ্যৰ বিষয় নহয়। ব্যঞ্জনাব্যাপাৰৰ প্ৰসঙ্গক্ৰমে উক্ত বিভিন্ন মতবোৰ সংক্ষেপে উল্লেখিত হল মাথোন। কিন্তু ৰসৰ অভিব্যক্তিবাদেই যুক্তিসম্মত যেন লাগে।

(ক্ৰমশঃ)

---

প্ৰকৃতিৰ মুক্ত কোলাত শিশুৰ জ্ঞান সম্পূৰ্ণ কৰি তোলাই বিধাতাৰ অভিপ্ৰায়। সেই অভিপ্ৰায় আমি যিমানেই ব্যৰ্থ কৰিছোঁ, আমিও সিমানেই বিফল হবলৈ ধৰিছোঁ। কাৰাগাৰৰ প্ৰাচীৰবোৰ ভাঙি পেলোৱা যাওক। মাতৃগৰ্ভতে পণ্ডিত হৈ নহাৰ বাবে যাতে সিহঁতৰ প্ৰতি সশ্ৰম কাৰাদণ্ডৰ বিধান দিয়া নহয়।"

—**ৰবীন্দ্ৰনাথ**

# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ নৱম অধিবেশন

### ৭ এপ্ৰিল ১৯৬৩

উপস্থিত : শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী—সভাপতি, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—উপ-সভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনৱেন্দ্ৰনাথ শৰ্ম্মা—ধনভঁৰালী, শ্ৰীহৰিপ্ৰসাদ নেওগ—সহকাৰী সম্পাদক।

শ্ৰীযতীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীমতী লক্ষহীৰা দাস, শ্ৰীভবানন্দ ৰাজখোৱা, শ্ৰীধৰ্ম্মকান্ত গোহাঁই, শ্ৰীলীলা গগৈ, শ্ৰীমেদিনী ৰায় ঠাকুৰীয়া, শ্ৰীউমাকান্ত শৰ্ম্মা, শ্ৰীচৈয়দ আব্দুল মালিক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীৰঘুৱা তাঁতি, শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশী, শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা।

বিশেষভাৱে নিমন্ত্ৰিত— শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীশিৱপ্ৰসাদ বৰুৱা।

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে সভাত উপস্থিত থাকিব নোৱাৰিব বুলি প্ৰধান সম্পাদকক জনায়। গুৱাহাটীৰ আসাম একাডেমি ফৰ কালচাৰেল ৰিলেজনজৰ কাৰ্য্যালয়ত অধিবেশন বহে।

১। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ আজিৰ অধিবেশনে ডক্টৰ ৰাজেন্দ্ৰ প্ৰসাদ, শ্ৰীশ্ৰীগড়মূড়ীয় সত্ৰাধিকাৰ গোস্বামী, কৃষ্ণধৰ চলিহা, হলিৰাম ডেকা, বি, এন, দাতাৰ, পতঞ্জলি শাস্ত্ৰী, মলিনচন্দ্ৰ বৰাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু বিগত আত্মাৰ সদগতি কামনা কৰে।

২। ৯ ডিচেম্বৰ ১৯৬২ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অষ্টম (অকৰী) অধিবেশনৰ কাৰ্য্য-বিৱৰণ গৃহীত হয়।

৩। সপ্তম অধিবেশনৰ ১৬শ ছেদৰ মৰ্ম্মে প্ৰধান সম্পাদকে জনায় যে ৰেলৱে বোৰ্ডৰপৰা এই বুলি সম্বিধান পোৱা গৈছে যে সঙ্কটকালীন অৱস্থাত ব্ৰহ্মপুত্ৰ দলঙৰ নামকৰণ কৰা নহ'ব। ইতিমধ্যে প্ৰধান সম্পাদকে বাতৰি কাকতৰ যোগে কৰ্ত্তৃপক্ষই সভাৰ পৰামৰ্শ নোলোৱা আৰু ব্ৰহ্মপুত্ৰৰ ইপাৰ-সিপাৰৰ নতুন ষ্টেচন দুটাৰ নাম 'ঝালুকবাৰী' আৰু 'আগথোৰী' দিয়াত আপত্তি জনাই বাতৰি কাকতত বিবৃতি প্ৰকাশ কৰিছে।

আজিৰ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্ব্বাহক সমিতিয়ে পুনৰ দাবী জনায় যে ৰেলৱে কৰ্ত্তৃপক্ষই ব্ৰহ্মপুত্ৰ দলঙৰ নাম 'শৰাইঘাট দলং' ৰাখে। লগতে এইটোও পৰামৰ্শ দিয়ে যেন 'ঝালুকবাৰী' আৰু 'আগথোৰী নাম সলনি কৰি 'প্ৰাগ্‌জ্যোতিষপুৰ আৰু 'আগিয়াঠুৰী' ৰখা হয়।

৪। প্ৰধান সম্পাদকে জনায় যে শ্ৰীশিৱপ্ৰসাদ বৰুৱাই সভাপতিৰ অনুমোদনক্ৰমে আইজাল লুংলে আৰু তুৰা অঞ্চল পৰিভ্ৰমণ কৰি জনজাতীয় লোকসকলৰ মাজত সম্ভাৱ সৃষ্টি কৰিবৰ কাৰণে যত্ন কৰে। শ্ৰীবৰুৱাই এটি মৌখিক বিবৃতি দাঙি ধৰে। সমিতিয়ে সন্তোষ প্ৰকাশ কৰে।

৫। প্ৰধান সম্পাদকে জনায় যে ৮ এপ্ৰিল দুপৰীয়া বাৰ বজাত আমাৰ শিক্ষামন্ত্ৰীয়ে কাছাৰত অসমীয়া শিক্ষা সম্পৰ্কত সভাৰ সঁজাতী দলক লগ পোৱাৰ সম্মতি প্ৰকাশ কৰিছে। ইতিমধ্যে নিৰ্ব্বাচিত দলৰ ভিতৰত শ্ৰীপুলকেশী সিংহই যোগ দিব নোৱাৰিব বুলি জনাইছে। থিৰাং কৰা হয় শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীশিৱপ্ৰসাদ বৰুৱাকো সঁজাতী দলৰ ভিতৰত ধৰা হ'ব।

৬। ত্ৰিবেণী সঙ্গম ভাষা বিভাগৰপৰা প্ৰকাশিত শ্ৰীবিশ্বনাথ নৰৱনেৰধাৰা সম্পাদিত 'ভাৰতীয় ব্যৱহাৰ কোশ'ৰ সম্পৰ্কে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ বিশেষজ্ঞ পৰামৰ্শ লাভ কৰিব নোৱাৰাত প্ৰধান সম্পাদকক এই সম্পৰ্কে যথাস্থানলৈ লিখিবলৈ দিয়া হ'ল।

৭। ২৮ জানুৱাৰী ১৯৬২ তাৰিখে প্ৰধান সম্পাদকে শিক্ষাধিকাৰলৈ পঠিওৱা ১৯৬২-৬৩ চনৰ পুনৰ্গঠিত প্ৰকাশন আঁচনিত অনুমোদন জনোৱা হ'ল। নতুন ৰূপত আঁচনিখন এনে :

| | ৰচনা বা অনুবাদ | সংগ্ৰহণ সম্পাদন | সমালোচনা | ছপা | কেঁচা ছপা শুধৰণি |
|---|---|---|---|---|---|
| সাহিত্য-দৰ্পণ | ২,০০০.০০ | — | ১০০.০০ | ৯,০০০.০০ | ২৮০.০০ |
| কৰ্পূৰ-মঞ্জৰী | ৪০০.০০ | — | ৫০.০০ | ২,৫০০.০০ | ৫০.০০ |
| মুদ্ৰাৰাক্ষস | ৫০০.০০ | — | ৫০.০০ | ৩,০০০.০০ | ৮০.০০ |
| সাহিত্য-সমীক্ষা | ১,২০০.০০ | ৬০০.০০ | ৫০.০০ | ৬,০০০.০০ | ১৪০.০০ |
| মুঠ | ৪,১০০.০০ | ৬০০.০০ | ২৫০.০০ | ২০,০০০.০০ | ৫৫০.০০ |

সৰ্ব্বমুঠ—২৬,০০০.০০।

প্ৰধান সম্পাদকে জনায় যে সোনকালে ছপাপানালৈ পঠাব লগীয়া হোৱাত 'কৰ্পূৰ-মঞ্জৰী' আৰু 'মুদ্ৰাৰাক্ষস'ৰ সমালোচনাৰ কাম তেওঁ (শ্ৰীমহেশ্বৰ নেওগ) সম্পাদন কৰি দিয়ে; 'সাহিত্য-সমীক্ষা'ৰ নিয়মানুৱৰ্ত্তী অনুমোদন শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰপৰা লাভ কৰে আৰু 'সাহিত্য-দৰ্পণ'ৰ প্ৰথমাংশ নিজেই (শ্ৰীমহেশ্বৰ নেওগে) চাই দিয়ে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত কাৰ্য্য অনুমোদন কৰে। 'সাহিত্য-দৰ্পণ'ৰ পিছৰ অংশ চোৱাৰ ভাৰ অধ্যাপক ৰজনীকান্ত দেব শৰ্ম্মাক দিয়া হ'ব।

সাহিত্য সমীক্ষা'ৰ প্ৰতি প্ৰবন্ধৰ বাবে লেখকক ৪০.০০ চল্লিশ টকাকৈ আৰু এখন কিতাপ দিবলৈ থিৰাং কৰা হয়।

৮। ১৯৬৩-৬৪ চনৰ বাবে প্ৰধান সম্পাদকে শিক্ষাধিকাৰলৈ ২১ অক্টোবৰ ১৯৬৩ তাৰিখে পঠোৱা প্ৰকাশন আঁচনি অনুমোদন কৰা হয়। আঁচনি :

| | ৰচনা, অনুবাদ, সম্পাদন | ছপা | মুঠ |
|---|---|---|---|
| **(ক) অনুবাদ আৰু সংগ্ৰহণ** | | | |
| (১) হিৰিয়ন্না : Indian Philosophy | ৭০০.০০ | ৭,৩০০.০০ | ৮,০০০.০০ |
| (২) অশ্বঘোষ : বুদ্ধচৰিত | ৫০০.০০ | ৭,০০০.০০ | ৭,৫০০.০০ |
| (৩) নিকল : Theory of Drama আৰু World Drama (adaptation) | ১,০০০.০০ | ৭,০০০.০০ | ৮,০০০.০০ |
| **(খ) পুৰণি গ্ৰন্থ সম্পাদন** | | | |
| (৪) শুভঙ্কৰ : হস্তমুক্তাৱলী (মহেশ্বৰ নেওগ সম্পাদিত) | ৫০০.০০ | ৮,০০০.০০ | ৮,৫০০.০০ |
| (৫) অৰুণোদইৰপৰা বাছনি | ৬০০.০০ | ৫,০০০.০০ | ৫,৬০০.০০ |
| (৬) জোনাকীৰপৰা বাছনি | ৬০০.০০ | ৬,০০০.০০ | ৬,৬০০.০০ |
| (৭) গুণাভিৰাম বৰুৱা : অসম বুৰঞ্জী *কপিৰাইটৰ মূল্য আৰু নকল কৰা খৰচ মাত্ৰ | *৫০০.০০ | ৪,০০০.০০ | ৪,৫০০.০০ |
| **(গ) ভাষা প্ৰকাশন** | | | |
| (৮) Assamese for All পুথিৰ থাছি আৰু গাৰো অনুবাদ | ৬০০.০০ | ৫,০০০.০০ | ৫,৬০০.০০ |
| **(ঘ) লোক-গীতি আৰু লোক-কথা** | | | |
| (৯) অসমীয়া বিয়ানাম (সৰ্ব্বগ্ৰহী ভাণ্ডৰ) | ৭০০.০০ | ৫,০০০.০০ | ৫,৭০০.০০ |
| | | সৰ্ব্বমুঠ – | ৬০,০০০.০০ |



৯। হিন্দী মাধ্যমত অসমীয়া স্বয়ংশিক্ষক পুথি এখনি প্ৰকাশ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰপৰা ২,০০০,০০ দুহেজাৰ টকা পোৱা বুলি প্ৰধান সম্পাদকে জনায়। প্ৰধান সম্পাদকে ইতিমধ্যে সংকলিত Assamese for All পুথিৰ প্ৰকাশনৰ আঁচনিৰ 'লগত সামঞ্জস্য ৰাখি সভাপতিৰ অনুমোদনেৰে শ্ৰীপৰেশচন্দ্ৰ শৰ্ম্মা এম, এৰ (হিন্দী) হতুৱাই উক্ত পুথিৰ হিন্দী ৰূপ তৈয়াৰ কৰাই ছপাবৰ ব্যৱস্থা কৰিছে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত কাৰ্য্য অনুমোদন কৰে আৰু Assamese for All লিখাৰ বাবে কপিৰাইটৰ মূল্য-স্বৰূপে মূল লেখক শ্ৰীমুকুন্দমাধৱ শৰ্ম্মাক (প্ৰুফ আদি চোৱা কাম ধৰি) ৫০০.০০ (পাঁচ শ) টকা আৰু হিন্দী অনুবাদ 'আপকী অসমীয়া'ৰ প্ৰস্তুতকাৰক আৰু প্ৰুফ আদি চাওঁতা শ্ৰীপৰেশচন্দ্ৰ শৰ্ম্মাক ১৫০,০০ ডেৰ শ টকা দিবলৈ থিৰাং কৰে। 'আপকী অসমীয়া' তিনি হেজাৰ কপি ছপা হ'ব।

১০। 'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি' আৰু 'তত্ত্বকথা'ৰ প্ৰুফ শুধৰণিৰ বাবে ক্ৰমে ৪০,০০ (চল্লিশ) টকা আৰু ১০০,০০ (এশ) টকা অনুমোদন কৰা হল।

'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি'ৰ লেখক শ্ৰীমহেশ্বৰ নেওগক কিতাপখনৰ ৭৫ কপি দিয়া হওক।

'তত্ত্বকথা'ৰ সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক কিতাপখনৰ ৭৫ কপি দিয়া হওক। শ্ৰীমতী ৰত্না বৰুৱাক ১০০ কপি দিয়া হব।

'নগেন্দ্ৰনাৰায়ণ চৌধুৰী গল্প'ৰ সম্পাদক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মাক কিতাপখনৰ ৭৫ কপি আৰু শ্ৰীপ্ৰফুল্লবালা দেৱী চৌধাৰিণীক ১০০ কপি দিয়া হওক।

'জয়মতী আৰু মূলাগাভৰু'ৰ লেখক শ্ৰীলীলা গগৈক ১০০ কপি দিয়া হওক।

'ৰূপকত্ৰয়'ৰ সম্পাদক শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মাক কিতাপখনৰ পাঁচ কপি দিয়া হওক। সম্পাদনা, কেঁচা ছপা শুধৰণি আদিৰ বাবে তেখেতক ইতিমধ্যে মুঠ ৭৫০.০০ টকা দিয়া হৈছে।

'মুদ্ৰাৰাক্ষস', 'কৰ্পূৰ-মঞ্জৰী', 'সাহিত্য-সমীক্ষা' আৰু 'সাহিত্য-দৰ্পণ'ৰ অনুবাদক-সম্পাদকসকলক প্ৰত্যেককে নিজ নিজ পুথিৰ পাঁচখনকৈ দিয়া হওক।

সঙ্কটকালীন প্ৰকাশনসমূহৰ প্ৰতিখনৰ ২০০কৈ বিনা-মূল্যে বিতৰণ কৰিবলৈ প্ৰধান সম্পাদকক কৰ্ত্তৃত্ব দিয়া হওক।

১১। প্ৰধান সম্পাদকে জনায় যে 'চন্দ্ৰকান্ত অভিধান'ৰ দ্বিতীয় সংস্কৰণ ছপা হৈ প্ৰকাশিত হৈ গৈছে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ চন্দ্ৰকান্ত অভিধান সংশোধন সমিতিৰ আহ্বায়ক শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱাই আনুষ্ঠানিকভাবে অভিধান এখনি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ হাতত অৰ্পণ কৰিছে। এই সম্পৰ্কত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ সন্তোষ-প্ৰকাশক পত্ৰ (৪।২।৬৩) পাঠ কৰা হয়। কাৰ্য্যানিৰ্ব্বাহক সমিতিয়েও কাৰ্য্যটিৰ সম্পাদনত সন্তোষ প্ৰকাশ কৰে।

১২। অষ্টম অধিবেশনৰ নৱম সিদ্ধান্তক্ৰমে প্ৰকাশিত সভাৰ সঙ্কটকালীন প্ৰকাশন 'অশান্ত হিমালয় সীমান্তৰ আহ্বান' 'ৰণ-ঝঙ্কাৰ' আৰু 'ৰণ-নিনাদ' সম্পৰ্কে যোৰহাটৰ বকুলবনৰ শ্ৰীআনন্দচন্দ্ৰ বৰুৱাৰ (২৫।১।৬৩) পত্ৰ পাঠ কৰা হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে মত প্ৰকাশ কৰে যে ভৱিষ্যতে আৱশ্যক হ'লে শ্ৰীবৰুৱাৰ পৰামৰ্শ বিচাৰ কৰা হব।

১৩। যোৰহাটৰ ষ্টেট বেঙ্কত নিৰাপত্তাৰ বাবে জমা ৰখা দক্ষিণপাট অধিকাৰ গোস্বামীৰ অক্ষয় পুঁজিৰ পাঁচ হেজাৰ টকাৰ চৰকাৰৰ ঋণ-পত্ৰ পাঁচখন ৰখা সম্পৰ্কে উক্ত বেঙ্কৰ এজেণ্টৰ পত্ৰ (২০।১০।৬২, ১৪।২।৬৩, ১৭।৩।৬৩) পাঠ কৰা হল।

সিদ্ধান্ত কৰা হল যে উক্ত ৪ ঋণপত্ৰ পাঁচখন নতুন সিদ্ধান্ত নোলোৱা পৰ্য্যন্ত যোৰহাটৰ ষ্টেট বেঙ্কৰ জিম্মাত জমা থাকিব।

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত ৪% ১৯৬০-৭০ ঋণ-পত্ৰৰ redemption proceeds গ্ৰহণ কৰিবৰ বাবে আৰু সেই টকাৰে পুনৰ ৪% ১৯৭০-৮০ ঋণ-পত্ৰ কিনিবৰ বাবে প্ৰধান সম্পাদকক কৰ্ত্তৃত্ব দিয়ে।

১৪। প্ৰধান সম্পাদকে জনায় যে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্প্ৰসাৰণৰ অৰ্থে শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ-

পৰা ৬,০০০,০০ ( ছ হেজাৰ ) টকাৰ এটি দান পোৱা হৈছে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীসন্দিকৈ ডাঙৰীয়াৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰে।

১৫। প্ৰধান সম্পাদকে জনায় যে ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্ম্মাণ সমিতিৰ ধনভঁৰালীৰ অনুপস্থিতিত উক্ত সমিতিৰ বেঙ্কৰ হিচাপৰপৰা প্ৰথম বাৰৰ বাবে টকা উলিয়াব নোৱাৰা হোৱাত সভাপতিৰ সম্মতিৰে সমিতিক ৬৪৯'০০ টকা ঋণ স্বৰূপে দিয়া হৈছে। উক্ত কাৰ্য্য অনুমোদন কৰা হল।

১৬। ছপন কাৰিকৰি বিদ্যাৰ পুথি ছপাবৰ বাবে সাহায্য বিচাৰি শ্ৰীলক্ষ্মীশেখৰ বৰুৱাই (লক্ষ্মী ইঞ্জি নিয়াৰিং ৱৰ্কছ, পাণবজাৰ, গুৱাহাটী) কৰা আবেদন পাঠ কৰা হয়। সভাৰ আৰ্থিক অনাটনৰ বাবে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে তেনে সাহায্য দিবৰ অপাৰগতা প্ৰকাশ কৰে।

১৭। সভাৰ বৰ্ত্তমান অনাটনৰ বাবে সাধাৰণ পুঁজিত থকা আজীৱন সভ্যৰ পুঁজিৰ সুকীয়া কৰি ৰাখিব নোৱাৰা অৱস্থা হোৱাত আজীৱন সভ্যৰ উক্ত পুঁজিৰ ৩১ মাৰ্চ্চ, ১৯৬৩ তাৰিখলৈ জমা হোৱা টকাখিনি বৰ্ত্তমান সাধাৰণ পুঁজিৰ লগতে ঋণ স্বৰূপে ৰাখিবলৈ ঠিক কৰা হয়।

১৮। অহা নাজিৰা সন্মিলন উপলক্ষে তলত দিয়া নিৰিখত সভাৰ প্ৰকাশনসমূহৰ মূল্য হ্ৰাস কৰিবলৈ থিৰাং কৰা হয়। ১৯, ২০, ২১ এপ্ৰিল ১৯৬৩ তাৰিখলৈ মাত্ৰ এই হ্ৰাসীকৰণ বলৱৎ থাকিব।

| | | মূল মূল্য | হ্ৰাসীকৃত মূল্য |
|---|---|---|---|
| অসম সাহিত্য সভাৰ ভাষণাৱলী | ১ | ৮'০০ | ৬'০০ |
| ,, | ২ | ৮'০০ | ৬'০০ |
| ,, | ৩ | ৭'০০ | ৫'০০ |
| অসম সাহিত্য সভা বাৰ্ষিকী | ১ | ২'০০ | ১'৫০ |
| ,, | ২ | ২'০০ | ১'৪০ |
| ,, | ( গোৱালপাৰা ) | ৩'০০ | ২'০০ |
| অসমীয়া ভাষা | | ০'৫০ | হ্ৰাস নাই |
| অসমীয়া খণ্ডবাক্য-কোষ | | ৯'০০ | ৭'০০ |
| অসমীয়া লোকগীতি সংগ্ৰহ | | ৬'০০ | ৪'০০ |
| আনন্দৰাম ঢেকিয়াল ফুকন | | ০'৩৬ | হ্ৰাস নাই |
| ৰাধাকান্ত সন্দিকৈ | | ০'৭৫ | হ্ৰাস নাই |
| ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | | ৩'০০ | হ্ৰাস নাই |
| বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা | | ২'০০ | ১'০০ |
| চাংৰাঙিচাৰ বনুৱা | | ১'২৫ | ১'০০ |
| কৱি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা | | ২'৫০ | ১'৫০ |
| পবিত্ৰ অসম | | ১১'০০ | ৮'০০ |
| মোৰ জীৱন-সোঁৱৰণ | | ৫'০০ | ৪'০০ |
| তত্ত্বকথা | | ৪'০০ | ৩'০০ |
| মিকিৰ জনজাতি | | ১'০০ | ০'৭৫ |
| নীলাচল পাঠ | | ১'০০ | ০'৫০ |
| Assamese for All | | ২'০০ | ১'৫০ |
| আপকা অসমীয়া | | ২'০০ | ১'৫০ |
| This is Assam | | ২'০০ | ১'০০ |
| Assam's Language Question | | ১'০০ | ০'৫০ |
| সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি | | ২'০০ | ১'০০ |
| কামিনীকান্তৰ চৰিত্ৰ | | ২'০০ | ১'৫০ |
| উদয়াচলৰ সাধু | | ২,০০ | ১'৫০ |
| অসমৰ জনজাতীয় সাধু | | ৬'০০ | ৫'০০ |
| অসমৰ জনজাতি | | ১০'০০ | ৮'০০ |
| সাহিত্য-সমীক্ষা | | ৬'০০ | ৫'০০ |
| কৰ্পূৰ-মঞ্জৰী | | ২'০০ | ১'৭৫ |
| মুদ্ৰাৰাক্ষস | | ৩'০০ | ২'৫০ |
| সাত্বত তন্ত্ৰ | | ০'৬০ | হ্ৰাস নাই |
| শৰকুশৰ যুদ্ধ | | ২'০০ | ১'৫০ |
| শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ | | ০'৭৫ | ০'৫০ |
| অশান্ত হিমালয় সীমান্তৰ আহ্বান | | ০'৩০ | ০'২০ |
| ৰণ-ঝঙ্কাৰ | | ০'২০ | ০'১৫ |
| ৰণ-নিনাদ | | ০'২০ | ০'১৫ |
| জয়মতী আৰু মূলা গাভৰু | | ০'৩০ | ০'২৫ |

১৯। নাজিৰা সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ অনুৰোধক্ৰমে ডক্টৰ ভূপেন্দ্ৰকুমাৰ হাজৰিকাক সঙ্গীতসমাৰোহৰ সভাপতিৰূপে স্বীকৰণ অনুমোদন কৰা হ'ল।

নাজিৰা সন্মিলনৰ কবি-সন্মিলনৰ সভাপতি হ'বলৈ শ্ৰীশৈলধৰ ৰাজখোৱা অপাৰগ হোৱাত শ্ৰীডিম্বেশ্বৰ নেওগক সভাপতি পাতিবলৈ থিৰাং কৰা হ'ল।

অভ্যৰ্থনা সমিতিৰদ্বাৰা নিৰূপিত কাৰ্য্যক্ৰম অনুমোদন কৰা হ'ল।

২০। উত্তৰ-পূব সীমান্ত অঞ্চলৰ বমডিলা, জিৰো, আলং, তেজু, পাছিঘাট হাইস্কুল আৰু চৌখাম মধ্য ইংৰাজী স্কুলৰ দুজনকৈ ছাত্ৰ সন্মিলনলৈ বিশেষ প্ৰতিনিধি-ৰূপে নিমন্ত্ৰণ কৰিবলৈ প্ৰধান সম্পাদকক কৰ্ত্তৃত্ব দিয়া হ'ল।

২১। প্ৰধান সম্পাদকে জনায় যে সভাপতিৰ সম্মতিৰে The Outlook on NEFA আৰু 'সীমান্তৰ সন্দেশ' পুথি দুখনিত মেকমেহন সীমাৰেখাৰ বিষয়ে সাযাক্তভাৱে আপত্তিকৰ কথা থকা বাবে সম্প্ৰতিকলৈ তাৰ প্ৰচাৰ বন্ধ ৰখা হৈছে। সমিতিয়ে উক্ত কাৰ্য্য অনুমোদন কৰে।

২২। তলত দিয়া নিয়োগসমূহ মঞ্জুৰ কৰা হয়—:

(১) শ্ৰীহেমকান্ত ফুকন, মুখ্য কাৰ্য্যালয় সহকাৰী আৰু হিচাপ ৰক্ষক, কেন্দ্ৰীয় কাৰ্য্যালয়, ১৫ এপ্ৰিল ১৯৬৩-ৰ পৰা।

(২) শ্ৰীনন্দ তালুকদাৰ, সহকাৰী, প্ৰধান সম্পাদকৰ কাৰ্য্যালয় ১ মাৰ্চ্চ ১৯৬৩-ৰপৰা ৩১ মেই ১৯৬৩-লৈ মাহে ১২৫'০০ টকা দৰ্মহাত।

(৩) শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰা, সহকাৰী কেন্দ্ৰীয় কাৰ্য্যালয় ৫ মাৰ্চ্চ ১৯৬৩-ৰপৰা ( অস্থায়ীভাৱে মুখ্য সহকাৰীয়ে যোগ নিদিয়ালৈকে। )

(৪) শ্ৰীনন্দ বৰদলৈ, সহকাৰী, ১ জানুৱাৰী ১৯৬৩ৰ পৰা মুখ্য সহকাৰীৰ কাম কৰি থকা বাবে মাহে ২০'০০ টকাকৈ বিশেষ বানচ-ৰূপে ওপৰঞ্চি দিয়া হ'ব।

(৫) শ্ৰীগোপালচন্দ্ৰ গোস্বামীয়ে ১৯৬২ ডিচেম্বৰ মাহৰ ২৬ তাৰিখৰপৰা অসুখৰ ছুটী লয় কিন্তু ছুটীৰ পিছত কামত যোগ দিয়াৰ আগতে ৩১ ডিচেম্বৰ ১৯৬২ তাৰিখে কাৰ্য্যকাল অন্ত পৰে; কিন্তু ৩১ তাৰিখলৈকে ধৰি দৰ্মহা দিয়া হৈছে।

এই সম্পৰ্কত শ্ৰীগোপালচন্দ্ৰ গোস্বামীয়ে ১১।২।৬৩ তাৰিখে সভাপতিলৈ দিয়া আবেদন বিচাৰ কৰি শ্ৰীগোস্বামীক ১১।১।৬৩ তাৰিখে কাম শেষ হোৱাৰ জাননী দিয়া বুলি ধৰি সেই তাৰিখলৈকে সভাৰ ছুটীৰ নিয়মাৱলী অনুসৰি দৰ্মহা দিয়া হওক আৰু সেই তাৰিখৰ-পৰা অব্যাহতি দিয়া হওক। ইয়াৰ দ্বাৰা জ্ঞাত থাকিব যে শ্ৰীগোস্বামীৰ নিযুক্তি ১১।১।৬৩ তাৰিখ পৰ্য্যন্ত থাকিব।

২৩। নিয়মাৱলীৰ ১০ম বিধি অনুসৰি তলত নাম দিয়া অসমীয়া ভাষা-সাহিত্য-অনুৰাগী লোকক আজীৱন সভ্যভূক্ত কৰা হ'ল :

(১৫৬) অধ্যাপক মহম্মদ চাকী, গুৱাহাটী বিশ্ববিদ্যালয়,

(১৫৭) অধ্যাপক প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য,
বি-বৰুৱা কলেজ, গুৱাহাটী,

(১৫৮) শ্ৰীমতী নিৰুপমা ফুকন,
চিৰিং চাপৰি, ডিব্ৰুগড়,

(১৫৯) শ্ৰীগিৰিশচন্দ্ৰ মৰাণ, ডুমডুমা।

২৪। নিয়মাৱলীৰ ৫ম বিধি ষষ্ঠ ছেদ আৰু উপবিধি অনুসৰি তলত নাম দিয়া সভাসমূহক শাখা সভাৰূপে স্বীকৃতি দিয়া হ'ল :

(১) টিংখাং সাহিত্য সভা ( পো অঃ টিংখাং )

(২) পুব ঘিলামাৰী সাহিত্য সভা
( পোঃ অঃ বৰুৱা গাঁও )

(৩) ডাঙৰী সাহিত্য সভা ( পোঃ অঃ ডাঙৰী )

(৪) চেলেংহাট সাহিত্য সভা (পোঃ অঃ চেলেংহাট)

(২৫) অসম সাহিত্য সভাৰ পৰীক্ষা সংসদৰ অনুমোদনক্ৰমে অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হওক।

পৰীক্ষকসকলক ১০০ অঙ্কৰ প্ৰতিখন পত্ৰৰ বাবে প্ৰতিখন বহীত ৫০ নঃ পঃ কৈ ( একাংশৰ বাবে আধা ) দিয়া হব ; কিন্তু পাঁচ টকাতকৈ কোনো পৰীক্ষকক কম দিয়া নহ'ব। প্ৰতিখন পূৰা পত্ৰ প্ৰশ্ন কটাৰ বাবে ১০'০০ দহ টকাকৈ দিয়া হ'ব।

২৬। সভাৰ চকিদাৰ শ্ৰীপ্ৰমোদচন্দ্ৰ হাজৰিকাৰ আবেদন পাঠ কৰি চাইকেল বানচৰূপে মুঠতে ২৫'০০ দিবলৈ ঠিক কৰা হয়।

২৭। নাজিৰা সন্মিলনৰ বাবে অহা প্ৰস্তাৱসমূহ আগতীয়াকৈ বাছি-বিচাৰি উলিয়াবলৈ শ্ৰীচৈয়দ আবদুল মালিক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু শ্ৰীহৰিপ্ৰসাদ নেওগেৰে এখনি সমিতি গঠন কৰা হ'ল।

মহেশ্বৰ নেওগ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী
সভাপতি
৭।৪।৬৩

# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দশম অধিবেশন

১৮-১৯ এপ্ৰিল ১৯৬৩, নাজিৰা

উপস্থিত : শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী—সভাপতি, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা—উপ-সভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মা–ধনভঁৰালী, শ্ৰীহৰিপ্ৰসাদ নেওগ—সহকাৰী সম্পাদক,

শ্ৰীপনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীউমাকান্ত শৰ্ম্মা, শ্ৰীমেদিনীকান্ত ঠাকুৰীয়া, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীভৱানন্দ ৰাজখোৱা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীলীলা গগৈ, শ্ৰীবগুৰা তাঁতি, শ্ৰীধৰ্ম্মকান্ত গোহাঁই, শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা।

অধিবেশন নাজিৰাত অভ্যৰ্থনা সমিতিৰ সৌজন্যত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্যসকলৰ বাহৰত ১৮ এপ্ৰিল ১৯৬৩ তাৰিখে সন্ধিয়া ৭ বজাবপৰা বহে আৰু স্থগিত হৈ পুনৰ ১৯ এপ্ৰিল ১৯৬৩ তাৰিখে পুৱা ৭ বজাত বহে।

১। সভাৰ আৰম্ভণিতে মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নৰ মৃত্যুত শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ শান্তি কামনা কৰা হয়।

২। যোৱা ৭ এপ্ৰিল ১৯৬ তাৰিখৰ নৱম অধিবেশনৰ কাৰ্য্য-বিবৰণি পঠিত আৰু গৃহীত হয়।

৩। প্ৰধান সম্পাদকে আঙুলিয়াই দেখুৱায় যে যোৱা দুবছৰত ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিলৈ সাধাৰণ পুঁজিৰপৰা কোনো বৰঙণি দিয়া হোৱা নাই। সভাৰ বৰ্ত্তমান আৰ্থিক সঙ্কটলৈ লক্ষ্য কৰি সাধাৰণ পুঁজিৰপৰা ৰাধাকান্ত সন্দিকৈ স্মৃতি-পুঁজিলৈ ১০০'০০ এশ টকা দিবলৈ থিৰাং কৰা হয়।

৪। প্ৰধান সম্পাদকৰ প্ৰতিবেদন ( নবেম্বৰ ১৯৬১— এপ্ৰিল ১৯৬৩ ) পঠিত আৰু গৃহীত হয়।

৫। নিয়মাৱলীৰ ১০ম বিধি অনুসৰি তলত নাম দিয়া অসমীয়া ভাষা-সাহিত্য-অনুৰাগী লোকসকলক আজীৱন সভ্য ভুক্ত কৰা হ'ল :

(১৬০) শ্ৰীভৈৰৱচন্দ্ৰ বৰা, ডুমডুমা

(১৬১) শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, ডিগবৈ

(১৬২) শ্ৰীধৰ্ম্মকান্ত গোহাঁই, ডুমডুমা।

৬। প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ হিচাপ-পৰীক্ষক অধ্যাপক মহম্মদ চাকীৰ ১৯৬২-৬৩ চনৰ প্ৰতিবেদন সমিতিৰ আগত দাঙি ধৰে। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাপ সম্পৰ্কীয় পৰীক্ষকৰ আপত্তিসমূহৰ তলত দিয়া ধৰণে মীমাংসা কৰা হ'ল।

(ক) ১৯৫৯-৬০ চনৰপৰা ১৯৬১-৬২ চনলৈকে বাকীকৈ দিয়া কিতাপৰ বাবদ তলত দিয়া লোক আৰু অনুষ্ঠানসমূহে কেন্দ্ৰীয় কাৰ্য্যালয়ৰপৰা বাৰে বাৰে সোঁৱৰণী পত্ৰ দিয়া সত্ত্বেও সভাৰ প্ৰাপ্য আদায় কৰি দিয়া নাই—

| | |
|---|---|
| শৰালি পুথিঘৰ, যোৰহাট | ১,২৬০'৮২ |
| সম্পাদক, মৰিয়নী সাহিত্য সভা, মৰিয়নী | ৫৪'৮৪ |
| গ্ৰেজুৱেট ষ্টোৰ, যোৰহাট | ২৩'২৫ |
| হেড্ মাষ্টাৰ, পলিটেকনিকেল স্কুল, যোৰহাট | ১৯'৮১ |
| শ্ৰীমুকলীধৰ বৰুৱা, যোৰহাট | ১৭'২৫ |
| শ্ৰীমহেশচন্দ্ৰ বৰুৱা, দহাবৰা আলি, যোৰহাট | ১৭'০০ |
| শ্ৰীৰবীন্দ্ৰনাথ হাজৰিকা, দেৰগাঁও | ১৭'৩৩ |
| শ্ৰীভবেশচন্দ্ৰ শৰ্ম্মা, জ্ঞানোদয় সমাজ, নলবাৰী | ১৬'৫০ |
| অৰুণ বুক কোম্পানী, যোৰহাট | ১৬'৫০ |
| শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী, যোৰহাট | ১৬'০০ |
| শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰীৰ যোগেদি নিয়া | |
| শ্ৰীঅম্বিকাপ্ৰসাদ বৰা | ৬'০০ |
| শ্ৰীপূৰ্ণকান্ত বৰকটকী | ৬'০০ |
| শ্ৰীদুৰ্গেশ্বৰ বৰা, কেন্দুগুৰি, যোৰহাট | ১৫'৫০ |
| শ্ৰীবংশীধৰ শইকীয়া, নৰ্ম্মাল স্কুল, যোৰহাট | ১২'০০ |



| | |
|---|---|
| শ্ৰীবীৰেন্দ্ৰনাথ বেজবৰুৱা (বৰবৰা ?) যোৰহাট সাহিত্য সভা | ১২'০০ |
| অধ্যক্ষ, দেৱীচৰণ বৰুৱা ছোৱালী কলেজ, যোৰহাট | ১১'০০ |
| শ্ৰীমহেশ্বৰ গগৈ, মালৌ আলি, যোৰহাট | ৯'৮৭ |
| শ্ৰীৰাধানাথ হাজৰিকা, যোৰহাট | ৪'০০ |

সিদ্ধান্ত কৰা হয় যে উক্ত লোক আৰু অনুষ্ঠানসমূহলৈ সহকাৰী সম্পাদকে ১৫ মেই ১৯৬৩ তাৰিখৰ ভিতৰত টকা আদায় দিবলৈ ৰেজিষ্টাৰী জাননী দিব।

(খ) বিভিন্ন শাখাসমূহলৈ কেন্দ্ৰীয় কাৰ্য্যালয়ৰপৰা বিক্ৰীৰ বাবে পঠিওৱা সঙ্কট-কালীন প্ৰকাশন 'অশান্ত হিমালয়ৰ সীমান্তৰ আহ্বান' 'ৰণ-ঝঙ্কাৰ' আৰু 'ৰণ-নিনাদ'ৰ বাবদ পাব লগীয়া টকাৰ হিচাপ ধৰা হোৱা নাই। সিদ্ধান্ত কৰা হয় যে সহকাৰী সম্পাদকে এই হিচাপত পোৱা আৰু পাব লগীয়া টকাৰ হিচাপ এটি ১৫ মেই ১৯৬৩ৰ ভিতৰত তৈয়াৰ কৰিব যাতে নতুন কাৰ্য্য-কাৰকসকলক কাৰ্য্যভাৰ দিওঁতে বিষয়টো সিসকলক বুজাই দিব পৰা হয়।

(গ) ১৯৬০ চনৰ জুলাই মাহতে ৰাজহুৱা দান-সংগ্ৰহৰ বাবে দিয়া বহীৰ ভিতৰত এখন বহী সংগ্ৰাহক শ্ৰীপূৰ্ণকান্ত শৰ্ম্মাই ( দিগম্বৰ চুক, যোৰহাট ) কেন্দ্ৰীয় কাৰ্য্যালয়ৰপৰা জাননী দিয়া সত্ত্বেও ঘুৰাই দিয়া নাই। সিদ্ধান্ত কৰা হয় যে সহকাৰী সম্পাদকে উক্ত সংগ্ৰাহকক ১৫ মেই ১৯৬৩ তাৰিখৰ ভিতৰত বহীখন সংগৃহীত টকাৰে ঘূৰাই দিবলৈ ৰেজিষ্টাৰী জাননী দিব।

(ঘ) অসম সাহিত্য সভা পত্ৰিকাৰ অষ্টাদশ আৰু উনবিংশ বৰ্ষৰ হিচাপৰ বাবদ বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰপৰা মুঠ ৪৯৯'৩৮ পাবলৈ বাকী আছে। সিদ্ধান্ত কৰা হয় যে সহকাৰী সম্পাদকে ৩১ মেই ১৯৬৩ তাৰিখৰ টকা আদায় কৰিবলৈ সকলোলৈকে জাননী দিব।

(ঙ) হিচাপ-পৰীক্ষকে জনাইছে যে শাখা অনুসৰি অসম সাহিত্য সভাৰ সভ্যৰ ৰেজিষ্টাৰ বহী সন্তোষজনক-ভাৱে পোৱা নহ'ল। কাৰণ অনেক শাখা সভাই টকা দিলেও কোন কোন সভ্যৰপৰা সেই টকা পোৱা হৈছিল, তাৰ হিচাপ দিয়া নাই। গতিকে হিচাপ-পৰীক্ষকে অসম সাহিত্য সভাৰ সভ্যৰ বৰঙণিৰ বাবদ পাবলগীয়া মুঠ বাকী নিৰূপণ কৰিব নোৱাৰিলে। শাখা সভাবিলাকলৈ সাধাৰণ জাননী দি বিশেষ আসোঁৱাহ আঙুলিয়াই এই হিচাপ নিয়মীয়া কৰিবলৈ সহকাৰী সম্পাদকক নিৰ্দ্দেশ দিয়া হ'ল।

(চ) হিচাপ-পৰীক্ষকে সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ত থকা প্ৰকাশনসমূহৰ সম্পত্তি-বহীৰে সেই সম্পত্তি ( ষ্টক ) মিলাই চোৱা কাম ( physical verification ) কৰিব নোৱাৰিলে, কাৰণ সভাৰ ভঁৰাল-কোঠা নিৰ্ম্মাণ হ'ল যদিও কিতাপৰ আলমাৰি নোহোৱাত কিতাপবোৰ তাত থ'ব পৰা হোৱা নাই। গতিকে ষ্টক বহীৰ হিচাপত ভুল থকাৰ সম্ভাৱনা হৈ গৈছে। ( হিচাপ-পৰীক্ষকে দেখুৱাইছে, হিচাপ বহীমতে 'সাত্বত-তন্ত্ৰ' পুথিৰ ৩১।৩।৬২ তাৰিখে এখন মাত্ৰ আছিল, কিন্তু ১৯৬২-৬৩ চনত তিনিখন বিক্ৰী হৈছে। ) সিদ্ধান্ত কৰা হয় যে নতুন কাৰ্য্যকাৰকসকলক কাৰ্য্যভাৰ দিয়াৰ আগতে সহকাৰী সম্পাদকে কিতাপখিনি ( অন্ততঃ যিবোৰ বাকচ খোলা অৱস্থাত আছে সেইখিনি ) আলমাৰিত ভৰাই সমস্ত কিতাপ-সম্পত্তিৰ সংখ্যা আৰু মূল্য নিৰূপণ কৰিব।

(ছ) হিচাপ-পৰীক্ষকে কেন্দ্ৰীয় কাৰ্য্যালয়ত লেখন সামগ্ৰী আদি সম্পত্তি বহী নৰখা কথালৈ আঙুলিয়াই তৎক্ষণাৎ তেনে বহী প্ৰস্তুত কৰিব লাগে বুলি নিৰ্দ্দেশ দিছে। সহকাৰী সম্পাদকক নিৰ্দ্দেশ দিয়া হ'ল তেনে এখন বহী কৰি সেইমতে কাৰ্য্যভাৰ হস্তান্তৰ কৰাৰ আগতে লেখন-সামগ্ৰী আদিৰ ষ্টকৰ স্বৰূপ নিৰূপণ কৰিব।

(জ) ১।১০।৬২ তাৰিখে যোৰহাটৰ অসম কো-অপাৰেটিভ এপেক্স বেঙ্কত জমা হোৱা ৭১'৫০ নয়া পইচাৰ হিচাপ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাব-বহীত পোৱা নগ'ল। এই টকা ক'ৰপৰা কেনেকৈ পোৱা হৈছিল তুৰন্তে নিৰূপণ কৰিবলৈ সহকাৰী সম্পাদকক নিৰ্দ্দেশ দিয়া হ'ল। ( হিচাপ-পৰীক্ষকে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাপ বহীত নোপোৱা ৯২০'০০ আৰু ৪৬'০০ টকাৰ হিচাপ প্ৰধান সম্পাদকৰ কাৰ্য্যালৰ হিচাপ বহীত পাইছে। )

(ঝ) হিচাপ-পৰীক্ষকে দেখুওৱামতে গ্ৰন্থাগাৰ হিচাপৰপৰা ৫৫'৫০ নৈমিত্তিক ব্যয়ৰ হিচাপলৈ ইতিমধ্যে নিয়া হৈছে।

(ঞ) সহকাৰী সম্পাদকৰ তিনিখন ভ্ৰমণ-বানচৰ বিলত ( ৩১।৬।৬২, ৩১।৭।৬২, ২৮।৮।৬২ ) পূৰ্ব্ব মঞ্জুৰী নোহোৱাত হিচাপ-পৰীক্ষকে আপত্তি কৰিছে। প্ৰধান সম্পাদকে ইতিমধ্যে আৱশ্যকীয় অনুমোদন প্ৰদান কৰিছে।

(ট) শ্ৰীগোপালচন্দ্ৰ গোস্বামী, মুখ্য সহকাৰীক ২৫।১২।৬২ ৰপৰা ৩১।১২।৬২ তাৰিখলৈকে দৰ্মহা দিয়াত হিচাপ-পৰীক্ষকৰ আপত্তিৰ বিষয়ত ৭ এপ্ৰিল ১৯৬৩ তাৰিখতে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আৱশ্যকীয় সিদ্ধান্ত ( সংখ্যা ২২ ) গ্ৰহণ কৰিছে।

(ঠ) ব্যক্তিগত টেলিফোন ট্ৰাঙ্ক কলৰ বাবদ তলত দিয়া লোকসকলে প্ৰাপ্য ( সহকাৰী সম্পাদকৰ হিচাপমতে ৫।৬।৬২ তাৰিখ পৰ্য্যন্ত ) আদায় কৰি দিব লগীয়া আছে—

| | |
|---|---|
| শ্ৰীনকুলচন্দ্ৰ ভূঞা | ৫'৮৪ |
| শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী | ৭'২৫ |
| শ্ৰীযতীন্দ্ৰনাথ গোস্বামী | ০'৪৫। |

শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে তেখেতৰপৰা প্ৰাপ্য সভা স্থলতে আদায় কৰি দিয়ে।

সহকাৰী সম্পাদকক বাকী দুটি প্ৰাপ্য সোনকালে আদায় কৰি লবলৈ নিৰ্দ্দেশ দিয়া হ'ল আৰু টেলিফোন ট্ৰাঙ্ক কল ৰেজিষ্টাৰ নিয়মীয়াকৈ ৰাখিবৰ বাবে হিচাপ-পৰীক্ষকৰ পৰামৰ্শ গ্ৰহণ কৰা হ'ল।

১৯৬২-৬৩ চনৰ হিচাপ গৃহীত হ'ল।

৭। সম্মিলনৰ বাবে অহা প্ৰস্তাবসমূহ বিবেচনা কৰি কেইটিমান বাছি লোৱা হ'ল।

মহেশ্বৰ নেওগ,<br>প্ৰধান সম্পাদক,<br>অসম সাহিত্য সভা

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী,<br>সভাপতি<br>১৯।৪।৬৩

---

## ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ লাই-খুঁটা থাপনা উছৱ

যোৱা ২৪ চ'ত ৭ এপ্ৰিল দেওবাৰে গুৱাহাটী নগৰত দীঘলী পুখুৰীৰ দক্ষিণলৈ অসম চৰকাৰে অসম সাহিত্য সভাক দান কৰা ভূমিত ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে অসম সাহিত্য সভাৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাই-খুঁটা এক গাম্ভীৰ্য্যপূৰ্ণ আৰু আকৰ্ষণীয় অনুষ্ঠানৰ মাজেৰে থাপনা কৰে। সেই উপলক্ষে সিদিনা দিনৰ এঘাৰ বাজি পঞ্চলিশ মিনিট যোৱাত গুৱাহাটী জিলা গ্ৰন্থাগাৰত এখনি সভা বহে। সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীয়ে। ভৱনটিৰ লাই-খুঁটা থাপনা উৎসৱ উপলক্ষে হোৱা গাম্ভীৰ্য্য-পূৰ্ণ সভা আৰু প্ৰস্তাৱিত ভৱনৰ আনুষঙ্গিক ভাবে আয়োজন কৰা আকৰ্ষণীয় অনুষ্ঠানত বিভিন্ন অঞ্চলৰ পৰা অহা সাহিত্যিক, শিল্পী আৰু সাহিত্যানুৰাগী সুধীবৃন্দ উপস্থিত হৈছিল।

জয় জয়তে শ্ৰীমতী নিকুঞ্জ মহন্তই শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীত এটি গাই সভা মুকলি কৰে। ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ক মাল্যদান কৰি স্বাগত সম্ভাষণ জনোৱাৰ পিছত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু ভগৱতী-প্ৰসাদ বৰুৱা নিৰ্ম্মাণ সমিতিৰ সম্পাদক ডক্টৰ মহেশ্বৰ নেওগে অনুষ্ঠানৰ সফলতা কামনা কৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীঅম্বিকাগিৰি ৰায় চৌধুৰী আৰু শ্ৰীনীলমণি ফুকন আৰু অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহা, শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা, ৰাজহ মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্ম্মা আৰু কেন্দ্ৰীয় উপমন্ত্ৰী শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, সাহিত্য সভাৰ নব নিৰ্ব্বাচিত সভাপতি শ্ৰীৰত্নকান্ত বৰকাকতী, শ্ৰীনকুলচন্দ্ৰ ভূঞা, শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু আদিয়ে পঠোৱা বাণীসমূহ পাঠ কৰে।

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্ম্মাণ সমিতিৰ সম্পাদক ডক্টৰ নেওগে চমু সম্পাদকীয় প্ৰতিবেদনত স্বৰ্গীয় ভগৱতী-প্ৰসাদ বৰুৱাৰ ব্যক্তিত্বৰ এটি চমু আভাস দাঙি ধৰে; গুৱাহাটীত অসম সাহিত্য সভাৰ দ্বিতীয় ভৱন এটি নিৰ্ম্মাণৰ বাবে সাহিত্য সভাই চলোৱা বিভিন্ন প্ৰচেষ্টাৰ



কথা উল্লেখ কৰে আৰু কিদৰে অসম চৰকাৰৰপৰা মাটি এডোখৰ কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰপৰা পঞ্চাশ হেজাৰ টকাৰ অনুদান, শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱাৰপৰা পঞ্চাশ হেজাৰ টকাৰ দান আৰু শ্ৰীৰঘুনাথ চৌধাৰীৰ কুৰি হেজাৰ টকাৰ দানৰ প্ৰতিশ্ৰুতি লাভ কৰে তাৰ চমু আভাস দাঙি ধৰে। প্ৰায় ৪২ বছৰ আগৰ স্বৰ্গীয় ভগৱতীপ্ৰসাদ বৰুৱাৰ কলিকতীয়া ছাত্ৰ-জীৱনৰ অন্তৰঙ্গ বন্ধু খ্যাতনামা বঙালী সাহিত্যিক শ্ৰীগোপাল হালদাৰে এই উপলক্ষে স্বৰ্গীয় বৰুৱাৰ কলিকতাৰ ওৱিলডি হোষ্টেলৰ মধুৰ স্মৃতি বিজড়িত দিনবোৰৰ কথা সুললিত ভাষাৰে লেখি পঠোৱা প্ৰবন্ধ এটি ডক্টৰ নেওগে পঢ়ি শুনায়।

সভাপতি শ্ৰীগোস্বামীয়ে উৎসৱৰ গুৰুত্বৰ কথা উপলব্ধি কৰি গুৱাহাটীত সাহিত্য সভাৰ ভৱনৰ প্ৰয়োজনীয়তাৰ বিষয়ে চমুকৈ দু-আষাৰ কৈ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ক তেওঁৰ ভাষণ দিবলৈ আহ্বান জনায়।

ৰাজ্যপাল শ্ৰীসহায়ে তেওঁৰ ভাষণত প্ৰায় দুবছৰ আগতে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ৰাধাকান্ত সন্দিকৈৰ প্ৰতিকৃতি উন্মোচন কৰাৰ কথা উল্লেখ কৰে। তেওঁ কয় ১৯১৭ চনতে জন্মলাভ কৰাৰপৰা সাহিত্য সভাই অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ ক্ৰম বিকাশত বিশিষ্ট অৱদান যোগাই আহিছে।

ৰাজ্যপালৰ ভাষণৰ পিছত সভাপতি আৰু ৰাজ্যপাল প্ৰমুখ্যে উপস্থিত সকলোৱে প্ৰস্তাৱিত ভৱনৰ লাইখুঁটা থাপনা কৰা ঠাইলৈ যায়। লগে লগে মধুচয়নিকাৰ শিল্পী-বৃন্দই শ্ৰীঅম্বিকাগিৰি ৰায় চৌধুৰী ৰচিত 'আজি বন্দো কি ছন্দেৰে' গীতেৰে স্বাগত সম্ভাষণ জনায়। ৰাজ্যপাল শ্ৰীসহায়ে ৰূপৰ কেৰাহি আৰু কৰণিৰে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাই-খুঁটা থাপনা কৰে। ইয়াৰ পিছত ৰাজ্যপাল শ্ৰীসহায়ে উৎসৱৰ সফলতা কামনা কৰি তিনি জোপা অশোক গছৰ পুলি ৰোৱে আৰু ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্ম্মাণাৰ্থে পঞ্চাশ হেজাৰ টকা দান আগবঢ়োৱা গীতি কবি শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱাক সম্ভাষণ জনায়। শাৰীৰিক অসুস্থতাৰ বাবে শ্ৰীবৰুৱাই জিলা গ্ৰন্থাগাৰৰ ওপৰ মহলাত অনুষ্ঠিত হোৱা সভালৈ উঠিব নোৱাৰি লাইখুঁটা থাপনা কৰা ঠাইতে বৈ থাকিব লগা হৈছিল।

জিলা গ্ৰন্থাগাৰত অনুষ্ঠিত হোৱা সভাৰ মঞ্চৰ ওপৰত ফুল আৰু ফুলাম গামোচাৰে ধুনীয়াকৈ সজাই স্বৰ্গীয় ভগৱতীপ্ৰসাদ বৰুৱাৰ প্ৰতিকৃতি এখনি ৰখা হৈছিল। ভৱন প্ৰতিষ্ঠা উপলক্ষে বিশ্ববিশ্ৰুত ভাষাতাত্ত্বিক পণ্ডিত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে দুটি শ্লোক উদ্ধৃত কৰি পঠায়; তাৰে প্ৰথমৰ শ্লোকটি দ্বাবিংশ শতিকাৰ মহীশূৰৰ বৈয়াকৰণ নাগ বৰ্ম্মাৰদ্বাৰা ৰচিত।

উৎসৱৰ শেষত সকলোকে দাতা শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱাদেৱে জলযোগেৰে আপ্যায়িত কৰে।

---

# ভগৱতীপ্ৰসাদ বৰুৱা ভৱন

## ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্ম্মাণ সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

১৯১৭ চনৰ ১৭ ডিচেম্বৰ অসম সাহিত্য সভাৰ জন্ম-দিন বুলি গণিত হৈ আহিছে। ১৮৬০ চনৰ ২১ নং আইন মতে চৰকাৰৰ ঘৰত এই সভাৰ নাম ৰেজিষ্টাৰ কৰা হয় ১৯২৪ চনৰ ১৭ মাৰ্চ্চ তাৰিখে। সভাৰ সংগঠনী দাৱক-পত্ৰত এই কথা স্পষ্টকৈ লিখা আছে: সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় অসমৰ ভিতৰত যোৰহাট নগৰতে হ'ব। বৰ্ত্তমানলৈকে সভাৰ সকলো কাৰ্য্য যোৰহাটত থকা কেন্দ্ৰীয় কাৰ্য্যালয়কে কেন্দ্ৰ কৰি চলি আছে। এই কেন্দ্ৰীয় কাৰ্য্যালয়টি হল দান-বীৰ ৰাধাকান্ত সন্দিকৈৰ স্বৰ্গগত পুত্ৰ চন্দ্ৰকান্তৰ স্মৃতি উপলক্ষে নিৰ্ম্মিত চন্দ্ৰকান্ত

সন্দিকৈ ভৱন। সভাৰ মুখ্য কাৰ্য্যকৰ্ত্তা প্ৰধান সম্পাদক আৰম্ভণিৰেপৰা যোৰহাটৰপৰাই নিৰ্ব্বাচিত হৈ আহিছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভা সম্মিলনৰপৰা এই বিষয়ত বিকেন্দ্ৰীকৰণ ব্যৱস্থা চলিবলৈ ধৰে; আৰু তেতিয়াৰপৰা বৰ্ত্তমানলৈকে এজন বাদ দি কেয়োজন প্ৰধান সম্পাদক যোৰহাটৰ বাহিৰৰপৰাই নিৰ্ব্বাচিত হৈছে।

বহুত দিন আগৰপৰাই গুৱাহাটী নগৰত অসম সাহিত্য সভাৰ দ্বিতীয় এটি বাসভৱন নিৰ্ম্মাণ কৰাৰ ধাৰণাই বহুতৰ মনত ঠাই পাই আহিছে। সভাৰ বাৰ্ষিক সম্মিলনৰ গৃহীত প্ৰস্তাৱত গুৱাহাটীক "অসমৰ মাজ মজিয়া" বুলি অভিহিত কৰা হৈছিল। অসমে জাতীয় অনুষ্ঠানৰূপে বহুত দিনৰপৰাই দাবী কৰি অহা বিশ্ববিদ্যালয় আৰু উচ্চ ন্যায়ালয় গুৱাহাটীত প্ৰতিষ্ঠিত হোৱাৰ পিছৰপৰা এই নগৰত সাহিত্য সভাৰ এখন ঘৰ সজাটো এটা স্পষ্ট অভিলাষত পৰিণত হয়। চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ১৯৫৪ চনৰ ১৬ আৰু ১৭ মেই তাৰিখে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে "গুৱাহাটীত অসম সাহিত্য সভা অনুষ্ঠানৰ কাৰণে স্বকীয়া ঘৰ নিৰ্ম্মাণ কৰিবলৈ এডোখৰ সুবিধাজনক মাটি দিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰে আৰু এই বিষয়ে যথাবিহিত কাম কৰিবলৈ সভাপতি আৰু প্ৰধান সম্পাদকক ভাৰ দিয়ে।" ইয়াৰ পিছত ১৯৫৯ চনৰ ১৯ আৰু ২০ জুলাই তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিবেশনে সিদ্ধান্ত গ্ৰহণ কৰে; "গুৱাহাটীত অসম সাহিত্য সভাৰ এটি কাৰ্য্যালয় স্থাপন কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা কৰিবলৈ এটি উপসমিতিৰ ওপৰত ভাৰ ন্যস্ত কৰা হয়।" শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদি এই সমিতিৰ সভ্য আছিল। নানা কাৰণত সভাৰ কাৰণে গুৱাহাটীত মাটি লোৱা আৰু নিৰ্ম্মাণ আঁচনি তৈয়াৰ কৰা কাম হৈ উঠাটো সম্ভৱপৰ নহল।

বৰ্ত্তমান প্ৰধান সম্পাদকৰ কাৰ্য্যকাল আৰম্ভ হোৱাত ১৯৬১ চনৰ এপ্ৰিলৰপৰা মাটি বিচৰা আদি কামত পুনৰ লগা হয়। ডক্টৰ ভূঞা, শ্ৰীযুতা নলিনীবালা দেৱী, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদিৰ দৃঢ়যত্নতেৰে ১৯৬১ চনৰ ১৮ই মেই তাৰিখে কেই টুকুৰামান মাটিৰ আঙুলিয়াই চৰকাৰৰ স্থানীয় কৰ্ত্তৃপক্ষৰ ওচৰত এখন দৰ্খাস্ত দাখিল কৰা হয়। এই বিষয়ত কামৰূপৰ উপায়ুক্ত শ্ৰীগণেশচন্দ্ৰ ফুকনৰ সাহায্য আমাৰ স্মৰণত থাকিব। ১৯৬২ চনৰ ৮ জানুৱাৰী তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাদেৱে আজি য'ত ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটা থাপন কৰা হব, সেই দাগ (৩১৭৬) মাটিৰ, আগতে দিয়া অংশ বাদ দি, বাকীসকলো ভাগ অসম সাহিত্য সভাৰ নামে দিবলৈ হুকুম দিয়ে। মাটি টুকুৰা গুৱাহাটী নগৰৰ একেবাৰেই কেন্দ্ৰস্থলীত অৱস্থিত। ৰেলৱে ষ্টেচন, কটন কলেজ, ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ ইয়াৰ নিচেই ওচৰতে। কামৰূপ অনুসন্ধান সমিতি, অসম ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী জিলা গ্ৰন্থাগাৰ আৰু নতুনকৈ নিৰ্ম্মিত হব ধৰা ৰবীন্দ্ৰভৱন আদি ন পুৰণি অনুষ্ঠানবোৰ ইয়াৰ গাতে লাগি থাকিব।

বৰ্ত্তমানে ভাৰত চৰকাৰে সাংস্কৃতিক অনুষ্ঠানবোৰৰ গৃহ নিৰ্ম্মাণত সহায় কৰিবলৈ এখন আঁচনি উলিয়াইছে। তালৈ লক্ষ্য ৰাখি আমি গুৱাহাটীত সাহিত্য সভাৰ গৃহ নিৰ্ম্মাণৰ এখন প্ৰাথমিক আঁচনি তৈয়াৰ কৰি ১৯৬১ চনৰ ২২ আগষ্ট তাৰিখে অসম চৰকাৰৰ শিক্ষা বিভাগৰ যোগে ভাৰত চৰকাৰলৈ পঠিয়াওঁ। আঁচনি প্ৰস্তুত কৰা কাৰ্য্যত তিনিজন সুদক্ষ ইঞ্জিনিয়াৰে আমাক সহায় কৰে—শ্ৰীঘনকান্ত শৰ্ম্মা, শ্ৰীহেমকান্ত বৰা আৰু শ্ৰীঅমূল্যনাথ ভট্টাচাৰ্য্য। প্ৰথমতে কেহো-ঘেঁহো কৰিলেও কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ে যোৱা বছৰৰ ২৩ মাৰ্চ্চ তাৰিখে ২৬,৮০০ টকাৰ এটি অনুদান মঞ্জুৰী কৰে। ইতিমধ্যে আমি ১৯ ফেব্ৰুৱাৰী তাৰিখে আমাৰ শ্ৰদ্ধেয় গীতি-কবি আৰু সঙ্গীত-নেতা শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱাদেৱৰ তেখেতৰ সোণাৰিৰ সোণালী পামত লগ পাই পঞ্চাশ হেজাৰ টকাৰ এটি দানৰ প্ৰতিশ্ৰুতি লাভ কৰোঁ। তাৰপৰা ঘূৰি আহি আমাৰ পৰম শ্ৰদ্ধেয় কবি শ্ৰীৰঘুনাথ চৌধাৰী ডাঙৰীয়াক লগ পোৱাত তেখেতেও কুৰি হেজাৰ টকাৰ এটি দানৰ প্ৰতিশ্ৰুতি দিয়ে। বৰুৱা দেৱৰ দানৰ উদ্দেশ্য তেখেতৰ স্বৰ্গীয় ককাইদেৱেক ভগৱতীপ্ৰসাদ বৰুৱাৰ স্মৃতিৰক্ষা। শ্ৰীচৌধাৰী



ডাঙৰীয়াৰ দানৰ উদ্দেশ্য তেখেতৰ নামে এটি গৱেষণা গ্ৰন্থাগাৰ নিৰ্ম্মাণ। সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ২৮ ফেব্ৰুৱাৰী তাৰিখে দুয়োটি দান পৰম সাদৰে গ্ৰহণ কৰে। এই দুয়োটি দানৰ শক্তিৰে বল বান্ধি আমি সাংস্কৃতিক পৰিক্ৰমাৰ মন্ত্ৰী অধ্যাপক হুমায়ুন কবীৰৰ কাষ চাপোঁ—অনুদান পঞ্চাশ হেজাৰ টকালৈ বঢ়াবলৈ। তেখেতে আমাৰ আবেদন গ্ৰাহ্য কৰি ৪ জুন তাৰিখে সন্মতিজ্ঞাপক পত্ৰ প্ৰেৰণ কৰে। আজিৰ অনুষ্ঠানৰ এই অৱসৰত অধ্যাপক কবীৰৰ শলাগ লৈছোঁ।

অসম চৰকাৰে দানদিয়া মাটি সভাই অধিগ্ৰহণ কৰিলে। কিন্তু কাগজ-পত্ৰৰ মেৰ-পেঁচত পৰি সভাৰ মাটিলৈ সোমোৱা বাট কাৰ্য্যত নোহোৱা হল। এই বিষয়ত আমাৰ একেবাৰে ওচৰ-চুবুৰীয়া গুৱাহাটী জিলা কংগ্ৰেছ কমিটি আৰু গুৱাহাটী জিলা গ্ৰন্থাগাৰৰ কৰ্ত্তৃপক্ষৰ সহানুভূতিশীল মনোভাৱে আমাক ডাঙৰ সহায় কৰিলে। এই বিষয়ত কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীনৰনাৰায়ণ গোস্বামী আৰু সম্পাদক শ্ৰীৰমেশচন্দ্ৰ চৌধুৰী আৰু আনফালে অসম চৰকাৰৰ সংযুক্ত শিক্ষাধিকাৰ শ্ৰীউমাকান্ত শৰ্ম্মা আৰু ৰাজ্যিক কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক শ্ৰীৰাম গোস্বামীৰ সহানুভূতি আমাৰ মনত থাকিব। কংগ্ৰেছ কমিটিয়ে আমাৰ বাটৰ কাৰণে সিসকলৰ পশ্চিম সীমাৰ দুফুটকৈ মাটি এৰি দিবলৈ ৰাজি হয়; অসম চৰকাৰৰ শিক্ষা বিভাগেও গ্ৰন্থাগাৰৰ দখলৰ পূৱফালে বাৰ ফুটকৈ মাটি এৰি দিয়ে। ইয়াৰ উপৰি কংগ্ৰেছ কমিটিয়ে সিসকলৰ দক্ষিণ-পশ্চিম চুকৰ মাটিৰ সৰু এটি অংশ আমাক এৰি দিছে। ইয়াৰ বাবে দুয়োটি কৰ্ত্তৃপক্ষ আমাৰ শলাগৰ পাত্ৰ। ইয়াৰ উপৰি ৰেলৱে কৰ্ত্তৃপক্ষই আমি পোৱা মাটিত থকা তেওঁলোকৰ ঘৰটো আমাৰ অনুৰোধ মতে তুলি নিয়া বাবে তেওঁলোকেও আমাৰ ধন্যবাদ পাব লাগে।

ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ আঁচনি আৰু নক্সাবোৰ কলিকতাৰ গৃহ-নিৰ্ম্মাণ-শিল্পী কুঞ্জবিহাৰী এণ্ড্ সেন্ কোম্পানীয়ে তৈয়াৰ কৰি দিছে। আজি এই লাইখুঁটা স্থাপন কৰা উৎসৱৰ আৱশ্যকীয় কাৰ্য্যসমূহ কলিকতাৰ মেছাৰ্চ চেটাৰ্জ্জী ইঞ্জিনিয়াৰিং এণ্ড্ কনষ্ট্ৰাকচন্ কোম্পানীয়ে সম্পাদন কৰি দিছে। অসমৰ এগৰাকী আদৰৰ শিক্ষক অধ্যাপক আশুতোষ চেটাৰ্জ্জীৰ পুত্ৰ আৰু এই কোম্পানীৰ মেনেজিং পাৰ্টনাৰ শ্ৰীমনতোষ চেটাৰ্জ্জীক তাৰ বাবে ধন্যবাদ জনাইছোঁ।

আজিৰ এই অনুষ্ঠানৰ উপলক্ষত আমাক পঞ্চাশ হেজাৰ টকাৰ অনুদানৰ সাহায্য দিয়া বাবে ভাৰত চৰকাৰক আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰোঁ। তাৰ লগতে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ অৰ্থে পঞ্চাশ হেজাৰ টকাৰ দান আগবঢ়োৱা শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱালৈ আমাৰ আন্তৰিক শলাগৰ শৰাই আগ বঢ়াইছোঁ। অসমৰ সাহিত্য আৰু সংস্কৃতিলৈ শ্ৰীবৰুৱা ডাঙৰীয়াৰ দান মহৎ আৰু বৈশিষ্ট্যপূৰ্ণ। তেখেতৰ বদান্যতাই ইতিমধ্যে শিৱসাগৰক অসমৰ প্ৰথম ঘূৰণ-মঞ্চ আৰু সোণাৰীক ভগৱতীপ্ৰসাদ বৰুৱা উচ্চ ইংৰাজী স্কুল দান কৰিছে।

আজিৰ এই আনন্দৰ মুহূৰ্ত্তত চকুৰে নেদেখা এজন পুৰুষৰ চিত্ৰ মনৰ মাজলৈ আহিছে। সুশ্ৰী, সুবেশ, সংস্কৃত আৰু পৰিমাৰ্জ্জিত—সেই জনা পুৰুষ হল ভগৱতীপ্ৰসাদ বৰুৱা। সুকোমল ফুলপাহিৰ দৰে সেই ব্যক্তিত্ব কালৰ মোহাৰ থাই হঠাতে নোহোৱা হল আৰু লগে লগে অসমীয়া সাহিত্যত এটি ৰিঙা বিঙা সুৰ এৰি গ'ল। তেওঁ তেতিয়াও সাহিত্যিকৰ ভূমিকা গ্ৰহণ কৰা নাই। কিন্তু তেওঁৰ ব্যক্তিত্বই এটা যুগৰ সাহিত্যিক গোষ্ঠীক আকৃষ্ট কৰি ৰাখিছিল। তেওঁৰ পৰিমিত ৰচনা আৰু বিশেষকৈ সাহিত্যিক বন্ধুলৈ লিখা পত্ৰসমূহত এক অপূৰ্ব্ব বৰ্ণ আৰু সুবাসৰ সমাৱেশ দেখা পোৱা যায়। এই লেখাবোৰত জীৱনৰ এক পোহৰী স্বপ্ন আৰু একেলগে ভাষাৰ শক্তি আৰু সৌন্দৰ্য্যই ধৰা দিয়ে। বৰ্ত্তমানে লেখাখিনি একে লগ কৰি উলিয়াবৰ যত্ন কৰা হৈছে। ১৯৩৩ চনৰ ১৪ অক্টোবৰ তাৰিখে দিচাঙৰ পানীত নোহোৱা হোৱা এই মনোৰম ব্যক্তিত্বলৈ আমাৰ নমস্কাৰ। তেওঁৰ আত্মাই শান্তি লাভ কৰোক আৰু ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অধিষ্ঠান কৰি ভৱিষ্যতৰ অসমীয়া লেখকসকলক সুন্দৰ সৃষ্টিলৈ উদগনি দিয়ক এয়ে আমাৰ কামনা।

এটি কথা উল্লেখ কৰোঁতে গৌৰব অনুভৱ কৰিছোঁ যে আজিৰ ভৱন-প্ৰতিষ্ঠাৰ নান্দীটি বিশ্ব-বিশ্ৰুত ভাষাতাত্ত্বিক

পণ্ডিত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে প্ৰণয়ন কৰি দিছে, তাৰে প্ৰথমৰ শ্লোকটি দ্বাদশ শতিকাৰ মহীশূৰৰ বৈয়াকৰণ নাগবৰ্ম্মাৰ দ্বাৰা ৰচিত। ডক্টৰ চট্টোপাধ্যায়ক সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছোঁ।

সৰ্ব্বশেষত অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়জীয়ে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটাৰ শিলটি থাপনা কৰিবলৈ সাতলোৱা বাবে অসম সাহিত্য সভা তথা ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্ম্মাণ সমিতিৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গুৱাহাটী
৭ এপ্ৰিল ১৯৬৩

মহেশ্বৰ নেওগ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
সম্পাদক, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
নিৰ্ম্মাণ সমিতি।

# ভগৱতীপ্ৰসাদৰ স্মৃতিত

(ভগৱতীপ্ৰসাদ বৰুৱাৰ কলিকতাৰ সহপাঠী বিখ্যাত সাহিত্যিক শ্ৰীগোপাল হালদাৰে ভগৱতীপ্ৰসাদ স্মৃতি ভৱনৰ আধাৰ-শিলা স্থাপন উপলক্ষে দিয়া চিঠি)

অসমীয়া ভ্ৰাতৃ আৰু ভগ্নীসকল,

অসম সাহিত্য সভাৰ এই শুভ অনুষ্ঠানত আপোনালোকৰ আমন্ত্ৰণ পত্ৰ পাই বিশেষ সম্মানিত হলোঁ। মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা আপোনালোকে গ্ৰহণ কৰিব। সম্ভৱ হলে নিশ্চয় এই শুভ দিনত আপোনালোকৰ লগত সম্মিলিত হৈ ধন্য মানিলোহেঁতেন—বিশেষকৈ যেতিয়া এই ভৱনৰ নাম কৰা হৈছে মোৰ প্ৰিয় বন্ধু আৰু সহপাঠী স্বৰ্গীয় ভগৱতীপ্ৰসাদ বৰুৱাৰ নামে।

সেয়া আজি প্ৰায় ৪৫ বছৰ আগৰ কথা। ১৯১৮ চনত আমাৰ প্ৰথম পৰিচয়। আমি দুয়োজনেই একেখন স্কটিচ চাৰ্চ কলেজৰ ছাত্ৰ, কলেজৰ একেই ছাত্ৰাবাসৰ (ওগিল্‌ভী হোষ্টেল) অধিবাসী। তাৰ উপৰি আমাৰ পাঠ্যক্ৰম আছিল একেই, আৰু আছিলোঁও ছাত্ৰাবাসৰ চাৰি তলাত। ভগৱতী বাবু আৰু গিৰীন বাবু দুয়োজন অসমীয়া সহপাঠী বাস কৰিছিল একেটি কোঠাতে। মই আছিলোঁ নিচেই কাষৰ এটি অকলশৰীয়া কোঠাত। কিছু দিন আগেয়ে এই হোষ্টেলৰ সহকাৰী পৰিচালক আছিল অসমীয়া কবি যতীন দুৱৰা মহাশয়—সাহিত্যানুৰাগৰ কাৰণে তেখেতৰ লগত মোৰ দাদা অধ্যাপক ৰঞ্জীন হালদাৰৰ (পাটনা) সৌহাৰ্দ্দ্য আছিল। দেখাদেখি নহলেও তেখেতৰ নাম মই তেতিয়াৰেপৰা জানো। পিছত যতীন বাবুৰ লগত কলিকতাত যেতিয়া মোৰ পৰিচয়, তেখেতৰ ওচৰত অগ্ৰজৰ স্নেহ লাভ কৰিছিলোঁ। বোধ হয় যতীন বাবুৰ পৰামৰ্শ মতেই ভগৱতী বাবু আৰু গিৰীন বাবু এই হোষ্টেলত থকাৰ স্থিৰ কৰিছিল হব পাৰে। অনবদ্য আছিল তাৰ সকলো ব্যৱস্থা। অসমীয়া সাহিত্যৰ ইতিহাসত ওগিল্‌ভী হোষ্টেলৰ কথাই ঠাই পায়নে নাপায় নাজানো, কিন্তু বঙলা সাহিত্যত স্বৰ্গীয় বন্ধু সজনীকান্ত দাসৰ 'আত্মস্মৃতি'ৰ কাৰণে ওগিল্‌ভী ছাত্ৰাবাসৰ উল্লেখ থাকি যাব। সজনীকান্তও আমাৰ সহপাঠী আৰু সতীৰ্থ আছিল। কিন্তু তেওঁ এই কলেজত আৰু এই ছাত্ৰাবাসত নাম লগাইছিল দুবছৰ পিছত, আৰু তেওঁ আছিল বি-এছ-চিৰ ছাত্ৰ। তাৰ আগেয়ে ভগৱতী বাবুৰ লগত মোৰ পৰিচয় সৌহাৰ্দ্দ্যত পৰিণত হৈছিল। সজনী আহিলত তেওঁ তেওঁৰ স্বভাৱসিদ্ধ গুণেৰে এই সমস্ত দলটোকে সজীৱ কৰি তুলিছিল।

ওগিল্‌ভী হোষ্টেল এটি সৰু ছাত্ৰাবাস—মাত্ৰ ৫২ জন ছাত্ৰৰ বাস। সেয়েহে কোনোৱা জনৰ লগত কোনোৱা জনৰ পৰিচয় নঘটাটোৱেই অসম্ভৱ। ভগৱতী বাবুৰ লগত সেই পৰিচয় সৌহাৰ্দ্দ্যত পৰিণত হওঁতে অলপ পলম হৈছিল। কলেজলৈ একেলগে যাওঁ আৰু ক্লাছৰ শেষত সহপাঠীৰ অনেকেই একেলগে হোষ্টেললৈ ঘূৰি আহোঁ। তাৰ পিছত খোৱাৰ মজিয়াত আৰু খেল-ধেমালিৰ



পৰত আমাৰ দেখা শুনা অব্যাহত থাকে। সন্ধ্যা সময়ত নিজৰ নিজৰ কোঠাত পঢ়াৰ সময়ত মাত্ৰ আঁতৰি থাকোঁ—সেইকণ সময়নো কিমান কণ? ভগৱতী বাবুৰ লগত ঘনিষ্ঠ পৰিচয়ৰ বাটত তথাপি আৰু অকণমান বাধা আছিল। প্ৰথম কথা কলিকতা আৰু কলেজীয়া জীৱনত মই একেবাৰে নৱাগত, ভগৱতী বাবুও সেই নিচিনাই। হয়তো অৱস্থাটো সম্পূৰ্ণ আয়ত্ত নৰাত তেওঁৰ পক্ষে আৰু অলপ বাধা আছিল; চলতি বঙলাত কথা কব পাৰিব নে নোৱাৰে তেওঁৰ লেখীয়া সূক্ষ্ম ৰুচিৰ ব্যক্তিৰ পক্ষে সংশয় থকা আচৰিত নহয়। অৱশ্যে ছাত্ৰাবাসৰ স্বতঃস্ফূৰ্ত্ত প্ৰাণস্পৰ্শৰ মাজত দুদিন পিছতে দূৰ হৈ পৰিছিল। তথাপি অকণমান বাধা থাকি গল, সেয়া হ'ল ভগৱতীপ্ৰসাদৰ স্বাভাৱিক Shypess বা সংকোচ। এই সংকোচৰো অলপ বৈশিষ্ট্য আছিল; তাতেই ভগৱতী বাবুৰ পৰিচয় ফুটি উঠিছিল। তেওঁ আছিল সুশ্ৰী আৰু প্ৰিয়দৰ্শন। লাজকুৰীয়া মুখত লাগি থাকিছিল সুন্দৰ হাঁহি আৰু চকুত সৌহাৰ্দ্দ্যৰ চাৱনি। সংকোচৰ বাবে কথাহে মাথোন কয় কমকৈ, কিন্তু মৃদুস্বৰেৰে আৰু শিষ্ট সম্ভাষণেৰে। সংকোচজাত গাম্ভীৰ্য্য নাইবা আড়ষ্ট চাৱনি তেওঁৰ নাছিল—সেয়েহে এই সংকোচে কাকো তেওঁৰপৰা আঁতৰাই নাৰাখিছিল বৰং মিঠা লগা কথা আৰু শিষ্ট ব্যৱহাৰে সকলোকে আকৃষ্টহে কৰিছিল। তথাপি সৌহাৰ্দ্দ্যৰ গঢ় লৈ উঠিবলৈ যিকণ পলম লাগিছিল, তাৰ কাৰণ একমাত্ৰ তেওঁৰ সূক্ষ্ম ৰুচি, শালীনতা-বোধ আৰু পৰিমিতি-জ্ঞান। অৰ্থাৎ নতুন পৰিবেশত এইজনা সাহিত্য-ৰসিকৰ আন্তৰিক সৌন্দৰ্য্যবোধ—এইটোৱেই পলম হোৱাৰ আচল কাৰণ।

আকৌ এই সাহিত্যানুৰাগেই সেই প্ৰিয়ভাষী সতীৰ্থক মোৰ নিচিনাকৈ কাৰো কাৰো নিকটতৰ কৰি তুলিছিল। হোষ্টেলৰ ক্ষুদ্ৰ গ্ৰন্থাগাৰৰপৰা ৰাতিৰ খোৱাৰ পিছত কিতাপ অনা নিয়া সূত্ৰে বন্ধুত্ব মুখৰ কথাৰে আমি ৰচনা কৰাৰ আগেয়ে এহাতে ৰচনা কৰিছিল বাৰ্ণৰ্ড শ, গল্‌ছওৱাৰ্দ্দি, আনাতোল ফ্ৰাঁছ, বল্‌জাক, চেখভ, টলষ্টয়, দষ্টয়েভস্কি, ইবছেন, ক্নুট হামছুন আদি বহুতো বিদেশী মহাৰথী আৰু আনপিনে ৰবীন্দ্ৰনাথ শৰৎচন্দ্ৰ, প্ৰমুখ্যে আমাৰ দেশৰ সাহিত্য-গুৰুসকলে। দেখিলো ভগৱতী প্ৰসাদৰ ওচৰতো ৰবীন্দ্ৰনাথ পৰম আত্মীয়। এই অমৰসকলে গাঁথি দিয়া বান্ধোন কেৱল আছেন্তই নহয়, সি অমৃতময়ো। সেয়ে আমাৰ লাভ হ'ল। এই গ্ৰন্থাগাৰৰ কিতাপৰ বাছনি, কিতাপ কিনাৰ ভাৰ, প্ৰায়খিনিয়েই মোৰ ওপৰত আছিল। লগে লগে এই সাহিত্য-ৰসিক বন্ধুজনৰ লগত আলাপ-আলোচনাৰ সুযোগ বাঢ়ি আহিছিল। সি আৰু বেছি হ'ল হোষ্টেলৰ হাতে-লিখা আলোচনীৰ জৰিয়তে। বছৰি দুই এটা সংখ্যাৰূপে আলোচনীখন ওলায়। সেই উপলক্ষে উদ্যোক্তাসকলৰ হৈ ভগৱতী বাবুক লেখিবলৈয়ো ধৰিলোঁ। কিন্তু প্ৰকৃততে কিবা লেখাৰ পৰিছিলো নে নাই সেই বিষয়ে আলোচনীৰ এতিয়াৰ ৰক্ষাকৰ্ত্তাসকলেহে কব পাৰিব। অৱশ্যে এসময়ত মই তাৰ সম্পাদক হৈছিলোঁ। সেই বয়সত দুঃসাহস কম নাথাকে। সেইবাবে বঙলা এৰি ইংৰাজীত কলম চলোৱাতো বাধা নহৈছিল। ভাষাৰ ভুল-ভ্ৰান্তি, ভাবৰ অপৰিণত আতিশয্য, তালৈ কোনে পৰোৱা কৰে? কিন্তু যিমান দূৰ মনত পৰে ভগৱতীপ্ৰসাদৰ মাত্ৰা-জ্ঞান আৰু সাহিত্যবোধে তেনে কোনো দুষ্কৰ্ম্মৰ প্ৰতি তেওঁক আগুৱাই নিনিছিল। সংযত বুদ্ধি আৰু সাহিত্যবোধ তেতিয়াও আছিল তেওঁৰ আপোন বৈশিষ্ট্য।

চাৰি বছৰ পিছত ১৯২২ চনত আমি নানাজন নানাপিনে ছিটিকি পৰিলোঁ। কোন ক'লৈ গ'ল, ভালকৰি তাৰ খবৰ ৰাখিব পৰা নাই। বহুত ধুমুহা বা-মাৰলীৰ কোবত প্ৰথম যেতিয়া মই অসমত পদাৰ্পণ কৰিলোঁ,—সি প্ৰায় দহ বছৰ আগৰ কথা—গুৱাহাটীত তেতিয়া খবৰ কৰিলোঁ মোৰ পুৰণি অসমীয়া সতীৰ্থসকলৰ। শুনি চমকিত হলোঁ। ভগৱতীপ্ৰসাদ বৰুৱা নাই, লক্ষ্মীধৰ শৰ্ম্মা নাই। কেতিয়া তেওঁলোক গুচি গ'ল মোৰ পক্ষে জনাও সম্ভৱ নাছিল, কাৰণ মই আছিলোঁ কাৰান্তৰাল আৰু বন্দীনিবাসত।

সুদীৰ্ঘ কালৰ পিছত আজি যেতিয়া জানিলোঁ সেই স্বৰ্গীয় সুহৃদ ভগৱতীপ্ৰসাদ বৰুৱাৰ স্মৃতিক এই পৱিত্ৰ আয়োজনৰে তেওঁৰ অসমৰ বন্ধুসকলে চিৰস্মৰণীয় কৰিবলৈ ওলাইছে আৰু আদৰ্শনৰ পাছতো ভগৱতীপ্ৰসাদৰ দিন-

সিপিত আমাৰ তাহানি কালৰ স্মৃতি অসমীয়া ভাষাত ৰক্ষিত হৈছে, তেতিয়া হেৰোৱা বন্ধুসকলৰ বাবে যেনেকৈ দীঘল হুমুনিয়াহ পেলালোঁ, তেনেদৰে তেওঁলোকৰ মাজৰে শেষৰ এজন বুলি গৌৰৱবোধো কৰিলোঁ। ভগৱতী-প্ৰসাদ তো আমাৰেই মাজৰ এজন আছিল। আৰু গৌৰৱ বোধ কৰিলোঁ এই আবাল্য পৰিপুষ্ট বিশ্বাসত যে ভাৰতৰ সকলো জাতিৰ ভাষাৰ লগত অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ সৃষ্টি-সৌন্দৰ্য্য বিকশিত হৈ উঠিলে আমাৰ এই মহাজাতিৰ সংস্কৃতি দলৰ লগত দল মিলি শতদল হোৱাৰ নিচিনাকৈ পৰিপূৰ্ণ ভাৰতীয় সংস্কৃতি-ৰূপে বিকশিত হৈ উঠিব। অগ্ৰসৰ হওক অসমীয়া সাহিত্য।

অসমৰ ভ্ৰাতৃ ভগ্নীসকল, আপোনালোকৰ উদ্দেশ্যে পঠোৱা এই বঙালী ভাইৰ শুভেচ্ছা আৰু নমস্কাৰ গ্ৰহণ কৰিব। —ইতি ২৭ মাৰ্চ, ১৯৬৩ ইং।

শুভানুধ্যায়ী
গোপাল হালদাৰ

---

# অসম সাহিত্য সভা

## ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটা থাপনা কৰা উছৱত

## অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ৰ ভাষণ

আজিৰ এই শুভ অনুষ্ঠানত যোগদান কৰিবলৈ পাই মই আনন্দিত হৈছোঁ। প্ৰায় ছবছৰ আগেয়ে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত স্বৰ্গীয় ৰাধাকান্ত সন্দিকৈৰ প্ৰতিকৃতি এটা উন্মোচন কৰাৰ কথা আজি মোৰ হৃদয় মনত পৰিছে। অসমীয়া ভাষা আৰু সাহিত্যৰ নৱ-জাগৰণৰ হকে বহুতো অসম সন্তানে দেখুওৱা দেশ-প্ৰাণতাৰ সি আন এটি নিদৰ্শন। ভাষা আৰু সাহিত্যৰ হকে মানুহৰ অন্তৰত এক গভীৰ অনুৰাগ থাকে, কিন্তু ভাষা সাহিত্যৰ উন্নতিৰ বিষয়ত চিন্তা কৰিলে, সেই পথত একোটা আচৰিত কথা দেখা যায়। একোটা সময়ত বিৰাট উৎসাহ উদ্দীপনা জাগি উঠে আৰু উৎকৃষ্ট বৰঙণি আপুনি আহে। কিন্তু তাৰ পিছতে কিবা অজ্ঞাত কাৰণত একোটা অন্ধকাৰ যুগ আহে; তেতিয়া মূল্যবান একোৰে সৃষ্টি নহয়, আৰু সমাজৰ সমস্ত সংস্কৃতি আৰু জীৱন নীৰস আৰু বিবৰ্ণ হৈ পৰে। তেতিয়া আকৌ এটা পৰিবৰ্ত্তন আনিব পৰা কোনো প্ৰস্তুত ঔষধ দেখা পোৱা নাযায়। সমাজে কোনো কাৰিকৰি বুদ্ধি খটায়ো সেই পৰিবৰ্ত্তন ঘটাব নোৱাৰে। এসময়ত প্ৰবল ভাবে বৈ থকা এটা পানীৰ সোঁত বন্ধ হৈ শুকাই গলে তাক আগৰ শক্তিৰে বোৱাই দিব পৰা লোক আছেনে নাই সন্দেহৰ কথা। মই কিন্তু এটা অনুমান কৰিবলৈ সাহ কৰিছোঁ। এই কাৰ্য্য নিৰ্ভৰ কৰে কেইজনমান মানুহৰ ওপৰত। যদি সেই যুগটোৱে কেনেবাকৈ তেনে লোকৰ জন্ম দিয়ে তেতিয়া হলে আকৌ সৃষ্টিশীল প্ৰক্ৰিয়াৰ পুনৰ আৰম্ভ হয়।

মই ভাবো সৌভাগ্যবশতঃ এই কেই বছৰত অসমীয়া সাহিত্যত তেনে সুলেখক ওলাইছে। আপোনালোকৰ নিজৰ এই সাহিত্য সভাই ১৯১৭ চনত জন্মলাভ কৰিবৰে পৰা অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ বিকাশলৈ বিশিষ্ট বৰঙনি যোগাই আহিছে। সভাই নানা ভাবে কাম কৰি আহিছে। অসমীয়া অভিধান প্ৰণয়ন কৰিছে। অসমৰ মধ্যযুগীয় সাহিত্যৰ গৱেষণাৰ কাৰণে উৎসাহ উদগনি যোগাই আহিছে। গ্ৰন্থাগাৰ, সংগ্ৰহালয়, ছাত্ৰবৃত্তি, সাহিত্য আৰু সংশ্লিষ্ট বিষয়ত



অধ্যাপকপদপ্ৰতিষ্ঠা কৰাৰ আশা কৰিছে। আজিৰ সভাৰ কাৰণে গুৱাহাটীত এখন ঘৰ সজাত আপোনা-লোকৰ বহুদিনীয়া সপোন বাস্তৱত পৰিণত হবলৈ ধৰিছে। এই সপোন বাস্তৱত পৰিণত কৰা কাৰ্য্যত যিসকলে সহায় সহযোগ কৰিছে তেওঁলোকক আমি কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে চৰকাৰৰ পক্ষৰপৰা এডোখৰ মাটিৰ দিহা কৰি দিছে। কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ে এটি অনুদান দি সহায় কৰিছে। শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱা আৰু শ্ৰীৰঘুনাথ চৌধাৰী কৰিবস্তুই আগবঢ়োৱা দান বিশেষ ভাৱে উল্লেখযোগ্য। এনে ধৰণৰ দেশপ্ৰেম আৱশ্যকীয়।

আজি লাইখুঁটা থাপনা কৰিবলৈ লোৱা সাহিত্য সভাৰ গুৱাহাটীৰ এই ঘাই ভৱনটোৰ অসমৰ এজন প্ৰিয় পুত্ৰ স্বৰ্গীয় ভগৱতীপ্ৰসাদ বৰুৱাৰ নামত নিৰ্ম্মাণ হোৱাটো সন্তোষৰ কথা হব। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত বদান্যতা আৰু অনুৰাগৰ পৰিচয় দিয়া এক বিশিষ্ট পৰিয়ালত জন্মলাভ কৰা ভগৱতীপ্ৰসাদে জীৱনৰ আগ-বয়সতে সাহিত্যিক প্ৰতিভাৰ পৰিচয় দিয়ে। করুণ পৰিস্থিতিত অকাল মৃত্যুৰ মুখত পৰা এই সাহিত্যসেৱী জন জীয়াই থকা হলে তেওঁ অসমীয়া সাহিত্যলৈ অশেষ বৰঙনি দিব পাৰিলেহেঁতেন। আজি যি স্মৃতি ৰক্ষাৰ ব্যৱস্থা কৰা হৈছে তাতকৈ উপযোগী ব্যৱস্থা আৰু হব নোৱাৰে। তেওঁৰ স্মৃতি এইদৰে সঞ্জীৱিত কৰি ৰখাটো সমুচিত কাৰ্য্য হৈছে। আজি ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটা থাপনাৰ সুযোগ দিয়াৰ বাবে মই বৰ সন্তোষ পাইছোঁ। আজিৰ এই কাৰ্য্যই জলোৱা প্ৰদীপ গছি যেন অখণ্ড কৰি ৰাখে। অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰগতিৰ পথত এই ভৱনে যেন নিজৰ ভূমিকা গ্ৰহণ কৰিব পাৰে।

---

# অসম সাহিত্য সভা

## ত্ৰিংশ বাৰ্ষিক সন্মিলন

## নাজিৰা

উপস্থিত সদস্যৰ তালিকা—

শ্ৰীবসন্তকান্ত বৰকাকতী—সভাপতি

কাৰ্য্য-নিৰ্ব্বাহক সমিতি—(সৰ্ব্বশ্ৰী) ত্ৰৈলোক্যনাথ গোস্বামী—সভাপতি (বিদায়ী), বিনন্দচন্দ্ৰ বৰুৱা—উপ-সভাপতি, ডক্টৰ মহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, হৰি-প্ৰসাদ নেওগ—সহকাৰী সম্পাদক, নৰেন্দ্ৰনাথ শৰ্ম্মা—ধনভৰালী, যতীন্দ্ৰনাথ গোস্বামী—পত্ৰিকা সম্পাদক, থনীন্দ্ৰ চন্দ্ৰ বৰুৱা, উমাকান্ত শৰ্ম্মা, মেদিনীকান্ত ঠাকুৰীয়া, বিশ্বনাৰায়ণ শাস্ত্ৰী, মহেশচন্দ্ৰ দেৱ গোস্বামী, ভবানন্দ ৰাজখোৱা, লীলা গগৈ, ৰঘুৰা তাঁতি, ধৰ্ম্মকান্ত গোহাঁই, গোবিন্দচন্দ্ৰ পৈৰা।

প্ৰাক্তন সভাপতি—শ্ৰীনীলমণি ফুকন, শ্ৰীপদ্মধৰ চলিহা

প্ৰাক্তন প্ৰধান সম্পাদক—শ্ৰীপৰাগধৰ চলিহা

অভ্যৰ্থনা সমিতি—শ্ৰীবেদনাথ বৰঠাকুৰ, শ্ৰীপৰনাথ শৰ্ম্মা শ্ৰীহৰগোবিন্দ দাস

শাখা সভাৰ সভাপতি—শ্ৰীমতী ইন্দিৰা মিৰি (আলোচনা চক্ৰ), ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰী (বুৰঞ্জী শাখা), শ্ৰীভিষেশ্বৰ নেওগ (কবি সন্মিলন), ডক্টৰ ভূপেন্দ্ৰ কুমাৰ হাজৰিকা (সঙ্গীত শাখা)।

আজীৱন সভ্যৰ প্ৰতিনিধি—(সৰ্ব্বশ্ৰী) বিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, মেজৰ সুৰেন্দ্ৰচন্দ্ৰ দত্ত, হৰকান্ত দাস, তোলন চন্দ্ৰ শইকীয়া, জয়চন্দ্ৰ বৰুৱা, পৰশুৰাম বৰুৱা, গোলোক

চন্দ্ৰ বৰুৱা, নিৰুপমা ফুকন, প্ৰফুল্ল বৰুৱা, শৰৎচন্দ্ৰ বৰা, যোগেশ্বৰ বৰুৱা।

শাখা সভাৰ প্ৰতিনিধি—( সৰ্ব্বশ্ৰী ) দীননাথ কোঁৱৰ, শিৱনাথ বৰদলৈ ( মাৰ্ঘেৰিটা সাহিত্য সভা ); উজ্জ্বল শইকীয়া, কৃষ্ণপ্ৰসাদ বৰুৱা, প্ৰিয়দাস তালুকদাৰ ( ডিগবৈ সাহিত্য সভা ); আবদুল হক চৌধুৰী, অতুল বৰুৱা, ধৰ্ম্ম গগৈ, ফানোৱাৰা বেগম, বাজ্যমল ডেকা, সুৰবালা শৰ্ম্মা ( ডুমডুমা সাহিত্য সভা ); যোগেন শৰ্ম্মা, ক্ষেত্ৰধৰ গোহাঁই, লক্ষ্মী ৰাজকোঁৱৰ, সিদ্ধেশ্বৰ তামুলী, বৃদ্ধ চলিহা ( তিনি চুকীয়া সাহিত্য সভা ); যুগল চেলেং, পূৰ্ণানন্দ শইকীয়া, কুলধৰ শইকীয়া, যামিনী ফুকন, নিত্যা শইকীয়া ( খোৱাং সাহিত্য সভা ); কালী ডেকা, দেৱী চুতীয়া, হৰিপ্ৰসন্ন ডেকা ( মৰাণ সাহিত্য সভা ), বুদ্ধীন্দ্ৰ ৰাজখনিকৰ, মোহন শইকীয়া, নবীন বৰগোহাঁই, প্ৰমোদ বৰদলৈ ( ডিমৌ সাহিত্য সভা ); বীৰেন বৰকটকী, ৰিয়াজুল হুছেইন, গিৰিশ দাস, চন্দ্ৰ বৰা, জগত চেতিয়া ( ৰংপুৰ সাহিত্য সভা ); অম্বেশ্বৰ চেতিয়া ফুকন, নাৰায়ণ ভট্টাচাৰ্য্য, বাণেশ্বৰ দত্ত, খগেন গগৈ, নীলকান্ত বৰুৱা ( সোণাৰি সাহিত্য সভা ), ভোলা দত্ত, হিতেশ্বৰ শইকীয়া, প্ৰফুল্ল দত্ত, কালিদাস বৰা, লাৱণ্য দত্ত ( নাজিৰা সাহিত্য সভা ); বসন্ত গোহাঁই বৰুৱা, মহীচন্দ্ৰ গগৈ, অতুল বৰঠাকুৰ ( জাঁজী সাহিত্য সভা ); মোহন বৰা ( কমাৰবন্ধা সাহিত্য সভা ); প্ৰফুল্ল শৰ্ম্মা ( ভেৰগাঁও সাহিত্য সভা ); দেৱপ্ৰসাদ বৰুৱা, ৰমা বৰঠাকুৰ, আনন্দচন্দ্ৰ বৰুৱা, অৰুণ গোস্বামী, শশীপ্ৰভা দত্ত, কমলিনী বৰবৰা, বদন গগৈ, মুকলী শইকীয়া, ব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী, গজেন বৰদলৈ, শৰৎ দত্ত, কিৰণ ফুকন, বিৰজা শইকীয়া, ত্ৰৈলোক্য গোস্বামী, অতুলানন্দ গোস্বামী মৃদুল্লা শৰ্ম্মা, ইলা বৰঠাকুৰ, বিমলকুমাৰী দেৱী, ধীৰেন্দ্ৰ বৰবৰা ( যোৰহাট সাহিত্য সভা ); যোগেশ্বৰ বৰা ( কলিয়াবৰ সাহিত্য সভা ); জ্যোতিৰ্ম্ময়ী দেৱী, কৈলাস শৰ্ম্মা হেমকান্ত ভূঞা, বেব বৰা, মলয়কুমাৰ ৰায়, অমূল্য নাথ, হৰিপ্ৰসন্ন তামুলী ফুকন, তোষেশ্বৰ শৰ্ম্মা, ( নগাঁও সাহিত্য সভা ); ঘন মোহন গোস্বামী ( হাতীচোং সাহিত্য সভা ); বৈকুণ্ঠ শৰ্ম্মা, কৃষ্ণ লহকৰ, ভবেন্দ্ৰ দাস, সুৰেন্দ্ৰ লহকৰ, পদ্মকান্ত কাকতী ( বঙিয়া সাহিত্য সভা ); শম্ভুধৰ বৰুৱা, ৰবিননাৰায়ণ কোঁৱৰ, যশোদা কোঁৱৰ, ( মঙ্গলদৈ সাহিত্য সভা ); হেমন্ত কুমাৰ শৰ্ম্মা, ( ডক্টৰ ) হৰিচন্দ্ৰ ভট্টাচাৰ্য্য ( সবিতা সভা, গুৱাহাটী ); সূৰ্য্য মজুমদাৰ, তাৰিণী দাস, হৰকান্ত দাস শশীমোহন কাকতী, উমেশ কলিতা, নৰেন কলিতা ( পলাশবাৰী সাহিত্য সভা ) নগেন বৰা, বিনন্দ বৰা, ৰাধা বৰুৱা, সাৰদাপ্ৰসাদ চক্ৰবৰ্ত্তী সুৰেন ফুকন ( মৰিয়নী সাহিত্য সভা ); ভূপেন শৰ্ম্মা, মীৰা শৰ্ম্মা ( নলবাৰী সাহিত্য সভা ); পৰেশ শৰ্ম্মা ব্ৰজপতি মহন্ত ( জ্ঞানোদয় সমাজ ); মাণিক ভৰালী, কমলা শইকীয়া ( দিখৌমুখ সাহিত্য সভা ); প্ৰসন্ন বৰুৱা ( বঙাইগাঁও সাহিত্য সভা ); ৰমণ সিংহ, বীৰেন সিংহ ( শিলচৰ সাহিত্য সভা ); নগেন ৰাজকোঁৱৰ, যাদৱ শৰ্ম্মা অনিল বৰা, জ্যোতিপ্ৰসাদ বৰা ( ডিফু সাহিত্য সভা ); গৌৰীকান্ত গাথীৰি, গগন সোণোৱাল ( কাকপথাৰ সাহিত্য সভা ) ৰত্নেশ্বৰ গগৈ, মহেন্দ্ৰ হাজৰিকা ( বৰডুবি সাহিত্য সভা ), ললিত শৰ্ম্মা বৰুৱা, মহেন্দ্ৰ সভাপণ্ডিত, হেমিহুস্নিচা হাজৰিকা, শশীভূষণ নমঃশূদ্ৰ, বিপিন শৰ্ম্মা বৰুৱা ( উত্তৰ লখীমপুৰ সাহিত্য সভা ); কৰুণাকান্ত গগৈ, মুহীধৰ বৰগোহাঁই, নোমলচন্দ্ৰ গগৈ ( নামতি সাহিত্য সভা ); ৰবীন্দ্ৰ দ্বিবেদী, প্ৰিয় বৰুৱা ( তিতাবৰ সাহিত্য সভা ); জগন্নাথ বৰুৱা, ৰূপেশ্বৰ হাজৰিকা, তোষেশ্বৰ বৰা, দুৰ্গেশ্বৰ বৰা, মহেন্দ্ৰ বৰুৱা ( চাৰিগাঁও সাহিত্য সভা ); খগেন্দ্ৰনাথ ভূঞা, সুৰেন শৰ্ম্মা ( শলগুৰি মুকুল সাহিত্য সভা; প্ৰেমধৰ শইকীয়া, যোগেন্দ্ৰ থাউত্ত ( জ্যোতি সাহিত্য চৰা, ঢেকিয়াল ); টঙ্কী ফুকন, গকুলচন্দ্ৰ বৰুৱা ( টেঙাপুখুৰী সাহিত্য সভা ); কেশৰাম গগৈ, খগেন্দ্ৰনাথ ফুকন ( উদয় সাহিত্য সভা ); দেৱেন বৰদলৈ, ছুতিৰাম দত্ত ( টিপলিং সাহিত্য সভা ); নৰেন্দ্ৰ শাস্ত্ৰী ( ঢেকিয়াজুলি দৰং সাহিত্য সভা ); ডাঃ নবীন বৰদলৈ, প্ৰফুল্ল মহন্ত, পৰেশ বৰুৱা, নৰেন বৰুৱা ( ন আলি ঢেকিয়াজুলি সাহিত্য সভা ); টঙ্কেশ্বৰ দাস ( পথি ঘিলাধাৰী সাহিত্য সভা ); মহেন্দ্ৰ বৰ ঠাকুৰ, কনক শইকীয়া, গিৰীন ৰাজখোৱা ( মাকুম সাহিত্য সভা ) কামাখ্যা ভাগৱতী ( পকোৱা মৌজা সাহিত্য



সভা ); ভিম্বেশ্বৰ শৰ্ম্মা, অৱনীকুমাৰ শৰ্ম্মা, ৰমেন্দ্ৰনাথ বৰুৱা, হৰেন্দ্ৰ শৰ্ম্মা, কামাখ্যা ঠাকুৰ ( বালিগাঁও সাহিত্য সভা ); প্ৰফুল্ল ভাগৱতী ( ধমধমা আঞ্চলিক সাহিত্য সভা ); দয়াৰাম বৰা, উমাকন্ত বৰা, পোনাৰাম বৰা ( উষা সাহিত্য সভা ); ৰত্নকান্ত দেৱ নাথ ( লামডিং সাহিত্য সভা ); জোনাৰাম ফুকন, হেম বুঢ়াগোহাঁই ( বকতা সাহিত্য সভা ); হেম শৰ্ম্মা ( জ্ঞানোদয় সাহিত্য সভা ); সচ্চিদানন্দ মেধি, পূৰ্ণানন্দ শইকীয়া ( চেলেংহাট সাহিত্য সভা ); ভ্ৰুক কাকতী ( খিতাইপুখুৰী সাহিত্য সভা ); টঙ্কেশ্বৰ বৰা, সত্যেন্দ্ৰনাথ দত্ত ( মেটেকা সাহিত্য সভা ); গোবিন্দ ভাগৱতী, নবীন বুঢ়াগোহাঁই, নবীন সোণোৱাল, অমূল্য সন্দিকৈ ( সেউজী কানন বৰহোলা সাহিত্য সভা ); দেবেন্দ্ৰ শইকীয়া ( ডিচৈনগৰ সাহিত্য সভা ); ৰবীন দত্ত, বিষ্ণু হাজৰিকা, ৰামেশ্বৰ কোঁৱৰ ( নিতাই পুখুৰী সংস্কৃতি সঙ্ঘ ); মোক্ষেশ্বৰ নেওগ, ভীমকান্ত কোঁৱৰ, মনচোকা ৰাজখোৱা ( কোঁৱৰপুৰ সাহিত্য সভা ); গুনিন বৰা ( কল্যাণী সাহিত্য সভা ); বিধান বৰা, নন্দ গোস্বামী, মদন মোহন বৰপূজাৰী ( ডাওৰী সাহিত্য সভা ); প্ৰসন্ন গোস্বামী ( পশ্চিম যোৰহাট সাহিত্য সভা ); চম্পাৰাম নাথ ( ডুনী সাহিত্য সভা ); যোগেশ দাস, যতীন গোস্বামী ( গুৱাহাটী সাহিত্য সভা ); আহমদ হুছেইন, সুনীলকুমাৰ সিংহ ( কহিমা সাহিত্য সভা ); গোলাপ শৰ্ম্মা, প্ৰদোষকান্ত চৌধুৰী, ( মাজিৰগাঁও সাহিত্য সভা ); মাণিক গগৈ, জীৱন দাস ( নাহৰকটীয়া সাহিত্য সভা ); শ্ৰীৰামচন্দ্ৰ দাস, সুৰেন্দ্ৰ বৰুৱা ( বৰপেটা সাহিত্য সভা ); শিৱপ্ৰসাদ বৰুৱা ( দক্ষিণ গুৱাহাটী সাহিত্য সভা ); শ্ৰীকুমাৰ মেধি, মকৰ চৌধুৰী ( গড়েৰ ভিতৰ সাহিত্য সভা ); বিপিনকুমাৰ বৰগোহাঁই, হেৰম্ব বৰদলৈ, সুনীল কুমাৰ বৰঠাকুৰ, মোহন শেণচোৱা, প্ৰফুল্ল বৰদলৈ, সুপ্ৰভা দত্ত, পুণ্যপ্ৰভা বৰদলৈ, ভিম্বেশ্বৰ চলিহা ( ডিব্ৰুগড় সাহিত্য সভা ); কামিনী গগৈ ( টিংখাং সাহিত্য সভা )।

স্বীকৃত সভাৰ প্ৰতিনিধি—শ্ৰীমতী স্বৰ্ণলতা দত্ত ( শান্তি সাহিত্য মন্দিৰ ), ( সৰ্ব্বশ্ৰী ) ৰমেশ ফুকন ( নগাঁও কলং পৰীয়া আলোচনা চক্ৰ ), মহাদেৱ শৰ্ম্মা ( তেজপুৰ সাৰস্বত সভা ); নলিনী কুমাৰ শৰ্ম্মা ( তেজপুৰ অঃ ভাঃ উঃ সাঃ সভা ); গোবিন্দ চন্দ্ৰ দাস ( হাজো আঞ্চলিক সভা ); আনন্দচন্দ্ৰ শৰ্ম্মা ( পূব ঘিলধাৰী স্বীকৃত সভা ); সাৰদাপ্ৰসাদ চক্ৰবৰ্ত্তী, সুৰেন ফুকন ( মৰিয়নী স্বীকৃত সভা )।

বিশেষ প্ৰতিনিধি—উত্তৰ-পূব সীমান্ত অঞ্চল )—টাপ ৰঞা।

১৯৬২ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহৰ ভিতৰত নাজিৰাত পাতিব লগীয়া অসম সাহিত্য সভাৰ ত্ৰিংশ বাৰ্ষিক সম্মিলন চীনৰ ভাৰত আক্ৰমণজনিত পৰিস্থিতিৰ বাবে সময়মতে পাতিব পৰা ন'হল। সম্মিলন পাতিব পৰা হয় এপ্ৰিলৰ ১৯, ২০ আৰু ২১ তাৰিখে। সম্মিলনৰ আগমুহূৰ্ত্তত বিদ্ৰোহী নগাৰ হিংসামূলক কাৰ্য্যত নামনি অসমৰ প্ৰতিনিধিসকলৰ কাৰণে যাত্ৰীবাহী ৰেলত ভ্ৰমণ কৰা এক আতঙ্কৰ কাৰণ হৈ উঠিছিল। আৱতৰীয়া বৰষুণেও কিছু পৰিমাণে বাধাৰ সৃষ্টি কৰিলে।

নানান বাধা-বিঘিনিৰ মাজত ত্ৰিংশ সম্মিলনৰ কাৰ্য্যসূচী আৰম্ভ হ'ল ১৮ এপ্ৰিল তাৰিখে সন্ধিয়া কাৰ্য্য-নিৰ্ব্বাহক সদস্যৰ শিবিৰত আৰম্ভ হোৱা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বৈঠকেৰে। শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বৈঠকেৰে কাৰ্য্য-সূচী আৰম্ভ কৰা হ'ল। এই অধিৱেশন এদিনতে শেষ নোহোৱাত পিছদিনা ৰাতিপুৱা ৭ বজাৰপৰা পুনৰ বহিল। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে সম্পাদকৰ প্ৰতিবেদন গ্ৰহণ কৰিলে, হিছাপ-পৰীক্ষকে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিছাপ-ৰক্ষণৰ আঙুলিওৱা ত্ৰুটিসমূহৰ আশু সংশোধনৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিলে।

ইতিমধ্যে বিভিন্ন ঠাইৰপৰা প্ৰতিনিধি আহি প্ৰতিনিধি শিবিৰ ভৰি পৰিল। ১৯ এপ্ৰিল তাৰিখে ডাৱৰীয়া বতৰৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাই এক বিৰাট আকৰ্ষণীয় প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি কয়: আমি সাংস্কৃতিক, অৰ্থনৈতিক কাৰ্য্যকলাপ, কোনো কৰ্ম্মক্ষেত্ৰকে অৱহেলা কৰিব নোৱাৰোঁ। এই সকলোবিলাক কৰ্ম্মক্ষেত্ৰৰ মাজতে আমি এক সমন্বয়ৰ সাধন কৰিব লাগিব। গতিকে তেনে সমন্বয়ৰ বাবে

এই প্ৰদৰ্শনী পতা অতি উপযুক্ত হৈছে। এনে প্ৰদৰ্শনীৰ আৱশ্যকতা খুব বেছি।"

প্ৰদৰ্শনী মণ্ডপৰ ভিতৰত প্ৰায় ৩৭টা ষ্টল খোলা হৈছে। তাৰ ভিতৰত ৮টা ষ্টল চৰকাৰী। অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ অসমীয়া মনীষীসকলৰ প্ৰতিকৃতিসমূহ এটি উল্লেখযোগ্য বিষয় আছিল; সেইদৰে উত্তৰ-পূৱ সীমান্ত অঞ্চলত প্ৰশাসনৰ ষ্টলখনৰ জনজাতীয় বস্তুবোৰ আকৰ্ষণীয় হৈছিল। এখন সত্ৰৰপৰা অনা ভোগজৰা পিকধান আদি আৰু সঁচত্ৰ সাঁচিপতীয়া কাব্য এখন সমন্বিতে প্ৰাচীন সামগ্ৰীবোৰেও দৰ্শকবৃন্দৰ দৃষ্টি আকৰ্ষণ কৰিছিল। গুৱাহাটীৰ তেল শোধনাগাৰ আৰু ফাকিয়াল জনজাতীয়সকলৰ ষ্টল দুখনো বিশেষ চকুত-লগা হৈছিল। প্ৰদৰ্শনীৰ আন আন আকৰ্ষণীয় ষ্টলৰ ভিতৰত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সাঁচিপতীয়া পুথি সমূহ, অসম সাহিত্য সভা, প্ৰকাশন পৰিষদৰ প্ৰকাশিত পুথিৰ ষ্টল, নানা ধৰণৰ বেত-বাঁহৰ কাম, তেল পেৰা ঘানি, চৰকাৰৰ কৃষি আৰু মৎস্য-পালন মৌপালন বিভাগ আদি। বয়ন আৰু ৰেচম শিল্পৰ ষ্টলত গাভৰুসকলে ব্যস্ততাৰে সূতাকটা তাত বোৱা কাৰ্য্যই প্ৰদৰ্শনীৰ আকৰ্ষণ বঢ়াইছিল।

সিদিনা দিনৰ দুই বজাৰপৰা অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত বিষয়-বাছনি সভা বহে। প্ৰতিনিধিসকলৰ চা-চিনাকি হোৱাৰ পিছত প্ৰধান সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন, ১৯৬১—৬২ আৰু ১৯৬২—৬৩ চনৰ বাৰ্ষিক হিচাপো গ্ৰহণ কৰা হয়।

১৯ এপ্ৰিল তাৰিখে সন্ধিয়া এখন সাঙ্গীতিক সমাৰোহ অনুষ্ঠিত হয়। সাংস্কৃতিক সভাত উত্তৰ-পূৱ সীমান্ত অঞ্চলৰ জনজাতীয় লোকসকলে আকৰ্ষণীয় নৃত্য-গীত প্ৰদৰ্শন কৰে। সত্ৰীয়া নাচ, আধুনিক, বনগীত, বিহুগীত আদিয়ে অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়াইছিল।

২০ এপ্ৰিল তাৰিখে ৰাতিপুৱা ৮ বজাত শ্ৰীত্ৰৈলোক্য-নাথ গোস্বামীয়ে পতাকা উত্তোলন কৰি দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ কৰে। গুৰুমাতেৰে অনুষ্ঠানৰ পাতনি মেলা হয়। সভাপতি শ্ৰীগোস্বামীয়ে পতাকা উত্তোলন কৰি দিয়া চমুভাষণত কয়, অসমীয়া সাহিত্যলৈ এক আন্তঃৰাষ্ট্ৰীয় ভাবধাৰা আহিছিল; কিন্তু চীনা আক্ৰমণে সৃষ্টি কৰা জৰুৰী অৱস্থাই তাত প্ৰতিবন্ধক জন্মালে। এতিয়া অসমীয়া লেখকসকলৰ কৰ্তব্য হব অন্যান্য ৰাজ্যৰ লোকসকলক ওচৰ চপাই লোৱা।"

পতাকা উত্তোলনৰ পিছত যোৰহাটৰ স্নাতকোত্তৰ প্ৰশিক্ষণ কলেজৰ অধ্যক্ষ শ্ৰীমতী ইন্দিৰা মিৰিৰ সভা-নেত্ৰিত্বত আলোচনা-চক্ৰ বহে। আলোচনা-চক্ৰৰ বিষয় আছিল: "জাতীয় একীকৰণ: অসমীয়া ভাষা-সাহিত্যৰ পটভূমিত" শ্ৰীলীলা গগৈ, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, যোগেশ দাস, হেমচন্দ্ৰ শৰ্ম্মা, উমেশ কাকতী আৰু শ্ৰীমতী ডি. কে. মেকফাৰ্লেনে আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰে।

আলোচনা-প্ৰসঙ্গত শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই আৱেগিক ঐক্যতকৈ বৌদ্ধিক ঐক্যৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। তেওঁ কয় সীমান্তৰ ভাষাত চীনৰ প্ৰভাৱ থকা প্ৰচাৰটো মূলতে ভুল বুলি প্ৰতিপন্ন কৰিব লাগিব। তেতিয়াহে ৰাজনীতি-সুৰীয়া বাক বিতণ্ডাবোৰৰ ওৰ পৰিব। শ্ৰীযোগেশ দাসে কয়: ভাষা লৈ কাজিয়া-পেঁচালৰ সময়তো লেখকসকলে নিজক পাহৰি যোৱা নাই। ভাৰতৰ প্ৰতি তেওঁলোকৰ দৃষ্টি ঠিকেই আছে। শ্ৰীদাসে কয়—যুদ্ধ আদি ঘটনাৰ ফলত সৃষ্টি হোৱা জাতীয়তামূলক ভাৰতীয় মহাজাতিৰ জাগৰণ সূচায় আৰু জাতীয় সংহতি সাধনৰ ক্ষেত্ৰত ইয়াৰ বৰঙণি উপেক্ষণীয় নহয়। শ্ৰীহেম শৰ্ম্মাই কয় যে জাতীয় সংহতিৰ উদ্দেশ্যে আমাৰ সাহিত্যতো আন আন জাতি উপজাতিৰ সুখ-দুখৰ ছবি থাকিব লাগে। চৰাইদেউ বাগিচাৰ শ্ৰীমতী ডি, কে, মেকফাৰ্লেনে পৰ্ব্বত-ভৈয়ামৰ সকলোৰে অন্তৰৰ এই নতুন উদ্দীপনাৰ বাবে অসমীয়াতে শলাগ লয়। তেওঁ পৰামৰ্শ দিয়ে যে নতুন গঢ়নৰ যেলিকা পৰ্ব্বতীয়া ভাই-ভনীসকলৰ মনত যাতে খেলিমেলিৰ ভাবৰ সৃষ্টি নহয় তালৈ লক্ষ্য ৰাখি সযতনে সংযোগ সাধনৰ প্ৰচেষ্টা চলোৱা হয় যেন। শেহত অসমীয়া জাতি, ভাষা সাহিত্য চিৰজীৱী হওক বুলি শ্ৰীমতী মেকফাৰ্লেনে শুভেচ্ছা জনায়। সীমান্তৰ চিয়াং অঞ্চলৰ দুজন ছাত্ৰ শ্ৰীবাকীন পাটিন আৰু শ্ৰীটাগোম দাৰাঙে আদিসকলৰ



জন্ম, বিবাহ, মৃত্যু উৎসৱ, খেতিখোলা আদিৰ বিষয়ে চমু আভাস দিয়ে।

সভানেত্ৰী শ্ৰীমতী মিৰিয়ে জাতীয় প্ৰাণৰ সংজ্ঞাৰ বহল ব্যাখ্যা দি কয় যে সপ্তস্বৰৰ সমন্বয়ত সুৰৰ ঐক্য সাধন হোৱাৰ দৰে ভাব, ভাষা, কিম্বা ছন্দৰে সমন্বয় সাধিব লাগিব আমাৰ সাহিত্যত। বিভিন্ন ভাষা, বিভিন্ন সাহিত্য, বিভিন্ন বিৰোধৰ মাজতো যি ঐক্য সাধনৰ পটভূমি আছে, সেয়েই ভাৰতৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতি। আমাৰ পৰ্ব্বতৰ ভাই ভনীসকলৰ ফালে আঙুলিয়াই দি ভাষণৰ শ্ৰীমতী মিৰিয়ে তেওঁলোকক অন্যান্য জাতিৰ সমপৰ্যায়লৈ অনাটো আমাৰহে প্ৰধান কৰ্তব্য। তেওঁলোকৰ প্ৰতি সহানুভূতিশীল হৈ কাম কৰিলেহে প্ৰাণৰ পৰিপুষ্টি লাভ হব।

ৰাতিপুৱাৰেপৰা বতৰ মুকলি হৈ পৰাত বিপুল উৎসাহ উদ্দীপনাৰ মাজত দিনৰ দুই বজাৰপৰা মুকলি অধিবেশন আৰম্ভ হয়। হেজাৰ হেজাৰ লোকৰ সমা-গমত গায়ন-বায়নেৰে ঢোল খোল বজাই অধিবেশন মণ্ডপলৈ মটৰত তুলি সভাপতি শ্ৰীৰত্নকান্ত বৰকাকতীক অনা হয়। সভাপতি মঞ্চত উঠাৰ লগে লগে সকলোৱে থিয় হৈ তেওঁক স্বাগত সম্ভাষণ জনায় আৰু আইসকলে উৰুলি দিয়ে। 'কুঙ্কুম চন্দন গন্ধে' গীতেৰে সভা আৰম্ভ কৰা হয়।

মুকলি সভা উদ্বোধন কৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকনে চীনৰ আক্ৰমণৰ সময়ত গঢ় লৈ উঠা জনসাধাৰণৰ কথা উল্লেখ কৰে আৰু কয় যে অসমৰ আকাশে বতাহে আজি নিৰ্ভীক আত্মাৰ উপস্থিতি প্ৰত্যক্ষ হৈ উঠিছে। শ্ৰীফুকনে পৰ্ব্বতীয়া ভাইসকলৰ কথা উল্লেখ কৰি কয় যে ভৈয়ামৰ লোকসকলৰ প্ৰতি তেওঁবিলাকৰ মৰম যে অতি গভীৰ চীনৰ আক্ৰমণৰ সময়ত তেওঁবিলাক ভৈয়ামলৈ আহি তাক প্ৰমাণ কৰি থৈ গ'ল। সভাপতিৰ অসুস্থ অৱস্থালৈ লক্ষ্য কৰি শ্ৰীফুকনে কয়, "নাচিতে নৰিয়া গাৰেই চাঙপীৰাবে নাৰত উঠিছিল, আজি অসুস্থ শৰীৰেৰে সেইদৰে সভাপতি মঞ্চত উঠিছেহি—আমাৰ জয় অনিবাৰ্য্য।"

সভাপতি শ্ৰীবৰকাকতীয়ে শাৰীৰিক অসুস্থতাৰ কাৰণে পোকাথুকি মাতেৰে কেই আষাৰমান কথা কৈ সমবেত সুধীবৃন্দক প্ৰণতি জনায়। তেওঁৰ ৮৫ পিঠীয়া অভিভাষণ খনি পাঠ কৰে অধ্যাপক শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামীয়ে। প্ৰধান সম্পাদক ডক্টৰ মহেশ্বৰ নেওগে প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকন, শ্ৰীপদ্মধৰ চলিহা, সঙ্গীত সম্মিলনৰ সভাপতি শ্ৰীপৰ্ব্বতিপ্ৰসাদ বৰুৱা আৰু আলোচনা চক্ৰৰ সভাপতি শ্ৰীমতী ইন্দিৰা মিৰিক পৰিচয় কৰি দিয়ে।

অধিবেশনৰ সফলতা কামনা কৰি এই সকলৰপৰা পোৱা বাণীসমূহ পাঠ কৰি দিয়া হয়—প্ৰাক্তন সভাপতি শ্ৰীৰঘুনাথ চৌধাৰী, ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা, শ্ৰীমতী নলিনীবালা দেৱী, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, মাদ্ৰাজৰ ৰাজ্যপাল বিষ্ণুৰাম মেধি, বদৰপুৰৰ শ্ৰীৰাজেন্দ্ৰ কুমাৰ সিংহ আৰু শ্ৰীগুক্তা সিংহ, শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, এম. পি. কেন্দ্ৰীয় উপমন্ত্ৰী শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, অসম বিধান সভাৰ উপাধ্যক্ষ শ্ৰীদণ্ডেশ্বৰ হাজৰিকা, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, দিল্লীৰ সাহিত্য অকাদেমীৰ সম্পাদক শ্ৰীকৃষ্ণ কৃপালনী, শ্ৰীনকুলচন্দ্ৰ ভূঞা, অসমৰ উপমন্ত্ৰী শ্ৰীদেবেন্দ্ৰ-নাথ হাজৰিকা, শ্ৰীকেৰামত আলি, অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা, অধ্যাপক শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্য, শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীমতী লক্ষ্যহীৰা দাস, শ্ৰীদুৰ্গাদত্ত লোহিয়া, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশী, শ্ৰীৰাম গোস্বামী, শ্ৰীললিত বৰা, শ্ৰীবলোৰাম ভেকা বৰা।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীবৈদ্যনাথ বৰঠাকুৰে প্ৰতিনিধি অতিথি আৰু উপস্থিতসকলক স্বাগত সম্ভাষণ জনায়। বুৰঞ্জীপ্ৰসিদ্ধ নাজিৰাৰ ঐতিহ্য চমুকৈ বৰ্ণনা কৰি নিচেই ওচৰতে থকা কথাগুনি তল যোৱা গড়গাঁও নগৰলৈ আঙুলিয়াই দি অতীত অসমৰ শৌৰ্য্য-বীৰ্য্যৰ কথা সোঁৱাই দিয়ে। শেষত শ্ৰীবৰঠাকুৰে কয়: "আমাৰ ভাষা আৰু সাহিত্যই অতুলনীয় সমৃদ্ধি লাভ কৰক, আমাৰ ভাষা আৰু সাহিত্যই বিশ্ব দৰবাৰত উপযুক্ত স্থান লাভ কৰক। বিশ্বনিয়ন্তা পৰমেশ্বৰে আমাক আমাৰ সৎ-উদ্দেশ্যত সহায় কৰক।"

সম্পাদকীয় প্ৰতিবেদন দাঙি ধৰি প্ৰধান সম্পাদক ডক্টৰ

মহেশ্বৰ নেওগে কয় যে সাহিত্য সভাই শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত সীমান্ত প্ৰশাসনে অনুসৰণ কৰা নীতিৰ বিৰুদ্ধে অবিৰাম সংগ্ৰাম চলাই আহিছে আৰু তাৰ ফলত কৰ্ত্তৃপক্ষৰ মনোভাৱ অলপ কোমল হোৱা যেন অনুমান হৈছে। কাছাৰ জিলাত সভাৰ তত্বাৱধানত এখন এম ই আৰু তিনিখন এল পি স্কুল চলোৱা হৈছে। চীনৰ আক্ৰমণৰ সময়ত সভাই সাহিত্যিকসকলক অনুপ্ৰেৰণা-মূলক সাহিত্য ৰচনা কৰিবলৈ আহ্বান জনায়, নিজেও পুস্তিকা প্ৰকাশ কৰে আৰু প্ৰতিৰক্ষা পুঁজিলৈ এহেজাৰ টকা আগবঢ়ায়।

ডক্টৰ নেওগে আৰু কয় যে গুৱাহাটীত সাহিত্য সভাৰ কাৰ্য্যালয়ৰ কাৰণে অসম চৰকাৰৰপৰা মাটি আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ৫০ হেজাৰ টকা অনুদান স্বৰূপে পোৱা হৈছে। এই কামৰ কাৰণে শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱাৰ পৰা ৫০ হেজাৰ আৰু শ্ৰীৰঘুনাথ চৌধাৰীৰ পৰাও ২০ হেজাৰ টকাৰ প্ৰতিশ্ৰুতি পোৱা হৈছে। শ্ৰীবৰুৱাৰ দান আৰু ভাৰত চৰকাৰৰ অনুদানৰ প্ৰথম কিস্তি পাই ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটা থাপনা কৰা হৈছে। যোৱা বছৰটোৰ ভিতৰত সাহিত্য সভাই নতুন কিতাপ প্ৰকাশ কৰে। 'মোৰ ভাৰতৰে' সমস্বৰ গীতেৰে প্ৰথম দিনাৰ মুকলি সভা সামৰণি মৰা হয়.

২০ এপ্ৰিল তাৰিখে সন্ধিয়া ছাৰে ছয় বজাৰ পৰা সাংস্কৃতিক সন্মিলন আৰম্ভ হয়। সন্মিলনত সভাপতিত্ব কৰি ডক্টৰ ভূপেন হাজৰিকাই কয়, অসমৰ সংস্কৃতিৰ মালিক-সুবৰ্ণ পোৱাল মণিৰে ভৰপুৰ হৈ আছিল আৰু আছেও, ইয়াৰ প্ৰচাৰ আৱশ্যক। আমি থিয় দিছো দুখন মানস ৰাজ্যৰ ঠিক সীমাৰেখাত—সন্ধিস্থলত। একালে সহস্ৰ বছৰটোৰ অতীতটো আৰু আনফালে অনাগত সহস্ৰ বছৰৰ ভৱিষ্যতটো। তেওঁ কয় 'শাস্ত্ৰীয় সঙ্গীত, লোক সঙ্গীত আৰু আৱশ্যক হলে সৃজনীমূলক সুৰ-সংযোজনাৰে গীতৰ বিষয়-বস্তু মতে সুৰ সমন্বয় কৰাহে আমাৰ কৰ্ত্তব্য।"

সিদিনাৰ সন্ধিয়াৰ মৌমেলত ডক্টৰ হাজৰিকাৰ এলানি গীতেও সন্মিলন আকৰ্ষণীয় কৰি তুলিছিল। শ্ৰীমতী কমলা শৰ্মাৰ সূত্ৰধাৰী নৃত্য, ৰামায়ণৰ ৰূপায়ন, যোৰহাট ৰূপজ্যোতি কলা মণ্ডলৰ লুইতক ডেটিৰ কোনে নৃত্য নাটিকা, জনজাতীয় নৃত্য, খগেন মহন্ত, দীপালী বৰঠাকুৰ আদিৰ গীতে সন্মিলনৰ সৌষ্ঠৱ বঢ়াইছিল। সাংস্কৃতিক সন্মিলন শেষ হয় নিশা প্ৰায় ৪ বজাত।

২১ এপ্ৰিল তাৰিখে ৰাতিপুৱা ৭ বজাৰপৰা আকৌ বিষয় বাছনী সভাৰ বৈঠক বহে। সভাত সাহিত্য সভাৰ নিয়মাৱলীখন সম্পূৰ্ণ সংশোধনেৰে গ্ৰহণ কৰা হয়। এই সভাতে নতুন বছৰৰ বাবে বিষয়-ববীয়া নিৰ্ব্বাচন কৰা হয়।

বিষয় বাছনি সভা চলি থকা অৱস্থাতে সাহিত্য সভাৰ মণ্ডপত বুৰঞ্জী সন্মিলন আৰম্ভ হয় প্ৰায় ৰাতি পুৱা ৮-৩০ বজাৰ পৰা। বুৰঞ্জী সন্মিলনত সভাপতিত্ব কৰে ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে। ডক্টৰ চৌধুৰীয়ে কয় যে বুৰঞ্জী লেখাৰ প্ৰণালীৰ পৰিবৰ্ত্তন হোৱাৰ লগে লগে ঘটনা বিশ্লেষণৰ দৃষ্টিভঙ্গীও সলনি হৈছে। সেইবাবে আমি নতুন ধৰণৰ অসম বুৰঞ্জী প্ৰণয়ন কৰাৰ প্ৰয়োজন হৈ পৰিছে। বুৰঞ্জী সন্মিলনত ভুবনচন্দ্ৰ সন্দিকৈৰ এটি প্ৰবন্ধ পাঠ কৰা হয়।

সিদিনা দিনৰ আঢ়ৈ বজাৰ, দ্বিতীয় দিনৰ মুকলি অধিবেশন আৰম্ভ কৰা হয় শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰী ৰচিত 'আজি বন্দো কি ছন্দেৰে' গীতেৰে। সভাপতি শ্ৰীবৰকাকতীৰ অসুস্থতাৰ কাৰণে প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে সভাপতিত্ব কৰে। সভাৰ আৰম্ভণীতে নটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰে দুটি শোক-প্ৰস্তাৱ। প্ৰস্তাৱসমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ দলঙৰ নাম শৰাই ঘাট দলং ৰখা, উচ্চ মাধ্যমিক স্কুল বিলাকত অসমীয়া ভাষাৰ শিক্ষকসকলৰ অন্য বিষয়ৰ শিক্ষকৰে সৈতে সমান মৰ্য্যাদা দিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱা, পুৰণি অসমীয়া সাহিত্য বাহিৰত প্ৰচাৰ কৰিবৰ কাৰণে কথা ভাগৱত আৰু কথা গীতা দেবনাগৰী লিপিত প্ৰকাশ কৰা আদি।

প্ৰধান সম্পাদকে উপ-ৰাষ্ট্ৰপতি ডক্টৰ জাকিৰ হুচেইন, অধ্যাপক নীলকণ্ঠ শাস্ত্ৰী, মহামোহপধ্যায় পি, ভি কানে, সংযুক্ত আৰব গণতন্ত্ৰৰ ভাৰতস্থ এম্বেছেডৰ আহমেদ হাছান এল ফেকি, কলিকতা বিশ্ববিদ্যালয়ৰ খাইৰা অধ্যাপক ডক্টৰ সুকুমাৰ সেন, বিশ্ববিখ্যাত নৃত্যপণ্ডিতা শ্ৰীমতী ৰুক্মিণী দেবী, ডক্টৰ কে, এম, মুন্সী আদিৰপৰা সিদিনা পোৱা বাণীসমূহ পঢ়ি শুনায়।

মুকলি সভাত বক্তৃতা দি শ্ৰীমহাদেৱ শৰ্ম্মাই কয় যে চীনা আক্ৰমণে ভাৰতীয় মানুহক জগাই তুলিছে। এই মুহূৰ্ত্তত সকলো মানুহ সাহসী হৈ 'বহুজন হিতায় বহুজন সুখায়' সৎ সাহিত্য সৃষ্টি কৰিবলৈ আহ্বান জনায়। শ্ৰী শৰ্ম্মাই কয়, ভাৰতীয় ঐতিহ্য ৰক্ষা কৰি সাৰ্ব্বজনীন ভাবৰ সাহিত্য সৃষ্টি কৰিব লাগে আৰু শত্ৰুক প্ৰতিশোধ কৰিবলৈ অনুপ্ৰেৰণা যোগাই নতুন সাহিত্য ৰচনা কৰিব লাগে।

শ্ৰীনীলমণি ফুকনে কয়—সৃজনী প্ৰতিভাসম্পন্ন মৌলিক চিন্তাপ্ৰসূত সাহিত্যইহে জাতিক জীয়াই ৰাখিব পাৰে। সাহিত্যৰ সৃষ্টি প্ৰচাৰ আৰু পৃষ্ঠপোষকতাত আন্তৰিকতাৰ প্ৰয়োজন। মাতৃভাষা অতি পবিত্ৰ; সেই মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰীতি প্ৰদৰ্শন কৰা প্ৰত্যেক দেশবাসীৰে কৰ্ত্তব্য।

শ্ৰীপদ্মধৰ চলিহাদেৱে ভাষা সাহিত্যৰ উন্নতিৰ অৰ্থে অবিৰাম কাম কৰি যাবলৈ আহ্বান জনায়। নাজিৰাৰ অৰ্থই কয় আমাৰ জিৰণিৰ বাবে ঠাই নাই। শ্ৰীচলিহাই আৰু কয় যে অসমীয়া জাতিয়ে বহুমুখী উন্নতিৰ বাবে আত্মনিয়োগ কৰিব লাগিব। সাম্প্ৰতিক পৰিস্থিতিক পটভূমি হিছাপে লৈ দেশত অনুপ্ৰেৰণা সৃষ্টি কৰিবৰ বাবে সাহিত্য সঙ্গীতৰ সৃষ্টি কৰিব লাগিব।

বকুল বনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই কয় 'সাহিত্যই' মানুহক মানসিক আহাৰ যোগায়। সাহিত্যিকৰ মাজত অনুপ্ৰেৰণা সৃষ্টি কৰিবলৈ পুথি কিনি উৎসাহিত কৰিব লাগে। শ্ৰীবৰুৱাই আধুনিক সাহিত্যত হোৱা শব্দ বিভ্ৰাটৰ কথা আঙুলিয়ায় আৰু শিশুৰ চৰিত্ৰ গঠন মূলক সাহিত্য সৃষ্টিৰ ওপৰত গুৰুত্ব দিয়ে।

কাছাৰৰ শ্ৰীশ্ৰীকুমাৰ মেধিয়ে কাছাৰত অসমীয়া ভাষা প্ৰচলনৰ বিষয়ে কৈ চৰকাৰে কাছাৰত অসমীয়া সংক্ৰান্তত অনেক দিন ধৰি আওকাণ কৰা কথালৈ আঙুলিয়ায়। পিছপৰা অঞ্চলবিলাকত অসমীয়া ভাষা প্ৰচাৰৰ দিহা কৰি কাছাৰৰ অসমীয়াপ্ৰেমী ৰাইজক শিক্ষাই দীক্ষাই আগবঢ়াই নিবলৈ আহ্বান জনায়।



সীমান্ত অঞ্চলৰ জনজাতীয় ছাত্ৰ শ্ৰীতাপো ৰঞ্জাই মলমলীয়া অসমীয়াৰে কয় যে পৰ্ব্বত আৰু ভৈয়ামৰ মাজত বন্ধুত্ব ৰক্ষা কৰিব লাগে। তদুপৰি পৰ্ব্বতীয়া-সকলক শিক্ষাই দীক্ষাই আগবঢ়াই নিবলৈ দিহা কৰিবৰ বাবে ভৈয়ামবাসীক অনুৰোধ জনায়। সীমান্তত হিন্দী মাধ্যমেৰে শিক্ষা দিয়া বাবে জনজাতীয় ছাত্ৰসকলৰ অনেক অসুবিধা হৈছে—এই কথা কৈ শ্ৰীৰঞ্জাই দুখ প্ৰকাশ কৰে। ইংৰাজী, হিন্দী অসমীয়া আৰু নিজৰ মাতৃভাষা এই চাৰিটাত তেওঁলোকে শিক্ষা লাভ কৰিব লাগে।

শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীযোগেন ৰৰা শ্ৰীলীলা কাকতী আদিয়ে সভাত দু-আষাৰ কয়।

উচ্চ ন্যায়ালয়ৰ মূখ্য ন্যায়াধীশ শ্ৰীগোপালজী মেহৰোট্ৰাই অসমীয়া ভাষা সাহিত্যৰ ঐতিহ্য সুঁৱৰি উত্তৰোত্তৰ উন্নতি কামনা কৰি দু-আষাৰ কয়। সাহিত্যই জনতাৰ ওপৰত অনুপ্ৰেৰণা যোগাব পাৰিব লাগিব, অসম সাহিত্য-সভাই যাতে তাৰ প্ৰতি লক্ষ্য ৰাখে সেই কথাৰ ওপৰত ন্যায়াধীশ শ্ৰীমেহৰোট্ৰাই জোৰ দিয়ে।

সভাপতি শ্ৰীগোস্বামীয়ে তেখেতৰ সভাপতিৰ মন্তব্যত চাহ মজদুৰৰ নিচিনা জনসাধাৰণৰ মাজত অসমীয়া ভাষা-সাহিত্য প্ৰচাৰৰ কাৰণে তেওঁলোকৰ উপযোগী কিতাপ ৰচনা কৰিবলৈ আহ্বান জনাইছিল। সাহিত্যক্ষেত্ৰত এটা বলিষ্ঠ আশাবাদ নাথাকিলে সৃষ্টিধৰ্ম্মী সাহিত্য সৃষ্টি হব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য সৃষ্টি কৰিবলৈ শ্ৰীগোস্বামীয়ে সকীয়াই দিয়ে।

শিলচৰৰ প্ৰতিনিধি শ্ৰীবীৰেন্দ্ৰ কুমাৰ সিংহই সাহিত্য সভাৰ পৰৱৰ্ত্তী অধিবেশন শিলচৰলৈ আহ্বান জনায়। 'অ মোৰ আপোনাৰ দেশ' জাতীয় সঙ্গীতেৰে দ্বিতীয় দিনাৰ মুকলি অধিবেশন সামৰণি মৰা হয়।

২১ এপ্ৰিল তাৰিখে সন্ধিয়া ৬·০০ বজাৰপৰা কবি সন্মিলন আৰম্ভ হয়। কবি সন্মিলনত সভাপতিত্ব কৰে শ্ৰীডিম্বেশ্বৰ নেওগে। শ্ৰীনেওগে ভাষণত সমাজ গ্লানিৰ

কথা উল্লেখ কৰি বাস্তৱ জগতৰ প্ৰতি সজাগ কৰি দিয়ে। শেষত সভাপতিৰ মন্তব্য প্ৰকাশ কৰি : "কিছু-দিনৰপৰা মোৰ মনত ব্যৰ্থতাৰ ভাব জাগিছে। কাৰণ মোৰ কবিতাই কাৰো অন্তৰ যেন কঁপাব পৰা নাই। কিন্তু ইমানবিলাক কবিৰ এই সন্মিলনে সেই নিৰাশাৰ ভাব দূৰ কৰিছে। কবিতা অপদাৰ্থৰ বস্তু বুলি এটা ধাৰণা আছে। কিন্তু কলাৰ এটা সাৰ্থকতা আছে ; কবিতাৰো সাৰ্থকতা আছে ; শব্দৰ এটা মহান শক্তি আছে।" কবি সন্মিলনত যোগদান কৰা প্ৰবীন কবিসকলৰ ভিতৰত সৰ্ব্বশ্ৰী নীলমণি ফুকন, পদ্মধৰ চলিহা, পাৰ্ৱতি প্ৰসাদ বৰুৱা, বিনন্দচন্দ্ৰ বৰুৱা, ভবানন্দ ৰাজখোৱা, অম্বেশ্বৰ চেতিয়া ফুকন, আনন্দচন্দ্ৰ বৰুৱা, কুমাৰ শ্ৰীমধুসূদন, ফণীন্দ্ৰ তালুকদাৰ, ভূপেন হাজৰিকা। নবীন কবি সকলৰ ভিতৰত শ্ৰীবীৰেন্দ্ৰ নাথ বৰবৰা, শ্ৰীমতী কমলিনী বৰবৰা, শ্ৰীমতী শশীপ্ৰভা দত্ত, শ্ৰীমতী আনোৱাৰা বেগম, শ্ৰীচন্দ্ৰ বৰা, শ্ৰীলীলা কাকতি (আবৃত্তি) শ্ৰীমুৰলী শইকীয়া, শ্ৰীমতী ৰেণু ফুকন, শ্ৰীমনচোকা ৰাজখোৱা, শ্ৰীললিত শৰ্ম্মা বৰুৱা, শ্ৰীদীননাথ কোঁৱৰ, শ্ৰীআনন্দ শৰ্ম্মা, শ্ৰীমতী এলি আহম্মদ, শ্ৰীচম্পাৰাম নাথ, শ্ৰীঅৰুণ বৰা শ্ৰীহোমেশ্বৰ দাস, শ্ৰীহৰগোবিন্দ দাস আদি।

কবি সন্মিলনৰ পিছত আকৌ সাংস্কৃতিক সন্মিলন আৰম্ভ হয়। তৃতীয় দিনাৰ সাংস্কৃতিক সন্মিলনৰ আকৰ্ষণ আছিল ডক্টৰ ভূপেন হাজৰিকাৰ কেইটিমান গীত। জনজাতীয় গীত মাত, সূত্ৰধাৰী নৃত্য, নৃত্য নাটিকা আদিয়ে শেষ নিশাৰ সাংস্কৃতিক অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়াইছিল। তিনিচুকীয়াৰ শ্ৰীমতী কমলা শৰ্ম্মাৰ সত্ৰীয়া নাচ, যোৰহাটৰ ৰূপজ্যোতি কলামণ্ডলৰ নৃত্য-নাটিকা, শ্ৰীমতী দীপালী বৰঠাকুৰ আৰু শ্ৰীখগেন মহন্তৰ এলানি গীতেও দৰ্শকক আমোদ দিব পাৰিছিল।

কিন্তু এই সাংস্কৃতিক অনুষ্ঠান সুকলমে শেষ হবলৈ নৌপাওঁতেই মাজ নিশা ১'৩০ বজাত সভাপতি শ্ৰীৰত্নকান্ত বৰকাকতীৰ লোকান্তৰৰ বাতৰিয়ে সকলোকে মৰ্ম্মাহত কৰি তুলিলে। সকলোৱে শোকত অভিভূত হৈ পৰিল। সভাপতিৰ সন্মানাৰ্থে তেতিয়াই সাংস্কৃতিক সন্মিলনৰ সকলো কাৰ্য্য বন্ধ কৰি দিয়া হ'ল। ইমানতে ত্ৰিংশ বাৰ্ষিক সন্মিলনৰ সামৰণি পৰিল।

ত্ৰিংশ বাৰ্ষিক সন্মিলনত দুজন প্ৰাক্তন সভাপতি এজন প্ৰাক্তন সম্পাদক ১২ জন আজীৱন সভ্যৰ প্ৰতিনিধি ৬ জন স্বীকৃত সভাৰ প্ৰতিনিধি ২০৬ জন শাখা সভাৰ প্ৰতিনিধিকে ধৰি মুঠ প্ৰায় ২৪৮ জনে যোগদান কৰে।

## অসম সাহিত্য সভাৰ নতুন কাৰ্য্যনিৰ্ব্বাহক সমিতি

সভাপতি—শ্ৰীৰত্নকান্ত বৰকাকতী, উপ-সভাপতি—( সৰ্ব্বশ্ৰী ) পৰাগ চলিহা, প্ৰধান সম্পাদক—ডক্টৰ মহেশ্বৰ নেওগ, সহকাৰী সম্পাদক—হৰিপ্ৰসাদ নেওগ, পত্ৰিকা সম্পাদক—বিশ্বনাৰায়ণ শাস্ত্ৰী, ধন-ভঁৰালী—নবেন্দ্ৰনাথ শৰ্ম্মা।

সদস্য সকল—(সৰ্ব্বশ্ৰী) ত্ৰৈলোক্যনাথ গোস্বামী, (যোৰহাট), মহেশচন্দ্ৰ দেৱ গোস্বামী, যতীন্দ্ৰনাথ গোস্বামী, উমাকান্ত শৰ্ম্মা, বীৰেন বৰকটকী, হেমন্তকুমাৰ শৰ্ম্মা, বিনন্দচন্দ্ৰ বৰুৱা, খনীন্দ্ৰচন্দ্ৰ বৰুৱা, বিপিনকুমাৰ বৰ-গোহাঁই, বেদনাথ বৰঠাকুৰ, ধৰ্ম্মকান্ত শৰ্ম্মা, ব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী, চন্দ্ৰসিং টেৰণ, শ্ৰীকুমাৰ মেধি, বুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ।

---

# অসম সাহিত্য-সভা

## সম্পাদকীয় প্ৰতিবেদন

নবেম্বৰ ১৯৬১—এপ্ৰিল ১৯৬৩

সভাপতি ডাঙৰীয়া আৰু প্ৰতিনিধিসকল,

স্বাধীন অসমৰ ৰাজধানী, 'কণা শুনি তলযোৱা' 'কটাৰীৰ ভাৰেও কটা' 'পিছল বাটত হাতে পতি' 'লাখুটিপাট' লগা পুৰণি গড়গাঁও নগৰৰ প্ৰান্তৰ এই নাজিৰাত আমি সমবেত হৈছোহি। আজি মনত পৰিছে এই নাজিৰাতে জন্ম হৈ চালুকীয়া অৱস্থাৰপৰা ডাঙৰ হোৱা ভৱানীপুৰীয়া গোপালদেৱ আতাৰলৈ—যিজনৰ প্ৰবৰ্ত্তিত কাল-সংহতি পন্থত অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ গণ-তান্ত্ৰিক ৰূপে স্পষ্টতা লাভ কৰিছিল। এই নাজিৰাৰে গুৰ-কাষৰৰ ঠাই সমূহৰপৰা অসম ৰাজ্যৰ প্ৰশাসনৰ অনেক সুদক্ষ বিষয়াৰ সৃষ্টি হৈছিল। গতিকে আমাৰ আজিৰ সমাগম স্বাভাৱিকতে তাৎপৰ্য্যপূৰ্ণ। আপোনা-লোকক এনে হেন এখনি ঠাইত অভিবাদন জনাবলৈ পাই নিজকে ধন্য মানিছোঁ।

আমি ১৯৬১ চনৰ অক্টোবৰত গোৱালপাৰাত সন্মিলিত হোৱাৰপৰা আজি প্ৰায় ডেৰ বছৰ হ'লহি। এইখিনি সময়ৰ ভিতৰত আমি যে বিশেষ একোকে কৰিব পৰা নাই, তাক পোনতে মানি লৈছোঁ। কাৰণ আমাৰ ক্ষুদ্ৰ কৰ্ম্মশক্তিৰ বিৰুদ্ধে সৰু ডাঙৰ বহুত শক্তিয়েই মূৰ দাঙি উঠিছিল। ইয়াৰ ভিতৰত প্ৰধান হ'ল বিশ্বক কঁপাই তোলা চীনৰ ভাৰত-আগমনজনিত সঙ্কট-কালীন পৰিস্থিতি। দ্বিতীয়তে, আমাৰ শাৰীৰিক অসুস্থতা আৰু পাৰিবাৰিক অশান্তিৰ ফলত কোনো কামতেই স্থিৰভাৱে লাগি থকা অসম্ভৱ হৈ পৰিছিল। গতিকে অঞ্জলিতে আপোনালোকৰপৰা ক্ষমা ভিক্ষা কৰি ল'লো।

এই মুহূৰ্ত্তত আমাৰ মাজৰপৰা আঁতৰি যোৱা কেইবাজনো সাহিত্যিক আৰু সুৰকাৰ-গীতিকাৰৰ কথা মনত পৰিছে—হলীৰাম ডেকা, কুলধৰ চলিহা, দৰ্পনাথ শৰ্ম্মা, অম্বিকাপ্ৰসাদ গোস্বামী, পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী, শ্ৰীশ্ৰীগড়মুৰীয়া সত্ৰাধিকাৰ, মলিনচন্দ্ৰ বৰা। এখেতসকলৰ আত্মাই শান্তি লাভ কৰক ; এয়ে আমাৰ সৰল কামনা।

### বছৰটোৰ চমু খতিয়ান

গোৱালপাৰা সন্মিলনৰ পিছৰপৰা এতিয়ালৈকে কিনো কৰিছোঁ, নিজকে তাৰ এটা কৈফিয়ত দিবলৈ গৈ নিজেই সঙ্কুচিত হৈ পৰিছোঁ। (১) উত্তৰ-পূব সীমান্ত অঞ্চলৰ প্ৰশাসনৰ শিক্ষা-নীতি আৰু সাংস্কৃতিক নীতিৰ বিৰুদ্ধে যুঁজি আছোঁ, তাৰ সমালোচনাৰ এখনি পুথিও প্ৰকাশ কৰিছোঁ। এই বিষয়ত প্ৰশাসনৰ মন এধানমান কোমল যেনো অনুভৱ কৰিছোঁ। (২) উত্তৰ-পূব সীমান্ত অঞ্চলৰ লোহিত অঞ্চল আৰু ছিয়াঙৰ আলং আদি স্থানত অসম সাহিত্য সভাৰপৰা ক্ৰমে চাৰিজনীয়া আৰু দুজনীয়া দুটি প্ৰতিনিধি দলে সম্প্ৰীতি-বৰ্দ্ধক পৰিভ্ৰমণ কৰি আহিছে। বৰ্ত্তমান সন্মিলনলৈ সীমান্ত অঞ্চলৰ হাইস্কুল আৰু চৌখাম মধ্য ইংৰাজী স্কুলৰপৰা ছাত্ৰ প্ৰতিনিধিলৈ বিশেষ ভাবে আমন্ত্ৰণ জনোৱা হৈছে। (৩) চীনা আক্ৰমণজনিত সঙ্কটকালীন পৰিস্থিতিত অসম সাহিত্য সভাই কবি-সাহিত্যিকসকললৈ জাতীয় সাহিত্য সৃষ্টিৰ হকে আহ্বান জনায়, তিনিখনি পুস্তিকা প্ৰকাশ কৰে ; ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ এহেজাৰ টকা দান-স্বৰূপে আগ বঢ়ায় আৰু পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ সাহিত্যিক কলাকাৰসকললৈ চীনা আক্ৰমণৰ বিৰুদ্ধে জগতৰ জনমত গঢ়ি তুলিবলৈ আহ্বান জনায়। (৪) সভাৰ এটি তিনিজনীয়া সংস্কৃতি দলে কাছাৰ আৰু উত্তৰ কাছাৰৰ বিভিন্ন ঠাইত সৌহাৰ্দ্দ্যজ্ঞাপক ভ্ৰমণ কৰি আছে। (৫) সভাৰ হৈ এগৰাকী প্ৰতিনিধিয়ে মিকিৰ পাহাৰ, মিজোৰাম আৰু গাৰো পাহাৰলৈ সভাৰ বাণী

কঢ়িয়াই লৈ যায়। (৬) সভাই বাৰখনি শকত প্ৰকাশন অসমীয়া সাহিত্যলৈ আগ বঢ়ায়—বেজবৰুৱাৰ 'তত্ত্বকথা' 'নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প', ইংৰাজী ভাষাত Assamese for All, হিন্দী ভাষাত 'আপকী অসমীয়া', ৰাজশেখৰৰ 'কৰ্পূৰ মঞ্জৰীৰ' অনুবাদ, বিশাখদত্তৰ 'মুদ্ৰ ৰাক্ষস'ৰ অনুবাদ সাহিত্য-সমীক্ষা, (যন্ত্ৰস্থ) 'অসমৰ জনজাতি', 'অসমৰ জনজাতীয় সাধু', 'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক-নীতি', 'অসম সাহিত্য সভা বাৰ্ষিকী (গোৱালপাৰা)', সংস্কৃত 'ৰূপকত্ৰয়ম্' আৰু শিশুৰ বাবে 'জয়মতী আৰু মূলা-গাভৰু'। (৭) সভাই সঙ্কটকালীন পৰিস্থিতিত তিনিখিনি পুস্তিকা প্ৰকাশ কৰে। 'অশান্ত হিমালয়ৰ সীমান্তৰ আহ্বান', 'ৰণ-ঝঙ্কাৰ' আৰু 'ৰণ-নিনাদ'। (৮) সভাৰ প্ৰকাশন বিশ্বনাথ কবিৰাজৰ 'সাহিত্য-দৰ্পণ'ৰ অনুবাদ আৰু ছপাৰ কাম চলি আছে। (৯) সভাৰ আৰু চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস সমিতিৰ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ে 'চন্দ্ৰকান্ত অভিধান'ৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰিছে। (১০) সভাই কাছাৰত এখন মধ্য ইংৰাজী পঢ়াশালি আৰু তিনিখনি নিম্ন প্ৰাথমিক অসমীয়া পঢ়াশালি চলাই আহিছে। (১১) সভাই প্ৰথম বাৰৰ বাবে নকৈ অসমীয়া শিকা লোকৰ বাবে অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা পাতি তাৰ ফলাফল ঘোষণা কৰে। (১২) চন্দ্ৰকান্ত সন্দিকৈ ভৱনটি যথেষ্ট বহলভাৱে সম্প্ৰসাৰিত কৰা হয়। (১৩) 'অসম সাহিত্য সভাৰ গ্ৰন্থাগাৰটিত অসমীয়া সাহিত্যৰ নতুন প্ৰকাশিত পুথি কিছু যোগ দিয়া হয় আৰু গ্ৰন্থাগাৰৰ বাবে লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ ব্যক্তিগত পুথিভঁৰালৰপৰা কিছু পুস্তক-পত্ৰিকা লাভ কৰা হয়। (১৪) গুৱাহাটী নগৰৰ মাজ ঠাইত অসম সাহিত্য সভা সদন নিৰ্ম্মাণৰ অৰ্থে অসম চৰকাৰে এক খণ্ড ভূমি দান কৰে। (১৫) উক্ত ভূমিত সভাৰ ঘৰ নিৰ্ম্মাণ কৰিবৰ কাৰণে ভাৰত চৰকাৰৰপৰা পঞ্চাশ হেজাৰ টকাৰ এটি অনুদান লাভ কৰা হয়। উক্ত ঘৰ নিৰ্ম্মাণৰ অৰ্থে গীতি-কবি শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱাৰপৰা পঞ্চাশ হেজাৰ আৰু কবিৰত্ন শ্ৰীৰঘুনাথ চৌধাৰীৰপৰা কুৰি হেজাৰ টকাৰ প্ৰতিশ্ৰুতি পোৱা হয়। (১৭) ভাৰত চৰকাৰৰ অনুদান আৰু শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱাৰ দানৰ প্ৰথম কিস্তি পাঁচ হেজাৰকৈ ইতিমধ্যে পোৱা হৈছে আৰু শ্ৰীবৰুৱা দেৱৰ দানৰ অভীষ্ট ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটা ইতি-মধ্যে থাপনা কৰা হৈছে। (১৮) সভাৰ আয়-ব্যয়ৰ নিৰ্ম্মাণ আৰু হিছাপ-পদ্ধতি যোৱা বছৰতকৈ আৰু কিছু সুসংবদ্ধ কৰা হৈছে। (১৯) বিশেষকৈ চীনা আক্ৰমণৰ পৰিস্থিতিত আমাৰ শাখা আৰু স্বীকৃত সভাসমূহৰ মাজত এক প্ৰায় অভূতপূৰ্ব্ব উদ্দীপনা দেখা পোৱা গৈছিল। এই সভাসমূহ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিৰ বাবে অৰ্থ সংগ্ৰহত প্ৰবৃত্ত হৈছিল আৰু ৰাইজৰ মনোবল অটুট ৰাখিবৰ বিবিধ যত্ন কৰিছিল।

## ঊনত্ৰিংশ সন্মিলনৰ প্ৰস্তাৱ

অসম সাহিত্য সভাৰ ঊনত্ৰিংশ সন্মিলনৰ গৃহীত প্ৰস্তাৱৰ এটিও অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০ আৰু অসম শাসকীয় ভাষা অধিনিয়ম (সংশোধনী) ১৯৬১-ত অসমীয়া ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰ সমগ্ৰ অসমতে বিস্তৃত হৈ নপৰাত দুখ প্ৰকাশ কৰি অসমীয়াৰ প্ৰয়োগ যাতে গোটেই অসমতে হয় এনে ধৰণৰ এখনি অধিনিয়ম প্ৰবৰ্ত্তন কাৰবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। এই প্ৰস্তাৱ যথানিয়মে চৰকাৰৰ ঘৰলৈ পঠোৱা হয়। তদুপৰি, ইতিমধ্যে গৃহীত হোৱা অধিনিয়ম দুখনি কাৰ্য্যত প্ৰয়োগ নকৰালৈ লক্ষ্য ৰাখি চৰকাৰক চিঠি আৰু প্ৰস্তাৱেৰে সকীয়াই থকা হয়। কিন্তু চৰকাৰ ঘৰ নিমাত। এখনসমিতি পতাৰ বাহিৰে কি হৈছে, কি নহৈছে, আমি এতিয়াও সম্ভেদ পাব পৰা নাই।

অসমৰ বুৰঞ্জীমূলক কীৰ্ত্তিচিহ্নবোৰৰ উপযুক্ত সংৰক্ষণৰ আয়োজন সম্পৰ্কে সন্মিলনৰ প্ৰস্তাৱ সংশ্লিষ্ট কৰ্ত্তৃপক্ষলৈ পঠিওৱা হ'ল। উক্ত বুৰঞ্জীমূলক কীৰ্ত্তিচিনবোৰ বৈজ্ঞানিক পদ্ধতিৰে সংৰক্ষণৰ নতুন ব্যৱস্থা কিবা লোৱা হৈছে যদিও আমাক জনোৱা হোৱা নাই।

সন্মিলনৰ আন এটি প্ৰস্তাৱেৰে সংগঠিত নিয়মাৱলী সমিতিয়ে শাখা আৰু স্বীকৃত সভাসমূহৰপৰা পৰামৰ্শ আলোচনা কৰে। সমিতিয়ে কৰা নতুন সম্পূৰ্ণ নিয়মা-বলীৰ খচৰা শাখা আৰু স্বীকৃত সভাসমূহলৈ পঠোৱা হৈছে। বৰ্ত্তমান সন্মিলনত সেই খচৰ সম্যক আলোচনা হ'ব।

# উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষা-নীতি আৰু সাংস্কৃতিক নীতি

উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষা আৰু সাংস্কৃতিক নীতিয়ে যোৱা বছৰটোতো আমাৰ বাবে নানা নতুন চিন্তা সৃষ্টি কৰি থাকে। ১৯৬২ চনৰ ৩০ মেই তাৰিখে স্থানীয় কাকতত প্ৰকাশ পায় যে সীমান্তৰ শিক্ষাধিকাৰৰ অধীনস্থ বিষয়াসকলৰ এখন সভাই অসমীয়া ভাষাক সীমান্তৰ শিক্ষা-পদ্ধতিৰ ভিতৰত গৌণ স্থানলৈ ঠেলিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰে। ৩১ মে তৰিখে আমি এটি বিবৃতিৰে এনে সিদ্ধান্ত অযুক্তিকৰ, অনৰ্হ আৰু জাতীয় সংহতিৰ বিৰুদ্ধে হৈছে বুলি প্ৰতিবাদ জনাওঁ। দুই-এখনি ৰাজহুৱা সভায়ো একে মৰ্ম্মে উক্ত সিদ্ধান্তৰ বিৰোধ কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। বাতৰি-কাকতত গুলোৱামতে অসমৰ ৰাজ্যপাল আৰু সীমান্ত অঞ্চলৰ আযুক্তই এনে সিদ্ধান্তৰ যৌক্তিকতাৰ প্ৰশ্ন তোলে। এইটোও প্ৰকাশ হয় যে এই ক্ষমতাৰ অতীত সিদ্ধান্ত-গ্ৰহণৰ বাবে ধাইকৈ জগৰীয়া সীমান্ত অঞ্চলৰ শিক্ষাধিকাৰ।

১৬ মে তাৰিখে লোকসভাত শ্ৰীৰিশাং কেইশাং আৰু শ্ৰীদাম্বিং ইৰিঙৰ প্ৰশ্নৰ উত্তৰত ভাৰতৰ বহিঃ-পৰিক্ৰমাৰ ৰাজ্যিক মন্ত্ৰীয়ে এইদৰে উত্তৰ দিয়ে: 'এইটো সিদ্ধান্ত হয় যে প্ৰাথমিক শিক্ষা দেৱনাগৰী লিপিত জনজাতীয় ভাষাৰ মাধ্যমত চলি থাকিব লাগে আৰু লগে লগে ওপৰৰ শ্ৰেণীবিলাকৰ শিক্ষাৰ মাধ্যম হ'ব লাগিব অসমীয়া; অৱশ্যে অঙ্কশাস্ত্ৰ আৰু বিজ্ঞান এই বিষয় দুটা ইংৰাজীত শিকোৱা হ'ব।' কিন্তু দুনাই প্ৰশ্ন কৰাত মন্ত্ৰীগৰাকীয়ে আকৌ কৈ পেলালে, 'যিবোৰ ঠাইৰ মানুহে অসমৰপৰা বহুত আঁতৰ হোৱা বাবে আৰু সেই হেতুকে অসমীয়া শিকি তোঁৱলোকৰ লাভ নহ'ব বাবে দেৱনাগৰী লিপিত হিন্দী শিকাবৰ ইচ্ছা প্ৰকাশ কৰিছে; সেইবোৰৰ বাহিৰে আনবোৰ ঠাইত অসমীয়াই হ'ল শিক্ষাৰ বাহন।'

এই উক্তিয়ে অতি স্পষ্টকৈ দেখুৱায় যে সীমান্তৰ ভাষা-নীতিৰ প্ৰয়োগ সৰ্ব্বত্ৰ সমানভাৱে হোৱা নাই। জনা গৈছে, লোহিতপুৰ, বোমডিলা, টাৱাং, মেচুকা আৰু মনিগঙৰ স্কুলবোৰত আৰু চাংলাং বুনিয়াদী মহা-বিদ্যালয়ত হিন্দীমাধ্যমৰ প্ৰচলন হৈ আছে। পাছিঘাটৰ নিচিনা অসমীয়াৰ প্ৰতি প্ৰীতি থকা এডোখৰ ঠাইৰ হাই স্কুলত এটা সমান্তৰাল হিন্দী শাখা খোলা হৈছে। তদুপৰি, চীনা সীমান্তৰ দাতি-কাষৰীয়া ঠাইবোৰৰ স্কুলৰ শিক্ষকৰ নিয়োগ আৰু বিনিময়ৰ ভাৰ শিক্ষাধিকাৰ জনে নিজৰ হাতত আছুতীয়া কৰি ৰাখিছে। এই সকলোবোৰে সীমান্তৰ শিক্ষা-নীতিৰ প্ৰতি আমাৰ গভীৰ সন্দেহৰ সৃষ্টি কৰে।

সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি সম্পৰ্কে বাতৰি-কাকতত আমাৰ কেইবাটিও বিবৃতি আৰু প্ৰবন্ধ প্ৰকাশ পায়। সাংস্কৃতিক নীতি সম্পৰ্কীয় এটি প্ৰবন্ধত বৈষ্ণৱ আৰু সীমান্তৰ পৰ্ব্বতৰ স্বাভাৱিক ধৰ্ম্ম-মূলক সম্পৰ্ক প্ৰশাসনে ব্যাহত কৰা কথা লৈ সমালোচনা কৰা হৈছিল। এই সমালোচনাই সীমান্তৰ কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰে আৰু সিসকলে আমালৈ চিঠি-পত্ৰ দিবলৈ ধৰে। ১১ মাৰ্চ ১৯৬৩ তাৰিখৰ চিঠিত সীমান্তৰ জনজাতীয় পৰিক্ৰমাৰ উপদেষ্টা ডক্টৰ ভেৰিয়াৰ এল্‌বিনে এইদৰে মত প্ৰকাশ কৰিছে:

I am very interested in the Gossains and their influence in NEFA and I am anxions to see the links between the NEFA tribes and the satras, which, I am sorry to say, seem to have been broken in some Divisions, restored, your article on Narottam Raja is most interesting. I entirely agree with you that NEFA and

Assam should work together and indeed this has been always been my view.

"সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি" নামে আমাৰ এখনি পুথি ইতিমধ্যে প্ৰকাশিত হৈ গৈছে। এই পুথি অসমৰপৰা যোৱা পাৰ্লিয়ামেণ্টৰ সদস্যসকল আৰু সীমান্তৰ নেতৃস্থানীয় লোকসকলৰ মাজত বিতৰণ কৰা হৈছে। সুখৰ বিষয় আমাৰ সদস্য কেইজনমানে লোকসভাত সীমান্ত আৰু অসমৰ একীকৰণৰ বিষয়ে দৃঢ়ভাৱে মত দাঙি ধৰিছে। আমাৰ প্ৰকাশিত পুথি-খনিয়ে সীমান্ত প্ৰশাসনৰ দৃষ্টি ইতিমধ্যে আকৰ্ষণ কৰিছে। এই কথা ডক্টৰ এল্‌বিনৰ উপৰোদ্ধৃত পত্ৰখণ্ডৰ পৰা বুজা যায়।

চীনা আক্ৰমণৰ প্ৰথম আঘাতৰ সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীজৱাহৰলাল নেহৰুৱে সীমান্তৰ প্ৰশাসন-নীতিৰ কিছু পৰিবৰ্ত্তন হ'ব লাগে বুলি কৰা সমুচিত উক্তিয়ে যথেষ্ট আলোড়নৰ সৃষ্টি কৰে। ভাৰতীয় সংবিধানে অসম আৰু সীমান্তক এদিন এক কৰাৰ সম্ভাবনা ৰাখিছে। অসম সাহিত্য সভাই আদিৰেপৰা সেই হকে দাবী জনাই আহিছে। সীমা নিৰ্দ্ধাৰণ আয়োগৰ সমুখত সাক্ষ্য দিওঁতেও সভাই সেই মত দাঙি ধৰিছিল। বৰ্ত্তমানে এই বিষয়ে চৰ্চা থকা লোকসকলৰ সহযোগত ভাৰত চৰকাৰৰ ওচৰত এক শক্তিশালী স্মাৰক-পত্ৰ দাখিল কৰিবৰ সময় আহিল।

---

# লোহিত আৰু ছিয়াং সীমান্তত অসম সাহিত্য সভাৰ সন্দেশবাহী দল

১৯৬১ চনৰ ডিচেম্বৰৰ শেষ সপ্তাহত ডক্টৰ মহেশ্বৰ নেওগ, অধ্যাপক পৰাগ চলিহা আৰু হৰিপ্ৰসাদ নেওগ আৰু শ্ৰীলীলা গগৈৰে গঠিত অসম সাহিত্য সভাৰ এটি সন্দেশবাহী দলে লোহিত সীমান্তলৈ অসম সাহিত্য সভাৰ সন্দেশ-বাৰ্ত্তা লৈ যায়। কুণ্ডিল মুখত স্থানীয় ছাত্ৰ আৰু ৰাইজে দলটিক অভিবাদন জনায়। থামটি ৰজাৰ পৰি-য়ালৰ শ্ৰীচৌখামুন গোহাঁইদেৱে শদিয়াৰপৰা তেজুলৈ যাবলৈ দলটিক নিজৰ ভ্ৰমণ গাড়ী দিয়ে। তেজুত থকা সময়ত দলটিক স্থানীয় ৰাইজ আৰু ছাত্ৰসকলে বিবিধ অনুষ্ঠানেৰে আপ্যায়িত কৰিছিল আৰু সম্প্ৰীতিৰ আদান-প্ৰদানো কৰিছিল। ইয়াৰ উপৰি পৰশুৰামকুণ্ডৰ বাটত টিমাই গাঁৱৰ ৰাইজৰ মাজত সঁজাতী দলে বঁটা-বাহন আদি বিলাই দিয়ে। চৌখামৰ থামটি ৰাইজে দলটিক কাঁহ ঢোল কোবাই নিজৰ গাঁৱলৈ আদৰি নিয়ে আৰু স্থানীয় স্কুলত আৰু বাপুচাঙত বহা সভাত আন্তৰিক সম্প্ৰীতি যাচে। শদিয়ালৈ ঘূৰাৰ বাটত টাৰাও মিছিমিসকলৰ গাঁও ইয়েলিয়াং সোমাই সঁজাতী দলে উপঢৌকন-বিনিময় কৰে।

১৯৬২ চনৰ অক্টোবৰৰ ১২ তাৰিখে ডক্টৰ মহেশ্বৰ নেওগ আৰু শ্ৰীলীলা গগৈৰে দুজনীয়া সন্দেশবাহী দল এটি ছিয়াং সীমান্ত অঞ্চলৰ আলঙলৈ যাত্ৰা কৰে; এই দলটিয়েও আলং, গালং আদিসকলৰ ডুবগাঁও বগং আৰু নকৈ পতা গাঁও জিনিঙত স্থানীয় ৰাইজ, কৰ্মচাৰী আৰু ছাত্ৰসকলৰ আদৰ-আশ্বাসৰ মাজত ভ্ৰমণ কৰে আৰু উপঢৌকন-বিনিময় আদি কৰে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ আনন্দ উলাহে লোহিত আৰু ছিয়াং দুই অঞ্চলতে সাহিত্য-সভাৰ দলক অভিভূত কৰি তোলে। ৩ নৱেম্বৰ দিনা তিনিজনীয়া এটি দল পাছিঘাটলৈ বুলি যাত্ৰা কৰে, কিন্তু ইতিমধ্যেই চীনা আক্ৰমণৰ ফলত কলিঙ্গা এয়াৰ-বেজৰ আকাশীজাহাজ সামৰিক কাৰ্য্যত নিয়োগ কৰা হোৱাত দলটি ডিব্ৰুগড়ৰপৰা ঘূৰিব লগীয়া হয়।



## আমাৰ মাজত সীমান্তৰ অতিথি

আদান আৰু প্ৰদানৰপৰাহে সম্প্ৰীতি সম্পূৰ্ণ হয়। ইয়াকে চিন্তা কৰি অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে তেজু, পাছিঘাট, আলং, জিৰো আৰু বোমডিলা হাইস্কুল আৰু চৌখাম মধ্য ইংৰাজী স্কুলৰ দুজনকৈ ছাত্ৰ সভাৰ এই ত্ৰিংশ সন্মিলনলৈ বিশেষ ভাৱে নিমন্ত্ৰণ কৰিবলৈ থিৰাং কৰে। সেই সকলৰ দুজনমান আহি ইতিমধ্যে উপস্থিত হৈছে। তদুপৰি, সীমান্তৰ দুটি নৃত্য-গীতৰ দলে সন্মিলনত যোগদান কৰিছে।

## সঙ্কটকালীন পৰিস্থিতি

ভাৰতৰ হিমালয় সীমান্তৰ বিভিন্ন বিন্দুত বিশেষকৈ ২০ অক্টোবৰ ১৯৬২ তাৰিখৰপৰা কমিউনিষ্ট চীনে প্ৰবল-ভাৱে সম্প্ৰসাৰণকামী আক্ৰমণ আৰম্ভ কৰা হেতুকে সমগ্ৰ দেশ জুৰি এক বিকট সঙ্কটপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হয়। অসম সাহিত্য সভাৰ সভাপতি ডাঙৰীয়াই ১৮ নৱেম্বৰ ১৯৬৩ তাৰিখে উদ্‌যাপিত হব লগীয়া অসম সাহিত্য সভা দিৱসত দেশৰক্ষা পুঁজিলৈ মুক্তহস্তে বৰঙণি যোগাবলৈ, জনগণৰ নৈতিক শক্তি বঢ়োৱাত যত্নপৰ হবলৈ, দেশাত্ম-বোধক গীত কবিতা আদিৰে জাতীয় ঐক্য সাধনৰ চেষ্টা কৰিবলৈ আৰু দেশৰ আভ্যন্তৰীণ শত্ৰুৰ ওপৰত চোকা চকু ৰাখিবলৈ মূল আৰু শাখাসমূহৰ সদস্যসকলক এক গোহাৰি-পত্ৰৰ যোগেদি আহ্বান জনায়। সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়েও জনগণক জাতীয় সঙ্কটৰ বিৰুদ্ধে একতাবদ্ধ হৈ থিয় হবলৈ উদ্বুদ্ধ কৰিব পৰা সাহিত্যৰ সৃষ্টি কৰিবলৈ কবি সাহিত্যিকসকললৈ আন্তৰিক আহ্বান জনায়। তদুপৰি ৭ ডিচেম্বৰ 'ফ্লেগ ডে' বা সামৰিক পতাকা দিৱসত সকলো শাখা সভাকে কৰ্ত্তৃ-পক্ষৰ লগত সহযোগিতা কৰিবলৈ বাতৰি-কাকত যোগে অনুৰোধ কৰা হয়। এই দুয়োটি উপলক্ষত শাখা আৰু স্বীকৃত সভাসমূহৰপৰা অভূতপূৰ্ব্ব সঁহাৰি পোৱা হয়। সিসকলে স্থানীয় প্ৰতিৰক্ষা কৰ্ত্তৃপক্ষৰ লগত সহযোগিতা কৰে আৰু অসম সাহিত্য সভা দিৱসক প্ৰতিৰক্ষা দিৱস-ৰূপে পালন কৰি প্ৰতিৰক্ষাৰ উদ্দেশ্যে দান সংগ্ৰহ কৰি যথাস্থানলৈ পঠিয়ায়। অসম সাহিত্য সভাৰ মূল পুঁজিৰ-পৰা ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ দান-স্বৰূপে এহেজাৰ টকা দিয়া হয়। তদুপৰি কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে প্ৰধান সম্পাদকৰ ওপৰত প্ৰথম পৰ্য্যায়ত দেশাত্মবোধ জগোৱা আৰু মনোবল যোগোৱা কেইখনিমান পুস্তিকা সম্পাদন আৰু প্ৰকাশ কৰিবৰ দায়িত্ব অৰ্পণ কৰে। সেইমতে 'অশান্ত হিমালয় সীমান্তৰ আহ্বান', 'ৰণ-ঝঙ্কাৰ' আৰু 'ৰণ-নিনাদ' নামে তিনিখনি ষোলপিঠীয়া পুথি প্ৰকাশ আৰু পৰিৱেশন কৰা হৈছে। ৰেডিওৰ যোগে প্ৰচাৰৰ অৰ্থে কেইবাজনৰোপৰা দেশাত্মবোধক অনুপ্ৰেৰণাৰ গীত আৰু প্ৰবন্ধ পাই যথাস্থানলৈ পঠোৱা হৈছিল। আমাৰ অনেক শাখাই চীনা আক্ৰমণৰ ফলত ছিটিকি পৰা সীমান্ত আৰু অসমৰ সীমান্তৱৰ্ত্তী ৰাইজৰ সেৱা-শুশ্ৰূষাৰ দিহা কৰিছিল।

একালে পৰস্পৰ দেশৰ সীমাৰ অখণ্ডতা আৰু সাৰ্ব্বভৌমত্বৰ প্ৰতি শ্ৰদ্ধা, পৰস্পৰ অনাক্ৰমণ আৰু শান্তিপূৰ্ণ সহাৱস্থান আদি উদাৰ পঞ্চশীল নীতিত ভাৰতেৰে আবদ্ধ হৈ, 'হিন্দী-চীনা ভাই ভাই' বাণী প্ৰচাৰ কৰি আৰু বাৰে বাৰে চৰকাৰীভাৱে ভাৰত আৰু চীনৰ মাজত সীমাৰ বিষয়ত স্থিতাৱস্থা সংৰক্ষিত হব লাগে বুলি ঘোষণা কৰি, আৰু আনফালে ১৯৫৪ চনৰপৰা সেই সীমা লঙ্ঘন কৰি ভাৰতৰ মাটিৰ ওপৰত ৰাজপথ নিৰ্ম্মাণ কৰি আৰু ভাৰতীয় সীমাৰক্ষী বাহিনী আৰু প্ৰজাৰ ওপৰত গুলীবৰ্ষণ কৰি কমিউনিষ্ট চীনে যি বিশ্বাসঘাতকতা প্ৰদৰ্শন কৰিছে, অসম সাহিত্য সভাই তাক একবাক্যে নিন্দা কৰি পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ সাহিত্যিক-কলাকাৰ সহযোগীসকলৰ সংস্কৃতিঘাতী এই অন্যায় আক্ৰমণ আৰু আক্ৰোশ বন্ধ কৰাৰ উদ্দেশ্যে পৃথিৱীৰ জনমত গঠন কৰিবলৈ আহ্বান জনায়। সম্মিলিত জাতি-সঙ্ঘৰ শিক্ষা বিজ্ঞান সংস্কৃতি সংস্থাৰ যোগেদি এই আবেদন পঠোৱাৰ অসুবিধা হোৱাত ভাৰতত থকা বিভিন্ন ৰাষ্ট্ৰৰ কূটনৈতিক মহলৰ যোগে তাক পঠোৱা হয়। আৰ্জ্জেণ্টাইন গণতন্ত্ৰ, ব্ৰাজিল, চুইজাৰলেণ্ড আদিৰ এম্বেচিৰপৰা তাৰ প্ৰাপ্তি-স্বীকাৰ আৰু সিসকল দেশৰ সাহিত্যিক-কলাকাৰ সংস্থালৈ আমাৰ আবেদন পঠোৱাৰ খবৰ পোৱা হৈছিল। সভাৰ

কাৰ্য্যনিৰ্ব্বাহকৰ প্ৰস্তাব সহ পঠোৱা আবেদনখনি তলত দিয়া হ'ল।

The literary men of Assam have resolved through this Institution of theirs to send this urgent appeal to you—an appeal from a people, who have already felt the cruel impact of an aggressive country—to writers and artists, men and women all over the world who naturally believe in humanistic principles.

India never seeks war. India never has demanded territories of her neighbours. India, whose great sons, Gotama the Buddha and Gandhi the Mahatma, have brought the noble message of Ahimsa to the world, has enunciated the new Five Principles for neighbouring countries and holds them dear to her heart. China too has professed these Principles, and she still does. But why this ruthless aggression?—we have to ask. What have the peace-loving people of India's Himalayan frontier, the Ladakhis and the innocent tribes of the North-East Frontier Agency, done to merit the torture of aggression? This must stop if Asia and, for that matter, the world are to have peace—peace that is conducive to literature and art.

We do believe that the world today is growing, inspite of all the powers of darkness into perfect human brotherhood. We do appeal most fervently to you to do all in your might so that this crisis in human civilisation may be resolved.

### সম্প্ৰীতিমূলক ভ্ৰমণ

বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াৰ নেতৃত্বত শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰে গঠিত তিনিজনীয়া এটি সঁজাতী দলে শিলচৰকে প্ৰমুখ্য কৰি কাছাৰৰ বিভিন্ন ঠাইত পৰিভ্ৰমণ কৰে। বিশেষকৈ শ্ৰীফুকন ডাঙৰীয়াৰ ব্যক্তিত্ব আৰু বাগ্মিতাই বহুত লোকক আকৰ্ষণ কৰি আনে আৰু বহুল জনসমাবেশ হোৱা ৰাজহুৱা সভাত সকলোৱে তেখেতৰ বাণী কাণ পাতি শুনে।

শ্ৰীশিৱপ্ৰসাদ বৰুৱাই মিকিৰ পাহাৰৰ ডিফু, লামডিং, ডিমাপুৰ, বৈঠালাংছু, বৰথল, বকলিয়া-ফুলনি, দেনগাঁও, মহংদিজুৱা, হাফলং, ক্ৰমা আদি ঠাইত ভ্ৰমণ কৰি অসম সাহিত্য সভাৰ বাৰ্ত্তা প্ৰচাৰ কৰিবৰ যত্ন কৰে। শ্ৰীবৰুৱাদেৱে মিজোৰামৰ আইজাল, থানজাউল আৰু লুংলে আৰু গাৰো পাহাৰৰ তুৰা, মেগাগিৰি ফুলবাৰী, বংবেং গিৰি, মানিকাচৰ আদিতো আমাৰ সঁজাতী ৰূপে ভ্ৰমণ কৰি আহে। এইবোৰ অঞ্চলত সাহিত্য সভাৰ শাখা পাতিবৰ যত্ন সততে কৰি থাকিব লাগিব।

### নতুন প্ৰকাশন

বছৰটোৰ ভিতৰত কেইবাখনিও সৰু ডাঙৰ পুথি প্ৰণয়ন আৰু প্ৰকাশ কৰা হৈছে। তাৰ এটি তালিকা তলত দিয়া হ'ল।

ক. প্ৰকাশন ঃ সাধাৰণ

(১) লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্বকথা' শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত,

(২) 'নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প', শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মাৰদ্বাৰা সম্পাদিত,

খ. প্ৰকাশন : ভাষাজ্ঞান

(৩) ইংৰাজী *Assamese of All*. শ্ৰীমুকুন্দ মাধৱ শৰ্ম্মাৰদ্বাৰা লিখিত,

(৪) হিন্দী 'আপকী অসমীয়া' শ্ৰীপৰেশ শৰ্ম্মাৰ দ্বাৰা শ্ৰীমুকুন্দ মাধৱ শৰ্ম্মাৰ Assamese for All অৰ অনুবাদ (চৰকাৰী অনুদানৰ সাহায্যত),

গ. প্ৰকাশন : চৰকাৰৰ অনুদান-পুষ্ট প্ৰকাশন আঁচনি

(৫) ৰাজশেখৰৰ সংস্কৃত 'কৰ্পূৰ-মঞ্জৰী'ৰ অনুবাদ, শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা কৃত,



(৬) বিশাখদত্তৰ সংস্কৃত 'মুদ্ৰাৰাক্ষস'ৰ অনুবাদ, শ্ৰীৰজনীকান্ত দেৱ শৰ্ম্মা কৃত,

(৭) সমালোচনা-তত্ত্বৰ প্ৰবন্ধাৱলী 'সাহিত্য সমীক্ষা', শ্ৰীমহেশ্বৰ নেওগ আৰু শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা সম্পাদিত (বৰ্ত্তমান যন্ত্ৰস্থ),

(৮) কবিৰাজ বিশ্বনাথৰ 'সাহিত্য-দৰ্পণ'ৰ অনুবাদ, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী কৃত (এইখনি গ্ৰন্থ যন্ত্ৰস্থ হৈছে মাত্ৰ, অনুবাদো সম্পূৰ্ণ হোৱা নাই),

ঘ. প্ৰকাশন : চৰকাৰৰ অনুদানৰ সাহায্যত সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি

(৯) 'অসমৰ জনজাতি'; শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত,

(১০) 'অসমৰ জনজাতীয় সাধু', শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত,

ঙ. প্ৰকাশন : চৰকাৰৰ অনুদানেৰে ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি

(১১) সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি, শ্ৰীমহেশ্বৰ নেওগ কৃত।

চ. প্ৰকাশন : সন্মিলনৰ বাবে পোৱা অনুদানৰপৰা

(১২) অসম সাহিত্য সভা বাৰ্ষিকী (গোৱালপাৰা)

ছ. প্ৰকাশন : চৰকাৰৰ অনুদানৰ সাহায্যত দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি দুৰ্লভ পুথি প্ৰকাশ আঁচনি

(১৩) সংস্কৃত অসমীয়া 'ৰূপকত্ৰয়'—শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্ম্মা সম্পাদিত,

জ. প্ৰকাশন : কমলাদেৱী স্মাৰক শিশু সাহিত্য

(১৪) 'জয়মতী আৰু মূলা গাভৰু' শ্ৰীলীলা গগৈ-ৰচিত,

ঝ. প্ৰকাশন : সঙ্কটকালীন

(১৫) 'অশান্ত হিমালয় সীমান্তৰ আহ্বান,'

(১৬) 'ৰণ ঝঙ্কাৰ'

(১৭) 'ৰণ-নিনাদ'

আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ আগলৈকে সভাৰ প্ৰকাশনৰ সংখ্যা আছিল ২০ খন, যোৱা বছৰত ৮ খন আৰু বৰ্ত্তমান বছৰত ১৫খনি (আৰু দুখনি যন্ত্ৰস্থ আছিল) যোগ দিয়া হৈছে।

### প্ৰকাশন ঃ সাধাৰণ

লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্ব কথা'-শীৰ্ষক প্ৰবন্ধ আৰু নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্পৰ বাছনিটি বেজবৰুৱা ডাঙৰীয়াৰ কন্যা শ্ৰীমতী ৰত্না বৰুৱা আৰু চৌধুৰীদেৱৰ পত্নী শ্ৰীমতী প্ৰফুল্লবালা দেৱী চৌধুৰিণীৰ অনুমতি লৈ প্ৰকাশ কৰা হয়। সাহিত্যসভাৰ প্ৰাক্তন দুজন সভাপতি আৰু অসমীয়া সাহিত্যৰ দুজন নিৰ্মাতাৰ পুথি-ৰূপে দুয়োখনি আদৰণীয় হ'ব বুলি বিশ্বাস কৰা হৈছে।

### প্ৰকাশন ঃ ভাষাজ্ঞান

অনা-অসমীয়া লোকে ঘৰতে পঢ়ি অসমীয়া ভাষাৰ এটি নিৰ্ভৰযোগ্য জ্ঞান আয়ত্ত কৰিব পৰা বৈজ্ঞানিক পদ্ধতিত লিখা পুথিৰ অভাৱ অনুভৱ কৰি অহা হৈছে কেতিয়াবাৰেপৰা। এই অভাৱ পূৰণৰ অৰ্থে বাতৰি-কাগজত জাননী দি প্ৰতিযোগিতাৰ ভিত্তিত অধ্যাপক মুকুন্দমাধৱ শৰ্ম্মাৰ *Asssamese for All* নামৰ পুথিখনি বাছি ছপাশাললৈ পঠোৱা হয়। ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ পৰা হিন্দী মাধ্যমেদি অসমীয়া ভাষা জ্ঞানৰ প্ৰাথমিক পুথি এখনি প্ৰকাশ কৰিবৰ বাবে পৰিপূৰক অনুদান-ৰূপে দুহেজাৰ টকা পোৱা হয় আৰু শ্ৰীপৰেশচন্দ্ৰ শৰ্ম্মাৰ হতুৱাই "Assamese for All" পুথিখনিৰ হিন্দী অনুবাদ কৰি ছপোৱা হয়—'আপ্‌কী অসমীয়া'।

### প্ৰকাশন ঃ প্ৰকাশন আঁচনি

আমি ১৯৬০-৬১ চনৰেপৰা চৰকাৰৰ ওচৰত প্ৰকাশন আঁচনি দাখিল কৰি অনুদান বিচাৰি আহিছিলোঁ। অসম চৰকাৰে পোনতে আশ্বাস নিদিলেও পিছত ভাৰত চৰকাৰৰ আঞ্চলিক ভাষাসমূহৰ উন্নয়ন (পাঁচ-বছৰীয়া) আঁচনিৰ লগত খাপ খুৱাই আমাৰপৰা এখন পাঁচ-বছৰীয়া প্ৰকাশন আঁচনি বিচাৰে। সেইমতে ১৯৬১-৬২ বিত্তীয়

বছৰৰপৰা আৰম্ভ কৰি আমি এখন বহল আঁচনি তৈয়াৰ কৰি পঠিয়াওঁ আৰু প্ৰথম বছৰৰ বাবে বহল আঁচনিও দিওঁ (২৭।৪।৬১ তাৰিখে)। ৬ ছেপ্টেম্বৰ ১৯৬২ তাৰিখে চৰকাৰৰ সংশ্লিষ্ট সমিতি বহি ১৯৬২-৬৩ চনৰ বাবে আমাক চাৰিখনি পুথিৰ ভাৰ দিবলৈ থিৰাং কৰে— সাহিত্য-সমালোচনাৰ গ্ৰন্থ এখনি আৰু সংস্কৃতৰপৰা 'কৰ্পূৰ-মঞ্জৰী' 'মুদ্ৰাৰাক্ষস' আৰু 'সাহিত্য-দৰ্পণ'ৰ অনুবাদ। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অনুমোদন মতে পুথি চাৰিখনিৰ ভাৰ কেইবাজনো পণ্ডিতক ভগাই দিয়া হয়। 'কৰ্পূৰ-মঞ্জৰী' আৰু 'মুদ্ৰাৰাক্ষস'ৰ ছপা কাম সম্পূৰ্ণ হৈ গৈছে। 'সাহিত্য-সমীক্ষা'ৰ ছপা কাম শেষাংশ পাইছেহি। 'সাহিত্য দৰ্পণ'ৰ ছপা কাম আৰম্ভ হৈছে যদিও এই গধুৰ কামটিৰ অনুবাদ আৰু মুদ্ৰণত কিছু সময় লাগিব।

পলাশবাৰী (মিৰ্জ্জা) সন্মিলনত গৃহীত এটি প্ৰস্তাৱৰ পৰিকল্পিত তিনিখনি পুথিৰ (ব্যাকৰণ, অসম বুৰঞ্জী, ভাষা-সাহিত্যৰ বুৰঞ্জী) কাম আৰ্থিক সংস্থানৰ অভাৱত এতিয়াও ল'ব পৰা নাই।

### প্ৰকাশন : সাংস্কৃতিক সম্পৰ্ক-উন্নয়ন আঁচনি

১৯৬০-৬১ দ্বিতীয় বছৰতে ভাৰত চৰকাৰৰপৰা ৯,০০০'০০ ন হেজাৰ টকাৰ এটি অনুদান পোৱা হৈছিল অসমৰ জনজাতিৰ বিষয়ে এখনি আৰু জনজাতিসকলৰ সাধুৰ দুখনি পুথি প্ৰকাশ কৰাৰ অৰ্থে। অসম চৰকাৰৰ-পৰা এই আঁচনিৰ বাবে মাত্ৰ ৬,০০০'০০ টকা বিচাৰি থকাত কিতাপ দুখনৰ আঁচনি বহুত পলম হৈ গ'ল : অথচ অসম চৰকাৰৰ কৃপা-লাভত আমি কৃতকাৰ্য্য নহ'লোঁ। অৱশেষত আমি সাধুৰ পুথি এখনি মাত্ৰ প্ৰকাশ কৰিবলৈ থিৰাং কৰি আঁচনিখন সঙ্কুচিত কৰি কামত আগ বাঢ়োঁ। অধ্যাপক প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত 'অসমৰ জনজাতি' আৰু শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী-সম্পাদিত 'অসমৰ জনজাতীয় সাধু' দুয়োখনি দেখনিয়াৰ আৰু গধুৰ গ্ৰন্থ হৈছে।

### প্ৰকাশন : ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি

১৯৬১ চনৰ ২৪-২৫ জুন তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহকৰ অধিৱেশনে উত্তৰ-পূব সীমান্ত অঞ্চলৰ শিক্ষা আৰু সাংস্কৃতিক নীতি পৰ্য্যালোচনা কৰি এখনি পুথি প্ৰকাশ কৰাৰ ভাৰ আমাক দিয়ে। এই নীতি সম্পৰ্কে নানা বাক-বিতণ্ডা খবৰৰ কাগজৰ যোগেদিও যোৱা বছৰটোত যথেষ্ট পৰিমাণে হয়। সেই সকলো চকুৰ আগত ৰাখি 'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি' (The Educational and Cultural Policies of the North-East Frontier Agency Administration) নামে এখনি পুথি প্ৰকাশ কৰা হয়। প্ৰাচীন অনুসন্ধানকাৰী আৰু নৃতত্ত্ববিদসকলৰ মতৰ উপৰিও সীমান্তৰ লোক-সকলৰ অসম-মুখী মতামতৰ সন্নিৱেশেৰে এই পুথিয়ে আমাৰ সপক্ষে কিছু যুক্তি দাঙি ধৰিছে।

### প্ৰকাশন : বাৰ্ষিকী

যোৱা গোৱালপাৰা সন্মিলনৰ বাবে ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ পৰা ৩,৫০০'০০ তিনি হেজাৰ পাঁচ শ টকা পোৱা হৈছিল। এই টকাৰপৰা বোৱা অংশেৰে সভাপতি-সকলৰ অভিভাষণ, সভাৰ বাৰ্ষিক প্ৰতিবেদন, হিচাপ আদি সন্নিৱেশ কৰি 'অসম সাহিত্য সভা বাৰ্ষিকী (গোৱাল পাৰা)' প্ৰকাশ কৰা হৈছে।

### প্ৰকাশন : দুষ্প্ৰাপ্য পুথি প্ৰকাশ আঁচনি

ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰপৰা দুষ্প্ৰাপ্য হাতে-লিখা পুথি প্ৰকাশ আঁচনি অনুসৰি আহোম যুগৰ অসমত ৰচিত 'কাম-কুমাৰ হৰণ,' 'বিঘ্নেশ জন্মোদয়' আৰু 'শঙ্খচূড়-বধ' নাট কেইখনি একেলগে ছপাই উলিয়াবৰ বাবে এটি অনুদানৰ প্ৰতিশ্ৰুতি পোৱা হয়। এই অনুদানৰ পৰিপূৰক অৰ্থ অসম চৰকাৰৰ ওচৰত বিচাৰি নোপোৱাত আমি দক্ষিণ-পাট অধিকাৰ গোস্বামী অক্ষয় পুঁজিৰ বাঢ়িৰপৰা সহায় বিচাৰি সংশ্লিষ্ট ন্যাস সমিতিৰ কাষ চাপোঁ। ন্যাস সমিতিয়ে এহেজাৰ টকা দিবলৈ থিৰাং কৰে, আৰু আঁচনিৰ কাম পূৰা কৰিবৰ অৰ্থে ১,০৪২'০০ এহেজাৰ বিয়াল্লিশ টকা সমিতিৰপৰা পোৱা হয়। ভাৰত চৰকাৰৰপৰা ইতিমধ্যেই ১,৮০৩'০০ ওঠৰশ তিনি টকা



উক্ত কামত পোৱা হৈছে। ভাৰত চৰকাৰ আৰু দক্ষিণ-পাট অধিকাৰ গোস্বামী ন্যাস সমিতিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। নাটক তিনিখনি 'ৰূপক-ত্ৰয়' নামেৰে ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্ম্মাৰদ্বাৰা সম্পাদিত হৈ প্ৰকাশ পাইছে।

### প্ৰকাশন : কমলাদেৱী শিশু-সাহিত্য

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অনু-মোদনক্ৰমে কমলাদেৱী ন্যাস সমিতিয়ে শিশুৰ বাবে এখনি পুথি উলিয়াবৰ বাবে থিৰাং কৰে। বাতৰি-কাকতৰ যোগেদি জাননী দি প্ৰতিযোগিতাৰ ভিত্তিত শ্ৰীলীলা গগৈৰ 'জয়মতী আৰু মূলা গাভৰু' পুথিখনি বাছি ছপাই উলিওৱা হৈছে।

### প্ৰকাশন : সঙ্কটকালীন

চীনা আক্ৰমণ হেতুক সঙ্কটকালীন পৰিস্থিতিৰ পৰিৱেশত কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে কেইখিনিমান পুস্তিকা সম্পাদন আৰু প্ৰকাশ কৰিবলৈ আমাক ভাৰ দিয়ে ৯ ডিচেম্বৰ ১৯৬২ তাৰিখে। আমি লৰালৰিকৈ প্ৰথম পৰ্য্যায়ত তিনিখনি পুথি সঙ্কলন কৰি উলিয়াওঁ। তিনিজন লেখকৰ চীনা আৰু সীমান্ত অঞ্চল-সম্পৰ্কীয় তিনিটি ইতিমধ্যে ৰচিত প্ৰবন্ধৰে 'অশান্ত হিমালয় সীমান্তৰ আহ্বান' ২০ ডিচেম্বৰ ১৯৬২ তাৰিখে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা এখনি সৰু সভাত মুকলি কৰা হয়। ৭ জানুৱাৰী ১৯৬৩ তাৰিখে শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ ষোলটি গীতেৰে 'ৰণ-ঝঙ্কাৰ' আৰু শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱা, ডক্টৰ ভূপেন্দ্ৰকুমাৰ হাজৰিকা, শ্ৰীচৈয়দ আবদুল মালিক শ্ৰীকেশৱ মহন্ত আদিৰ ষোলটি গীতেৰে 'ৰণ-নিনাদ' সিদিনা সন্ধিয়া বহা জেনাকী-মেলত প্ৰথম প্ৰকাশিত হয়।

### চন্দ্ৰকান্ত অভিধান

১৯৫৪ চনতে অসম সাহিত্য সভাৰ সম্মতিৰে চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস সমিতিয়ে 'চন্দ্ৰকান্ত অভিধান'ৰ দ্বিতীয় সংস্কৰণৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ক দিয়ে। যোৱাবাৰ গোৱালপাৰাত গোট খাওঁতে আপোনালোকক সম্বোদ দিছিলোঁ যে 'চন্দ্ৰকান্ত অভিধান'ৰ ছপাৰ কাম প বৰ্গৰ শেষৰ ফাল পাইছিলহি। সুখৰ বিষয়, ১৯৬২ চনৰ শেহৰ ফালে অভিধানখনিৰ ছপাৰ কাম শেষ হয়।

### ভাষা-শিক্ষা-প্ৰচাৰ আৰু ভাষাজ্ঞান পৰীক্ষা

বছৰটোৰ আৰম্ভণতে আমি কাছাৰ জিলাত চাৰিখন পঢ়াশালি চলাই আহিছিলোঁ—শিলচৰৰ দেশভক্ত তৰুণ-ৰাম ফুকন মধ্য ইংৰাজী পঢ়াশালি, গুমৰাংবজাৰৰ ভিতৰগোল অসমীয়া প্ৰাথমিক পঢ়াশালি, হাইলাকান্দি অঞ্চলৰ দক্ষিণমোহনপুৰ অসমীয়া প্ৰাথমিক পঢ়াশালি আৰু নীলামবজাৰ সাহিত্য সভাৰ পৰিচালিত আলমখানি নিম্ন প্ৰাথমিক পঢ়াশালি। ইয়াৰ ভিতৰত আলমখানি নিম্ন প্ৰাথমিক পঢ়াশালিৰ বিষয়ে স্থানীয় লোকৰপৰা বিৰূপ সমালোচনা পোৱাত নীলামবজাৰ সাহিত্যসভাৰ সম্পাদকৰপৰা এখন সঠিক প্ৰতিবেদন বিচাৰোঁ। কিন্তু তেনে কোনো প্ৰতিবেদন নোপোৱাত কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত স্কুলখনক দিয়া মঞ্জুৰী বন্ধ কৰিবলৈ বাধ্য হয়। বাকী তিনিখন স্কুলৰ মঞ্জুৰী ৩১ মাৰ্চ্চ ১৯৬৩ তাৰিখলৈকে মাখোন আছিল। ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনিৰ বাবে চৰকাৰৰপৰা পোৱা অনুদান ১৯৬২-৬৩ বিত্তীয় বছৰত প্ৰায় শেষ হোৱা বাবে চলিত বিত্তীয় বছৰত উক্ত স্কুল তিনি খনিক মঞ্জুৰী দি থকা অসম্ভৱ হৈ পৰিছে।

আনফালে কাছাৰৰপৰা অসমীয়া শিক্ষক আৰু অসমীয়া পঢ়াশালি বিচাৰ দাবী আহিবই লাগিছে। আমাৰ অভিজ্ঞতাৰপৰা যি ভাব হয়, কাছাৰৰ বাহিৰৰ পৰা শিক্ষক দি সেই জিলাত পঢ়াশালি চলোৱা সম্ভৱ নহ'ব। তাতে আকৌ শিক্ষক নিয়োগ কৰিবৰ আৰু স্কুল চলাবৰ বাবে আমাৰ সংস্থানেই বা ক'ত?

আমি আগৰ বছৰৰ আৰম্ভণিতে কাছাৰত অসমীয়া মাধ্যমত শিক্ষা দিব খোজা স্থানীয় শিক্ষকসকলৰ প্ৰশিক্ষণৰ এটি ব্যৱস্থা কৰিবলৈ অসম চৰকাৰক ধৰিছিলোঁ। কাছাৰৰ স্থানীয় ৰাইজেও এই বিষয়ত চৰকাৰৰ ওচৰলৈ বাৰে বাৰে সংজ্ঞাভী দল পঠোৱা সত্ত্বেও চৰকাৰৰ ঘৰৰপৰা একো কৰা হোৱা নাই।

এই সকলো কথা লৈ ৮ এপ্ৰিল ১৯৬৩ তাৰিখে অসম

সাহিত্য সভাৰ এটি প্ৰতিনিধি দলে শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাক গুৱাহাটীত লগ ধৰে। ভালেখিনি আলোচনাৰ পিছত শিক্ষামন্ত্ৰী ডাঙৰীয়াই চলিত বিত্তীয় বছৰৰপৰা সাহিত্য সভাই চলাই থকা পঢ়াশালি তিনিখনক চৰকাৰে মঞ্জুৰী দিব বুলি আৰু কাছাৰৰ শিক্ষকৰ অসমীয়া মাধ্যমৰ প্ৰশিক্ষণ-কেন্দ্ৰ এটি স্থাপন কৰাৰ আশু ব্যৱস্থা হ'ব বুলি আশ্বাস দিয়ে। তদুপৰি, মন্ত্ৰী শ্ৰীবৰুৱাদেৱে কয় যে ছাত্ৰৰ অভিভাৱকসকলৰ যথেষ্ট সংখ্যাৰপৰা দাবী হ'লে কাছাৰৰ স্কুলত অসমীয়া প্ৰৱৰ্ত্তন কৰাৰ অসুবিধা নহ'ব।

শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মাক আহ্বায়ক ৰূপে লৈ সংগঠিত হোৱা এখনি সমিতিয়ে যোৱা বছৰৰ শেষত অনা-অসমীয়া লোকৰ কাৰণে অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষাৰ নিয়মাৱলী ৰচনা কৰে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শ্ৰীচৈয়দ আবদুল মালিকক পৰীক্ষা-সচিব নিযুক্ত কৰে। সমিতিয়ে গুৱাহাটী যোৰহাট আৰু শিলচৰত পৰীক্ষাৰ কেন্দ্ৰৰ ব্যৱস্থা কৰে। যোৰহাটত কোনো পৰীক্ষাৰ্থী পৰীক্ষাত নবহিল। গুৱাহাটীত এজন আৰু শিলচৰত ৩৮ জন পৰীক্ষাৰ্থীয়ে পৰীক্ষা পতা হয়। ফলাফল সুখ-দায়ক নহ'ল যদিও ৭ এপ্ৰিল ১৯৬৩ তাৰিখে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে তাকে ঘোষণা কৰিবলৈ থিৰাং কৰে। ৩৯ জন পৰীক্ষাৰ্থীৰ ভিতৰত ৬জনে উত্তীৰ্ণাঙ্ক লাভ কৰিছে।

### গুৱাহাটীত ভগৱতীপ্ৰসাদ বৰুৱা ভৱন আৰু ৰঘুনাথ চৌধাৰী গৱেষণা গ্ৰন্থাগাৰৰ আঁচনি

বহুত দিন আগৰপৰাই গুৱাহাটী নগৰত অসম সাহিত্য সভাৰ দ্বিতীয় এটি বাস-ভৱন নিৰ্ম্মাণ কৰাৰ ধাৰণাই বহুতৰ মনত ঠাই পাই আহিছে।

চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ১৯৫৪ চনৰ ১৬ আৰু ১৭ তাৰিখে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে "গুৱাহাটীত অসম সাহিত্য সভা অনুষ্ঠানৰ কাৰণে স্বকীয়া ঘৰ নিৰ্ম্মাণ কৰিবলৈ এডোখৰ সুবিধাজনক মাটি দিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ কৰে আৰু এই বিষয়ে যথাবিহিত কাম কৰিবলৈ সভাপতি আৰু প্ৰধান সম্পাদকক ভাৰ দিয়ে।" ইয়াৰ পিছত ১৯৫৯ চনৰ ১৯ আৰু ২০ জুলাই তাৰিখে বহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিৱেশনে সিদ্ধান্ত গ্ৰহণ কৰে; "গুৱাহাটীত অসম সাহিত্য সভাৰ এটি কাৰ্য্যালয় স্থাপন কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা কৰিবলৈ এটি উপসমিতিৰ ওপৰত ভাৰ ন্যস্ত কৰা হয়।" শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদি এই সমিতিৰ সভ্য আছিল। নানা কাৰণত সভাৰ কাৰণে গুৱাহাটীত মাটিলোৱা আৰু নিৰ্ম্মাণ আঁচনি তৈয়াৰ কৰা কাম হৈ উঠাটো সম্ভৱপৰ নহ'ল।

বৰ্ত্তমান কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ কাৰ্য্যকাল আৰম্ভ হোৱাত ১৯৬১ চনৰ এপ্ৰিলৰপৰা মাটি বিচৰা আদি কামত পুনৰ লগা হয়। ডক্টৰ ভূঞা, শ্ৰীমতী নলিনীবালা দেৱী, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদিৰ দস্তখতেৰে ১৯৬১ চনৰ ১৮ মেই তাৰিখে কেইটুকুৰামান মাটিলৈ আঙুলিয়াই চৰকাৰৰ স্থানীয় কৰ্ত্তৃপক্ষৰ ওচৰত এখন দৰ্খাস্ত দাখিল কৰা হয়। এই বিষয়ত কামৰূপৰ উপায়ুক্ত শ্ৰীগণেশচন্দ্ৰ ফুকনৰ সাহায্য আমাৰ স্মৰণ থাকিব। যোৱা নিৰ্ব্বাচনৰ আগে আগে ১৯৬২ চনৰ ৮ জানুৱাৰী তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাদেৱে গুৱাহাটী নগৰৰ ৩১৭৬-সংখ্যক দাগ মাটিৰ আগতে দিয়া অংশ বাদ দি, বাকী সকলো ভাগ অসম সাহিত্য সভাৰ নামে দিবলৈ হুকুম দিয়ে। মাটিটুকুৰা গুৱাহাটী নগৰৰ একেবাৰেই কেন্দ্ৰস্থলীত অৱস্থিত। ৰেলৱে ষ্টেছন, কটন কলেজ, ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ ইয়াৰ নিচেই ওচৰতে। কামৰূপ অনুসন্ধান সমিতি, অসম ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী জিলা গ্ৰন্থাগাৰ আৰু নতুনকৈ নিৰ্ম্মাণ হ'বলৈ ধৰা ৰবীন্দ্ৰ ভৱন আদি ন-পুৰণি অনুষ্ঠান-বোৰ ইয়াৰ নিচেই গাতে লাগি থাকিব।

বৰ্ত্তমানে ভাৰত চৰকাৰে সাংস্কৃতিক অনুষ্ঠানবোৰৰ গৃহ নিৰ্ম্মাণত সহায় কৰিবলৈ এখন আঁচনি উলিয়াইছে। তালৈ লক্ষ্য ৰাখি আমি গুৱাহাটীত সাহিত্য সভাৰ গৃহ-নিৰ্ম্মাণৰ এখন প্ৰাথমিক আঁচনি তৈয়াৰ কৰি ১৯৬১ চনৰ ২২ আগষ্ট তাৰিখে অসম চৰকাৰৰ শিক্ষা বিভাগৰ যোগে ভাৰত চৰকাৰলৈ পঠিয়াওঁ। আঁচনি প্ৰস্তুত কৰা কামত তিনিজন সুদক্ষ ইঞ্জিনিয়াৰে আমাক সহায় কৰে স্বৰ্গীয় ঘনকান্ত শৰ্ম্মা, শ্ৰীহেমকান্ত বৰা আৰু শ্ৰীঅমূল্যনাথ ভট্টাচাৰ্য্য। প্ৰথমতে কেৰো-ঘেঁচো কৰিলেও কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ে যোৱা বছৰৰ ২৩ মাৰ্চ্চ তাৰিখে ২৬,৮০০'০০ টকাৰ এটি অনুদান মঞ্জুৰী কৰে। ইতিমধ্যে আমি ১৯ ফেব্ৰুৱাৰী তাৰিখে আমাৰ শ্ৰদ্ধেয় গীতি-কবি আৰু সঙ্গীত-নেতা শ্ৰীপাৰ্ৱতিপ্ৰসাদ বৰুৱাদেৱক তেখেতৰ সোণাৰিৰ সোণালী পামত লগ পাই পঞ্চাশ হেজাৰ টকাৰ এটি প্ৰতিশ্ৰুতি লাভ কৰোঁ। তাৰপৰা ঘূৰি আহি আমাৰ পৰম শ্ৰদ্ধেয় কবি শ্ৰীৰঘুনাথ চৌধাৰী ডাঙৰীয়াক লগ পোৱাত তেখেতেও কুৰি হেজাৰ টকাৰ এটি দানৰ প্ৰতিশ্ৰুতি দিয়ে। বৰুৱাদেৱৰ দানৰ উদ্দেশ্য তেখেতৰ স্বৰ্গীয় ককাইদেৱেক ভগৱতীপ্ৰসাদ বৰুৱাৰ স্মৃতিৰক্ষা। শ্ৰীচৌধাৰী ডাঙৰীয়াৰ দানৰ উদ্দেশ্য তেখেতৰ নামে এটি গৱেষণা গ্ৰন্থাগাৰ নিৰ্ম্মাণ। সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ২৮ ফেব্ৰুৱাৰী তাৰিখে দুয়োটি দান পৰম সাদৰে গ্ৰহণ কৰে। এই দুয়োটি দানৰ প্ৰতিশ্ৰুতিৰ শক্তিৰে বল বান্ধি আমি সাংস্কৃতিক পৰিক্ৰমাৰ মন্ত্ৰী অধ্যাপক হুমায়ুন কবীৰৰ কাষ চাপোঁ—অনুদান পঞ্চাশ হেজাৰ টকালৈ বঢ়াবলৈ। তেখেতে আমাৰ আবেদন গ্ৰাহ্য কৰি ৪ জুন তাৰিখে সম্মতিজ্ঞাপক পত্ৰ প্ৰেৰণ কৰে। ভাৰত চৰকাৰ আৰু দাতা শ্ৰীপাৰ্ৱতিপ্ৰসাদ বৰুৱাৰপৰা অৰ্থদান আৰু দানৰ প্ৰথম কিস্তি পাঁচ হেজাৰকৈ ইতিমধ্যে পোৱা গৈছে।



আমাক পঞ্চাশ হেজাৰ টকাৰ অনুদানৰ সাহায্য দিয়া বাবে ভাৰত চৰকাৰক আমাৰ ধন্যবাদ জ্ঞাপন কৰোঁ। তাৰ লগতে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ অৰ্থে পঞ্চাশ হেজাৰ টকাৰ দান আগবঢ়োৱা শ্ৰীপাৰ্ৱতিপ্ৰসাদ বৰুৱালৈ আমাৰ আন্তৰিক শলাগৰ শৰাই আগ বঢ়াইছো। অসমৰ সাহিত্য আৰু সংস্কৃতিলৈ শ্ৰীবৰুৱা ডাঙৰীয়াৰ দান মহৎ আৰু বৈশিষ্ট্যপূৰ্ণ।

শ্ৰীৰঘুনাথ চৌধাৰী কবিৰত্নদেৱবো ওচৰত আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ দানেৰে সম্ভাৱলগীয়া গৱেষণা গ্ৰন্থাগাৰটি অসমত সেই ধৰণৰ প্ৰথম অনুষ্ঠান হ'ব, আৰু আশা কৰিছো সি অসমৰ গৱেষণাৰ এটি প্ৰধান কেন্দ্ৰ হৈ পৰিব। অসমৰ কাব্য সাহিত্যলৈ শ্ৰীচৌধাৰীদেৱৰ দান আমাৰ প্ৰশংসাৰ থলৰ ওপৰত। তেখেতৰ জ্ঞানস্পৃহাক এই গৱেষণা গ্ৰন্থাগাৰে মূৰ্ত্ত কৰি ৰাখিব।

যোৱা ৭ এপ্ৰিল ১৯৬৩ তাৰিখে অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণুসহায়ে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ লাইখুঁটাৰ তলৰ শিলটি থাপনা কৰে আৰু ভৱনৰ অশোক-কুঞ্জৰ অৰ্থে তিনিটি অশোকৰ পুলি ৰোপণ কৰে। ভৱন-প্ৰতিষ্ঠাৰ মন্ত্ৰটি বিশ্ববিশ্ৰুত ভাষাতাত্ত্বিক পণ্ডিত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে দিছিল; তাৰ প্ৰথম শ্লোকটি দ্বাদশ শতিকাৰ কৰ্ণাটকী বৈয়াকৰণ নাগবৰ্ম্মাৰ ৰচিত, পিছৰ দুটি শ্লোক অধ্যাপক চট্টোপাধ্যায়ৰ ৰচনা।

সৰ্ৱজ্ঞং তদহং ৱন্দে পৰং জ্যোতিস্তমোপহম্।
প্ৰবৃত্তা যন্মুখাদ্ দেৱী সৰ্ৱভাষাসৰস্বতী॥
আৰ্থৱণীদুহিতেয়ং ভাষা প্ৰাগজ্যোতিষোত্তৰা।
মাতা নঃ কামৰূপিণী সদা স্যাৎ শ্ৰেয়সে নৃণাম্॥
সভৈষাসমসাহিত্য তংস্কৃতিসংৱিৱৰ্ধণী
নৱীনং সদনমস্যা ৰক্ষতু তাং সদা মৃদা॥

### চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্প্ৰসাৰণ

চন্দ্ৰকান্ত সন্দিকৈ ভৱনটিৰ ভিতৰৰ কালি ন শ বৰ্গ ফুটমান মাত্ৰ। ইয়াৰ ভিতৰতে কাৰ্য্যালয়, গ্ৰন্থাগাৰ আৰু সভাৰ প্ৰকাশনৰ ভঁৰাল সকলো ৰাখিব লগীয়া হোৱাত ঠাইৰ সঙ্কোচন অনুভৱ কৰা হ'ল। এই কথা শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক কোৱাত তেখেতে অতি আগ্ৰহেৰে এটি পুঁজি দান দিবলৈ গাত লয়। বৰ্ত্তমান ২০ ফুট দীঘল আৰু ১৯ ফুট বহল এটি কোঠা নিৰ্ম্মাণ কৰা হৈছে। এই কোঠাটি সভাৰ প্ৰকাশনৰ ভঁৰাল-ৰূপে ব্যৱহাৰ কৰা হ'ব। পুথিবোৰ থবৰ কাৰণে আলমাৰিও তৈয়াৰ কৰা হৈছে। ইয়াৰপৰা ছিছাপ পৰীক্ষণৰ সময়ত ছিছাপ-পৰীক্ষকে চাক্ষুষ ভাৱে কিতাপৰ ষ্টক পৰীক্ষা কৰাত সুবিধা হ'ব। এইটি অতি আৱশ্যকীয় কাৰ্য্য হৈ আছিল।

যোৱা বছৰ প্ৰতিষ্ঠা কৰা ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আঠধতুৱা মূৰ্ত্তিটিৰ ওপৰত এইবাৰ বিজুলী বাত্তি লগাই দিয়া হৈছে।

সন্দিকৈ ভৱনৰ সংলগ্ন চকীদাৰৰ ৰান্ধনি-ঘৰটোও নতুনকৈ সজাই দিয়া হয়।

## অসম সাহিত্য সভা গ্ৰন্থাগাৰ

অসমীয়া সাহিত্যৰ নতুন প্ৰকাশিত পুথি, সীমান্ত-সম্পৰ্কীয় বিবিধ গ্ৰন্থ আদি ক্ৰয় কৰি সভাৰ গ্ৰন্থাগাৰটি সংখ্যা আৰু সময়ত কিছু আগুৱাই দিয়া হৈছে। আমি গ্ৰন্থাগাৰৰ বাবে পুৰণি সাঁচিপতীয়া তুলাপতীয়া পুথি বিচাৰি খবৰ-কাগজত জাননী দিছিলো, কিন্তু তাৰ একো ফল নধৰিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ কন্যা শ্ৰীমতী ৰত্না বৰুৱাই বেজবৰুৱাৰ ব্যক্তিগত পুথি ভঁৰালৰপৰা মুঠ ৮১ খন কিতাপ আৰু আলোচনী সাহিত্য সভাৰ পুথি-ভঁৰাললৈ দান কৰিছে। শ্ৰীমতী বৰুৱাক ধন্যবাদ জানোৱা হ'ল।

## ৰাধাকান্ত সন্দিকৈ আৰু শৰৎচন্দ্ৰ গোস্বামী স্মৃতিৰক্ষা

১৯৫৪-৫৫ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ১৬ ১১ মেই ১৯৫৪ তাৰিখে ৰাধাকান্ত সন্দিকৈ আৰু শৰৎচন্দ্ৰ গোস্বামী সোঁৱৰণী সমিতি এখন গঠন কৰে। ১৯৫৫-৫৬ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ২৯ আগষ্ট ১৯৫৫ তাৰিখে "ৰাধাকান্ত সন্দিকৈ স্মৃতি-ভৱন" নাম দি 'এটা দুমহলীয়া ইটাৰ দালান সজাটো স্থিৰ কৰে। 'এই দালানত আলহীঘৰ আৰু পুথি ভঁৰাল আধুনিক ভাবে সুসজ্জিত কৰি ৰখাৰ দিহা কৰা হ'ব।' এই উদ্দেশ্যে তেতিয়াৰ প্ৰধান সম্পাদক, যোৰহাট সাহিত্য সভাৰ সভাপতিকে ধৰি এখনি পাঁচজনীয়া 'পুথিভঁৰাল উপসমিতি গঠন কৰা হয়। (যি বুজা যায় আগৰ সমিতিৰ ঠাইত কিম্বা তাৰ অধীনে এই উপসমিতি হ'ল।) ১০।৪।৫৬ তাৰিখে 'ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিৰ হৈ ৰাইজৰপৰা ৰাধাকান্ত সন্দিকৈ স্মৃতি ঘৰসজা আঁচনি অসম চৰকাৰৰ শিক্ষাধিকাৰ আৰু শিক্ষা-সচিবলৈ পঠোৱা হৈছিল। কিন্তু সেই পত্ৰৰ কোনো সমিধানকে চৰকাৰৰপৰা পোৱা নগ'ল। ১৯৬০-৬১ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ৪।৭।৬০ তাৰিখে ৰাধাকান্ত সন্দিকৈৰ আঠধাতুৰ মূৰ্ত্তিটিৰ উন্মোচনৰ দিনাই ৰাধাকান্ত সন্দিকৈ স্মৃতি ভৱনৰ আধাৰ শিলা স্থাপনৰ কৰিবৰ কাৰণে সিদ্ধান্ত কৰে। ৪।৭।৬০ তাৰিখে ৰাধাকান্ত সন্দিকৈ পুঁজিত ২,৮২৭'৭০৬৭ আছিল বৰ্ত্তমান সেই পুঁজিত ৩১৮৬'৭১ গচ্ছিত আছে। ৩০১২৬০ ৬০ তাৰিখে ৰাধাকান্ত সন্দিকৈ ভৱনৰ আধাৰ শিলা স্থাপন কৰা হয়।

কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ১৪ জুলাই ১৯৬২ তাৰিখৰ অধিৱেশনৰ পূৰ্ব্বতে সংগঠিত ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিক সক্ৰিয় কৰি পুনঃ সংগঠন কৰিবলৈ আৰু উক্ত সমিতত যোৰহাটত থকা অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰাক্তন আৰু বৰ্ত্তমান সদস্য, যোৰহাট সাহিত্য সভাৰপৰা ৫জন সদস্য আৰু যোৰহাটৰ বিশিষ্ট ব্যক্তি ৫ জন ল'বলৈ ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিৰ সম্পাদকক ভাৰ দিয়ে আৰু সংগ্ৰহ-কাৰ্য্যত যোৰহাট সাহিত্য সভাই পূৰ্ণ সহযোগ দিব বুলি আশা কৰে। শ্ৰীনকুলচন্দ্ৰ ভূঞাক সমিতিৰ নতুন সভাপতি পতা হয়। ইতিমধ্যে সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে পদত্যাগ কৰাত শ্ৰীহৰিপ্ৰসাদ নেওগক সম্পাদক পতা হৈছিল।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ১৭ ছেপ্টেম্বৰ ১৯৬২ তাৰিখৰ অধিৱেশনত পুনঃসংগঠিত ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিক পুঁজি সংগ্ৰহৰ কামত তৎপৰতাৰে লাগিবলৈ আৰু ডিচেম্বৰৰ আগ ভাগতে কামৰ অগ্ৰগতিৰ এটি প্ৰতিবেদন দিবলৈ নিৰ্দ্দেশ দিয়ে; তদুপৰি সাহিত্য সভাৰ উপ সভাপতিকো সমিতিৰ সদস্য কৰি দিয়ে।

১৭ ছেপ্টেম্বৰ ১৯৬২ তাৰিখে ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিৰ এক অধিৱেশন বহে। সেই সভাৰ অনুৰোধ ক্ৰমে শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীমহেশ্বৰ নেওগে প্ৰস্তাবিত সন্দিকৈ ভৱনৰ এখন আঁচনি প্ৰস্তুত কৰি দিয়ে। আন প্ৰকাৰে স্মৃতি সমিতি কোনো কামত আগ বাঢ়িব পৰা নাই তাৰ পিছত ৰাজ্যজোৰা অশান্তিৰ বাবে সমিতিৰ কামত অগ্ৰসৰ হোৱা কঠিন হৈ পৰে।

এইখিনিতে কৈ থ'ব খোজা যে এগৰাকী দাতাই সন্দিকৈদেৱৰ নামত এটি সংগ্ৰহালয় প্ৰতিষ্ঠা কৰাৰ অৰ্থে কিছু টকা দান কৰাৰ ইচ্ছা প্ৰকাশ কৰি থৈছে। কিন্তু তাৰ আগতে আমি ভাল সংগ্ৰহ কৰিব পাৰিব লাগিব। দ্বিতীয়তে, এই গৰাকী দাতাৰ ইচ্ছামতে সাহিত্য সভাৰ মাটিত গৃহ-নিৰ্ম্মাণ কৰিবলৈ



হ'লে আমাৰ পূৰ্ব্বৰ আঁচনি সম্পূৰ্ণৰূপে বদলাই ল'ব লাগিব।

## অক্ষয় পুঁজি

চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস সমিতিৰ তৰফে শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ভাণ্ডাৰীয়াৰ দানেৰে চন্দ্ৰকান্ত সন্দিকৈ ভৱন সম্প্ৰসাৰিত কৰাৰ বিষয়ে স্থানান্তৰত কোৱা হৈছে। পূৰ্ব্বত এই সমিতিৰ কৰ্ত্তব্য 'চন্দ্ৰকান্ত অভিধান' গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰাৰ কথাও বিবৰি আহিছো।

দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজিৰপৰা ১,০৪২.০০ টকা দুৰ্ল্লভ পুথি প্ৰকাশ আঁচনিৰ জৰিয়তে 'ৰূপকত্ৰয়'-প্ৰকাশৰ বাবে দিয়া হৈছে।

কমলা দেৱী স্মাৰক পুঁজিৰ বাঢ়ি পুঁজিৰপৰা শিশু-সাহিত্যৰ পুথি জয়মতী আৰু মূলা গাভৰু প্ৰকাশিত হৈছে।

হৰিহৰ চৌধুৰীৰ বঁটা পুঁজিৰপৰা পোৱা সুদেৰে 'হৰিহৰ চৌধুৰী বঁটা ১৯৬১' ১৯৬১ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষাত অসমীয়া বিষয়ত উত্তৰ পূব সীমান্ত অঞ্চলত ছাত্ৰসকলৰ মাজত প্ৰথম হোৱা পাছি ঘাট হাইস্কুলৰ পৰীক্ষাৰ্থী শ্ৰীটামি কায়েই লাভ কৰিছে। এই বঁটা পাছিঘাট হাইস্কুলৰ প্ৰধান শিক্ষকৰ যোগে পঠোৱা হয়।

## দান-সংগ্ৰহ পুঁজি

১৯৬১-৬২ চনৰ হিচাপৰপৰা দেখা যাব যে সেই বিত্তীয় বছৰটোৰ ভিতৰত ৫,৩৬৪,৬০ দান-সংগ্ৰহ ৰূপে পোৱা হৈছিল। দান-সংগ্ৰহৰ অৰ্থে গুৱাহাটী আৰু যোৰহাটত দুটি আঞ্চলিক সমিতি গঠন কৰা হৈছিল। গুৱাহাটীৰ আঞ্চলিক সমিতিয়ে ৯৩০,০০ সংগ্ৰহ কৰে; এই সমিতিৰ সংগ্ৰহৰ কাৰ্য্যত খৰচ হয় ৫,৭৪। যোৰহাটৰ আঞ্চলিক সমিতিয়ে ৬২৭.০৬ সংগ্ৰহ কৰে আৰু সংগ্ৰহৰ কাৰ্য্যত ১৭৩,১৬ খৰচ কৰে। 'নতুন অসমীয়া' কাকতে খোলা সাহায্য পুঁজিৰ যোগে ১,৩৩৩.৭৫ আমি পাওঁ কাৰ্য্য-নিৰ্ব্বাহকৰ সদস্যসকল, ডিগবৈ সাহিত্য সেৱা সমিতি, মিৰধণী সাহিত্য সভা আদি শাখা সভাৰ যোগেদি সংগৃহীত আৰু দাতাসকলে পোনে পোনে আমাৰ দুই কাৰ্য্যালয়লৈ পঠোৱা মুঠ দান হয় ২,৪৭৩,৮৫।

১৯৬২-৬৩ চনৰ ভিতৰত প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ত ২১১.৩৫ আৰু কেন্দ্ৰীয় কাৰ্য্যালয়ত ৫৫৪.৭৫, মুঠ লোৱা হয় ৭,৬৬.১০।

## বিত্তীয় পৰিচালনা

১৯৬১-৩২ বিত্তীয় বছৰৰপৰা হিচাপ-নিয়ম-বিজ্ঞান সম্মত-ভাৱে আয় ব্যয়ক নিৰ্ম্মাণ, খতিয়ান ৰখা পদ্ধতি আদি প্ৰয়োগ কৰা হৈছিল। ১৯৬২-৬৩ চনৰ আয়-ব্যয়ক অধিক পদ্ধতিগত কৰা হয়; ১৯৬০-৬১ আৰু ১৯৬১-৬২ চনৰ প্ৰকৃত আয়-ব্যয় আৰু ১৯৬১-৬২ চনৰ প্ৰত্যাশিত আয় আৰু প্ৰস্তাবিত ব্যয় তিনিটি স্তম্ভ কৰি তাৰপৰা তুলনামূলকভাৱে ১৯৬২-৬৩ চনৰ আয়-ব্যয় অনুমান কৰা হৈছে। সভাৰ কেছবহী আৰু সাধাৰণ খতিয়ান প্ৰধান সম্পাদকৰ হাততহে পূৰ্ব্বৰপৰা থকা নীতি; গতিকে সভাৰ সৰ্ব্বগ্ৰহী হিচাপ প্ৰধান সম্পাদকৰ কাৰ্য্যালয়েই ৰাখিব লাগে। কিন্তু গুৱাহাটীত অস্থায়ী নিয়োগৰ বাবে সুদক্ষ হিচাপৰক্ষক পোৱা অসম্ভৱ। গতিকে যোৱা দুবছৰে হিচাপ ৰক্ষাৰ ভাৰ আমাৰ ওপৰতে পৰিছিল. যদিও মাজে মাজে নিয়োগ কৰা সহকাৰীজনে দেখুৱাই দিয়ামতে লিখা আদি কামত আমাক অলপ সহায় কৰিছিল। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাপ গুৱাহাটীত ৰক্ষিত মূল-হিচাপৰ পালি হিচাপহে। যোৰহাট কাৰ্য্যালয়ে মাহে মাহে বছৰৰ আৰম্ভৰপৰা ধৰি উদ্বৃত্ত পত্ৰ দাখিল কৰা নিয়ম লগাই দিয়াত এই পালি-হিচাপো এটি স্থিৰ ৰূপলৈ অহা যেন লাগিছে।

হিচাপ-পৰীক্ষকসকলে হিচাপৰ দুটি অঙ্গৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এটি হ'ল যোৰহাটত থকা আমাৰ প্ৰকাশনসমূহৰ ষ্টকৰ হিচাপ আৰু আনটি শাখা সভা আৰু স্বীকৃত সভা অনুযায়ী অসম সাহিত্য সভাৰ সভ্যসকলৰ ৰেজিষ্টাৰ বহী। এই দুটি অঙ্গৰ স্থিৰতাৰ ওপৰতে সভাৰ সকলো কাৰ্য্যৰ আইনসঙ্গততা নিৰ্ভৰ কৰিব। এই দুয়োটা বিষয়তে আমি গুৰিৰেপৰা বিশেষ টানি ধৰোঁ আৰু সেই বিষয়ত বহুতোখিনি আগো বঢ়া হয়।

আমি আশা কৰিছো ভৱিষ্যতৰ সম্পাদকসকলে হিছাপৰ বিজ্ঞান-সম্মত পদ্ধতি ৰক্ষা কৰি তাক উন্নততৰ কৰি তুলিব। তাতেই আমাৰ কষ্টৰ পৰিতৃপ্তি হ'ব।

## আৰ্থিক অনাটন

সভাৰ আৰ্থিক দুৰৱস্থাৰ বিষয়ে যোৱা বছৰ দাঙি ধৰা প্ৰতিবেদনত আমি বহুত কথা কৈছিলো। সভাৰ সাধাৰণ পুঁজিৰপৰাহে সভাৰ আৰ্থিক অৱস্থা বিচাৰ কৰিব পাৰি, কাৰণ বিশেষ পুঁজি বিশেষ বিশেষ কামতহে লগাব পাৰি। আমি কাৰ্য্য-ভাৰ লোৱাৰ তিনি মাহৰ পিছত ১৯৬১-৬২ বিত্তীয় বছৰ আৰম্ভ হওঁতে সাধাৰণ হিছাপত ২২,৪৩৮.৫৯ আছিল, কিন্তু তাৰ ভিতৰতে বিশেষ পুঁজিৰ টকা থাকিব লাগিছিল ৩৩,২১৩.২৯। গতিকে ১৯৬১-৬২ বিত্তীয় বছৰটো ১০,৭৭৪.৭০ টকাৰ ঘাটিৰে আৰম্ভ হয়।

১৯৬২-৬৩ চনৰ আয়-ব্যয়ক নিৰ্ম্মাণ কৰিবৰ সময়ত বেংকত বিনিহিত আৰু নগদ সাধাৰণ আৰম্ভণী উদ্বৃত্ত ২৫,৯১১.৭০ ৰ ভিতৰত বিশেষ পুঁজিৰ ১৮,৬০৭.৩১ সোমাই আছিল। এই সোমোৱাখিনি বাদ দি আৰু বিবিধ উদ্বৃত্তৰ টকা ধৰিলে সাধাৰণ পুঁজিৰ আৰম্ভণী উদ্বৃত্ত হয় মাত্ৰ ৮,০৭৩.৩৩। ইয়াৰ লগত অৱশ্যে ১৯৬২-৬৩ বিত্তীয় বছৰৰ আৰম্ভণীত পোৱা ১৯৬১-৬২ চনৰ চৰকাৰী অনুদান ১০,০০০.০০ ধৰিলে এই আৰম্ভণী উদ্বৃত্ত হয় ১৮,০৭৩.৩৩। আয়-ব্যয়ক দাঙি ধৰোঁতে দেখুওৱা হৈছিল, সাধাৰণ গতিত কাম কৰিলে ১৯৬২-৬৩ বিত্তীয় বছৰৰ শেষত ৭,০৬১.১২-ৰ ঘাটি পৰিব।

১৯৬৩-৬৪ বিত্তীয় বছৰ আৰম্ভ হৈ গৈছে। এই বছৰৰ আৰম্ভণীতে সাধাৰণ পুঁজিৰ বেংকত থকা আৰু নগদ উদ্বৃত্ত মাত্ৰ ৪,৩৭৯.১৩। ইয়াৰ ভিতৰত বিশেষ পুঁজিৰ সোমাই থকা টকা বাদ দিলে এই আৰম্ভণী উদ্বৃত্ত ঋণাত্মক পৰিণত হ'ব। যোৱা বছৰটোৰ ভিতৰত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ দান, সঙ্কটকালীন প্ৰকাশন আদি অদৃষ্টপূৰ্ব্ব ভাঙৰ খৰচ কৰিব লগীয়া হৈছে। সভাৰ সাধাৰণ প্ৰকাশনৰ হিছাপৰপৰা ৩৩খনি কিতাপ প্ৰকাশ হৈছে। চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদৰ বাবে মালী নিয়োগ কৰা হৈছে। অসম সাহিত্য সভা পত্ৰিকাৰ ১৯৬০-৬১ চনত ২,৭৯১.৩১, ১৯৬১-৬২ চনত ২,৯১৫.৭১ আৰু ১৯৬২-৬৩ চনত ১,৮৭১.৬৬ ঘাটি ভৰিব লগীয়া হৈছিল। সংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনিৰ বাবে অসম চৰকাৰৰপৰা বিচৰা ছহেজাৰ টকা নোপোৱাত সাধাৰণ পুঁজিৰপৰা 'অসমৰ জনজাতি' আৰু 'অসমৰ জনজাতীয় সাধু'ৰ বাবে ৭,৬২৭.১৬ খৰচ কৰিব লগীয়াত পৰে। বিশেষ পুঁজিৰ টকাৰপৰা বিশেষ ভাৱে কৰিবলগীয়া কামখিনি সম্পূৰ্ণ হোৱাত সাধাৰণ পুঁজিৰ কৃত্ৰিম ৰূপটো বাস্তৱতে ক্ষীণ হৈ পৰিছে। গতিকে এই আৰম্ভ হোৱা বছৰটোত আৰ্থিক অনাটন এক সঙ্কটত পৰিণত হ'ব। গতিকে সভাই ব্যয়-সংকোচনৰ উপায় উলিয়াব লগাত পৰিব।

## নতুন আজীৱন সভ্য

এই বছৰটোত এই সকল লোক সভাৰ আজীৱন সভ্য হৈছে :—

শ্ৰীমহেন্দ্ৰনাৰায়ণ চৌধুৰী, অধ্যাপক খগেন্দ্ৰনাথ শইকীয়া, শ্ৰীজিতেন্দ্ৰ গোপাল বৰপুজাৰী, শ্ৰীমহাদেৱ জালান, শ্ৰীৰোহিতচন্দ্ৰ বেজবৰুৱা, শ্ৰীটংকেশ্বৰ বৰুৱা, শ্ৰীগোলোকচন্দ্ৰ বৰুৱা, শ্ৰীযোগেশ্বৰ বৰুৱা, অধ্যাপক মহেশ্বৰ চাকী, অধ্যাপক প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীমতী নিৰুপমা ফুকন, শ্ৰীগিৰিশচন্দ্ৰ মৰাণ, শ্ৰীভৈৰৱচন্দ্ৰ বৰা, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা আৰু শ্ৰীধৰ্ম্মকান্ত গোঁহাই।

## নতুন শাখা সভা

বছৰটোৰ ভিতৰত তলত নাম দিয়া অনুষ্ঠানসমূহ অসম সাহিত্য সভাৰ শাখা সভা-ৰূপে স্বীকৃত হৈছে—

লামডিং শাখা সাহিত্য সভা, আমগুৰি শাখা সাহিত্য সভা, ৰবক্ষেত্ৰি শাখা সাহিত্য সভা, কোৰৈপুৰ শাখা সাহিত্য সভা, পাঠশালা শাখা সাহিত্য সভা, বৰুৱা শাখা সাহিত্য সভা, উত্তৰ বৈটামাৰি শাখা সাহিত্য সভা, ভাৰতী অধ্যয়ন চক্ৰ ( সৰ্থেবাৰী ), আলোক সাহিত্য সভা ( ন কছাৰী ), জ্ঞানোদয় সাহিত্য সভা (সোন্দৰ পুখুৰী), মৰঙ্গি প্ৰগতি সাহিত্য সভা, দিতাইপুখুৰী সাহিত্য সভা, মেটেকা সাহিত্য সভা, সেউজীকানন সাহিত্য সভা ( বৰহোলা, শিৱসাগৰ ), দিচৈনগৰ শাখা সাহিত্য সভা, নিতাইপুখুৰী সংস্কৃতি সংঘ, কল্যাণী সাহিত্য সভা ( দিচৈনগৰ ), টিংখাং সাহিত্য সভা, পূব ঘিলাধাৰী সাহিত্য সভা, ভাঙৰী সাহিত্য সভা আৰু চোলংহাট সাহিত্য সভা।



## নতুন স্বীকৃত সভা

বছৰটোৰ ভিতৰত এপনি মাত্ৰ অনুষ্ঠানে স্বীকৃত সভাৰূপে স্বীকৃতি পাইছে, সেয়া হ'ল নগাঁও কলংপৰীয়া আলোচনা চক্ৰ।

## শাখা আৰু স্বীকৃত সভাসমূহ

যোৱা বছৰটোৰ ভিতৰত আমাৰ শাখা আৰু স্বীকৃত সভা-সমূহ যথেষ্ট ভাৱে সক্ৰিয় আৰু সজীৱ আছিল বুলি অনুভৱ কৰিব পাৰি। আমালৈ প্ৰতিবেদন পঠিওৱা সভা সমূহৰ প্ৰায় সকলোৱেই ১৮ নবেম্বৰ ১৯৬২ তাৰিখৰ অসম সাহিত্য সভা দিৱস প্ৰতিৰক্ষা দিৱস ৰূপে পালন কৰিছে। বৰ্দ্ধিত পৰিমাণে আলোচনা চক্ৰৰ অনুষ্ঠান কৰাও শাখা সভাৰ বিশেষ সচেষ্টতাৰ পৰিচয়।

অভয়াপুৰী শাখা সাহিত্য সভাৰ নিজা এডোখৰ মাটি আছে। তাত ঘৰহে সাজিব পৰা নাই। সভাই মাহে একোখনকৈ আলোচনা-চক্ৰ পাতি আছে।

আমগুৰি শাখা সাহিত্য সভা চালুকীয়া হ'লেও কৰ্ম্মত প্ৰবৃত্ত হৈছে।

উদয় শাখা সাহিত্য সভাই ( হাতীয়ে-খোৱা ) বেজ-বৰুৱা তিথি আদি পালন কৰে, আৰু নিজৰ কাৰ্য্যালয়ৰ ভেটি স্থাপন কৰে।

কুৱাল গুৰি সাহিত্য সভাই আলোচনা চক্ৰ, গোপীনাথ বৰদলৈ আদিৰ মৃত্যু তিথি অনুষ্ঠান কৰে আৰু প্ৰতিৰক্ষা পুঁজিলৈয়ে-ধন সংগ্ৰহ কৰে।

কোকাৰঝাৰ সাহিত্য সভাই আলোচনা-চক্ৰ পাতে আৰু বিবিধ তিথি পালন কৰে।

চিলনী সাহিত্য সভাই আলোচনা চক্ৰ তৰ্ক-প্ৰতিযোগিতা আৰু শঙ্কৰদেৱৰ তিথি আদি পাতে।

জাঁজী সাহিত্য সভাই বেজবৰুৱা জয়ন্তী আদি পালন কৰাৰ উপৰিও পাঠচক্ৰ এটি চলাই আহিছে আৰু প্ৰতিৰক্ষা পুঁজিলে দান-বৰঙণি আগ বঢ়াইছে।

জ্ঞানোদয় সমাজে (গজাপুখুৰী) আলোচনা চক্ৰ তিথি-উৎসৱ পতাৰ উপৰিও স্থানীয় সমাজসেৱী গদাধৰ ভট্টাচাৰ্য্যৰ জীৱনী আৰু গজাপুখুৰীৰ এটি ইতিবৃত্ত উলিওৱাত তৎপৰ হৈছে।

ডিগবৈ সাহিত্য সেৱা সমিতিৰ জিৰণি চ'ৰাই মাহে মাহে আলোচনা চক্ৰ পতাৰ উপৰিও এখনি সৰ্ব্ব-ভাৰতীয় লেখক সম্মিলনৰ অনুষ্ঠান কৰে। ডিব্ৰুগড় সাহিত্য সভাই বিবিধ দিৱস আৰু আলোচনা-সভা পতাৰ উপৰিও উত্তৰৰ ধেমাজি চাৰ্কলৰ মিছিং ভাইসকলৰ মাজত অসম সাহিত্য সভাৰ শাখা-স্থাপন বিষয়ত উদ্যোগী হৈছিল।

দিখৌমুখ শাখা সাহিত্য সভায়ো আলোচনা চক্ৰ পতা আৰু প্ৰতিৰক্ষা পুঁজিৰ বাবে সংগ্ৰহ কাৰ্য্যত তৎপৰতা দেখুৱায়।

অসম সাহিত্য সভাৰ সমবয়স্ক নাজিৰা সাহিত্য সভাই আলোচনা চক্ৰৰ ১৮টি অধিৱেশন বহুৱায় আৰু আমাৰ ত্ৰিংশ সম্মিলনৰ উদ্যোগ কৰে।

ন আলি ঢেকীয়া জুলি শাখা সাহিত্য সভাই সাহিত্য-উদ্বোধন উদ্যোগ পাতে আৰু বিবিধ আলোচনা চক্ৰৰ অনুষ্ঠান কৰে। প্ৰতিৰক্ষা দিৱসত 'পিয়লী ফুকন' নাটকৰ অভিনয় কৰি টকা তোলাও এই সভাৰ এটি বৈশিষ্ট্য।

নিতাইপুখুৰী শাখা সাহিত্য সভাই বেজবৰুৱাৰ সোঁৱৰণি দিন আদি উদ্‌যাপন কৰিছে, আলোচনা-চক্ৰ পাতিছে আৰু প্ৰসিদ্ধ নিতাই পুখুৰীৰ পাৰত স্থায়ী কাৰ্য্যালয় আৰু সভাঘৰ নিৰ্ম্মাণ সমাপ্ত কৰিছে।

নাংৰকটীয়া শাখা সাহিত্য সভাই কেইবাখনিও আলোচনা-চক্ৰ পাতে আৰু প্ৰতিৰক্ষা পুঁজিলৈ বৰঙণি আগবঢ়ায়।

নলবাৰী সাহিত্য সমাজে চাৰিখনি গুৰুত্ব-পূৰ্ণ বিষয়ৰ আলোচনা সভা পাতিছিল। সমাজৰ সংলগ্ন লেখক সংঘয়ো সভা পাতি বিবিধ বিষয় আলোচনা কৰে।

পাঠশালা শাখা সাহিত্য সভাৰ আলোচনা-চক্ৰ বহে ছবাৰ। এখন হাতে-লেখা মুখপত্ৰ উলিয়াবৰ ব্যৱস্থা আৰু সাধু ফকৰা আদি সংগ্ৰহৰ চেষ্টা সভাই কৰিছে।

প্ৰগতি অসম শাখা সাহিত্য সভাই ( শাওঁতলী ) সাহিত্য সভা দিৱস উলাহেৰে উদ্‌যাপন কৰে।

বৰুৱা সাহিত্য সভাৰ আলোচনা-চক্ৰ ৫ বাৰ বহে।

ৰঙাইগাওঁ শাখা সাহিত্য সভাই সাহিত্য সপ্তাহ বিবিধ কাৰ্য্যক্ৰমেৰে পালন কৰে আৰু দুই-এবাৰ আলোচনা চক্ৰও পাতে।

ৰৰক্ষেত্ৰি শাখা সাহিত্য সভাই স্কুলীয়া ছাত্ৰৰ মাজত ৰচনা প্ৰতিযোগিতাৰ দিহা কৰিছিল।

কালিদাস জয়ন্তী, বিবেকানন্দ শতবাৰ্ষিকী, প্ৰাচ্য প্ৰাশ্চাত্য দৰ্শনৰ আলোচনা পতা বালিগাঁও শাখা সাহিত্য সভাৰ বিশেষ কৰ্ম।

ভাৰতী অধ্যয়ন চক্ৰৰ ( সৰ্থেবাৰী ) ১০ খনি বিবিধ সভা হয়।

জ্ঞানোদয় সাহিত্য সভাই ( ৰবকুৰিহা, নলবাৰী ) তিথি আলোচনা আদিৰ উপৰিও এটি পুথিভঁৰাল আৰু এখন হাতেলিখা আলোচনী চলাই আহিছে।

টিয়ক সাহিত্য সভাৰ কেইবাখনিকৈও আলোচনা চক্ৰ বহে; সভাই ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ ধন সংগ্ৰহ কৰে।

তিনিচুকীয়া সাহিত্য সভাই দেশপ্ৰেমমূলক কবিতা গান আদিৰে আলোচনা চক্ৰ পতা মন কৰিব লগীয়া।

নতুন দিচৈনগৰ শাখা সাহিত্য সভাই প্ৰতিৰক্ষা পুঁজিলৈ বৰঙণি পঠাইছে।

ডিমৌ সাহিত্য সভাই বিবিধ উৎসৱ উদ্‌যাপন কৰাৰ উপৰিও প্ৰতিমাহে আলোচনা চক্ৰ পাতে। সভাই আঠাবাৰী বাগিচাৰপৰা পোৱা তিনিবিঘা মাটিত এটি বৃহৎ সভাঘৰ স্থাপন কৰিছে।

ডিমাপুৰ সাহিত্য সভাই শঙ্কৰদেৱৰ তিথি আদি পাতে, প্ৰতিৰক্ষাৰ বাবে বৰঙণি তোলে আৰু কাবুই নগাসকলৰ মাজত প্ৰচাৰ চলায়।

ডিব্ৰু শাখা সাহিত্য সভাই আলোচনা চক্ৰ গঠন কৰিছে আৰু মিকিৰ ভাষা প্ৰশিক্ষণৰ কেন্দ্ৰ খোলাত যত্নপৰ হৈছে।

ডুমডুমা সাহিত্য সভাই প্ৰতিৰক্ষা পুঁজিলৈ দান সংগ্ৰহ কৰে আৰু সীমান্ত অঞ্চলৰপৰা অহা ভগনীয়াসকলক সেৱা কৰে।

ধিতাইপুখুৰী শাখা সাহিত্য সভাই গোঁসাই ক্ৰি বকৰাৰ তিথি আৰু তিনিখন আলোচনা চক্ৰ পাতে।

ধমধমা আঞ্চলিক সাহিত্য সভাই চীনা আক্ৰমণৰ সময়ত জনজাতীয় ৰাইজৰ মনোবল দৃঢ় কৰিবৰ বাবে বিশেষ যত্ন কৰে।

শ্ৰীপ্ৰমথনাথ চক্ৰৱৰ্ত্তীৰ নেতৃত্বত ধুবুৰী অসম সাহিত্য সভাই বছৰটোত ৩০ খনতকৈ অধিক বিবিধ বৈঠক বহুৱায়, প্ৰতিৰক্ষা পুঁজিলৈ ধন সংগ্ৰহ কৰে। তদুপৰি লোক উৎসৱ মহহো পতা আৰু গোৱালপৰীয়া গীত-মাত সংগ্ৰহত মনোনিবেশ কৰা এই সভাৰ বিশিষ্ট কৰ্ম হৈছে।

ঢেকিয়াল জ্যোতি সাহিত্য সভাই বছৰটোত সাতবাৰ আলোচনা-চক্ৰ বহুৱায়।

মৰিয়ণী সাহিত্য সভাই প্ৰতিৰক্ষা পুঁজিৰ বাবে এহেজাৰ টকা দান সংগ্ৰহ কৰি পোনপটীয়াকৈ যথাস্থানলৈ পঠোৱা এক উল্লেখযোগ্য কাৰ্য্য।

মাকুম শাখা সাহিত্য সভাই প্ৰতিমাহে আলোচনা চক্ৰ পতাৰ উপৰিও চাহ বাগিচাৰ বনুৱাসকলৰ মাজত সাহিত্য সভাৰ আদৰ্শ প্ৰচাৰ কৰিবৰ যত্ন কৰে আৰু সংকটকালীন অৱস্থাত ৰাজহুৱা সভা আৰু জাককৰা গীতৰ আয়োজন কৰে। সভাই স্থায়ী কাৰ্য্যালয়ৰ বাবে এটুকুৰা মাটিৰ যোগাৰ কৰিছে।

চাৰি শৰ অধিক সভ্যেৰে যোৰহাট সাহিত্য সভাই অসমৰ বৰেণ্যসকলৰ তিথি আৰু কালিদাস জয়ন্তী বিশেষ আড়ম্বৰেৰে উদ্‌যাপন কৰে।

ৰংপুৰ সাহিত্য সভাই শ্ৰীযতীন্দ্ৰ নাথ দুৱৰা অভিনন্দন গ্ৰন্থ এখনি উলিয়াবৰ বাবে আৰু স্বৰ্গত সাহিত্যিক আৰু দেশ সেৱকসকলৰ চিত্ৰসংগ্ৰহৰ কাৰণে যত্ন কৰিছে। এই সভাৰে সদস্য বীৰেন বৰকটকী, ইমৰান শাহ, চন্দ্ৰ বৰা আদিয়ে ব্যক্তিগতভাৱে নানা প্ৰকাশন ৰাইজলৈ আগ বঢ়াইছে।

ৰঙিয়া আলোচনা সভাই চীনা আক্ৰমণত আতঙ্কিত সীমান্ত আৰু তেজপুৰৰপৰা অহা ভগনীয়াসকলৰ সেৱা-শুশ্ৰূষা কৰে, প্ৰতিৰক্ষা পুঁজি আৰু ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিলৈ ধন সংগ্ৰহ কৰে। সভাই এটি পুথি-ভঁৰাল খুলিছে; বেজবৰুৱা জয়ন্তী আদি বিবিধ বৈঠক বহুৱাইছে আৰু বাৰ্ষিক সংকলন এখন প্ৰকাশ কৰাৰ আশা কৰিছে।

শান্তি সাহিত্য মন্দিৰে ( নাজিৰা ) বেজবৰুৱা



গোঁসাই ক্ৰি বকৰা আদিৰ তিথি আৰু সময়ে সময়ে আলোচনা চক্ৰ আদি পাতি আছে আৰু আমাৰ ত্ৰিংশ সন্মিলনৰ কামতো হাত উজুৱাইছে। মন্দিৰৰ সম্পাদক শ্ৰীভোলানাথ দত্তৰ 'চিন্তা-জ্যোতি' নামৰ পুথি প্ৰকাশ পাইছে।

শলগুৰি মুকুল সাহিত্য সভাৰ ৮ বাৰ আলোচনা চক্ৰ বহে। সভাই শঙ্কৰদেৱৰ তিথি, বেজবৰুৱা জয়ন্তী আদি পাতে, যোৱা বানপানীৰ সময়ত ৰাইজলৈ সহায় হাত আগবঢ়ায় আৰু চীনা আক্ৰমণৰ বেলিকা মৌজা প্ৰতিৰক্ষা সমিতিৰ লগত সহযোগিতা কৰে। সভাৰ হাতে লিখা মুখপত্ৰ 'মুকুল' ইতিমধ্যে ওলাই গৈছে।

শিলচৰ সাহিত্য সভাই নানা তিথি-মহোৎসৱ আদি পালন কৰে আৰু কাছাৰৰ ঠায়ে ঠায়ে অসমীয়া প্ৰাথমিক পঢ়াশালি পাতিবৰ যত্ন কৰে। সভাই পতা ভোগালী বিহু উছৱ বিশেষ লেখত ল'বলগীয়া।

শিলং মুকুল সঙ্ঘই চীনৰ প্ৰত্যাহ্বান শুনি 'হিমালয়ৰ আহ্বান' নামে এখনি পুথি প্ৰকাশ কৰিছে আৰু নিয়মীয়াকৈ বৈঠক বহুৱাই আছে। ইয়াৰ উপৰি সঙ্ঘৰ সভ্যসকলে ব্যক্তিগত প্ৰকাশ-কাৰ্য্যত ৰত হৈছিল। প্ৰকাশিত এনে পুথিৰ ভিতৰত হ'ল ডক্টৰ প্ৰসন্নচন্দ্ৰ গোস্বামীৰ 'আমাৰ দেশৰ গল্প', 'পৰিহাস' আৰু 'প্ৰাণিক আৰু বেচম সুতাৰ বিস্ময়কৰ কাহিনী' সবিতা সভাই শ্ৰীৰঘুনাথ চৌধাৰীৰ জন্মোৎসৱ আদি নিয়মীয়াকৈ পাতি আছে আৰু চীনা আক্ৰমণৰ পটভূমিত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰদ্বাৰা ৰচিত দেশ-প্ৰেমৰ গীতৰ থুপি "ৰক্তজবা" প্ৰকাশ কৰিছে।

সোণাৰি শাখা সাহিত্য সভা গাঁও আৰু চাহ বাগিচা অঞ্চলত সংগঠন কাৰ্য্যত নিৰত হৈছে।

হাতীচোং সাহিত্য সভাই ( নগাঁও ) পষেকীয়াকৈ আলোচনা-চক্ৰ আৰু ঢেকিয়াল ফুকন বেজবৰুৱা দিৱস, মেঘদূত দিৱস আদি উদযাপন কৰে।

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিৱেশন

যোৱা বছৰটোৰ ভিতৰত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ছটা অধিৱেশন বহে। অধিৱেশনবিলাকত সকলো উপস্থিত বিষয়ৰে বহল আলোচনা হয়। অধিৱেশন বোৰৰ প্ৰস্তাৱ আৰু সিদ্ধান্তৰ সংখ্যা ক্ৰমে ২৯,২৭,২৩, ২৪,২৭ আৰু ৮।

## বিবিধ

দিল্লী বিশ্ববিদ্যালয়ত আন আধুনিক ভাৰতীয় ভাষাৰ দৰে অসমীয়া ভাষাৰো শিক্ষণৰ ব্যৱস্থা কৰোৱাৰ যত্ন কৰিবলৈ অসম সাহিত্য সভাই অসম চৰকাৰক অনুৰোধ কৰে। অসম চৰকাৰে নিজ খৰচত এজন অধ্যাপক দিবলৈ ঠিক কৰি বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষলৈ লিখা-লিখি কৰে। ১৯৬২ চনৰ এপ্ৰিল মাহত আমি দিল্লী বিশ্ব-বিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰৰ লগধৰি জানিব পাৰোঁ যে বিশ্ব-বিদ্যালয়ৰ একাডেমিক কাউঞ্চিলে অসমীয়া ভাষাৰ কাৰণে এজন অধ্যাপক নিয়োগ কৰাৰ কথাটো নীতিগত-ভাৱে গ্ৰহণ কৰিছে। ইয়াৰ পিছত আমি অসম চৰকাৰক বিষয়টো লৈ সকীয়াই আছো; কিন্তু শেষ সিদ্ধান্ত কি হৈছেগৈ আমি এতিয়াও জানিব পৰা নাই।

আকাশ-বাণীৰ গুৱাহাটী কেন্দ্ৰৰপৰা অসমত বসতি কৰা অসমীয়া ভাষা নজনা লোকৰ কাৰণে অসমীয়া শিকোৱা এটি স্থায়ী কাৰ্য্যসূচী স্থিৰ কৰিবলৈ আকাশ বাণীৰ কৰ্ত্তৃপক্ষক অনুৰোধ কৰা হৈছিল। কিন্তু এই বিষয়ে কৰ্ত্তৃপক্ষৰপৰা সুসমিধান পোৱা হোৱা নাই।

অসম সাহিত্য সভাই নগাঁও সন্মিলনৰপৰা দাবী কৰি আহিছে যে ব্ৰহ্মপুত্ৰৰ ওপৰত হোৱা ৰেলৱে দলঙৰ নামকৰণ হ'ব লাগে শৰাইঘাট দলং বুলি। নগাঁও সন্মিলনৰ পিছতে ৰেলৱে বোৰ্ডে দলং মুকলি কৰা সময়ত বিষয়টো বিবেচনা কৰা হ'ব বুলি আশ্বাস দিছিল। দলং মুকলি কৰা সময়ত লেখা-লেখি কৰাত ৰেলৱে কৰ্ত্তৃপক্ষই জনাইছে যে বৰ্ত্তমান সংকটকালীন পৰিস্থিতিত দলংখনৰ কোনো ধৰণৰ নামকৰণ নহয়। এই সমিধানে আমাক স্তম্ভিত কৰিছে।

অসমৰপৰা বঙলা-ভাষী এটিদলে ৰাষ্ট্ৰপতিৰ ওচৰত বঙলাকো আমাৰ দ্বিতীয় চৰকাৰী ভাষা-ৰূপে পৰিগণিত হব লাগে বুলি দাবী কৰা সময়ত অসম সাহিত্য সভাৰ তৰফৰপৰা তাৰ ঘোৰ প্ৰতিবাদ কৰা হয়।

কাছাৰৰ নিতাইনগৰৰ অসমীয়া ভাষা উৎসাহন সমিতিৰ অনুৰোধমতে সেই অঞ্চলৰ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে কিছু প্ৰাথমিক পুথি পঠিওৱা হব।

সীমান্ত অঞ্চলৰ উদীয়মান লেখক শ্ৰীলুম্বেৰ দাইক উৎসাহ দিবৰ অৰ্থে তেখেতৰ 'পাহাৰৰ শিলে শিলে' নামৰ উপন্যাস খনিৰ কিছু কপি কিনি লোৱা হয়।

যোৰহাটৰ দৰ্পনাথ শৰ্ম্মাই তেখেতৰ ককাইদেৱেক দেৱেশ্বৰ শৰ্ম্মাৰ 'গল্পমালিকা' নামৰ পুথিৰ এহেজাৰখনি সাহিত্য সভাক দানৰূপে দিছে।

## সামৰণি

বহুতো কঠুৱা কথাৰে আৰু কৰা-নকৰা কৰ্ম্মৰ গুকান হিছাপেৰে আপোনালোকক ভালেটি পৰ ধৰি ৰাখিলোঁ। এতিয়া সামৰা যাওক। আমাক যোৱা দুবছৰে অনেকে জনেই হাতে-কলমে লাগি আৰু দিহা-পৰামৰ্শেৰে সহায় কৰি আহিছে। আমাৰ সভাপতি, উপসভাপতি আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্যসকলক তেনে সাহায্যৰ বাবে ধন্যবাদ জনাইছো। আমাৰ প্ৰাক্তন সভাপতি শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, শ্ৰীনীলমণি ফুকন, শ্ৰীৰঘুনাথ চৌধাৰী আৰু অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা আৰু প্ৰাক্তন কোষাধ্যক্ষ শ্ৰীনকুল চন্দ্ৰ ভূঞাৰ পৰা লাগ বুলিলেই সহায় আৰু পৰামৰ্শ পাই আছো। আমাৰ হিছাপ-পত্ৰ ঠিকঠাক কৰাত হিছাপ পৰীক্ষক (এতিয়া আমাৰ আজীৱন সভ্য) অধ্যাপক মহম্মদ চাকীয়ে নানা আৱশ্যকীয় ইঙ্গিত দি আছে। এই সকলোৰে ওচৰত আমি ঋণী। তদুপৰি এই বছৰৰ প্ৰকাশনৰ এটি সক পুথিভঁৰালৰ দৰেই সৃষ্টি কৰাত যি সকল সাহিত্যিকে সহযোগ কৰি আহিছে, তেখেতসকললৈ শলাগৰ শৰাই।

পলাশবাৰী (মিৰ্জ্জা) সম্মিলনতে আপোনালোকে এই অভাজনৰ ওপৰত যি গুৰুভাৰ অৰ্পণ কৰিছিল, আজি তাক আপোনালোকৰ মাজত পুনৰ থ'লো। এনে কৰাত নিজৰ সামান্য এক তৃপ্তি হৈছে এই বুলি—যদিও আশানুৰূপভাবে সভাৰ কাৰ্য্য সম্পাদন কৰিব পৰা নাই, তাকে কৰিবলৈ নানা শাৰীৰিক-মানসিক আহুকাল সত্বেও যত্নৰ ত্ৰুটী কৰা নাই বুলি নিজকে অন্ততঃ ক'ব পাৰোঁ।

আজি অসম সাহিত্য সভাৰ বয়স পঞ্চল্লিশ বছৰ চাৰি মাহ হৈছে। সভাৰ মূৰৰ ওপৰে নানা সৰু-ডাঙৰ দুৰ্যোগ পাৰ হৈ গ'লেও সভাই আজি বয়স্ক লোকৰ দৰে দৃঢ় ভাৱে পদক্ষেপ কৰি আগ বাঢ়ি গৈ আছে। অসম সাহিত্য সভাৰ ভৱিষ্যত উজ্জ্বল আৰু মঙ্গলময় হওক, এই কামনা। অসমীয়া ভাষা সাহিত্যৰ জয় হওক।

মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

নাজিৰা, ২০ এপ্ৰিল ১৯৬৩

# পুথি-পৰিচয়

**জীৱন-বীণৰ সুৰ :** শ্ৰীপদ্মধৰ চলিহা এম-এ, বি-এল ৰচিত আৰু প্ৰকাশিত ; পৰিবেশক সুন্দৰবন কলামন্দিৰ, শিৱসাগৰ ; প্ৰথম তাঙৰণ, জুন ১৯৬৩ ; বেচ চাৰি টকা।

অসম সাহিত্য সভাৰ তিনিচুকীয়াত বহা বাৰ্ষিক অধিবেশনৰ সভাপতি, অসমৰ সুপ্ৰসিদ্ধ সাহিত্যিক, শিক্ষাব্ৰতী আৰু দেশপ্ৰেমিক শ্ৰীপদ্মধৰ চলিহা ডাঙৰীয়াৰ পৰিণত বয়সৰ পৈণত কাপৰপৰা ওলোৱা 'জীৱন বীণৰ সুৰ' পুথিখনৰ আদ্যোপান্ত পঢ়ি উপকৃত হলোঁ। পুথিখনক আত্মজীৱনীমূলক আলেখ্য বুলিব পাৰি।

প্ৰায় নকুৰি পিঠিৰ এই সচিত্ৰ পুথিখনত বংশ পৰিচয়, বাল্যকাল, পঢ়াশলীয়া জীৱন, কলেজীয়া জীৱন, অসম ছাত্ৰ সম্মিলনৰ উৎপত্তি, অসম সাহিত্য সভা, উত্তৰ গুৱাহাটীত হাই স্কুল প্ৰতিষ্ঠা, নামতি আলি ষ্টেছনৰ ঘটনা, জীৱনৰ নতুন অধ্যায়, ফুলেশ্বৰ ইন্সটিটিউশ্যন, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত আদি সৰু-বৰ শিতানেৰে নিজৰ আৰু পৰিয়ালৰ যথাযোগ্য বৰ্ণনা, সমাজ আৰু সাহিত্য সেৱাৰ পটভূমিত অসম তথা ভাৰতৰ সমসাময়িক জীৱনধাৰাৰ আলেখ্যবাজি নিৰ্দ্দিষ্ট পৰিসৰত নিৰূপিত ধৰণেৰে আগবঢ়োৱা হৈছে। মহাত্মা গান্ধীৰ মোৰ সত্য অন্বেষণৰ কাহিনী, জৱাহৰলাল নেহৰুৰ আত্মজীৱনী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মোৰ জীৱন সোঁৱৰণৰ দৰে জাকতজিলিকা অনন্যসাধাৰণ শাৰীৰ আত্মজীৱনী এইখন নহয় ; তথাপি লেখকে ইয়াত নিষ্ঠা আৰু সৰলতাৰে জীৱনৰ সৰু-বৰ কথাবোৰ জীৱনালেখ্যৰ আৰ্হিৰে অসমৰ পাঠক-পাঠিকাৰ আগত দাঙি ধৰিছে—ৰাইজৰ সমাদৰ তথা উঠি অহা ডেকা-গাভৰুৰ প্ৰেৰণাৰ সামগ্ৰীৰূপে।

জীৱন চৰিত আৰু আত্মজীৱনী লেখাৰ পদ্ধতি পছিমীয়া দেশত যি আৰ্হিৰে গঢ় দি উঠিছে, এই পুথিৰ লেখক সেই আৰ্হিৰ লগত সুপৰিচিত যদিও তেওঁ নিজে কিন্তু এক সাধুকথা অনুগামী ভঙ্গীৰে জীৱনৰ সঁচা কথাবোৰ আৰু জীৱনত লগ পোৱা ডাঙৰ মানুহবোৰৰ চমু চিনাকি ৰেখাপাত ৰূপে বৰ্ণাই গৈছে—যিমানদূৰ সম্ভৱ সঠিককৈ জীৱনৰ চিত্ৰ আঁকিবলৈ চেষ্টা কৰিছে। সমসাময়িক লোকৰ দৃষ্টিত চলিহাৰ জীৱনৰ কাৰ্য্যকলাপ, লক্ষ্য, আদৰ্শৰ বিষয়ে উমান দিবলৈ ৰাইজৰ আশীষ-নিৰ্ম্মালিৰূপে পোৱা মানপত্ৰ, শ্ৰদ্ধাঞ্জলি, প্ৰশস্তি-পত্ৰবোৰো এই পুথিত সন্নিবেশ কৰিছে। নিজা জীৱনৰ প্ৰতিচ্ছবি, সমসাময়িকৰ চমু চিনাকি আৰু আনৰ দৃষ্টিত আত্মজীৱনীকাৰ—এই তিনিটা ধাৰাৰ ত্ৰিবেণী সঙ্গমত জীৱন বীণৰ সুৰ বাজি উঠিছে। কোনোটো সুৰেই সুস্পষ্ট বা সুপ্ৰকাশিত হৈ নুঠিলেও মুঠৰ ওপৰত চলিহাসংশ্লিষ্ট ভালেমান তথ্য সম্পদৰ ই এক অভিনৱ সংকলন হৈ পৰিছে।

জীৱন বীণৰ সুৰত যথেষ্ট সুৱদি কথা আছে, ৰসাল কাহিনী আছে, উজ্জ্বল ছবি আছে, সুমধুৰ গীত আৰু সুন্দৰ কৱিতাও আছে। ডাঙৰ মানুহৰ চমু চিনাকি পুথিখনত দিলেও সৰু মানুহবোৰৰ কথা যেন কোৱাত অলপ কম হ'ল, এনে ভাৱ হয় ; বৰ্ত্তমানৰ গণতন্ত্ৰমুখী সমাজত সৰু মানুহৰ কথা শুনিবলৈয়ো

পাঠক-পাঠিকাৰ আগ্ৰহ নিশ্চয়কৈ আছে। পুথিখনৰ আগ-কথা লেখি খ্যাতনামা ৰাজনীতিবিদ্ শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে কৈছে—"ৰাজনীতিক্ষেত্ৰতো চলিহা দেৱৰ অৱদান কম নহয়। তেখেতে ছাত্ৰ-জীৱনৰপৰাই অসম ছাত্ৰ-সন্মিলন, অসম এছছিয়েশ্যন আৰু কংগ্ৰেছৰ ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। স্বাধীনতা আন্দোলনতো তেখেতে যথেষ্ট বৰঙণি যোগাইছিল আৰু কাৰাবৰণ কৰিছিল।"

তেতিয়াৰ অসম ছাত্ৰ সন্মিলনৰ শক্তিশালিতা আৰু সাহিত্যিক অৱদানৰ উল্লেখ কৰি চলিহাই তেওঁৰ পুথিত মন্তব্য দিছে—'মোৰ একান্ত ইচ্ছা যে আজিৰ দিনতো অসমৰ ছাত্ৰ-ছাত্ৰীসকল নিৰ্দ্দলীয় ভাৱে একেখন পতাকাৰ তলত থিয় হৈ ঐক্যবদ্ধ আৰু শক্তিশালী হওক।' ১৯১৭ চনত শিৱসাগৰত স্বনামধন্য পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ উল্লেখ কৰি তেখেতে লেখিছে—'সেই সন্মিলনৰ কাৰণে মই গীত ৰচনা কৰি স্বেচ্ছাসেৱক-সেৱিকা সকলৰ হতুৱাই গোৱাইছিলোঁ। তদুপৰি গোহাঁই বৰুৱাৰ 'জয়মতী' নাটকৰ অভিনয় সুচাৰুৰূপে হয়। তাত 'গদাপাণি'ৰ ভাও লৈছিল অগ্ৰজ প্ৰতিম নাট্যসেৱী ৺ইন্দ্ৰেশ্বৰ বৰঠাকুৰদেৱে আৰু 'জয়মতী'ৰ ভাও পৰিছিল মোৰ ওপৰতে। এম্-এ পাছ কৰালৈকে প্ৰায় সকলো নাটকৰ নায়িকাৰ ভাও পৰে মোৰ ওপৰত আৰু নায়কৰ ভাও পৰে ৺বৰঠাকুৰৰ ওপৰত।'

ফুলনি, গীতিলহৰী, স্বৰাজ সঙ্গীতৰ দৰে গীতৰ পুথি, নিমন্ত্ৰণ, কেনে মজা আদিৰ দৰে ধেমেলীয়া নাট, অমৰলীলাৰ দৰে ভাওনি নাট তথা বিবিধ জীৱনী, কৱিতা, প্ৰবন্ধৰ উপৰিও নাট্যশিল্পী, সংবাদসেৱী আদি বিশিষ্ট ভূমিকাসম্পন্ন চলিহাৰ মতে তেখেতৰ জীৱনৰ মূলমন্ত্ৰে ফুটি ওলাইছে—

"জীৱনত আছে মৰণৰ বীজ তেও যে জীৱন
অমৃতময়;
অমৰ আতমা জীৱনক ভেদি মৃত্যু-বিভীষিকা
কৰিছে জয়।"

—আদি কথাৰে আৰম্ভ হোৱা 'জীৱন দৰ্শন' নামৰ স্বৰচিত কবিতাটিত। সহজ, সৰল প্ৰকাশভঙ্গীৰে সৰ্ব্বজনমুখীকৈ আগবঢ়োৱা 'জীৱন বীণৰ সুৰে' চলিহা আৰু তেখেতৰ সমসাময়িক কালৰ সুহুৰি মাৰিব পাৰিছে।

শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য

**গান্ধীজীৰ বচন-মুক্তাৱলী :** শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা গোলাঘাট ; প্ৰকাশক নিজেই। পৃঃ ১০০, মূল্য দুটকা।

বিংশ শতিকাৰ দ্বিতীয় দশকত ভাৰতৰ ৰাজনীতিত গান্ধীজীৰ প্ৰৱেশে যুগান্তৰৰ সূচনা কৰাৰ লগতে গান্ধীজীয়ে নিজেও মহাত্মা ৰূপে জনগণৰ অন্তৰত প্ৰতিষ্ঠা লাভ কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনৰেপৰা আৰম্ভ কৰি পৰৱৰ্ত্তী কালৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব কৰাৰ লগতে গান্ধীজীয়ে ৰাজনৈতিক সাংস্কৃতিক নৈতিক আদি বিবিধ সমস্যাৰ বিষয়ে আলোচনা কৰি সুচিন্তিত মত প্ৰকাশ কৰি গৈছে। সাধাৰণতে মতবাদ বুলিলে যি বুজা হয়, তেনে অৰ্থত যদিও গান্ধীবাদ বোলা কোনো এটা বিশিষ্ট মতবাদ নাই বুলি বহুতে কয়, তথাপি গান্ধীজীৰ উক্তিসমূহৰ ভিত্তিত আৰু কাৰ্য্যাৱলীৰ পৰিপ্ৰেক্ষিতত গান্ধীজীৰ মত আৰু পথ বুজিব পাৰি।

গান্ধীজীৰ বাণী আৰু উক্তিসমূহ পত্ৰিকা-পুস্তকত সিঁচৰিত হৈ আছে। নৱজীৱন ন্যাসৰ আনুকূল্যত তাৰে সৰহভাগ হিন্দী ভাষাত ইতিমধ্যে প্ৰকাশ হৈছে। ছাত্ৰসকলৰ উদ্দেশ্যে দিয়া গান্ধীজীৰ কিছু



সংখ্যক উক্তি অধ্যক্ষ তীৰ্থনাথ শৰ্ম্মাই অসমীয়া ভাঙনি কৰি প্ৰকাশ কৰাৰ বাহিৰে তেনে প্ৰচেষ্টা অসমীয়া ভাষাত চকুত পৰা নাই।

সম্প্ৰতি শ্ৰীবৰুৱাদেৱে গান্ধীজীৰ বিধি বিষয়ক নিবাচনৈবেটা উক্তি ঠাকুৰ ৰাজবাহাদুৰ সিংজীৰ সংগৃহীত হিন্দী পুস্তিকাৰপৰা অসমীয়ালৈ ভাঙনি কৰি প্ৰকাশ কৰিছে। সাধাৰণতে ভাঙনি মূলানুৰূপ হোৱা বাবে মূল ভাষাৰ বচনভঙ্গী আৰু প্ৰকাশ ৰীতিৰপৰা অনেক সময়ত পৰিমুক্ত হোৱা দেখা নেযায়। ফলস্বৰূপে অনুবাদ কেতিয়াবা দুৰ্ব্বোধ্য আৰু কেতিয়াবা বিৰক্তিকৰ হয়। গান্ধীজীৰ বচন মুক্তাৱলী অনুবাদ দোষদুষ্ট হোৱা নাই বুলিব পাৰি। ভূমিকাত শ্ৰীবেণুধৰ শৰ্ম্মাদেৱে কৈছে—"শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰুৱাদেৱে স্ব-প্ৰণোদিত হৈ 'সূক্তিয়'বিলাক' (?) অসমীয়ালৈ ভাঙি অসমীয়া ৰাইজ আৰু অভিভাৱক সকললৈ (বিশেষকৈ) আগ বঢ়াইছে। ভাঙনি দকৰা আৰু সকলোৱে বুজিব পৰা। হিন্দীৰ অনুবাদ যদিও পুথিখন হিন্দীগন্ধী হোৱা নাই।"

পুথিখনিত সংগৃহীত নিবাচনৈবেটা উক্তিত আন্তৰ্জাতীয়তা, ব্যৱহাৰ প্ৰথা সঙ্গীত, সংযম, মন্ত্ৰী ছাত্ৰাচী আদি বিবিধ বিষয় সামৰা হৈছে। উক্তি-সমূহ বিষয়ৰ বা চিন্তাৰ সঙ্গতি ৰাখি সজোৱা হোৱা নাই, সময়ানুক্ৰম ভাৱে সজোৱা হৈছেনে কি জানিব পৰা নহল।

গান্ধীজীৰ বচন-মুক্তাৱলীৰ সম্যক অধ্যয়নে সন্দিগ্ধ অন্তৰত নিশ্চয়তা, কিংকৰ্ত্তব্যবিমূঢ় মানসত কৰ্ত্তব্যৰ বৰঙণি, চঞ্চল চিত্তত স্থিৰতা, উচ্ছৃঙ্খল মনোভাৱক সংযত, সঙ্কীৰ্ণ দৃষ্টিক উদাৰ কৰিব বুলি নিসন্দেহে কব পাৰি।

পুথিখনিৰ বহুল প্ৰচাৰ কামনা কৰোঁ।

**গীতি গুঞ্জন :** লেখক শ্ৰীনগেন বৰা, কুকুৰাবাহী সত্ৰ, বোকা খাট ; প্ৰকাশক শ্ৰীপোহৰ বৰা, চকলাঘাট নগাওঁ, পৃঃ ৪+১৬+২, মূল্য '২৫ নয়া পইচা।

গীতি গুঞ্জন ষোলটি গীত নাইবা গীতি কৱিতাৰ সমষ্টি। তাৰে প্ৰথম চাৰিটি "চীনৰ ভাৰত আক্ৰমণৰ বাবে" (?) আৰু পাছৰ বাৰটি "বিভিন্ন ভাবৰ ৰচনাৰে" বুলি লেখকে দুটা বেলেগ থুপত সন্নিবিষ্ট কৰিছে। গীতসমূহত লেখকৰ অনুভূতি আৰু আবেগৰ পৰিচয় পোৱা যায়। ইয়াৰ আগতে লেখকৰ দশমী নামে এখনি কৱিতাৰ পুথি প্ৰকাশ হৈছে। শ্ৰীবৰাৰ সাহিত্যানুৰাগ স্থায়ী হ'ব বুলি আশা কৰিব পাৰি।

---

# সম্পাদকীয়

## স্মৃতি-তৰ্পণ ঃ

অমৰ শ্বহীদ মণিৰাম দেৱানৰ স্মৃতি বিজড়িত, ভাৰতৰ বৈদেশিক মুদ্ৰা অৰ্জনৰ প্ৰধান শিল্পবোৰৰ ভিতৰত অন্যতম চাহ-শিল্পৰ কেন্দ্ৰস্থল, পুণ্যতোয়া দিখৌৰ পাৰত অৱস্থিত নাজিৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ত্ৰিংশ অধিৱেশনত শেৱালি কৰি ৰত্নকান্ত বৰকাকতী ডাঙৰীয়াই অসুস্থ শৰীৰেৰেই আহি সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। তেখেতৰ অনমনীয় মনোবলে শাৰীৰিক দুৰ্ব্বলতা, ৰোগৰ আক্ৰমণ সকলোকে পৰাজয় কৰিলে। সকলো বাধা অতিক্ৰম কৰি তেখেত নগাঁৱৰপৰা নাজিৰা পালেহি, কিন্তু নাজিৰাৰপৰা আৰু ঘূৰি ঘৰ নাপালেগৈ। সাহিত্য সভাৰ অধিৱেশনৰ দ্বিতীয় দিনৰ অনুষ্ঠান চলি থাকোঁতেই যোৰহাটত দাৰ্শনিক কৰি বৰকাকতীয়ে নশ্বৰ দেহা পৰিত্যাগ কৰিলে। অসমবাসীৰ বাবে অসমীয়া ভাষাৰ বাবে আৰু তাতোকৈ অসম সাহিত্য সভাৰ বাবে বৰকাকতীৰ বিয়োগ অপূৰণীয় ক্ষতি।

বিজুলীবেগে সেই খবৰ নাজিৰা পালেগৈ। লগে লগে সাংস্কৃতিক অনুষ্ঠানৰ আনন্দমুখৰ জনতা শোকাভিভূত হৈ পৰিল, অনুষ্ঠান তৎক্ষণাৎ বন্ধ হ'ল। তাৰ পিছদিনাৰ পৰা প্ৰায় এক পক্ষকাল দাৰ্শনিক কৰি বৰকাকতীৰ গুণমুগ্ধ অসমবাসীয়ে গোটেই দেশ জুৰি অন্তৰৰ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে। ইয়াৰপৰাই তেখেতৰ সাহিত্য সাধনাই অসমবাসীৰ মন কিমানখিনি অধিকাৰ কৰি আছিল বুজিব পাৰি।

স্বৰ্গীয় বৰকাকতীদেৱলৈ আমি আন্তৰিক শ্ৰদ্ধাঞ্জলি নিৱেদন কৰিছোঁ।

অসম সাহিত্য সভাই সাহিত্য সভা পত্ৰিকাৰ এই সংখ্যা বৰকাকতী স্মৃতিসংখ্যাৰূপে প্ৰকাশ কৰিছে। বৰকাকতী স্মৃতিগ্ৰন্থ প্ৰকাশৰো আয়োজন চলিছে।

বৰকাকতীৰ গুণমুগ্ধ নগাঁৱৰ ৰাইজে বৰকাকতীৰ স্মৃতিসংৰক্ষণৰ কাৰ্য্যপন্থা গ্ৰহণ কৰিছে বুলি জানি আমি আনন্দ পাইছোঁ।

## মতিৰাম বৰা ঃ

প্ৰবীন ৰাজনীতিজ্ঞ মতিৰাম বৰা ডাঙৰীয়াৰ অলপতে লোকান্তৰ ঘটিছে। স্বৰ্গীয় বৰাই অসমৰ ৰাজনীতিত যোৱা তিনি দশক জুৰি বিশিষ্ট ভূমিকা গ্ৰহণ কৰাৰ উপৰিও অসমৰ ৰাজহ, বিত্ত আৰু শিক্ষামন্ত্ৰীৰূপে অসমবাসীৰ সেৱা কৰি গৈছে। তেখত অসম সাহিত্য সভাৰ ছিলং অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। মৃত্যুৰ কঠোৰ হাতে অসমীয়া সাহিত্য-সংস্কৃতিৰ একান্ত সেৱক বৰাক আঁতৰাই নিছে যদিও তেখেতৰ কৰ্ম্মপ্ৰচেষ্টা অসম-বাসীৰ অন্তৰত জাগৰূক হৈ থাকিব।

## ফণীধৰ দত্ত ঃ

গুৱাহাটী বিশ্ববিদ্যালৰ ভূতপূৰ্ব্ব উপাচাৰ্য্য ফণীধৰ দত্তৰ মৃত্যুৰ বাতৰিয়ে আমাক অভিভূত কৰিছে। গুৱাহাটী বিশ্ববিদ্যালৰ প্ৰতিষ্ঠা দিৱসৰেপৰা বিশ্ব-বিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ ৰূপে আৰু শেষত উপাচাৰ্য্য ৰূপে বিশ্ববিদ্যালয়ৰ কামত তেখতে দেহে কেহে খাটিছিল। অৱশ্যে ঘটনা-প্ৰৱাহৰ আৱৰ্ত্তত শেষত তেখেতে উপাচাৰ্য্যৰ পদ ত্যাগ কৰি বিশ্ববিদ্যালয়ৰপৰা আঁতৰি আহিব লগা হৈছিল। তেখেতে নিজৰ যত্ন আৰু



অধ্যৱসায় আৰু ঐকান্তিকাৰ বলত হাই স্কুলৰ শিক্ষকৰপৰা বিশ্ববিদ্যালয়ৰ গুৰিয়াল হৈছিলগৈ।

## হাক্সলী ঃ

বিশ্ববিখ্যাত সাহিত্যিক হাক্সলীৰ অলপতে পৰিণত বয়সত লোকান্তৰ ঘটিছে। এইজনা চিন্তানায়কৰ বিয়োগত ঘটা চিন্তাজগতৰ দৈন্য সময়েহে পূৰণ কৰিব।

## সেনানীৰ মৃত্যু ঃ

যোৱা ২২ নবেম্বৰ তাৰিখে ভাৰতৰ সেনাবিভাগৰ পাঁচজন বৰমূৰীয়া বিষয়াৰ কাশ্মীৰৰ সীমামূৰিয়লি অঞ্চলত আকস্মিকভাৱে শোকাবহ মৃত্যু ঘটিছে। শত্ৰু পৰিবেষ্টিত আৰু আক্ৰান্ত ভাৰতবাসীয়ে এইকেইজন প্ৰধান সেনানীৰ মৃত্যুত গভীৰ বেদনা বোধ কৰি শ্ৰদ্ধা জনাইছে।

## জন কেনেডি ঃ

আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্ট জন কেনেডি আততায়ীৰ হাতত ২২ নবেম্বৰ তাৰিখে নিহত হৈছে। পৃথিৱীৰ সকলো শান্তিপ্ৰিয় দেশে এই নৃশংস হত্যাৰ নিন্দা কৰি মহান ৰাষ্ট্ৰনায়ক জনালৈ শ্ৰদ্ধা জনাইছে। শ্বেতাঙ্গ-অশ্বেতাঙ্গৰ মাজত থকা বৈষম্য দূৰ কৰিবলৈ যত্নকৰা ভাৰতবন্ধু এই ৰাষ্ট্ৰনায়কজনাৰ মৃত্যুত ভাৰত-বাসীয়ে বেদনাবোধ কৰিছে।

## পূৰ্ব্বাঞ্চল সম্মিলন ঃ

যোৱা নবেম্বৰ মাহত পাটনাত অনুষ্ঠিত পূৰ্ব্বাঞ্চল সম্মিলনে গ্ৰহণ কৰা কেতবোৰ সিদ্ধান্ত অসমীয়া ভাষাৰ পক্ষে শুভাবহ নহ'ব বুলি বহুতে আশঙ্কা কৰিছে। ভাষিক সংখ্যালঘুৰ ভাষাবিষয়ক স্বাৰ্থৰক্ষাৰ বাবে দিয়া (১) প্ৰাথমিক স্কুলত দহজন ছাত্ৰ-ছাত্ৰী হলেই স্বকীয়া মাধ্যমেৰে ( মাতৃভাষাৰ যোগেদি ) শিক্ষাদানৰ ব্যৱস্থা (২) তেনেকৈ নিৰ্দ্দিষ্টসংখ্যক ছাত্ৰ হলেই মাধ্যমিক স্কুলত শিক্ষাদানৰ ব্যৱস্থা (৩) চৰকাৰী জাননী আদি প্ৰচাৰৰ বিষয়ত নিৰ্দ্দিষ্টসংখ্যক ভাষিক সংখ্যালঘু থকা অঞ্চলত ৰাজ্যভাষাৰ বাহিৰে সংখ্যালঘুৰ ভাষাৰে প্ৰচাৰ কৰা ইত্যাদি ব্যৱস্থাই বিদ্যালয়সমূহত শিক্ষাৰ মাধ্যমত খেলিমেলি সৃষ্টি কৰাৰ উপৰিও নিৰ্দ্দিষ্ট সংখ্যা লাভ কৰিবলৈ কোনো কোনো ঠাইত অশুভ প্ৰেৰণা যোগোৱাৰ থল আছে বুলি আশঙ্কা হৈছে।

আমি সকলো ভাষাৰে উন্নতি আৰু সমৃদ্ধি, আৰু ভাষিক গোষ্ঠীসমূহৰ মাজত পৰস্পৰ ভাব-বিনিময় আৰু মিলাপ্ৰীতি কামনা কৰোঁ। সকলো ভাষাভাষী-লোকেই ন্যায্য সুবিধা উপভোগ কৰাও বাঞ্ছনীয় অৱশ্যে ৰাষ্ট্ৰীয় সংহতি আৰু ঐক্য ক্ষুণ্ণ হ'ব পৰা কোনো ছিদ্ৰ নথকাকৈ।

## সাহিত্য সভাৰ নতুন সভাপতি ঃ

সাহিত্য সভাৰ নিৰ্ব্বাচিত সভাপতি ৰত্নকান্ত বৰকাকতীৰ মৃত্যুত, সভাৰ নিয়মাৱলীৰ বিধি অনুসাৰে বয়োবৃদ্ধ সাহিত্যিক শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ সভাপতি ঘোষিত হৈছে। প্ৰায় ছকুৰি বছৰ কালজুৰি সাহিত্য সেৱাত মন-প্ৰাণ সঁপি দিয়া শ্ৰদ্ধেয় শ্ৰীমহন্ত ডাঙৰীয়ালৈ সম্বৰ্দ্ধনা জনাইছোঁ।

## নগাক্ষেত্ৰ ঃ

যোৱা এক ডিচেম্বৰ তাৰিখে ভাৰতৰ ষোড়শতম ৰাজ্য নগাক্ষেত্ৰৰ আনুষ্ঠানিক উদ্বোধন উৎসৱ বিপুল সমাৰোহ আৰু আনন্দমুখৰ পৰিৱেশত ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণণে সম্পন্ন কৰে। পুৰণি কালৰেপৰা অসমীয়া ৰাইজৰ সৈতে এৰাব নোৱাৰা নিবিড় সম্বন্ধ থকা নগাসকলে পূৰ্ণাঙ্গ ৰাজ্য এখন লাভ কৰাত পাৰম্পৰিক সহযোগত

# অসম সাহিত্য সভা

## ১৯৬৩ চনৰ ৩১ মাৰ্চ্চত উদ্বৃত্ত পত্ৰ

| ঋণ | টঃ নঃ পঃ | টঃ নঃ পঃ | টঃ নঃ পঃ |
|---|---|---|---|
| **সাধাৰণ পুঁজি :** | | | |
| আৰম্ভণী উদ্বৃত্ত | ৪৫,৭৫৬·৩১ | | |
| চলিত বছৰৰ | ২০,৯৯১·৬৭ | | ৬৬,৭৪৭·৯৮ |
| **অক্ষয় পুঁজিসমূহৰ বাবদ :** | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামীৰ অক্ষয় পুঁজি | | ৫,০০০·০০ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজি | | ১৭,৪০০·০০ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি | | ১,৫৫০·০০ | |
| কমলা দেৱী স্মাৰক পুঁজি | | ২,০০০·০০ | |
| হৰিহৰ চৌধুৰী বটা পুঁজি | | ১,০০০·০০ | |
| আজীৱন সভ্যৰ পুঁজি | | ১৩,৭০০·০০ | ৪০,৬৫০·০০ |
| **দানৰ পুঁজি :** | | | |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | | ৩,১৮৬·৭১ | |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | | ৪৮·৫০ | ৩,২৩৫·২১ |
| অসম সাহিত্য সভা ভৱন ( গুৱাহাটী ) পুঁজি | | | ১০,০০০·০০ |
| **অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি :** | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামীৰ পুঁজিৰ | | ২৮৪·৯৮ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ | | ১,১৯৯·৭৬ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক সমাৰোহ পুঁজিৰ | | ১৭০·৭৪ | |
| কমলা দেৱী স্মাৰক পুঁজিৰ বাঢ়ি পুঁজি | | ৮৪৫·২৯ | |
| হৰিহৰ চৌধুৰী বটা পুঁজি | | ৩০·০০ | |
| আজীৱন সভ্যৰ বাঢ়ি পুঁজি | | ২০০·০০ | ২,৭৩০·৭৭ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ভাগ সমিতিক দিব লগা ঋণ | | | ৩৩০·০০ |
| প্ৰাথমিক ভাষা শিক্ষা আঁচনিৰ বাকী | | | ২,০০০·০০ |
| | | | ১,২৫,৬৯৩·৯৬ |

| সম্পত্তি | টঃ নঃ পঃ | টঃ নঃ পঃ |
|---|---|---|
| **আচবাব আৰু সজুলি :** | | |
| আৰম্ভণী উদ্বৃত্ত | ৬,৪৬৯·৫৭ | |
| চলিত বছৰৰ জমা | ৪২৫·৬৬ | ৬,৮৯৫·২৩ |
| **গ্ৰন্থাগাৰ :** | | |
| আৰম্ভণী উদ্বৃত্ত | ৮,৩৯৩·৩৬ | |
| চলিত বছৰৰ জমা | ৬৩৭·০৬ | ৯,০৩০·৪২ |
| সামগ্ৰী ষ্টক কিতাপ<br>( কিতাপৰ ষ্টকৰ সংখ্যা আদি সহকাৰী সম্পাদকৰ চাৰ্টিফিকেট অনুযায়ী লোৱা হৈছে ) | | ৪৮,৫০৪·০০ |
| অক্ষয় পুঁজি-সমূহৰ বিনিধান | | ৩৭,৯৫০·০০ |
| অক্ষয় পুঁজি আৰু বাঢ়ি পুঁজিসমূহৰ সংযোজন | | ১,১৯৫·৩৬ |
| অক্ষয় পুঁজিৰ বাঢ়ি পুঁজিৰ বিনিধান | | ১,২৮০·০৯ |
| স্থগিত হিচাপ | | ৩৭·৫০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিৰ বিনিধান | | ৩,১৮৬·৭১ |
| অসম সাহিত্য সভা ভৱন ( গুৱাহাটী ) পুঁজিৰ বিনিধান | | ১০,০০০·০০ |
| ভগৱতী প্ৰসাদ বৰুৱা নিৰ্ম্মাণ সমিতিৰ ঋণ | | ৬৪৯·০০ |
| অসম চৰকাৰ : প্ৰকাশন আঁচনিত পাব লগা | | ২,২৩৪·০০ |
| **নগদ :** | | |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | ২·৬৯ | |
| সহকাৰী সম্পাদকৰ কাৰ্য্যালয় | ১৭০·৮৫ | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজিৰ সম্পাদক আৰু ধন ভঁৰালীৰ হাতত জমা | ১৮৬·৮৮ | ৩৬০·৪২ |
| **বেংক :** | | |
| অসম কো'অপাৰেটিভ এপেক্স বেংক, যোৰহাট | ১,৪৬৭·২৪ | |
| অসম কো'অপাৰেটিভ এপেক্স বেংক, গুৱাহাটী | ২,৩৮৬·৬৯ | |
| ষ্টেট বেংক অৱ্ ইণ্ডিয়া, যোৰহাট | ৩৪২·৩৩ | |
| পোষ্ট অফিচ চেভিংছ বেংক, যোৰহাট | ২৭৪·৯৭ | ৪,৩৭১·২৩ |
| | | ১,২৫,৬৯৩·৯৬ |

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী
সভাপতি : অসম সাহিত্য সভা

মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক : অসম সাহিত্য সভা

গুৱাহাটী
১৭।৪।৬৩

মহম্মদ চাকী
চাৰ্টাৰ্ড একাউণ্টেণ্ট, হিচাপ পৰীক্ষক

## সাধাৰণ পুঁজিৰ
## ১৯৬২-৬৩ চনৰ আয়-ব্যয়ৰ হিছাপ

| ব্যয় | টঃ নঃ পঃ |
|---|---|
| আৱৰ্তী ইক | ২১,০৯৪·০০ |
| দৰ্মহা : কেন্দ্ৰীয় কাৰ্য্যালয় | ৩,২৯৪·০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | ১,১০৪·২৮ |
| ভ্ৰমণ-বানচ আদি | ৩,০৭০·৫৯ |
| ডাক আৰু তাঁৰ : ডাক-টিকট, তাঁৰ, অৰ্থ প্ৰেৰণ | ২,০১৭·৭৮ |
| টেলিফোন | ৭৭৫·৬৩ |
| পৰিবহন | ১,১৬৮·৫১ |
| **খাজনা আৰু কৰ :** | |
| মাটিৰ খাজনা | ৫৮·২৫ |
| পৌৰ সভাৰ কৰ | ৫৭·৫০ |
| বিজুলী শক্তি | ১৩২·৫৯ |
| লেখন-সামগ্ৰী আদি | ৬৭৫·৪৯ |
| নৈমিত্তিক ব্যয় | ৪৯৪·৫৫ |
| সাধাৰণ প্ৰচাৰ : বিজ্ঞাপন আদি | ৮৬·৯৫ |
| মুদ্ৰণ আৰু প্ৰকাশন : ক্ষুদ্ৰ মুদ্ৰণ | ৮৮৭·৫৭ |
| **প্ৰকাশন : অসম সাহিত্য সভা পত্ৰিকা :** | |
| ছপা খৰচ | ২,৯২৮·৮২ |
| পাৰিশ্ৰমিক, লেখন সামগ্ৰী-ডাক-খৰচ | ৬৫·১১ |
| প্ৰকাশন : সংকট কালীন | ৫৫২·৩০ |
| প্ৰকাশন : সাধাৰণ | ৬,৮০৮·০০ |
| **বিবিধ :** | |
| হিছাপ পৰীক্ষা | ৪৫১·০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি দিৱস | ২৫·০০ |
| সমিতি আদিৰ বৈঠক | ৬৭·৩৯ |
| সম্পত্তি-প্ৰতিপালন | ৪৮·৮৭ |
| ভূমি-অধিগ্ৰহণ | ১,৯৪০·০০ |
| বেঙ্কৰ ভৰণি | ৫৫·৯২ |
| অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা | ১২২·৬৯ |
| ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ দান | ১,০০০·০০ |

মুঠ দ্বিতীয় পৃষ্ঠালৈ নিয়া হয়

| আয় | টঃ নঃ পঃ | টঃ নঃ পঃ |
|---|---|---|
| **বৰঙণি :** | | |
| শাখা-সভা | ২,৯৮১·০০ | |
| স্বীকৃত সভা | ২০·০০ | |
| পোনপটীয়া সভ্য | ৮·০০ | |
| আজীৱন সভ্য : ভৰ্ত্তি | ৫·০০ | |
| | | ৩,০১৪·০০ |
| প্ৰকাশন : সাধাৰণ | ২,৭০৮·৮৬ | |
| অসম সাহিত্য সভা পত্ৰিকা : বৰঙণি | ১,১২২·২৭ | |
| সঙ্কট কালীন | · | |
| | | ৩,৮৩২·৪৩ |
| **বিবিধ :** | | |
| বেঙ্কৰ জমাৰ বাঢ়ি | | ২৯৮·১৮ |
| দান সংগ্ৰহ | | ৭৬৬·১০ |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা | | ১৫·০০ |
| পতাকা বিক্ৰী আদি | | ২২১·৮০ |
| অন্যান্য ( সাময়িক বিশেষ দান আদি ) | | |
| ভাষাজ্ঞান প্ৰমাণ পত্ৰ পৰীক্ষা মাচুল | | ৮৬·০০ |
| সামৰ্থী ষ্টক—কিতাপ আদি সহকাৰী সম্পাদকৰ লিষ্ট অনুযায়ী | | ৪৮,৫০৪·০০ |
| দক্ষিণপাট গোস্বামী অক্ষয় পুঁজিৰপৰা দান "ৰূপকত্ৰয়" প্ৰকাশৰ বাবে | | ৯২০·০০ |
| ৰাজ্যিক চৰকাৰৰ অনুদান : বাৰ্ষিক | | |
| বিশেষ পুঁজি : চৰকাৰী অনুদান : ৰাজ্যিক | | ২০,০০০·০০ |
| চৰকাৰী ভাষা শিক্ষা আৰু সাংস্কৃতিক | | |
| সমন্বয় আঁচনি : পূৰ্ব্ব বছৰৰ অনুদান জমা | | ৬,১৬৯·৩৯ |
| ৰাজ্যিক চৰকাৰ প্ৰকাশন আঁচনিত পাব লগা | | ২,২৩৪·০০ |

মুঠ দ্বিতীয় পৃষ্ঠালৈ নিয়া হয়

# ১৯৬২-৬৩ চনৰ আয় ব্যয়ৰ হিচাপ

| | টঃ নঃ পঃ |
|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ ব্যয় | |
| **বিশেষ পুঁজি : চৰকাৰী অনুদান :** | |
| ৰাজ্যিক চৰকাৰ : ভাষা শিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | |
| চলিত বছৰৰ ব্যয় | ৬,২০২'৫০ |
| **বিশেষ পুঁজি : চৰকাৰী অনুদান :** | |
| ৰাজ্যিক চৰকাৰ : প্ৰকাশন | ২,২৩৪'০০ |
| **বিশেষ পুঁজি : চৰকাৰী অনুদান :** | |
| কেন্দ্ৰীয় চৰকাৰ : দুষ্প্ৰাপ্য পুথি-প্ৰকাশন আঁচনি | ২,৮৪৫'০০ |
| সাংস্কৃতিক সম্পৰ্ক-উন্নয়ন আঁচনি | ১৫,২৫৭'১৬ |
| প্ৰাথমিক ভাষা শিক্ষা-বাকী | ২,০০০'০০ |
| চলিত বছৰৰ বাহি | ২০,৯৯১'৬৭ |
| মুঠ | ৯৮,৪৯৩'৮২ |

| | টঃ নঃ পঃ | টঃ নঃ পঃ |
|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ আয়ৰ মুঠ | | |
| **বিশেষ পুঁজি : চৰকাৰী অনুদান :** | | |
| কেন্দ্ৰীয় চৰকাৰ : দুষ্প্ৰাপ্য পুথি প্ৰকাশন আঁচনি | | |
| যোৱা বছৰৰ প্ৰাপ্তি | ৫০০'০০ | |
| চলিত বছৰত | ১,৩০৩'০০ | |
| | | ১,৮০৩'০০ |
| সাংস্কৃতিক সম্পৰ্ক-উন্নয়ন আঁচনি | | |
| পূৰ্ব্ব বছৰত প্ৰাপ্তি | | ৮,৬৩০'০০ |
| প্ৰাথমিক ভাষা পুথি | | ২,০০০'০০ |
| মুঠ | | ৯৮,৪৯৩'৮২ |

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী
সভাপতি : অসম সাহিত্য সভা

অম্বেশ্বৰ মেওগ,
প্ৰধান সম্পাদক : অসম সাহিত্য সভা
গুৱাহাটী
১১।৪।৬৩

মহম্মদ চাকী,
চাৰ্টাৰ্ড একাউণ্টেণ্ট
হিচাপ-পৰীক্ষক

## বিশেষ পুঁজি : (ক) অক্ষয় পুঁজির ১৯৬২-৬৩ সনের আয় ব্যয়ের হিসাব

### (১) হরিণ পাঠ অধিকার গোস্বামী অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| আয়ব্যয় উদ্বৃত্ত | ৫,০০০·০০ | সাময়িক উদ্বৃত্ত ( সরকারী ৩% ঋণ পত্র ১৯৬০-৭০ বিনিয়োগ ... | ৫,০০০·০০ |
| | ৫,০০০·০০ | | ৫,০০০·০০ |

### (২) চন্দ্রকান্ত-ইন্দ্রকান্ত স্মারক পুঁজি

| | | | |
|---|---|---|---|
| মূল পুঁজি ... | ১৭,৬০০·০০ | সাময়িক উদ্বৃত্ত বিনিয়োগ স্থায়ী বেঙ্ক জমা ... | ১৭,৬০০·০০ |
| | ১৭,৬০০·০০ | | ১৭,৬০০·০০ |

### (৩) চন্দ্রকান্ত ইন্দ্রকান্ত স্মারক সামাজিক সমাবেশ পুঁজি

| | | | |
|---|---|---|---|
| মূল পুঁজি ... | ১,৫৫০·০০ | সাময়িক উদ্বৃত্ত বিনিয়োগ স্থায়ীজমা, অমর কো-অপারেটিভ এপেক্স বেঙ্ক ( বৌবাজার ) ... | ১,৫৫০·০০ |
| | ১,৫৫০·০০ | | ১,৫৫০·০০ |

### (৪) কমলাদেবী স্মারক পুঁজি

| | | | |
|---|---|---|---|
| মূল পুঁজি | ২,০০০·০০ | সাময়িক উদ্বৃত্ত বিনিয়োগ : স্থায়ীজমা, অমর কো-অপারেটিভ এপেক্স বেঙ্ক, বৌবাজার ... | ২,০০০·০০ |
| | ২,০০০·০০ | | ২,০০০·০০ |

### (৫) হরিহর চৌধুরী বৃত্তি পুঁজি

| | | | |
|---|---|---|---|
| মূল পুঁজি ... | ১,০০০·০০ | সাময়িক উদ্বৃত্ত : বিনিয়োগ : ... স্থায়ী জমা, অমর কো-অপারেটিভ ... এপেক্স বেঙ্ক বৌবাজার ... | ১,০০০·০০ |
| | ১,০০০·০০ | | ১,০০০·০০ |

### (৬) আজীবন সভ্যের পুঁজি

| | | | |
|---|---|---|---|
| | ১৩,০০০·০০ | সাময়িক উদ্বৃত্ত : বিনিয়োগ : ... | |
| আয়ব্যয় উদ্বৃত্ত ... | ৭০০·০০ | ন্যাশনাল সেভিংস সার্টিফিকেট ... | ৫,০০০·০০ |
| চলিত বছরের বর্দ্ধিত ... | | স্থায়ী জমা, অমর কো-অপারেটিভ এপেক্স বেঙ্ক বৌবাজার | ৬,০০০·০০ |
| | | সাধারণ পুঁজিতে ... | ২,৭০০·০০ |
| | ১৩,৭০০·০০ | | ১৩,৭০০·০০ |

## (ঘ) অক্ষয় পুঁজি বাড়ি পুঁজির, ১৯৬২-৬৩ সনের হিসাব

### (১) দক্ষিণপাট অধিকার গোস্বামী অক্ষয় পুঁজির বাড়ি পুঁজি

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| আয়ত্তী উদ্বৃত্ত | ... | ১,০৩৩'৭৪ | 'কনকতর' প্রকাশের বাবদে সাধারণ পুঁজিতে দান | ... | | | ১,০৪২'০০ |
| চলিত বছরের মূল পুঁজির বাড়ি | ... | ২০০'০০ | আয়কর কর্তন আর বেতন অবদি | ... | | | ৬০'৫০ |
| চলিত বছরের বাড়ি পুঁজির বাড়ি | ... | ৩১'৭৪ | সামবর্তী উদ্বৃত্ত : বিনিধান : | | | | |
| | | | ডাকঘর সেভিংস বেংক, যোরহাট | ... | ৫'৯৮ | | |
| | | ১,২৬৫'৪৮ | সাধারণ পুঁজিত | ... | ১৫৭'০০ | | ১৬২'৯৮ |
| | | | | | | | ১,২৬৫'৪৮ |

### (২) চন্দ্রকান্ত-ইন্দ্রকান্ত স্মারক পুঁজির বাড়ি পুঁজি

| | | | | | | |
|---|---|---|---|---|---|---|
| আয়ত্তী উদ্বৃত্ত | ... | ৯০৭'৪১ | চন্দ্রকান্ত সন্দিকৈর ভবনর কাষত | | | ৬,৩৩৩'৭২ |
| চলিত বছরের মূল পুঁজির বাড়ি | ... | ৬০৯'০০ | সামবর্তী উদ্বৃত্ত : বিনিধান : | | | |
| চলিত বছরের বাড়ি পুঁজির বাড়ি | ... | ১৭'০৭ | সাহিত্য সভার সাধারণ পুঁজিত | ... | ৩৩০'০০ | |
| ইন্দ্রকান্ত সন্দিকৈর দান | ... | ৬,০০০'০০ | যোরহাট-ডাকঘর সেভিংস বেংক | ... | ৬৮৩'০৮ | |
| | | | হাতত থকা ক্যাস পরিক্রিয় ধন-ভঁড়ালী | ... | '৪০ | |
| | | ৭,৫৩৩'৪৮ | আর সম্পাদকর হাতত | ... | ১৮৬'২৮ | ১,১৯৯'৭৬ |
| | | | | | | ৭,৫৩৩'৪৮ |

### (৩) চন্দ্রকান্ত-ইন্দ্রকান্ত স্মারক সামাজিক সমাবেশ পুঁজির বাড়ি পুঁজি

| | | | | | | |
|---|---|---|---|---|---|---|
| আয়ত্তী উদ্বৃত্ত | ... | ৯১'০৬ | সমাবেশর বাবে সাধারণ পুঁজিতে আনি কৰা ধার | ... | | ৪৬'০০ |
| চলিত বছরের বাড়ি পুঁজির বাড়ি | ... | ৮'৬৮ | সামবর্তী উদ্বৃত্ত : বিনিধান : | | | |
| মূল পুঁজির বাড়ি | ... | ২৫'০০ | ডাকঘর সেভিংস বেংক, যোরহাট | ... | ৪৫'৭৪ | |
| | | | সাধারণ পুঁজিত | ... | ৩৩'০০ | ৭৮'৭৪ |
| | | ১২৪'৭৪ | | | | ১২৪'৭৪ |

### (৪) কমলাদেবী স্মারক পুঁজির বাড়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আয়ত্তী উদ্বৃত্ত | ... | ৯২৭'৬১ | 'অসমত আর মূল্য ধারক' ছপোয়ার | | |
| চলিত বছরের বাড়ি পুঁজির বাড়ি | ... | ৩৭'৬৮ | বাবদ খরচ | ... | ৮২৬'৩৬ |
| সাধারণ পুঁজির পরা কল | ... | ৭১৬'৩৬ | সামবর্তী উদ্বৃত্ত : বিনিধান | | |
| | | ১,৬৮১'৬৫ | ডাকঘর সেভিংস বেংক যোরহাট | ... | ৮৫৫'২৯ |
| | | | | | ১,৬৮১'৬৫ |

### (৫) রবিচন্দ্র চৌধুরী বক্তা পুঁজির বাড়ি পুঁজি

| | | | | | |
|---|---|---|---|---|---|
| আয়ত্তী উদ্বৃত্ত | ... | — | বক্তার খরচ | ... | ৩০'০০ |
| চলিত বছরের মূল পুঁজির বাড়ি | ... | ৬০'০০ | সামবর্তী উদ্বৃত্ত সাধারণ পুঁজিত | ... | ৩০'০০ |
| | | ৬০'০০ | | | ৬০'০০ |

## (গ) চৰকাৰী অনুদান

### ১৯৬২-৬৩ চনৰ হিচাপ

**(১) ৰাজ্যিক চৰকাৰ : ভাষা শিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি**

| ব্যয় | | | আয় | | |
|---|---|---|---|---|---|
| চলিত বছৰৰ ব্যয় | ... | ৫,৯০২·৫০ | আগতনী উদ্বৃত্ত : যোৱা বছৰৰ আয়ৰ বাকী | ... | ৬,১৬৯·৩১ |
| সামগ্ৰী উদ্বৃত্ত | ... | ২৬৬·৮১ | | | |
| | | ৬,১৬৯·৩১ | | | ৬,১৬৯·৩১ |

**(২) ৰাজ্যিক চৰকাৰ : প্ৰকাশন আঁচনি**

| | | | | | |
|---|---|---|---|---|---|
| চলিত বছৰৰ ব্যয়, | ... | | বাকী অনুদান | ... | ২,২০৪·০০ |
| সাধাৰণ পুঁজিৰ পৰা | ... | ২,২০৪·০০ | | | |
| | | ২,২০৪·০০ | | | ২,২০৪·০০ |

**(৩) কেন্দ্ৰীয় চৰকাৰ : দুষ্প্ৰাপ্য পুথি প্ৰকাশ**

| | | | | | |
|---|---|---|---|---|---|
| চলিত বছৰত পুথি-প্ৰকাশৰ ব্যয় | ... | ২,৮৫৫·০০ | আগতনী উদ্বৃত্ত : যোৱা বছৰৰ আয়ৰ বাকী | ... | ৫০০·০০ |
| | | | চলিত বছৰৰ অনুদান | ... | ১,৩০৩·০০ |
| | | | সাধাৰণ পুঁজিৰ ব্যয় | ... | ১,০৫২·০০ |
| | | ২,৮৫৫·০০ | | | ২,৮৫৫·০০ |

**(৪) কেন্দ্ৰীয় চৰকাৰ : আধুনিক ভাষা পুথি**

| | | | | | |
|---|---|---|---|---|---|
| অনুদানৰ বাকী | ... | ২,০০০·০০ | চলিত বছৰৰ অনুদান | ... | ২,০০০·০০ |
| | | ২ ০০·০০ | | | ২,০০০·০০ |

**(৫) কেন্দ্ৰীয় চৰকাৰ : সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি**

| | | | | | |
|---|---|---|---|---|---|
| চলিত বছৰৰ ব্যয় | ... | ১৬,২৫৭ ১৬ | পূৰ্ব বছৰৰ বাকী | ... | ৮,৬৩০·০০ |
| | | | সাধাৰণ পুঁজিৰপৰা | ... | ৭,৬২৭·১৬ |
| | | ১৬,২৫৭·১৬ | | | ১৬,২৫৭·১৬ |

## (খ) স্থায়ী পুঁজি

১৯৭২-৭৩ সনৰ হিচাপ

### (১) বাণীকান্ত কাকতি স্মৃতি পুঁজি

| ব্যয় | | | আয় | | |
|---|---|---|---|---|---|
| আগলৈ উদ্বৃত্ত | ... | ৩,০৪৮.৭০ | পূর্বৱর্তী উদ্বৃত্ত : বিনিয়োগ | ... | |
| বেংক খাটি | ... | ১১৮.০১ | অসম কো-অপাৰেটিভ এপেক্স বেংক, গুৱাহাটী | ... | ৩,১৬৬.৭১ |
| | | ৩,১৬৬.৭১ | | | ৩,১৬৬.৭১ |

### (২) নবকান্ত গোস্বামী স্মৃতি পুঁজি

| ব্যয় | | | আয় | | |
|---|---|---|---|---|---|
| আগলৈ উদ্বৃত্ত | ... | ৬৮.৫০ | পূর্বৱর্তী উদ্বৃত্ত : সাধাৰণ পুঁজিত | ... | ৬৮.৫০ |
| | | ৬৮.৫০ | | | ৬৮.৫০ |

### (৩) অসম সাহিত্য সভা ভবন ( গুৱাহাটী )

| ব্যয় | | | আয় | | |
|---|---|---|---|---|---|
| দান | ... | ৫,০০০.০০ | বিবিধ ব্যয় | ... | ৪৫৭.৩৫ |
| কেন্দ্রীয় চৰকাৰৰ অনুদান | ... | ৫,০০০.০০ | পূর্বৱর্তী উদ্বৃত্ত : অসম কো-অপাৰেটিভ বেংক, গুৱাহাটী | ... | ১০,০০০.০০ |
| সভাৰ পৰা ঋণ | ... | ৬৪৯.০০ | হাতে জমা | ... | ১৯১.৬৫ |
| | | ১০,৬৪৯.০০ | | | ১০,৬৪৯.০০ |

শ্রীত্রৈলোক্যনাথ গোস্বামী
সভাপতি
২১।৪।৭৩

মহেশ্বৰ নেওগ
প্রধান সম্পাদক

মহম্মদ ঢালী
হিচাপ পৰীক্ষক

নগাক্ষেত্ৰ আক
ৰাখিছোঁ।

পাণ্ডুলিপি বিষ

নবেম্বৰ মাহ
লোৱত পুৰণি-পু
আলোচনাচক্ৰত
সভাৰ প্ৰধান
দিয়ে।

অখিল ভাৰত

বিহাৰৰ হ
( শিশু-দিৱস )
সাহিত্য সম্মিলন
জুৰি বহে। দ
ভাষাৰ প্ৰতিনি
অসমৰ পৰা শ্ৰী
দি অধিৱেশনৰ

| আয় | | |
|---|---|---|
| | ... | |
| ..ক, যোৰহাট | ... | ৩,১৮৬·৭১ |
| | | ৩,১৮৬·৭১ |
| ..ত | ... | ৪৮·৫০ |
| | | ৪৮·৫০ |
| | ... | ৪৫৭·৩৫ |
| ..পাৰেটিভ বেঙ্ক, গুৱাহাটী | ... | ১০,০০০·০০ |
| যা.. | ... | ১৯১·৬৫ |
| | | ১০,৬৪৯·০০ |

মহেশ্বৰ নেওগ
প্ৰধান সম্পাদক

মহম্মদ চাকী
হিচাপ পৰীক্ষক

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। সাহিত্য সভা পত্ৰিকাত প্ৰকাশৰ বাবে পঠোৱা প্ৰবন্ধ আদি কাগজৰ এপিঠিত ফটফটীয়াকৈ লেখি শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, C/o. প্ৰকাশন পৰিষদ, শিলপুখুৰী, গুৱাহাটী—এই ঠিকনাত পঠাব। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিব পৰা নহয়।

৫। সাহিত্য-সংস্কৃতিবিষয়ক মৌলিক আলোচনা আৰু গৱেষণামূলক প্ৰবন্ধ আদিয়েহে ঘাইকৈ ইয়াত ঠাই পাব।

## অসম সাহিত্য সভা পত্ৰিকাৰ জাননী ছপোৱাৰ বেচ

| | | | |
|---|---|---|---|
| ভিতৰৰ এপিঠিৰ, | ৪০·০০ | আধা পিঠিত ২২·০০ | সিকি পিঠিত ১২·০০ |
| বেটুপাতৰ তৃতীয় পিঠিত | ৪৫·০০ | আধা পিঠিত ২৪·০০ | সিকি পিঠিত ১৩·০০ |
| বেটুপাতৰ চতুৰ্থ পিঠিত | ৫০·০০ | আধা পিঠিত ২৬·০০, | সিকি পিঠিত ১৪·০০ |

# ॥ অসম সাহিত্য সভাৰ প্ৰকাশন ॥

১। **অসম সাহিত্য সভাৰ ভাষণাৱলী** ( প্ৰথম ভাগ )—প্ৰথমৰপৰা দ্বাদশ মূল সন্মিলনৰ সভাপতিৰ অভিভাষণ। ৮·০০।
২। **অসম সাহিত্য সভাৰ ভাষণাৱলী** ( দ্বিতীয় ভাগ )—ত্ৰয়োদশৰপৰা পঞ্চবিংশ মূল সন্মিলনৰ সভাপতিৰ অভিভাষণ। ৮·০০, সভাৰ বাবে ৬·০০। দুই ভাগ ১৪·০০।
৩। **অসম সাহিত্য সভাৰ ভাষণাৱলী** ( তৃতীয় ভাগ )– প্ৰথম বাৰখন বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ। ৭·০০
৪। **অসম সাহিত্য সভা বাৰ্ষিকী** ( প্ৰথম ভাগ )—ত্ৰয়োবিংশ সন্মিলনৰ অভিভাষণসমূহ। ২·০০।
৫। **অসম সাহিত্য সভা বাৰ্ষিকী** ( দ্বিতীয় ভাগ —চতুৰ্ব্বিংশ সন্মিলনৰ অভিভাষণসমূহ। ২·০০।
৬। **হৰিবৰ বিপ্ৰৰ লৱ-কুশৰ যুদ্ধ**—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ২·০০।
৭। **ভাগৱত মিশ্ৰৰ সাত্বত-তন্ত্ৰ**—শৰৎচন্দ্ৰ গোস্বামী সম্পাদিত। ০·৬০।
৮। **বলোৰাম দ্বিজৰ শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ**—দেৱেশ্বৰ চলিহা সম্পাদিত। ১·০০।
৯। **ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ**—০·৭৫।
১০। **অসমীয়া ভাষা** ( আনন্দৰাম ঢেকিয়াল ফুকনৰ A Few Remarks on the Assamese Language and on Vernacular Education in Assam পুথিৰ অনুবাদ )—ডঃ মহেশ্বৰ নেওগ অনূদিত আৰু সম্পাদিত। ০·৫০।
১১। **মোৰ জীৱন-সোঁৱৰণ** ( লক্ষ্মীনাথ বেজবৰুৱা )—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংগৃহীত আৰু ডঃ মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত। ৫·০০।
১২। **অসমীয়া খণ্ডবাক্য-কোষ** ( বেণুধৰ ৰাজখোৱা )।—ডঃ মহেশ্বৰ নেওগ সম্পাদিত সংবৰ্দ্ধিত আৰু পৰিশিষ্ট-সম্বলিত। ৯·০০।
১৩। **কামিনীকান্তৰ চৰিত্ৰ** ( এ. কে. গাৰ্নী )—ডঃ প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত। ২·০০।
১৪। **অসমীয়া লোকগীতি-সংগ্ৰহ** ( শ্ৰীযোগেশচন্দ্ৰ তামুলী-সংগৃহীত )—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৬·০০।
১৫। **পবিত্ৰ অসম**—মঠ-মন্দিৰ, তীৰ্থ-পীঠ, সত্ৰ-থান, দৰগাহ, গীৰ্জ্জা আদিৰ বিৱৰণ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১১·০০।
১৬। **বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা**—ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। ২·০০।
১৭। **চাহ-বাগিচাৰ বনুৱা**—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ১·২৫।
১৮। **আনন্দৰাম ঢেকিয়াল ফুকন**—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী,সম্পাদিত। ০·৩৬।
১৯। **ৰাধাকান্ত সন্দিকৈ**—শ্ৰীহৰিপ্ৰসাদ নেওগ—০·৭৫।
২০। **কৰি চৌধাৰী আৰু চৌধাৰীদেৱৰ কৱিতা**—শ্ৰীকমলেশ্বৰ শৰ্ম্মা—২·৫০।
২১। **সীমান্তৰ সম্ভেদ**—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত—২·০০।
২২। **The Outlook on NEFA**—শ্ৰীপৰাগধৰ চলিহা সম্পাদিত—২·০০।
২৩। **This is Assam**—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত। ২·০০।
২৪। **নীলাচল পাঠ** ( আও নগা ভাষা শিকা পুথি )—শ্ৰীমহেন্দ্ৰনাথ সভাপণ্ডিত — ১·০০।
২৫। **Assam's Language Question : A Symposium** ( কেইবাজনো প্ৰথিতযশা লেখকৰ আলোচনা ) ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ১·০০।
২৬। **ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া**—শ্ৰীনকুলচন্দ্ৰ ভূঞা। ৩·০০।
২৭। **মিকিৰ জনজাতি**—শ্ৰীলংকাম টেৰণ। ১·০০।
২৮। **উদয়াচলৰ সাধু**—শ্ৰীলুম্বেৰ দাই। ২·০০।

## পোৱাৰ ঠাই :

**প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট**

সৰহীয়াকৈ নিওঁতালৈ কমিছনৰ ব্যৱস্থা ৰখা হৈছে। এজেন্সিৰ নিয়মাৱলীৰ বাবে লিখক।

প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, অসম।

---

অসম সাহিত্য সভাৰ হৈ পত্ৰিকা সম্পাদক শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীৰদ্বাৰা কলিকতাৰ শ্ৰীকান্ত প্ৰেছ প্ৰাঃ লিঃত মুদ্ৰিত আৰু অসম সাহিত্য সভাৰ কাৰ্য্যালয়, যোৰহাটৰপৰা প্ৰকাশিত।